# অসম সাহিত্য সভা পত্ৰিকা

## সাহিত্যিক, সাহিত্য সংগঠক দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ শ্ৰদ্ধাৰ্ঘ্য
## জনগোষ্ঠীয় সমাজ-সংস্কৃতি বিশেষ সংখ্যা

পঞ্চসপ্ততিতম্ বৰ্ষ
তৃতীয় সংখ্যা— অক্টোবৰ, নৱেম্বৰ, ডিচেম্বৰ, ২০২০ খ্ৰীষ্টাব্দ

সম্পাদক
ডক্টৰ উপেন্দ্ৰজিৎ শৰ্মা

# অসম সাহিত্য সভা পত্ৰিকা

**পঞ্চসপ্ততিতম্ বৰ্ষ**

**তৃতীয় সংখ্যা— অক্টোবৰ, নৱেম্বৰ, ডিচেম্বৰ, ২০২০ খ্ৰীষ্টাব্দ**

**পত্ৰিকা সম্পাদক**

ডক্টৰ উপেন্দ্ৰজিৎ শৰ্মা

**বেটুপাত ঃ**

জুলি বৰুৱা

যোৰহাট, জেইল ৰোড



© সম্পাদক



**অক্ষৰ বিন্যাস ঃ**

ৰতন দাস

**মূল্য ঃ** ১০০.০০ টকা

**ছপা ঃ**

ভৱানী অফছেট প্ৰিণ্টাৰ্চ

গুৱাহাটী- ৭৮১০০৭

**ASAM SAHITYA SABHA PATRIKA :** *75 years, 3rd issue, (October-November-December, 2020) A Research Journal of Asam Sahitya Sabha, edited by Dr. Upendrajit Sarma and Published by Sri Jadab Chandra Sarma, General Secretary of Asam Sahitya Sabha, Chandrakanta Handique Bhavan, Jorhat-785001, Assam;* ***Price :*** *One hundred only*

**ISSN :** 2277-9515



**সম্পাদনা সমিতি ঃ**

ডক্টৰ কুলধৰ শইকীয়া, সভাপতি

শ্ৰী যাদব চন্দ্ৰ শৰ্মা, প্ৰধান সম্পাদক

ডক্টৰ মঞ্জুদেৱী পেগু, সদস্য

অৰিন্দম বৰকটকী, সদস্য

ডক্টৰ ভাস্কৰজ্যোতি শৰ্মা, সদস্য

ডক্টৰ অৰবিন্দ ৰাজখোৱা, সদস্য

ডক্টৰ অৰূপ কুমাৰ নাথ, সদস্য

ডক্টৰ উপেন্দ্ৰজিৎ শৰ্মা, পত্ৰিকা সম্পাদক



**প্ৰকাশক ঃ**

শ্ৰী যাদব চন্দ্ৰ শৰ্মা

প্ৰধান সম্পাদক,

অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট - ৭৮৫০০১

# সভাপতিৰ একাষাৰ

প্ৰকৃতিৰ অনবদ্য অৱদানেৰে পূৰ্ণ অসমৰ বৈচিত্ৰ্যময় জনগাঁথনিয়ে সৃষ্টি কৰিছে বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি। অসমীয়া জাতি সত্বাত সংমিশ্ৰিত হৈছে বিভিন্ন জাতি-জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক চেতনা। আমাৰ জাতীয় জীৱনৰ প্ৰাত্যাহিক আচাৰ-ব্যৱহাৰ, অনুষ্ঠান-পাৰ্বণ আদিত এই বিভিন্নতাই আনি দিছে এক অনন্য ৰূপ। যিবোৰ উৎসৱ-পাৰ্বণ, সামাজিক লোকাচাৰ পালন কৰি অহা হৈছে, সেইবোৰৰ আঁহে-আঁহে, কোঁহে-কোঁহে জনগোষ্ঠীয় ৰীতি-নীতি, পৰম্পৰা সাঙোৰ খাই আছে। অসমীয়া সমাজ আৰু সংস্কৃতিক ভালদৰে উপলব্ধি কৰিবলৈ হ'লে আমি প্ৰথমতে অসমৰ জাতি-জনগোষ্ঠীসমূহৰ সমাজ-সংস্কৃতি সম্পৰ্কে সম্যক ধাৰণা ল'ব পাৰিব লাগিব। যিদিনাখন আমি আমাৰ জাতি-জনগোষ্ঠীসমূহৰ সামাজিক-সাংস্কৃতিক কথাবোৰ ভালদৰে জানিবলৈ সমৰ্থ হ'ম, সেইদিনাখনহে প্ৰকৃতাৰ্থত অসমীয়া জাতি সত্বাৰ প্ৰকৃত স্বৰূপটো বুজিব পাৰিম।

অসমৰ ভিন্ন জনগোষ্ঠীৰ সমাজ-সংস্কৃতি সম্পৰ্কে কিছু আভাস পোৱাৰ মানসিকতাৰে অসম সাহিত্য সভা পত্ৰিকাৰ এই সংখ্যাটো পত্ৰিকা সম্পাদক তথা সম্পাদনা সমিতিৰ লগত হোৱা আলোচনামৰ্মে জনগোষ্ঠীয় সমাজ-সংস্কৃতি বিশেষ সংখ্যা হিচাপে প্ৰকাশ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আমাৰ অনুভৱ এনেধৰণে ভিন্ন জাতি-জনগোষ্ঠীৰ সমাজ-সংস্কৃতিৰ চিন্তা-চৰ্চাই বৃহত্তৰ অসমীয়া সমাজ-সংস্কৃতিৰ প্ৰকৃত অধ্যয়নত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰিব।

মোৰ সভাপতিৰ অভিভাষণত কৈছিলোঁ যে যিসকল থলুৱা জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ উপাদানে অসমীয়া ভাষাক বৰ্তমানৰ সুদৃঢ় স্থানলৈ উত্তৰণ ঘটাৰ প্ৰক্ৰিয়াত সহায় কৰিছে, তেওঁলোকৰ ভাষা, সম্পদ, কলা-কৃষ্টিৰ সমলৰ বিকাশে আমাকো আগলৈ নিব। জনসংখ্যাৰ মাত্ৰাৰে ক্ষুদ্ৰ জনগোষ্ঠীৰ মাজত চলি থকা লোকাচাৰ, মৌখিক কাহিনী, গীত-মাতৰ অপূৰ্ব সুৰ, লোককলা, প্ৰাচীন লোকজ্ঞানৰ সংৰক্ষণ আৰু বিস্তাৰৰ জৰিয়তে পূৰ্ণতা পাব আমাৰ ভাষা-সংস্কৃতি আৰু জাতীয় জীৱন।

**ড° কুলধৰ শইকীয়া**

**সভাপতি**

**অসম সাহিত্য সভা**

# প্ৰকাশক হিচাপে প্ৰধান সম্পাদকৰ একলম

বিভিন্ন জাতি-জনগোষ্ঠীৰ একতাৰে গঢ়ি উঠিছে অসমীয়া জাতি। অসমীয়া জাতি সত্বাত সানমিহলি হৈ আছে বিভিন্ন জাতি-জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক চেতনা। আমি অসমীয়া জাতীয় জীৱনৰ প্ৰতিটো অনুষ্ঠান-পাৰ্বণ ফঁহিয়াই চালে দেখিবলৈ পাওঁ যে এই অনুষ্ঠান-পাৰ্বণসমূহত সৰ্বভাৰতীয় ৰীতি-নীতি পৰম্পৰাৰ সলনি এই অঞ্চলৰ ভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক ৰীতি-নীতি পৰম্পৰাহে সংপৃক্ত হৈ আছে। আজি অসমীয়া জনজীৱনত ভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক সমন্বয়ৰ জৰিয়তে গঢ় লৈছে আমাৰ চিন্তা-চেতনা। অসম সাহিত্য সভায়ো প্ৰতিটো জাতি-জনগোষ্ঠীক সামূহিক মৰ্যাদা প্ৰদান কৰি আহিছে। প্ৰকৃতাৰ্থত অসম সাহিত্য সভা সকলো জাতি-জনগোষ্ঠীৰ এক উমৈহতীয়া মঞ্চ। অসম সাহিত্য সভাৰ এই মঞ্চখনৰ জৰিয়তে আমি প্ৰতিটো জাতি-জনগোষ্ঠীক সময়ৰ জোখেৰে আগবঢ়াই লৈ যোৱাৰ প্ৰয়াস কৰি আহিছোঁ।

অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদকৰ দায়িত্ব ড° উপেন্দ্ৰজিৎ শৰ্মাৰ হাতত অৰ্পণ কৰাৰ পিছত পত্ৰিকা সম্পাদকগৰাকীয়ে তেখেতৰ অনুভৱ ব্যক্ত কৰিছিল যে আমি প্ৰতিটো অসমৰ জাতি-জনগোষ্ঠীৰ সম্যক ধাৰণা সাধাৰণ জনতাৰ মাজলৈ লৈ যাব লাগিব। প্ৰত্যেকেই প্ৰত্যেকৰ জীৱনশৈলী, উৎসৱ-পাৰ্বণ, শাৱন-শোৱন, পিন্ধন-উৰণ, ৰীতি-নীতি, পৰম্পৰা, আচাৰ-ব্যৱহাৰ আদিৰ বিষয়ে জানিব লাগিব। তেতিয়াহে প্ৰকৃতাৰ্থত অসমীয়া জাতি-সত্বাৰ প্ৰকৃত স্বৰূপ আমি বুজিব পাৰিম। অসমৰ ভিন্ন জাতি-জনগোষ্ঠীৰ চিন্তা-চৰ্চাই সেই জাতি-জনগোষ্ঠীসমূহকো উদ্ভাসিত কৰিব। তেওঁলোকে এক নতুন চিন্তা-চৰ্চাৰে অসমীয়া জাতি-সত্বাক আগবঢ়াই লৈ যোৱাৰ প্ৰয়াসেৰে আগবাঢ়ি আহিব। পত্ৰিকা সম্পাদকগৰাকীৰ এই ভাৱনাই আমাক বাৰুকৈয়ে উৎসাহিত কৰিছিল আৰু তেখেতৰ চিন্তা-ভাৱনাক সন্মান জনাই অসম সাহিত্য সভাৰ পত্ৰিকাৰ এই সংখ্যাটো জনগোষ্ঠীয় সমাজ-সংস্কৃতি শীৰ্ষক বিশেষ সংখ্যা হিচাপে প্ৰকাশ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিলোঁ।

আমি আপোনাসৱক জনাবলৈ পাই আনন্দিত হৈছোঁ যে বিভিন্ন প্ৰত্যাহ্বানক নেওচিও যোৱা ২৭ ফেব্ৰুৱাৰী, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত অসম সাহিত্য সভাৰ দ্বিতীয়খন পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰিছিলোঁ। এইখন সভাতে অসম সাহিত্য সভাৰ পত্ৰিকাৰ দ্বিতীয় সংখ্যাটো ড° উপেন্দ্ৰজিৎ শৰ্মাৰ সম্পাদনাত ভাষা-উপভাষা বিশেষ সংখ্যা হিচাপে প্ৰকাশ কৰি উন্মোচন কৰিছিলোঁ। পত্ৰিকাখনৰ এই সংখ্যাটো অসমৰ বিদ্বৎ সমাজৰ পৰা বিশেষ সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। এই চেগতে অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদকগৰাকীক আমি বিশেষভাৱে শলাগ লৈছোঁ।

অসম সাহিত্য সভাৰ পত্ৰিকাখন শাখা আৰু জিলা সভাসমূহে সহজতে পাব পৰাকৈ আমি আঞ্চলিক কাৰ্যালয়সমূহলৈ প্ৰেৰণ কৰিছোঁ।

সভাৰ পত্ৰিকাৰ এই সংখ্যাটো কাৰ্যনিৰ্বাহক সভাই অসম সাহিত্য সভাৰ এগৰাকী অক্লান্ত কৰ্মী, সাহিত্য-সংস্কৃতিৰ সেৱক, অসম সাহিত্য সভাৰ এইখন কাৰ্যনিৰ্বাহকৰ মণ্ডলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰৰ নামত উৎসৰ্গ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কাৰ্যনিৰ্বাহক সভাই সভাৰ এগৰাকী কৰ্ম-কৰ্তাক এইধৰণে সন্মান যঁচা কাৰ্য সময়োপযোগী সিদ্ধান্ত বুলি অনুভৱ কৰিব পাৰি। অসম সাহিত্য সভাই কেৱল সাহিত্যিককে সন্মান যাঁচিলে নহ'ব। যিসকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰমৰ ফলত অসম সাহিত্য সভা ফলে-ফুলে জাতিষ্কাৰ হৈ থাকে, জিলাসভা আৰু শাখা সভাসমূহে প্ৰাণ পাই উঠে সেইসকল ব্যক্তিৰ প্ৰতি সন্মান যঁচাতো অসম সাহিত্য সভাৰ দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত। আমি ধাৰণা কৰিছোঁ অসম সাহিত্য সভাৰ পত্ৰিকাৰ এই সংখ্যাটো অসমৰ জাতীয় জীৱনৰ এক বাৰ্তাবাহক দলিল হিচাপে পৰিগণিত হৈ থাকিব।

চিৰ চেনেহী মোৰ ভাষা জননী

(যাদৱ চন্দ্ৰ শৰ্মা)



প্ৰধান সম্পাদক

অসম সাহিত্য সভা

# বিষয়সূচী


**সম্পাদকীয়** /৯

*সাহিত্য সংগঠক, সাহিত্যিক দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ শ্ৰদ্ধাৰ্ঘ্য জ্ঞাপক প্ৰবন্ধ*

**প্ৰয়াত দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰৰ সাহিত্য-কৃতি** /১৩
গৌতমানন্দ গোস্বামী

**প্ৰশস্তিমূলক প্ৰবন্ধ**

**অসম সাহিত্য সভা ঃ মোৰ অনুভৱ** /২৩
ইমৰান শ্বাহ

**জনগোষ্ঠীয় সমাজ-সংস্কৃতি শীৰ্ষক প্ৰবন্ধ**

**ৰাভা লোক-সংস্কৃতি** /২৪
ড° ললিত চন্দ্ৰ ৰাভা

**তাই আহোমৰ ভাষা-সংস্কৃতি আৰু পৰম্পৰাৰ এক চমু অৱলোকন** /৩২
বিমল ৰাজখোৱা

**মেচ জনগোষ্ঠীৰ পৰিচয় আৰু সমাজ-সংস্কৃতিত এভুমুকি** /৩৬
যতীন্দ্ৰনাথ গগৈ

**টাইফাকে ঃ ইতিহাস, সমাজ জীৱন আৰু লোকগীত-সাহিত্য** /৪১
পেইম থি গোহাঁই

**ঠেঙ্গাল কছাৰীৰ জাতীয় উৎসৱ "তৰা ছিৰা বিহু"** /৫৩
তিলেশ্বৰ শইকীয়া ঠেঙ্গাল

**কাৰ্বি জনগোষ্ঠী** /৫৬
হাংমিজি হাঞ্চে

**মৰাণৰ সমাজ আৰু সংস্কৃতি** /৬২
মোহন মৰাণ

**মটক জনগোষ্ঠীৰ সমাজ আৰু সংস্কৃতি** /৭১
ফটিক নেওগ
**অসমৰ জনগোষ্ঠী চিংফৌসকল** /৭৬
ৰাজীৱ নিংখী
**ঝুমইৰ গীতত চাহ জনগোষ্ঠীৰ লোকজীৱনৰ প্ৰতিফলন** /৮৪
দুলাল মানকি
**কাৰ্বি নাৰীৰ সামাজিৰ মৰ্যাদা** /৯১
ড° নয়নমণি মেধি
**মিচিং জনগোষ্ঠীৰ সমাজ-সাহিত্য** /৯৪
ড° ৰঘুনাথ কাগ্যুং
**কোচ ৰাজবংশীসকলৰ লোক উৎসৱঃ এক সংক্ষিপ্ত অৱলোকন** /১১১
দিব্যজ্যোতি ডেকা
**অসমৰ সাংস্কৃতিক জগতলৈ শৰণীয়া কছাৰীসকলৰ অৱদান** /১১৪
সোণবৰ বৰুৱা
**হাজং জনগোষ্ঠীৰ ভাষা আৰু সংস্কৃতি ঃ এক চমু অৱলোকন** /১২৪
ড° কান্তা চক্ৰৱৰ্তী
**জনজাতিসকলৰ সামাজিক-সাংস্কৃতিক জীৱনত যুৱগৃহ বা ডেকাচাং** /১৩১
ড° অজিত শইকীয়া

**গ্ৰন্থ সমালোচনা**

**‘কোচ-কমতাৰ ইতিকথা’ৰ এটি চমু পৰ্যালোচনা** /১৩৮
বসন্ত শইকীয়া

# সম্পাদকীয়

**সাহিত্য সংগঠক, জাতীয়তাবাদী ভাৱধাৰাৰ প্ৰৱক্তা, সাহিত্যিক দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰলৈ শ্ৰদ্ধাঞ্জলি**

দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনৰ লগতে অসমীয়া সমাজ জীৱনৰ এক বহুলভাৱে চৰ্চিত নাম। অসমৰ জাতীয় জীৱনৰ লগত পৰিচিত প্ৰতিগৰাকী ব্যক্তিৰ বাবে দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ আছিল এক জাতীয় ভাৱধাৰাৰ উৎস। তেওঁৰ মানসপটত জিলিকি আছিল অসমীয়া ভাষা-সাহিত্য, সংস্কৃতিৰ প্ৰতি সেৱা কৰাৰ এক অফুৰন্ত হাবিয়াস। স্কুলীয়া দিনৰ পৰাই সমাজ জীৱনৰ লগত জড়িত হৈ নিঃস্বাৰ্থভাৱে দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰে অসমৰ জাতীয় জীৱনৰ সেৱা কৰি গৈছিল। অসমৰ সমাজ জীৱন তথা অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনৰ কিবা অনিষ্ট হোৱা দেখিলে তেওঁৰ জাতীয়তাবাদী ভাৱনাৰে পৰিপুষ্ট মনটোৱে আৰ্তনাদ কৰি উঠিছিল। আমাৰ লগত প্ৰায় ত্ৰিশটা বছৰৰ সম্পৰ্ক আছিল দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ। তেওঁ আছিল এগৰাকী ভাল সাহিত্য তথা সমাজ জীৱনৰ সংগঠক। তেওঁৰ নেতৃত্বত অসমৰ বিশেষকৈ দৰং জিলাখনত সাহিত্যৰ ক্ষেত্ৰখন আৰু সমাজ জীৱনটোৱে বিশেষ গতি লাভ কৰিছিল। সততে সামাজিক কাম-কাজৰ লগতে জিলা সাহিত্য সভা, শাখা সাহিত্য সভাৰ গতিশীলতাত দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰে আত্মোৎসৰ্গ কৰিছিল। এইগৰাকী ব্যক্তিয়ে নীৰৱে সাহিত্য সাধনাও কৰি গৈছিল। তেওঁৰ জাতীয়তাবাদী ভাৱনাৰে পৰিপুষ্ট কাপৰ পৰা আমি লাভ কৰিলোঁ স্বায়ত্ব শাসন, পূৰ্ণ স্বায়ত্ব শাসনৰ প্ৰস্তাৱ, জাতীয়তাবাদৰ ভিত্তিত সাম্যবাদ, দ্বি-নাগৰিকত্ব আৰু অসমৰ বিদেশী সমস্যা, কোঁচ ৰাজ্যত শ্ৰীমন্ত শংকৰদেৱ, কোচ-কমতাৰ ইতিকথা আদিৰ লেখীয়া অলেখ মূল্যৱান গ্ৰন্থ। কিন্তু সমাজ জীৱনত দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ এগৰাকী সাহিত্য তথা সমাজ সংগঠক হিচাপেহে পৰিচিত হৈ থাকিল। এইগৰাকী ব্যক্তিৰ নেতৃত্বতে ২০১৩ খ্ৰীষ্টাব্দৰ ২৭ ডিচেম্বৰ তাৰিখে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ আয়োজন কৰা হৈছিল। মঙ্গলদৈ ক্ৰীড়া ক্ষেত্ৰত যিটো অনুষ্ঠানত দহ হাজাৰ লোকে সমস্বৰে সভাৰ আৰম্ভণি গীত "চিৰ চেনেহী মোৰ ভাষা জননী" পৰিৱেশন কৰি এক বিৰল কৃতিত্ব অৰ্জন কৰিছিল। সেই সময়ছোৱাত সমগ্ৰ দৰঙৰ গাঁৱে-ভূঞে, চহৰে-নগৰে "চিৰ চেনেহী মোৰ ভাষা জননী"ৰ সুৱদি সুৰিয়া সুৰে আকাশ-বতাহ মুখৰিত কৰি ৰাখিছিল। পৰিশীলিত ৰূপত অনুষ্ঠিত হোৱা অনুষ্ঠানটো অসম সাহিত্য সভাৰ এক অনন্য অনুষ্ঠানৰূপে স্বীকৃত হৈ থাকিল। দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ নিজ গুণ-কৰ্মৰাজিৰে উজলি থাকিও অসময়তে আমাৰ মাজৰ পৰা আঁতৰি গ'ল। আমি আপোনালৈ যাচিছোঁ অশ্ৰুসিক্ত অঞ্জলি।

**জাতি-জনজাতিৰ মহামিলনে ৰচিব অসমীয়া জাতিৰ ভৱিষ্যত**

প্ৰাচীন বৰ অসম আজিৰ উত্তৰ-পূৰ্বাঞ্চল সাত ভনীৰ বৈচিত্ৰ্যময় জনগাঁথনিৰে পৰিপূৰ্ণ অঞ্চল। মানৱ সভ্যতাৰ

পাতনিৰ দিনৰে পৰা এই অঞ্চললৈ মানুহৰ প্ৰব্ৰজনৰ সোঁত লক্ষ্য কৰা যায়। সময় সময়ে এই অঞ্চললৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা জন প্ৰব্ৰজন হৈছে। কোনোবাটো জনগোষ্ঠী এই অঞ্চলত স্থায়ীভাৱে ৰৈ গৈছে; অথবা কোনোবাটো এই অঞ্চলৰ পৰা অন্য অঞ্চললৈ প্ৰব্ৰজন কৰিছে। ইতিহাসে ঢুকি নোপোৱা দিনৰ তথ্য বিশ্লেষণ কৰি ক'ব পাৰি যে এই অঞ্চলৰ প্ৰাচীন বাসিন্দা কিৰাতসকল। তেওঁলোকে পালন কৰা ধৰ্ম আচাৰক 'কৈৰাতজ' বুলি অভিহিত কৰা হয়। আজি আমি পালন কৰা বৈদিক ধৰ্ম আচাৰৰ তুলনাত কৈৰাতজ ধৰ্মৰ আচাৰ-অনুষ্ঠানৰ মাজত আকাশ-পাতাল পাৰ্থক্য। প্ৰধানভাৱে এই অঞ্চলত অষ্ট্ৰিক, অষ্ট্ৰো এছিয়াটিক নেগ্ৰিটো, মঙ্গোলীয়, শ্যান-চীনিয়, নৰ্ডিক, আৰ্য আদি নৃগোষ্ঠীৰ প্ৰব্ৰজনৰ ইতিহাস লক্ষ্য কৰা যায়। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰব্ৰজনৰ ইতিহাসত অসমৰ পূবৰ পৰা পশ্চিমলৈ বৈ যোৱা ব্ৰহ্মপুত্ৰ নদীখনে বিশেষ ভূমিকা পালন কৰি আহিছে। সেয়েহে এই অঞ্চলত বসতি কৰি অহা প্ৰতিটো নৃগোষ্ঠীৰ সভ্যতা-সংস্কৃতিৰ লগত ব্ৰহ্মপুত্ৰ নদীখনৰ বিভিন্ন কথা, ইতিহাস লক্ষ্য কৰা যায়। স্বৰূপাৰ্থত এই অঞ্চলৰ সভ্যতা-সংস্কৃতিক ব্ৰহ্মপুত্ৰ সভ্যতা বুলিয়ো অভিহিত কৰিব পাৰি। নৃতত্ত্ববিদসকলে কৰা ধাৰণা অনুযায়ী প্ৰাচীন ভাৰতৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাচীন জনগাঁথনিত চাৰিটা মুখ্য প্ৰজাতিৰ অৱস্থিতি লক্ষ্য কৰা যায়। এই চাৰিটা মুখ্য প্ৰজাতি যথাক্ৰমে— ককেছিয়, মংগোলীয়, নেগ্ৰিটো আৰু অষ্ট্ৰোলয়ড। প্ৰাচীন কালৰ পৰা অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত এই চাৰিটা নৃগোষ্ঠীৰ জনগাঁথনি সম্পৃক্ত হৈ পৰৱৰ্তী দিনত আন আন নৃগোষ্ঠীৰ লোক এই জনগাঁথনিত বিলীন হৈছে। আমি আদিতে উল্লেখ কৰি অহা অসমৰ প্ৰাচীন অধিবাসীসকল যাক কিৰাত নামেৰে নামকৰণ কৰা হৈছে সেই কিৰাত লোকসকলৰ প্ৰসংগত বিশিষ্ট লোকসংস্কৃতিবিদ গৱেষক পণ্ডিত ড° নবীন চন্দ্ৰ শৰ্মাই মত ব্যক্ত কৰিছে যে— "চীন-তিব্বতীয় ভাষা-ভাষী যিসকল মংগোলীয় গোষ্ঠীৰ লোক ভাৰতবৰ্ষলৈ প্ৰব্ৰজিত হৈ ভাৰতীয় সংস্কৃতিৰ স্ৰোতধাৰাত মিলি গৈছিল তেওঁলোকেই কিৰাত আৰু এই কিৰাত পদৰ পৰিসৰে ভাৰতবৰ্ষত স্থায়ীভাৱে বাস কৰা মংগোলীয় গোষ্ঠীৰ বিভিন্ন গোষ্ঠী আৰু ঠাল-ঠেঙুলিক সামৰে। বিশিষ্ট ভাষাবিদ লোকসংস্কৃতিবিদ ড° সুনীতি কুমাৰ চেটাৰ্জীৰ মত অনুযায়ী উত্তৰ-পূব ভাৰতৰ পৰ্বত-পাহাৰ, গুহাত বাস কৰা অনা আৰ্যসম্ভূত লোকসকলক কিৰাত বুলি অভিহিত কৰা হয়। এই কিৰাতসকল মংগোলীয় গোষ্ঠীসম্ভূত লোক। অসমলৈ শেহতীয়াভাৱে প্ৰব্ৰজিত হোৱা মংগোলীয় গোষ্ঠীসম্ভূত আন এটা ফৈদ হ'ল— শ্যাম-চীনীয় বা টাইভাষী লোকসকলক। এই জনগোষ্ঠীটোৰ বিভিন্ন লোকসকল টাই-আহোমসকল, টাইফাকে, খামতি, খামায়াং, টুৰুং, ফাকিয়াল, দোৱনীয়া আদি উল্লেখযোগ্য।

অসমলৈ আগমন ঘটা চাৰি নৃগোষ্ঠীৰ অন্যতম অষ্ট্ৰিক প্ৰজাতিৰ লোকসকলো উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন অঞ্চলত সিঁচৰতি হৈ আছে। এই অষ্ট্ৰিক নৃগোষ্ঠীৰ লোকসকলৰ ভিতৰত অসমৰৰ কুকি, চাওতালী, মণিপুৰী, কছাৰী, মেঘালয়ৰ খাচী, জয়ন্তীয়া, অৰুণাচলৰ ৰাংচু আদি লোকসকলৰ মাজত প্ৰত্যক্ষ কৰা যায়।

অসমত বসবাস কৰা জনগোষ্ঠীসমূহৰ ভিতৰত মঙ্গোলীয় জনগোষ্ঠীৰ আধিপত্য বাৰুকৈয়ে মনকৰিবলগীয়া। অসমত সৰহ সংখ্যক জনগোষ্ঠীয়ে মংগোলীয় জনগোষ্ঠীৰ অন্তৰ্ভুক্ত। এই মংগোলীয় জনগোষ্ঠীৰ অন্তৰ্গত জনগোষ্ঠীসমূহ হ'ল— বড়ো, ৰাভা, মেচ, ধিমান, কোঁচ, শৰণীয়া, গাৰো, হাজং, লালুং ডিমাছা, হোজাইষ ঠেঙাল কছাৰী, সোণোৱাল কছাৰী, মিচিং আদি।

অসমত বসবাস কৰি অহা এই জনগোষ্ঠীসমূহৰ প্ৰতিটোৰে নিজস্ব ভাষা, আচাৰ-অনুষ্ঠান, খাদ্যাভাস, পূজা-পাতল, গৃহ নিৰ্মাণ পদ্ধতি, সাজ-পাৰ, আ-অলংকাৰ, জীৱন নিৰ্বাহ পদ্ধতি সুকীয়া সুকীয়া বিধৰ। অসমলৈ কালক্ৰমত আৰ্যসকলৰ আগমন ঘটাত আৰ্যসম্ভূত জনগোষ্ঠীসমূহৰ ধ্যান-ধাৰণাত জীৱন নিৰ্বাহ পদ্ধতিত জনগোষ্ঠীয় প্ৰভাৱ পৰিবলৈ ধৰিলে। অসমীয়া জনগোষ্ঠীটো আৰ্য-অনাৰ্য লোকৰ সংমিশ্ৰিত এক মিশ্ৰিত জনগোষ্ঠী। অসমীয়া জনগোষ্ঠীটোৰ মাজত পালিত পূজা-পাৰ্বণ, উৎসৱ-অনুষ্ঠান, আচাৰ-বিচাৰ, গৃহ-নিৰ্মাণ পদ্ধতি, সাজ-পাৰ, আ-অলংকাৰ, খাদ্যাভাস আদি আলোচনা কৰিলে সেইবোৰত সৰ্বভাৰতীয় আৰ্যসম্ভূত পৰম্পৰাৰ তুলনাত অসমত বসবাস কৰা অনা-আৰ্যসম্ভূত জনগোষ্ঠীসমূহৰ ৰীতি-নীতি পৰম্পৰাৰ প্ৰভাৱহে বেছিকৈ প্ৰত্যক্ষ কৰা দেখা যায়। অসমীয়া সমাজত পালিত ঋতুভিত্তিক উৎসৱ-অনুষ্ঠানসমূহত

আৰ্যকেন্দ্ৰিক ধাৰণাতকৈ অনাআৰ্যকেন্দ্ৰিক ধাৰণাহে গভীৰভাৱে প্ৰত্যক্ষ কৰা যায়। ঠিক তেনেদৰে অসমীয়া সমাজত সৰ্বভাৰতীয় প্ৰভাৱ পৰিপুষ্ট পূজা-পাৰ্বণৰ কাৰ্যক্ৰমত বেদ-মন্ত্ৰখিনিৰ বাহিৰে আন আন আচাৰ-অনুষ্ঠানত অসমৰ অনাআৰ্যকেন্দ্ৰিক ধাৰণা অধিকৰূপে সম্পৃক্ত হৈ আছে। বিশেষভাৱে অসমীয়া ভাষাটোৰ প্ৰসংগত যদি আমি বিচাৰ কৰোঁ তেতিয়া হ'লেও দেখিবলৈ পাওঁ যে ভাষাটোতো জনজাতীয় প্ৰভাৱ এনেদৰে সাঙোৰ খাই পৰিছে, যাৰ ফলস্বৰূপে অসমীয়া ভাষাটোৱে আন নব্যভাৰতীয় আৰ্য ভাষাৰ তুলনাত ভালেখিনি পৃথক হৈ পৰিছে।

অসমৰ কৃষি-কৰ্ম, সমাজ ব্যৱস্থা, উৎসৱ-পাৰ্বণ আদি আন আন অনাৰ্য সম্ভূত উপাদান সম্পৃক্ত হৈ থকাৰ লগতে মংগোলীয় নৃগোষ্ঠীৰ বিবিন্ন উপাদান অসমীয়া সংস্কৃতিক কোঁহে কোঁহে সোমাই আছে। বিশেষকৈ কৃষিভিত্তিক পৰম্পৰা আৰু ধৰ্মীয় অনুষ্ঠানৰ বিভিন্ন পৰম্পৰাত মংগোলীয়সকলৰ উপাদান বিচাৰ কৰি চাবলগীয়া। এই প্ৰসংগত প্ৰখ্যাত লোকসংস্কৃতিবদ, গৱেষক সাদিত্যিক লীলা গগৈয়ে তেওঁৰ অসমৰ সংস্কৃতি গ্ৰন্থত মন্তব্য আগবঢ়াইছে যে— অসমৰ হিন্দু ধৰ্মত ভাৰতীয় প্ৰভাৱ স্পষ্ট ঃ কিন্তু সেয়া হ'লেও তাৰ আঁৰতেই মূল মংগোলীয় ধাৰণাই ঠাই উলিয়াই লৈছে। হিন্দু শিৱ, দুৰ্গাৰ কাষতে কুন্দিমামা, পিশাচীমো, বাথৌ ব্ৰাই, মহাদেউ, বুঢ়াগোসাঁই, বুঢ়ী গোসাঁনী, কেঁচাইখাইতী, সুবচনী হৈ পুৰণি ধৰণেৰে নিজৰ নিজৰ পুৰোহিতৰ হাতেৰে পূজা-পাতল খাই আছে। উক্ত অনুষ্ঠানসমূহত এতিয়াও ব্ৰাহ্মণ পুৰোহিতৰ প্ৰয়োজন নাই।... মংগোলীয় ধৰ্মবিশ্বাস মূলতঃ ৰক্ত জড়িত উৰ্বৰা বিশ্বাসৰ পৰিণতি মাত্ৰ।

আমি কেতিয়াও জনগোষ্ঠীয় চিন্তা-চেতনা পৰিহাৰ কৰি চলিব নোৱাৰোঁ। প্ৰকৃতাৰ্থত উত্তৰ-পূৰ্বাঞ্চলত অসমীয়া ভাষা-সংস্কৃতি জনগোষ্ঠীয় চিন্তা-চেতনাৰে পৰিৱেষ্টিত এটা দ্বীপৰ নিচিনা। সেয়েহে অসমীয়া ভাষা-সংস্কৃতি সৰ্বভাৰতীয় চিন্তা-চেতনাৰে সম্পৃক্ত হ'লেও জনগোষ্ঠীয় প্ৰভাৱৰ ফলস্বৰূপে অসমীয়া ভাষা-সংস্কৃতি সৰ্বভাৰতীয় ধ্যান-ধাৰণাৰ পৰা বহুখিনি পৃথক। বিভিন্ন জাতি-জনগোষ্ঠীৰ সংমিশ্ৰণৰ ফলত গঢ় লোৱা অসমীয়া সংস্কৃতিৰ প্ৰকৃত স্বৰূপ জানিবলৈ হ'লে আমি অসমত বসবাস কৰা অসমীয়া সংস্কৃতিক প্ৰভাৱিত কৰা জনগোষ্ঠীসমূহৰ সাংস্কৃতিক চেতনা অধ্যয়ন কৰিব লাগিব। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জাতি-জনগোষ্ঠীসমূহৰ নিজস্ব কৃষ্টি-সংস্কৃতিৰ অধ্যয়নে আমাৰ সংস্কৃতিৰ চৰ্চাৰ নতুন দিশৰ আলোকপাত কৰিব। এই জাতি-জনগোষ্ঠীৰ সমাজ-সংস্কৃতিৰ চৰ্চাই অসমীয়া সংস্কৃতিৰ চৰ্চাত ন ন দিশ উন্মোচিত কৰিব। আমি সৰ্বভাৰতীয় ধ্যান-ধাৰণা গ্ৰহণ কৰিও কোনবোৰ দিশত আমি উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠী পৃথক, এই নব্য ধাৰণাৰ মূল তত্ত্ব কি? অসমৰ জনগোষ্ঠীৰ সমাহৰণ প্ৰক্ৰিয়াৰ ফলত গঢ় লোৱা অসমীয়া জাতি সংস্কৃতিৰ পৰম্পৰাৰ প্ৰকৃত তথ্য উদ্‌ঘাটন কৰিব পৰা যাব। জাতি-জনগোষ্ঠীসমূহৰ স্বকীয় আলোচনাই অসমীয়া মহাজাতিৰ লগত বিলীন হোৱা এই জাতি-জনগোষ্ঠীসমূহেও নিজৰ অধ্যয়নৰ বাবে সুযোগ লাভ কৰিব।

এই ধৰণৰ ধাৰণা লৈয়ে অসম সাহিত্য সভা পত্ৰিকাখনিৰ এই সংখ্যাটো অসমৰ জনগোষ্ঠীৰ সমাজ-সংস্কৃতি বিশেষ সংখ্যা হিচাপে প্ৰকাশ কৰাৰ চিন্তা কৰা হৈছে। অসম সাহিত্য সভাৰ মাননীয় সভাপতি ড° কুলধৰ শইকীয়া, উপসভাপতি শ্ৰীযুতা মৃণালিনী দেৱী, প্ৰধান সম্পাদক শ্ৰীযুত যাদৱ চন্দ্ৰ শৰ্মাৰ লগতে সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যাবৃন্দৰ লগত আলোচনামৰ্মে অসমৰ জনগোষ্ঠীৰ সমাজ-সংস্কৃতি পৰ্যালোচনাৰে আমি কামত আগবাঢ়ো। আমি ধাৰণা কৰিছিলোঁ যে প্ৰতিটো জনগোষ্ঠীৰ লিখনিটো সেই জনগোষ্ঠীৰ লেখকৰ জৰিয়তে লিখি প্ৰকাশ কৰিম, সেই মৰ্মে আমি প্ৰতিটো জনগোষ্ঠীৰ লেখক-লেখিকাৰ লগত যোগাযোগ কৰি প্ৰবন্ধখিনি সংগ্ৰহ কৰিবলৈ প্ৰয়াস কৰোঁ। কাৰ্যক্ষেত্ৰত কিছু দিশত সফল হৈছোঁ যদিও কিছু ক্ষেত্ৰত বিফলো হৈছোঁ। সকলোবোৰ জনগোষ্ঠীৰ লিখনি আমি সংগ্ৰহ কৰিবলৈ সমৰ্থ নহ'লোঁ। আমাৰ হাতত পৰা লিখনিসমূহৰ মাজৰ পৰাই কিছু সংখ্যক প্ৰবন্ধ বিচাৰ-বিশ্লেষণ কৰি অসম সাহিত্য সভা পত্ৰিকাৰ এই সংখ্যাত স্থান দিয়া হ'ল। পৰৱৰ্তী সময়ত এই সংখ্যাত প্ৰকাশ কৰিব নোৱাৰা জনগোষ্ঠীসমূহৰ ওপৰত যুগুতোৱা প্ৰবন্ধ প্ৰকাশৰ প্ৰয়াস কৰা হ'ব।

আমি অনুভৱ কৰোঁ যে অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে সমিল-মিলেৰে, সামূহিক চিন্তাৰ প্ৰতিফলন ঘটাই

মহান অসমীয়া জাতি গঢ়ি তুলিব লাগিব। আমাৰ নিজস্ব ধ্যান-ধাৰণা কৃষ্টি-সংস্কৃতি, পালন কৰিও আমি অসমীয়া জাতিসত্ত্বাক বিশ্বৰ পটভূমিত উজ্জ্বলাই ৰাখিব পাৰোঁ। আমাৰ সামূহিক ধাৰণা, চিন্তা-চেতনাইহে আমাক সমন্বিত শক্তিৰে আগবাঢ়ি যোৱাত সহায়ক হ'ব।

অসম সাহিত্য সভা পত্ৰিকাৰ জনগোষ্ঠীয় সমাজ-সংস্কৃতি শীৰ্ষক এই সংখ্যাটোলৈ যিসকল লেখক-সাহিত্যিকে প্ৰবন্ধ আগবঢ়ালে, তেখেতসকললৈ আমি কৃতজ্ঞতাৰ শৰাই নিৱেদন কৰিছোঁ। আমাৰ একাষাৰ কথাতে পত্ৰিকাখনৰ এই সংখ্যাৰ বেটুপাতটো অধিক নান্দনিক আৰু শিল্প গুণসম্পন্নভাৱে অংকন কৰি দিছে যোৰহাটৰ জুলি বৰুৱাই। শিল্পী তথা এগৰাকী বিশিষ্ট কবি জুলি বৰুৱালৈ আমি কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

পত্ৰিকাখনৰ জনগোষ্ঠীয় সমাজ-সংস্কৃতি বিষয়ক এই সংখ্যাটো সভাৰ তৃতীয়খন কাৰ্যনিৰ্বাহকত প্ৰকাশৰ দিহা কৰি দিয়াৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা কৰা বাবে সভাৰ মাননীয় সভাপতি ড° কুলধৰ শইকীয়া, উপ-সভাপতি মৃণালিনী দেৱী আৰু প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মালৈ আমাৰ শ্ৰদ্ধাভৰা শলাগ নিৱেদন কৰিলোঁ। সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যালৈয়ো আমি কৃতজ্ঞতা যাচিছোঁ।

চিৰ চেনেহী মোৰ ভাষা জননী

ড° উপেন্দ্ৰজিৎ শৰ্মা
পত্ৰিকা সম্পাদক
অসম সাহিত্য সভা

# প্ৰয়াত দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰৰ সাহিত্য-কৃতি

**গৌতমানন্দ গোস্বামী**



"তুমি নিশ্চয় মৃত্যুৰ ৰহস্যৰ বিষয়ে জানিবা। কিন্তু যদিহে জীৱনৰ হৃদয়ত তুমি তাক থকা বুলি জানিব নোখোজা, তেন্তে তুমি তাক ক'ত বিচাৰি পাবা? যিবোৰ ফেঁচাৰ চকু দিনৰ ভাগলৈ বন্ধ হৈ থাকে, সিহঁতে পোহৰৰ ৰহস্য কেনেদৰে আৱিষ্কাৰ কৰিব? তুমি যদি সচাঁকৈয়ে মৃত্যুৰ সত্ত্বাক দেখিব বিচাৰিছা, তোমাৰ দেহত থকা হৃদয়খন বহলকৈ মেলি ধৰা। কাৰণ জীৱন আৰু মৃত্যু একেটাই সত্য, যেনেদৰে নদী আৰু সাগৰ অভিন্ন হৃদয়ৰ।" কুৰি শতিকাৰ বৌদ্ধিক বিপ্লৱৰ অতি সুপৰিচিত মহান দাৰ্শনিক-কবি খলিল জিব্ৰানে কোৱাৰ দৰেই দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱাৰে জীৱন আৰু মৃত্যু নামৰ একেটা সত্যক চিনি পাইছিল আৰু হৃদয়খন সমাজৰ আগতে মেলি দিছিল অনন্যৰ প্ৰতিভাৰ চানেকী ৰূপে।

অসম সাহিত্য সভাৰ সম্পাদক দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ দৰঙী কোচ ৰজাৰ কোঁৱৰ বংশৰ উপযুক্ত কোঁৱৰ। ৰাজ পৰিয়ালৰ ক্ৰিয়া-কাণ্ড, শ্ৰাদ্ধাদি কামত নিয়োজিত কোঁৱৰ বংশৰ লোকসকলৰ উপযুক্ত বংশধৰ দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ সামাজিক জীৱন, সাহিত্য-সংস্কৃতিৰ চৰ্চা, দক্ষ সংগঠক আদি বিষয়ত আলোকপাত কৰিলে এজন সঁচা মানুহৰ সত্যৰ সন্ধান পাব পাৰি।

১৯৬৪ চনৰ ১৯ এপ্ৰিল তাৰিখে প্ৰয়াত কুলেন্দ্ৰ নাৰায়ণ কোঁৱৰ আৰু প্ৰয়াত হেমলতা কোঁৱৰ প্ৰথম সন্তান হিচাপে জন্ম লাভ কৰা দ্বীপেন্দ্ৰ কোচ ৰজা ধৰ্মনাৰায়ণৰ দিনৰ পৰাই ৰজাঘৰৰ ধৰ্মীয় উৎসৱ, বৈদিক কাম-কাজত ৰজাঘৰক প্ৰতিনিধিত্ব কৰাৰ নিমিত্তে ভূমি লাভৰ জৰিয়তে থিতাপি ল'বলৈ সুযোগ লাভ কৰা লোকসকলৰ বংশধৰ দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ বৃদ্ধ পিতামহ স্বৰ্গীয় সন্ধি, প্ৰ-পিতামহ স্বৰ্গীয় দধি, পিতামহ স্বৰ্গীয় উগ্ৰৰ বংশোদ্ভৱ নাতি। পিতৃ পুৰুষৰ সমানে দক্ষতা আহৰণ কৰি বৰ্তমানৰ সমাজখনত নিজকে খাপ খুৱাবলৈ সক্ষম হোৱা কোঁৱৰ এগৰাকী সফল সংগঠক, সাহিত্যিক যদিও কৰ্মসূত্ৰে পিতৃপুৰুষ বঙলাগড় (কোঁৱৰপাৰাত) নিগাজিকৈ থাকিব লয়। বংশীয় পদাংক অনুসৰণ কৰি দ্বীপেন কোঁৱৰে বঙলাগড়ৰ এগৰাকী পুৰোধা ব্যক্তি 'কৰ্মযোগী ৰত্ন নাৰায়ণ কোঁৱৰ, জীৱন আৰু ব্যক্তিত্ব (২০১২)' শীৰ্ষক গ্ৰন্থ প্ৰস্তুত কৰি আত্মীয়জনৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।

ভেবাৰঘাট প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা লাভ কৰা কোঁৱৰে হাইস্কুলীয়া শিক্ষা লাভ কৰে মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ছাত্ৰ অৱস্থাত মেধাৰ পৰিচয় দিয়া দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ ছাত্ৰাৱস্থাৰ পৰাই জাতীয়তাবাদী চিন্তাধাৰাৰে ওৰেটো জীৱন জাতীয়তাবাদী শিবিৰক সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰিছিল। জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ জিলা আৰু কেন্দ্ৰীয় বিষয়ববীয়া হিচাপে দক্ষতাৰ পৰিচয় দাঙি ধৰিছিল। জাতীয়তাবাদী চিন্তাধাৰাৰে

উদ্বুদ্ধ কোঁৱৰে স্বায়ত্ব শাসন প্ৰৱৰ্তনৰ বাবে সংগ্ৰাম কৰাৰ লগতে বৌদ্ধিক মহলৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাকৈ 'স্বায়ত্ব শাসন (১৯৭৯), পূৰ্ণ স্বায়ত্ব শাসন (১৯৮৫) 'জাতীয়তাবাদৰ ভিত্তিত সাম্যবাদ (১৯৯০)', 'দ্বি-নাগৰিকত্ব আৰু অসমৰ বিদেশী সমস্যা (২০১০)' প্ৰথম সংস্কৰণ আৰু দ্বিতীয় সংস্কৰণ (২০১১) প্ৰকাশ কৰি প্ৰকৃত জাতীয়তাবাদীৰ পৰিচয় দাঙি ধৰিছে আৰু অন্যান্য গ্ৰন্থ প্ৰণয়ন কৰি সাহিত্যক্ষেত্ৰখনত খ্যাতি ৰাখি থৈ গৈছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ জৰিয়তে অসমীয়া সাহিত্যৰ ভঁৰাললৈ তেখেতৰ আৰ্জিত জ্ঞানৰ চানেকি হিচাপে প্ৰকাশ কৰি থৈ যোৱা মৌলিক গ্ৰন্থসমূহৰ সৈতে প্ৰিয় পাঠক সমাজক চিনাকি কৰি দিয়াৰ এক সৰল প্ৰচেষ্টা; যিসমূহ গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গ'ল সেইসমূহৰ ওপৰত আলোচনা আৰু পৰ্যালোচনাৰ প্ৰয়োজন অনুভৱ কৰা হৈছে—

**"স্বায়ত্ব শাসন" (১৯৭৯)** ঃ ১৯৭৮ চনৰ ১২ মাৰ্চত সংগঠিত হোৱা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাথমিক দাবী আছিল অসমত স্বায়ত্ব শাসন প্ৰদান কৰা। ভাৰতীয় সংবিধানৰ আধাৰত কেন্দ্ৰীয় চৰকাৰৰ হাতত ন্যস্ত কৰা ক্ষমতাসমূহৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসমূহে অৰ্থনৈতিক, ৰাজনৈতিক আদি বিষয়ত আইন প্ৰণয়ন তথা ৰূপায়নৰ ক্ষেত্ৰত জটিলতাৰ সন্মুখীন হ'ব লগা হয়। ৰাজ্যসমূহে কেন্দ্ৰীয় চৰকাৰৰ অৰ্থনৈতিক শোষণ তথা ৰাজহ আৱণ্টনৰ ক্ষেত্ৰত অনুপযুক্ততাৰ বিৰুদ্ধে মাত মতাৰ আইনগতভাৱে সীমাৱদ্ধতা থকাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসমূহত স্বায়ত্ব শাসন প্ৰদানৰ দাবী উত্থাপন হৈছিল। ৰাজনৈতিকভাৱে পশ্চিমবঙ্গ আৰু ত্ৰিপুৰাত বামপন্থী দলে, অন্ধ্ৰপ্ৰদেশত তেলেগু দেশম দলে, জন্মু-কাশ্মীৰত নেচনেল কনফাৰেন্স দলে, পঞ্জাৱত আকালি দলে আৰু তামিলনাডুত ডি. এম. কে. দলে ৰাজ্যলৈ অধিক ক্ষমতাৰ দাবী উত্থাপন কৰি আহিছে। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয়তাবাদৰ প্ৰাধান্যতাৰ হেতু অসমৰ দৰে পিছ পৰা ৰাজ্যসমূহত উন্নয়নৰ ধাৰা ব্যাহত হৈ পৰা বিষয়টো অনুধাৱন কৰি জাতীয়তাবাদী সংগ্ৰামী দ্বীপেন্দ্ৰ নাৰায়ন কোঁৱৰ অসন্তুষ্ট হৈ পৰিছিল। ভাৰতৰ ৰাষ্ট্ৰীয়তাবাদৰ বিৰুদ্ধে মত আগবঢ়াই অসমত অধিক ক্ষমতা প্ৰদান কৰি পূৰ্ণ স্বায়ত্ব শাসন প্ৰদানৰ বাবে প্ৰবল জনমত গঠনৰ উদ্দেশ্যে হাতত কলম তুলি কোঁৱৰদেৱে প্ৰণয়ন কৰিছিল এখন অমূল্য গ্ৰন্থ 'স্বায়ত্ব শাসন'। ১৯৭৯ চনতে প্ৰকাশ পোৱা 'স্বায়ত্ব শাসন' নামৰ গ্ৰন্থখনেই দ্বীপেন্দ্ৰ নাৰায়ন কোঁৱৰদেৱৰ জীৱনত প্ৰকাশিত প্ৰথমখন মৌলিক গ্ৰন্থ। এই গ্ৰন্থখনৰ বিষয়বস্তুৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সাম্প্ৰতিক সময়তো প্ৰাসঙ্গিক হৈ আছে। ৰাজনৈতিক বিশ্লেষকসকলৰ মাজত গ্ৰন্থখনে প্ৰকাশ কালৰে পৰা চিন্তাশীলভাৱে চৰ্চা লাভ কৰি আহিছে।

**"পূৰ্ণ স্বায়ত্ব শাসনৰ প্ৰস্তাৱ" (জানুৱাৰী ২০০১)** ঃ ছাত্ৰাৱস্থাৰ পৰাই দ্বীপেন্দ্ৰনাৰায়ণ কোঁৱৰদেৱে এক উগ্ৰ জাতীয়তাবাদী ধ্যান-ধাৰণাৰে নিজকে গঢ়ি দি তুলিছিল। সেই সময়ত অসমৰ যিবিলাক সংগঠনে জাতীয়তাবাদী নীতি-আদৰ্শৰ ভেঁটিত আত্মপ্ৰকাশ কৰি সংগঠিত হৈছিল সেইবোৰ বেচৰকাৰী সংগঠনৰ লগত কোঁৱৰদেৱৰ ঘনিষ্ঠতা গঢ়ি উঠিছিল। বিশেষকৈ অসমত জাতীয়তাবাদৰ ধ্বজা উৰুৱাই অসমীয়া জাতীয় জীৱনৰ স্বকীয় সত্ত্বাক সুৰক্ষা দিয়াৰ লক্ষ্যৰে সংগঠিত হোৱা 'অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ'ৰ তেওঁ এগৰাকী সক্ৰিয় নেতা আছিল। তেওঁৰ ধাৰণা আছিল যে ১৯৪৭ চনত ড° ভিম ৰাও আম্বেদকাৰৰ নেতৃত্বত গঠিত সংবিধান প্ৰণয়ন সমিতিয়ে ৰাজ্যসমূৰ বাবে যিবোৰ নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিছিল সেইসমূহে দেশৰ বিভিন্ন জাতিসমূহৰ নিজস্ব সত্ত্বাৰ আশা-আকাংক্ষা পূৰণ কৰাত ব্যৰ্থ হৈছে। ভাৰতীয় সংবিধানৰ গণ্ডিৰ ভিতৰত ৰাজ্যসমূহৰ স্বকীয় সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ বহতীয়া হ'বলগীয়া হোৱা বিষয়টোৱে ৰাজ্যসমূহক স্বায়ত্ব শাসনৰ দাবী উত্থাপন কৰাৰ বাট মুকলি কৰি দিছে। অৱশ্যে অসমৰ কেইগৰাকীমান বৰেণ্য স্বাধীনতা সংগ্ৰামীয়ে ১৯৪৬ চনতে অসমৰ ভাষা-সংস্কৃতি আৰু সভ্যতাৰ স্বকীয়তা ৰক্ষা আৰু অৰ্থনৈতিক ক্ষিপ্ৰ উন্নয়নৰ স্বাৰ্থত অসমত স্বায়ত্ব শাসনৰ দাবী উত্থাপন কৰিছিল। কিন্তু সেই সময়ত ভাৰতীয় নেতাসকলে সংবিধানখনত দেশৰ প্ৰতিটো জাতি সত্ত্বাৰ আশা-আকাংক্ষাকে সুৰক্ষা দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল যদিও দেশৰ সামন্তবাদী শ্ৰেণীৰ ১৬ শতাংশ লোকৰ প্ৰতিনিধিৰ দ্বাৰা গঠিত এই সংবিধান প্ৰণয়ন সমিতিয়ে দেশৰ অপৰিসীম ক্ষমতা কেন্দ্ৰৰ হাতত ন্যস্ত কৰিহে এখন খচৰা সংবিধান সংসদত পেচ কৰে।

শিক্ষা জীৱনৰ পৰাই কোঁৱৰদেৱে অধ্যয়ন কৰি অহা অসমৰ বহু বিতৰ্কিত 'স্বাধীনতা'ৰ বিষয়টোৰ বিপৰীতে ৰাজনীতিৰ গৱেষকসকলে উত্থাপন কৰা 'পূৰ্ণ স্বায়ত্ব শাসন' এক নিৰ্ভৰযোগ্য সূত্ৰ হ'ব পাৰে বুলি তেওঁ পতিয়ন গৈছিল।

এই দৃষ্টিভংগীৰ আধাৰতে তেওঁ অসমত পূৰ্ণ স্বায়ত্ব শাসনৰ সমৰ্থনত এলানি নিবন্ধ লিখি নৱ প্ৰজন্মৰ অধ্যয়ন আৰু ৰাজ্যখনৰ আৰ্থ-সামাজিৰ উন্নয়নৰ সমাধান সূত্ৰ উদ্ভাৱনৰ তথ্য প্ৰাপ্তিৰ সুলভ কৰাৰ বাবে প্ৰশান্ত বৰুৱা সম্পাদিত 'মঙ্গল বাতৰি' নামৰ কাকতখনত ধাৰাবাহিকভাৱে প্ৰকাশ কৰিছিল। অসমৰ ৰাজনৈতিক আৰু সামাজিক প্ৰেক্ষাপটত সেই নিবন্ধসমূহৰ প্ৰাসঙ্গিকতাৰ গুৰুত্ব উপলব্ধি কৰিয়ে 'মঙ্গল বাতৰি প্ৰকাশনে' ২০০১ চনৰ জানুৱাৰী মাহত প্ৰকাশ কৰি উলিয়াইছিল "পূৰ্ণ স্বায়ত্ব শাসনৰ প্ৰস্তাৱ" শীৰ্ষক অমূল্য গ্ৰন্থখন। এই গ্ৰন্থখনৰ আৱশ্যকতা সম্পৰ্কত 'অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ'ৰ তদানীন্তন সাধাৰণ সম্পাদক অদীপ কুমাৰ ফুকনে লিখিছে— "ভাৰতবৰ্ষৰ ৰাষ্ট্ৰ ব্যৱস্থাত কেন্দ্ৰিকতাক সাধাৰণতে স্বেচ্ছাতন্ত্ৰ আৰু আমোলাতন্ত্ৰৰ লগত তুলনা কৰিব পাৰি। গণতান্ত্ৰিক কেন্দ্ৰিকতাৰ অভাৱ থকা ৰাষ্ট্ৰখণ্ডত আজি বিশিষ্ট অৰ্থনীতি, জীৱন যাপনৰ পৰিস্থিতি, জনসংখ্যাৰ বৈশিষ্ট্য আৰু জাতীয় সংবিন্যাসৰ ভিত্তিত পূৰ্ণ স্বায়ত্ব শাসন প্ৰৱৰ্তন কৰা যুগুত। পূৰ্ণ স্বায়ত্ব শাসন ব্যৱস্থাত এককেন্দ্ৰিক ৰাষ্ট্ৰৰ পুঁজিবাদী ব্যৱস্থা কাৰ্যতঃ অচল হ'ব।"

"পূৰ্ণ স্বায়ত্ব শাসনৰ প্ৰস্তাৱ" গ্ৰন্থখন ইতিমধ্যে অসমৰ ৰাজনৈতিক বিশ্লেষকসকলে গুৰুত্ব সহকাৰে আদৰি লৈছে। সাধাৰণ পাঠকসকলেও এই গ্ৰন্থখনৰ পৰা ভাৰতৰ ৰাষ্ট্ৰীয়তাবাদৰ আধাৰত ৰাজ্যসমূহৰ বিকাশৰ ধাৰা ত্বৰান্বিত কৰাত কিমান দূৰ সফল হৈছে অথবা সমস্যাসমূহ নিৰাময়ৰ ক্ষেত্ৰত পূৰ্ণ স্বায়ত্ব শাসনৰ প্ৰয়োজনীয়তা কিমান সেই সম্পৰ্কে এখন স্পষ্ট ছবি দেখিবলৈ সক্ষম হ'ব বুলি আশা কৰা যায়।

**"জাতীয়তাবাদৰ ভিত্তিত সাম্যবাদ" (ফেব্ৰুৱাৰী ২০০৬) ঃ** জাতীয়তাবাদী ভাৱধাৰাৰে সমৃদ্ধ এগৰাকী লেখক দ্বীপেন্দ্ৰ নাৰায়ন কোঁৱৰদেৱে অসমত জাতীয়তাবাদৰ আধাৰত সকলো মতবিৰোধ তথা গোষ্ঠীগত বৈষম্য আঁতৰাই প্ৰতিটো জাতি-জনগোষ্ঠীৰ লোকসকলে গ্ৰহণ কৰিব পৰাকৈ সমভাৱাপন্ন নীতি-আদৰ্শৰ ছত্ৰছায়াত এখন সমাজ ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ বাবে অহৰহ সংগ্ৰাম কৰিছিল। এই সংগ্ৰাম চলাই জোৱাৰ বাবে কোঁৱৰদেৱে ১৯৭৮ চনত সংগঠিত হোৱা 'অসম জাতীয়তাবাদী ভাৱধাৰাক অধিক শক্তিশালী কৰি তোলাত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন সভাপতি অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, প্ৰাক্তন সাধাৰণ সম্পাদক অদীপ কুমাৰ ফুকন, দিলীপ পাটগিৰি আদি প্ৰজ্ঞাপুষ্ট লোকসকলৰ সান্নিধ্যই সাৰ-পানী যোগাইছিল।

বিভিন্ন জাতি জনগোষ্ঠীৰ অপূৰ্ব মিলনভূমি অসম। চাওলুং চ্যুকাফাৰ নেতৃত্বত মাওঁচান সাম্ৰাজ্যৰ লোকসকলে অসমত প্ৰৱেশ কৰি খোপনি পোতাৰ বহু আগতেই উত্তৰ-পূব আৰু দক্ষিণ-পশ্চিম কোণেদি বিভিন্ন সময়ত বিভিন্ন ফৈদৰ লোক অসমত প্ৰৱেশ কৰি নিজা নিজা সভ্যতা-সংস্কৃতিৰ বিকাশৰ যোগেদি স্থায়ী বসবাসৰ ব্যৱস্থা কৰিছিল। মৰাণ, মটক, খাচিয়া আদি জনগোষ্ঠীসমূহ ইয়াৰ অন্যতম উদাহৰণ। বিভিন্ন জনগোষ্ঠীয় লোকসকলে নিজস্ব ভাৱধাৰা, সভ্যতা আৰু সংস্কৃতিৰ আধাৰত স্ব-জাতিক প্ৰতিষ্ঠা কৰিব যাওঁতে বহু সময়ত অসমত বসবাস কৰি থকা আন জনগোষ্ঠীসমূহৰ মাজত সংঘাতৰ সৃষ্টি হৈছিল, যিয়ে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত মাজে সময়ে আউল লগাৰ উপক্ৰম ঘটাইছিল। এনেধৰণৰ গোষ্ঠীগত বৈষম্য দূৰ কৰি এক বৃহত্তৰ অসমীয়া জাতি গঠনৰ যোগেদি সকলো জাতি-জনগোষ্ঠীৰ মাজত সাম্যবাদ প্ৰতিষ্ঠা কৰাৰ বাবে দ্বীপেন্দ্ৰ নাৰায়ন কোঁৱৰদেৱে বৌদ্ধিক সংগ্ৰাম চলাই গৈছিল। কোঁৱৰদেৱৰ এই সংগ্ৰাম তথা চিন্তাধাৰাৰ বহিঃপ্ৰকাশ ঘটিছে ২০০৬ চনৰ ফেব্ৰুৱাৰী মাহত মঙলদৈস্থিত 'সাঁচিপাত পাব্লিকেচনে' প্ৰকাশ কৰি উলিওৱা "জাতীয়তাবাদৰ ভিত্তিত সাম্যবাদ" নামৰ গ্ৰন্থখনত। গ্ৰন্থখনৰ ভিতৰচ'ৰাত কি আছে সেই সম্পৰ্কে লেখকগৰাকীয়ে গ্ৰন্থখনৰ ভূমিকাত এনেদৰে বৰ্ণনা কৰিছে— "অসমত জাতীয়তাবাদৰ ভিত্তিত সাম্যবাদ প্ৰতিষ্ঠা নহ'লে বৃহত্তৰ অসমীয়া জাতিটোৰ অস্তিত্ব যে অদূৰ ভৱিষ্যতে নিঃচিহ্ন হৈ যাব সেই বিষয়ে সচেতন জাতীয়তাবাদীসকলে বুজি উঠিছে। বিগত কালত অসমৰ জনগোষ্ঠীসমূহক কেনেকৈ বৈষম্যমূলক দৃষ্টিভংগীৰে বিভাজন ঘটাবলৈ সাম্ৰাজ্যবাদী শক্তিসমূহে চেষ্টা চলাই সফল হৈছে, সেইসমূহ ঘটনা এই গ্ৰন্থত উদাহৰণসহ আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে। এই আলোচনাত ১২২৮ খ্ৰীষ্টাব্দৰ পৰা পাছৰ ছশ বছৰৰ ইতিহাসৰ কিছু তথ্য, যিসমূহে জাতি গঠনৰ সাক্ষ্য বহন কৰিছে আৰু পাছৰ কালত বিভাজনৰ কুটিল ৰাজনীতিৰ বিষয়ে উল্লেখ কৰা হৈছে। সংগৃহীত তথ্যসমূহে জাতীয়তাবাদৰ ভিত্তিত সাম্যবাদ প্ৰতিষ্ঠাৰ লক্ষ্যৰে যিখন জাতীয় সংগ্ৰাম চলিছে তাৰ প্ৰাসংগিকতা উপলব্ধ হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে।"

**"দ্বি-নাগৰিকত্ব আৰু অসমৰ বিদেশী সমস্যা" (ফেব্ৰুৱাৰী ২০০৯)ঃ** এগৰাকী সমাজ সচেতন আৰু দায়িত্বশীল লেখক হিচাপে দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱে অসমৰ সমাজ জীৱনৰ জ্বলন্ত সমস্যাসমূহক লৈ যথেষ্ট চিন্তাত আছিল। অসমৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ ক্ষেত্ৰত মূল অন্তৰায় হিচাপে পৰিগণিত হোৱা বিদেশী সমস্যাৰ সমাধানকল্পে এক শুদ্ধ পথৰ অনুসন্ধানত কোঁৱৰদেৱে বিভিন্ন ধৰণে বৌদ্ধিক প্ৰচেষ্টা চলাইছিল। এই ক্ষেত্ৰত অসম জাতায়ীতাবাদী যুৱ ছাত্ৰ পৰিষদৰ নীতি আদৰ্শৰ লগত নিজকে একাত্মবোধ গঢ়ি তুলি সংগঠনটোৰ লগত জড়িত হৈ পৰিছিল তেনে প্ৰেক্ষাপটতে অসমৰ বিদেশী সমস্যা সমাধানৰ বাবে অসমত দ্বি-নাগৰিকত্ব প্ৰৱৰ্তনৰ চিন্তা-চৰ্চাই তেওঁৰ মনত দোলা দি আছিল। 'অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ' ১৯৭৮ চনৰ ১২ মাৰ্চত সংগঠিত হৈ "অসমত দ্বি-নাগৰিকত্ব" প্ৰৱৰ্তনৰ দাবী উত্থাপন কৰা বিষয়টো কোঁৱৰদেৱে গভীৰভাৱে অধ্যয়ন কৰিছিল আৰু ইয়াৰ সমৰ্থনতে তেওঁৰ চিন্তাশীল কাপেৰে প্ৰকাশ পাইছিল "দ্বি-নাগৰিকত্ব আৰু অসমৰ বিদেশী সমস্যা" শীৰ্ষক গ্ৰন্থখন। দ্বীপেন্দ্ৰ নাৰায়ন কোঁৱৰদেৱে অসমত দ্বি-নাগৰিকত্বৰ প্ৰাসঙ্গিকতাক সমৰ্থন কৰি ইয়াৰ অৰ্থ আৰু প্ৰয়োজনীয়তা সম্পৰ্কে লিখিছে— "সহজ অৰ্থত দ্বি-নাগৰিকত্ব মানে দুই প্ৰকাৰৰ নাগৰিক। অৰ্থাৎ এজন লোকে সাংবিধানিকভাৱে ৰাষ্ট্ৰৰ নাগৰিকত্ব লোৱাৰ পিছতো তেওঁ যিখন ৰাজ্যত বসবাস কৰে, সেই ৰাজ্যৰ বাবে নিৰ্ধাৰণ কৰা সুকীয়া নাগৰিকত্ব পাব। এই ব্যৱস্থাৰ দ্বাৰা ৰাজ্যৰ লগত বাস কৰা বহিৰাগতসকল আৰু থলুৱা ভূমিপুত্ৰসকল চিনাক্ত হ'ব। তাৎপৰ্যপূৰ্ণভাৱে দেশৰ সংবিধানে দিয়া ৰাষ্ট্ৰীয় ক্ষেত্ৰৰ অধিকাৰসমূহ দেশৰ প্ৰতিজন নাগৰিকে ভোগ কৰিলেও সংশ্লিষ্ট ৰাজ্যখনৰ বহিৰাগতসকলক অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত কিছুমান অধিকাৰ দিয়া নহয় বা চৰ্ত সাপেক্ষেহে অধিকাৰ পাব। এই বিশেষ অধিকাৰসমূহ নিৰ্বিঘ্নে ৰাজ্যৰ থলুৱা ভূমিপুত্ৰসকললে সুকীয়াকৈ আৰু বিশেষভাৱে ভোগ কৰিব পাৰিব।"

এই গ্ৰন্থখনৰ বিষয়বস্তুৰ ওপৰত অসম কেশৰী অম্বিকাগিৰী ৰায় চৌধুৰীৰ দাৰ্শনিক চিন্তাধাৰাৰ কিছু প্ৰভাৱ পৰা বুলি ক'ব পাৰি। ১৯৪৯ চনত অম্বিকাগিৰী ৰায় চৌধুৰীৰ নেতৃত্বত "জাতীয় মহাসভা"ই ভাৰতৰ Constitution Assembly লৈ প্ৰেৰণ কৰা ৰাজ্যসমূহত দ্বি-নাগৰিকত্ব প্ৰৱৰ্তনৰ বাবে উত্থাপন কৰা এখন দাবী পত্ৰত উল্লেখ আছে— "-dual citizenship will be source of strength other than weakness to the union of rather Federation. Such a provision will also remove the legitimate fears of the smaller and weaker linguistic. Cultural and racial units about domination or suppression by others"

অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত 'দৰং অধ্যয়ন চক্ৰ'ৰ দ্বাৰা দুটাকৈ সংস্কৰণ (২০০৯ আৰু ২০১০) প্ৰকাশ হোৱা "দ্বি-নাগৰিকত্ব আৰু অসমৰ বিদেশী সমস্যা" গ্ৰন্থখনে সচেতন বৌদ্ধিক মহলত এক নতুন চিন্তাৰ পৰিৱেশ ৰচনা কৰিবলৈ সক্ষম হোৱা বুলি নিশ্চিতভাৱে ক'ব পাৰি।

**"অসম সাহিত্য সভা; বিতৰ্ক নিৰপেক্ষ হওক" (২০১৪) :** ২০১৩ চনৰ শেষভাগৰ পৰাই এক অবাঞ্চিত বিষয় লৈ অসমৰ বৃহত্তৰ জাতীয় অনুষ্ঠান 'অসম সাহিত্য সভা'ক লৈ কিছুমান নেতিবাচক বিতৰ্কৰ সূচনাৰে অসমৰ জাতীয় জীৱনৰ পৰিৱেশ দুখ লগাকৈ কলুষিত হৈ পৰিছিল। এই বিতৰ্ক কালত দেখা গৈছিল বিভিন্ন পক্ষই আনটো পক্ষক হকে-বিহকে দোষাৰোপ কৰি কেৱল নিজস্ব স্বাৰ্থ সিদ্ধিৰ বাবে বিভিন্ন বাতৰি কাকত অথবা ইলেকট্ৰনিক মাধ্যমৰ যোগেদি বিবৃতি প্ৰদান কৰিছিল। আন এচামে আকৌ জাতীয় অনুষ্ঠানটিৰ কাম-কাজক সমালোচনা কৰিছিল 'অসম সাহিত্য সভা'ৰ সাংগঠনিক ক্ষেত্ৰখনত নিজে কোনো বিষয়ত বঞ্চিত (বঁটা-বাহন প্ৰাপ্তি, ইপ্সিত পদবী পাবলৈ সক্ষম নোহোৱা আদি) হোৱাৰ প্ৰতিশোধ স্বৰূপেহে। কোনো এটা পক্ষই জাতীয় অনুষ্ঠানটিৰ শুদ্ধপথে উত্তৰণৰ স্বাৰ্থত অথবা অসমৰ জাতীয় জীৱনৰ সুস্থ বাতাবৰণ সৃষ্টি কৰাৰ স্বাৰ্থত নহয়।

এনে প্ৰেক্ষাপটতে এগৰাকী সংবেদনশীল লেখক হিচাপে দ্বীপেন্দ্ৰ নাৰায়ন কোঁৱৰদেৱৰ মনটো উদ্বিগ্নতাৰে ভৰি পৰিছিল। অসমৰ সকলো শ্ৰেণীৰ লোকৰ আপোন জাতীয় অনুষ্ঠান 'অসম সাহিত্য সভা'ৰ প্ৰতি ৰাইজৰ আস্থা, বিশ্বাস আৰু মৰম হ্ৰাস হোৱাৰ শংকাত ভুগিছিল বৰেণ্য লেখকগৰাকী। এই পৰিৱেশত নিজে এগৰাকী 'অসম সাহিত্য সভা'ৰ সক্ৰিয় কৰ্মী হিচাপে আয়ত্ব কৰা অভিজ্ঞতাৰ ভিত্তিত অনুষ্ঠানটিৰ ভিতৰ চ'ৰাৰ প্ৰকৃত সঁচাখিনি ৰাইজৰ আগত উদঙাই দি

সকলোকে নিৰপেক্ষ দৃষ্টিভংগীৰে বিষয়বোৰ আলোচনা কৰাৰ সুবিধা হোৱাকৈ তেওঁ কলম হাতত লৈছিল। এয়াই হৈছে দৰঙৰ সংবাদসেৱীসকলৰ এটা আগশাৰীৰ সংগঠন 'মঙলদৈ মিডিয়া চাৰ্কোল' ২০১৪ চনত প্ৰকাশ কৰি উলিওৱা 'অসম সাহিত্য সভা; বিতৰ্ক আৰু নিৰপেক্ষ হওক' গ্ৰন্থখন প্ৰণয়নৰ আঁৰৰ কাহিনী। গ্ৰন্থখনৰ প্ৰাক্‌কথনত কোঁৱৰদেৱে এই বিষয়ে এনেদৰে উল্লেখ কৰিছে—

"আমি লক্ষ্য কৰিছোঁ যে 'অসম সাহিত্য সভা'ৰ সম্পৰ্কত ইতিমধ্যে যিসমূহ বিতৰ্ক হৈছে, সেয়া নিৰপেক্ষ নহয়, বৰং একাংশই পদলিপ্সা আৰু বঁটা-বাহনৰ আশা কৰি মূৰকত বঞ্চিত হৈ ঋণাত্মক দিশেৰে জাতীয় অনুষ্ঠানটিক সমালোচনা কৰিবলৈ লৈছে। এই সম্পৰ্কত সাংবাদিকতাৰ দৃষ্টিৰে অনুষ্ঠানটোৰ ভিতৰখন চাবলৈ যত্ন কৰি পোৱা তথ্যসমূহ ব্যাখ্যা কৰি এই গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে— যাতে 'অসম সাহিত্য সভা' সংশ্লিষ্টসকলৰ বাবেই জনসাধাৰণৰ দৃষ্টিত এলাগী হৈ নাযায়।"

গ্ৰন্থখনে সেই সময়ছোৱাত যথেষ্ট ইতিবাচক চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছিল আৰু সাম্প্ৰতিক সময়তো গ্ৰন্থখনে প্ৰাসঙ্গিকতা হেৰুওৱা নাই, বৰং পাঠকসকলৰ মাজত অদ্যাপি গ্ৰন্থখনৰ সমাদৰ কোনোগুণে কমা নাই।

**"শঙ্কৰে পাতে ভকতে ভাঙে" (২০১৫) ঃ** জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে প্ৰতিষ্ঠা কৰি থৈ যোৱা জীৱন দৰ্শনৰ প্ৰতি দ্বীপেন্দ্ৰনাৰায়ন কোঁৱৰদেৱে অতি সংবেদনশীল আছিল। গুৰুজনাই এখন সুশৃংখল সমাজ গঠনৰ বাবে যি ধৰ্ম আৰু নীতি প্ৰতিষ্ঠা কৰি থৈ গৈছিল সেয়া সঁচা কথা। কিন্তু কোঁৱৰদেৱৰ চিন্তাশীল মনটোৱে ৰাইজে জুঁকিয়াই নোচোৱা গুৰুজনাৰ কিছু কৰ্মৰাজি অথবা মননশীলতাক গভীৰভাৱে হৃদয়ঙ্গম কৰি সেইবোৰ পাঠকৰ বাবে প্ৰকাশ কৰি উলিয়াই দিয়াৰ চেষ্টা কৰিছিল এখন গ্ৰন্থ 'শঙ্কৰে পাতে ভকতে ভাঙে' শীৰ্ষক গ্ৰন্থখনৰ জৰিয়তে। 'অসম বুক ট্ৰাষ্ট'ৰ নিতুল নেওগৰ দ্বাৰা ২০১৫ চনত প্ৰকাশিত এই গ্ৰন্থখনৰ প্ৰাক্‌কথনৰ এঠাইত লেখকগৰাকীয়ে উল্লেখ কৰিছে— "শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰতিষ্ঠা কৰি থৈ যোৱা মহাপুৰুষীয়া ধৰ্ম আৰু মতবাদক বিশ্বৰ দৰবাৰত উপস্থাপন কৰিবলৈ সংগ্ৰাম অব্যাহত আছে, পিছে তাকে কৰিবলৈ যাওঁতে আমাৰ পূৰ্বপুৰুষৰ সভ্যতা-সংস্কৃতি বাদ দিব পৰা নাযায়। মহাপুৰুষজনাৰ গুৰুত্ব বঢ়াবলৈয়েই তাহানিৰ অসমীয়া সমাজখনক অসভ্য বুলি প্ৰতিষ্ঠা কৰিবলৈ যোৱাটো সমৰ্থনযোগ্য নহয়। এইক্ষেত্ৰত দুয়োটা দিশৰেই নিৰ্মোহ আলোচনা হওক, সেয়ে আমাৰ কামনা।"

কোঁৱৰদেৱৰ উক্ত কথাখিনিৰ পৰাই বুজিব পাৰি তেওঁৰ স্পষ্টবাদিতা। সমাজত প্ৰচলিত সকলোবোৰ কথাই অন্ধভাৱে মানি নলৈ সেইবোৰৰ প্ৰতিটো দিশ পৰ্যালোচনা কৰি পাঠক সমাজৰ বাবে নিৰ্ভিকভাৱে প্ৰকাশ কৰাটো তেওঁৰ স্বভাৱ। 'শঙ্কৰে পাতে ভকতে ভাঙে' শীৰ্ষক গ্ৰন্থখন ইয়াৰ এক স্পষ্ট উদাহৰণ। গ্ৰন্থখনত সন্নিৱিষ্ট ৩৪ টা প্ৰবন্ধই জগতগুৰু শঙ্কৰদেৱৰ ধৰ্ম আৰু মতবাদৰ প্ৰতিটো দিশ পাঠক সমাজৰ বাবে উন্মোচন কৰি দিছে, যিবোৰ ইতিমধ্যে 'এদিনৰ সংবাদ' কাকতখনত তদানীন্তন সম্পাদক অদীপ কুমাৰ ফুকনদেৱৰ সম্পাদনাত ধাৰাবাহিকভাৱে প্ৰকাশ হৈ গৈছে। এই গ্ৰন্থখনে ইতিমধ্যে বিদ্বৎ মহলত বিশেষ চৰ্চা কৰিবলৈ সক্ষম হৈছে।

**"কোচ ৰাজ্যত শ্ৰীমন্ত শঙ্কৰদেৱ" (ডিচেম্বৰ ২০১৯) ঃ** অসমৰ সভ্যতা-সংস্কৃতিৰ ওপৰত গভীৰ আস্থাশীল এগৰাকী আপোচবিহীন অসমীয়া জাতীয়তাবাদী সেনা দ্বীপেন্দ্ৰ নাৰায়ন কোঁৱৰদেৱে কলমকে হাতিয়াৰ কৰি অসমৰ জাতীয় সত্বাক সুৰক্ষিত ৰখাৰ বৌদ্ধিক আন্দোলন চলাই যোৱাৰ ফচল হিচাপে ২০১৯ চনৰ ডিচেম্বৰ মাহত 'মঙলানগৰ শাখা সাহিত্য সভা'ই শাখাটিৰ ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰি উলিয়াইছে এখন অতুলনীয় গ্ৰন্থ "কোচ ৰাজ্যত শ্ৰীমন্ত শঙ্কৰদেৱ"। গ্ৰন্থখনত গুৰুজনাই প্ৰতিষ্ঠা কৰা নৱবৈষ্ণৱবাদৰ প্ৰচাৰ আৰু প্ৰসাৰৰ প্ৰকৃত ক্ষেত্ৰখন সম্পৰ্কে বিস্তৃতভাৱে আলোচনা আগবঢ়োৱা হৈছে। গ্ৰন্থখনৰ প্ৰাক্‌কথনত লেখকগৰাকীয়ে এনেদৰে উল্লেখ কৰিছে— "মহাপুৰুষজনাই আহোম ৰাজ্যত থাকিয়েই নৱবৈষ্ণৱবাদক আগবঢ়াই লৈ যোৱাৰ পৰিকল্পনা কৰিছিল। কিন্তু সেই সময়ৰ আহোম ৰজা চুক্লেনমুঙে (গড়গঞা ৰজা) শক্তিবাদত বিশ্বাসীসকলৰ কথা শুনি গুৰুজনাৰ লগতে ভকতসকলকো অবৰ্ণনীয় অত্যাচাৰ কৰিছিল। ৰজাৰ অত্যাচাৰত জীৱনৰ নিৰাপত্তাৰ স্বাৰ্থত ভকত আৰু পৰিয়ালসহ গুৰুজনাই ৮৭ বছৰ বয়সত আহোম ৰাজ্য এৰি কোচ ৰাজ্যলৈ গমন কৰিছিল। পিছলৈ গুৰুজনাৰ নৱবৈষ্ণৱবাদত পাটবাউসীৰ বহু লোক আকৰ্ষিত হ'ল। বিগত সময়

সংঘাতপূৰ্ণ যদিও তেৰাৰ ভক্তি দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ মহাবীৰ চিলাৰায়ে এশ পত্নীসহ গুৰুজনাৰ ওচৰত শৰণ লোৱাৰ পিছত ১৮৬৮ চন পৰ্যন্ত অৰ্থাৎ মহাপুৰুষজনাৰ মহাপ্ৰয়াণৰ সময়তো সুদীৰ্ঘ ২২ বছৰ ধৰি তেৰা কোচ ৰাজ্যত থাকিয়েই 'শঙ্কৰী নৱজাগৰণ' মাধ্যমেৰে ভাষা, সাহিত্য-সংস্কৃতিৰ বাৰেৰহণীয়া বিকাশ ঘটাইছিল।

ওপৰোক্ত কথাখিনি অৱতাৰণা দীঘলীয়া যদিও মূল ঘটনাৰাজি স্পৰ্শ কৰি 'কোচ ৰাজ্যত শ্ৰীমন্ত শঙ্কৰদেৱ' গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে। ইয়াৰ উপৰিও শ্ৰীমন্ত শঙ্কৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰতিষ্ঠা আৰু প্ৰসাৰৰ ক্ষেত্ৰ হিচাপে কোচ ৰাজ্যই যে মুখ্য স্থান আছিল সেয়া তথ্য সহকাৰে প্ৰকাশ কৰি একশৰণ বৈষ্ণৱ ধৰ্ম প্ৰতিষ্ঠাৰ জীয়া কাহিনী চিত্ৰায়ন কৰা হৈছে 'কোচ ৰাজ্যত শ্ৰীমন্ত শঙ্কৰদেৱ' গ্ৰন্থখনত। গ্ৰন্থখনৰ দ্বাৰা গুৰুজনাৰ জীৱনকাল সম্পৰ্কে অনুসন্ধিৎসু পাঠক সমাজ নিশ্চিতভাৱে উপকৃত হৈছে বুলি ক'ব পাৰি।

**"কোচ-কমতাৰ ইতিকথা" (২০১৬)ঃ** বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা অহা নৃগোষ্ঠীয় লোকসকলে স্বকীয় জীৱনশৈলী, সভ্যতা আৰু সংস্কৃতিৰ আধাৰত বৰঙণি যোগাই আহিছে। প্ৰতিটো নৃগোষ্ঠীয় গোটৰে নিজস্ব পৰিচয় আৰু ইতিহাস সুকীয়া। সাম্প্ৰতিক অসমীয়া সমাজ জীৱনত বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ স্বকীয় ভাৱধাৰা, সংস্কৃতি আদিক হৃদয়ঙ্গম কৰাৰ ক্ষেত্ৰত নৃগোষ্ঠীয় গোটসমূহৰ ইতিহাস অধ্যয়ন আৰু পৰ্যালোচনা অতি প্ৰাসঙ্গিক। এই ক্ষেত্ৰত প্ৰয়াত দ্বীপেন্দ্ৰ নাৰায়ন কোঁৱৰদেৱ যথেষ্ট সচেতন আৰু সংবেদনশীল লেখক আছিল। তেখেতে অসমৰ কোচ-ৰাজবংশী ইতিহাস সম্পৰ্কে গভীৰ আৰু বিস্তৃত অধ্যয়ন কৰি সেইবোৰ তথ্য সহকাৰে নিজস্ব লিখন শৈলীৰে বিভিন্ন বাতৰি কাকতত প্ৰবন্ধ আকাৰে ধাৰাবাহিকভাৱে প্ৰকাশ কৰিছিল। তেওঁৰ লিখিনিসমূহত এটা কথা স্পষ্ট হয় যে— কোচ-কমতা, প্ৰাচীন প্ৰাগজ্যোতিষপুৰ, কামৰূপ আদিত বিশেষকৈ কোচ-ৰাজবংশী জনগোষ্ঠীটোৰ ঐতিহাসিক স্থিতিৰ বিশ্লেষণৰ ক্ষেত্ৰত বুৰঞ্জীবিদসকলে কিছু হ'লেও কৃপণালি কৰাটো পৰিলক্ষিত হয়।

দ্বীপেন্দ্ৰ নাৰায়ন কোঁৱৰ এনে অনুভৱৰ আধাৰতে বিভিন্ন বাতৰি কাকতত প্ৰকাশিত কোচ-ৰাজবংশী জনগোষ্ঠীটোৰ ইতিহাস সম্পৰ্কীয় প্ৰবন্ধ আৰু আলোচনাৰ একত্ৰিত কৰি ২০১৬ চনত অসমৰ আগশাৰীৰ এটা গ্ৰন্থ প্ৰকাশক গোষ্ঠী 'অসম বুক ট্ৰাষ্ট'এ প্ৰকাশ কৰি উলিয়াইছিল "কোচ-কমতাৰ ইতিহাস' শীৰ্ষক মূল্যবান গ্ৰন্থখন। দুটা মূল অধ্যায়ত বিভক্ত কোচ-কমতাৰ ইতিহাস সম্বলিত লিখনিসমূহ পাঠকসকলৰ বাবে মুকলি কৰি দিওঁতে তথ্য সংগ্ৰহৰ ক্ষেত্ৰত লেখকগৰাকীয়ে যথেষ্ট কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল আৰু কিছু ক্ষেত্ৰত বিফলো হৈছিল। এনে প্ৰেক্ষাপটত তেওঁ নিজে স্বীকাৰ কৰি গ্ৰন্থখনৰ পাতনিত উল্লেখ কৰিছে— "এই বৃহৎ ভূখণ্ডৰ ভৌগোলিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক ইতিহাস আৰম্ভ হৈছে ইতিহাসে ঢুকি পোৱা কালৰ আগৰে পৰা। এই সুদীৰ্ঘ সময়ছোৱাৰ প্ৰাকৃতিক, সামাজিক, ৰাজনৈতিক, নৃগোষ্ঠীগত, সাংস্কৃতিক আৰু অৰ্থনৈতিক উত্থান-পতন, সংঘাত আৰু সমন্বয়ৰ সম্পূৰ্ণ তথ্যপাতি পোৱাটো সম্ভৱ নহয়। এইসমূহৰ বেছিভাগ কালৰ বুকুত নিশ্চিহ্ন হৈ গৈছে আৰু অনেক সমল ভূ-গৰ্ভস্থ হৈছে।" 'কোচ-কমতাৰ ইতিকথা' গ্ৰন্থখনত সংলগ্ন খণ্ডসমূহৰ যোগেদি কোচ-কমতাৰ ঐতিহাসিক বিষয় আৰু তথ্যসমূহ মুকলিভাৱে আলোচনা কৰা হৈছে। আশা কৰা হৈছে এই মুকলি আলোচনাসমূহৰ যোগেদি ইয়াৰ শুদ্ধতা বিচাৰ কৰি পণ্ডিতসকলে বিশ্ব ইতিহাসত কোচ-ৰাজবংশী জনগোষ্ঠীৰ প্ৰসিদ্ধ অধ্যায়ক বহলভাৱে আলোচনা কৰাৰ এক গুৰুত্বপূৰ্ণ সমল আৰু পৰিৱেশ পাব। উল্লেখ্য, উক্ত গ্ৰন্থখন তেওঁ তদানীন্তন ৰাজ্যপাল বানোৱাৰী লাল পুৰোহিতৰ দ্বাৰা ৰাজভৱনত উন্মোচন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল।

**"কৰ্মযোগী— ৰত্ন নাৰায়ণ কোঁৱৰ— জীৱন আৰু ব্যক্তিত্ব" (২০১০)ঃ** অসমৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ ভূমিকাৰে বিশেষ স্থান দখল কৰি থকা অধ্যায়— কোচ ৰাজ্যৰ ৰজা নৰনাৰায়ণৰ সুযোগ্য বংশধৰ স্বৰ্গীয় নৰেন্দ্ৰ নাৰায়ণ কোঁৱৰ ৩য় সন্তান ৰত্ন নাৰায়ণ কোঁৱৰদেৱৰ কৰ্মৰাজী তথা সামাজিক দায়বদ্ধতা প্ৰয়াত দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱে বাল্য কালৰ পৰা নিজ চকুৰে দেখি আহিছিল আৰু বহু ক্ষেত্ৰত তেওঁৰ সান্নিধ্যই দেশ, স্ব-জাতিৰ বাবে কাম কৰি যোৱাত প্ৰেৰণা যোগাইছিল। সেইগৰাকী দৰঙী ৰাজবংশধৰ, মঙলদৈৰ সু-সন্তান বৰ্তমান প্ৰয়াত ৰত্ন নাৰায়ণ কোঁৱৰদেৱৰ সামাজিক দায়বদ্ধতাৰে কৰি অহা মানৱ সেৱাৰ আদৰ্শক অসমৰ সচেতন নাগৰিকসকলৰ বাবে তেওঁৰ জীৱন কালতে গ্ৰন্থ আকাৰে মুকলি কৰি দিবলৈ দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰে কৰা প্ৰচেষ্টাত ভূমিষ্ঠ হৈছিল "কৰ্মযোগী— ৰত্ন নাৰায়ণ কোঁৱৰ— জীৱন

আৰু ব্যক্তিত্ব” শীৰ্ষক জীৱনী গ্ৰন্থখন। ২০১০ চনত দৰঙৰ এচাম বিদ্যাৰন্ত লোকৰ দ্বাৰা সংগঠিত অনুষ্ঠান “দৰং অধ্যয়ন চক্ৰ”ৰ দ্বাৰা প্ৰকাশ কৰা গ্ৰন্থখন ৰত্ন নাৰায়ণ কোঁৱৰদেৱৰ সাহিত্য, সংস্কৃতি, ক্ৰীড়া, মানৱতাবাদ আদি সকলো দিশ স্পৰ্শ কৰি যোৱাকৈ প্ৰস্তুত কৰিবলৈ লেখকগৰাকীয়ে প্ৰয়াস কৰিছে। “গুণীজনেহে গুণীজনৰ গুণ-আদৰ্শ উপলব্ধি কৰিব পাৰে”— আপ্ত বাক্যশাৰী দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱৰ ক্ষেত্ৰত এশ শতাংশই প্ৰযোজ্য হয়। তাৰ উৎকৃষ্ট উদাহৰণ হিচাপে উল্লেখ কৰিব পাৰি “কৰ্মযোগী— ৰত্ন নাৰায়ন কোঁৱৰ— জীৱন আৰু ব্যক্তিত্ব” নামৰ এই জীৱনী গ্ৰন্থখন।

সামাজিকভাৱে প্ৰতিষ্ঠা লাভ কৰা লোকসকলৰ বাবে প্ৰযোজ্য এশাৰী বাক্য—

“জীৱনতকৈ জীৱনী দীঘল, কৰ্মতকৈ আদৰ্শ ডাঙৰ আৰু প্ৰতিভাতকৈ প্ৰতিষ্ঠা প্ৰবল।”

এই কথাশাৰী শিৰোগত কৰি দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰে প্ৰণয়ন কৰা এই গ্ৰন্থখনে দৰঙী বিদ্বৎ সমাজৰ লগতে সমগ্ৰ অসমৰে সমাজ সচেতক পাঠকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

**“পোৰা পাহাৰ” (১৯৯৩)** ঃ অসমৰ সংবাদ জগতত প্ৰতিষ্ঠা লাভ কৰা কালতেই দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱে কিছুমান কাল্পনিক চৰিত্ৰ অংকণ কৰি ‘পোৰা পাহাৰ’ নামৰ এখন সামাজিক উপন্যাস প্ৰস্তুত কৰিছিল। প্ৰেম আৰু যৌৱনৰ এক অনুপম সমৃদ্ধ এই উপন্যাসখন পাঠকসকলৰ কোলালৈ ১৯৯৩ চনত গ্ৰন্থ আকাৰে প্ৰকাশ হৈ অহাৰ পূৰ্বে ‘মঙ্গল বাতৰি’ কাকতখনত ধাৰাবাহিকভাৱে প্ৰচাৰ হৈছিল। এগৰাকী ঔপন্যাসিক হিচাপে কোঁৱৰদেৱে অধিক প্ৰসাৰতা লাভ কৰিবলৈ সক্ষম হোৱা নাছিল যদিও তেওঁৰ একমাত্ৰ উপন্যাস ‘পোৰা পাহাৰ’ অসমীয়া ভাষা সাহিত্যৰ ভঁৰাললৈ এক অনবদ্য সংযোজন।

**“চুটি গল্প দীঘল গল্প” (২০১৯)** ঃ সংসাৰ সাগৰত প্ৰতিগৰাকী ব্যক্তিয়ে নিজৰ জীৱন পৰিক্ৰমাত বাট বুলি যাওঁতে বিভিন্ন ঘটনা-পৰিঘটনা, অভিজ্ঞতা আদিৰ সন্মুখীন হয়, যিবোৰ ঘটনাই বা অভিজ্ঞতাই জীৱনৰ বাকী কালছোৱাত স্মৃতি হৈ নিজৰ মানস কুঠৰীত বন্দী হৈ ৰয়। অতি কম সংখ্যক লোকেহে এই ঘটনা অথবা অভিজ্ঞতাবোৰক কলমৰ চিঞাহীৰে লিপিবদ্ধ কৰি যায় আৰু নিজৰ লগতে আনকো সেইবোৰৰ ৰস প্ৰদান কৰিবলৈ সক্ষম হয়। তাতে সেই লিখনিসমূহ গল্প আকাৰে সুন্দৰ প্ৰকাশ শৈলীত পাঠকৰ বাবে হৈ পৰে অনুপম।

দ্বীপেন্দ্ৰ নাৰায়ন কোঁৱৰদেৱেও তেওঁৰ জীৱন পৰিক্ৰমাত মুখামুখী হোৱা ঘটনাসমূহ প্ৰথমে বন্ধু মহলত মুকলিভাৱে ব্যক্ত কৰে। পৰৱৰ্তী সময়ত সেইবোৰ লিপিবদ্ধ কৰি বিভিন্ন সাহিত্য অনুষ্ঠানত পাঠ কৰে। এইখিনিতে প্ৰণিধানযোগ্য যে, দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱে অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা আৰু প্ৰসাৰৰ মঞ্চ হিচাপে নিজে প্ৰতিষ্ঠা কৰা ‘ভাখেৰী’ নামৰ অনুষ্ঠানটিৰ মাহেকীয়া বৈঠকসমূহতো সেই ঘটনাসমূহ গল্প আকাৰে বৰ্ণনা আগবঢ়ায়। ‘ভাখেৰী’ৰ মজিয়াৰ পৰা আৰু বন্ধু মহলৰ পৰা পোৱা উৎসাহ আৰু প্ৰেৰণাত কোঁৱৰদেৱে এনেধৰণৰ গল্পবোৰ সংগঠিত কৰি এখন গল্পপুথি প্ৰণয়ন কৰাৰ আগ্ৰহ প্ৰকাশ কৰে। কোঁৱৰদেৱৰ এই আগ্ৰহৰ প্ৰতি সন্মান জনাই “দৰং জিলা সাহিত্য সভা”ই ২০১৯ চনত প্ৰকাশ কৰি উলিয়ায় এখন সৰ্বজন পাঠযোগ্য গল্প সংকলন “চুটি গল্প দীঘল গল্প”। দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱৰ জীৱন পৰিক্ৰমাত মুখামুখী হোৱা সঁচা ঘটনাসমূহকে নিজস্ব লিখন শৈলীৰে গল্প আকাৰে প্ৰকাশ কৰি সেইসমূহ সংকলিত কৰি এই গল্প পুথিখন প্ৰস্তুত কৰা হৈছে। অসমীয়া গদ্য সাহিত্যৰ ভঁৰাললৈ ২২(বাইচ)টা উৎকৃষ্ট গল্প সন্নিৱিষ্ট কৰি প্ৰস্তুত কৰা দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰৰ “চুটি গল্প দীঘল গল্প” শীৰ্ষক গল্পসংকলনটি নিশ্চিতভাৱে এক অনবদ্য বৰঙনি হৈ ৰ’ব।

**“এদিনৰ কবিতা” (ডিচেম্বৰ ২০১৪)** ঃ অসমীয়া সাহিত্য জগতত দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ এগৰাকী কবি হিচাপেও সকলোৰে মাজত পৰিচিত ব্যক্তি বিভিন্ন সময়ত তেওঁৰ মনত দোলা দি থকা আৱেগ-অনুভূতিবোৰ শব্দৰ সাৱলীল বিন্যাসেৰে সজাই থোৱাটো তেওঁৰ অভ্যাস। পিছত সেইবোৰ ঘঁহি-পিহি একোটা সুন্দৰ পূৰ্ঠ কবিতাৰ ৰূপ দিয়া হয়। এই কবিতাবোৰকে এক গোট কৰি প্ৰস্তুত কৰা হয় ভিন্ন স্বাদৰ এখন অনুপম কাব্য সংকলন “এদিনৰ কবিতা।”। ২০১৪ চনৰ ডিচেম্বৰ মাহত ‘দৰং জিলা সাহিত্য সভা’ই আগ্ৰহেৰে এই কাব্য সংকলনখন পাঠকৰ বাবে প্ৰকাশ কৰি উলিয়ায়। কাব্য সংকলনটি প্ৰকাশৰ প্ৰাক্‌ক্ষণত কোঁৱৰদেৱক প্ৰশংসা কৰি ‘দৰং জিলা সাহিত্য সভা’ৰ তদানীন্তন সভাপতি ভাৰত ভূষণ মহন্তদেৱে এনেদৰে লিখিছে—

“দৰঙৰ প্ৰতিষ্ঠিত কবি দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰৰ কবিতা সাম্প্ৰতিক কাব্যানুৰাগীসকলৰ মাজত জনপ্ৰিয়। ইতিমধ্যে বিভিন্ন কাকত, আলোচনী আদিত প্ৰকাশিত কোঁৱৰৰ কবিতাই উৎকৃষ্টতা লাভ কৰিছে। তেওঁৰ কবিতাত প্ৰেম-ভালপোৱা, সাম্প্ৰতিকতা আৰু জাতীয়তাবাদৰ গোন্ধ পোৱা যায়।” ইতিপূৰ্বে বিভিন্ন আলোচনী, বাতৰি কাকত আদিত প্ৰকাশিত প্ৰায় ৫৫ (পাঁচপন্ন)টা মনোগ্ৰাহী কবিতা সন্নিৱিষ্ট কৰি প্ৰস্তুত কৰা কাব্যগ্ৰন্থখন ইতিমধ্যে কাব্যানুৰাগীসকলৰ মাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

অসমৰ জাতীয়তাবাদী শিবিৰৰ এগৰাকী আপোচবিহীন সংগ্ৰামী, সু-সাহিত্যিক, সাংবাদিক দ্বীপেন্দ্ৰ নাৰায়ন কোঁৱৰৰ অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাললৈ থকা অৱদান তেওঁৰ কৰ্মময় জীৱন কালৰ প্ৰতিটো পৃষ্ঠাতে বিদ্যমান। অসমৰ জাতীয় সত্ত্বা আৰু সংস্কৃতিৰ স্বকীয়তা তিলমানো বিসংগতি নোহোৱাকৈ বিশ্বৰ বুকুত যাতে অসমক সন্মানজনকভাৱে প্ৰতিষ্ঠা কৰিব পাৰে তাৰ বাবে তেওঁৰ সংগ্ৰামী কলমে অহৰহ আঁকি গৈছিল জাতীয়তাবাদ প্ৰতিষ্ঠাৰ ছবি। কিন্তু আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু মনোগ্ৰাহী কথাটো হ'ল যে, দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱে জাতীয়তাবাদৰ সমৰ্থনত লিখি যোৱা এগৰাকী অধ্যয়নপুষ্ট নিবন্ধকাৰ হিচাপেই পৰিচিত নহয়। বৰং তেওঁ এগৰাকী সুদক্ষ গল্পকাৰ, কবি আৰু শিশু সাহিত্যিক হিচাপে জনপ্ৰিয়। তেওঁৰ লিখনিৰ জড়িয়তে শিশুসকলৰ বৌদ্ধিক মনস্কতাৰ বিকাশৰ প্ৰয়াসো মনকৰিবলগীয়া। পৌৰাণিক আখ্যানসমূহৰ আধাৰত শিশুসকলে ভালপোৱাকৈ আৰু সহজে বুজিব পৰাকৈ নিজস্ব লিখন শৈলীৰে প্ৰণয়ন কৰা সাধুকথাৰ কিছুসংখ্যক গ্ৰন্থও পঢুৱৈ সমাজৰ বাবে তেওঁ উপহাৰ দি থৈ গৈছে। শিশু পাঠকসকলক লক্ষ্য ৰি তেওঁ ৰচনা কৰা কেইখনমান গ্ৰন্থৰ পৰিচয় আগবঢ়োৱা হ'ল।

**“জঁটাধাৰী” (জুলাই ২০১৭) ঃ** সনাতন ধৰ্মৰ মূল চৰিত্ৰ— ভগৱান শিৱৰ আখ্যানসমূহে যুগে যুগে সকলো শ্ৰেণীৰ মানুহকে আকৰ্ষণ কৰি আহিছে। সেই আখ্যানসমূহ আদিতে মূলতঃ সংস্কৃত ভাষাতহে লিপিবদ্ধ আছিল, যাৰ বাবে সাধাৰণ পাঠকসকলে সেইবোৰ অধ্যয়ন কৰি হৃদয়ঙ্গম কৰাত জটিলতা আছিল। সেই পৌৰাণিক আখ্যানসমূহৰে উৎকৃষ্ট কিছুসংখ্যক বুটলি আনি দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱে অসমীয়া মাধ্যমৰ শিশুসকলে সহজে বুজিব পৰাকৈ সাৱলীলভাৱে লিপিৱদ্ধ কৰি তাক সাধুকথাৰ কিতাপ হিচাপে প্ৰস্তুত কৰিছিল। তেওঁৰ এই প্ৰয়াসক উৎসাহ জনাই ২০১৭ চনৰ জুলাই মাহত 'দৰং জিলা সাহিত্য সভা'ই প্ৰকাশ কৰি উলিয়াইছে “জঁটাধাৰী” নামৰ সাধুকথাৰ এই শিশু উপযোগী পুথিখন। সাধুকথাৰ এই পুথিখনে শিশুসকলৰ লগতে আন সাধাৰণ পাঠকসকলৰ মাজতো জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে।

**“শিৱ কথা” (জুলাই ২০১৫) ঃ** হিন্দু ধৰ্মৰ এগৰাকী আৰাধ্য দেৱতা ভগৱান শিৱৰ বিষয়ে শিৱ পুৰাণ, পদ্ম পুৰাণ, বেদ, উপনিষদ আৰু আন হিন্দু ধৰ্মপুথিসমূহত উল্লেখ আছে। ধৰ্মপুথিসমূহত উল্লেখ থকা ধৰণে আখ্যানসমূহ সাধাৰণ পাঠকবৃন্দ অথবা শিশুসকলে পঢ়ি আয়ত্ব কৰাটো জটিল। শিশুসকলৰ মনস্তাত্ত্বিক বিকাশৰ প্ৰতি সচেতন লেখক দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱে ভগৱান শিৱৰ বিষয়ে ধৰ্মপুথিসমূহত উল্লেখ থকা আখ্যানবোৰ সকলোৱে বুজিব পৰাকৈ সহজ-সৰল ভাষাত সাৱলীলভাৱে সাধুকথা আকাৰত লিখি সেইবোৰ সাধুকথাৰ পুথি হিচাপে প্ৰস্তুত কৰাৰ প্ৰয়াস কৰিছিল। কোঁৱৰদেৱৰ এই প্ৰয়াসক বাস্তৱ ৰূপ দিয়াৰ বাবে 'দৰং জিলা সাহিত্য সভা'ই ২০১৫ চনৰ জুলাই মাহত প্ৰকাশ কৰি উলিয়াইছে তেওঁৰ সাধুকথাৰ এখন অনুপম পুথি “শিৱ কথা”। “শিৱ কথা” নামৰ এই সাধুকথাৰ পুথিখনে শিশুসকলৰ লগতে সাধাৰণ পাঠকসকলৰ মাজতো জনপ্ৰিয়তা লাভ কৰাটো লেখকগৰাকীৰ ঈপ্সিত সফলতা বুলি ক'ব পাৰি।

**“ৰামায়ণ” (জুলাই ২০১৮) ঃ** উৎকৃষ্ট মহাকাব্য হিচাপে স্বীকৃত 'ৰামায়ণ' এনে এখন গ্ৰন্থ, যিখন গ্ৰন্থৰ প্ৰতিটো পৃষ্ঠাতে মানৱ কল্যাণৰ হকে সামাজিক শৃংখলা, নীতি-আদৰ্শ আদি ৰক্ষাৰ আদি পাঠ লিপিৱদ্ধ হৈ আছে। এগৰাকী কীৰ্তিমান সাংবাদিক, লেখক দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰৰ ভাষাতে ক'ব পাৰি— 'নতুন প্ৰজন্মৰ মাজত শিশু অৱস্থাৰে পৰা ধৰ্মগ্ৰন্থসমূহত থকা মহৎ কাহিনীসমূহৰ মাজত লুকাই থকা আদৰ্শৰ প্ৰতি অনুপ্ৰাণিত কৰিবলৈ ধৰ্মগ্ৰন্থসমূহ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। কিন্তু বৃহৎ কলেবৰ আৰু তত্ত্বগধুৰ ধৰ্মগ্ৰন্থ অধ্যয়ন শিশুসকলৰ বাবে সম্ভৱ নহয়। সেয়ে উপ-কাহিনীসমূহ উল্লেখ নকৰাকৈ শিশুসকলৰ অধ্যয়নৰ উপযোগীকৈ 'ৰামায়ণ' নামৰ সাধুকথা পুথিখন প্ৰকাশৰ প্ৰয়াস কৰা হৈছে।' ২০১৮ চনৰ ২০ জুলাই তাৰিখে অসমৰ আগশাৰীৰ গ্ৰন্থ প্ৰকাশন গোষ্ঠী 'অসম বুক ট্ৰাষ্টে' প্ৰকাশ কৰা 'ৰামায়ণ'

নামৰ সাধুকথা পুথিখনে শিশুপাঠকসকলক মহাকাব্য ৰামায়ণৰ পাতে পাতে লুকাই থকা নীতি-আদৰ্শসমূহ হৃদয়ঙ্গম কৰিবলৈ সক্ষম হৈছে বুলি নিশ্চিতভাৱে ক'ব পাৰি।

**"ভক্ত প্ৰহ্লাদ" (আগষ্ট ২০১৫) ঃ** চিন্তাশীল লেখক দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱে ভৱিষ্যৎ নাগৰিকৰ অংকুৰণ স্বৰূপ শিশুসকলৰ সাধুকথা অধ্যয়নৰ যোগেদি নীতি কথাসমূহৰ জ্ঞান অৰ্জনৰ উপযোগীকৈ বহুকেইখন সাধুকথাৰ পুথি প্ৰণয়ন কৰিছে। এই সাধুকথা পুথিসমূহৰ বিশেষত্ব এয়ে যে, এইবোৰত সন্নিৱিষ্ট সাধুকথাসমূহ পৌৰাণিক ধৰ্মগ্ৰন্থসমূহত উল্লেখ থকা আখ্যানসমূহৰ সহজ-সৰল প্ৰকাশ। যাতে এই সাধুকথাসমূহ অধ্যয়ন কৰি শিশুসকলে আমাৰ প্ৰাচীন সভ্যতা-সংস্কৃতিৰ ভেঁটিৰ বিষয়ে জ্ঞান লাভ কৰাৰ উপৰিও এখন সু-শৃংখল সমাজ গঠনত ভূমিকা গ্ৰহণ কৰিব পাৰে। ২০১৫ চনৰ আগষ্ট মাহত ভাৰতীয় প্ৰাচীন দৰ্শনৰ মহত্বপূৰ্ণ অধ্যায় ভক্ত প্ৰহ্লাদৰ কিছু মনোগ্ৰাহী আখ্যানক শিশুসকলৰ অধ্যয়নৰ উপযোগীকৈ দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱে প্ৰস্তুত কৰি উলিওৱা 'ভক্ত প্ৰহ্লাদ' নামৰ সাধুকথা পুথিখন 'দৰং জিলা সাহিত্য সভা'ই প্ৰকাশ কৰি উলিয়াইছে। শিশুসকলৰ মাজত সাধুকথাৰ যোগেদি মনস্তাত্বিক দিশবোৰ সুস্থতাৰে বিকশাই তোলাৰ সহায়ক হোৱাকৈ গ্ৰন্থখন প্ৰণয়ন কৰা হৈছে। য'ত লেখকগৰাকী এশ শতাংশই সফল হ'ব পাৰিছে বুলি ক'ব পাৰি।

এগৰাকী সুদক্ষ সমাজ সংগঠক, সাংবাদিক, নিবন্ধকাৰ, তবলা বাদক, অভিনেতা আদি বহু প্ৰতিভাৰ গৰাকী দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱৰ কেৱল এটা দিশহে সম্যকভাৱে এই আলোচনাত সামৰি লোৱাৰ প্ৰয়াস কৰা হৈছে। সেয়া হৈছে তেওঁৰ কলমৰ আঁচোৰত প্ৰকাশ পোৱা মৌলিক গ্ৰন্থসমূহ পাঠকসকলক পৰিচয় কৰি দিয়া। লেখক হিচাপে তেওঁৰ এই মৌলিক গ্ৰন্থসমূহৰ উপৰিও বহুকেইখন মূল্যবান গ্ৰন্থ সম্পাদনা কৰি পাঠক সমাজৰ সমাদৰ লাভ কৰিব সক্ষম হৈছে। তেওঁৰ সম্পাদনাত প্ৰকাশ পোৱা অন্যতম কেইখনমান গ্ৰন্থ হৈছে— 'তুৱা গুণ গায়', 'ৰত্না পৃষ্ঠা', 'তিলোত্তমা', 'কৰিমিয়া', 'স্মৰণিকা-নাট্য উৎসৱ-'১৬' আৰু 'দৰঙৰ ওজাপালি'.

সামাজিক-সাহিত্য-সাংবাদিকতাৰ দিশত সমান দখল প্ৰতিষ্ঠা কৰা দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ অনন্য প্ৰতিভাধৰ ব্যক্তি হোৱাৰ লগতে তেওঁ জিলাখনৰ বিভিন্ন ক্ষেত্ৰত দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰিছিল। তাৰ ভিতৰত মাধ্যম আন্দোলনৰ ছহিদ মোজাম্মিল হকৰ স্মৃতি যুগমীয়া কৰাৰ অৰ্থে গঠিত ছহিদ মোজাম্মিল হক স্মৃতি ৰক্ষা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে মঙলদৈ ইউথ ক্লাব প্ৰাঙ্গণত প্ৰতিমূৰ্তি নিৰ্মাণৰ কামত তেওঁ আগভাগ লয়। 'দৰং অধ্যয়ন চক্ৰ', 'ভাখেৰী' নামৰ বিত্তীয় সংস্থা খোলাৰ লগতে 'ফ্ৰীডম' নামৰ বেচৰকাৰী সংস্থা গঠন কৰি স্ব-নিৰ্ভৰশীলতাৰ দিশত এখোজ আগবাঢ়িবলৈ নৱ প্ৰজন্মক প্ৰেৰণা দিয়া কোঁৱৰ এগৰাকী সাংস্কৃতিক কৰ্মীও। সংবাদসেৱা ক্ষেত্ৰখনত বিশিষ্ট বৰঙণি যোগোৱা কোঁৱৰে সাংবাদিক গৌতমানন্দ গোস্বামীৰ লগত লগ হৈ 'ব্ৰহ্মপুত্ৰ ফিচাৰ্চ' নামেৰে এটি সংবাদ সংস্থা গঠন কৰি বিভিন্ন কাকতক সংবাদ যোগান কৰিছিল। তেখেতে সামাজিক মাধ্যম 'ফেচবুক'ৰ জৰিয়তে যোৱা কিছু বছৰ ধৰি শিশুৰ ফটোৰে প্ৰতিটো ৰাতিপুৱা বন্ধুসকলক 'সুপ্ৰভাত' জনাই আহিছিল। শিশুসুলভ মনৰ গৰাকী কোঁৱৰে এই কাৰ্যৰ বাবে সকলোৰে প্ৰশংসাৰ পাত্ৰ হৈছিল। তেখেত তবলা বাদনৰ বিশাৰদ ডিগ্ৰী লাভ কৰি বাদ্য সঙ্গত কৰে। সকলো দিশতে পাৰ্গত কোঁৱৰ এগৰাকী অভিনেতাও। তেওঁ ৩৫ খন পূৰ্ণাঙ্গ নাটকৰ উপৰি ১ খন একাংকিকা নাটকত অভিনয় কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। দৰং জিলা সাহিত্য সভাৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা কালছোৱাত তেওঁ এটি নাট্য দল গঠন কৰি বিভিন্ন প্ৰতিযোগিতাৰ পৰা পুৰস্কাৰ আজুৰি আনিবলৈ সক্ষম হৈছিল।

মঙলদৈ চহৰত 'তেজীমলা ছপাশাল' নামৰ ছপাশাল প্ৰতিষ্ঠা কৰি ব্যৱসায় আৰু চৰকাৰী চাকৰি সমানে চলাই যোৱা কোঁৱৰে ১৯৪৮ চনত অসম সাহিত্য সভাৰ শাখা হিচাপে 'সংবাদ সাহিত্য চ'ৰা' গঠন কৰে। উদ্দেশ্য আছিল মঙলদৈ চহৰৰ সংবাদ সেৱাৰ লগত জড়িত লোকসকলক সংগঠিত কৰা আৰু সংবাদ সেৱা যিহেতু সাহিত্যৰ অন্যতম অংশ সেয়ে সংবাদ-সাহিত্যক একত্ৰভাৱে উপস্থাপন কৰা। সেই পৰিক্ৰমাৰ জৰিয়তে তেওঁ দৰং জিলা সাহিত্য সভাৰ সৈতে একাত্ম হৈ পৰে আৰু ১৯৯৮ চনত অনুষ্ঠিত দৰং জিলা সাহিত্য সভাৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ সম্পাদক হিচাপে মনোনীত হয়। তেওঁৰ নেতৃত্বত ৰূপালী জয়ন্তী উৎসৱে পূৰ্ণতা লাভ কৰাৰ পিছত তেওঁ সভাৰ বিভিন্ন বিষয়বাবত দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰি ২০১৩ বৰ্ষত দৰং জিলা সাহিত্য সভাৰ সম্পাদক নিৰ্বাচিত হয়। মহিলা শক্তিক একত্ৰিত কৰাৰ

দুৰ্বাৰ হাবিয়াস আৰু সাহস লৈ তেওঁ ২০১৩ চনত অসম সাহিত্য সভাৰ ৯৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আৰম্ভণি গীত ‘চিৰ চেনেহী মোৰ ভাষা জননী’ প্ৰায় ১০ হাজাৰ মহিলাৰ দ্বাৰা পৰিৱেশন কৰাই বিশ্ব অভিলেখৰ সৃষ্টি কৰে। পৰৱৰ্তী পৰ্যায়ত তেওঁ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকৰ সদস্য মনোনীত হোৱাৰ লগতে ২০২০-২২ বৰ্ষত তেওঁ অসম সাহিত্য সভাৰ মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক হিচাপে মনোনীত হয়। অসম সাহিত্য সভাৰ জাতীয় ন্যাস পুঁজিৰ শক্তি বৃদ্ধিৰ বাবে তেওঁ গ্ৰহণ কৰা কৌশল প্ৰণিধানযোগ্য। পুঁজি সংগ্ৰহৰ উদ্দেশ্যে অসম সাহিত্য সভাৰ আজীৱন সভ্য পদ, দৰং জিলা সাহিত্য সভাৰ পৃষ্ঠপোষক, আজীৱন সভ্য পদ নিজে গ্ৰহণ কৰি আনকো উৎসাহিত কৰাৰ লগতে অদম্য সাহস আৰু প্ৰেৰণাৰ প্ৰতীক দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰে নিজস্ব শৈলীৰে দৰং, শোণিতপুৰ আৰু ওদালগুৰি জিলাৰ শাখা সভাসমূহক শক্তিশালী কৰাৰ মানসেৰে তেওঁ অনবদ্য কাৰ্যসূচীসমূহ ৰূপায়ণ কৰি থাকোঁতে যোৱা ৩১ ডিচেম্বৰৰ নিশা হঠাৎ অসুস্থ হৈ চিকিৎসাধীন অৱস্থাত ৫৬ বছৰ বয়সত যোৱা ১২ ফেব্ৰুৱাৰী ২০২১ তাৰিখে পুৱতি নিশা অকাল মৃত্যুক সাৱটি লয়। মৃত্যুৰ সময়ত পত্নী অপৰ্ণা কোঁৱৰ, জীয়াৰী কুঁৱলি, দুই পুত্ৰ প্ৰাঞ্জল আৰু যুৱৰাজক এৰি থৈ যায়। কোঁৱৰৰ অকাল বিয়োগত আমি মৰ্মাহত. তেওঁৰ বিদেহ আত্মাই চিৰ শান্তি লাভ কৰক, এয়ে আমাৰ কামনা। ওম শন্তি।

*****

● লেখক ঃ সম্পাদক, দৰং জিলা সাহিত্য সভা

# অসম সাহিত্য সভা ঃ মোৰ অনুভৱ

**ইমৰান শ্বাহ**

মই সভাপতি হওঁতে এই বিৰাট বিশাল অনুষ্ঠানটো কেনেকৈ চলে মোৰ কোনো ধাৰণাই নাছিল। ৰাইজে দুটামান আশা লৈ মোক প্ৰায় জোৰ কৰি সভাপতি পাতি দিছিল। মোৰ নিজা আঁচনি নথকা বাবে সফলতা-বিফলতাৰ কথাও তেনেকৈ নাছিল। কিন্তু ৰাইজৰ আশা পূৰণৰ চেষ্টাত মই দুটা বছৰ কটাই দিছিলোঁ।

এতিয়া মই প্ৰাক্তন। মই ভিতৰ আৰু বাহিৰৰ পৰা দেখা সাহিত্য সভাৰ বহুত কথাই ক'ব পাৰিম। কিন্তু তাৰ প্ৰয়োজন আৰু সাৰ্থকতা তেনেকৈ নায়েই বাবে কোৱাৰ পৰা এতিয়ালৈকে বিৰত আছোঁ আৰু থাকিমো। তাৰ সলনি মই উপলব্ধি কৰা সৰু এটা প্ৰসঙ্গ উত্থাপিত কৰিব খুজিছোঁ।

গোটেই অসমত বিয়পি থকা সাহিত্য সভাৰ শাখাবোৰৰ কথা উচিত ভাৱে বিবেচনা নকৰিলে মূল সভাখনৰ সম্পৰ্কতে অস্পষ্টতা আহি পৰে বুলি মোৰ ভাব হয়। এতিয়া থকা হেজাৰ বাৰ-শ শাখা বিশ বাইশ হেজাৰ হ'লেও তেনেই কম বুলিয়েই ক'ব লাগিব। এই শাখাবোৰ যথাৰ্থভাৱে সক্ৰিয়, সতৰ্ক, তৎপৰ আৰু গতিশীল কৰি ৰাখিব পৰা হ'লে অনেক সমস্যা সমাধান কৰিব পৰা গ'লেহেঁতেন। শিক্ষাক্ষেত্ৰৰ এতিয়াৰ ধূসৰ অৱস্থাটো উজ্জ্বল কৰিব পৰা গ'লহেঁতেন। সাহিত্যক ধীৰে ধীৰে মেদশূন্য কৰাৰ অচিলাত কঙ্কালত পৰিণত কৰাৰ প্ৰৱণতা ৰোধ কৰিব পৰা গ'লহেঁতেন। ভাষাৰ সকলো বিপৰ্যয় অৱলীলাক্ৰমে নোহোৱা কৰিব পৰা গ'লেহেঁতেন।

অসমৰ একোখন মজলীয়া নগৰত হয়তো দহখন কলেজ আছে। পঞ্চাশজন ডাক্তৰ আছে। ত্ৰিশজন ইঞ্জিনিয়াৰ আছে। উচ্চ পদস্থ প্ৰশাসনীয় বিষয়া, ব্যৱসায়ী, আমোলা, কত ধৰণৰ মানুহ আছে। উকীল, ধৰ্মগুৰু. খা-খবৰ ল'লে দেখা যাব নগৰখনৰ যথেষ্ট পুৰণি শাখা সভা এখন আছে। কিন্তু শাখাখনৰ বিষয়ে ৭০-৮০ শতাংশ মানুহে একো নেজানেই। ৰাজহুৱা সামাজিক কিবা প্ৰশ্ন উঠিলে শাখা সভাখনে কি কয় শুনাৰ কথা কোনেও নেভাৱে। আৰু একেবাৰে তথাকথিত জনসাধাৰণৰ লগত শাখাৰ কোনো সম্বন্ধই নাই। অথচ ভাষা-সাহিত্যৰ লগত তেওঁলোকৰ সম্বন্ধ বৰ চিত্তাকৰ্ষক। ...কিবা কৰিব পৰা নাযায়নে। কেৱল মগজু আৰু পঞ্চইন্দ্ৰয়ৰে আমি চলি থাকিব নোৱাৰোঁ। আঙুলিলৈকে সুস্থ-সবল হ'লেহে ভাল।

মই দুৰ্বলভাৱে অলপ যত্ন কৰিছিলোঁ। চিঠি-পত্ৰ লিখা-মেলা কৰিছিলোঁ। কথা পাতিছিলোঁ। পৰামৰ্শ দিছিলোঁ। পিচে এইবোৰ অকলে কৰা কাম নহয়। আৰু থিতাতে কৰিবও নোৱাৰি। গোহাঞিবৰুৱাৰ সভাপতিৰ ভাষণখন আজিও প্ৰাসঙ্গিক হৈয়ে আছে। "ভাষা জনসাধাৰণৰ সম্পত্তি।" "তাত শিক্ষিতৰ আধিপত্য নচলে।"

আমি ভাবি চাব পাৰোঁ। শাখাৰে নহয় সাহিত্যৰ স্বাৰ্থত।

*****

- লেখক ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি।

# ৰাভা লোক-সংস্কৃতি

**ড° ললিত চন্দ্ৰ ৰাভা**

উত্তৰ-পূব ভাৰতৰ অতি প্ৰাচীন কালৰে পৰা বসবাস কৰি অহা এটা প্ৰধান জনগোষ্ঠী হ'ল ৰাভা। ভাষিকভাৱে এওঁলোক চীন-তিব্বতীয়া ভাষা পৰিয়ালৰ তিব্বতবৰ্মীয় শাখাৰ আৰু নৃতাত্ত্বিক বিচাৰত মঙ্গোলীয় ফৈদৰ অন্তৰ্গত।[১] এওঁলোকে প্ৰধানকৈ ভাৰতৰ তিনিখন ৰাজ্য অসম, মেঘালয় আৰু পশ্চিমবঙ্গত বসবাস কৰি আহিছে। অসমৰ কামৰূপ, গোৱালপাৰা, দৰং, নলবাৰী, কোক্ৰাঝাৰ আৰু ধুবুৰী জিলাতেই অধিক সংখ্যক ৰাভা জনগোষ্ঠীৰ লোকে বসবাস কৰে। তদুপৰি কাৰ্বি আংলং, নগাঁও, শিৱসাগৰ, শোণিতপুৰ, ডিব্ৰুগড়, উত্তৰ-লক্ষীমপুৰ, কাছাৰ আদি জিলাতো কম পৰিমাণৰ ৰাভা লোকে বসবাস কৰি আহিছে। মেঘালয়ৰ গাৰো পাহাৰ জিলা আৰু পশ্চিমবঙ্গৰ জলপাইগুড়ি আৰু কোচবিহাৰৰ জিলাত কিছু সংখ্যক ৰাভা লোকে অতি প্ৰাচীন কালৰে পৰা বসবাস কৰি আহিছে।[২]

গেইটে ১৮৮৯ চনৰ লোকপিয়লৰ টোকাত উল্লেখ কৰা অনুযায়ী ৰাভাসকলৰ পাচোঁটা ফৈদ হ'ল- ৰংদানি, পাতি, মায়তৰি, দাহুৰি আৰু কছাৰী।[৩] এই শ্ৰেণী বিভাজন শুদ্ধ নহয়। কাৰণ ইয়াত কছাৰীসকলক ৰাভাৰ এটা ফৈদ হিচাপে দেখুৱাইছে। কিন্তু কছাৰী ৰাভাৰ পৰা সম্পূৰ্ণ এটা পৃথক জনগোষ্ঠী। B.C Allen-এ ৰাভাসকলৰ সাতোটা ফৈদ থকা বুলি উল্লেখ কৰিছে।[৪] সেইদৰে ফ্ৰেইগু পেৰেইৰাৰ মতেও ৰাভাসকলৰ সাতোটা ফৈদ আছে।[৫] মণি ৰাভাইও এওঁলোকৰ শ্ৰেণীবিভাজনকে সমৰ্থন কৰিছে। পৰৱৰ্তী কালত গৱেষক ৰাজেন ৰাভাই অধিক ক্ষেত্ৰ অধ্যয়ন কৰি ৰাভাৰ আঠোটা ফৈদ থকা বুলি উল্লেখ কৰিছে। সেই কেইটা হ'ল- পাতি, ৰংদানি, মায়তৰি, কোচা, দাহুৰি, বিটলীয়া, টোটোলা আৰু হানা।[৬]

জনসংখ্যাৰ ফালৰপৰা পাতি ৰাভা ফৈদটোৱেই ডাঙৰ আৰু এই ফৈদটো ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে কামৰূপৰ ৰাণীৰ পৰা গোৱালপাৰাৰ দুধনৈলৈকে এক সুবিস্তৃত অঞ্চলত বসবাস কৰে। ৰংদানি আৰু মায়াতৰি ৰাভাসকলে গোৱালপাৰাৰ দক্ষিণ-পশ্চিম সীমান্তত আৰু মেঘালয়ৰ গাৰো পাহাৰ জিলাত বসবাস কৰে। কোচা ৰাভাসকলে অসমৰ ধুবুৰী আৰু কোক্ৰাঝাৰ জিলা আৰু পশ্চিমবঙ্গৰ জলপাইগুড়ি আৰু কোচবিহাৰ জিলাত বসবাস কৰে। টোটোলা ৰাভাসকলে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে প্ৰধানকৈ দৰং আৰু নলবাৰী জিলাত বসবাস কৰে। দাহুৰি ফৈদৰ ৰাভাসকলে গোৱালপাৰা জিলাৰ যোগীঘোপা, পঞ্চৰত্ন আদি ঠাইত বাস কৰে। সেইদৰে বিটলীয়া ফৈদৰ ৰাভাসকলে গোৱালপাৰা জিলাৰ কিছুমান গাঁৱত বাস কৰে বুলি ৰাজেন ৰাভাই উল্লেখ কৰিছে।[৭]

সাংস্কৃতিকভাৱে ৰাভা জনগোষ্ঠীটোক দুটা ভাগত ভাগ কৰিব পাৰি - (ক) আৰ্যীভূত বা আৰ্য সংস্কৃতিৰ দ্বাৰা অধিকভাৱে প্ৰভাৱান্বিত হোৱা ফৈদ আৰু (খ) অনা-আৰ্যীভূত বা পৰম্পৰাগত সংস্কৃতিক লালন-পালন কৰি অহা ফৈদ। প্ৰথম ভাগটোত পৰে পাতি, দাহৰি, বিটলীয়া, হানা আৰু টোটোলা ফৈদৰ ৰাভাসকল। আনহাতে দ্বিতীয় ভাগটোত পৰে ৰংদানি, মায়তৰি আৰু কোচা ফৈদৰ ৰাভাসকল। পাতি, দাহুৰি, বিটলীয়া হানা আৰু টোটোলা ফৈদৰ ৰাভাসকলে খুব

ওচৰৰ পৰা আৰ্য অসমীয়া ভাষীসকলৰ সংস্পৰ্শলৈ অহাৰ কাৰণে তেওঁলোকৰ ওপৰত আৰ্য সংস্কৃতিৰ প্ৰভাৱ যথেষ্ট। ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীৰ ভাষাত - "The Rabhas sub-groups like pati, Dahari, Cunga,Bitalia, and Totla have very close contact with the neighbouring Assamese speaking population of Assam from the time immemorial and consequently they are highly influenced by these population of the Brahmaputra valley. Thus their social life and social customs are losing original colour. Such changes are very prominent and quite noticeable in their day to day life."[৮] এই গোষ্ঠী কেইটাৰ অধিকাংশই পুৰণি ৰীতি-নীতিৰ পৰা ফালৰি কাটি আহি কিছু পৰিমাণে শিষ্ট ৰীতি-নীতিৰ দ্বাৰা পৰিচালিত হোৱা দেখা যায়। ইয়াত বিশেষ ভাৱে অৰিহণা আগবঢ়াইছে ধৰ্মান্তৰৰ প্ৰক্ৰিয়াই। আৰ্য অসমীয়া ভাষী এই আটাই কেইটা ফৈদেই পুৰণি আদিম জড়বাদী ধৰ্ম পৰিত্যাগ কৰি হিন্দু দৰ্ম গ্ৰহণ কৰিছে। অসমীয়া ভাষী ৰাভাসকলে হিন্দু ধৰ্মীয় আচাৰ-ৰীতি পালন কৰা দেখিয়েই সম্ভৱত গ্ৰীয়াৰ্ছনে এনেদৰে লিখিছিল- "The Rabhas to be a hindu name for the tribe and many men so called are Kacharis."[৯] অসমীয়া ভাষী ৰাভাসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰিলেও পূৰ্বৰ ধৰ্ম-সম্পৰ্কীয় বিশ্বাসকো সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিব পৰা নাই। ফলস্বৰূপে তেওঁলোকৰ ধৰ্মীয় বিশ্বাস পৰম্পৰাগত ৰাভা ধৰ্মীয় বিশ্বাস আৰু হিন্দু ধৰ্মীয় বিশ্বাসৰ সমন্বয়ত গঢ় লোৱা এক মিশ্ৰিত ধৰ্মবিশ্বাস হৈ পৰিছে। অসমীয়া ভাষী ৰাভাসকলৰ ভিতৰত পাতি ৰাভাসকলৰ সংস্কৃতিৰ ক্ষেত্ৰতেই এই পৰিৱৰ্তন বেছিকৈ পৰিলক্ষিত হয়। ৰাজেন ৰাভাৰ মতে ৰাভাৰ উক্ত ফৈদৰ ৰাভাসকলে হিন্দু ধৰ্মৰ প্ৰভাৱত মূল ভাষা-সংস্কৃতি সংৰক্ষণ কৰা ফৈদৰ পৰা ফালৰি কাটি (ফাটি) অহা বাবেই 'ফাটি ৰাভা' বা কালক্ৰমে 'পাতি ৰাভা' নাম পালে। পাতি ৰাভাসকলে ৰাভাৰ পৰম্পৰাগত উৎসৱ-পাৰ্বণবিলাক পালন কৰাৰ লগতে বিন্দু ধৰ্মৰ লগত জড়িত উৎসৱ-পাৰ্বণবিলাকো পালন কৰে। ৰাভাৰ পৰম্পৰাগত খোক্‌চি, লাঙা আদি দেৱ-দেৱীক পূজা কৰাৰ লগতে হিন্দু ধৰ্মৰ লগত জড়িত দুৰ্গা, কালি, বিশ্বকৰ্মা, লক্ষ্মী, মনসা, শিৱ আদি দেৱ-দেৱীক পূজা-অৰ্চনা কৰে। পূজা-অৰ্চনা কৰোঁতে এওঁলোকে হিন্দু ধৰ্মৰ নিয়মেৰে ধূপ-কাঠি, চাকি-বন্তি জ্বলায়, মাহ-প্ৰসাদ, ফল-ফুল, গাখীৰ, চেনী আগবঢ়ায়। অৱশ্যে পূজাবোৰ ব্ৰাহ্মণৰ দ্বাৰা নকৰাই নিজৰ মানুহৰ দ্বাৰা কৰোৱা হয়। আনহাতে লাঙা আদি স্বকীয় দেৱ-দেৱীৰ পূজাত পৰম্পৰাগত ৰীতি-নীতি অনুসৰণ কৰি মদ, পিঠাগুড়ি, গাহৰিৰ ভূ আদি আগবঢ়োৱা হয়।

**অনা-আৰ্যীভূত (মাতৃভাষী) ৰাভাসকলৰ সমাজ আৰু সংস্কৃতি ঃ**

অতীতত ৰাভাসকলৰ সমাজ ব্যৱস্থা মাতৃতান্ত্ৰিক আছিল। তাৰ প্ৰমাণ— ৰাভা সমাজ ব্যৱস্থা এতিয়াও কিছুমান মাহাৰী বা মাতৃ গোটত বিভক্ত।[১০] ৰংদানি, মাইতৰি, কোচা, দাহুৰি আৰু পাতি ৰাভাসকলৰ মাজত এই মাহাৰী প্ৰথাৰ প্ৰচলন আছে। অৱশ্যে বিটলীয়া, হানা আৰু টোটলাসকলৰ মাজত এই মাহাৰী প্ৰথাৰ প্ৰচলন পোৱা নাযায়। সম্ভৱত এওঁলোকৰ মাজৰ পৰা এই প্ৰথা লোপ পাইছে।

ৰংদানিসকলৰ মাজত প্ৰচলিত বাৰায় বা মাহাৰীবোৰ হ'ল[১১] — (১) পাম, (২) ৰুংদুং (৩) টেংটং (৪) খাণ্ডা (কান্ত্ৰাং), (৫) চিৰা, (৬)হাদু, (৭) চুৰ্চং, (৮) ৰাদুং, (৯) ৰংখো, (১০)ফেনাং, (১১) লেম, (১২) মেজেং, (১৩) হালক, (১৪) নিবাৰী, (১৫) দাবাং (হাচাং), (১৬)ছাৰাং, (১৭)তৰাং, (১৮) বাক্‌ছো, (১৯) ছুংদুং (চুন্দুক), (২০)জুৰো, (২১) বাগুৰা, (২২) বাঙ্গো, (২৩)দিল, (২৪) দেকা, (২৫)হাটো, (২৬)বাৰ্চুং, (২৭) তাৰা, (২৮) তয়া, (২৯) ৰহিফ, (৩০)ৰংতাক, (৩১)ৰংকাথেপ, ( ৩২) হাকাছাক, (৩৩) নাবাজি, (৩৪)দিপ্‌কা, (৩৫) জিৰা, ( ৩৬) তিছুলি, (৩৭) দয়নাং, (৩৮) চুচ্‌ৰে, (৩৯) ৰায়ফো, (৪০) উনি, (৪১) কামা, (৪২) চাংথো, (৪৩)হাকাছাং, (৪৪) মোইজি, (৪৫) কাৰা, (৪৬) চাপাৰ, (৪৭)দাপাৰ, (৪৮) মজা, (৪৯) হাইফাং, (৫০)লাংছা, (৫১) দালো, (৫২) হালো, (৫৩) নোকমান, (৫৪)নাং, (৫৫) দুলুং, (৫৬) হুৰি, (৫৭) ছৰু, (৫৮)ওৱানাং, (৫৯) ৰাংছাম, (৬০) চাগুাল, (৬১)চেৰেঙা, (৬২) নালং, (৬৩) মাতা, (৬৪) দৰনৈ, (৬৫) পামানাং, (৬৬) পামফ্লাক, (৬৭)ছোংদাম, (৬৮) নাছান, (৬৯)ৰাইদা, (৭০)তাৰাং, (৭১) গায়নাং, (৭২) ওক্‌চি, (৭৩) হাৰো, (৭৪) হাটোক, (৭৫)নুকছেৰ, (৭৬) ৰোংদুক, (৭৭)সন্তোক, (৭৮) গাছিচং আৰু (৭৯)পান।

মাইতৰি ৰাভাসকলৰ মাজত প্ৰচলিত বাৰায় বা মাহাৰীবোৰ হ'ল[১২] —(১) পাম, (২) ৰুংদুং, (৩)চিৰা (চিংৰা),

(৪)হাদু, (৫) চুৰ্চুং, (৬) ৰায়দুং, (৭) ফেনাম, (৮) লেম, (৯) ৰংখো, (১০)দাবাং, (১১) তাৰাং, (১২) বাক্ছো, (১৩) চন্তোক, (১৪) জুৰো, (১৫) বাণ্ঠো, (১৬) বাগু, (১৭) দেকা (দিকা), (১৮) হাটো, (১৯)বাৰ্চুং, (২০) তাৰা, (২১) তয়া (২২) দায়নাং, (২৩)ৰায়ফো, (২৪)কাম্বা (কামা), (২৫) চিকছান, (২৬)হাকাছাম, (২৭) নোকছেৰ, (২৮) মাজাৰ, (২৯) ওক্চি, (৩০)চেৰেঙা, (৩১) নুকছেৰ, (৩২) গায়নাং (৩৩) নাছান, (৩৪) পান, (৩৫) পামফ্লাক, (৩৬) নালং, (৩৭)ঘাইদা, (৩৮)হাটোক, (৩৯) হালো, (৪০)ছোংদাম, (৪১) গাছিচিং, (৪২) হাদু, (৪৩) নাব্রা, (৪৪) মাতা, (৪৫) কেংতং (৪৬) মেজেঙা, (৪৭)ছামানাং, (৪৮) ববং, (৪৯) হাৰো আৰু (৫০) ছামফ্লাক।

পশ্চিমবঙ্গৰ নিউ জলপাইগুৰি আৰু কোচবিহাৰ জিলা আৰু অসমৰ ধুবুৰী আৰু কোক্ৰাঝাৰ জিলাত বসবাস কৰা কোচা ৰাভাসকলৰ হু'ছু'ক বা বাৰায়বোৰ হ'ল[১৩]—

(১) উনি ঃ (ক) উনি বামুন, (খ) উনি চিতাম, (গ) উনি চাণ্ডাল, (ঘ) উনি লাবাং, (ঙ) উনি প্ৰান, (চ) উনি চিদাং-ব'ৰ'ই

(২) কাৰা ঃ (ক) কাৰা চৌমবুৰি, (খ) কাৰা টেব্লেট, (গ)কাৰা বৌদাল, (ঘ)কাৰা লেপা, (ঙ) কাৰা মান্ত্ৰেক, (চ) কাৰা পুলুং, (ছ) কাৰা চিন্দাল

(৩) কান্ত্ৰাং ঃ (ক) কান্ত্ৰাং হাদাম, (খ) কান্ত্ৰাং মৌন্দু, (গ) কান্ত্ৰাং ভোগ, (ঘ)কান্ত্ৰাং হুছুক

(৪) পঞ্চিবক ঃ (ক) পঞ্চিবক গণ্ডক, (খ)পঞ্চিবক মাৰ্গাম

(৫)কামা ঃ (ক) কামা ৰাছানজি, (খ) কামা মোচাট, (গ) কামা চিকাম, (ঘ)কামা ৰাবা

(৬) মৌজি ঃ (ক) মৌজি প্ৰান, (খ)মৌজি ব'ব'ৰ, (গ) মৌজি কাৰা, (ঘ)মৌজি তোপ, (ঙ) মৌজি দোং, (চ) মৌজি ভ্ৰছাম্পাৰ, (ছ) মৌজি ছুছুক,(জ) মৌজি তৌবুক, (ঝ) মৌজি বন্দুল, (ঞ)মৌজি ত্ৰেপাল, (ট)মৌজি ভোগ

(৭) বান্দা ঃ (ক) বান্দা জাকাই, (খ) বান্দা দাহাৰি, (গ) বান্দা ছাগ, (ঘ) বান্দা ছুছুক, (ঙ) বান্দা মান্ত্ৰেগ, (চ) বান্দা ভোগ, (ছ) বান্দা বাণ্ঠাও, (ঝ)বান্দা বাহ, (ঞ) বান্দা বান্দ, (ট )বান্দা কুমাৰ , (ঠ) বান্দা চালে, (ড) বান্দা নোক, (ঢ)বান্দা ছাহাম, (ণ)বান্দা উনবাৰ

(৮) নক্ৰা (নৰা) ঃ (ক) নক্ৰা গুণ্ডক, (খ) নক্ ৰা-চিকা-তাংব্ৰা, (গ) নক্ৰা- হুতুং

(৯) চাপাৰ, (১০) দাপাৰ, (১১) দাৰবত, (১২) দৰ্পা, (১৩) ৰংগাক, (১৪) নমান (নকমান), (১৫) লক-বক, (১৬) মৰ্জা, (১৭) মুগিনাং, (১৮) ছুৰ্জিনাং, (১৯) হাইফাং, (২০) চোলেং, (২১)ছৌম্বুৰ, (২২)লাংছা, (২৩)চিন-চেট্, (২৪)লেম, (২৫)মেজেং, (২৬) না, (২৭) টাঙ্গই, (২৮) কেনছাম, (২৯) দাং-দাং, (৩০)টাৰাক, (৩১) মুকাৰ্জি, (৩২) দুদোই, (৩৩) চাম্পেট, (৩৪) ক্লাং- চেট্, (৩৫) হুৰি, (৩৬) লাবং, (৩৭) দলং-ছা, (৩৮)চিং-লাং, (৩৯) পাৰাম-দাম, (৪০) চৌন্দু, (৪১) ছৰু, (৪২) চান্দল, (৪৩) দালো, (৪৪) পুমুৰি (পাম), (৪৫)ৰাক-ছেম, (৪৬)লম্বৰ, (৪৭) বা-নাং (ওৰানাং), (৪৮) নালাং-ছা, (৪৯) দুলুঙা, (৫০) লাই-ছোং, (৫১)ৰোহাৰ, (৫২) লৌমবুৰ্ক, (৫৩) নালং, (৫৪) স্বাম-দাই, (৫৫) দ্লাং,(৫৬)দলেং, (৫৭) ৰং-কো, (৫৮)ৰং-দো, (৫৯) ৰাং-ছাম, (৬০) চোং-লানি, (৬১) লম্বোক, (৬২) বাক-চৌকুল, (৬৩) টাবু, (৬৪) লুং-চুং, (৬৫)ছুমুৰি, (৬৬) বাণ্ঠাও, (৬৭) ৰাজকুমাৰ, (৬৮) লাংছা-কুমাৰ, (৬৯) ৰং-দাম, (৭০) হাৰদক, (৭১) দুৰঙা, (৭২)হেং-ছাৰাং, (৭৩) কেস্বাপ, (৭৪)মৌছি-থাং, (৭৫) দাল্পা, (৭৬) না-প্ৰান, (৭৭) দৰবহুছু-নানাকুটি, (৭৮) ৰোং-দোম, (৭৯) নেগেনাং, (৮০) লাৰং, (৮১) চিন-চেট, (৮২)মোচি-টক, (৮৩) নোগোৰা

ৰাভা সমাজত এই বাৰায় বা মাহাৰী প্ৰথাৰ এক বিশেষ ভূমিকা আছে। ৰাভাসকলে সম্পত্তিৰ উত্তৰাধিকাৰ সম্পৰ্কত পিতৃতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ ৰীতি মতে চলিলেও বাৰায় বা মাহাৰীৰ ক্ষেত্ৰত মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ৰীতি মানি চলে।[১৪] অৰ্থাৎ সন্তানে তেওঁলোকৰ বাৰায় বা হু'ছ'ক বা মাহাৰী পিতৃৰ পৰা লাভ নকৰে, মাতৃৰ পৰাহে লাভ কৰে। পিতৃৰ বাৰায় পাম আৰু মাতৃৰ বাৰায় হাকাচাম হ'লে সন্তানে নিয়ম মতে হাকাচাম বাৰায়হে লাভ কৰে। আনহাতে একে বাৰায় বা হু'ছু'কৰ মাজত বিয়া-বাৰু নিষিদ্ধ।

ৰাভাসকলৰ সমাজ ব্যৱস্থা চাৰিটা স্তৰত বিভক্ত—(ক) গাঁও, (খ) মণ্ডল , (গ) জামাত আৰু (ঘ) সন্মিলন।

কেইখনমান গাঁও লগ লাগি একো একোটা মণ্ডল গঠিত হয়। সেইদৰে তিনিটা বা ততোধিক মণ্ডলৰ সমষ্টিৰে একোটা জামাত আৰু কেইটামান জামাতৰ সমষ্টিৰে একো একোটা সন্মিলন গঠিত হয়।[১৫]

ৰাভাসকলৰ প্ৰধান জাতীয় উৎসৱ হৈছে বায়খো। জেঠ মাহত অনুষ্ঠিত এই উৎসৱত এহাতে অটব্য হাবিৰ অস্থায়ী বেদীত গুৰু-গম্ভীৰ পৰিবেশত পবিত্ৰ পূজা-পাতলৰ অনুষ্ঠান পালন কৰা হয়; আনহাতে দেউৰীৰ চোতালত ৰাতি ডেকা-গাভৰুৰ অবাধ মিলনেৰে, যৌন ধৰ্মী নাচ-গানেৰে উৎসৱ থলী উত্তাল কৰি তোলা হয়। তদুপৰি ৰাভাসকলে বিভিন্ন সময়ত বিভিন্ন দেৱ-দেৱী, যেনে—হাছং, লাঙা, ৰিছি, কাঁচা খাইতী, বীৰা, ঝাকুৰা দেও আদিৰ পূজা সমূহীয়া ভাৱে অনুষ্ঠিত কৰে।

ৰাভাসকলৰ নিজা বিবাহ ৰীতি আছে। ৰংদানি, মাইতৰি আৰু কোচা ৰাভাসকলৰ মাজত সাধাৰণতে মোমায়েকৰ জীয়েককে (বিষম গোত্ৰীয়) বিয়াত প্ৰাধান্য দিয়া হয়। সমগোত্ৰীয় বিবাহ ৰাভাসকলৰ মাজত নিষিদ্ধ। ৰাভা বিবাহ পদ্ধতিটোক চাৰিটা শ্ৰেণীত ভাগ কৰিব পাৰি। যেনে—

**(ক) ভৰি চিংকায় বা সামাজিক বিবাহ ঃ** এই বিবাহ ৰীতি মতে ল'ৰা-ছোৱালী উভয়ে বিবাহৰ বাবে উপযুক্ত বয়সীয়া হ'লে ল'ৰাৰ মাক-বাপেকে ছোৱালীৰ অভি ভাৱকৰ ওচৰলৈ গৈ তেওঁলোকৰ প্ৰস্তাৱ আগবঢ়ায়। ছোৱালীৰ অভিভাৱকে এই প্ৰস্তাৱত সন্মত হ'লে সামাজিক ভাৱে ল'ৰা-ছোৱালী হালৰ বিয়া পাতি দিয়ে।

**(খ) নোক ধাংকায় ঃ** ৰাভাসকলৰ জাতীয় উৎসৱ বায়খোত ল'ৰা-ছোৱালী উভয়ৰে মন মিলিলে, ছোৱালীয়ে ল'ৰাৰ ঘৰত প্ৰৱেশ কৰে। তেতিয়া সমাজে তেওঁলোকৰ সম্পৰ্কক স্বীকৃতি দিয়ে।

**(গ) জাঙই ধাংকায় ঃ** এই পদ্ধতি মতে বিবাহ হ'লে বিয়াৰ পিছত ল'ৰাই ছোৱালীৰ ঘৰত থাকিব লাগে।

**(ঘ) ক্ৰাংছিবাৰী বা বিধবা বিবাহ ঃ** ৰাভাসকলৰ মাজত বিধবা বিবাহৰ প্ৰচলন আছে। সাধাৰণতে বিধবা বৌৱেকে দেওৰেকৰ লগত বিয়া হয়; কিন্তু তেওঁ বৰজনাকৰ লগত বিয়া হ'ব নোৱাৰে।

লোক-সঙ্গীত আৰু লোক-নৃত্যৰ ক্ষেত্ৰত ৰাভাসকল যথেষ্ট চহকী। বায়খো উৎসৱৰ লগত জৰিত হৈমাৰু আৰু ছাথাৰ গীত-নৃত্য, ফাৰকান্তি বা শ্ৰাদ্ধ ক্ৰিয়াৰ লগত জৰিত গীত-নৃত্য, হামজাৰ বা ঝুম খেতিৰ লগত জৰিত গীত-নৃত্য, নিচুকনি গীত, বাং বাং বা গৰখীয়াৰ নৃত্য-গীত আৰু বেলাড শ্ৰেণীৰ বহুতো লোকগীত ৰাভাসকলৰ মাজত পৰম্পৰাগতভাৱে চলি আহিছে।

**আৰ্যীভূত ৰাভাসকলৰ সমাজ আৰু সংস্কৃতি ঃ**

ৰাভাৰ ৰংদানি, মাইতৰি আৰু কোচা ফৈদৰ বাহিৰে বাকী পাঁচটা ফৈদৰ মাজত ৰাভা ভাষাৰ প্ৰচলন নাই। অসমীয়া ভাষাৰ এক বিশেষ ৰূপেৰে অৰ্থাৎ নৃগোষ্ঠীয় উপভাষাৰে এওঁলোকে দৈনন্দিন জীৱনত ভাৱৰ আদান-প্ৰদান কৰে। এই গোষ্ঠীকেইটাৰ অধিকাংশই পুৰণি ৰীতি-নীতিৰ পৰা ফালৰি কাটি আহি কিছু পৰিমাণে শিষ্ট ৰীতি-নীতিৰ দ্বাৰা পৰিচালিত হোৱা দেখা যায়। ইয়াত বিশেষভাৱে অৰিহণা যোগাইছে ধৰ্মান্তৰৰ প্ৰক্ৰিয়াই। আৰ্যভাষী এই আটাইকেইটা ফৈদেই পুৰণি আদিম জড়বাদী ধৰ্ম পৰিত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰিছে। আৰ্য ভাষী ৰাভাসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰিলেও পূৰ্বৰ ধৰ্ম সম্পৰ্কীয় বিশ্বাসকো পৰিত্যাগ কৰিব পৰা নাই। ফলস্বৰূপে তেওঁলোকৰ ধৰ্মীয় বিশ্বাস ৰাভা ধৰ্মীয় বিশ্বাস আৰু হিন্দু ধৰ্মীয় বিশ্বাসৰ সমন্বয়ত গঢ় লোৱা এক মিশ্ৰিত ধৰ্ম-বিশ্বাস হৈ পৰিছে।[১৬] আৰ্যভাষী ৰাভাসকলৰ ভিতৰত পাতি ৰাভাসকলৰ সংস্কৃতিৰ ক্ষেত্ৰতেই এই পৰিবৰ্তন বেছিকৈ পৰিলক্ষিত হয়। ৰাজেন ৰাভাৰ মতে ৰাভাৰ উক্ত ফৈদৰ লোকসকলে হিন্দু ধৰ্মৰ প্ৰভাৱত মূল ভাষা-সংস্কৃতি সংৰক্ষণ কৰা ফৈদৰ পৰা ফালৰি কাটি (ফাটি) অহা বাবেই 'ফাটি ৰাভা' বা কালক্ৰমে 'পাতি ৰাভা' নাম পালে।[১৭]

পাতি ৰাভাসকলে ৰাভাৰ পৰম্পৰাগত উৎসৱ-পাৰ্বণবিলাক পালন কৰাৰ লগতে হিন্দু ধৰ্মৰ লগত জৰিত উৎসৱ-পাৰ্বণ কিছুমানো পালন কৰে। ৰাভাৰ পৰম্পৰাগত খোক্চি, লাঙা আদি দেৱ-দেৱীক পূজা কৰাৰ লগতে হিন্দু ধৰ্মৰ লগত জৰিত দুৰ্গা, কালি, বিশ্বকৰ্মা, লক্ষ্মী, মনসা, শিৱ আদি দেৱ-দেৱীক পূজা-অৰ্চনা কৰে। পূজা-অৰ্চনা কৰোঁতে এওঁলোকে হিন্দু ধৰ্মৰ নিয়মেৰে ধূপ-কাঠি, চাকি-বন্তি জ্বলায়; মাহ-প্ৰসাদ, ফল-ফুল,গাখীৰ-চেনী-মৌ আদি আগবঢ়ায়। অৱশ্যে পূজাবোৰ ব্ৰাহ্মণৰ দ্বাৰা নকৰাই নিজৰ মানুহৰ দ্বাৰা কৰোৱা হয়।

পাতি ৰাভাসকলে ৰাভা জাতিৰ প্ৰধান উপাস্য দেৱী খোক্‌চিক পূজা কৰাৰ উপৰিও ঘৰ-গোসাঁনী নামৰ এগৰাকী দেৱীক পূজা কৰে। ডাংঘৰ বা মূল ঘৰৰ পূব ফালে ঘট স্থাপন কৰি গৃহস্থৰ কোনো মাঙ্গলিক কাৰ্য অনুষ্ঠিত হ'লে অথবা তিথি-পাৰ্বণ আদিত ঘৰ-গোসাঁনীৰ পূজা কৰে। ৰাভাসকলৰ মাজত প্ৰচলিত জনশ্ৰুতি মতে ঘৰ-গোসাঁনী থানেহৰী নামৰ বুঢ়ী এগৰাকীৰ জীয়েক আৰু শিৱৰ স্ত্ৰী। গঙ্গা আৰু দুৰ্গাই জোৰকৈ শিৱক ঘৰ-গোসাঁনীৰ কাযৰ পৰা আঁতৰাই নিওঁতে শিৱই হেনো ঘৰ-গোসাঁনীক এইবুলি আশীৰ্বাদ দিছিল-

*"পাঁচ পুত্ৰ খাব পূজা খেতি পথাৰে।*
*তই ঘৰণী পূজা খাবি ঘৰৰ ভিতৰে।।"*

তেতিয়াৰ পৰাই তেওঁৰ পাঁচ পুত্ৰই খেতি পথাৰত আৰু ঘৰ-গোসাঁনীয়ে ঘৰে ঘৰে পূজা খাই ফুৰে বুলি জনসাধাৰণে বিশ্বাস কৰি আহিছে।[১৮]

পাতি ৰাভাসকলে মহা ধুম ধামেৰে মাৰে পূজা পালন কৰে। এই পূজা অতীততে সাত দিন সাত ৰাতিলৈকে চলিছিল। "*সামাজিক দৃষ্টিৰ পৰিবৰ্তন আৰু অৰ্থনৈতিক দুৰ্বলতাৰ কাৰণে এই পূজাৰ কাল ক্ৰমশঃ চমুৱাই তিনি দিন তিনি ৰাতিলৈ অনা হ'ল আৰু সম্প্ৰতি পৰিস্থিতি সাপেক্ষে এৰাতি-এদিন বা মাত্ৰ এদিনতেই পূজা সমাপ্ত কৰা দেখা যায়।*"[১৮] দীৰ্ঘ দিন কৰা পূজাক **'ভৰ মাৰে'**, এদিন-এৰাতি কৰা পূজাক **'ফুল মাৰে'** আৰু এদিনতেই সমাপ্ত কৰা পূজাক **'একবেলিয়া মাৰে'** বা **'জাগাৰ দিয়া মাৰে'** বোলে। মাৰে পূজাত প্ৰধানকৈ পাতি ৰাভাসকলৰ অধিষ্ঠাত্ৰী দেৱী বৰ্মানী বা বিষহৰিক পূজা কৰা হয়। বৰ্মানী বা বিষহৰি মনসা দেৱীৰেই অন্য ৰূপ। মাৰে পূজাত বৰ্মানী বা বিষহৰিৰ লগতে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী আৰু ধনৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী দেৱীৰ পূজা কৰা হয়। কুঁহিলাৰে প্ৰস্তুত কৰি উলিওৱা 'মজু'ৰ উপস্থাপন মাৰে পূজাৰ অন্যতম বৈশিষ্ট্য। মজু মালেয়া নামৰ শিল্পীয়ে প্ৰস্তুত কৰি উলিয়ায়। পূজাৰ গুৰুত্বলৈ মজুৰ আকাৰ সৰু-ডাঙৰ হ'ব পাৰে। তাৰ ভিতৰত তিনি বিধ মজু বেছি জনপ্ৰিয়—দুমাৰু মজু, কামানী মজু আৰু পাত মজু। কেতিয়াবা কেতিয়াবা মজুৰ সলনি কিছুমান সৰু ঘূৰণীয়া আকৃতিৰ মজু সাজি পূজা মণ্ডপত ওলমাই ৰখা হয়। ইয়াক টেপাৰী (পেটাৰী) বুলি কোৱা হয়।

মাৰে পূজাৰ লগত ওতঃপ্ৰোতভাৱে জৰিত হৈ আছে মাৰেগীত, ওজাপালি নৃত্য আৰু দেওধনি নৃত্য। "*মাৰে গীতত লোকায়ত চৰিত্ৰ অতি প্ৰকট। ঘাইকৈ পাতি ৰাভা গোষ্ঠীৰ লোকৰ হাতত ৰক্ষিত এই পৰম্পৰাৰ লগত স্বাভাৱিকভাৱে জনজাতীয় উপাদানযুক্ত হোৱাত ইয়াৰ বৈশিষ্ট্যৰ অতিৰিক্ত মাত্ৰা সংযোজিত হৈছে আৰু সি সামগ্ৰিক ভাৱে অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্যৰ অধ্যয়নত তাৎপৰ্যপূৰ্ণ সমলৰ যোগান ধৰিছে।*"[১৯] গীতসমূহৰ বিষয়-বস্তু সৰ্বজন বিদিত বিষহৰি বা মনসা দেৱীৰ আখ্যান ভাগ। চান্দো সদাগৰ আৰু পদ্মাৱতীৰ বিবাদ, পদ্মাৰ প্ৰতিহিংসাৰ জুইত চান্দোৰ ছয়পুত্ৰৰ লগতে সপ্তম পুত্ৰ লখীন্দাৰৰ মৃত্যু, লখীন্দাৰৰ মৃতদেহ লৈ সতী বেউলাৰ অনিৰ্দিষ্ট যাত্ৰা আৰু বাটত নানা লটি-ঘটি, দেৱপুৰত বেউলাৰ নৃত্য, মহাদেৱৰ দ্বাৰা লখীন্দাৰৰ লগতে চান্দোৰ ছয়পুত্ৰৰ জীৱন দান, তেওঁলোকক লৈ বেউলাৰ স্বামী গৃহলৈ গমন আৰু শেষত চান্দোৰ দ্বাৰা বিষহৰিক পূজা কৰাৰ বৰ্ণনা দিয়া হৈছে। এই কাহিনীৰ মাজে মাজে আমনি লগা দৰ্শকক আমোদ দিবলৈ, বিশেষকৈ ৰাতিৰ সময় ছোৱাত কাহিনী বহিৰ্ভূত কেতবোৰ লৌকিক ভাৱ যুক্ত (প্ৰধানতঃ আদি ৰসাত্মক) গীতৰ পৰিবেশন কৰা হয়। এই কাহিনী বহিৰ্ভূত গীতবোৰক **'ঝুনা গীত'** বোলা হয়।

মাৰে গীতৰ লগে লগে ওজাপালিয়ে নৃত্য পৰিবেশন কৰে। ওজাই গীত আৰম্ভ কৰে আৰু পালিসকলে খুটি তাল বজাই গীতৰ ধুৱা অংশটো দোহাৰে। "*ওজাপালিয়ে পৰিবেশন কৰা নাচসমূহ স্বকীয় ভাৱে নামকৰণ কৰা। যেনে—দীঘ নাচ, পথালি নাচ, দুই পকীয়া নাচ, তিনি পকীয়া নাচ, সাখৈ বেৰণী নাচ, ওজা বুৰণি নাচ, দলি ভঙা নাচ, ঘোঁৰা খাটনি নাচ, শগুন নাচ, নেউল নাচ, চালনি সৰকা নাচ, তেঙল মচৰা নাচ ইত্যাদি।*"[২০]

মাৰে গীতৰ লগত অঙ্গাঙ্গীভাৱে জৰিত আন এটা নৃত্যানুষ্ঠান হ'ল দেওধনি নৃত্য। বামুন-বামুনীৰ নৃত্য, ৰাভা নৃত্য, কছাৰী নৃত্য, গাৰো নৃত্য, যখিনী নৃত্য, লংদেও নৃত্য, চণ্ডী নৃত্য, ঘটেশ্বৰী নৃত্য, কাচাখাইতীৰ নৃত্য, ৰণচণ্ডীৰ নৃত্য, পাৰোৱা দেৱীৰ নৃত্য আদি দেওধনিৰ ওপৰঞ্চি নৃত্য। এই দেওধনিৰ নৃত্যটোত কিছু পৰিমাণে নাটকীয় উপাদান পৰিলক্ষিত

হয়। দ্বিতীয় নিশা দেওধনিয়ে তিনিবাৰ অচেতন হৈ মৃতপ্ৰায় হৈ থাকে। ইয়াকে দঁকত পৰা বোলে। দুৰ্গা দেৱীয়ে গোঁসাইৰ ফুলনিত ফুল ছিঙি অচেতন হৈ পৰি যোৱাৰ গীত ওজাপালিয়ে পৰিবেশন কৰাৰ লগে লগে দেওধনিয়ে দুৰ্গাৰ ভুমিকা লৈ অচেতন হৈ পৰে। এই অৱস্থাটোক 'ফুল দঁক' বোলে। মহাদেৱে ফুলনিত প্ৰৱেশ কৰি দুৰ্গা দেৱীক জগোৱাৰ গীত পৰিবেশন কৰাৰ লগে লগে দেওধনিয়ে উঠি বহে। তাৰপাছত ওজাই যেতিয়া পদ্মা দেৱীয়ে সৰ্পৰ ৰূপ ধাৰণ কৰি দুৰ্গাক দংশন কৰি মাৰি পেলোৱাৰ গীত পৰিবেশন কৰে, তেতিয়া দেওধনিয়ে আকৌ দঁকত পৰে। ইয়াক 'দুৰ্গা দঁক' বুলি কোৱা হয়। তেতিয়া ওজাই বহি মন্ত্ৰ গাই বিষ নমাই দুৰ্গা দেৱীক জীয়াই তোলে। এই প্ৰক্ৰিয়াটোক 'দঁক তোলা' বোলা হয়। সমুদ্ৰ মন্থন কৰোতে বিষ উৎপন্ন হয়। তেতিয়া সেই বিষ পান কৰি মহাদেৱে মাজ সাগৰতে অচেতন হৈ পৰি থকা অৱস্থাক যেতিয়া ওজাপালিয়ে গীতেৰে পৰিবেশন কৰে, তেতিয়াও দেওধনিয়ে দঁকত পৰে। এই অৱস্থাক 'গোসাঁই দঁক' বুলি কোৱা হয়। শেষৰ দিনাখনো দেওধনিয়ে দুবাৰ দঁকত পৰে। বিবাহ-থলীত পদ্মা দেৱীয়ে যেতিয়া মায়া সৰ্প দেখুৱায়, তেতিয়া লখীন্দাৰ অচেতন হৈ পৰে। এই গীত ওজাপালিয়ে পৰিবেশন কৰাৰ লগে লগে দেওধনিয়ে দঁকত পৰে। ইয়াক 'ছায়া দঁক' বুলি কোৱা হয। তেতিয়া বেউলাই নিজৰ অঙ্গ কাটি পদ্মাক পূজা দি নিজৰ স্বামীক জীয়াই তোলাৰ গীত পৰিবেশন কৰাৰ লগে লগে এই দঁকৰ অন্ত পৰে। তাৰ পাছৰ দঁকটোক 'ভৰ দঁক' বা 'লখাই দঁক' বোলা হয়। মেৰ ঘৰৰ ভিতৰত লখীন্দাৰক সৰ্প দংশন কৰাৰ গীত ওজাপালিয়ে পৰিবেশন কৰাৰ লগে লগে দেওধনিয়ে শেষৰটো দঁকত পৰে। গতিকে দেখা গ'ল যে দেওধনিয়ে বহু ক্ষেত্ৰত অভিনয়ৰ অংশও পূৰণ কৰে। সেয়েহে ইয়াক অৰ্দ্ধ নাটকীয় লোক-নাট্যানুষ্ঠান বুলিও ক'ব পৰা যায়।

লাঙা দেও পাতি ৰাভাসকলৰ দ্বাৰা পূজিত অন্যতম মুখ্য দেৱতা। গাঁৱৰ পৰা কিছু দূৰত একোটা শিলাখণ্ডক প্ৰতীক স্বৰূপে লৈ লাঙা দেওৰ পূজা কৰা হয়। কথিত আছে যে শিৱই হেনো নাঙঠ হৈ পূজা খাই ফুৰিছিল কাৰণেই তেওঁক লাঙা দেও বোলা হয়।

যখ-যখিনীত বিশ্বাস পাতি ৰাভাসকলৰ লোক-সংস্কৃতিৰ অন্যতম বৈশিষ্ট্য। তেওঁলোকৰ মতে যখ-যখিনী হ'ল ব্যৱহাৰ নকৰা পুৰণি নাদত বা শেওৰা গছত বাস কৰা এহাল অপদেৱতা। সাধাৰণতে সৰু ল'ৰা-ছোৱালীকহে যখ-যখিনীয়ে লম্ভে বুলি জনবিশ্বাস প্ৰচলিত হৈ আহিছে। এনে ক্ষেত্ৰত যখ-যখিনীৰ পূজা নকৰিলে ৰোগ আৰোগ্য নহয়। পূজাৰ উপকৰণখিনি ভঙা জাকৈ এখনত ৰাখি শেওৰা গছৰ তলত ওলমাই ৰাখিলে ৰোগ আৰোগ্য হয় বুলি বিশ্বাস।

পাতি ৰাভাসকলে বিশ্বাস কৰা আন এক অপ দেৱতা হৈছে বীৰা। লোক-বিশ্বাস মতে আত্মঘাতী হৈ মৰা মানুহৰ আত্মাই প্ৰেতাত্মা ৰূপে পৃথিৱীত ৰৈ যায় আৰু সিহঁতেই বীৰালৈ ৰূপান্তৰিত হয়। বীৰা সকলো ৰূপতে ৰূপায়িত হ'ব পাৰে আৰু মানুহক প্ৰৱঞ্চিত কৰে। বীৰাক মানুহে পুহিবও পাৰে। বীৰা পোহা মানুহে বীৰাৰ দ্বাৰা অইন মানুহৰ অপকাৰ কৰিব পাৰে বুলি লোক-বিশ্বাস প্ৰচলিত আছে। পাতি ৰাভাসকলে উপৰি উক্ত দেৱ-দেৱীৰ উপৰিও কাঁচাখাইতী, পাঁচখেতৰ, কালখেতৰ, চামেন আদি দেৱ-দেৱী, অপদেৱতাৰ পূজা কৰে।

পাতি ৰাভাসকলৰ মাজত বাৰটা মাহাৰী আছে। যেনে-চুং, চিনাল, নদো, নাফা, দিয়া, দগম, কচু, দাৰু, ফাঠৌ, ৰং ৰং, মগৰ আৰু নগমা।[২১] ৰাজেন ৰাভাৰ মতে এই বাৰটা মাহাৰীৰ নামবোৰ হ'ল— চুৰ্চুং, পাম, বাকছো, তাৰা, নিব্ৰাই, হাটো, ৰুংদুং, জুৰো, চিৰা, খাণ্ডা, ৰংখো আৰু ফেনাং।[২২]

পাতি ৰাভাসকল মৌখিক সাহিত্যত অতি চহকী। মাৰে গীত, বগেজাৰী বা বহুৰঙী গীত, পাৰ বাঁহ নৃত্যৰ গীত আদিয়ে পাতি ৰাভাসকলৰ মৌখিক সাহিত্যৰ চানেকি দাঙি ধৰে।[২৩] আনহাতে এই লোকগীতৰ লগত সংগত কৰা বাদ্যযন্ত্ৰবোৰ হ'ল—টঙা বনৰ পৰা প্ৰস্তুত কৰা বুবুৰেঙা, গমেনা (গগনা), থৰ্কা (টকা), তুৰুলিয়া বাঁহী, দীঘল পেটী ঢোল ইত্যাদি।

পাতি ৰাভাসকলৰ খাদ্য প্ৰণালী অসমৰ অন্যান্য আৰ্যমূলীয় জনগোষ্ঠীৰ তুলনাত কিছু সুকীয়া। অৱশ্যে এনেকুৱা খাদ্য প্ৰণালী ৰাভাকে ধৰি অসমৰ প্ৰায়ভাগ মঙ্গোলীয় মূলৰ জনজাতীয় লোকৰ মাজতে পৰিলক্ষিত হয়। তেওঁলোকৰ প্ৰধান আহাৰ ভাত যদিও তাৰ লগত পৰিবেশন কৰা ব্যঞ্জনসমুহ আৰ্য হিন্দু সমাজৰ পৰা কিছু পৃথক। তেওঁলোকে অধিকাংশ শাক-পাচলি হাবিৰ পৰাই সংগ্ৰহ কৰে। সচৰাচৰ ব্যৱহাৰ কৰা শাক-পাচলিৰ উপৰিও তেওঁলোকে বনত হোৱা মেস্তা টেঙা

(টেঙামৰা), পাছ্‌লা (কল পচলা), বাঁহ গাজৰ পৰা তৈয়াৰ কৰা ঝিম টেঙা (খৰিচা), তিতামৰা শুকুৱাই প্ৰস্তুত কৰা শুক্‌তা (শোকোতা) ইত্যাদি খায়। তেওঁলোকৰ প্ৰিয় আঞ্জা হ'ল খাৰ দি প্ৰস্তুত কৰা পিঠাগুৰিৰ ব্যঞ্জন (পিঠালি)। তেওঁলোকে সচৰাচৰ মাছ-কাছবোৰৰ উপৰিও শামুক, কেকোঁৰা, কুচিয়া মাছ আদিও খায়। তেওঁলোকে শুকান মাছ গুৰি কৰি শুকান বাঁহৰ চুঙাত সঞ্চয় কৰি ৰাখে। ইয়াক 'সিন্দল' বা 'ছিদল' বোলে। অন্যান্য জনজাতীয় সমাজৰ দৰে পাতি ৰাভা সমাজতো তামোল-পাণ আৰু মদৰ বহুল প্ৰচলন আছে। পাতি ৰাভাৰ মহিলাসকলে বুকুলৈকে নিসীয়া মেখেলা (পাতানি) আৰু গাত ফুলাম আংচা (চাঁদৰ) পৰিধান কৰে। পুৰুষ সকলে আঠুমূৰীয়া বা আঠু চেৰা ৰং-বিৰঙৰ গামছা (চুৰিয়া) পিন্ধে।

পাতি ৰাভাসকলৰ মাজত প্ৰচলিত বিবাহ প্ৰথাবোৰক তলত দিয়া ধৰণে শ্ৰেণী বিভাগ কৰিব পাৰি[২৪]—

(১) দৰা আৰু কইনাৰ অভিভাৱকৰ সন্মতিত সামাজিক ভাবে হোৱা বিবাহ

(২) সাজা বিয়া (জাক জমক ভাৱে পতা আধুনিক বিয়া)

(৩) ঘৰজাই বিয়া (ঘৰ জোঁৱাই ৰখা বিয়া)

(৪) ধূপ-চাউল বিয়া

(৫) ছোৱালীৰ অসন্মতি সত্বেও জোৰ-পূৰ্বক ভাৱে পলুৱাই নি পতা আসুৰিক বিবাহ

অতীজতে পাতি ৰাভা সমাজৰ বিবাহ প্ৰথা অতি ব্যয়-বহুল আছিল। মদ, গাহৰি, কুকুৰা আদিৰ ব্যৱহাৰ আছিল বাধ্যতামূলক।

দৰং আৰু নলবাৰীত বাস কৰা টোটলা ৰাভা সকলে ব'হাগ বিহু পালন কৰাৰ উপৰিও সেই দিনাই গোসাঁনী পূজা কৰি হাঁহ, পাৰ, ছাগলী, কুকুৰা আদি বলি দিয়ে। ৰাভাসকলৰ অন্যান্য ফৈদৰ দৰে টোটলা ৰাভাসকলৰ মাজত জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰ আদিত অগাধ বিশ্বাস। টোটলা ৰাভাসকলৰ বিবাহ পদ্ধতিত স্বকীয় বৈশিষ্ট্য কিছুমান দেখিবলৈ পোৱা যায়। "*অতীততে তেওঁলোকে মনৰ পছন্দ মতে ছোৱালী ধৰি আনি বা পলুৱাই আনি বিয়া কৰাইছিল। এই ক্ষেত্ৰত কইনা জনীৰ কোনো মত-অভিমত লোৱা নহৈছিল।*"[২৫] টোটলা ৰাভাসকলৰ বিবাহ উৎসৱত বাৰুৱা আৰু বাৰুৱানী নামৰ দুটা চৰিত্ৰৰ ভুমিকা মন কৰিব লগীয়া। তেওঁলোকেই মূল ভুমিকা লৈ বিবাহ অনুষ্ঠানখন পৰিচালনা কৰাৰ উপৰিও ৰাইজৰ মনোৰঞ্জনৰ কাৰণে বিশেষ নৃত্য-গীত পৰিবেশন কৰে। বিবাহ, আদ্য-শ্ৰাদ্ধ আদি সামাজিক অনুষ্ঠানবোৰত মদ আৰু গাহৰি, কুকুৰা আদিৰ মাংসৰ ব্যৱহাৰ ৰাভাৰ অন্যান্য ফৈদৰ দৰেই আছে। টোটলা ৰাভাসকলৰ মাজত আইনাম, ধাইনাম, অন্যান্য পূজা-পাতলত গোৱা গীত, বাম্বোল পিটা গীত, হৰিণ চিকাৰৰ গীত, বহুৰঙী গীত, ভালুক নচুওৱা গীত আদি ভালেমান লোকগীত প্ৰচলিত আছে।[২৬]

দাহুৰি ৰাভাসকলৰ মাজত প্ৰচলিত বিশটা বাৰায় বা মাহাৰী আছে। যেনে—(১) লেম, (২) বাক্‌ছো, (৩) তাৰা, (৪)ৰংখো, (৫) জুৰো, (৬)দয়নাং, (৭) মেজেং (৮)উনি, (৯) কামা, (১০)তৰাং, (১১) কেনছাং (কেনছাম), (১২) বাণ্ঠাও, (১৩) নাব্ৰা, (১৪) মোজা, (১৫) ৰংগাদা, (১৬) জিৰা, (১৭) কাৰা (১৮) নিব্ৰা, (১৯) খাণ্ডা আৰু (২০)বলবং।[২৭] দাহুৰি ৰাভাসকলৰ মাজত এটা সময়ত হয়তো সতী যোৱা প্ৰথা আছিল। এই সম্পৰ্কীয় এলানি গীত এতিয়াও তেওঁলোকৰ মাজত প্ৰচলিত আছে।[২৮] অন্যান্য ৰাভাৰ দৰেই দাহুৰি ৰাভাসকলেও ভূত-প্ৰেতাদি বিশ্বাস কৰে। মদ আৰু মাংসৰ ব্যৱহাৰ এইটো ফৈদতো দেখা যায়। তেওঁলোকে খোক্‌চি দেৱীক পূজা কৰি জুইৰ ওপৰত নাচে আৰু কলপটুৱাৰ ভুৰ উটুৱায়।

**প্ৰসঙ্গসূচী ঃ**

১. এই সম্পৰ্কত E.T.Delton (Descriptive Ethnology of Bengal, 1872, p.87), Ref.S Endle (The Kacharis, 1911,p, 83), L.A Wadel (The Tribes of Brahmaputra Vally, J.A.S.B, vol- LXIV, Pt. lll, p.65), A. Playfair (the Garos, 1909, p.19), J.E FriendPereira ( The Rabhas in Census of Assam,1011,Vol III Pt I.p-142), E.A.Gait (History of Assam), E.T. Grierson ( Linguistis Survey of India, Vol. III. Pt. II p. 105) আদিৰ অভিমত বিশেষভাৱে উল্লেখযোগ্য।

২. Census of India, 1991, Special Table on SC & ST.
৩. Playfair, Major A : The Garos, 1909, p.19
৪. Assam District Gazatte , Vol.III. Pt. 1 p. 142
৫. The Rabhas in Census of Assam, 1911, Vol-III, Pt. i, p. 142
৬. The Rabhas, p.3
৭. উক্ত গ্ৰন্থ, p.71
৮. Goswami S.N: প্ৰাগুক্ত গ্ৰন্থ p.22
৯. E.T. Grierson, LSI, Vol. III. Pt. II p. 105
১০.Census of India,1991—Special Table on S.C. & S.T.
১১. Playfair, Major A: **The garos**, 1909, p. 19
১২. **Assam district Gazetter**, vol-iii, p. 50
১৩.**The Rabhas in Census of Assam**, 1911, vol-iii, pt-1, p. 142
১৪.Rabha, Rajen :প্ৰাগুক্ত গ্ৰন্থ, p. 3
১৫.Rabha, Rajen : প্ৰাগুক্ত গ্ৰন্থ, p. 71
১৬. *"They want to embrace hinduism, but at the same time are keen not to give up the old rites totally. They are not sure which religion is the best suited to them. In such a state of confusion, they have been practicising rites of both hinduism and their traditional religion side by side.They have accepted Hindu elements no doubt, but there is also a tendency to maintain their traditional practice."*— Rabha, Rajen, প্ৰাগুক্ত গ্ৰন্থ,p. 25
১৭. Rabha, Rajen : প্ৰাগুক্ত গ্ৰন্থ, p. 25
১৮. ৰাভা,বীৰেণ ঃ **মাৰৈ গীত আৰু ৰাভা সমাজ**,১৯৯৬,পৃ. ৭-১১
১৯. ৰাভা, প্ৰণেশ্বৰ ঃ **মায়াৰন্তী বিষহৰি**,১৯৮৭, পৃ. .০১
২০. দত্ত, বীৰেন্দ্ৰনাথ ঃ আগকথা, **মায়াৰন্তী বিষহৰি** (প্ৰাণেশ্বৰ ৰাভা), ১৯৮৭
২১. ৰাভা, প্ৰাণেশ্বৰ ঃ প্ৰাগুক্ত গ্ৰন্থ,পৃ. .১১
২২. সৰকাৰ, হৰিমোহন ঃ ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থ, দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজ,১৯৮৬
২৩. প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭২
২৪. দ্ৰষ্টব্যঃ এই গ্ৰন্থৰ অনুচ্ছেদ ৮.২০—৮.২১.৬
২৫.Rabha, Rajen :প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৩১-১৪৬
২৬. ৰাভা, লোহিত ঃ **বাস্কা অঞ্চলৰ ৰাভাসকলৰ সামাজিক লোকাচাৰ**, (প্ৰবন্ধ), ৰাংকাৰাং, নিখিল ৰাভা সাহিত্য সভাৰ সপ্ত বিংশতিতম বাৰ্ষিক অধিবেশন, তামুলপুৰ, ২০০১, পৃ. ১৭
২৭.Rabha, Rajen :প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭৩
২৮.Rabha, Rajen :প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭৩

*****

● লেখক ঃ এগৰাকী গৱেষক, সাহিত্যিক, দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ।

# টাই আহোমৰ ভাষা-সংস্কৃতি আৰু পৰম্পৰাৰ এক চমু অৱলোকন

**বিমল ৰাজখোৱা**

এই বিচিত্ৰ পৃথিৱীখনৰ বিচিত্ৰ জীৱন ধাৰণ, বিচিত্ৰ সংস্কৃতি-সভ্যতাৰ ভাষা-ভাষী লোকে বসবাস কৰাৰ লগতে যুগে যুগে ইয়াৰ পৰিৱৰ্তনকামী চিন্তাধাৰাই মানুহৰ কৰ্মদক্ষতা আৰু চিন্তা-চেতনাক অধিক নতুনত্ব প্ৰদান কৰি আহিছে। নিত্য-নতুন চিন্তাধাৰাৰ ফলস্বৰূপে সাহিত্য-সংস্কৃতি ক্ষেত্ৰখনলৈ নতুন উন্মেষ ঘটিছে আৰু এই উন্মেষৰ ফচলো জনসাধাৰণে ভোগ কৰি আহিছে। অৱশ্যে ইয়াৰ ফলত বহুতো সভ্যতা-সংস্কৃতি বিলোপ ঘটিলেও কিন্তু কিছু কিছু সংস্কৃতিৱান জনগোষ্ঠীৰ সংস্কৃতিৰ পথাৰখন অতিমাত্ৰাই সাৰুৱা হৈ বিবিধ ফচল আহৰণ কৰিবলৈ সক্ষম হৈ ইয়াৰ বংশবিস্তাৰৰ সুযোগ লাভ নকৰাকৈ থকা নাই। আকৌ কোনোবা জনগোষ্ঠীৰ ভাষা-সংস্কৃতিসমূহ আনকি সেই জনগোষ্ঠীটোৰ বাবেও এলাগী হৈ ব্যৱহাৰিক অৰ্থত তাৰ প্ৰয়োগ নাইকীয়া হৈ মাথোন পূজা-পাৰ্বণ, মন্ত্ৰ-পাঠতে সীমাৱদ্ধ হৈ মৃতপ্ৰায় অৱস্থা হৈছে। যেনে সংস্কৃত ভাষা। সেইদৰে টাই আহোমসকলৰ ভাষাও কালক্ৰমত নাইকীয়া হৈ মাত্ৰ এচাম পুৰোহিত লোকৰ মাজতে সীমাৱদ্ধ হৈ ৰৈছে। ইয়াৰ মূলতে হ'ল ৰাজ অনুগ্ৰহ বিহীনতা, অন্যান্য প্ৰচলিত ভাষাৰ আগ্ৰাসন। ইয়াৰোপৰি সমাজ বিৱৰ্তন আৰু ক্ৰমবৰ্দ্ধমান পৰিৱৰ্তনৰ সৈতে খাপখোৱাব নোৱাৰাৰ হেতু ভাষা এটাৰ মৃতপ্ৰায় অৱস্থা হয়। আহোম ভাষাৰ ক্ষেত্ৰত বিশেষকৈ কৃৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ বুৰঞ্জী দাহৰ ফলত টাইভাষাত লিখা বুৰঞ্জীসমূহৰ লগতে অন্যান্য পুথিসমূহো ৰক্ষণাবেক্ষণৰ বাবে দেওধাই, পুৰোহিতসকলে লুকুৱাই ৰখাত সৰ্বসাধাৰণ আহোমৰ বাবে ভাষাটোও দুষ্প্ৰাপ্য হৈ পৰিল। ফলত দেওধাই-বাইলুং-মহন পুৰোহিতৰ পূজাৰ মন্ত্ৰ পাঠৰ বাদে কথিত ৰূপত ভাষাটোৰ অস্তিত্ব বিলোপ ঘটিল। অৱশেষত যেনিবা ভাষাটোৰ অস্তিত্ব বচোৱাৰ স্বাৰ্থতে কিছুসংখ্যক গৱেষক পণ্ডিতে বুৰঞ্জীসমূহ অধ্যয়নৰ বাবে আক্ষৰিক অৰ্থত ব্যৱহাৰ কৰিবলৈ লোৱাত পুনৰ লিখিত ৰূপত আত্মপ্ৰকাশ ঘটিছে। যেনেকৈ মধ্যযুগৰ ধ্যান-ধাৰণাৰে উদ্বুদ্ধ সংস্কৃত পণ্ডিত শ্ৰেণীয়ে সংস্কৃত ভাষাটোক দেৱভাষা আখ্যা দি অন্যান্য সাধাৰণ শ্ৰেণী লোকৰ ব্যৱহাৰৰ বাবে নহয় বুলি ভাষাটোৰ বিকাশত বাধা প্ৰদান কৰিছিল। সেয়ে সংস্কৃত ভাষাটো আজি এটা মৃত ভাষালৈ ৰূপান্তৰ ঘটিল।

এই প্ৰৱন্ধত মাত্ৰ অসমত বাস কৰা আহোমসকলৰ ভাষা-সংস্কৃতি-পৰম্পৰাৰ ওপৰতহে পৰ্যালোচনা কৰাৰ লগতে আহোম ৰাজত্বকালৰ বিভিন্ন ঘৰুৱা শিল্প উদ্যোগৰ বিকাশৰ সম্পৰ্কত এটি চমু অৱলোকন আৰু আহোমসকলৰ জাতীয় পোচাক-পৰিচ্ছদ আদিৰ এটি মূল্যায়নৰ আভাস দিবলৈ প্ৰয়াস কৰা হৈছে।

১২২৮ খ্ৰীষ্টাব্দত টাই ৰাজকোঁৱৰ চ্যাওলুং চ্যুকাফাৰ নেতৃত্বত টাই লোকসকল বৰ্তমান ভাৰতৰ পূবপ্ৰান্তত অৰ্থাৎ পুৰণি সৌমাৰ খণ্ডত প্ৰৱেশ কৰেহি। আগৰ সেই সৌমাৰ খণ্ড বৰ্তমান লক্ষীমপুৰ, শিৱসাগৰ, গোলাঘাট, চৰাইদেউ, তিনিচুকীয়া, যোৰহাট আৰু মাজুলী জিলাকেই বুজায়। টাইজাতীয় আহোমসকলৰ ৰাজত্বৰ পূৰ্বে এই খণ্ডত বৰাহী, মৰাণ,

মটক, চুতীয়াসকলৰ ৰাজত্ব আছিল। স্বৰ্গদেউ চ্যুকাফাই সৌমাৰখণ্ড সম্পূৰ্ণ অধিকাৰ কৰাৰ পিছত সেইসকল তেওঁৰ প্ৰজাৰূপে স্বীকৃত হয়। স্বৰ্গদেউ চ্যুকাফা এজন অতি বিচক্ষণ ৰাজনীতিক আছিল। তেওঁ দেশ জয় কৰাত যেনে পাৰ্গত শাসন কাৰ্যতো তেনে পাৰ্গত ৰজা আছিল। ৰাজশাসনৰ সুবিধাৰ্থে তেওঁ অসাধাৰণভাৱে স্বাৰ্থ ত্যাগ কৰিব পাৰিছিল। আহোমসকলে সৌমাৰত ৰাজত্ব কৰিবলৈ অহাৰ সময়ত সিবিলাকৰ লোকৰ সংখ্যা প্ৰজাতকৈও অধিক কম আছিল। সেয়েহে ৰাজকাৰ্যত প্ৰজাৰ ভাষা ব্যৱহাৰ কৰিবলৈ ধৰিলে। মাত্ৰ বুৰঞ্জী আৰু ধৰ্মপুথিসমূহতহে আহোম ভাষা প্ৰচলন হৈ থাকিল। কালক্ৰমত আহোম ভাষা প্ৰচলন নোহোৱাত ৰজা-প্ৰজা সকলোৰে বাবে ভাষাটো এলাগী হৈ পৰিল। প্ৰকৃতাৰ্থত আহোমসকল আছিল এক উচ্চস্তৰীয় সাংস্কৃতিক পৰম্পৰাৰ অধিকাৰী আৰু দুৰ্জেয় সাহসী জাতি। সেয়েহে সাতৰাজ সামৰি এক ৰাজ কৰি আহোমসকলে অসমত ছশটা বছৰ ধৰি শ্ৰম, ঘাম আৰু বুকুৰ তেজৰ বিনিময়ত সীমান্ত সুৰক্ষিত কৰি বৃহত্তৰ অসমীয়া জাতিৰ অৰ্থনীতি, সমাজ আৰু সংস্কৃতিৰ ভেটি সুদৃঢ় কৰিলে। সেই সময়ছোৱাতে অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ নিজা নিজা সংস্কৃতিৰ বিকাশৰ বাবে ৰজাঘৰে-প্ৰজাঘৰে সকলো স্তৰতে সুযোগ লাভ কৰিছিল আৰু নাৰী-পুৰুষ উভয়ে সমভাৱে উপাৰ্জনত অংশগ্ৰহণ কৰিব পাৰিছিল। ফলত দেশৰ অৰ্থনৈতিক উন্নয়নতো ইয়াৰ প্ৰভাৱ পৰিছিল। কৃষি তথা অন্যান্য কাম-কাজতো পুৰুষ-তিৰোতাই সমানে আগভাগ লৈছিল। বোধহয় মাটি বোকা কৰি কঠিয়া ৰোপন কৰা ব্যৱস্থাটো প্ৰথমে আহোমসকলৰ দিনৰপৰাই আৰম্ভ হৈছিল। তাৰ আগতে খৰালি কালত শুকান খেতি-মাটি চহ কৰি কঠিয়া ছটিয়াই ধান খেতি কৰা ব্যৱস্থা আছিল। আহোমসকলৰ পৃষ্ঠপোষকতাতে অসমৰ স্থাপত্য শিল্প, চাৰুকলা, অসমীয়া ভাষা-সংস্কৃতি বিকশিত হৈ অসমীয়া জাতিয়ে এক সু-সভ্য জাতি হিচাপে পৰিগণিত হৈছিল। মুঠ কথাত আহোম যুগকে অসমৰ ভাষা-সংস্কৃতি, শিল্পকলাৰ বিকাশৰ এক সোণালী যুগ বুলিব পাৰি।

আহোমসকলৰ সাজ-পাৰ, পোছাক-পৰিচ্ছদ, আ-অলংকাৰ বৰ চকুত লগা বিধৰ আছিল। প্ৰাচীনকালত আহোম টাই পুৰুষসকলে পটলুং. ছাপ্কন, মূৰফাচৌ বা ফাহুপাগুৰী, চুটি ছাপ্কন জাতীয় চোলা (জেকেট) পৰিধান কৰিছিল। হিন্দুধৰ্ম গ্ৰহণ কৰাৰ পিছত চুৰিয়া, গামোচা, পাঞ্জাৰী আদি পৰিধান কৰিবলৈ লয়। আহোম যুগতে অসমত বস্ত্ৰশিল্পৰ উদ্যোগ গঢ় লৈ উঠিছিল। উৎপাদিত সামগ্ৰীসমূহ অতি উন্নত মানদণ্ডৰ আছিল। মহিলাসকলে কপাহী, মুগা, এড়ী আৰু পাটৰ মেখেলা-চাদৰ পিন্ধিছিল। এইসমূহক বিবিধ নামেৰে নামকৰণ কৰা হয় যেনে -- গুণাকটা মেখেলা, বুটাবছা মেখেলা, কাচিপৰ বনকৰা মেখেলা, নৰা মেখেলা, কিংখাপৰ মেখেলা ইত্যাদি। ৰিহা আহোমৰ তিৰোতসকলে পৰিধান কৰা এবিধ পৰম্পৰাগত বস্ত্ৰ। ইয়াৰ ভিতৰত কেচবচা ৰিহা, আঁচুৰলীয়া ৰিহা, বৰৈ লগা ৰিহা, দহিঅলিয়া ৰিহা, গুণাকটা ৰিহা ইত্যাদি। চেলেং চাদৰো আহোমসকলৰ এক আপুৰুগীয়া বস্ত্ৰ। এই চেলেঙৰো বিবিধ নামেৰে নামকৰণ কৰা হৈছে যেনে -- উকা চেলেং, আঁচুদিয়া, ফুলবছা, ভৰিয়ালি, মুগা গুটি দিয়া, সোণ সূতাৰে চাপমৰা চেলেং ইত্যাদি। ইয়াৰ উপৰিও পুৰুষ-তিৰোতাই উভয়ে পৰিধান কৰা এড়ীচাদৰ। গামোচাৰ ভিতৰত ফুলবছা গামোচা, পানীগামোচা, কঁকাল বন্ধা বা টঙালিয়েই প্ৰধান পৰিহিত বস্ত্ৰ। আহোম তিৰোতাই পাটপলু, এড়িমুগা, পালন কৰি সূতা কটা, তাঁতবোৱা নিত্য-নৈমিত্তিক কাম। ৰজাদিনত প্ৰতিগৰাকী তিৰোতাই দিনে দুটাকৈ সূতলাহী জমা দিয়াটো বাধ্যতামূলক আছিল। এইক্ষেত্ৰত ৰজাঘৰ-প্ৰজাঘৰৰ কোনো পাৰ্থক্য নাছিল। গতিকে ই এটা কৰ্মযুগৰ সূচনা কৰিছিল। অৱশ্যে সাজপাৰৰ ক্ষেত্ৰত ৰজা, ৰাজবিষয়া আৰু প্ৰজাৰ ক্ষেত্ৰত কিছু পাৰ্থক্য আছিল। দোলা আছিল এসময়ৰ ৰাজবিষয়া আৰু ৰজাৰ লগতে ৰাজমাও, ৰাইদঙীয়া কুঁৱৰী, পৰ্ব্বতীয়া কুঁৱৰী আদিসকলৰ বিশেষ বাহন। এই দোলাখন মানুহৰদ্বাৰাই কঢ়িয়াই নিয়া হৈছিল। আহোমৰ দিনত বস্ত্ৰশিল্পৰ দৰে স্বৰ্ণশিল্পত উন্নতি হৈছিল। এই যুগৰ সোণাৰীসকলে সোণ-ৰূপেৰে বিভিন্ন আ-অলংকাৰ বনাইছিল। পুৰুষ-তিৰোতা উভয়ে সোণ-ৰূপৰ গহনা পিন্ধিছিল। কাণত কাণবালা, কাণফুল, থুৰীয়া আৰু সোণ-ৰূপৰ কেৰু, জাংফাই কেৰু আৰু শিৰত চিৰিপতি নামৰ তিনিডলীয়া হাৰ পিন্ধিছিল। সোণৰ শিকলিৰে ডিঙিৰপৰা বুকুলৈকে ওলোমাই কণ্ঠহাড় পিন্ধিছিল। গেজেৰা, মাদলি, ডুগ্‌ডুগী, জোনবিৰি, ঢোলবিৰি, বেনা আদি বিভিন্ন নামেৰে গহনাবোৰৰ নামকৰণ কৰিছিল। অৱশ্যে পিছৰ যুগত এইবিলাক ক্ৰমান্বয়ে লোপ পাই আহিছে। বৰ্তমানে বজাৰৰ বিভিন্ন প্ৰজাতিৰ আ-অলংকাৰ, সাজ-পাৰে জনগোষ্ঠীটোৰ দেহ আৱৰি ধৰিছে। সময়ৰ লগত সকলো জনগোষ্ঠীয়ে অৱশ্যে পিন্ধন-উৰণ, পোছাক-পৰিচ্ছদ বিশ্বৰ বিভিন্ন সংস্কৃতিৰ

গৰাহত পোত গৈ আধুনিক ৰূপসজ্জাৰে নিজক সজাই তোলা পৰিলক্ষিত হৈছে। পৰিৱৰ্তিত সমাজ ব্যৱস্থাত আহোম জনগোষ্ঠীটোৱেও পৰিৱৰ্তনৰ অংশীদাৰীত্ব পালন কৰিছে। কাৰণ যুগধৰ্মৰ অনুসৰি মানুহৰ ভাষা-সংস্কৃতি সকলোবোৰ পৰিৱৰ্তন হ'বলৈ বাধ্য হয়। আমি সকলোৱে সময়ৰ দাস। ই চিৰ সত্য।

অসমৰ চিত্ৰ-ভাস্কৰ্যত উৰণীয়া সিংহ এটা জনপ্ৰিয় প্ৰতীক। আহোমৰ দিনৰ দৌল-দেৱালয়সমূহত এই প্ৰতীক বিদ্যমান। এই উৰণীয়া সিংহ আহোমসকলৰ ৰাজপ্ৰতীক। স্বৰ্গদেউসকলৰ সিংহাসনত এই উৰণীয়া সিংহৰ প্ৰতীক ব্যৱহাৰ কৰিছিল। আহোমসকলৰ ধৰ্মীয় ক্ষেত্ৰতো এই প্ৰতীক ব্যৱহাৰ হৈছিল। টাই আহোম ভাষাত ইয়াক ঙ্যাওছেং, বংফ্ৰা ফ্ৰী, ঙ্যাও ছেং বংফ্ৰা, ঙিঙ্যাও খাম্, ঙ্যাও ছেং পুত খ্ৰিং ফ্ৰা আদি বিভিন্ন নামেৰে নামকৰণ কৰা হৈছে। বহু পণ্ডিতে ইয়াক আহোমৰ চুমদেউ বা চুম্ ফ্ৰা ৰুম্ বুলি ভাবে। টাই আহোমৰ ধৰ্মীয় পৰম্পৰাত এই প্ৰতীক হ'ল শক্তিৰ প্ৰতীক। ইয়াৰ অৰ্থ হ'ল -- সিংহ, সৰ্প,অশ্ব, পক্ষী আৰু কচ্ছপৰ। ই সৰ্পৰ দৰে পানীত বেগাই গতি কৰিব পাৰে। অশ্বৰ দৰে বেগাই দৌৰিব পাৰে। পক্ষীৰ দৰে উৰিব পাৰে। কাছৰ দৰে জল-স্থলে সমানে ভ্ৰমণ কৰিব পাৰে। সেয়ে আজিও আহোমসকলে ফ্ৰালুং বিধি অনুসৰি টাইভাষাৰ মন্ত্ৰ পাঠেৰে পূজা-পাৰ্বণ আদি অনুষ্ঠিত কৰে। পূৰ্বৰ দৰে বৰ্তমানে কিছুসংখ্যক আহোমলোকে মৃতকৰ সৎকাৰ কৰোঁতে মৈদাম দিয়া পদ্ধতি অক্ষুণ্ণ ৰাখিছে। যদিওবা সৰহসংখ্যক আহোমলোকে হিন্দু আৰু বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পিছত কাঠ সংস্কাৰৰ পদ্ধতিয়ে মৃতকৰ অন্ত্যেষ্টিক্ৰিয়া সমাপন কৰিবলৈ লৈছে।

আহোম স্বৰ্গদেউসকলৰ সুদীৰ্ঘ ছশবছৰ ৰাজত্বকালত ধৰ্মীয় বিশ্বাস আৰু নিজস্ব ধ্যান-ধাৰণাৰ ওপৰত ভিত্তি কৰি ভালেমান উৎসৱ অনুষ্ঠিত কৰিছিল। তেনে ধৰ্মীয় অনুষ্ঠান, পূজা-পাৰ্বণসমূহৰ ভিতৰত ওম্‌ফ্ৰা, মে-ডাম-মে-ফ্ৰী, ডামপূজা, ফ্ৰালুং, ৰিক্‌খন আৰু জাছিংফ্ৰা পূজাই প্ৰধান। ওম্‌ফ্ৰা পূজাত তিনিখন দেউশাল স্থাপন কৰে, যেনে -- বৰদেওশাল, হিন্দুদেওশাল আৰু হাবি দেওশাল স্থাপন কৰি বিভিন্ন জনগোষ্ঠীসমূহৰ দেৱ-দেৱীৰ পূজা কৰা কাৰ্যই সমন্বয়ৰ বান্ধোন মজবুত কৰাকে বুজায়। আহোমসকলে মে-ডাম-মে-ফ্ৰী পূজাৰ জৰিয়তে তেওঁলোকৰ পূৰ্বপুৰুষসকলক শ্ৰদ্ধা নিবেদন কৰে। এই পূজা বৰ্তমানে চৰকাৰীভাৱেও অনুষ্ঠিত কৰা দেখা গৈছে। কিছু-কিছু লোকে হিন্দু ধৰ্মৰ ৰীতি-নীতিৰে নাম-প্ৰসংগ কৰি উপৰিপুৰুষলৈ নৈবেদ্য আগবঢ়ায়। ফ্ৰালুং পূজা হৈছে এটা উচ্চ আধ্যাত্মিক সাধনাৰ অনুষ্ঠান। ইয়াৰ যোগেদি পৰমপিতা পৰমব্ৰহ্মৰ অস্তিত্বক উপলব্ধি কৰা হয়। ইয়াৰোপৰি বৈষ্ণৱপন্থা কেৱলীয়া, সুদভোগীয়া, মলাজপীয়া, ৰাতিসেৱা, নিগুৰ্ণীয়া, সংঘৰীয়া আদি বিভিন্ন পন্থাৰে ধৰ্মীয় উপাসনা কৰে। ৰিক্‌খন পূজাৰ যোগেদি আয়ুস তোলা হয়। ই এক মাংগলিক উপাসনা পদ্ধতি। ধ্যান-বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী জাছিংফাক (সৰস্বতী) আহোমসকলে পূজা কৰি আহিছে। হিন্দু ধৰ্মৰ উপাসনা পদ্ধতি আহোমসকলে অনুকৰণ কৰে স্বৰ্গদেউ ছুডাংফা বা বামুনীকোঁৱৰৰ দিনত। সেইজনা ৰজাৰ দিনতে আহোম ৰজাৰ উপাসনাস্থলীত চোমদেউৰ লগতে হিন্দু শালগ্ৰামো স্থাপন কৰে। ইয়াৰ পিছত স্বৰ্গদেউ শিৱসিংহৰ দিনত বৰৰজা ফুলেশ্বৰী কুঁৱৰীৰ নিৰ্দেশত হিন্দুৰ মঠ-মন্দিৰ, দৌল-দেৱালয় নিৰ্মাণ কৰা হয়। স্বৰ্গদেউ জয়ধ্বজ সিংহই বৈষ্ণৱৰ সংস্পৰ্শলৈ অহাত আহোমসকলৰ ধৰ্মীয় কাৰ্যত নামঘৰ, সত্ৰসমূহো ব্যৱহাৰ হ'বলৈ ধৰে। সত্ৰীয়া গোঁসাইত শৰণ লৈ সত্ৰীয়া সংস্কৃতিৰ সৈতে একাত্ম হৈ পৰিল। তাৰোপৰি বৰ্তমানে শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ নীতি অনুসৰি নাম-ধৰ্মত দীক্ষিত হৈ একশকৰণ বৈষ্ণৱ ধৰ্মও গ্ৰহণ কৰিবলৈ লৈছে। আহোমসকলে অসমৰ সৰ্বজনস্বীকৃত অসমীয়া ভাষাৰ লগতে অন্যান্য ভাষাসমূহকো বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগাই এক অসমীয়া জাতিগঠনৰ প্ৰক্ৰিয়াক শক্তিশালী কৰাৰ স্বাৰ্থত নিজকে আত্মনিয়োগ কৰি আহিছে। আহোমসকলে সাধাৰণতে স্বভাৱগতভাৱে অসমৰ অন্যান্য জনগোষ্ঠীসমূহৰ সৈতে সমিল-মিলেৰে থাকিবলৈ বিচাৰে। নিজ ধৰ্ম-অন্য ধৰ্মৰ বাদ-বিচাৰে আহোমসকলৰ অন্তৰত প্ৰভাৱ পেলাব পৰা নাই।

টাই আহোমসকলে আদিৰে পৰা অসমৰ তিনিটা বিহু উৎসৱ মহা সমাৰোহে পালন কৰি আহিছে। আনহে নেলাগে বিহু উৎসৱে ৰাজ অনুগ্ৰহ লাভ কৰি এসময়ত মুকলি পথাৰ, নদীপাৰত থকা বিহুটো ৰাজকাৰেঙত স্থান দিয়া ব্যৱস্থা কৰিলে। আহোম ৰজা-প্ৰজা আটাইয়ে বিহু উৎসৱত আনন্দত আত্মহাৰা হৈ সগৌৰৱে উদ্‌যাপন কৰি এক অসমীয়া বৃহৎ জাতীয় সংস্কৃতিক গঢ় দিয়া গতিক তৰান্বিত কৰি আহিছে। আহোম স্বৰ্গদেউসকলো অতি বিচক্ষণ আৰু উদাৰচিতীয়া আছিল। সেয়েহে টাই জনগোষ্ঠীসমূহৰ সগোষ্ঠীয় ভাষা টাই ভাষা বাদ দি অসমৰ থলুৱা ভাষাকে ৰাজকাৰ্যত ব্যৱহাৰ কৰি

প্ৰজাৰ সৈতে একাত্মবোধৰ পৰিচয় দাঙি ধৰিছিল যদিও পূজা-পাৰ্বণ আৰু বিবাহ কাৰ্যত আহোম পূজাৰ পদ্ধতিয়ে পালন কৰিছিল। আহোমসকলে এতিয়াও 'চকলং' পদ্ধতিৰে এশ এগছ চাকি জ্বলাই বিবাহ কাৰ্য সমাপন কৰে। দেওধাই পণ্ডিতে টাই মন্ত্ৰ পাঠেৰে দৰা-কন্যাক আশীৰ্বাদ প্ৰদান কৰি আহিছে। আহোমৰ তিনিজন পূজাৰী যেনে -- মহুং, চাংবুন, মপ্লাং (মহন, দেউধাই, বাইলুং) এইসকলক এতিয়াও আহোমসকলে পূজাৰ মূল পুৰোহিত ৰূপে গণ্য কৰে। তদুপৰি ভাৰতবৰ্ষত নৱ-বৈষ্ণৱ আন্দোলনৰ ফলশ্ৰুতিত অসমতো মহাপুৰুষ শংকৰদেৱৰ আৱিৰ্ভাৱ হোৱাৰ ফলত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ বাঢ়ি অহাত আহোমসকলেও বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰে। ইয়াৰ ফলত প্ৰতিখন আহোম গাঁৱতে নামঘৰৰ ব্যৱস্থাও হয়। এই নামঘৰসমূহেই এতিয়া আহোমসকলৰ উপাসনা স্থলী। অৱশ্যে নামঘৰসমূহে অসমৰ বৃহৎ অসমীয়া জাতিগঠনত উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে।

আহোম ৰাজত্বৰ দিনতে অন্যান্য দিশৰ লগতে কাঁহ-পিতলৰ শিল্প আৰু মৃৎশিল্পৰ অগ্ৰগতি মনকৰিবলগীয়া। কাঁহৰ বান-কাঁহী, বান-বাটি, লোটা, বৰকাঁহী, বৰবাটি আহোমসকলৰ আপুৰুগীয়া সম্পদ। পিতলৰ কলহ, পিতলৰ লোটা, পিতলৰ চৰিয়া, পিতলৰ টৌ আদি আহোমসকলৰ দৈনিক ব্যৱহাৰ্য সামগ্ৰী। মিৰজোম্লাৰ আক্ৰমণৰ সময়ত কিছুমান পাঠান সৈন্যই অসমত থাকি যোৱাত আহোম ৰজাৰ প্ৰজাৰূপে গণ্য কৰি ৰজাই তেওঁলোকক হাতী ৰখীয়া কামত নিয়োগ কৰে। শেষত সেই কামৰ বাবে অযোগ্য বিবেচনা কৰি পিতলৰ বাচন-বৰ্তন নিৰ্মাণৰ কামত সেইসকলক লগায়। সেইসকল এতিয়াও মৰিয়া জনগোষ্ঠীৰূপে অসমত খ্যাত হৈ আছে। সেইদৰে অন্যান্য জনগোষ্ঠীয় কাঁহ শিল্পৰ সৈতে জড়িত লোকসকলক কঁহাৰ, মাটি-পাত্ৰ বনোৱাসকলক কুমাৰ আৰু দা-কুঠাৰ, কটাৰী, তৰোৱাল, হেংদাং আদি বনোৱাসকল কমাৰ নামেৰে অলংকৃত হৈছিল। দৌল-দেৱালয়, শিলৰ সাঁকো আদি নিৰ্মাণ কৰাসকলক খনিকৰ বুলিছিল। চিত্ৰকলাত মনোনিৱেশ কৰাসকলক চিত্ৰকৰ বুলি কৈছিল।এইদৰে আহোমৰ দিনত ভাগে ভাগে লোকক কৰ্মসংস্থাপন কৰিছিল। অৰ্থাৎ সকলো দিশতে ৰজা-প্ৰজা, ৰাজবিষয়া একাকাৰ হৈ দেশৰ উন্নতিৰ বাবে কাম কৰিছিল।

আহোমসকলৰ সম্বোধনসূচক এটা পৰম্পৰা চলি আহিছে যিটো অসমৰ অন্যান্য জনগোষ্ঠীসমূহত দেখা নাযায়। তেওঁলোকৰ বংশ-পৰম্পৰা অনুসৰি ডাঙৰ পৰিয়ালৰ লোকক ডাঙৰ হিচাপে সম্বোধন কৰিব লাগে। যেনে -- বৰদেউতাকৰ পুতেক বা জীয়েকক দদাইদেউকৰ পুতেক বা জীয়েকহঁতে বয়সত সৰু হ'লেও ককাইদেউ বা বাইদেউ বুলি সম্বোধন ধৰে। সেইদৰে বাপেকৰ ককায়েকক নিছাদেউ বা নিছা বুলি কয় আৰু বাপেক-মাকৰ ভায়েকহঁতক দদাইদেউ আৰু মোমাইদেউ বুলি কয়। মাক-বাপেকৰ মাক-দেউতাকক যথাক্ৰমে এনাইদেউ-পুথাদেউ বা এনাই পুথাও বুলি কয়। দেউতাক আৰু মাকক পিতাদেউ আৰু আই বুলি কয়। ইয়াৰোপৰি দেউৰাকক গগৈদেউ, গোহাঁইদেউ আদি সম্বোধনেৰে মাতে। সম্বোধন শব্দবোৰৰ পিছত সাধাৰণতে 'দেউ' উপসৰ্গ ব্যৱহাৰ কৰে। যিদৰে অসমৰ চুতীয়া জনগোষ্ঠীৰ লোকসকলে 'টি' উপসৰ্গ ব্যৱহাৰ কৰি দাইটি, খুড়ীটি, ককাইটি, বাপুটি ব্যৱহাৰ কৰি সম্বোধনসূচক শব্দবোৰ প্ৰয়োগ কৰে। অৱশ্যে আজিকালি এইবিলাক সম্বোধনাৰ্থক শব্দ প্ৰায় লুপ্ত হোৱা দেখিবলৈ পোৱা গৈছে। পৰিৱৰ্তিত পৰিস্থিতিত অসমৰ সকলো জনগোষ্ঠীৰ দৰে আহোমসকলৰো সম্বোধনসূচক শব্দবোৰ পাপা-মামী, মা-পাপা, দেড্-মম্ আদিলৈ ৰূপান্তৰ ঘটিছে। পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীসমূহৰ ভাষা-সংস্কৃতি-কৃষ্টি বিকাশ হোৱাৰ পৰিৱৰ্তে ই অৱলুপ্তি দিশতহে ধাৱমান হৈছে। আহোম ভাষা-কৃষ্টি-সংস্কৃতিসমূহো দুষ্কৃতিৰ গৰাহত পৰি নিঃশ্চিহ্ন হোৱা উপক্ৰম হৈছে। এই ক্ষেত্ৰত বিজ্ঞজনক সময় থাকোঁতে ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা ল'বলৈ আবেদন জনাই এই প্ৰৱন্ধ সামৰণি মাৰিলোঁ।

*****

- লেখক ঃ ধেমাজি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা এগৰাকী বিশিষ্ট লেখক, আলোচনী সম্পাদক।

# মেচ জনগোষ্ঠীৰ পৰিচয় আৰু সমাজ-সংস্কৃতিত এভূমুকি

যতীন্দ্ৰনাথ গগৈ

**অৱতৰণিকা ঃ**

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰধান ৰাজ্য অসমৰ প্ৰাচীন নাম আছিল প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ। এই অঞ্চলত বিভিন্ন সময়ত শাসন কৰা ৰজাসকলৰ ভিতৰত প্ৰাচীনতম নামটো মহীৰঙ্গ বা মহীৰঙ্গ দানৱ বুলি বিভিন্ন উৎসৰ পৰা জনা গৈছে। এই সম্পৰ্কে অধ্যয়ন কৰা প্ৰায় সংখ্যক পণ্ডিতে এই ৰজাজনৰ নাম মৈৰাং বুলিহে ক'ব খোজে। ই এটা বড়োমূলীয়া শব্দ।

অনাৰ্যমূলৰ এই ৰজাসকলক দানৱ, অসুৰ, ম্লেছ আদি উপাধিবাচক শব্দৰে পৰিচয় দিয়া হৈছিল। যথা হটকাসুৰ, সম্বৰাসুৰ আদি। এই অসুৰ বা দানৱ বুলি কোৱা ৰজা আৰু প্ৰজা উভকে 'ম্লেছ' বুলিও কোৱা হৈছিল।

ভাৰতবৰ্ষৰ বৈদিক আৰ্যসকলে 'ম্লেছ' শব্দটোৰে প্ৰাগ্জ্যোতিষপুৰৰ 'কিৰাত' সকলকে বুজাইছিল বুলিও ক'ব পাৰি। কাৰণ যিসকলে বৈদিক বা আৰ্যভাষা নাজানিছিল; তেওঁলোকে কোৱা ভাষাটোক নিশ্চয় কোৱা হৈছিল 'ম্লেছ ভাষা'। ঠিক তেনেদৰে মানুহখিনিক কোৱা হৈছিল 'ম্লেছ', দেশখনক কোৱা হৈছিল 'ম্লেছ দেশ'।

**মেচ শব্দৰ উৎপত্তি ঃ**

নৃ-তাত্বিক অধ্যয়নে প্ৰমাণ কৰিছে এই মানুহখিনি মংগোলীয় প্ৰজাতিৰ মানুহ আৰু ভাষাতাত্বিক অধ্যয়নে প্ৰমাণ দাঙি ধৰিছে- এই মানুহখিনিয়ে কোৱা ভাষাটো চীন-তিব্বতীয় বা তিব্বত-চীনীয় ঠালৰ ভাষা।

এসময়ত ম্লেছ শব্দৰ পৰাই 'মেছ' (মেচ) শব্দটো সৃষ্টি হ'ল বুলি সকলোৱে অভিমত প্ৰকাশ কৰে। কিন্তু দুয়োটা শব্দৰ ব্যাৱহাৰিক অৰ্থ বেলেগ ধৰণেৰে প্ৰকাশ কৰা হ'ল। সম্প্ৰতি 'মেচ' শব্দটোৰে কছাৰীৰ এটা গোষ্ঠী বুজোৱাৰ পৰিৱৰ্তে 'ম্লেছ' শব্দই দানৱ, অসুৰ আদিৰ সমাৰ্থক হৈ থাকিল। তাৰোপৰি নীতি-নিয়ম নজনা, অভক্ষ্য ভক্ষক লোক (কুক্কুৰ খায় হেন ম্লেছ গনে) হিচাপে পৰিচিত হৈ থাকিল।

সূৰ্যখড়ি দৈৱজ্ঞৰ 'দৰঙ্গ ৰাজবংশাৱলী'ত 'কোচ' আৰু 'মেচ' শব্দৰ উৎপত্তি সম্পৰ্কে পোৱা যায় যে - 'কালিকা পুৰাণ' বৰ্ণনা অনুসৰি জমদগ্নিৰ পুত্ৰ পৰশুৰামৰ ভয়ত আৰ্যভাষী লোক কিছুমানে প্ৰকৃত পৰিচয় লুকুৱাই ৰাখি স্থানীয় বেশভূষা পিন্ধি স্থানীয় ভাষা কৈ জল্পেশ্বৰত গোপনে আশ্ৰয় লৈ আছিল। স্থানীয় ভাষা আৰু বেশভূষা ব্যৱহাৰ কৰি লুকাই থকাৰ বাবেই পাছলৈ তেওঁলোক 'ম্লেছ' নামেৰে অভিহিত হৈছিল।

ড° বাণীকান্ত কাকতিৰ 'পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা' নামৰ গ্ৰন্থৰ 'বামানাচাৰ সূচনা' নামৰ পাঠটিত একে ধৰণে মত প্ৰকাশ কৰিছে আৰু সেই সময়ত যে শিৱপূজা গোপনে চলিছিল তাৰো ইংগিত দিছে।

শংকৰদেৱে কৈছে -

"যিটো মহা ম্লেছজাতি          সিও শুদ্ধ হোৱে আতি
মুখে মাত্র হৰি নাম লয়।
- ভাগৱত তাৎপৰ্য্য, কীৰ্ত্তন ঘোষা।

কিৰাত কছাৰি          খাচী গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মলুক          ধোবা যে তুৰুক
কুবাচ ম্লেচ্ছ চণ্ডাল।।
- ২য় স্কন্ধ, শ্রীমদ্ভাগৱত।

পঞ্চাশ যে বৰ্ষ ভোগ তাহাৰ হৈবন্ত।
ম্লেছ ৰাজা হুৱা পাছে প্ৰজাক পীড়ন্ত।।
ব্ৰাহ্মণক আদি কৰি আনো সব জাতি।
সবাক সমান কৰিবেক ম্লেছ জাতি।।
- আদি যামাল।

পুৰাণ আৰু মহাকাব্যত ম্লেছ আৰু কিৰাট শব্দৰ সঘন প্ৰয়োগ দেখা যায়। প্ৰাগজ্যোতিষপুৰৰ ৰজা ভগদত্তই কুৰুক্ষেত্ৰ যুদ্ধত অংশগ্ৰহণ কৰিছিল। তেওঁক কোৱা হৈছিল ম্লেছ বা অসুৰসকলৰ শাসক। মহাভাৰতত উল্লেখ থকা অনুসৰি ভগদত্ত ম্লেছ দেশৰ ৰজা, বীৰ আৰু ধাৰ্মিক পুৰুষ— 'প্ৰাগজ্যোতিষাধিপোহ্যসুৰো ম্লেছ নামধিপুবলী', অথচ তেওঁৰ নামৰ পাছত 'অসুৰ' শব্দৰ প্ৰয়োগ নাই; কিন্তু পিতৃৰ নামৰ পাছত অসুৰ (নৰকাসুৰ) শব্দৰ প্ৰয়োগ মনকৰিবলগীয়া।

'উপেন্দ্ৰ চন্দ্ৰ গুহ'ই তেওঁৰ 'কাছাড়ের ইতিবৃত্ত' নামৰ গ্ৰন্থত কৈছে যে - অতি প্ৰাচীন কালত মহীৰাং দানৱ, হটকাসুৰ, সম্বৰাসুৰ প্ৰভৃতি অনাৰ্য্য ৰজাগণে কামৰূপত ৰাজত্ব কৰিছিল। তেওঁলোক কছাৰী অথবা অন্য কোন জাতিৰ আছিল বৰ্তমান নিৰ্ণয় কৰাৰ উপায় নাই। পুৰাণত বৰ্ণিত ম্লেছ, কুবচ আৰু কিৰাটসকল বৰ্তমান মেচ, কোচ আৰু তিপৰা নামে অভিহিত হৈ আছে। কিন্তু কছাৰী জাতি পৌৰাণিক যুগত কি নামেৰে অভিহিত হৈছিল তাক নিশ্চয়কৈ জনা নাযায়।

চিড়নী এণ্ডলেও 'মেচ' শব্দটো সংস্কৃত 'ম্লেছ' শব্দৰ পৰা সৃষ্টি হোৱা বুলি মত দাঙি ধৰিছে। বুৰঞ্জীবিদ এন ভাচুৰ মতেও - মেচ আৰু কিৰাতসকল দানৱ বংশৰ লোক। যাক ম্লেচ বুলি কোৱা হৈছিল। সময়ত তেওঁলোক মেচ ৰূপে পৰিগণিত হ'ল।

কোনো কোনোৱে ক'ব খোজে - যিসকল বড়োমূলীয় লোক নেপালৰ মেচি নৈৰ পাৰত বাস কৰিছিল, তেওঁলোকক ওচৰ চুবুৰীয়া মানুহে মেচে বা মেচ বোলাৰ লগতে কুশী নৈৰ পাৰত বাস কৰা সকলক কোঁচে বা কোঁচ বুলিছিল। সেই ফালৰ পৰাও অসমৰ বাসিন্দা মেচ সকল নেপালৰ পৰা প্ৰবজন কৰা লোক বুলি পাৰি।

সি যি নহওক অসমৰ বাসিন্দা বড়ো, গাৰো, ৰাভা, ডিমাচা, তিৱা বা লালুং, মেচ আদি জনগোষ্ঠীসকল মংগোলীয় গোষ্ঠীৰ লোক, পুৰাণ আৰু মহাকাব্যত বৰ্ণিত কিৰাত বা ম্লেছ। আৰ্যভাষী সকলৰ মতে ম্লেচ শব্দৰ অৰ্থ হ'ল - লেটেৰা, অভক্ষ ভোগী, বৰ্বৰ লোক। পৰৱৰ্তী সময়ত এনে অপবাদৰ পৰা মুক্ত হ'বলৈও বহু ফৈদে নিজৰ ফৈদৰ নাম সলনি কৰাৰো সন্দেহ নথকা নহয়। আনহাতে, যি সকলে সলনি নকৰিলে তেওঁলোক বৰ্তমান মেচ হিচাপে পৰিচিত হৈ আছে। বৰ্তমান ভাৰতবৰ্ষ বা অসমৰ এটি অনুসূচীত জাতি হিচাপে পৰিচিত হৈ আছে।

**মেচসকলৰ ধৰ্ম আৰু সমাজ-সংস্কৃতি ঃ**

পৃথিৱীৰ প্ৰত্যেক জনগোষ্ঠীয়ে স্বকীয় সমাজ পৰিচালনা পদ্ধতি, কৃষ্টি-সংস্কৃতি আৰু ধৰ্মৰ মতে চলে। এই ক্ষেত্ৰত মেচ সকলো ব্যতিক্ৰম নহয়। মেচ সকলৰ নিজস্ব ধৰ্ম, সামাজিক ৰীতি-নীতি আৰু কৃষ্টি-সংস্কৃতি আছে।

**ধৰ্ম ঃ** মেছ সকল বৃহৎ কিৰাত জনগোষ্ঠীৰেই এটা ঠাল। 'যোগিনীতন্ত্ৰ'ত তেওঁলোকৰ ধৰ্মক 'কৈৰাতজ' (সিদ্ধেসি যোগিনী পীঠে ধৰ্মঃ কৈৰাতজঃ মতঃ) ধৰ্ম বুলি উল্লেখ কৰিছে। তেওঁলোকৰ উপাস্য দেৱতা কিৰাত বাথৌ (শিৱ) বুঢ়াদেও বা বুঢ়াডাঙৰীয়া আৰু বাথৌনি (পাৰ্বতী) বা বুঢ়ী ডাঙৰীয়ানী। পৰম্পৰাগত নীতি-নিয়মেৰে তেওঁলোকে বাথৌ বাথৌনিক পূজা কৰে। বৰ্তমান মেচ সকল হিন্দু ধৰ্মালম্বী হ'লেও তেওঁলোকে পুৰণি ৰীতি-নীতিৰে ধৰ্মীয় কামবোৰ সমান্তৰালকৈ চলাই যোৱা দেখা যায়।

ইয়াৰোপৰি তেওঁলোকে আই-পূজা, বাটভেটা-পূজা, মৃতকক দিয়া আদি ধৰ্মীয় অনুষ্ঠান পাতে। কোনো কোনোৱে হাঁহ, পাৰ, ছাগলী বলি দিয়ে, কোনোৱে নাম-কীৰ্ত্তন কৰি প্ৰসাদ, ফুল আদি দি পূজা সমাপন কৰে।

**সামাজিক অনুষ্ঠান ঃ** মেচ সকলৰ মাজত জন্ম, মৃত্যু, বিবাহ আদিক লৈ বিভিন্ন অনুষ্ঠান পতা দেখা যায়। এনে অনুষ্ঠান সমূহ অন্য জনগোষ্ঠীৰ লগত প্ৰায়ে মিল দেখা যায়।

**তোলনী বিয়া বা শান্তি বিয়া ঃ** কন্যা সন্তানে কুমাৰী কাল অতিক্ৰম কৰি প্ৰথম পুষ্পিতা হোৱাৰ উপলক্ষে এই অনুষ্ঠান পাতে। কেৱল মহিলাসকলৰ দ্বাৰাই এই অনুষ্ঠান নীতি-নিয়ম অনুসৰি সমাপন কৰে।

**বৰ বিয়া ঃ** নিয়ম অনুসৰি কোনো এঘৰৰ ল'ৰাৰে কোনো এঘৰৰ ছোৱালী সামাজিক নীতি-নিয়মেৰে উলিয়াই দিয়াকে বৰ বিয়া বোলে। মেচ সকলেও মিতিৰ-কুটুম্ব, বন্ধু-বান্ধৱ আৰু ওচৰ-চুবুৰীয়াই মিলি মহা আনন্দেৰে এই বিয়া পাতে।

**বিধৱা বিবাহ ঃ** মেচ সকলৰ সমাজত বিধবা বিবাহৰ প্ৰচলন আছে। অৱশ্যে এনে বিবাহ কাচিৎহে হোৱা দেখা যায়। সমাজৰ নীতি-নিয়ম উলংঘা নকৰাকৈ দুটা পৰিয়ালৰ মুৰব্বী মিলি বিধৱা মহিলা গৰাকীৰ অনুমতি লৈ এই বিবাহ পতা হয়। তেওঁলোকৰ মাজত বাল্য বিবাহ, যৌতুক প্ৰথা, বহুপত্নী বিবাহ দেখা নাযায়।

**জন্ম সম্পৰ্কীয় ৰীতি-নীতি ঃ** মেচসকলৰ সমাজত সন্তানৰ জন্ম হ'লে নৱজাতকৰ নাড়ী কটা (আজি কালি চিকিৎসালয়ত ডাক্তৰৰ দ্বাৰা হয়), সন্তানৰ বাজ উলিওৱা, জন্ম চুৱা পেলোৱাৰ নিয়ম সমাজৰ হাদুংগ্ৰা বা বামুণে শান্তি-পানী (শান্তিয়নী) দি সমাপন কৰে। এনে শান্তি-পানী মেচ সকলৰ সমাজত উদ্ধাৰ প্ৰায়চিত্ত, জন্ম-মৃত্যু আদিৰ লগতো ব্যৱহাৰ হয়।

**মৃত্যুৰ লগত জড়িত ৰীতি-নীতি ঃ** মেচ সকলৰ সমাজৰ কোনো ব্যক্তিৰ মৃত্যুত সমাজৰ লোকসকলে মিলি মৃতকৰ সদ্‌গতি কামনা কৰাৰ লগতে বাহঁৰ চাঙি (চাংগ্ৰা) সাজি শ্মশানলৈ নিয়া, সৎকাৰ কৰা, তিলনী পতা, দহাৰ দিনা পিণ্ড দিয়া, জ্ঞাতি-কুটুম্ব, বন্ধু-বান্ধৱক জলপান বা ভোজ খোৱাই শ্ৰাদ্ধ শেষ কৰাৰ নিয়ম অন্য সমাজৰ দৰেই দেখা যায়।

**উৎসৱ ঃ** অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে মেচ সকলে প্ৰধান উৎস হিচাপে বিহু উদ্‌যাপন কৰে। কোনো কোনো জনগোষ্ঠীয়ে বিহুক স্বকীয় নামেৰে বৈহু, বৈশাগু, বিচু, বিউ আদি নামেৰে সূচালেও; মেচ সকলে বিহু বুলিয়েই পালন কৰি আহিছে।

মেচ সকল প্ৰধানতঃ কৃষিজীৱি। আনহাতে বিহু সম্পূৰ্ণ কৃষিভিত্তিক লোক-উৎসৱ। তেওঁলোকে কেতিয়াৰ পৰা বিহু উদ্‌যাপন কৰিবলৈ আৰম্ভ কৰিলে তাক কোৱা টান। সম্প্ৰতি তেওঁলোকে অতি ধুমধামেৰে বিহু পালন কৰে।

**কাতিবিহু ঃ** আহিন মাহৰ শেষৰ দিনটোত সমগ্ৰ অসমবাসীয়ে পালন কৰাৰ দৰে মেচ সকলেও এই বিহু পালন কৰে। গৃহস্থই নিজৰ ধাননি পথাৰ, ভড়াল ঘৰ, গোহালি, ঢেঁকীশাল, বাৰী, পদুলিৰ মুখ, কুঁৱাৰ পাৰ, ঘৰৰ মূল থাপনা আদিত চাকি জ্বলায়। ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পাঠ্যপুথিৰ ওচৰত খনিয়া তামোল দি চাকি জ্বলায়। তুলসী গছৰ গুৰিত থাপনা সাজি বন্তি জ্বলোৱা এই বিহুৰ অন্যতম বিশেষত্ব বুলি মেচ সকলে ভাৱে। কোনো কোনোৱে মাহ-প্ৰসাদৰ শৰাইও আগবঢ়াই প্ৰাৰ্থনা গায়। কঙালৰ দিন গৃহস্থই যতসামান্য হ'লেও এমুঠি জলপান যোগাৰ কৰে। মৃতকলৈও নৈবেদ্য আগবঢ়ায়।

**মাঘ বিহু ঃ** মেচ সকলেও পুহ আৰু মাঘ মাহৰ সংক্ৰান্তি দিনা পুৱা মেজি জ্বলায়। মেজিত তামোল-পাণ, পিঠা-পনা আদি দি অগ্নিক সেৱা জনায়। উৰুকা দিনা ওচৰ চুবুৰীয়াৰে মিলি ৰাতি ভোজ-ভাত খায়। গৃহস্থৰ ঘৰত এই সময়ত শস্য, শাক-পাচলি, মাছ-মঙহ, পিঠা-পনা উভৈনদী হৈ থাকে। সেয়ে ইয়াক ভোগালী বিহু বুলিও কয়।

**বহাগ বিহু ঃ** চ'ত মাহৰ শেষৰ দিনটোত মেচ সকলে অতীতৰে পৰা বহাগ বিহু বা ৰঙালী বিহু পালন কৰি আহিছে। সেই দিনা পুৱাতে গৰুক মাহ-হালধিৰে নোৱাই মাখিয়তি, দীঘলতিৰ ঠালেৰে কোবাই খেদি নি নদী, বিল বা পুখুৰীত গা-ধোৱাই লগত চাতত চিলাই নিয়া লাউ, বেঙেনা, হালধি গৰুৰ গাত মাৰে। সন্ধ্যা নতুন পঘাৰে গৰু বান্ধে, গৰুক পিঠা খোৱায়।

গধূলি গাঁৱৰ মুৰব্বীৰ ঘৰৰ পৰা হুঁচৰি আৰম্ভ কৰি সমগ্ৰ গাওঁখনৰ প্ৰতি ঘৰতে গৈ সাতদিনৰ ভিতৰত বিহু কৰি আৰ্শীবাদ দি গৃহস্থৰ মঙ্গল কামনা কৰে।

**অন্যান্য তিথি ঃ** একাদশী, চতুৰ্দশী, পূৰ্ণিমা আদি তিথি মেচসকলে পালন কৰে। সেইদিন কেইটাত মহিলাসকলে মন্দিৰ বা নামঘৰত পূজা অৰ্চনা কৰে। তাৰোপৰি তেওঁলোকে বাটভেটা পূজা, কেচাঁই খাতী পূজা, আই পূজা, দুৰ্গা পূজা, কালি পূজা, বৰ্মানী পূজা, জন্মাষ্টমী আদি পালন কৰে।

**সাজ পাৰ ঃ** সাজ-পাৰত মেচ সকলে বিশেষ বৈশিষ্ট্য ৰক্ষা কৰা পৰিলক্ষিত হয়। তেওঁলোকৰ পুৰুষে ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানত হাত দীঘল সেউজীয়া ৰঙৰ চোলা (ফটহু), হালধীয়া বা বগা ৰঙৰ ধূতি, সেউজীয়া হালধীয়া ৰঙৰ সূতাৰে মিলাই বোৱা ফুলাম গামোচা (আৰনাই), এড়ি সূতাৰে বোৱা গৰম চোলা বা 'জেকেট' (বুস্তা) পৰিধান কৰে।

তিৰোতাসকলে ঘাইকৈ বিভিন্ন ৰঙৰ মেখেলা (মিন্‌মাই) চাদৰ, বুকুত মৰা কাপোৰ (থিন্‌থাই) পৰিধান কৰে। বিধবা মহিলাই সাধাৰণতে বগা কাপোৰ পিন্ধে। উল্লিখিত কাপোৰ মেচ সকলৰ মহিলাই ঘৰতে বৈ উলিয়াই। বোৱনৰ ক্ষেত্ৰত মেচ মহিলাসকল অতি পাকৈত।

**খাদ্য ঃ** ভাত মেচ সকলৰ প্ৰধান খাদ্য। তেওঁলোক আমিষ ভোজী। হাঁহ, কুকুৰা, পাৰ, গাহৰি, ছাগলী আৰু মাছ তেওঁলোকে খায়। কণী আৰু গাখীৰো খায়। কেকোঁৰা, কুঁচিয়া, জেবাংকৰি আদিও খায়। খাৰ, টেঙা দি ৰন্ধা আঞ্জা তেওঁলোকৰ অতি প্ৰিয় ব্যঞ্জন। বনৰীয়া শাক, ফুল, আলু আদিও তেওঁলোকে বিচাৰি খায়।

সকাম-নিকাম, উৎসৱ-পাৰ্বণ আদিত ঘৰতে তৈয়াৰী মদ (জৌ) ব্যৱহাৰ কৰে।

**বাদ্য যন্ত্ৰ ঃ** মেচ সকলে অতীজৰ পৰা বিভিন্ন বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি আহিছে। সেইবোৰ হ'ল ঢোল, পেঁপা, খুঁটিতাল, গগনা, বাঁহী, টকা, ডবা, মৃদং, নাগাৰা, ঘাম, থৰকা আদি।

**নৃত্য-গীত ঃ** মেচ সকল নৃত্য-গীতত চহকী। হুঁচৰি নৃত্য বা বিহু নৃত্য বিশেষভাৱে বিশেষত্ব পূৰ্ণ। ইয়াৰোপৰি তেওঁলোকৰ মাগন নৃত্য, কৰতাল নৃত্য, নেওল নৃত্য, দেওধনী নৃত্য, জাকৈ নৃত্য, যুদ্ধ নৃত্য, চিলাহালি নৃত্য, বৈশাঙী নৃত্য, বেংবৈংপাতিৰি নৃত্য অতি আৰ্কষণীয় আৰু জনপ্ৰিয়।

প্ৰতিবিধ নৃত্যৰ লগত নিৰ্দিষ্ট বিষয়বস্তু লৈ গীত পৰিৱেশন কৰে।

**বসতি স্থান, জনসংখ্যা, শিক্ষা আৰু অৰ্থনৈতিক দিশ ঃ**

মেচ সকলে পশ্চিমবংগ আৰু চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰ কিছু অংশত বাস কৰিলেও তেওঁলোকৰ প্ৰধান বাসভূমি হ'ল অসম। অসমৰ গোৱালপাৰা জিলা তেওঁলোকৰ আদি বসতিস্থান। ইয়াৰোপৰি তেওঁলোকে অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, কাৰ্বি আংলং, শোণিতপুৰ, ধেমাজি, নগাঁও আৰু লখিমপুৰ জিলাত বাস কৰে। অৱশ্যে অসমৰ অন্যান্য জিলাতো দুই চাৰিঘৰ নথকা নহয়।

১৮৭২ চনৰ লোকপিয়ল মতে গোৱালপাৰা জিলাত মেচসকলৰ জনসংখ্যা আছিল ২৯,৮৭৭ জন আৰু অসমত মেচ সকলৰ মুঠ জনসংখ্যা আছিল ৯৩,৯০০ জন। ২০১১ চনৰ লোক পিয়ন অনুসৰি অসমৰ মেচৰ জন সংখ্যা মাত্ৰ ১,২৫,০০০ জন বুলিহে তথ্য পোৱা গৈছে।

ডিব্ৰুগড় জিলাত মেচ সকল বাস কৰা গাঁওসমূহ হ'ল— পদুমনি, কঠালগুৰি, কুটুহা, বেটনী, ১নং বাঁহনী, ফটিকাচোৰা, হাবিচুক, চিৰিংহোলা, নাহৰসাকোঁ, হাতীআলি, ১নং কছাৰী পথাৰ, দিবৈ, ন-পাম, ১নং মহমাৰি, ২নং মহমাৰি, ফালটুতোলা, জয়পুৰ মেচ গাওঁ, জয়পুৰ বেটনী, নাচনি, নাহৰ পৰা, চৰাটনিবাম, ৰংচুৱাল, শালমাৰি, গেলাদিচাং, বগীয়ান, ধুৱা পথাৰ, বঙালগাওঁ, বাণীপুৰ, বক্‌পৰা, নিজ লাহোৱাল, মধুটিং, বেগেনাবাৰী, ঔগুৰি বেতনি গাওঁ, টেপৰ চালি, পদুম নগৰ, খলিহামাৰী (মেচপাৰা), কানাই গাওঁ, ঘগৰাজান, ওখবাম, বৰবিল, কেকুৰি, চেলেং চকলিয়া আৰু ৰহমৰীয়া।

**শিক্ষা আৰু ভাষা-সাহিত্য ঃ** শিক্ষাৰ ক্ষেত্ৰত মেচ সকল বিশেষভাৱে আগবাঢ়ি যোৱা পৰিলক্ষিত হোৱা নাই। তেওঁলোকৰ বেছি সংখ্যক মাধ্যমিক পৰ্যায়ৰ। উচ্চ শিক্ষিত প্ৰায় নাই বুলিব পাৰি।

মেচ সকলে ২০০৭ চনত "মেচ কছাৰী জাতীয় পৰিষদ" গঠন কৰিছে। তাৰ যোগেদি তেওঁলোকে বিভিন্ন ঠাইত

অধিবেশন পাতি 'স্মৃতিগ্রন্থ' — মেকজাপ, মহীৰঙ্গ, কিৰাট, দম্বাবু আদি প্ৰকাশ করিছে। এই স্মৃতি গ্ৰন্থৰ লিখনিৰ জৰিয়তে তেওঁলোকৰ সমস্যাসমূহ দাঙি ধৰাৰ লগতে মনৰ কথাবোৰ প্ৰকাশ কৰিছে। ভৱিষ্যতে এনে প্ৰচেষ্টাৰ ফলত সাহিত্যৰ ক্ষেত্ৰখনো চহকী হৈ পৰিব বুলি আশা কৰিব পাৰি।

**অৰ্থনৈতিক দিশ ঃ** অৰ্থনৈতিকভাৱে মেচ সকল সবল বুলি ক'ব নোৱাৰি। ধান, মাহ, শাক-পাচলিৰ খেতি আৰু পশু পালনেই তেওঁলোকৰ প্ৰধান জীৱিকা। সহজ সৰল মেচ সকলে বৰ জটিলতাত সোমাবলৈ ভাল নাপায়। ফলত শক্তিশালী গোষ্ঠীৰ হাতত মাটিবাৰী হেৰুৱাবলগীয়াও হৈছে।

চাকৰিৰ ক্ষেত্ৰত এসময়ত প্ৰথম, দ্বিতীয় শ্ৰেণীৰ চাকৰিয়াল নাছিল। যি নগণ্য সংখ্যক লোক নিয়োজিত হৈ আছিল; তেওঁলোক চতুৰ্থবৰ্গতহে দেখা গৈছিল। সম্প্ৰতি কেইগৰাকীমানে শিক্ষকতা, ডাক্তৰ আৰু অভিযন্তা বৃত্তি গ্ৰহণ কৰিবলৈ সক্ষম হৈছে।

**ৰাজনৈতিক দিশ ঃ** ৰাজনৈতিক ভাৱে মেচ সকল সচেতন বুলি কোৱাৰ অৱকাশ নাই। চৰকাৰে জনজাতী উন্নয়ন বৰ্ড গঠন কৰিছে যদিও তাত মেচ সকলে প্ৰতিনিধি দিব পৰা নাই। গতিকে তেওঁলোকৰ সমস্যাসমূহ দাঙি ধৰাৰ পৰা বঞ্চিত হৈ আছে।

**উপসংহাৰ ঃ** মেচ সকল এই ভূ-খণ্ডৰ এটি অতি প্ৰাচীন জনগোষ্ঠী। প্ৰাগ্-ঐতিহাসিক কালতেই সবল হৈ থকা এটা জনগোষ্ঠী সময়ৰ জটিলতাত আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামত টিকি থকা টান হৈ পৰিছে। মেচ সকল অধিক সচেতন হ'বৰ হ'ল। সময়ৰ সুযোগ তেওঁলোকে গ্ৰহণ কৰা অতি দৰকাৰ।

**শব্দাৰ্থ ঃ**

ঘাম - এবিধ ডাঙৰ ঢোল। দেখাত মাদলৰ দৰে। গৰু বা মহৰ চালেৰে চোৱা হয়। দুই মূৰ ঘুনাই লোৱা হয়। খোলাটো ডাঙৰ হ'লেও পাতল।

থৰকা - গোটা বাঁহ দুটুকুৰা লৈ ইয়াক বনোৱা হয়। বাঁহৰ মূৰ দুটা অলপ ফালি লোৱা হয়।

**সহায়ক গ্ৰন্থ ঃ**

১। কছাৰী, ঘনকান্ত আৰু মেচ, শচীন (সম্পা) - দম্বাবু (স্মৃতিগ্ৰন্থ) প্ৰকাশক, আদৰণী সমিতি, ষষ্ঠ বাৰ্ষিক, কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস, মেচ কছাৰী জাতীয় পৰিষদ ২০১২।

২। গগৈ, লোকেশ্বৰ - অসমৰ লোক-সংস্কৃতি ২, ক্ৰান্তিকাল প্ৰকাশন, ২০১১।

৩। মেচ, সমিৰণ - মেচ জনগোষ্ঠী আৰু সমাজ-সংস্কৃতিৰ চমু পৰিচয়। প্ৰকাশক-মেচ কছাৰী উন্নয়ন পৰিষদ, অসম, ১ম প্ৰকাশ ২০১৩।

৪। মেচ, সমিৰণ - মেক জাপ (সম্পা) মাহেকীয়া আলোচনী, ১ম বছৰ ১ম সংখ্যা ২০ জুন, ২০১০।

৫। শইকীয়া, নগেন - অসমীয়া মানুহৰ ইতিহাস, কথা প্ৰকাশন, ১ম প্ৰকাশ, ২০১৩।

৬। শৰ্মা, ড° নবীন চন্দ্ৰ - সূৰ্যখড়ি দৈৱজ্ঞ বিৰচিত দৰঙ্গ ৰাজবংশাৱলী, বাণী প্ৰকাশ, গুৱাহাটী, ১৯৭৩।

৭। আদি যামল, প্ৰকাশক - মৃগাঙ্ক মাইতি, সবিতা প্ৰকাশ, ২য় প্ৰকাশ, ২০১৪।

৮। Gait, Sir Edward - A History of Assam, LBS 1st Edition 1983, reprint - 2004.

*****

● লেখক ঃ অধ্যাপক, টেঙাখাত মহাবিদ্যালয়।

# টাইফাকে
# ইতিহাস, সমাজ জীৱন আৰু লোকগীত-সাহিত্য

**পেইম থি গোহাঁই**

**১. ইতিহাস**

বৰ্তমান অসমত বসবাস কৰা নৃগোষ্ঠীয় সমাজৰ ভিতৰত টাইফাকেসকল অন্যতম। তেৰশ শতিকাৰ আগভাগত 'মৌং মাও'ৰ পৰা উত্তৰ দিশলৈ আগবাঢ়ি আহি টাইজাতিৰ এটা গোটে হৌকং উপত্যকা (উত্তৰ ম্যানমাৰ)ত বসবাস কৰিবলৈ লয়। তেওঁলোকে উপত্যকাটোৰ তিনিখন ইৰাৱতী নদীৰ উপনদী 'নাম তালম', 'নাম তুলুং' আৰু 'নাম চিলিপ'ৰ সংগমস্থলত বসবাস কৰিছিল। সেয়া আছিল পুৰণিকলীয়া কঠিন শিলাময় প্ৰস্তৰ খণ্ডৰে আগুৰা অঞ্চল। অঞ্চলটোৰ বৈশিষ্ট্য অনুসৰি তাত বসবাস কৰিবলৈ লোৱা গোটটোক পাছলৈ টাইফাকে নামেৰে পৰিচিত হৈ পৰে। 'ফা' মানে প্ৰস্তৰ শিলাখণ্ড আৰু 'কে' হৈছে প্ৰাচীন বা পুৰণি। সেইদৰে তেওঁলোকে বসবাস কৰা ঠাইখনো 'মৌংফাকে' (ফাকে ৰাজ্য) হিচাপে পৰিচিত হৈ পৰিছিল। ১২১২ চনৰপৰা ছশ বছৰৰো অধিক কাল টাইফাকেসকলে হৌকং উপত্যকাত বসবাস কৰিছিল। ওঠৰশ শতিকাৰ মধ্যভাগত ম্যানমাৰত মানসকল ৰাজনৈতিকভাৱে শক্তিশালী হোৱাৰ লগতে ৰাজনৈতিক আগ্ৰাসন, অত্যাচাৰ আৰু নানান প্ৰাকৃতিক কাৰণত টাইফাকেসকল আপোন ঠাই এৰি পাটকাই পাৰ হৈ অসমৰ প্ৰৱেশ কৰিবলৈ সাজু হয়। সেয়া আছিল ১৭৭০-৭৫ চনৰ সময়ছোৱা।

হৌকং উপত্যকাৰপৰা টাইফাকেসকল পাটকাই অতিক্ৰম কৰিবলৈ যি গিৰিপথ বাচনি কৰিছিল সেই গিৰিপথত 'পাংচাও' বুলি নাম দি লিপিবদ্ধ কৰিছিল। 'পাংচাও'ৰ টাই অৰ্থ হৈছে জিৰণি লোৱা ঠাই। টাইফাকেসকল অতিক্ৰম কৰি অহাৰ পৰৱৰ্তীকালত ঠাইডোখৰ সেই নামেৰে পৰিচিত হৈ পৰিছিল। টাইফাকেসকলে 'পাংচাও' গিৰিপথত উপস্থিত হৈছিল ১৭৭৫ চনত। 'পাংচাও'ত কিছুদিন জিৰণি লৈ টাইফাকেসকল উত্তৰ পাৰৰ নামনিলৈ নামি আহি পোনপ্ৰথমে পাটকাইৰ পাদদেশৰ 'নংতাও' নামে ঠাইত থিতাপি লৈছিল। টাইফাকে ভাষাত 'নংতাও'ৰ অৰ্থ হৈছে শেলুৰৈৰে পৰিপূৰ্ণ জলাশয়। সেই সময়ত অঞ্চলটোত থকা জলাশয়ৰ প্ৰাকৃতিক বিশিষ্টতাৰ ভিত্তিত ঠাই ডোখৰৰ নাম 'নংতাও' ৰাখিছিল আৰু বৰ্তমানো ঠাইডোখৰ 'নংতাও' নামেৰেই জনা যায়। (বৰ্তমান নংতাওৰ অৱস্থিতি হৈছে অৰুণাচলৰ লোহিত আৰু চাংলাং জিলাৰ সীমান্তৱৰ্তী চৌখাম আৰু ডায়ুনৰ মধ্যভাগত)। 'নংতাও'ত প্ৰায় ২০ বছৰ বসবাস কৰাৰ কালতে ১৭৯৭ চনত খামতিসকলে আহোম ৰাজ্যৰ শদিয়াখোৱা গোহাঁইৰ বিৰুদ্ধে কৰা বিদ্ৰোহৰ সময়ত টাইফাকেসকলেও খামতিসকলক সহযোগ কৰিছিল। সেই বিদ্ৰোহৰ সময়ত খামতিসকলে শদিয়াখোৱা গোহাঁইক হত্যা কৰিছিল। পৰিণতিত খামতিসকলৰ বিৰুদ্ধে আহোম স্বৰ্গদেউৱে শদিয়াত অভিযান চলাইছিল। অভিযান কালত আহোম

সেনাই ‘নংতাও’ত বসবাস কৰি থকা টাইফাকেসকলক লগ পায় আৰু নিজৰ আপোন মানুহ বুলি জ্ঞান কৰি টাইফাকেসকলৰ নেতৃস্থানীয় লোকসকলক ‘নংতাও’ৰপৰা সেইসময়ৰ আহোম ৰাজধানী যোৰহাটলৈ লৈ আনে আৰু সমীপৰ দিচৈ নদীৰ পাৰত (টাইফাকেসকলৰ লিখিত বুৰঞ্জীত দিচৈৰ অৱস্থান দিচাং নদীৰ মোহনাত বুলি উল্লেখ আছে। অন্যান্য বুৰঞ্জীও অতীততে দিহিং, দিচাং, দিখৌ আদি নদীসমূহৰ মোহনা বৰ্তমানৰ অৱস্থানতকৈ বহু নামনিত বুলি উল্লেখ পোৱা যায়। সেই ফালৰপৰা দিচৈমুখৰ অৱস্থান বৰ্তমান ককিলামুখত আশেপাশে বুলি ঠাৰৰ কৰা হৈছে।) সংস্থাপিত কৰিছিল। পাছত টাইফাকে নেতৃস্থানীয় লোকসকলে ‘নংতাও’ ৰৈ যোৱাসকলকো আনি সংস্থাপিত কৰিছিল। দিচৈত প্ৰায় ১৫-২০ বছৰ বসবাস কৰাৰ পিছত আহোম সাম্ৰাজ্যৰ অস্তাচলত মান সেনাৰ আক্ৰমণ সংঘটিত হয়। মান সেনাই একাধিকবাৰ আহোম ৰাজ্য আক্ৰমণ কৰোঁতে অসমৰ সমাজ-জীৱন প্ৰায় তচনচ হৈ পৰাৰ পৰিঘটনাত মান সেনাৰ লগত বহু সংখ্যক টাইমূলীয় সেনাও আহিছিল আৰু তাৰে কিছু নেতৃস্থানীয় সেনাও আছিল। তেওঁলোকে দিচৈত বসবাস কৰা টাইফাকেসকলক দেখি জিনজৰ আপোন মানুহ বুলি চিনি পায়। সেয়ে পুনৰ নিজ দেশলৈ (ম্যানমাৰলৈ) উভতি যোৱাৰ পৰামৰ্শ দিয়ে আৰু যুদ্ধৰ অন্তত ওভতাৰ সময়ত লগত ওভতাই লৈ যায়। সেই সময়তে পাটকাই অতিক্ৰম কৰিবলৈ লোৱাৰ সময়ত বাৰিষা কাল হোৱাৰ বাবে বতৰ অনুকুল নোহোৱাত পৰিয়ালৰ সদস্যৰ সৈতে টাইফাকেসকল উভতি যোৱাতো সম্ভৱ নহ’ব বুলি অনুভৱ কৰি মান (টাইমূলীয়) সেনাই বাৰিষাৰ অন্তত আহিবলৈ নিৰ্দেশ দি আগতীয়াকৈ ওভতি যায় আৰু টাইফাকেসকল নামচিকতে ৰৈ যায়। সেই পৰিৱেশতে টাইফাকেসকল নামচিকত কিছুবছৰ কটায়।

নামচিকত কিছু বছৰ কটোৱাৰ অন্তত টাইফাকেসকলে অনুভৱ কৰিলে যে মান দেশলৈ উভতি যোৱাতো তেওঁলোকৰ সম্ভৱ নহ’ব। তদুপৰি সেইসময়তে আহোম ৰাজ্যও ইংৰাজৰ হাতলৈ যোৱাত তেওঁলোক ঘূৰি নোযোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু বসবাসৰ উপযুক্ত ঠাই বিচাৰি পুনৰ ভৈয়ামলৈ দিহিং নদীয়েদি উভতি আহে। উভতি অহাৰ সময়ত তেওঁলোক প্ৰথমতে ‘ৰাগুন’ৰ সমীপত (বৰ্তমান অসম-অৰুণাচলত সীমান্তত), তাৰপাছত ‘পাংচোন’ নামে ঠাইত, তাৰপৰা টিৰাপ নদীৰ পাৰত ফানেং নামে ঠাইত কিছুকাল বসতি স্থাপন কৰে। ইয়াৰে কতো স্থায়ী বসতিৰ বাবে উপযুক্ত বুলি বিবেচিত নোহোৱাত তেওঁলোক আৰু ভটিয়াই আহি মাৰ্ঘেৰিটাৰ সমীপত প্ৰথমতে ‘কঠালগুৰি’ত, তাৰপাছত ‘ইংথং’ নামে ঠাইত ১৮২৮ চনত থিতাপি লয়। দুটা বছৰৰ অন্তত তাৰপৰা প্ৰায় দুই কিলোমিটাৰ উজাই ‘বৰফাকে’ত স্থায়ী গাঁও প্ৰতিষ্ঠা কৰে ১৮৩০ চনত। সেয়া আছিল অসমত টাইফাকেসকলৰ স্থায়ী বসতি স্থাপনৰ শুভাৰম্ভণি। বৰ্তমান অসমত মুঠ ৯ খন টাইফাকে গাঁও আছে। সেইসমূহ হৈছে - ডিব্ৰুগড় জিলাত ১) নামফাকে, ২) টিপামফাকে গাঁও। তিনিচুকীয়া জিলাত ৩) বৰফাকে, ৪) মানম’, ৫) লংলাই, ৬) লংফাকে, ৭) মৌংলাং, ৮) নিংগাম, ৯) ফানেং। ইয়াৰোপৰি অৰুণাচলৰ নামচাই, লোহিত, চাংলাং জিলাত কিছু টাইফাকে পৰিয়াল অন্য জনগোষ্ঠীৰ সৈতে বসবাস কৰি আহিছে আৰু অসমৰো নাহৰকটীয়াৰ লংজং, ডিব্ৰুগড় চহৰ, মাৰ্ঘেৰিটাৰ কেটেতং, জাগুন আজি চহৰতো টাইফাকে পৰিয়াল সংস্থাপিত হোৱা পৰিলক্ষিত হৈছে। বৰ্তমান টাইফাকেসকলৰ মুঠ জনসংখ্যা প্ৰায় ২০০০ জন।

**২. সমাজ জীৱন**

**ক) উপাধি ঃ** বৰ্তমানে টাইফাকেসকলৰ মাজত প্ৰচলিত উপাধিবোৰ হৈছে - ৱেইংকেন, থামৌং, চাখাপ, হাইলৌং, চাওহাই, পমুং, খেনলুং, টুমটেন, চতন, মাংনই আদি। অসমলৈ প্ৰব্ৰজনৰ সময়ছোৱাত আৰু পৰৱৰ্তী সময়ত সংগ্ৰামৰ সময়ছোৱাত প্ৰজন্মৰ প্ৰতিনিধিৰ অভাৱত দুই এটা উপাধি একেবাৰে বিলুপ্ত হৈ পৰিব পাৰে বুলি গৱেষকসকলে মত পোষণ কৰিছে। এই কথা বৰ্তমানে জীৱিত বয়োজ্যেষ্ঠ টাইফাকে লোকসকলেও অস্বীকাৰ কৰা নাই। পূৰ্বৰ সমাজ ব্যৱস্থাত উপাধি অনুসৰি পৰিয়ালসমূহৰ কিছুমান দায়িত্ব নিৰ্দিষ্ট কৰা হৈছিল। সেই পৰম্পৰা এতিয়া বহু পৰিমাণে শিথিল যদিও কোনো কোনো কৰ্মত অৱশ্যে এতিয়াও তাক পালন কৰি অহা হৈছে।

**খ) ফাকে, ফাকিয়াল, গোহাঁই উপাধি ঃ** নিজৰ পৰম্পৰাগত উপাধিৰ উপৰিও ইংৰাজ আমোলত

টাইফাকেসকলৰ মাজত তিনিটা উপাধি প্ৰচলিত আৰু বিভিন্ন নথিত লিপিবদ্ধ হোৱা দেখা যায়। সেই উপাধি কেইটা হৈছে 'ফাকে', 'ফাকিয়াল' আৰু গোহাঁই। প্ৰথমছোৱা সময়ত বিভিন্ন চৰকাৰী নথিত উপাধি হিচাপে 'ফাকে' আৰু কোনো সময়ত 'ফাকিয়াল' উল্লেখ থকা দেখা গৈছিল। টাইফাকে হিচাপে এটা জনগোষ্ঠী হিচাপে চিনাকি দিলেও তেওঁলোকৰ ভিন্ন উপাধিয়ে কেতিয়াবা বাহিৰৰ লোকৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰিছিল। যাৰ বাবে, সকলো টাইফাকেলোককে এটা চিনাকিৰে সামৰি ল'বৰ বাবে সমাজৰ আগশাৰী এচামে নিজৰ নামৰ লগত উমৈহতীয়াভাৱে 'ফাকে' উপাধি গ্ৰহণ কৰিছিল। কালক্ৰমত ইংৰাজৰ সন্মুখত 'ফাকে জাত' বুলি চিনাকি দিওতে সেয়া অপভ্ৰংশ ৰূপ লৈ 'ফাকে য়াত' আৰু কালক্ৰমত 'ফাকিয়াল' হয়। প্ৰাক স্বাধীনতাৰ বহু নথিত 'ফাকিয়াল' হিচাপে লিপিবদ্ধ হৈ পৰাৰ উদাহৰণ দেখিবলৈ পোৱা যায়। পৰৱৰ্তী সময়ত বেলেগ বেলেগ উপাধি লিখা অথচ সকলো টাইফাকে জনগোষ্ঠীৰ - এটা উমৈহতীয়া চিনাকিৰ বাবে 'কাওহাই' লিখাৰ পৰম্পৰা তেওঁলোকৰ মাজত প্ৰচলিত হ'ল। 'কাওহাই'ৰ অৰ্থ হৈছে নটা ঠাল বা উপাধি। সেই পৰম্পৰা অনুসৰি সকলো টাইফাকে লোকে 'কাওহাই' উপাধি গ্ৰহণ কৰিব পাৰিছিল। 'কাওহাই' উপাধিও পৰৱৰ্তী সময়ত 'গোহাঁই'লৈ পৰিণত হৈ পৰিছিল।

**গ) আধাৰ শক্তি হিচাপে 'চাও চৌ'ৰ ধাৰণা ঃ** টাইফাকেসকল বৌদ্ধ ধৰ্মাৱলম্বী হ'লেও তেওঁলোকৰ মাজত বৌদ্ধ ধৰ্মৰ পূৰ্বৰ বহু লোকবিশ্বাস এতিয়াও প্ৰচলিত হৈ আহিছে। টাইফাকে জাতিক, গাঁৱক ৰক্ষা কৰোঁতা হিচাপে 'চাও চৌ'ক শক্তিৰ আধাৰ বা মূল হিচাপে এক বিশ্বাস এতিয়াও অতি বলিষ্ঠভাৱে স্বীকাৰ কৰা হয়। 'চাও চৌ'ৰ কোনো আকাৰ বা চেহেৰাৰ ধাৰণা নাই। বৌদ্ধ ধৰ্মৰ পূৰ্বজ এই পৰম্পৰা আৰু তাৰলগত যুক্ত নীতি নিয়ম এতিয়াও টাইফাকে গাঁও বিশেষত লক্ষ্য কৰা যায়। 'চাও চৌ'ৰ সন্মানাৰ্থে এতিয়াও বছৰ জুৰি দহ দিনত দুটা দিন গেনা পালন কৰে। গেনাত বহু কাম যেনে হাল বোৱা, তাঁত বোৱা, মাটি খন্দা, বাঁহ কটা, সকাম, বিয়া আদি অনুষ্ঠিত কৰা আদি এৰাই চলা হয়। বছৰত দুবাৰ 'চাও চৌ'ক সেৱা-অৰ্চনা কৰা হয়।

**ঘ) উৎসৱ, লোকাচাৰ ঃ** টাইফাকেসকলে পালন কৰা উৎসৱ-অনুষ্ঠানসমূহক দুই ধৰণেৰে ভাগ কৰিব পাৰি। সেয়া হৈছে ধৰ্মীয় (বৌদ্ধ ধৰ্ম) আৰু পৰম্পৰাগত বা টাই লোক পৰম্পৰা। সেইসমূহ ভিতৰত প্ৰধান উৎসৱ হৈছে -

'পয় চাং কেন', 'পয় নৌন হৌক' বা 'পয় বুদ্ধ জয়ন্তী',' পয় খাওৱা', 'চা-লে', 'মে পি', 'পয় অকৱা', 'পয় পি মাউ', 'পয় কান্ট' সাংঘা', 'পয় মাই ক' চুম ফাই', 'পায় নৌন চি' আদি। ইয়াৰে 'পয় পি মাউ'ৰ বাহিৰে সকলোবোৰ ধৰ্মীয় উৎসৱ বা বৌদ্ধ ধৰ্মৰ সৈতে যুক্ত উৎসৱ। 'পয় পি মাউ' হৈছে টাই পঞ্জিকা অনুসৰি পালন কৰা নৱবৰ্ষৰ উৎসৱ। তদুপৰি ঘৰুৱাভাৱে আয়োজন কৰা মাংগলিক অনুষ্ঠানবোৰৰ ভিতৰত হৈছে- 'মাং কালা', 'আনট্ৰে', 'হংখন' আদি। 'মাংকালা', 'আনট্ৰে' পৰিয়াল একোটাৰ মংগল কামনা কৰি আয়োজন কৰা অনুষ্ঠান। 'হংখন' কোনো লোক অকস্মাতে বেমাৰত পৰিলে তাৰ নিৰাময়ৰ বাবে পৰম্পৰাগতভাৱে আয়োজন কৰা এক ধৰণৰ 'আয়ু তোলা' পৰম্পৰা। 'হং' মানে আৱাহন কৰা। 'খন' হৈছে 'আত্মা' বা শৰীৰক জীয়াই ৰখা শক্তি। মাজে সময়ে উদযাপন কৰা ধৰ্মীয় আৰু সামাজিক লোকাচাৰসমূহ হৈছে -'খাম চাং', 'পয় লেং', 'এ্যাপ মান' আদি। 'খামচাং' গাঁৰৰ কিশোৰ বৌদ্ধ ধৰ্মৰ শ্ৰমণ দীক্ষা লোৱা অনুষ্ঠান, পয় লে' হৈছে বৌদ্ধ ভিক্ষুৰ বিয়োগৰ পাছত অনুষ্ঠিত কৰা অন্তোষ্টিক্ৰিয়া অনুষ্ঠান আৰু 'এ্যাপ মান' হৈছে গাঁওখন আৰু গাঁওবাসীৰ মংগল কামনা কৰি অনুষ্ঠিত কৰা অনুষ্ঠান। এই অনুষ্ঠান কেইবা বছৰৰ মূৰত এবাৰ অনুষ্ঠিত কৰা হয়।

**ঙ) চাংঘৰ আৰু নিৰ্মাণ পৰম্পৰা ঃ** টাইফাকেসকলৰ জন-জীৱনৰ এটি অন্যতম সাংস্কৃতিক পৰম্পৰা হৈছে চাংঘৰৰ পৰম্পৰা। চাংঘৰ নিৰ্মাণৰ ক্ষেত্ৰতো বহু নীতি-নিয়ম মানি চলা হয়। টাই ভাষাত চাংঘৰক কোৱা হয় 'হৌনহাং' (হৌন অৰ্থাৎ ঘৰ, হাং অৰ্থাৎ চাং)। টাইফাকেসকলৰ চাংঘৰ সাধাৰণতে সাত টা স্তৰ থাকে। অৰ্থাৎ মাটিত পোতা খুঁটাৰ পৰা মানুহ বহিব পৰা, থাকিব পৰা অৱস্থালৈকে সাতটা বিভিন্ন স্তৰ থাকে। চাংঘৰ নিৰ্মাণ কৰিলে আৱশ্যকীয়ভাৱে এই সাতটা পৰ্যায়ৰ মাজেৰে নিৰ্মাণ কৰিব লাগে। আনহাতে, চাংঘৰৰ খুঁটাবোৰ মুঠ তিনিটা ভাগত ভাগ কৰি লৈ সেই মতে পৰ্যায়ক্ৰমে নিৰ্মাণ কৰা হয়। সেইবোৰ হ'ল 'চাও ফি নাম' (মূল খুঁটা এই খুঁটা পুতি ঘৰ

নির্মাণৰ আনুষ্ঠানিকতা আৰম্ভ কৰা হয়।) তদুপৰি ঘৰৰ ব্যৱহাৰ, কোঠালিবোৰৰ ব্যৱহাৰ, ঘৰ সজোৱাৰ ধৰণ আদিও ভিন্ন নাম দিয়া হয়। আলহী-অতিথিক আপ্যায়ন কৰিবৰ বাবে 'কান নক', শোৱা কোঠা ব্যৱহাৰ কৰাখিনিক 'কান্‌নন্‌' ৰান্ধনিঘৰক 'হৌন তাংখাও', প্ৰাৰ্থনাগৃহ হিচাপে 'খক্ তাং চম' আদি। সেই সকলোবোৰ ব্যৱস্থাৱলী ৰাখিহে চাংঘৰৰ পৰিকল্পনা তথা নিৰ্মাণ কৰা দেখা যায়। সাধাৰণভাৱে টাইফাকে সমাজৰ পৰম্পৰাগত চাংঘৰসমূহ দুটাঘৰ একত্ৰে সমান্তৰালকৈ নিৰ্মাণ কৰা হয়। ইয়াৰে এটা মূলঘৰ হিচাপে আৰু আনটো ৰান্ধনিঘৰ হিচাপে ব্যৱহাৰ কৰা হয়। টাইফাকেসকলৰ চাংঘৰৰ অন্য এক বৈশিষ্ট্যপূৰ্ণ অংগ হ'ল মুকলি চাঙৰ ব্যৱস্থা। ইয়াক টাই ভাষাত 'চ্ছান' কোৱা হয়। এই চাঙৰ ওপৰত কোনোধৰণৰ চালি তথা বেৰ দিয়া নহয়। সাধাৰণতে চাঙৰ ওপৰতে কাঁহি-বাটি ধুবলৈ, বিভিন্ন সামগ্ৰী শুকুৱাবলৈ, মুকলি আকাশৰ তলত বহি পৰিয়ালৰ স'তে আলাপ কৰিবলৈ, তিতা কাপোৰ-কানি শুকুৱাবলৈ ইত্যাদি বিভিন্ন কাম-কাজ চাঙৰ ওপৰতে সমাপনৰ সুবিধাৰ বাবে 'চ্ছান'ৰ ব্যৱস্থা কৰা হয়। চাংঘৰৰ ওপৰতে জুই জ্বলাই ৰন্ধা-মেলা কৰিবৰ সুবিধাৰ বাবে বিশেষ ব্যৱস্থা চাংঘৰৰ ওপৰতে কৰি লয়। তাক কোৱা হয় 'ফাংফাই'।

**চ) পৰম্পৰাগত তাঁতশাল** ঃ তাঁতশাল পৰম্পৰা টাইফাকেসকলৰ জন-জীৱনৰ অন্যতম উপাদান। তাঁতশালৰ নিৰ্মাণ, ব্যৱহাৰ আৰু কৌশল অন্যতকৈ পৃথক দেখিবলৈ পোৱা যায়। তেওঁলোকৰ তাঁতশাল প্ৰায় ছয় বৰ্গফুটৰ ভিতৰত প্ৰস্তুত কৰি তুলিব পাৰি। সেইবাবে ঘৰৰ যিকোনো সুবিধাজনক ঠাইত তাক সংস্থাপিত কৰিব পাৰি। তাঁতশালসমূহ তেওঁলোকে চাংঘৰৰ ওপৰত নতুবা চাংঘৰৰ তলত সাজু কৰি লয়। পৰম্পৰাগত তাঁতশালত টাইফাকেসকলে প্ৰস্তুত কৰা কাপোৰৰ ভিতৰত পুৰুষৰ বাবে 'ফানুং' (লুঙী), 'ফা-হু'' (পাগুৰি), মহিলাৰ বাবে 'ছিন' (মেখেলা), 'নাং-ৱাত' (বিবাহোত্তৰ কালত পৰিধান কৰা ৰিহা), 'ফা-ফৌক' (অবিবাহিত ছোৱালীয়ে পৰিধান কৰা চাদৰ), উমৈহতীয়াভাৱে ব্যৱহাৰ কৰা 'ফা কং খ' বা ফা ম্যাত তা' (ডিঙিত বা মূৰত লোৱা গামোচা), 'থুং' (মোনা), 'ফা মাই' (ঠাণ্ডা কালত ব্যৱহাৰ কৰা চাদৰ) আদি। এইবিলাক অতি চকুত লগা বিবিধ ৰঙৰ সূতা ব্যৱহাৰ কৰি প্ৰস্তুত তৈয়াৰ কৰে। বিশেষভাৱে পুৰুষৰ 'ফানুং' (লুঙি) আৰু মহিলাৰ 'চিন' (মেখেলা)ৰ ক্ষেত্ৰত একাধিক ৰঙৰ সমাহাৰেৰে বোৱা দেখিবলৈ পোৱা যায়।

**ছ) তাঁতশাল নিৰ্মাণ, পৰম্পৰা আৰু লোকবিশ্বাস ঃ** তাঁতশাল নিৰ্মাণ, ব্যৱহাৰ আদিৰ ক্ষেত্ৰত টাইফাকে সমাজত কিছুমান বিশ্বাস দেখিবলৈ পোৱা যায়। এনে বিশ্বাস আৰু পৰম্পৰাত এটি উল্লেখযোগ্য বিষয় হৈছে তেওঁলোকৰ মাজত প্ৰচলিত 'ৱান কাম' (গেনা) পালন পৰম্পৰা। প্ৰতি আঠদিনৰ মূলত দুদিন টাইফাকেসকলে 'ৱান কাম' (গেনা) পালন কৰে। প্ৰাক বৌদ্ধ ধৰ্মৰ দিনৰপৰাই তেওঁলোকৰ সমাজত ব্যৱস্থাত এই পৰম্পৰা আছিল। তেওঁলোকক প্ৰতিপালন কৰা অদৃষ্ট শক্তিৰ সন্মানাৰ্থে আঠ দিনৰ মূৰত দুদিন 'ৱান কাম' পালন কৰে। সেই দুদিনত কোনো ডাঙৰ ঘৰুৱা বা ৰাজহুৱা কাম আৰম্ভ কৰা নহয়। তাঁতবোৰাও তেওঁলোকৰ সমাজত ডাঙৰ তথা উল্লেখযোগ্য কাম হিচাপে ধৰা হয়। সেইবাবে 'ৱান কাম' দিনত তাঁতশাল নিৰ্মাণৰ আৰম্ভণি সততে কৰা নহয়। 'ৱান কাম' দিনাখন পুৱাৰ ভাগত (সাধাৰণতে ৯ বজাৰ পূৰ্বে) আৰু গধূলি (৪ বজাৰ পিছত) তাঁত বোৱা কাৰ্যৰপৰা বিৰত থাকে তেওঁলোকে। গাঁৱত কোনো ব্যক্তিৰ বিয়োগ হ'লেও সেইদিনটো 'ৱান কাম' পালন কৰে। তেনে দিনত গোটেই দিনটোৰ বাবে তাঁত বোৱা নহয়।

**জ) পৰম্পৰাগত খাদ্য**

টাইফাকেসকলৰ পৰম্পৰাগত খাদ্য সম্ভাৰৰ বিশিষ্টতা বিষয়ে কেইবাটাও দিশেদি আলোচনা কৰিব পাৰি। যেনে,

গ্ৰহণ কৰা সময় বা পৰিৱেশন কৰা সময় অনুৰূপে -

ক) লঘু আহাৰ বা জলপান (পিঠাপনাকে সামৰি)।

খ) মূল খাদ্য বা আহাৰ।

গ) সকলো সময়তে পৰিৱেশিত খাদ্য।

ঘ) ধৰ্মীয় কামকাজ, লোকাচাৰত প্ৰয়োজন হোৱা পৰম্পৰাগত খাদ্য আদি।

প্ৰস্তুত প্ৰণালীৰ ফালৰপৰা -

ক) টেঙা কৰি দীৰ্ঘদিন সংৰক্ষণ (আচাৰ)ৰ জৰিয়তে খাদ্য হিচাপে গ্ৰহণ।

খ) শুকুৱাই লৈ দীৰ্ঘদিনৰ বাবে খাদ্য হিচাপে গ্ৰহণ।

গ) তাৎক্ষণিকভাৱে প্ৰস্তুত কৰি খাদ্য হিচাপে গ্ৰহণ।

ঘ) ভাপত সিজাই প্ৰস্তুত কৰা খাদ্য।

ঙ) চুঙাত প্ৰস্তুত কৰা খাদ্য আদি।

চ) খৰিকাত দি প্ৰস্তুত কৰা খাদ্য

ছ) জুইৰ ছাইৰ মাজত সোমোৱাই প্ৰস্তুত কৰা খাদ্য

আহাৰৰ উপাদানৰ ফালৰপৰা-

ক) চাউল আদিৰপৰা প্ৰস্তুত কৰা পৰম্পৰাগত খাদ্য।

খ) মাছ-মাংস আদিৰপৰা প্ৰস্তুত কৰা পৰম্পৰাগত খাদ্য।

গ) শাক-পাচলি আদিৰপৰা প্ৰস্তুত কৰা পৰম্পৰাগত খাদ্য।

**ঝ) চাউলৰপৰা প্ৰস্তুত কৰা লোক খাদ্য**

**খাওহ' ঃ** টাইফাকেসকলে পৰম্পৰাগতভাৱে মূল খাদ্য হিচাপে গ্ৰহণ কৰা আহাৰ ভাত বিশেষ যতনেৰে ভাপত সিজাই কৌপাতেৰে টোপোলা কৰি পৰিৱেশন কৰে (যতনবিধ এতিয়াও বজাৰত উপলব্ধ নহয়)। টাই(ফাকে) ভাষাত টোপোলা ভাতক কোৱা হয় 'খাও হ''। ইয়াৰ বাবে বিশেষ প্ৰজাতিৰ চাউলৰ প্ৰয়োজন হয়। আঠা যুক্ত এইবিধ চাউলক কোৱা হয় 'খাও টাই' (কোনো কোনো ক্ষেত্ৰত লাহি বা খামতি লাহি বুলিও কোৱা হয়।) টোপোলা ভাত হিচাপে অন্য বৌদ্ধ ধৰ্মাৱলম্বী টাই গোষ্ঠী, চিংফৌ, টাংচাৰ মাজতো প্ৰচলিত।

**খাও লাম ঃ** লাহি চাউল (খাও টাই) বা বৰা চাউল (খাও নৌ) কিছু সময় পানী তিয়াই তাৰপিছত বিশেষ প্ৰজাতিৰ বাঁহৰ চুঙাত ভৰাই জুইত দি চুঙা ভাত প্ৰস্তুত কৰা হয়। এইবিধ লোক খাদ্যক কোৱা হয় 'খাও লাম'। টাইফাকেসকলে সকলো বাঁহত 'খাও লাম' প্ৰস্তুত নকৰে। নিৰ্দিষ্ট প্ৰজাতিৰ বাঁহতহে তেওঁলোকে 'খাও লাম' প্ৰস্তুত কৰে। কাৰণ সেইবিধ বাঁহৰ ভিতৰত প্ৰাকৃতিকভাৱে এটা তৰপ থাকে যি জুইত দিয়াৰ পিছত চাউলখিনি সিজি গ'লে তৰপটো লাগি ধৰে আৰু বাঁহ বিধৰ প্ৰাকৃতিক গোন্ধও যুক্ত হৈ আহে। তেওঁলোকৰ সমাজত কেৱল 'খাও লাম' প্ৰস্তুত কৰিবৰ বাবেই বাঁহ বিধ ৰোৱা আৰু প্ৰতিপালন কৰা হয়।

**পেইং হ' খান বা পেং চ'ত ঃ** চাউলৰ গুৰিৰ পৰা প্ৰস্তুত কৰা ই এবিধ পিঠা। বৰ্তমানলৈ কেৱল টাইফাকে সমাজতহে এইবিধ পিঠা প্ৰস্তুত আৰু পৰিৱেশন কৰা দেখা যায়। গুৰি চাউলখিনিত পানী মিহলাই পিঠাৰ আকাৰ কৰি লোৱাৰ পিছত পাতত অতি শৈল্পিকভাৱেৰে বান্ধে আৰু তাৰ ভাপত সিজায়। পিছত তাক জুইৰপৰা নমাই আনি সেই ধৰণেৰে পৰিৱেশন কৰা হয়। এই পিঠা তিনিচুকীয়া তথা কুঠাৰ আকৃতিৰ হোৱা বাবে 'পেইং হ' খান' বোলা হয়। 'পেইং'-পিঠা, 'হ' খান'-কুটাৰৰ মূৰ।

**খাও পুক ঃ** চাউল আৰু তিল গুটিৰপৰা এই বিধ খাদ্য প্ৰস্তুত কৰা হয়। এইবিধ খাদ্য কেৱল টাইফাকেসকলৰ মাজত প্ৰচলন হোৱা দেখা যায়। ইয়াৰ বাবে প্ৰথমতে বৰা চাউল ভাপত সিজাই লৈ খুন্দি সম্পূৰ্ণ পিঠাৰ দৰে কৰি পেলাব লাগে। ইফালে তিলখিনিও পৃথকে জুইত গৰম কৰি খুন্দি গুৰি কৰিব লাগে। তাৰপিছত ভাতৰ লদাখিনিত তিলখিনি মিহলাই সৰু সৰু আকাৰৰ পিঠা কৰিব লাগে। সেয়াই 'খাওপুক'। এইবিধ পৰম্পৰাগত লোক খাদ্য কেইবাদিনলৈ সাচি থৈ পৰিৱেশনৰ সময়ত তেলৰ দি, খৰিকাত দি লৈ প্ৰস্তুত কৰিব পাৰি। ইও টাইফাকেসকলৰ সাংস্কৃতিক পৰিচয় দাঙি ধৰা জাতীয় পিঠা।

**ঞ) মাছৰপৰা প্ৰস্তুত কৰা লোক খাদ্য**

**পা চা ঃ** টাইফাকেসকলে প্ৰস্তুত কৰা এবিধ সুস্বাদু খাদ্য হৈছে ‘পা চা’। ইয়াৰ বাবে প্ৰয়োজনীয় উপকৰণখিনি হৈছে মাছ, উৰিয়াম গছৰ কোমল পাত আৰু বিবিধ মা-মচলা। এইবিধ খাদ্য প্ৰস্তুত কৰিবলৈ প্ৰথমতে মাছখিনি খৰিকাত দি সিজাই ল’ব লাগে। তাৰপিছত মাছৰ কাঁইটখিনি আঁতৰাই সৰু সৰুকৈ এনেদৰে কাটিব লাগে যাতে পিচি দিয়াৰ নিচিনা হয়। অনুৰূপে উৰিয়াম গছৰ কেঁচা কুমলীয়া পাতখিনিও সৰু সৰু কাটি চাহ চেকাৰ দৰে পানী ঢালি ৰসখিনি উলিয়াই ল’ব লাগে। সেই কেঁচা উৰিয়াম পাতৰ ৰস মিশ্ৰিত পানীত সৰুসৰুকৈ কাটি গুৰি কৰি দিয়া মাছখিনি ভৰাই আৰু মা-মচলা দি ভালদৰে মিহলাই দিব লাগে। এনেদৰেই জুই ব্যৱহাৰ নকৰাকৈ ‘পা চা’ প্ৰস্তুত হৈ উঠে। ‘পা চা’ প্ৰস্তুতিৰ বাবে যথেষ্ট সময়ৰ প্ৰয়োজন বাবে সচৰাচৰ নিয়মিতভাৱে প্ৰস্তুত কৰাতকৈ মাজে সময়েহে প্ৰস্তুত কৰা দেখা যায়। ‘পা চা’ৰ অৰ্থ হৈছে মাছ পিচি প্ৰস্তুত কৰা।

**পা চৌম ঃ** টাইফাকেসকলে সামাজিক, সাংস্কৃতিক জীৱনত আটাইতকৈ প্ৰয়োজনীয় লোক খাদ্য হৈছে ‘পা চৌম’। ইয়াৰ অৰ্থ টেঙা মাছ। এইবিধ খাদ্য উপকৰণ বিবাহ অনুষ্ঠান, কেচুৰাক নামকৰণ অনুষ্ঠানকে আদি কৰি বহু কেইটা সামাজিক অনুষ্ঠান অপৰিহাৰ্য উপাদান। অতি সামান্য পৰিমাণৰ হ’লেও এনে অনুষ্ঠানত ‘পা চৌম’ প্ৰয়োজন হয়। ইয়াৰ প্ৰস্তুতিৰ বাবে প্ৰায় এসপ্তাহৰ প্ৰয়োজন হয়। সেইবাবে প্ৰয়োজন হোৱা মূল অনুষ্ঠানৰ প্ৰায় এসপ্তাহৰ আগতে ‘পা চৌম’ প্ৰস্তুত কৰা হয়। ইয়াৰ বাবে মাছখিনি খুন্দি খুন্দি পিঠা সদৃশ কৰি ল’ব লাগে। তাৰপিছত তাক নিৰ্দিষ্ট পৰিমাণৰ নিমখ আৰু প্ৰয়োজনীয় উপাদানখিনি মিহলাই সজাত ভৰাই ওলমাই থোৱা হয়। এনেদৰে এসপ্তাহমান ৰখাৰ পিছত মাছখিনি টেঙা হৈ পৰে আৰু খোৱাৰ উপযোগী হৈ পৰে। তেতিয়া সজাৰপৰা উলিয়াই বিভিন্ন ধৰণেৰে সিজাই পৰিৱেশন কৰা হয়। ই অতিশয় সুস্বাদু। এই ধৰণৰ খাদ্য প্ৰস্তুতি কেৱল টাইফাকেসকলে কৰা দেখা যায়।

ইয়াৰোপৰি টাইফাকেসকলে নিজা পৰম্পৰাগত প্ৰণালীৰে আৰু স্বকীয়তা বৰ্তাই প্ৰস্তুত কৰা লোক খাদ্যসমূহৰ ভিতৰত হৈছে - **ন চৌম ঃ** (খৰিচা টেঙা। এই ব্যৱস্থাৰে বছৰ দিনলৈকে সংৰক্ষণ কৰি খাদ্য হিচাপে ব্যৱহাৰ কৰি থাকিব পাৰি।),

**ন চে’ ঃ** (বাঁহ গছৰ আগ কাটি পানী তিয়াই থৈ কেইবাদিনলৈ খাদ্যৰূপে ব্যৱহাৰ কৰি পাৰি।)। **পাকাত চৌম ঃ** লাই পাতক বিশেষভাৱে টেঙা কৰি বহু দিনলৈ সংৰক্ষণ কৰি বিভিন্ন সময়ত খাদ্য হিচাপে ব্যৱহাৰ কৰিব পাৰি। **পাপুক চৌম ঃ** বিশেষ প্ৰজাতিৰ কচু গছৰ পাত সংগ্ৰহ কৰি পাতৰ মাজত থকা আঁহখিনি আঁতৰাই লৈ পাতখিনি সৰু সৰুকৈ কাটি ল’ব লাগে। তাৰপাছত টেঙা কৰাৰ ব্যৱস্থা কৰা হয়। এই বিধ খাদ্য উপকৰণ টাইফাকে সমাজত বিশেষভাৱে জনপ্ৰিয় আৰু তেওঁলোকৰ সমাজতহে এনে লোক খাদ্য প্ৰস্তুত কৰা দেখা যায়।

ইয়াৰ উপৰিও আৰু বহু খাদ্য উপাদান আছে যিবোৰে টাইফাকে সকলৰ খাদ্য পৰম্পৰাক সমৃদ্ধিশালি কৰিছে।

**৩. লোকগীত**

টাইফাকে সমাজত প্ৰচলিত লোকগীতসমূহক অন্তৰ্নিহিত অৰ্থ, ব্যাখ্যা তথা উপলক্ষ্যৰ ভিত্তিত কেইবাটাও ভাগত ভাগ কৰিব পাৰি।

ক) **ধৰ্মীয়, উপাসনা লগত জড়িত লোকগীত ঃ** বৌদ্ধ ধৰ্মাৱলম্বী টাইফাকেসকলৰ মাজত বিভিন্নধৰণৰ প্ৰাৰ্থনা বা স্তুতি গীত মৌখিকভাৱে প্ৰচলিত হৈ আহিছে। এনে গীতবোৰৰ বিষয়বস্তু প্ৰায় একেধৰণৰ হ’লেও গীতবোৰত বহু মৌলিকত্ব বিচাৰি পোৱা যায়। ব্যক্তি বিশেষৰ স্তুতিবোৰত নিজা চিন্তা-ভাৱনাৰে বা বোধেৰে নতুন নতুন শব্দ চয়ন যোগ কৰি পৰিৱেশন কৰা দেখিবলৈ পোৱা যায়।

**‘খাম পাই ফ্ৰা’ ঃ** টাইফাকেসকলৰ প্ৰতিটো পৰিয়ালে পুৱাৰ ভাগত পৰিয়ালৰ সদস্যসকলৰ আহাৰ গ্ৰহণৰ পূৰ্বে ভগৱান বুদ্ধৰ সন্মুখত আহাৰ আগবঢ়াই স্তুতি কৰে। সেই সময়ছোৱাত ত্ৰিৰত্ন আৰু পঞ্চশীল আওৱাৰ উপৰিও বুদ্ধৰ সন্মুখত জীৱনৰ আৰু পৰিয়ালৰ কুশল কামনা কৰি আৰু ভৱিষ্যতৰ বুদ্ধ ‘আলিমিটেয়া’ সাক্ষাৎ লাভৰ প্ৰাৰ্থনাৰে স্তুতি

কৰে। সুৰীয়াকৈ পৰিৱে শন কৰা এনে স্তুতিবোৰক ‘খাম পাই ফ্ৰা’ বুলিব পাৰি। ‘খাম’ মানে - কথা বা গীত, ‘পাই ফ্ৰা’ মানে বুদ্ধৰ সন্মুখত স্তুতি। ব্যক্তি বিশেষৰ স্তুতি প্ৰায় এনে ধৰণৰ বা একে পৰ্যায়ৰ হ’লেও সেইবোৰ মৌখিকভাৱে চলি অহা গীতহে। স্তুতিৰ মূল কথা প্ৰায় একে হ’লেও ব্যক্তি বিশেষে কোনো কোনো পংক্তি সলাই নিজৰ ধৰণেৰে যোগ কৰে। সেইবাবে ব্যক্তি নিৰ্বিশেষে ই মৌলিক আৰু পৃথক। ‘খাম পাই ফ্ৰা’বোৰ পৰম্পৰাগতভাৱে চলি আহিছে বাবে প্ৰজন্মৰ পিছত প্ৰজন্ম অতিক্ৰম কৰি আহোঁতে পৰিৱেশন শৈলী আৰু সুৰত কিছু পৰিৱৰ্তন নহাকৈ থকা নাই। স্তুতিৰ সময় আৰু বিষয় অনুসৰি পৰিৱেশন কৰা গীতবোৰো বেলেগ বেলেগ হয়। যেনে - মম জ্বলাওতে, ফুল আগবঢ়াওতে, আহাৰ আগবঢ়াওতে আদি।

**খ) উৎসৱৰ লগত জড়িত লোকগীত ঃ**

**‘খাম য়ন কং’ ঃ** উৎসৱসমূহত পৰিৱেশন কৰা এটি গীত হৈছে ‘খাম য়ন কং’। উৎসৱৰ আনন্দৰ মাজতে পৰম্পৰাগত ঢোল (কং) বজাওতে ডেকাসকলে গীতটি পৰিৱেশন কৰে। ৰাজহুৱা তথা ব্যক্তিগত পৰ্যায়ত আয়োজন কৰা দানোৎসৱত ডেকাসকলে টাইফাকে পৰম্পৰাগত বাদ্যসহিতে নৃত্যত অংশগ্ৰহণ কৰে। এনে নৃত্য পৰিৱেশন সময়তে অংশগ্ৰহণকাৰীসকলে গৃহস্থৰ লগতে ৰাইজক প্ৰশংসা কৰি গীত পৰিৱেশন কৰে আৰু শিল্পীসকলৰ বাবে দায়ক-দায়িকাসকলৰ পৰা দান বিচাৰে। ইয়াৰ বাবে ডেকাসকলে গীতেৰে সেই আহ্বান জনায়। তদুপৰি গীত পৰিৱেশনৰ লগতে নৃত্যত অংশগ্ৰহণ কৰিবলৈ সকলো পক্ষক আহ্বান জনায়। এনে সময়ত গৃহস্থই বা ৰাইজৰ ফালৰপৰা ডেকাসকলক উদ্দেশ্যিও গীত পৰিৱেশন কৰা দেখা যায়। এনেবোৰ গীত সাধাৰণতে তাৎক্ষণিকভাৱে সৃষ্টি কৰা হয়। পৰিৱেশ আৰু পৰিস্থিতি অনুৰূপে শিল্পীসকলে গীতৰ সুৰ তথা ছন্দ ধৰি ৰাখি নতুন নতুন শব্দচয়ন সংযোজন কৰি গীতসমূহ পৰিৱেশন কৰে। এনেধৰণৰ গীতি ধাৰাক ‘খাম য়ন কং’ বুলি কোৱা হয়। কোনো কোনো সময়ত ‘খাম ঐ য়ন চু কা কং’ বা ‘খাম কা কং’ বুলিও জনা যায়। ‘খাম ঐ য়ন চু কা কং’ৰ অৰ্থ হৈছে ঢোল পৰিৱেশন কৰাৰ বাবে মাননি আহ্বান কৰা গীত। সেই অৰ্থৰেই চমু ৰূপ হৈছে ‘খাম য়ন কং’ বা ‘খাম কা কং’। ঢোল লৈ (কা কং) নৃত্য কৰি তাৰ ছেৱে ছেৱে গীত পৰিৱেশন কৰাটো টাইফাকেসকলৰ অন্যতম ৰাজকীয় পৰম্পৰা। যিকোনো ধৰ্মীয় কামকাজত আৰু কোনো বিশিষ্ট অতিথিক আদৰিবলৈ এই নৃত্য পৰিৱেশন কৰা হয়। কিন্তু সকলো উপলক্ষত গীত পৰিৱেশন কৰা নহয় বা কৰিলেও দান-দক্ষিণা বা মাননি বিচাৰি গোৱা গীতৰ সলনি অন্য প্ৰশংসাসূচক গীতহে পৰিৱেশন কৰা দেখা যায়। সকলো টাইফাকে গাঁৱতে এই ধাৰাৰ নৃত্য-গীত প্ৰচলন আছে আৰু সকলোৱে সমানে অংশগ্ৰহণ কৰে।

**‘খাম লাক মলম’ ঃ** ‘মাই ক’ চুম ফাই’ উৎসৱৰ সময়ত গীতটি পৰিৱেশন কৰা হয়। ই এক ধৰণৰ ধেমেলীয়া গীত। ‘মাই ক’ চুম ফাই’ৰ পূৰ্ব সন্ধ্যা ৰাইজৰ মুক্তহস্তে দান দিবলৈ, ৰাজহুৱা ভোজৰ বাবে ঘৰৰপৰা কিঞ্চিত খাদ্য সামগ্ৰী দান ৰূপে পাবলৈ ঘৰে ঘৰে গৈ গীতটি পৰিৱেশন কৰা হয়। বৰ্তমান এই গীতধাৰাৰ প্ৰচলন কমি আহিছে।

**গ) আনন্দ, বিনোদনমূলক লোকগীত ঃ** টাইফাকে সমাজত প্ৰচলিত বহু লোকগীতত আনন্দ বিনোদনৰ উপাদান দেখিবলৈ পোৱা যায়। উৎসৱৰ সৈতে যুক্ত গীত যেনে ‘খাম য়ন কং’, ‘খাম লাক মলম’ আচলতে আনন্দ বিনোদনমূলক গীত। আন এটি লোকগীতৰ শাখা ‘চাঐ’ গীতিধাৰাকো আনন্দ বিনোদনমূলক লোকগীত হিচাপে আলোচনা কৰিব পাৰি।

**‘চা ঐ’ ঃ** ‘চা ঐ’ গীতিধাৰাৰ মূল উপজীব্য বিষয় হৈছে প্ৰকৃতি আৰু ডেকা-গাভৰুৰ প্ৰেম-পীৰিতি। অৱশ্যে প্ৰকৃতি আৰু প্ৰেমৰ কথা প্ৰকাশ কৰোঁতে কেৱল আনন্দ বিনোদনমূলক সেই বিষয়বস্তুৰেই নাথাকে। তাৰ লগত জাতীয় জীৱনৰ সকলো বিষয়, দুখ-বিষাদৰ অনুভূতিও প্ৰকাশ পায়। ‘চা ঐ’ গীতসমূহ দুটা অংশ বিভক্ত হৈ থাকে। তাৰে প্ৰথম অংশত পোনপটীয়াকৈ প্ৰকাশ নকৰি প্ৰতীক, উপমা আদিৰে উপস্থাপন কৰা হয় আৰু দ্বিতীয় অংশত ক’বলৈ বিচৰা মূল কথাখিনি উপস্থাপন কৰা হয়। গীতত প্ৰকৃতি, প্ৰকৃতিৰ ৰূপ-বৰ্ণ, জোন-বেলি-তৰা, ফুল আদিবোৰক উপমা অলংকাৰ হিচাপে ব্যৱহাৰ কৰি (প্ৰেমিক-প্ৰেমিকাই) মনৰ ভাৱ প্ৰকাশ কৰে। স্বভাৱ শিল্পীসকলে

'চা ঐ' গীত ৰচনা আৰু পৰিৱেশন কৰে আৰু অতীতৰপৰা মৌখিকভাৱে গীতসমূহ চলি আহিছে। আনন্দ, বিনোদনৰ উপৰিও 'চা ঐ' গীতত অতীতৰ চিন্তা চেতনাৰ প্ৰকাশ ঘটাৰ লগতে আধুনিক যুগৰ ধ্যান ধাৰণাৰো প্ৰকাশ ঘটিছে। 'চা ঐ' শব্দৰ পোনপটীয়া অৰ্থৰ ব্যাখ্যা কৰিব নোৱাৰি যদিও ই স্বগতোক্তিমূলক। এনেকুৱাও ঘটিছিল, এনেকুৱাই আছিল, এনেধৰণৰো হয় - শব্দটিয়ে তেনেধৰণৰ অৰ্থ প্ৰকাশ কৰে।

**খ্যে খ্যাং ঃ** 'খ্যে খ্যাং' হ'ল সমূহীয়াভাৱে পৰিৱেশন কৰা গীত আৰু ইয়াৰ মূল বাৰ্তা ধেমেলীয়া আৰু আনন্দদায়ক। 'খ্যে খ্যাং' গীতৰ সুৰ ছন্দোৱদ্ধ। সুৰ আৰু ছন্দক উপেক্ষা কৰি 'খ্যে খ্যাং' গীত ৰচনা কৰিব আৰু গাব নোৱাৰি। কাৰণ বিষয়বস্তু বা কাহিনীৰ লগতে নিৰ্দিষ্ট ছন্দ 'খ্যে খ্যাং' গীতৰ মূল বৈশিষ্ট্য।

**'খাম হং চাও' ঃ** সামাজিকভাৱে অনুষ্ঠিত বিবাহত দৰা পক্ষই কইনাক আৰু কইনা পক্ষক আদৰি নিব লাগে। একেখন গাঁৱত বিবাহ সম্পন্ন হ'লে সচৰাচৰ কইনা খোজকাঢ়ি দৰাৰ ঘৰলৈ যায়। তেনেক্ষেত্ৰত কইনাক কোঠাৰপৰা ওলাই আহিবলৈ আহ্বান কৰি দৰা পক্ষই গীতটি পৰিৱেশন কৰে আৰু দৰাৰ পদূলি পোৱালৈ মাজে মাজে পৰিৱেশন কৰা হয়। অন্যহাতে দূৰৰ গাঁও বা ঠাইৰ ক্ষেত্ৰত কইনাৰ কোঠাৰপৰা পদূলি পোৱালৈ আৰু পাছত দৰাৰ ঘৰ পোৱাৰ আগমুহূৰ্তত গীতটি পৰিৱেশন কৰা হয়। এই গীত পৰিৱেশন কৰাটো সামাজিক ৰীতিৰ ভিতৰত নপৰে। ই নিতান্তই আনন্দ প্ৰকাশৰ আৰু বিনোদনমূলক। দৰা পক্ষৰ লগত যোৱা ডেকা-গাভৰুসকলে এই গীতত অংশগ্ৰহণ কৰে।

**ঙ) খেল-ধেমালিৰ গীত ঃ** ধেমালিৰ চলেৰে পৰিৱেশন কৰা বহু গীত টাইফাকে সমাজত প্ৰচলিত। ই শৈশৱ আৰু কৈশোৰ বয়সন্ধিৰ ল'ৰা-ছোৱালীক উদ্দেশ্যি গোৱা হয় বা সেই বয়সৰ ল'ৰা-ছোৱালীয়ে খেলি থাকোঁতে খেলৰ উপাদান ৰূপে এনে গীত পৰিৱেশন কৰে। এনেবোৰ গীত পৰিৱেশনৰ কোনো নিৰ্দিষ্ট প্ৰসংগ নাথাকে।

**'খাম লেইন' ঃ** সমবয়সৰ ল'ৰা-ছোৱালীয়ে একে লগে সময় অতিবাহিত কৰোঁতে, খেলোঁতে কিছুমান গীত গায়। সেইবোৰ ধেমেলীয়া ধৰণৰ, ছন্দোবদ্ধ। এই গীতবোৰ ল'ৰা-ছোৱালীয়ে নিজে সৃষ্টি নকৰে। বৰং পৰম্পৰাগতভাৱে চলি অহা গীতবোৰেই তেওঁলোকে পৰিৱেশন কৰে। 'খাম তা' (সাঁথৰ) সেই শ্ৰেণীৰ গীত বুলি ক'ব পাৰি। সেই সাঁথৰসমূহ পৰিৱেশন কৰোঁতে ল'ৰা-ছোৱালীয়ে সুৰ লগাই সোধে। সুৰ সংযোজনৰ বাবেই সাঁথৰবোৰো গীতৰ শাৰীত আৰু 'খাম লেইন' হিচাপে বিবেচনা কৰিব পাৰি।

**'খাম নন চ্ছান' ঃ** 'খাম নন চ্ছান'বোৰ 'খাম লেইন'ৰ সমপৰ্যায়ৰ আৰু কেতিয়াবা নিচুকনি গীতৰ সমপৰ্যায়ৰ। শিশুসকলক উদ্দেশ্য কৰি জ্যেষ্ঠ (ককা-আইতা, মা-দেউতা)সকলে ছন্দোৱদ্ধভাৱে নীতিশিক্ষামূলক, অৰ্থযুক্ত গীত পৰিৱেশন কৰি শুনায়। অতীজতে চাংঘৰৰ মুকলি চাঙত সন্ধিয়াতে পৰিয়ালৰ সকলোৱে মিলি বহোতে গীতবোৰ ৰচনা আৰু পৰিৱেশন কৰা হয় বাবে সেই পৰিৱেশ অনুসৰি গীতটিৰ নামকৰণ কৰা হৈছে। য'ত 'খাম' মানে কথা বা গীত, 'নন চ্ছান' মানে মুকলি চাঙত জিৰণি লোৱা। এনে গীতবোৰৰ অন্তৰ্নিহিত উদ্দেশ্য হৈছে ল'ৰা-ছোৱালীক নীতি শিক্ষা দিয়া, সংস্কৃতিৰ সৈতে পৰিচয় কৰোৱা, শিশুমনৰ বোধৰ জগতখন সম্প্ৰসাৰিত কৰা। এনে নীতি শিক্ষাৰ অন্য এক বৈশিষ্ট্য হৈছে ইয়াৰ প্ৰতিটোৰে ব্যাখ্যা বা সংযোজনৰ আঁৰত আছে বাস্তৱতা, যুক্তি আৰু বৈজ্ঞানিক পৰ্যবেক্ষণ। সেইবাবে সেইবোৰ যুগ যুগৰ পিছতো, প্ৰজন্মৰ পিছত প্ৰজন্মৰ ধৰি সমানে প্ৰচলিত আৰু জনপ্ৰিয় হৈ আছে।

**চ) কৃষিকৰ্ম/শ্ৰমৰ লগত জড়িত লোকগীত**

গ্ৰাম্য জীৱন, শ্ৰম আৰু কৃষিৰ সৈতে যুক্ত টাইফাকেসকলৰ মাজত কেইবা ধৰণৰ লোকগীতি ধাৰা প্ৰচলিত। সেইবোৰৰ ভিতৰত পুৱতি নিশা উৰালত ধান বানি থাকোঁতে গোৱা গীত 'চয় য়য়', পথাৰৰপৰা শেষৰ মুঠি ধান কাটি অনাৰ সময়ত লখিমী আৱাহনী গীত 'খাম হং খন খাও', মৰণা মাৰি শেষ কৰাৰ পাছত গুটি ধান ভঁৰালত ভৰোৱাৰ সময়ত 'খাম হং খন খাও' গীত পৰিৱেশন কৰা হয়।

**খাম চয় য়য় ঃ** অতীজতে গ্ৰাম্য জীৱনৰ পৰিৱেশত উৰালত ধান বানোতে হোৱা ছন্দোবদ্ধ লয়ৰ লগে লগে ধান বনা মহিলাসকলে (বিশেষভাৱে) এই গীত গাইছিল। পাছলৈ এই ধৰণৰ গীত টাইফাকেসকলৰ সম্ভ্ৰান্ত

লোকগীতিধাৰা হিচাপে বিবেচিত হৈ পৰে। বৰ্তমান ই টাইফাকে সমাজৰ সাংস্কৃতিক জীৱনৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছে। এই গীতসমূহৰ কোনো নিৰ্দিষ্ট বিষয় নাই। ই বিশেষকৈ বৰ্ণনামূলক। ধান বানোতাই যেতিয়া উৰালৰ মাৰিৰে নিৰ্দিষ্ট লয়ত ধান খুন্দি থাকে তেতিয়া তেওঁলোকে নিজৰ জীৱনৰ সুখ-দুখ, আশা-নিৰাশা, পোৱা-নোপোৱা, আনন্দ-বিষাদ আদি সকলোবোৰ আবেগ ঢালি এই গীতৰ মাজেৰে প্ৰকাশ কৰে। সেয়ে এই গীতসমূহ আত্মনিবেদনমূলক হয়। আবেগ-অনুভূতিৰ ঢৌ বোৱাই প্ৰাণ ঢালি গোৱা এই গীতে শ্ৰোতাৰ মনৰ অনুভূতিকো স্পৰ্শ কৰি যায়।

**খাম হং খন খাও (লখিমী আৱাহনী গীত)** ঃ কৃষিজীৱি টাইফাকে সমাজত লখিমী আৱাহনী গীত কেইবা পৰ্যায়ৰ দেখিবলৈ পোৱা যায়। ধান কটাৰ শেষত পথাৰৰপৰা শেষ মুঠি ধান অনাৰ সময়ত লখিমী আৱাহন কৰে। ইয়াৰ উপৰিও মৰণা মৰাৰ পিছত ধান গুটি ভৰাঁলত ভৰোৱাৰ সময়তো লখিমী আৱাহনী গীত গোৱা হয়। ধান কাটিবলৈ আৰম্ভ কৰা প্ৰথম দিন, পথাৰত হাল বাবলৈ যোৱা প্ৰথম দিনতো কৃষি কৰ্মত সফলতা লাভ কৰিবৰ বাবে এক ধৰণৰ গীত গোৱা হয়। সেয়াও মাটিৰ উৰ্বৰা প্ৰাৰ্থনা কৰা গীত তথা স্তুতি। অৱশ্যে সকলো পৰ্যায়ৰ গীতৰ বিশিষ্টতা বেলেগ বেলেগ। ইয়াৰ উপৰিও ধানৰ লগতে যুক্ত অন্য লোকাচাৰতো তাক পৰিৱেশন কৰা দেখিবলৈ পোৱা যায়।।

লখিমী আৱাহনী গীতবোৰ সম্পূৰ্ণ মৌখিক আৰু মৌলিক। স্বভাৱ শিল্পীসকলে বহু দীঘলীয়াকৈ বিভিন্ন কথা যুক্ত কৰি পৰিৱেশন কৰি যাব পাৰে। অন্য হাতে তেনে চৰ্চা নথকাসকলে গদ্য শৈলীত মূল কথাখিনি কৈ সামৰি দিয়া দেখা যায়।

**ছ) আখ্যান গীত, মালিতা** ঃ মালিতা গীত টাইফাকে সমাজত প্ৰচলিত অন্য এক লোকগীতি ধাৰা। এই ধাৰাৰ গীতক বিশেষ নামেৰে জনা নাযায় যদিও একোটা জনশ্ৰুতি, কাহিনীৰ পৰা লোৱা বা কাহিনীকে উপস্থাপন কৰি গোৱা বাবে তাক 'খাম পুং' বুলিব পাৰি। 'খাম' মানে কথা বা গীত আৰু 'পুং' মানে কাহিনী। কাহিনীৰ দুখজনক পৰিণতিৰ অংশবোৰকে গীত হিচাপে পৰিৱেশন কৰা দেখা যায়। সেইবাবে এইবোৰ আখ্যান গীত বা মালিতা হিচাপেও ক'ব পাৰি।

**'ৰ' পেইম চাম ল'' গীত (মালিতা)** ঃ টাইফাকে সমাজত প্ৰচলিত জনশ্ৰুতিমূলক কাহিনীৰ ভিতৰত আটাইতকৈ জনপ্ৰিয় কাহিনী হৈছে 'ৰ-পেইম-চাম-ল'ৰ কাহিনী। এই কাহিনী টাইফাকে হিচাপে প্ৰতিষ্ঠা লাভৰো পূৰ্বৰ। এগৰাকী দীপলিপ ছোৱালী 'ৰ-পেইম' আৰু সুঠাম ডেকা 'চাম-ল'ৰ দুৰ্দান্ত প্ৰেম কাহিনীৰ মূল বিষয় যদিও সেই সময়ৰ সমাজ ব্যৱস্থাৰ অৱস্থাও তাৰ মাজেদি প্ৰতিফলিত হৈছে। এই কাহিনীৰ আধাৰত ৰচিত গীত ৰচনা কৰা হয়। সেইবোৰ মালিতাধৰ্মী গীতি ধাৰা।

**'খাম ঐ' বা 'খাম এ' ন'** ঃ 'খাম ঐ' টাইফাকে সমাজত প্ৰচলিত এক লোকগীতি ধাৰা। 'খাম ঐ' দুই ধৰণৰ। কিছুমান 'খাম ঐ' কোনো উপলক্ষ্যত লোকশিল্পীয়ে নিজে ৰচনা কৰি পৰিৱেশন কৰে। আনহাতে কিছুমান 'খাম ঐ' গোৱা হয় উল্লেখনীয় পুথিৰ অংশৰ পৰা। মহাকাব্য, উল্লেখনীয় ধৰ্মীয় পুথি, জাতক পুথিবোৰৰ নিৰ্বাচিত অংশক লৈ এনে 'খাম ঐ' পৰিৱেশন কৰা হয়। টাইফাকেসকলৰ মাজত প্ৰচলিত নাটকবোৰত এনে 'খাম ঐ' প্ৰচলন বেছিকৈ পৰিলক্ষিত হয়। এইবোৰ কবিতা পাঠ আৰু আবৃত্তিৰ লগতো ৰিজাব পাৰি।

**'খাম ঙিন ফান' গীত** ঃ মৃত্যু জীৱনৰ বাস্তৱ আৰু কৰুণ পৰিণতি। মৃত্যুৰ স্মৃতি কাৰুণ্যৰে ভৰা। সেই কৰুণ স্মৃতিৰ কাৰুণ্যখিনি বেছি প্ৰকট হৈ পৰে আত্মীয়ৰ কোনোবাই বিলাপ কৰিলে। কোনো লোকৰ মৃত্যু হ'লে স্বভাৱ শিল্পী আত্মীয়ই স্মৃতিকাতৰ হৈ বিলাপ কৰে। সংযোজিত সুৰৰ বাবে তাক একপ্ৰকাৰৰ বিলাপ গীত বুলিব পাৰি।

**জ) 'খাম লাও লুক অন' (নিচুকনি গীত)** ঃ 'খাম লাও লুক অন' টাইফাকেসকলৰ নিচুকনি গীত। কেঁচুৱাই টোপনি যাবৰ সময়ত আমনি কৰিলে শোৱাবৰ বাবে শিশু বা কেঁচুৱাক নিচুকাই এই গীত গোৱা হয়। কোমল, মধুৰ সুৰৰ গীতবোৰৰ নিৰ্দিষ্ট কোনো বিষয়বস্তু নাথাকে। এই গীতবোৰৰ প্ৰধান আধাৰ হৈছে সুৰ। শিশুৰে কোমল মনৰ সপোন, কল্পনাৰ ৰহন লাগি বিচিত্ৰ ৰূপ পোৱা পৰিৱেশ একোটিয়ে মাতৃ মনৰ আবেগ-অনুভূতিৰ মাজত যেন প্ৰাণ পাই উঠে। ধীৰ লয়ত গোৱা গীতৰ মূৰ্চ্ছনাই শিশুৰ মন স্পৰ্শ কৰি শান্ত কৰি তোলে। শিশু মনৰ ৰহণ সনা কাল্পনিক জগতখনৰ লগত

সামঞ্জস্য থকাকৈ এই গীতসমূহো বাস্তৱ-অবাস্তৱ কথাৰে সানমিহলি। শিশুৰ কল্পজগতত বিচৰণ কৰি থকা চিত্ৰ -বিচিত্ৰ ছবিসমূহ এই গীতত প্ৰাণ পাই উঠে।

**ঋ) উপদেশমূলক গীত ঃ**

টাইফাকে সমাজত প্ৰচলিত এটি গীতিধাৰা হৈছে নীতি শিক্ষামূলক গীত। বাস্তৱিক জীৱনৰ নানান কথা বৰ্ণনা কৰি এনে গীতবোৰ পৰিৱেশন কৰা হয়।

**'খাম পু চন লান' (ককাই নাতিক দিয়া নীতিশিক্ষা) ঃ** 'খাম পু চন লান' হৈছে এক বিশেষ বৈশিষ্ট্যপূৰ্ণ গীতিধাৰা। ল'ৰা-ছোৱালীৰ উদ্দেশ্যে নীতিশিক্ষামূলক ভাৱ-ভাষাৰে ৰচনা কৰা আৰু ককাৰ মুখৰ বচন হিচাপে উপস্থাপন কৰা হয়। গীতসমূহ বাস্তৱ জীৱনৰ তাত্ত্বিক আদৰ্শৰ প্ৰকাশক। 'খাম পু চন লান'ৰ পোনপটীয়া অৰ্থ হ'ল ককাই নাতিক দিয়া নীতিশিক্ষা।

**ঞ) আশীৰ্বাদমূলক গীত ঃ**

টাইফাকেসকলৰ মাজত আশীৰ্বাদমূলক একধৰণৰ গীতিধাৰা প্ৰচলিত হৈ আহিছে। ব্যক্তিভেদে এনে গীতৰ পৰিৱেশন শৈলী বেলেগ বেলেগ হয়। স্বভাৱশিল্পীভেদে অতি মনোগ্ৰাহীকৈ কথাৰ ৰস লগাই, নিজা নিজা মৌলিক শব্দচয়ন সংযুক্ত কৰি পৰিৱেশন কৰে।

**'খাম ফুক মাই' (সূতা বান্ধি আশীৰ্বাদ দিয়া গীত) ঃ** বৌদ্ধ ধৰ্মৰ পৰম্পৰা অনুসৰি জ্যেষ্ঠসকলে বৰ্ষাবাস ব্ৰত পালনৰ অন্তত আৰু 'পয় চাং কেন' উদযাপনৰ অন্তত কনিষ্ঠসকলক হাতত শুধ বগা সূতা বান্ধি আশীৰ্বাদ দিয়ে। বছৰৰ এই সময়ছোৱাত কনিষ্ঠসকলে বা সন্তানসকলে পিতৃ-মাতৃৰপৰা আশীৰ্বাদ লয়। তেতিয়া জ্যেষ্ঠসকলে বা পিতৃ-মাতৃয়ে এনে আশীৰ্বাদমূলক গীত পৰিৱেশন কৰে।

**'খাম লিক ৰৈ' (সমজুৱা শলাগ জ্ঞাপনমূলক গীত) ঃ** টাইফাকেসকলে সকলো ধৰ্মানুষ্ঠান, ঘৰুৱা অনুষ্ঠানৰ শেষত একধৰণৰ শলাগ জ্ঞাপনৰ গীত পৰিৱেশন কৰে। তাক কোৱা হয় 'লিক ৰৈ'। তাৰ জৰিয়তে শুভ কামৰ পুণ্যভাগ দি তেওঁলোকৰ নাম কৈ ধন্যবাদ জ্ঞাপন আৰু শলাগ জ্ঞাপন কৰে। এই ক্ষেত্ৰত অকল ব্যক্তি বিশেষেই নহয় গছগছনি, প্ৰাণীকুল, পোক-পতংগ ভূত-প্ৰেত সকলোকে সামৰি পুণ্যভাগ বিতৰণ কৰে গীতৰ মাজেদি। 'লিক ৰৈ' এক প্ৰকাৰ আধুনিক কবিতা বুলিব পাৰি। কাৰণ ইয়াৰ উপমা, অলংকাৰ আদিৰ প্ৰচুৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। সেইখিনি সুৰীয়াকৈ পৰিৱেশন কৰে বাবে গীতৰ তালিকাত অন্তৰ্ভুক্ত কৰা হয়।

**৪) ভাষা-সাহিত্য, পৰম্পৰাগত পুথি**

**টাইফাকে লিপি ঃ** টাইফাকে ভাষাৰ মুঠ ১৭ টাকৈ বৰ্ণ আছে। বৰ্ণকেইটা হৈছে - কা, খা, ঙা, চ্ছা, ঞা, টা, ঠা, না, পা, ফা, মা, য়া, লা, ৱা, চা, হা, আ। টাইফাকে ভাষাৰ কোনো স্বৰবৰ্ণ নাই। কেৱল স্বৰচিহ্নহে আছে। সেই চিহ্নবোৰে নিজে স্বয়ংক্ৰিয়ভাৱে উচ্চাৰণ নিৰ্দিষ্ট নকৰে। সেই চিহ্নই একোটা বৰ্ণৰ লগত যুক্ত হৈ অন্য এক সুকীয়া উচ্চাৰণ দাঙি ধৰে। অন্যহাতে টাইফাকে ভাষাত দুটা বৰ্ণ যুক্ত কৰি পৃথক উচ্চাৰণ উলিওৱা হয়। সেই নিৰ্দিষ্ট চিহ্নটোক '*চাত*' কোৱা হয়। সেই চিহ্নৰ জৰিয়তে দুটা বৰ্ণক একেলগে উচ্চাৰণ কৰা হয়। যুক্তাক্ষৰৰ দ্বিতীয়টো বৰ্ণৰ ওপৰত 'চাত' চিহ্ন দিয়া থাকিলে সেয়া যুক্তাক্ষৰ বুলি ধৰা হয় আৰু সেইমতে উচ্চাৰণ কৰা হয়। তদুপৰি বৰ্ণৰ লগত স্বৰচিহ্ন আৰু তাৰ লগত বৰ্ণ যোগ কৰি সুকীয়া উচ্চাৰণ উলিওৱা হয়। এনে যুক্ত বৰ্ণৰ সংখ্যা যোগ কৰিলে টাইফাকে ভাষাৰ মুঠ মূল বৰ্ণ শতাধিক হয়গৈ।

টাইফাকে ভাষাত এনে বহু শব্দ আছে যিবোৰ কেৱল এটা বৰ্ণ আৰু তাৰ লগত একোটা স্বৰচিহ্ন যুক্ত হৈ এটা পূৰ্ণাংগ আৰু অৰ্থপূৰ্ণ শব্দ হিচাপে ব্যৱহৃত হয়। যেনে- কা, খা, চা, না, মা, পা, য়া আদি। একোটা বৰ্ণ আৰু একোটা স্বৰচিহ্নই একোটা শব্দ ৰূপ লয় আৰু পূৰ্ণ অৰ্থ প্ৰকাশ কৰে। বহু যুক্তাক্ষাৰী শব্দও এককভাৱে একোটা স্বয়ংসম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব পাৰে।

টাইফাকে ভাষাৰ শব্দবোৰৰ কোনো পৰিৱৰ্তন নহয়। বিভক্তি বা প্ৰত্যয় আদি যুক্ত কৰি শব্দৰ মূল অৰ্থ পৰিৱৰ্তন নহয়। শব্দৰ লগত আগত বা পিছত শব্দ যোগ কৰিহে শব্দ বা বাক্যৰ ক্ৰিয়াৰ কাল, একবচন, বহুবচন আদি সূচোৱা হয়। যেনে -

কাও-মই, কিন-খোৱা, খাও-ভাত

এই দুটা শব্দত তিনিটা কালত প্ৰকাশ কৰিবলৈ হ'লে

১) মই ভাত খাইছিলোঁ। (অতীত)

২) মই ভাত খাইছোঁ। (বৰ্তমান)

৩) মই ভাত খাম। (ভৱিষ্যত)

তাক লিখিবলৈ হ'লে -

১) কাও খাও কিন কা। (অতীত)

২) কাও খাও কিন ছোঁ। (বৰ্তমান)

৩) কাও খাও তা কিন। (ভৱিষ্যত)

টাইফাকে ভাষা সুৰ প্ৰধান। সুৰ হৈছে ভাষাটোৰ অলংকাৰ। এক কথাত ক'ব পাৰি যে সুৰ অবিহনে টাইফাকে ভাষাত অৰ্থ প্ৰকাশ হোৱাকৈ কথা পতাতো একপ্ৰকাৰ অসম্ভৱ কথা। প্ৰতিটো শব্দৰেই কম পক্ষেও ছটা সুৰ দেখিবলৈ পোৱা যায়। কিছুমান শব্দৰ সাতটা কিছুমানৰ আঠটা পৰ্যন্ত সুৰ বা উচ্চাৰণগত বিবিধতা থাকে। তদুপৰি কিছুমান শব্দৰ সামান্য পাৰ্থক্যত তিনিধৰণেৰে উচ্চাৰণ কৰিব পাৰে আৰু সেই তিনিটাৰো পুনৰ কেইবাটাও সুৰত প্ৰকাশ কৰিব পাৰে। ইয়াৰ কেইটামান উদাহৰণ নিম্নোক্তত দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

১) না১ - কাজিয়া

২) না২ - পথাৰ

৩) না৩ - মুখমণ্ডল

৪) না৪ - মামা, মোমাই

৫) না৫ - পমি যোৱা

৬) না৬ - ডাঠ

**সাহিত্য**

টাইফাকে সাহিত্যক পোনপটীয়াকৈ দুটা ভাগত ভাগ কৰিব পাৰি। সেয়া হৈছে মৌখিক সাহিত্য আৰু লিখিত সাহিত্য। মৌখিক সাহিত্যৰ ভিতৰত আছে বিভিন্ন লোকগীত পৰম্পৰা, আশীৰ্বাদ দিয়া প্ৰথা, ধৰ্মীয় কামকাজত ব্যৱহৃত কথাংশখিনি, নিচুকনি গীত, সাধু কথা, সাঁথৰ, প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা আদি। আনহাতে লিখিত সাহিত্যৰ আছে বিভিন্ন ধৰ্মীয় পুথিৰ অনুবাদ, সামাজিক ৰীতি-নীতি সম্পৰ্কীয় পুথি, সৃষ্টিশীল লোকে প্ৰণয়ন কৰি যোৱা মৌলিক ৰচনাৰাজি (যিবোৰ মহাকাব্য, মহান সাহিত্য ৰূপত তেওঁলোকৰ সমাজত প্ৰচলিত), পৰম্পৰাগত বুৰঞ্জী লিখনৰ পুথি আদি।

**মৌখিক সাহিত্য ঃ** টাইফাকেসকলৰ মৌখিক সাহিত্যৰ ভিতৰত গীত-মাতেই প্ৰধান। তদুপৰি ভক্তি বন্দনাৰ প্ৰাৰ্থনা গীত-স্তুতিবোৰ, মন্ত্ৰ বিদ্যা, প্ৰচলিত সাধুকথা, সাঁথৰ, জতুৱা-ঠাঁচ, ফকৰা-যোজনা আদিবোৰে টাইফাকে লোকজীৱনত প্ৰতিফলিত হৈ মৌখিক সাহিত্যক সমৃদ্ধিশালী কৰি আহিছে। এনেবোৰ সাহিত্যৰ উপাদান তেওঁলোকৰ সমাজত মৌখিকভাৱে প্ৰচলিত হৈ আহি প্ৰজন্মৰ প্ৰতিনিধিক স্পৰ্শ কৰিছে।

**টাইফাকে লিখিত সাহিত্য (পৰম্পৰাগত পুথি) ঃ** টাইফাকেসকলৰ বৌদ্ধ বিহাৰত, পৰিয়াল বিশেষত সংৰক্ষিত হৈ থকা লিখিত পুথিসমূহৰ অধিকাংশই হৈছে ধৰ্মীয়। ম্যানমাৰত বসবাস কৰা কালছোৱাত ধৰ্ম প্ৰচাৰৰ বাবে ধৰ্মীয় গুৰুসকলৰ পৃষ্ঠপোষকতাত টাই ভাষাত যথেষ্ট সংখ্যক বুদ্ধৰ জীৱন আৰু বৌদ্ধ দৰ্শনমূলক গ্ৰন্থ, ত্ৰিপিটক, জাতকৰ

কাহিনী আদিবোৰ লিখোৱা হৈছিল বা তেওঁলোকে নিজে লিখিছিল। তদুপৰি টাইফাকেসকলৰ লোক জীৱনক প্ৰতিফলিত কৰিও বহু মৌলিক সৃষ্টি লিখিত ৰূপ দিয়া হৈছিল। বুৰঞ্জী লিখা পৰম্পৰা টাইসকলৰ এট ঐতিহ্য। টাইফাকে সমাজতে সেই পৰম্পৰা পূৰ্বৰেপৰা বৰ্তী আছিল। সেই পুথিবোৰো লিখিত সাহিত্যৰ সম্পদ হৈ টাইফাকে সমাজক সমৃদ্ধ কৰিছে।

**৫) সামৰণি**

যিবোৰ সাংস্কৃতিক উপাদান, সামাজিক পৰিকাঠামোৰে টাইফাকেসকলে আঢ়ৈশ বছৰৰ পূৰ্বে অসমলৈ আহি বসবাস কৰিছিল সেইবোৰৰ প্ৰায়খিনিয়েই বৰ্তাই ৰাখিবলৈ চেষ্টা কৰি আহিছে। প্ৰজন্মৰ পাছত প্ৰজন্ম একে ধৰণৰ অনুৰাগেৰে তেওঁলোকে চৰ্চা, পৰিৱেশন, পালন, সংৰক্ষণ দিশত মনোযোগ দি আহিছে। সেইবাবে সময়ৰ অৱধাৰিত পৰিৱৰ্তনৰ হেঁচাৰ মাজতো টাইফাকে সংস্কৃতি জিলিকি আছে সাজপাৰেৰে, খাদ্য সম্ভাৰেৰে, গীত-মাতেৰে, উৎসৱ-লোকাচাৰ আদিৰে, ধৰ্মীয় অনুৰাগেৰে, পৰম্পৰাগত বিবাহ, শিশু নামকৰণ অনুষ্ঠান, সৎকৰ অনুষ্ঠান, সামাজিক বিধিব্যৱস্থাৰ ঐতিহ্যৰে, ভাষা-সাহিত্যৰ জিলিঙনিৰে। যাৰ বাবে কম জনসংখ্যাৰ মাজেৰেও তেওঁলোক সাংস্কৃতিক গৰিমাৰে প্ৰৌজ্জ্বল।

**প্ৰসংগ গ্ৰন্থপঞ্জী ঃ**


১) Dodd, William Clifton, The Tai Race, 1923
২) Bordoloi, Dr B.N, Tribes of Assam (Part-II)
৩) গোহাঁই, আই ম্যা খেং, বৈশালী অভিযান, ১৯৯৩(অনু.)
৪) Phukan, Supriti, The Phakes, 2005
৫) কায়স্থ.পুতলী (সম্পাদনা), অসমৰ বিভিন্ন জনগোষ্ঠীৰ বিবাহ পদ্ধতি, ২০০৭
৬) Borah, Prof K.C.,The Tai Phakes, 2007
৭) মৰাণ. ড০ বিজু, টাইফাকে ভাষা আৰু সংস্কৃতি, ২০০৯
৮) ৱেইংকেন. আই চেং হুন, টাইজাতিৰ সহস্ৰাব্দৰ জিলিঙনি, ২০০৯
৯) গোহাঁই. পেইম থি, টাইফাকে সমাজ আৰু সংস্কৃতি, ২০০৯
১০) Gohain, Paim Thee (ed.), Ayong Phake, 2010
১১) Gohain, Aimya Kheng, The Tai Buddhist Communities of Assam, 2015
১২) গগৈ, ড০ গীতিমল্লিকা, অসমৰ কেইটামান জনগোষ্ঠীৰ পৰম্পৰাগত সূতাত ৰং কৰা পদ্ধতি, ২০১৬
১৩) Weingken, Ai Cheng Hun, Lik Khow Khun, 2017
১৪) গোহাঁই, পেইম থি, বুঢ়ীদিহিঙৰ পাৰে পাৰে টাইফাকে সুৰভি, ২০১৯


*****


● লেখক ঃ ডিব্ৰুগড় নিবাসী এগৰাকী গৱেষক, সাহিত্যিক।

# ঠেঙ্গাল কছাৰীৰ জাতীয় উৎসৱ “তৰা ছিৰা বিহু”

তিলেশ্বৰ শইকীয়া ঠেঙ্গাল

অসমৰ এটি প্ৰাচীন জাতি হ'ল কছাৰী জাতি। প্ৰাচীন কালত কছাৰীসকলক 'কিৰাত' বুলি অভিহিত কৰিছিল। এই কিৰাতসকলক নৃতত্ত্ববিদসকলে মংগোলীয় বা মংগোলয়ড বুলিছিল। এই গোষ্ঠীৰ লোকসকলৰ আৱয়িক বৈশিষ্ট্য হ'ল গাৰ বৰণ পীত বা পিংগল, কেশ ক'লা, দাড়ি-গোফ তাকৰ, শৰীৰৰ নোম কম, মুখমণ্ডল বহল আৰু নাক চেপেতা। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা মংগোলীয় গোষ্ঠীৰ এই কিৰাত বা কছাৰী লোকসকলে নিজকে বড়ো বুলি অভিহিত কৰিব বিচাৰে। ড° ভূৱনমোহন দাসে উত্তৰ-পূব ভাৰতৰ এই মংগোলীয় লোকসকলক এনেদৰে ভাগ কৰিছে- খাছী, বড়ো, লোচাই, কুকি, নগা, অৰুণাচলৰ জনজাতি আৰু অন্যান্য। অন্যান্যসকলৰ ভিতৰত মিচিং, দেউৰী, হাজং আদিক অন্তৰ্ভুক্ত কৰিছে। বড়ো গোষ্ঠীৰ ভিতৰত গাৰো, ৰাভা, মেচ, তিৱা, ডিমাছা, ঠেঙ্গাল, সোণোৱাল, ঝাৰোৱা আদিক অন্তৰ্ভুক্ত কৰা হৈছে। ঠেঙ্গালসকল বিশেষকৈ পাণ্ডৱ বীৰ ভীমৰ পুত্ৰ ঘটোৎকচৰ বংশোদ্ভৱ বুলি নিজকে পৰিচয় দি আহিছে।

অসমৰ বিভিন্ন জাতি উপজাতিৰ কলা-সংস্কৃতিৰ সংমিশ্ৰণত অসমৰ মেটমৰা সাহিত্য-সংস্কৃতি গঢ়লৈ উঠিছে। বিহু অসমৰ জাতীয় জীৱনৰ কৃষিমুখী গ্ৰাম্য সংস্কৃতি। অসমৰ সকলো জনগোষ্ঠীৰ নিজা নিজা বৈশিষ্ট্যৰে লৌকিক আচাৰ নীতি আৰু পৰম্পৰাৰে বিহু উদ্‌যাপন কৰি আহিছে। অসমৰ ভূমি পুত্ৰ ঠেঙ্গাল কছাৰীসকলেও নিজ পৰম্পৰাগত অনুসৰি ব'হাগ বিহু উদ্‌যাপন কৰি আহিছে। পৰম্পৰা অনুসাৰে চ'ত মাহতে তিনিটা বিহু ঠেঙ্গালসকলে পালন কৰে। ক্ৰমে নৰা-চিগা, তৰা-ছিৰা আৰু বোকা বিহু। ইয়াৰ ভিতৰত তৰা ছিৰা বিহু অন্যতম।

চ'ত মাহৰ দ্বিতীয় সপ্তাহৰ বুধ-বৃহস্পতিবাৰৰ পৰা তৰা ছিৰা বিহু পালন কৰা হয়। চ'তৰ সংক্ৰান্তিত গৰু বিহুৰ দিনা গধূলি গোহালিত গৰুৰ ডিঙিত নতুন পঘা পিন্ধাই নিজ নিজ নীতিৰে শুশ্ৰূষা কৰি গৰুক আদৰণি জনোৱা অসমৰ সকলো জনগোষ্ঠীৰে ধৰ্মীয় আৰু লোক সংস্কৃতিৰ পৰম্পৰা। ঠেঙ্গাল কছাৰীসকলে উক্ত দিনা গৰুৰ ডিঙিত তৰাৰ নতুন পঘা দিয়াৰ বৈশিষ্ট্য সুকীয়া। ন-পঘা তৈয়াৰ কৰিবৰ বাবে তৰা সংগ্ৰহৰ উদ্দেশ্যে এক মাংগলিক অনুষ্ঠান পাতি উল্লেখিত চ'ত মাহৰ প্ৰথম সপ্তাহৰ বুধ-বৃহস্পতিবাৰে বিহু মাৰি হাবিত তৰা ছিৰিবলৈ যাত্ৰা কৰে। তৰা ছিৰিবলৈ যাত্ৰা কৰাৰ সময়ত বিহু নাম গায় এইদৰে-

তৰা ছিৰি যামে ৰংবাই ৰহিমলা  
পঘা বাতি যামে ৰংবাই ৰহিমলা  
পাতি যাম গৰুৰে বিহু এই হেই ৰংবাই ৰহিমলা ইত্যাদি...।

গৰুৰ ডিঙিত ন পঘা পিন্ধোৱাৰ উদ্দেশ্যত ঠেঙ্গালসকলৰ লোকবিশ্বাসৰ এটা কিংবদন্তি আছে। গৰুক ঠেঙ্গালসকলে

গো-দেৱতা হিচাবে মান্য কৰে। পুৰাণৰ মতে মহেশ্বৰ (সদাশিৱ)ৰ বাহন হ'ল গৰু। কেৰাতজ (কিৰাত) কছাৰীসকলৰ উপাস্য দেৱতা সদাশিৱ বা মহাদেৱ। কিৰাত মূলতঃ কছাৰীসকল শৈৱ ধৰ্মালম্বী। শিৱক কছাৰী জাতিৰ ভিন্ন ফৈদে ভিন্ন নামকৰণেৰে পূজা-সেৱা কৰি আহিছে। বড়ো কছাৰীসকলে শিৱক বাথৌ-ব্ৰাই, সোণোৱালসকলে বাইথ, বুঢ়া-বুঢ়ী, খিৰিং ৰজা আৰু ঠেঙ্গাল কছাৰীয়ে ভোলানাথ সদাশিৱ মহেশ্বৰ নামকৰণেৰে পূজে। গতিকে শিৱৰ একান্ত বাহন হিচাবে গৰুক গো-দেৱতা জ্ঞান কৰে। তৰা ছিৰি আনিবলৈ যোৱা প্ৰাক কালত চ'ত মাহৰ দ্বিতীয় সপ্তাহৰ বুধ-বৃহস্পতিবাৰে পুৱাতে এভাগি আনুষ্ঠানিক পূজা পাতে। গাঁৱৰ মেধি-বুঢ়া মেথাই পথাৰ বা হাবিত থকা সিজু গছৰ তলত এটা হাফলুৰ কাষত পূজাভাগ আয়োজন কৰে। পূজাৰ থলীখন চাফ-চিকুন আৰু পবিত্ৰ কৰি লৈ মিঠাতেলৰ এগছি বন্তি জ্বলাই আগলি কলপাতত এটি গুৱা পাণ আগবঢ়াই দিয়ে। ন-পুৰুষ শৰাধৰ স্মৃতিত মৃতকসকললৈ নৈবেদ্য আগলি কলপাতত আগ কৰি দিয়ে। এহালি ৰঙা কুকুৰাও পূজাত আগ কৰাৰ নিয়ম। দেও-ভুত, যখ-যখিনীৰ পৰা ৰক্ষা পাবলৈ আশীৰ্বদীয়াই মন্ত্ৰপুত কৰি যথা ৰীতিৰে পূজাভাগ কৰে আৰু গঞা ৰাইজে পূজাভাগৰ পৰা আশীৰ্বাদ লৈ তৰা ছিৰিবলৈ যাত্ৰা কৰে। পূজা স্থলীৰ মুকলি ঠাইতে ঢোল, গগনা, পেঁপা, টকা বজাই জাকৈ-জুলুকি, মেচি দা, ডলা-চালনি লৈ বালি হুছৰি আৰু তৰা ছিৰা বিহু মাৰে। ইয়াৰ পাছত নৈ, খাল, বিল, দুপনি, গেৰেকনি আদি হাবিলৈ যাত্ৰা কৰে। জোম পাতি হাবিৰ তৰানিৰ পৰা তৰা ছিৰি আনিবলৈ যাওঁতে হাতত মেচি দা, কপি দা, নলীয়া কটাৰী, চকুৰা লাখুটি, কান্ধত কুচিয়া কালি, জাকৈ, মোনা, হোঁৰা, ডলা-চালনি আদি লগে ভাগে লৈ যায় আৰু লাখুটি মাৰিৰে ইডালে সিডালক মাৰি টকটকাই হাত চাপৰি মাৰি তৰা ছিৰা বিহু নাম গায় এইদৰে -

চ'ততে ছিৰিলো গিৰিপ ঐ গিৰিপ
তৰা সমনীয়া গিৰিপ ঐ গিৰিপ
তৰা মই পিটিয়াই ল'লো।
চ'তৰে মাহতে গিৰিপ ঐ গিৰিপ
গৰু পঘা বাটিলো গিৰিপ ঐ গিৰিপ
ৰ'দতে শুকুৱাই থলো।।

তৰা ছিৰাৰ লগে লগে এটা দলে লগত নিয়া জাকৈ খালৈ, চালনী, কুচিয়া কালিৰে খাল-বিল, দোপনিত নামি মাছ, কেঁকুৰা, কুঁচিয়া, জিপাংকৰি ধৰাত মগ্ন হয়। আৰু বিহু নামত গায়-

তৰা ছিৰা দিনাখন অটলৌ বাটলৌ
দলনিতে জাকৈ বাও অটলৌ বাটলৌ
কাৰৈ মাছৰ গোন্ধে পাওঁ।
কুঁচিয়া ধৰি যাওঁ জিপাংকৰি মাৰি যাওঁ
অটলৌ বাটলৌ তৰা ছিৰিবলৈ যাওঁ।

উল্লেখযোগ্য যে ঠেঙ্গাল কছাৰীসকলে মাটিৰ তলৰ পৰা গছৰ ওপৰলৈকে থকা খাদ্য অতি তৃপ্তিৰে গ্ৰহণ কৰি আহিছে (মাটিৰ তলৰ কুচিয়া আৰু গছৰ ওপৰৰ আমৰলি টোপ আৰু চোম গছৰ পাতত জন্মা মুগা লেটাৰ সদৃশ চোম পুতনি)। অকল ইমানেই নহয়, লগত যোৱা অন্য এটা দলে ইতিমধ্যে উল্লেখ কৰাৰ দৰে আমগছ বা অন্যান্য গছত বন্ধা আমৰলি বাঁহ ভাঙি আমৰলি টোপ আৰু গাইলং (আমৰলিৰ কোমলীয়া পখিলা) পাৰি ডলাত বাচি-কুচি খোৱাৰ উপযোগীকৈ সংগ্ৰহ কৰি লৈ আহে। চোম গছৰ পাতত জন্মা চোম পুতনিও পাৰি আনে। হাবিত নতুনকৈ লহপহকৈ গজা কচু ঠুৰি, তিতা ফুল, চেংমৰা শাক, ভেদাই লতা, তৰাৰ গজালি, নেফাফু, বেত গাঁজ, কপৌ ঢেকীয়া শাক আদি বুটলি আনে। তৰা ছিৰি ঘূৰি আহি সকলোৱে গধূলি মেধি বা বৰাৰ ঘৰত বা ৰাজহুৱা স্থানত গোট-পিত খাই তৰা ছিৰা বিহু মাৰে। বিহুত খৰা চেও, কছাৰী চেও ঢোলত বজাই সকলোৱে নাচে। তৰা ছিৰা বিহুৰ বাবদ গাঁৱৰ প্ৰতি গৃহস্থীয়ে একলহকৈ ঘৰত তৈয়াৰ কৰা মদ (সেৰেকা) যোগান ধৰাৰ নিয়ম। ইতিমধ্যে খাল-বিল, হাবিৰ পৰা সংগ্ৰহ কৰি অনা কুটাং, জিপাং, কুচিয়া, আমৰলি টোপ,

চোম পুতনিৰ পলুৰ লেটা ভজা কৰি সেৰেকাৰ লগত সকলোৰে বৃত্তাকাৰে বহি লৈ দেখা-শুনাকৈ পান-ভোজন কৰে। সেৰেকা খোৱাৰ বাবে কলপাতৰ থোলা (ত্ৰিভূজাকৃতিৰ এবিধ কলপাতেৰে সজা পাত্ৰ) ব্যৱহাৰ কৰে। বুটলি অনা বনৰীয়া শাক-পাচলি আদি সমানে ভগাই পিটিয়াই অনা তৰাৰ বৌখা (বেটু) ভগাই লৈ ঘৰাঘৰি হয়।

তৰা ছিৰা আৰম্ভ হোৱা দিনৰে পৰা চ'তৰ শেষ দিনলৈকে গাঁওখনৰ প্ৰতি গৃহস্থীৰ ঘৰত তৰা ছিৰা বিহু গোৱাৰ নিয়ম। তৰা ছিৰা বিহুৰ নাম গায় এইদৰে -

তৰা ছিৰি গ'লো ৰংবাই ৰহিমলা
পঘা বাটি গ'লো ৰংবাই ৰহিমলা
বুধে-বৃহস্পতিয়ে বিহু হেই
ৰংবাই ৰহিমলা, চিৰিপ চিৰিপ জৰৌৰোৱা ইত্যাদি...।

গঞাই গোঁহালিত থকা গৰুৰ জোখেৰে চ'ত মাহৰ শেষলৈ গৰু বিহুৰ সপ্তাহ চেৰেক আগলৈকে তৰাৰ বৌখাবোৰ পিঠিফালে ভাঁজ কৰি ৰঙালাওটোৰ দৰে ঘুৰণীয়াকৈ বান্ধি ৰ'দত শুকাবলৈ দিয়ে। গোঁহালিৰ বৰচাং, ভঁৰালৰ চাং বা কাপোৰ মেলা দাঙত ৰ'দ ঘাই স্থানত শুকাবৰ বাবে দিয়ে যাতে তৰাৰ বৌখাবোৰ সোত-মুচ হ'ব নোৱাৰে। তৰাৰ বৌখাবোৰ শুকোৱাৰ পিছত গাঁৰৰ বুঢ়াসকলে ৰঙালাওটোৰ মেৰখুলি দুডাল এহাতমান দীঘল মাৰি যোগ চিনটোৰ দৰে বান্ধি তাত এডালৰ পিছত আনডাল তৰাৰ বৌখা যোৱা লগাই গুনিয়াই যায়। ব'হাগ বিহু ওচৰ চপাৰ লগে লগেই গোঁহালি ঘৰত গুনিয়াই লোৱা তৰা জৰীবোৰৰ এটা মূৰ টানকৈ বান্ধি খুটাটোৰ ভালেমান আঁতৰৰ পৰা জৰীবোৰ দুগুণীয়া বা তিনিগুণীয়াকৈ পাক দি ন-পঘা বাটি লয়। চ'তৰ শেষত সংক্ৰান্তিৰ দিনা আবেলিলৈ গোঁহালিৰ কাষত ধানৰ পতান, তুঁহ, বিহলঙনী, বগৰী ঠানি, জেতুলিপকাৰ ঠানি, ভাঙৰ ঠানি আদি সকলো দ্ৰব্য মিহলাই সন্ধিয়া ঘৰৰ পদুলি আৰু গোঁহালিত জ্বলাই ধোঁৱা জাগ দিয়ে। তাৰপিছত তৰাৰ ন-পঘা কেইডাল নিকাকৈ মছি থোৱা চোতালত পিছি থোৱা কেঁচা মাটিমাহ, কেতুৰি হালধি ঘঁহি লয়। তুলসীৰ আগ আৰু ঠানি চিঙি পঘাকেইডালৰ ঠায়ে ঠায়ে গুজি দি নিয়মৰ মাজেৰে গৰুৰ ডিঙিত পিন্ধাই বিহুৱান যাঁচে। লগতে সংক্ৰান্তিৰ পুৱাতে শিৱৰ ত্ৰিশূলৰ আকৃতিৰে চাক তৈয়াৰ কৰি লাও, বেঙেনা, ঠেকেৰা, হালধি, তিতাকেৰেলা, তিয়হ আদিৰে চাক তৈয়াৰ কৰি গৰুক গা ধোৱায়। গা ধোৱাৰ পিছত গৰুৰ গাত লাও বেঙেনা মাৰি এইদৰে গায়-

লাও খা বেঙেনা খা
দিনে দিনে বাঢ়ি যা
মাৰ সৰু বাপেৰ সৰু
তই হ'বি বৰ বৰ গৰু।

পৰম্পৰা অনুসৰি গৰু চাকৰ লাও ঠেকেৰাৰে সম্বন্ধীয় নবৌ, খুলশালি আদিৰ গালৈকো দলিয়ায়। লোকবিশ্বাস অনুসৰি গৰু চাকৰ দ্ৰব্যসমূহ মানুহৰ গাত ব্যৱহাৰ কৰিলে ৰোগ-ব্যাধিৰ পৰা পৰিত্ৰাণ পায় হেনো। সন্ধিয়া প্ৰতিটো গৰুক বিহুৰ নৈবেদ্য পিঠা-পণা আদি খাবলৈ দিয়ে। এই ৰীতিসমূহ সম্পূৰ্ণ কৰাৰ পিছত ঠেঙ্গাল কছাৰীৰ তৰা ছিৰা বিহু আৰু গৰু বিহুৰ সামৰণি পৰে। অৱশ্যে যুগ পৰিবৰ্তনৰ লগে লগে কোনো কোনো ঠাইত উল্লেখিত নিয়মসমূহ হীন-দেৰি হোৱা দেখা যায়।

(প্ৰবন্ধটি যুগুত কৰোতে বিজ্ঞ আৰু বয়োজ্যেষ্ঠসকলৰ সহায় লোৱা হৈছে।)

*****

● লেখক ঃ এগৰাকী গৱেষক, সাহিত্যিক।

# কাৰ্বি জনগোষ্ঠী

**হাংমিজি হাঞ্চে**

**প্ৰস্তাৱনা ঃ**

উত্তৰ-পূব ভাৰতৰ প্ৰাচীনতম জনগোষ্ঠীসমূহৰ মাজত কাৰ্বি অন্যতম। তেওঁলোকৰ মৌখিক বুৰঞ্জীৰ পৰা এইটো অনুমান কৰিব পাৰি যে তেওঁলোকে দক্ষিণ-পূব এছিয়াৰ (খুব সম্ভৱ হোৱাংহো আৰু য়াংছে উপত্যকা) পৰা ইয়ালৈ প্ৰব্ৰজন কৰিছিল প্ৰায় ৪০০০ বছৰমানৰ আগতে। যেতিয়া ম্যানমান, থাইলেণ্ড, দক্ষিণ পশ্চিম চীনৰ পৰা এই ভূখণ্ডত (কাৰ্বি-ৰেৰেচে ৰাৰচং) জনবসতি নাছিলেই। কাজেই লুইতৰ পৰা বৰাক উপত্যকা (লুত তকথৰ, বৰাক তৰথৰ) অঞ্চল গোটেইখন তেওঁলোকৰ বিচৰণভূমি আছিল। মৌখিক সাহিত্যবোৰত তেওঁলোকৰ প্ৰব্ৰজনৰ ইতিহাস আৰু বাটত লগ পাই অহা জনসমূহৰ নামৰ উল্লেখ পোৱা যায়। এনেবোৰ লোকসাহিত্যৰ ওপৰত ভিত্তি কৰিয়েই বোধ হয় কলাগুৰু বিষ্ণুৰাভাই কাৰ্বি জাতিক "অসমৰ কলম্বাছ' আখ্যা সঠিকভাৱে দিছে।

কাৰ্বি অঞ্চল বৰ্তমানৰ কাৰ্বি আংলং পশ্চিম কৰিবি আংছেংতেই মূলতঃ বাস কৰে। ইয়াৰ পিছতেই অসমৰ কাছাৰ, ডিমা হাচাও, কামৰূপ (ম), মৰিগাঁও নগাঁও, শোণিতপুৰ, লখিমপুৰ জিলাত বাস কৰে। ওচৰ-চুবুৰীয়া ৰাজ্য মেঘালয়, নাগালেণ্ড, মণিপুৰ, অৰুণাচল প্ৰদেশ আদিত বাস কৰে। চুবুৰীয়া দেশৰ ভিতৰত বাংলাদেশ, ম্যানমাৰ, থাইলেণ্ড, তিব্বত আৰু চীনত কাৰ্বি লোক আছে। তেওঁলোকৰ অসমৰ বৰ্তমানৰ জনসংখ্যা ২০ লাখৰ ওপৰত। এতিয়ালৈকে সন্ধান পোৱা মুঠ জনসংখ্যা অসমত থকা জনসংখ্যাতকৈ কেইবাগুণো বেছি হ'ব। অনুমান কৰা গৈছে যে দুয়োখন কাৰ্বি আংলংত যিমান কাৰ্বি লোক আছে তাতোকৈ বেছি সংখ্যক জিলা দুখনৰ বাহিৰত আছে। একেদৰে অসমত সিমান সংখ্যক কাৰ্বি লোক আছে তাতোকৈ সৰহ সংখ্যক লোক অসমৰ বাহিৰত আছে। একেদৰে ভাৰতত থকা কাৰ্বি লোকতকৈ অন্য দেশত থকা কাৰ্বি লোকৰ সংখ্যাৰ সৰহ।

কাৰ্বিসকল মূলতঃ বৃহৎ মংগোলীয় জাতিৰ এটা ভাষিক ঠাল। মধ্যমীয়া উচ্চতাৰে মিঠা বৰণীয়া লোক। স্পষ্ট হনু, ঠৰঙা চুলি, সৰু সৰু চকু আৰু পাতল দাড়ি গোফেৰে গোল মুখাৱয়বৰ লোক। তেওঁলোকৰ শাৰীৰিক গঠন অতি আটিল। বাহু আৰু ভৰি অতি শক্তিশালী। স্বভাৱতে শান্ত আৰু মৃদু ভাষী।

**সাজপাৰ ঃ** কাৰ্বিসকলৰ সাজপাৰ তেনেই সাধাৰণ। পুৰুষে ঘৰতে বোৱা কপাহী বা এৰি সূতাৰ কৌপিন পিন্ধে (ৰিকং) লগত ঘৰতে বোৱা কপাহী চোলা (চই ইক, চইআং আদি) পিন্ধে। কান্ধত এৰি সূতাৰ জুলুঙা (জাম্বিলী, জাৰং) লৈ ফুৰে। মুৰত কপাহী পাগুৰি (প'হ') মাৰে। জাৰৰ দিনত এৰি চাদৰ এখন গাত লয়। আঢ্যৱন্ত আৰু ৰাজবিষয়াই ধুতি (ছাতৰ) কামিজ আৰু পেণ্ট পিন্ধে। কান্ধত এখন ফুলাম অংগবস্ত্ৰ (লুমাৰ) লয়। মহিলাসকলে ঘৰতে বোৱা কপাহী মেখেলা (পিনি), মেঠনি (জিছ') আৰু গাত চাদৰ জাতীয় (পেকক) খনীয়া কাপোৰ লয়। মেখেলাৰ ওপৰত এখন কপাহী ফুলাম পেটি (ৱানকক/ৱামকক) মাৰে। পিঠিত ফুলাম খাং (হাকছ') আৰু হাতত সৰু নলীয়া কটাৰী থাকে। ফুলাম হাঁচতি (চুই) সম্ভ্ৰান্ত কাৰ্বি নাৰীৰ পৰিচয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে বিবাহিত আৰু অবিবাহিত পুৰুষ আৰু নাৰীৰ

সাজপাৰত বিশেষ পাৰ্থক্য নাই। মাথো ৰঙৰ প্ৰাচুৰ্য্য আৰু মনোমোহা আৰ্হিৰ পৰাই ঠাৰৰ কৰা হয়। অবিবাহিত পুৰুষ-নাৰীৰ সাজপাৰত ৰঙৰ প্ৰাচুৰ্য্য বেছি।

**আ-অলংকাৰ ঃ** কাৰ্বি পুৰুষ আৰু নাৰী সকলোৱেই সাধ্য অনুসৰি আ-অলংকাৰ পৰিধান কৰে। মূল্যৱান ধাতুৰে (বিশেষকৈ ৰূপৰ আৰু কমকৈ সোণ আৰু অন্য ধাতু) নিৰ্মিত অলংকাৰ পৰিধান কৰে। পুৰুষে ৰূপ খাৰু (ৰই) আৰু কাণত ফুলি (অনতি, ন'ৰিক) আদি পিন্ধে। নাৰী বিভিন্ন আচাৰৰ খাৰু (ৰই), কাণফুলি (ন' মেংপি, ন' লাংপং, জাংছাই ইত্যাদি) পিন্ধে। জুনুকা বা নাকফুলি নিপিন্ধে। মালাৰ ভিতৰত লেক সিকি (মুদ্ৰাৰ মালা), লেক পেংখাৰা (মণিৰ মালা) আদি অতি জনপ্ৰিয়। পুৰুষসকলেও (বিশেষকৈ ৰাজবিষয়া আদিয়ে) মণিৰ মালা পিন্ধে।

**বাসস্থান ঃ** কাৰ্বিসকলৰ সৰহ সংখ্যকে পাহাৰীয়া অঞ্চলত বাস কৰে। পাহাৰৰ ওপৰত সৰু ডাঙৰ মালভূমিত তেওঁলোকে গাঁও পাতি বাস কৰে। অৱশ্যে যিমান সংখ্যক কাৰ্বি লোক পাহাৰত বাস কৰে, সিমান সংখ্যক লোক ভৈয়ামতো বাস কৰে। তেওঁলোকে পাহাৰত সমতলভূমি নেপালে আপেক্ষিকভাৱে কম এঢলীয়া অংশত ঘৰ বান্ধে। প্ৰয়োজন অনুসাৰে ঠাইখিনিত মাটি খান্দি গৃহনিৰ্মাণৰ উপযুক্ত কৰি লয়। তেওঁ খেৰ বাঁহৰ চাংঘৰ সাজি থাকিবলৈ ভাল পায়। আৰ্থিক অৱস্থা, সামাজিৰ প্ৰতিষ্ঠা আৰু পৰিয়ালৰ সদস্যৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি ঘৰৰ আকাৰ সৰু-ডাঙৰ হয়। ঘৰবোৰ উত্তৰ দক্ষিণমূৱাকৈ সাজি মাজত এখন চাং চোতাল (হংজাই) ৰখা হয়। তাৰ সিটো মূৰত চৰাঘৰ (হংফাৰলা) সাধাৰণতে মূল ঘৰটোৰ লগত লম্বভাৱে সজা হয়। সমুদায় ঘৰটোৰ পূবদিশত ঘৰখনলৈ উঠা একমাত্ৰ জখলা থাকে। জখলাটোৰ গুৰিৰ পৰা আৰম্ভ কৰি এখন আগচোতাল থাকে। এই চোতালৰে এটা মূৰ হংফাৰলাৰ পূব মূৰত লাগেগৈ। চাং নথকা হংফাৰলাৰ এই অংশটোত ধান বনা আৰু তাঁতশাল পাতা হয়। ইয়াক “মাৰ”' বা ছকতক মাৰ”' বুলি কোৱা হয়। মূল ঘৰত মেংতৰ, কুত, কাম, তিবুং, দামবুক আদি কোঠালী থাকে। আটাইতকৈ শেষত পাং দুংজাই আৰু ফিইংকাৰ (তিৰোতাৰ পেচাবখানা) থাকে।

**খাদ্য ঃ** কাৰ্বিসকল আমিষভোজী অতি সাধাৰণ ৰন্ধন প্ৰণালীৰ খাদ্য খায়। ভাত মূল খাদ্য। লঘু আহাৰ হিচাপে গোমধান, আখৈ, কাঠ আলু, কচু আদি খায়। ফলমূলৰ ভিতৰত কঁঠাল, আম, নাচপতি, কল, আনাৰস আৰু বিভিন্ন বনৰীয়া ফলমূল তেওঁলোকৰ প্ৰিয়। মাছ অতি প্ৰিয় আৰু যিকোনো মাঙ্গলিক অনুষ্ঠানত বিকল্পহীন নৈবেদ্য। কুকুৰ, মেকুৰী, গৰু আৰু ম'হৰ মাংস বাদ দি সকলো মাংস খোৱাত কোনো বাধা নাই। তথাপিও গাহৰি মাংস তেওঁলোকৰ আটাইতকৈ প্ৰিয় আৰু সম্ভ্ৰান্ত খাদ্য। গাহৰি মাংসৰ পিছতে কুকুৰাৰ মাংসৰ স্থান বুলিব পাৰি। বনৰীয়া জীৱ-জন্তু, চৰাই-চিৰিকতি আনকি কিছুমান পোক-পতঙ্গও কাৰ্বিসকলে খায়।

কাৰ্বিৰ ৰন্ধন প্ৰণালী তেনেই সৰল। মূলত- খাৰ দিয়া (কাংমই) আৰু খাৰ নিদিয়াকৈ (কালাংদাং) ৰন্ধা হয়। তাৰোপৰি তেলত ভজা (জাংখু কাৰনু( আৰু তেল নিদিয়াকৈ ভজা (আৰনু ছই ছই) খাদ্যও প্ৰস্তুত কৰা হয়। পাতত দিয়া (কাংখু) চুঙাত দিয়া (কিমুং), জুই সেকা (কিফি)আদি তেওঁলোকৰ ৰন্ধন প্ৰণালী। প্ৰিয় শাক-পাচলিৰ ভিতৰত ৰঙালাও (বংহম), জাতি লাও (বংলাং), বেঙেনা (হিপি), থেংবন (বেজীয়া মাহ), হানমাৰৰ (লেচেৰা) , থেচি (জিকা), হেন (কচু), হেনডু (বাঁহ গাজ) আদি প্ৰধান। তাৰোপৰি বনৰীয়া শাক-পাত খাই ভাল পায়। যাৰ কোনো সীমা সংখ্যা নাই। কাৰ্বিসকলে যিমান বনৰীয়া শাক-পাত খায় অন্য জনগোষ্ঠীয়ে সিমান শাক-পাত চিনিয়েই নাপায়। খাদ্য মচলা দিয়া নহয়। মচলাৰ নামত জলকীয়া (বিৰিক) পিয়াঁজ (হাবুছুন কে-এৰ), নহৰু (হাৰছুন কেলক), হালধি (থাৰমিত), আদা (হানছ'), বন নহৰু (জিৰলাং), ৰাম তুলসী (ল'পং), মান ধনীয়া (ৰ'ৰৈক জকাছু), ধনীয়া (মিৰমিছু) ইত্যাদি। অৱশ্যে আধুনিকতাই ক্ৰমে গ্ৰাস কৰি অনা কাৰ্বি সমাজখনৰ খাদ্যাভ্যাস অপৰিৱৰ্তিত হৈ থকা নাই।

**জীৱিকা ঃ** কাৰ্বিসকল মূলতঃ কৃষিজীৱি। ঝুম খেতিয়েই মূল খেতি। ঝুমতলীতে এখন ঘৰৰ বাবে প্ৰয়োজনীয় সকলো উৎপাদন কৰা হয়। অৱশ্যে পাহাৰৰ কম এঢলীয়া আৰু নিজৰা থকা অঞ্চলত পাহাৰত খাজ কাটি কাটি ( ষ্টেপ কালতিভেছন) পানী খেতি কৰা হয়। দা-কুঠাৰ, জুই, কোৰ আদিয়েই মূল সঁজুলি। ঝুমতলী টঙীঘৰ (হেমতাপ) আৰু জুপুৰী (মান্দু) লগালগিকে থকাটো বাধ্যতামূলক। অৱশ্যে আজিকালি শিক্ষাৰ আৰু আধুনিকতাৰ আগমনে কাৰ্বিক

ভৈয়ামত পানী খেতি কৰিবলৈ আৰু অন্যান্য জীৱিকা গ্ৰহণ কৰিবলৈ শিকাইছে। এতিয়া বহুতো চৰকাৰী বিষয়া-কৰ্মচাৰী, ব্যৱসায়ী, প্ৰগতিশীল খেতিয়ক, উদ্যান শস্য, পশু আৰু মীন পালন আতি মনোযোগ দিবলৈ আৰম্ভ কৰিছে। আপেক্ষিকভাৱে পানী খেতিৰ প্ৰচলন যথেষ্ট পুৰণি। আৰম্ভণিতে চিকাৰজীৱি বা খাদ্য সংগ্ৰহকাৰী থকাটোৰ কথা কিছুমান মৌখিক পুৰাকথা পোৱা যায়।

**পাৰিবাৰিক ব্যৱস্থা ঃ** এজন পুৰুষক কেন্দ্ৰকৰি এখন ঘৰ গঢ় লৈ উঠে। তেওঁক আহেমাৰিপ' (গৃহস্থ) বোলা হয়। তেওঁৰ লগতে গৃহিনী (আহেমাৰিপী), ল'ৰা-ছোৱালী (অ'ছ'মাৰ) বাইৰ পৰিয়াল (আকিবি আৰ'), বয়সস্থ মাক-দেউতাক, খুৰাখুৰী (আকেছাৰ আতুম) আদি থাকে। ঘৰখনত গৃহস্থৰ সৰ্বময় কৰ্তা। তেওঁ একেধাৰে মুৰব্বী, মূল পুৰোহিত আৰু সকলোৰে অভিভাৱক। তাৰ পিছতেই গৃহিণীৰ কৰ্তৃত্ব। সকলো সম্পত্তি উমৈহতীয়া যদিও প্ৰত্যেকেই নিজৰ নিজৰ অতিৰিক্ত পৰিশ্ৰম আদিৰে নিজাববীয়া সম্পত্তি গঢ়িব পাৰে। সেয়াই হ'ল "তেৰান"।

**সামাজিক ব্যৱস্থা ঃ** কাৰ্বি সমাজখন এখন গ্ৰাম্য সমাজ। গাঁৱৰ মুৰব্বীৰ (ছাৰথে) নেতৃত্বত সকলো সামাজিক ভাষা সম্পাদন কৰা হয়। ঝুমতলী নিৰ্বাচন, সমজুৱা উৎসৱ-পাৰ্বণ, বিয়া-বাৰু, মৃতদেহ সৎকাৰ আদি ছাৰথেৰ অংশগ্ৰহণ অবিহনে সম্ভৱ নহয়। একেদৰে যিকোনো বিবাদৰ প্ৰাথমিক বিচাৰক ছাৰথেজনহে। ছাৰথেজনক এই কাৰ্যত সহায় কৰিবলৈ উপ মুৰব্বী (বিছ'বাছা) বা ডেকা-গাভৰুৰ অভিভাৱক, এজন বাৰ্তাবাহক (ফেৰাংকে), এজন পুৰুহিত (দেউৰী) আৰু এজন উপদেষ্টা (মেদাৰ আছাৰ) থাকে।

**বিয়া-বাৰু ঃ** কাৰ্বিৰ বিয়া-বাৰুৰ অনুষ্ঠানটোক 'আদাম আছাৰ' বুলি কোৱা হয়। নিজৰ মোমায়েকৰ ছোৱালীক বিয়া কৰোৱাটো কেইটামান দহকলৈকে বাধ্যতামূলক আছিল। আজিকালি ইয়াত শিথিলতা আহিছে। নিজৰ ফৈদৰ বাহিৰৰ যিকোনো এজনী ছোৱালীক বিয়া কৰোৱাত আজিকালি বাধা নাই। এইখিনিতে উল্লেখ কৰা দৰকাৰ যে, কাৰ্বিসকল পাঁচটা ফৈদত বিভক্ত। (১) ইংহি বা এজাং (২) তেৰন বা ক্ৰনজাং, (৩) তিমুং বা তুংজাং (৪) ইংতি বা লিজাং (৫) তেৰাং বা হানজাং। প্ৰতিটো ফৈদৰে কিছুমান উপফৈদ আছে আৰু তেওঁলোকৰ উপাধি বেলেগে বেলেগে। তথাপিও একে ফৈদৰ ভিতৰত সদায়েই একে পৰিয়াল হয়। উদাহৰণস্বৰূপে এজন হাচেৰ সৈতে এজন ক্ৰামছা ৰংপি, ৰংহাং, লেকথে আদিৰ সম্পৰ্ক ককাই-ভাই বা ভাই-ভনী। একে ফৈদৰ ল'ৰা-ছোৱালীৰ বিবাহ হ'ব নোৱাৰে। এয়া জঘন্যতম্ সামাজিক অপৰাধ বুলি গণ্য কৰা হয় আৰু মৃত্যুদণ্ডেৰে দণ্ডিত কৰা হয়। ইয়াক লাইছেনেং, কুৰ ছেনেমা বোলা হয়।

আদাম আছাৰৰ কেইবাটাও পৰ্যায় আছে। (১) নেংপি-নেংছ' কাচিংকি (২) বান্তা কাচিংথুম (৩) কেহাং (৪) আজ' আৰনি কেফা (৫) কাপাংৰি। বিয়াৰ শেষত "পেছ' ৰিছ' কাচেথন" চৌ আঠমঙলা খাবলৈ যোৱাৰ লগত তুলনা কৰিব পাৰি।

**প্ৰশাসনিক আৰু ন্যায় ব্যৱস্থা ঃ** কাৰ্বিৰ বাসভূমিটো কেইবাটাও ভূখণ্ডত ভাগ কৰা হয়। এই ভূখণ্ড প্ৰাথমিকভাৱে জয়ন্তীয়া ছিয়েমৰ (জান্তা ছি-ইং) প্ৰশাসনৰ আৰ্হিত গঠন কৰা হয়। কথিত আছে যে এটা সময়ত জয়ন্তীয়া ৰজাৰ বাবে কোনো যোগ্য প্ৰাৰ্থী নথকাত বিছ' কইদা নামৰ কাৰ্বি ৰজাজনক (তিমুং ফৈদৰ ৰংকাৰ উপফৈদৰ) ৰজা পতা হয়। তেতিয়াই (১) ৰংখাং (২) চিনমং আৰু (৩) আমৰি ভূ-খণ্ডত ভাগ কৰি একো একোজন লিন্দকপ'ৰ নেতৃত্বত প্ৰশাসনিক আৰু বিধান পৰিষদ গঠন কৰা হয়। তাৰ পিছত হীমা, ভয়মিনৰি আদি সংলগ্ন কৰা হয়। একো একোজন লিন্দকপ'ৰ নেতৃত্বত ৰংখণ্ডত চাৰিজন, চিনখণ্ডত তিনিজন আৰু আমৰিত দুজন লিন্দকক পৰিষদৰ লগত সংলগ্ন। তেওঁলোকৰ সহায়ৰ বাবে দিলি, পাটৰ, ছেনেত, মিজি কাথাৰ, ফেৰাংকে, বুৰতেমেন আদি পদবী সৃষ্টি কৰা হয়। লিন্দকপ' প্ৰমুখ্যে এই পাৰিষদসকলক একেলগে পিনপ'মাৰ বুলি কোৱা হয়। এই শাসন ব্যৱস্থা তিনি খলপীয়া। স্থানীয় স্তৰত (গাঁও) গাঁওখনৰ মুৰব্বীয়ে (ছানথে) তদাৰক কৰে। ক্ষেত্ৰীয় স্তৰত (লংৰি/ৰাজ্য) এই দায়িত্ব হাবেকংৰ ওপৰত ন্যস্ত থাকে। হাবেকংৰ সহকাৰী হিচাপে দেংহাবে আৰু লংৰি, হাবেসকল থাকে। এই হাবেসকলক লিন্দকপ'ৰ নিৰ্দেশত পিনপ'মাৰসকলে পাতে। হাবেসকলে নিজৰ সহকাৰী হিচাপে মুতিয়াৰ, হেমাই (কমাৰশালৰ দায়িত্বত থকা বিষয়া), ফেৰাংকে, বুৰতেমেন, বাছাপ' আৰু পুৰোহিতক (দেউৰী) নিযুক্তি প্ৰদান কৰে। স্থানীয় আৰু ক্ষেত্ৰীয় স্তৰৰ সকলো কাৰ্য তেওঁলোকে পালন কৰিব

লাগে। তেওঁলোকৰ আওতাৰ বাহিৰৰ বা কোনো কথা অমীমাংসিত হৈ থাকিলে উচ্চতম পৰ্যায়ত পিনপ'মাৰসকলে প্ৰশাসনিক আৰু ন্যায় ব্যৱস্থাৰ তদাৰক কৰে। ইয়াকে ছাৰ ইংদেং কেথম অৰ্থাৎ তিনিখলপয়া প্ৰশাসনিক আৰু ন্যায় ব্যৱস্থা বুলি কোৱা হয়। এইখিনিতে এটা কথা স্পষ্ট কৰিব পাৰি যে প্ৰশাসনিক আৰু ন্যায় ব্যৱস্থাৰ মাজত কোনো পাৰ্থক্য নাই। প্ৰশাসনিক আৰু ন্যায় ব্যৱস্থাৰ বাবে পৃথক বিষয়বাব নাই।

**ধৰ্মীয় আৰু আধ্যাত্মিক ধাৰণা ঃ** কাৰ্বিসকল স্বভাৱিকতে জড় উপাসক। প্ৰধান উপাসক হেম্ফু। হেম্ফুৰ লগতে মুক্ৰাং আৰু নাৰী শক্তি প্ৰতিনিধিৰূপে ৰাছিনজা। তাৰোপৰি বাৰিথে, পেং লংৰি, থান, আৰই আজেং আদি স্থানীয় আৰু ক্ষেত্ৰীয় দেৱ-দেৱীক পূজা কৰা হয়। পূজাত বলি বিধান অপৰিহাৰ্য। উপাসকভেদে আৰু পূজাবিধিভেদে কুকুৰা, গাহৰি, ছাগলী, পাৰ, হাঁহ, কণী আদি উৎসৰ্গা কৰা হয়। বলিবোৰৰ উপৰিও চাউল, পিঠাগুৰি, তুলসী, ধূনা আদি নৈবেদ্যৰূপে আগবঢ়োৱা হয়। উপৰুৱা দৃষ্টি জড় উপাসক যেন লাগিলেও অলম মন দিলে তেওঁলোকক পূৰ্বপুৰুষৰ উপাসক যেনো লাগে।

কাৰ্বি আধ্যাত্মিক ধাৰণা হেম্ফুৰ বিধানৰ ওপৰতে প্ৰতিষ্ঠিত। হেম্ফু পৰম শক্তিমান, পৰম সত্যবাদী, পৰম জ্ঞানী আৰু সকলো নীতি নিয়মৰ উৎস। তেৱেঁই সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ কাৰক। ব্ৰহ্মাণ্ডৰ প্ৰতিটো কণাতেই তেওঁ বৰ্তমান। ব্ৰহ্মাণ্ডৰ স্থিতি আৰু পালনাৰ্থে তেৱেঁই কিছুমান শক্তিক দেৱত্ব প্ৰদান কৰি জগত পালনৰ দায়িত্ব অৰ্পণ কৰে। ব্ৰহ্মাণ্ডত কোনো সৰু বা ডাঙৰ নহয়। কোনোৱেই অদৰকাৰী বা অনাৱশ্যক নহয়। সকলোৱে নিজৰ নিজৰ অধিকাৰ আৰু দায়িত্ব পৰিসীমা আছে। এই পৰিসীমা কোনেও লংঘন কৰিব নোৱাৰে। মুঠতে হেম্ফুৰ বিধান হ'ল "তুমিও সততাৰে জীয়াই থাকা আৰু আনকো জীয়াই থাকিবলৈ দিয়া।"

**জন্ম-মৃত্যু আৰু পাৰলৌকিক ধাৰণা ঃ** আত্মাৰ অমৰত্ব আৰু পুনৰ্জন্মক (মেন কাচেৰাং) কাৰ্বিসকলে দৃঢ়ভাৱে বিশ্বাস কৰে। প্ৰত্যেকজন নৱজাতকেই কোনোবা মৃতকৰ পুনৰ্জন্ম। একোটা আত্মাই ২০ টা দেহ ধাৰণা কৰিব পাৰে বুলি বিশ্বাস কৰা হয়। অৰ্থাৎ একোজন মৃতকৰ পুনৰ্জন্ম ২০ জন নৱজাতকৰূপে হ'ব পাৰে। নৱজাতকজন কাৰ পুনৰ্জন্ম তাক মঙল চাই থিৰাং কৰা হয়। কিছুমান ক্ষেত্ৰত ৮/১০ বছৰৰ পিছতো মৃতকৰ পৰিচয় সলনি হ'ব পাৰে (মেন কাচিকিৰলা)। কাৰ্বিত স্বৰ্গ-নৰক জাতীয় কোনো ধাৰণা নাই। মৃত্যুৰ পিছত আত্মাই মূল ঘৰলৈ (হেমপি-ৰিতপি) আয়ুস ল'বলৈ (ছাংতেত কাচিংথুম) যায়। আয়ুস লৈ পুনৰ এই মুলুকলৈ প্ৰত্যাৱৰ্তন কৰে। সেই স্বৰ্গীয় ঠাইখনৰ অধিপতি হ'ল থিপকুৰু-থেংকুৰু বা চম কুৰু। চম কুৰুৰ নামতে ঠাইখনৰ নাম চম আৰং. আয়ুস শেষ হ'লে আত্মাই চম আৰঙৰ পৰা আনি পুনৰ জন্ম লোৱাৰ এই প্ৰক্ৰিয়া অনাদি অনন্ত কালৰ পৰাই চলি আহিছে আৰু আহি থাকিব বুলি বিশ্বাস কৰা হয়।

কোনো কাৰ্বি মাতৃয়ে গৰ্ভধাৰণ কৰাৰ লগে লগেই হেম্ফুলৈ এটা ৰঙা মতা কুকুৰা দি দুয়োটা জীৱৰ ৰক্ষা আৰু প্ৰতিপালনৰ বাবে প্ৰাৰ্থনা কৰা হয়। ইয়াকে "আৰল' আবুৰ বা আল' আবুৰ" বুলি কয়। ইয়াৰ পিছতো যদি কিবা অস্বাভাৱিকতা থাকে তেন্তে মঙলাৰ হতুৱাই মঙল চোৱাই তেনে কাৰ্য্যৰ বাবে চিনাক্ত হোৱা দেৱতা বা অপদেৱতাক পূজা এভাগ দিয়া হয় নতুবা আগ কৰি থোলা হয়। যথাসময়ত সন্তান ভূমিষ্ঠ হ'লে চুৱা আতৰোৱা (ক্লংক্লে' আ থেকাৰ কিতি) হয়। লগে লগে মঙল চাই পূৰ্বজন্মৰ পৰিচয় থিৰাং কৰি সেইমতে নামাকৰণ কৰা হয়। বছৰটোৰ ভিতৰত সোমাবেক দ্বাৰা চূড়াকৰণ কৰা হয়। হেম্ফু পূজা পাতি অন্নপ্ৰাশন কৰা হয়।

কাৰ্বিসকলে মৃতদেহ কাষ্ঠ সংস্কাৰ কৰে। সৎকাৰৰ আগতে মৃতদেহটো ধুৱাই-নোৱাই নতুন কাপোৰ পৰিধান কৰোৱা হয়। সামাজিকভাৱে সন্মানীয় ব্যক্তিৰ মৃতদেহ এদিন ৰাখি (ৰং কাপেদ') সৎকাৰ কৰাৰ নিয়ম। এনে নিয়ম অৱশ্যে স্বাভাৱিক মৃত্যুৰ (থি কুংৰি) ক্ষেত্ৰতহে প্ৰযোজ্য। অপঘাত মৃত্যুৰ (হ'নি কেফ') ক্ষেত্ৰত মৃতদেহ ঘৰৰ ভিতৰলৈ নিয়াৰ বিধি নাই। বিশেষ শ্ৰেণী পুৰোহিতৰ (বাপ আমুং বা কাখ্ৰে ......) দ্বাৰা উদ্ধাৰ পৰাচিতৰ পিছতহে তেনে মৃতদেহ সৎকাৰ কৰা হয়। সৎকাৰৰ তিনিদিনৰ পিছত হেম্ফু পূজাৰ (আৰবুং কেচাম) জৰিয়তে চুৱা আতৰাই পুনৰ সমাজৰ অন্তৰ্ভুক্ত হয়। এইখিনিতে এটা কথা মনকৰিবলগীয়া যে সৎকাৰ আৰু সৎকাৰৰ সৈতে জড়িত সকলো বিধি বিধানৰ পৰিচালনা এগৰাকী জ্ঞানী মহিলাৰ (ওচেপী বা চাৰহেপী) দ্বাৰা পৰিচালিত হয়। তেঁৱেই বিননিৰ সুৰত লৌকিক আৰু পাৰলৌকিক তত্ত্বৰ

ব্যাখ্যা কৰে। মৃতাত্মাক পৰলোকলৈ যোৱাৰ পথ নিৰ্দেশনা দিয়ে। পৰলোকৰ কায়দা-কানুন আৰু জীৱন শৈলীৰ বৰ্ণনা কৰে। দহা-কাজৰ বাবে কোনো নিৰ্দিষ্ট সময় ধৰাবন্ধা নাথাকে। সামৰ্থ্য আৰু সুবিধা অনুসৰি কৰা হয়। ইয়াকে চ'মাংকান বোলা হয়। চ'মাংকান বৃহৎ আৰু ব্যয়বহুল অনুষ্ঠান। কাজেই বহু কেইজন মৃতকৰ বাবে এবাৰতে কৰাৰ বিধান আছে। এটা কথা উনুকিয়াই লোৱা ভাল যে— আতুৰত পৰিলে (মহামাৰী, বানপানী, যুদ্ধ বা যিকোনো আপাতকালীন অৱস্থা) মৃতদেহ ভূমি সংস্কাৰ কৰাৰো বিধি আছে। যথাসময়ত তাৰ অৱশেষ পুনৰ বিধি অনুসৰি কাষ্ঠ সংস্কাৰ কৰা হয়। বাঘৰ দ্বাৰা প্ৰাণ হেৰুওৱা মৃতকৰ সৎকাৰৰ কোনো বিধি নাই। সৎকাৰ প্ৰতিখন গাঁৱেই বা কেইবাখনো গাঁও মিলি এটা নিৰ্দিষ্ট ঠাইত কৰা হয়। তাক ৰং কাংথিৰ, ৰং লাংন', ৰং কাংছাম আদি কয়। সেই শ্মশানত কাৰ্বিৰ পাঁচটা ফৈদৰ বাবে পাঁচটা দাহ থলি (তিপিত) থাকে। প্ৰত্যেক ফৈদে নিজৰ ফৈদৰ বাবে নিৰ্দিষ্ট কৰা তিপিতহে মৃতদেহ সৎকাৰ কৰিব পাৰে।

**উৎসৱ পাৰ্বণ ঃ** কাৰ্বিসকল উৎসৱপ্ৰিয় জাতি। তেওঁলোকৰ উৎসৱ পাৰ্বণবোৰ কৃষিভিত্তিক আৰু ঝুমকেন্দ্ৰিক। বছৰৰ বিভিন্ন সময়ত (ঋতুত) বিভিন্ন পূজা-পাতলৰ লগতে উৎসৱ উদ্‌যাপন কৰা হয়। তলত প্ৰধান প্ৰধান উৎসৱসমূহ উল্লেখ কৰা হয়।

১। **চ'জুন ঃ** পাৰিবাৰিক উৎসৱ। মূল দেৱতা স্বৰ্গাধিপতি বাৰিথো।

২। **চ'মাংকান ঃ** ৰাজসিক আয়ামেৰে পাৰিবাৰিক উৎসৱ। প্ৰকৃততে মৃত্যুক গীত, মাত, নৃত্য আদিৰে পৰাভূত কৰাৰ উৎসৱ। পাৰিবাৰিক দহা বুলিব পাৰি। নিমছ' কিৰং, বানৰজাৰ ডেকান আদি এই উৎসৱৰ অংশ।

৩। **হাচ্চা কেকান ঃ** শস্য চপোৱা বা ঘৰলৈ আদৰা উৎসৱ।

৪। **ৰংকেৰ ঃ** বছৰেকীয়া সমূহীয়া উৎসৱ। গাঁওখন বা এলেকাটোৰ মঙ্গল আৰু ভাল শস্য উৎপাদনৰ উদ্দেশ্যে স্থানীয় দেৱ-দেৱীৰ বাবে পতা পূজা।

৫। **আক কিপ্ৰু ঃ** বছৰেকীয়া মৎস্য চিকাৰ। ইয়াৰ জৰিয়তে পূতস্নান কৰি বছৰটো পুনৰ নতুন উদ্যমেৰে কৰ্মত আত্মনিয়োগ কৰাৰ উৎসৱ।

৬। **আকহুং ঃ** সমূহীয়া চিকাৰ উৎসৱ। ইয়াৰ জৰিয়তে শাৰীৰিক শক্তি, অস্ত্ৰচালনা আৰু অন্যান্য মৃদু কলাৰ প্ৰশিক্ষণ আৰু কৌশলী লোকৰ অনুসন্ধান কৰা হয়।

৭। **হেন-উপ আহি কেকান ঃ** বাঁহ গজ সমূহীয়াকৈ পকোৱাৰ উৎসৱ। সমূহীয়াকৈ বাঁহ গাজ কাটি আনি ৰখা হয়। যথাসময়ত পকিলে বিধিমতে নৃত্য-গীতৰ অনুষ্ঠানৰ মাজেৰে সকলোকে বিলাই দিয়া হয়।

৮। **ৰিতনাং চিংদি ঃ** শস্য সিঁচাৰ উৎসৱ। নতুন ঝুমতলীত নৃত্য-গীতৰ মাজেৰে শস্য সিঁচা হয়। এই উৎসৱত সাধাৰণতে গাঁওখনৰ ডেকা চাঙৰ (জিৰতুম) সদস্য-সদস্যাই অংশগ্ৰহণ কৰে।

৯। **জিৰ কেদাম ঃ** জিৰ কেদাম হ'ল যুৱ অনুষ্ঠান। এই অনুষ্ঠানে প্ৰতিখন গাঁৱৰ নৱপ্ৰজন্মৰ প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদান কৰে। এই প্ৰশিক্ষণ কৃষি কৰ্ম, হস্তশিল্প, গীত-মাত, আচাৰ-ব্যৱহাৰ, বয়ন শিল্প, প্ৰতিৰক্ষা আদি সামৰি লোৱা হয়। প্ৰয়োজনত গাঁৱৰ মানুহক সহায়ৰ হাত আগবঢ়োৱা হয়। অনুষ্ঠানটোত সকলো যুৱক-যুৱতীয়ে যোগদান কৰাটো বাধ্যতামূলক আছিল। যুৱকৰ বাবে গাঁৱৰ সোমাজতে তেৰাঙ্ (ডেকা চাং) নিৰ্মাণ কৰা হয়। যুৱতীসকলৰ বাবে গাঁওবুঢ়াৰ (ছাৰথে) ঘৰটো ব্যৱহাৰ কৰা হয়। জিৰতুমৰ দলপতিক ক্লেংছাৰপ', সহকামীক ক্লেংদুন বুলি কোৱা হয়। উপদেষ্টা হিচাপে ৰিছ'বাছা আৰু এজন বয়সস্থ লোক (অ'ৰে বাৰিম) থাকে। বিভিন্ন বিভাগৰ বাবে বিভিন্ন পদবী থাকে।

**কাৰবি লোক সাহিত্য ঃ** কাৰ্বি লোক সাহিত্যৰ কোনো সীমা নাই। জনজীৱনৰ প্ৰতিটো ভাগকে লোক সাহিত্যই ধাৰণ কৰিছে, বহন কৰিছে, প্ৰয়োজনত পৰিমাৰ্জন, পৰিৱৰ্দ্ধন কৰিছে। অন্য কথাত কাৰ্বি সমাজখন লোক সাহিত্যৰ ওপৰতেই বৰ্তি আছে আৰু নীতি নিৰ্দেশনা গ্ৰহণ কৰিছে। কাৰ্বি লোকসাহিত্যত মন্ত্ৰ, সাধুকথা, পুৰা কাহিনী, সৃষ্টিতত্ত্ব, পাৰলৌকিক তত্ত্ব আদিয়েই প্ৰধান। এই বিশাল লোক সাহিত্যৰ সৰহভাগেই গীতি সাহিত্য। সেইবোৰক এটা নিৰ্দিষ্ট সুৰত আবৃত্তি কৰা হয়। এনে তাত্ত্বিক বিষয়ৰ উপৰিও কাৰ্বিত বহুতো সুন্দৰ সুন্দৰ মালিতা আছে, প্ৰণয়ী গীত আছে। কিছুমান ধেমেলীয়া আৰু ব্যংগ সাহিত্যও আছে। মুঠতে কাৰ্বি জনজীৱন 'গীতিময়' আৰু 'ছন্দোবদ্ধ'।

**আধুনিক কাৰবি সমাজ ঃ** বৃটিছৰ  আগমনৰ পিছে পিছে আমেৰিকাৰ ব্যাপ্টিষ্ট মিছনেৰীও কাৰ্বি সমাজত প্ৰৱেশ কৰে। লগে লগে কিছু সংখ্যক লোক ধৰ্মান্তৰিত হয়। বহুতো ঘাট-প্ৰতিঘাট, বাদ-বিবাদৰ মাজেৰে কাৰ্বি সমাজলৈ শিক্ষাৰ পোহৰ সোমায়। লগে লগে মূলসুঁতিৰ সৈতে সম্পৰ্ক সহজ হৈ ক্ৰমান্বয়ে গাঢ় হৈ আহে। লগে লগে জীৱনধাৰণ, জীৱন-জীৱিকা, সাজ-পোছাক, খোৱা-বোৱাত আমূল পৰিৱৰ্তন হ'বলৈ ধৰে। অতি সম্প্ৰতি অতি ভিতৰুৱা অঞ্চলক বাদ দি এজন কাৰ্বি মানুহ আৰু তেওঁৰ ঘৰখনৰ সৈতে মূলসুঁতিৰ মানুহৰ একো পাৰ্থক্য দেখা নাযাব। তেওঁলোকে মাথোঁ কিছুমান সাংস্কৃতিক উপাদান ধৰি ৰাখি আছে, কিছুমান উপাদান ত্যাগ কৰিছে। যাৰ ফলত বহুতো সাংস্কৃতিক উপাদান বিলুপ্ত হ'বলৈ ওলাইছে, বহুত মূল্যৱান লোকসাহিত্য আৰু লোক-কলাৰ সম্পদ হেৰাই যাবলৈ ধৰিছে। বহুতো কলা সামগ্ৰী, সাহিত্য সম্পদ এতিয়া যাদুঘৰৰ সামগ্ৰীহে হৈছে। যিবোৰ উপাদানক লৈ নিজকে এটা পূৰ্ণাঙ্গ জাতিসত্তা বুলি দাবী কৰি থকা হৈছে, সকলোবোৰেই এতিয়া অনাদৰত হেৰাই যোৱাৰ উপক্ৰম হৈছে। আধুনিক কাৰ্বি সমাজত এইবোৰ এঘৰীয়া হৈছেগৈ। আনকি ভাষাটোও 'ভালনাৰেবল' অৱস্থা পাইছেগৈ।

**সামৰণি ঃ** কাৰ্বিসকল স্বাভাৱিকতে নিৰ্জু আৰু সহজ সৰল হোৱাৰ লগতে নিজকে নিলগাই ৰখাৰ মানসিকতাৰ বাবে বহুতো হেৰুৱাইছে। সীমিত পৰিসৰৰ জ্ঞান, নতুন বৈজ্ঞানিক আৱিষ্কাৰ আদি জ্ঞানৰ অভাৱে সমাজখনক জুৰুলা কৰিছে। এই অজ্ঞতাই তেওঁলোকক আত্মবিশ্বাস নথকা এদন দিগভ্ৰষ্ট জনসমূহলৈ পৰিৱৰ্তিত কৰিছে। তেওঁলোকে অতি সহজে প্ৰলোভিত হৈছে। অতি সহজে পতিয়ন গৈছে। নিজৰ উপাদানসমূহক হীন দৃষ্টিৰে চাই অন্যৰ উপাদানবোৰক উৎকৃষ্ট জ্ঞান কৰিবলৈ লৈছে। সংস্কাৰ আৰু প্ৰগতিৰ নামত নিজকে অস্তিত্বৰ সংকটলৈ ঠেলি দিছে। সকলোৰে জাতি, ভাষা, ভূমি, সংস্কৃতিৰ ৰক্ষা আৰু প্ৰসাৰৰ বাবে শ্ল'গান দিয়াতহে লাগিছে, কৰাত কোনেও কৰা নাই। কাৰ্বিৰ বৰ্ণাঢ্য, বৰ্ণিল সংস্কৃতিৰ ভৱিষ্যত সম্পৰ্কে চিন্তা কৰিবলগীয়া বহুত কথা আছে। কৰিবলগীয়া বহুত আছে আনুষ্ঠানিক আৰু অনানুষ্ঠানিকভাৱে।

*****

● লেখক ঃ পশ্চিম কাৰ্বিআংলং জিলাৰ হংক্ৰাম গাঁৱৰ এগৰাকী বিশিষ্ট গৱেষক, সাহিত্যিক আৰু অসম সাহিত্য সভাৰ ৰথাতলাংছু অধিৱেশনৰ আদৰণি সমিতিৰ সম্পাদক।

# মৰাণৰ সমাজ আৰু সংস্কৃতি

**মোহন মৰাণ**

মৰাণসকল অসমৰ অন্যতম প্ৰাচীন বাসিন্দা। অসম নামৰ উৎপত্তি হোৱাৰ পূৰ্বেই মৰাণসকলৰ প্ৰাচীন সৌমাৰখণ্ডত স্বাধীনভাৱে ৰাজ্য পাতি বসবাস কৰি আছিল। মৰাণসকল অসমলৈ আগমন সম্পৰ্কে ভিন্ন পণ্ডিতে মত পোষণ কৰিছে। খ্যাতনামা বুৰঞ্জীবিদ ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে খৃঃপূঃ ১০০০ বছৰ পূৰ্বেই মৰাণসকল অসমত প্ৰৱেশ কৰিছিল বুলি মত পোষণ কৰি থৈ গৈছে। প্ৰথিতযশা বুৰঞ্জীবিদ ড° স্বৰ্ণলতা বৰুৱাই খৃঃপূঃ ২৫০০ বছৰ পূৰ্বে মৰাণসকল অসমলৈ আহিছিল বুলি ঠাৱৰ কৰিছে। মৰাণসকলৰ উৎপত্তি সম্বন্ধে তেওঁ এনেদৰে কৈছে— "আদিতে মৰাণসকলক টাই গোষ্ঠীৰ লোক বুলি অনুমান কৰিলেও মৰাণসকল যে বড়ো প্ৰজাতিৰ এই কথা নিঃসন্দেহে ক'ব পাৰি। হয়তো বহুকাল কছাৰী, বৰাহী আদি বড়ো প্ৰজাতিৰ এই কথা নিঃসন্দেহে ক'ব পাৰি। হয়তো বহুকাল কছাৰী, বৰাহী আদি বড়ো প্ৰজাতিৰ পৰা বিবাহসূত্ৰে অহা বাবে মৰাণসকলৰ টাই গোষ্ঠীৰ কোনো চিনেই নাথাকিল। তদুপৰি চুতীয়া, দেউৰীৰ লগত তেওঁলোকৰ নৃতাত্ত্বিক ঘনিষ্ঠ সম্বন্ধ আছে।" সাহিত্যিক ৰজনীকান্ত বৰদলৈ, ড° বিৰিঞ্চি কুমাৰ বৰুৱা আদি সাহিত্যিকে মৰাণসকল বৃহত্তৰ বড়ো প্ৰজাতিৰ এটি ঠাল বুলি কৈছে। নৃতত্ত্ববিদ ভূৱন মোহন দাসে একালৰ মৰাণৰ ভাষা তিব্বতবৰ্মী পৰিয়ালৰ বড়ো ভাষাৰ লগত সাদৃশ্য থকাৰ কথা উল্লেখ কৰি থৈ গৈছে। ছাৰ এডৱাৰ্ড গেইট, পি আৰু টি গৰ্ডন, চিডনী এণ্ডেল, জি এ গ্ৰীয়েৰচন আদি পণ্ডিতৰ মতে মৰাণ আৰু বড়ো ভাষাৰ মাজত বহু সাদৃশ্য আছিল। (মৰাণ-মটক সমাজ-সংস্কৃতি, পৃষ্ঠা- ১৮)। এইদৰে মৰাণসকলৰ সম্বন্ধে ভিন্ন পণ্ডিতে মত পোষণ কৰি থৈ গৈছে। তদুপৰি ১২২৮ খ্ৰীঃত চাওলুং ছুকাফাই প্ৰাচীন সৌমাৰখণ্ডত প্ৰৱেশ কৰোঁতে মৰাণৰ ৰজা বদৌচা আৰু বৰাহীৰ ৰজা থাকুমথাক লগ পোৱাৰ কথা ইতিহাসত আছে আৰু এই মৰাণ-বৰাহীসকলৰ পৰা ছুকাফাই নানা কৌশলেৰে ক্ষমতা হস্তগত কৰি বৃহত্তৰ আহোম ৰাজ্য প্ৰতিষ্ঠাৰ পাতনি মেলে। থলুৱা লোকসকলকে সৈন্য-সামন্ত হিচাপে লৈ আহোম ৰাজ্য বহলায়। ১৭৬৯ খ্ৰীঃত স্বৰ্গদেউ লক্ষ্মী সিংহ (১৭৬৯-৮০)ৰ দিনত ৰাজতন্ত্ৰত ভূমিকম্প সৃষ্টি কৰা ঐতিহাসিক মোৱামৰীয়া বিদ্ৰোহৰ সূত্ৰপাত হয়— এই মৰাণসকলৰ নেতৃত্বতেই। বিদ্ৰোহৰ ফলশ্ৰুতিত আহোম শাসকে মৰাণক দমন কৰিব নোৱাৰি ১৮০৫ খ্ৰীঃত স্বাধীন মটক ৰাজ্য দিবলৈ বাধ্য হয়। ইয়াৰ ৰাজধানী আছিল 'বেংমৰা' অৰ্থাৎ বৰ্তমান তিনিচুকীয়া। প্ৰথম অৱস্থাত ব্ৰিটিছ চৰকাৰে স্বতন্ত্ৰতা মানি লৈছিল যদিও ১৮৪২ চনৰ ডিচেম্বৰ মাহত বিদেশী ঔপনিবেশী ব্ৰিটিছসকলে ক্ষমতা হস্তগত কৰে। মোৱামৰীয়া বিদ্ৰোহ, পৰ্বতীয়া জাতিৰ মাজত হোৱা যুদ্ধ-বিগ্ৰহ, ঔপনিবেশিক ব্ৰিটিছৰ আগমন আদি নানা ঘাত-প্ৰতিঘাতৰ ফলশ্ৰুতিত মৰাণসকলে কোনোমতে উজনি অসমৰ তিনিচুকীয়া, ডিব্ৰুগড় আৰু অৰুণাচলৰ মহাদেৱপুৰ অঞ্চলত অস্তিত্ব বজাই ৰাখিবলৈ সক্ষম হ'ল। লখিমপুৰ, শিৱসাগৰ, যোৰহাট, ধেমাজি আদি জিলাত অনেক মৰাণ লোক এতিয়াও বসতি কৰি আছে যদিও তেওঁলোক অস্তিত্বহীনতাত ভুগি আছে। যেই কি নহওক, মৰাণৰ সমাজ-সংস্কৃতি সম্বন্ধে ক'বলৈ গ'লে উজনিৰ মৰাণসকলকহে এই লেখাত সামৰি ল'ব লাগিব।

**মৰাণৰ ধৰ্ম ঃ**

অতীজত মৰাণসকল শৈৱ আছিল। পিছলৈ শদিয়াৰ কেঁচাইখাতী গোসাঁনী অৰ্থাৎ তাম্ৰেশ্বৰী মন্দিৰৰ সেৱক হ'লগৈ। ষোড়শ শতিকাত মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ আন্দোলনে যি কাৰণতেই নহওক লাগিলে প্ৰত্যক্ষভাৱে মৰাণসকলক স্পৰ্শ কৰিব পৰা নাছিল। সুখৰ কথা এয়ে যে বহু বছৰৰ বিৰতিত গুৰুজনাৰ অন্যতম অনুৰাগী শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ ওচৰত মৰাণসকলে শৰণ লৈ কাল সংহতি থূলৰ মায়ামৰা বৈষ্ণৱ ধৰ্মত দীক্ষা লয়। এই প্ৰক্ৰিয়া গুৰু অষ্টভুজৰ পৰা কৃষ্ণভুজৰ দিনত সম্পূৰ্ণ হয়। উজনি অসমৰ তিনিচুকীয়া জিলাৰ ডুমডুমা মৌজাৰ টিপুক নদীৰ পাৰত ১৭৫৮ চনত প্ৰতিষ্ঠা কৰা সত্ৰখনেই প্ৰখ্যাত টিপুক মায়ামৰা সত্ৰ। কাল সংহতিৰ মায়ামৰা থূলৰ নৰমজনা গুৰু অষ্টভুজৰ বাইক-বচন তথা আজ্ঞামতে তেৰাৰ পুত্ৰ কাঁচিনলীয়াই কৃষ্ণভুজ নাম প্ৰকাশ কৰি এই সত্ৰখন প্ৰতিষ্ঠা কৰে। বৰ্তমান তিনিচুকীয়া জিলাত থকা ১৩ খন শাখা সত্ৰৰ গুৰি হ'ল— এই টিপুক সত্ৰ। এই সত্ৰৰ আটাইখিনি শিষ্যই মৰাণ মানুহ। মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ প্ৰণিত 'ভক্তিমংগল ঘোষা' বা 'আদ্যোশ্বৰ' আৰু গুৰু নিত্যানন্দদেৱৰ 'মুক্তিমঙ্গল ঘোষা' বা 'নিত্যানিশ্বৰ' শাস্ত্ৰক 'ভাগৱত' হিচাপে জ্ঞান কৰি দেশ চলায়। সত্ৰৰ বাহিৰেও সত্ৰৰ আজ্ঞাপৰ প্ৰতিখন গাঁৱতেই একোটা নামঘৰ থাকে আৰু ইয়াৰ দ্বাৰাই ধৰ্ম-সংস্কৃতি ৰক্ষা কৰি আহিছে মৰাণসকলে। শৈৱৰ পৰা শাক্তলৈ, শাক্তৰ পৰা নৱ-বৈষ্ণৱলৈ যাত্ৰা কৰোঁতে সমাজ-সংস্কৃতিলৈ যথেষ্টখিনি পৰিৱৰ্তন আহিছে। মায়ামৰা টিপুক সত্ৰৰ বাহিৰেও দিনজয়, বগৰীতলীয়া, গড়পাৰা, মদাৰখাট, মোৱামৰা আদি সত্ৰতো অনেক মৰাণ লোকে শিষ্যত্ব গ্ৰহণ কৰিআছে। কিন্তু টিপুক সত্ৰৰ অধীনৰ মৰাণসকলে এক স্বকীয় নৈব্য সংস্কৃতি গ্ৰহণ কৰি কটকটীয়া বান্ধোনৰ যোগেদি সমাজখন ঐক্য এনাজৰীৰে বান্ধি ৰাখিছে। মৃদংগ, ভোৰতাল, গায়ন-বায়নৰ মূল বাদ্য। শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ ন-কুৰি, ন-জন, শ্ৰীশ্ৰীহৰিৰাম দেৱৰ আঠকুৰি ছয়জন, শ্ৰীশ্ৰীনিত্যানন্দদেৱৰ আঠকুৰিটা গীতকে ধৰি শ্ৰীশ্ৰীদয়ানন্দনদেৱ আৰু শ্ৰীশ্ৰীশঙ্কৰভুজদেৱৰ গীত-মাত, ৰাগ-জাত মৰাণ সমাজত প্ৰচলিত। গুৰুসকলৰ বিৰচিত এই গীতবোৰ ৩০ টা ৰাগত গোৱা হয়। গায়ন-বায়নৰ বেশভূষা, বাদন প্ৰণালী, গায়নশৈলী, নৃত্যৰ খোজ-কাটল আদি স্বকীয় বৈশিষ্ট্য মনকৰিবলগীয়া।

**গৃহ নিৰ্মাণ ঃ**

মৰাণসকলে সাধাৰণতে মাটি ঘৰত থাকে। পুবা-পশ্চিমা অথবা উত্তৰা-দক্ষিণাকৈ ঘৰবোৰ সাজি লয়। ঘাই দুৱাৰখন মূধৰ বেৰত থাকে। মূল দুৱাৰ সংলগ্ন কোঠাটোৰেই চ'ৰাঘৰ বা বহা ঠাই। এই কোঠাটোত জুহাল, ধোঁৱাচাং, ডকলাই, ঢেঁকীশাল আদি থাকে। চ'ৰাঘৰটো ধৰ্মীয় পদমৰ্যাদা অনুসৰি ৩/৫ মাৰলিযুক্ত হয়। চ'ৰাঘৰৰ সিপাৰৰ কোঠাবোৰ শোৱনি কোঠা, শোৱনি কোঠা পাৰ হৈ ৰন্ধনশাল। কোনো কোনোৱে আৱশ্যক অনুযায়ী সুকীয়া ৰান্ধনীঘৰ নিৰ্মাণ কৰি লয়। মূল গৃহৰ ওচৰে-পাঁজৰে হাঁহগড়াল, ভঁৰাল, গোহালি ঘৰ, তাঁতশাল, ম'হৰ খুটি আদি থাকে। ঘৰৰ আগৰ চোতালখন আহল-বহল হোৱাটো বাঞ্ছনীয়। ঘৰবোৰ সাধাৰণতে বাঁহ, কাঠ, বজাল বাঁহ, জেঙুপাত, টকৌপাত, খেৰ আদিৰে সজা হয়। আজিকালি অৱশ্যে পকীঘৰ নিৰ্মণ কৰি লোৱাও দেখা যায়।

**জীৱিকা ঃ**

মৰাণসকলৰ ৯০ শতাংশ লোকেই কৃষি নিৰ্ভৰশীল। আদিতে মৰাণসকলে ঝুমখেতি কৰিছিল। বৰ্তমান আহু আৰু শালি এই দুয়োটা খেতি কৰে। কমলা টেঙা খেতি উজনিৰ মৰাণসকলৰ একচেতীয়া খেতি। অৱশ্য কমলা টেঙাৰ খেতিৰ ঠাই দখল কৰিছে ক্ষুদ্ৰ চাহ খেতিয়ে। সম্প্ৰতি ঘৰে ঘৰে চাহ। চাহ খেতিত বহু হাজাৰ লোক আত্মসংস্থাপন লাভ কৰিছে। অনেকে তামোল খেতি কৰিও আৰ্থিক সকাহ পাইছে। বাৰীত আম-কঁঠাল, জামু-লেটেকু আদি উদ্যান শস্যৰ খেতিয়েও ঘৰ-বাৰী শুৱনি কৰিছে। বহুজনে ব্যৱসায়িকভিত্তিক ৰবৰ খেতি কৰিও আৰ্থিকভাৱে লাভৱান হৈছে। শাক-পাচলি, মীন আদি খেতিত নিমগ্ন হোৱাও পৰিলক্ষিত হয়।

**সাজ-পাৰ ঃ**

সাজ-পাৰে একোটা জাতিৰ সম্যক পৰিচয় দাঙি ধৰাত সহায় কৰে। অসমৰ অন্য জাতি-জনগোষ্ঠীৰ দৰে মৰাণসকলৰো নিজস্ব সাজ-পাৰ আছে— যিবোৰ সাজ-পাৰে মৰাণৰ স্বকীয় সংস্কৃতিৰ বৈশিষ্ট্য বজাই ৰাখিছে। বিংশ

শতিকাৰ সত্তৰ দশক পৰ্যন্ত হাতে কটা সূতাৰে হস্ততাঁতত কাপোৰ বৈ লৈছিল। কপাহ, মুগা, পাট, মেজাংকৰী আঁহৰ পৰা তৈয়াৰী সূতাৰ পৰা পৰিধেয় বস্ত্ৰ বৈ লোৱাটো সৰ্বজনবিদিত। বজাৰত উপলব্ধ ৰং-বিৰঙৰ সূতাৰ পৰা মৰাণ মহিলাসকলে বৰ্তমানেও হস্ততাঁতত সাজ-পাৰ বোৱা পৰম্পৰা অটুট ৰাখিছে। হস্ততাঁতত বোৱা মহিলাৰ সাজ-পাৰৰ ভিতৰত আছে— মেখেলা, চাহৰ, চেলেং, কঁকালমৰা, পাৰকানি, ৰিহা, কলীয়া, ৰিহা, গামোচা, ফুলাম ঢৰা, ঢৰা গেমেচা আদিয়েই প্ৰধান। আনহাতে পুৰুষৰ সাজ-পাৰৰ ভিতৰত আছে— চোলা-চুৰীয়া, পাগুৰি, কামিজ, চেলেং ছুকঠীয়া; গায়ন-বায়নৰ জেমা-টঙালি, গেমেচা, ফুলাম চৰা ইত্যাদি। আদিতে পুৰুষে ছয়গুণ চোলা আৰু মহিলাই জাকি চোলা পিন্ধাৰ কথা বৃদ্ধ-বৃদ্ধাসকলৰ মুখত শুনা যায়। বুকুত খুচনা মাৰি মেখেলা আৰু কঁকালমৰা পিন্ধা মৰাণ মহিলাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। বৰকাপোৰ . এৰিচাদৰ, তলিচা, নিহালি, গাৰু, গিলিপ, আঠুৰা নিজে তৈয়াৰ কৰি লোৱাটো লক্ষণীয় দিশ। আজিকালি অৱশ্যে বজৰুৱা আধুনিক বস্ত্ৰ সম্ভাৰেৰে যুৱ-সমাজক বিশেষভাৱে আকৰ্ষণ কৰা পৰিলক্ষিত হয়। তৎসত্বেও সকাম-নিকাম, উৎসৱ-পাৰ্বণ, ধৰ্মীয় অনুষ্ঠান আদিত জাতীয় সাজ-পাৰ পৰিধান কৰাটো বাধ্যতামূলক।

**উৎসৱ-পাৰ্বণ ঃ**

ব'হাগ বিহু অথবা ৰঙালী বিহুখনেই মৰাণৰ একমাত্ৰ জাতীয় উৎসন। মাঘবিহু বিশেষ ৰীতি-নীতিৰে পতাৰ বিপৰীতে কেৱল কাঠ আলু, কচু, পিঠা-পনা আদি খায়েই কটায়। কিছুমান মৰাণ গাঁৱত সমূহীয়াকৈ ভোজভাত খোৱা প্ৰথা আছে। কিন্তু মেজি জ্বলোৱা প্ৰথা নাই। মাঘ বিহুত আলু-কচু নাখালে পৰজনমত গাহৰি হয় বুলি এটা লোকবিশ্বাস মৰাণ সমাজত চলি আহিছে। কাতিবিহু মৰাণসকলে নাপাতে। দুই-একে পথাৰত চাকি জ্বলায়। মৰাণসকলে চ'তৰ সংক্ৰান্তিত বিহু নাপাতে। গুৰু-গোসাঁই, ডা-ডাঙৰীয়া, ভকতসকলৰ আলোচনামৰ্মে ব'হাগৰ চান্দ্ৰমাহৰ প্ৰথম সপ্তাহৰ মংগলে উৰুকা, বুধে গৰুবিহু আৰু বৃহস্পতিবাৰে মানুহ বিহু হিচাপে লৈ বিহুৰ দিন-বাৰ স্থিৰ কৰি ৰঙালী বিহু পতা পৰম্পৰা চলি আহিছে। বিহুৰ পদতো এই পৰম্পৰা সম্পৰ্কে উল্লেখ আছে—

"হাঁচতি ঐ চ'ত, বিচতি ঐ চ'ত
বুদে গৰু বিহু, মংগলে উৰুকা
বিহু গৈ আছিলি ক'ত?"

মৰাণসকলে বুধবাৰটো তাহানিৰে পৰা শুভ আৰু পৱিত্ৰ বাৰ হিচাপে গণ্য কৰি আহিছে। এই পৱিত্ৰ বুধবাৰৰ দিনটোত তাহানি শদিয়াৰ কেঁচাইখাতী শালত বৰবলি দিহে বিহু নমোৱা হৈছিল। শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ দ্বাৰা প্ৰৱৰ্তিত এক শৰণীয়া মায়ামৰা বৈষ্ণৱ ধৰ্মত শিষ্যত্ব গ্ৰহণ কৰাৰ পিছতো পূৰ্বৰ সেই পৰম্পৰা থাকি গ'ল। অৰ্থাৎ কেঁচাইখাতী শালৰ পৰিৱৰ্তে সত্ৰ অথবা গাঁৱৰ নামঘৰৰ পৰা বিহু নমোৱা এটা পৰম্পৰা সৃষ্টি হ'ল। ইপিনে গাঁৱৰ ডেকাসকলে বিহুৰ আগে আগে গাঁওখনৰ এডোখৰ আছুতীয়া নিৰ্জন ঠাইত এটা দুটা কোঠাযুক্ত বিহুঘৰ সাজি থয়। এই বিহু ঘৰটো বাঁহ-কাঠেৰে সাজি জেঙুপাত, গেৰগুৰা আদি পাতে চাউনি কৰা হয়। এটা চ'তিয়ে কোঠা দুটাক পৃথক কৰি ৰাখে। কিন্তু কোঠা দুটাত বেৰ নিদিয়াকৈ মুকলিভাৱে ৰাখে। এই কোঠা দুটাৰ এটাত ডেকাসকলে আনটোত গাভৰুসকলে বৃত্তাকাৰে ঘূৰি ঘূৰি বিহুপদ জোৰে, নাচ-বাগ কৰে। (সমাজৰ বান্ধোন অনুসৰি ডেকা-গাভৰু উভয়ে উভয়ৰ কোঠাত প্ৰৱেশ নিষিদ্ধ) ডেকাই ঢোল, তাল, বাঁহৰ সুতুলী, পেঁপা (জেঙুপাতৰ/ম'হৰ শিঙৰ), টোটং, ঝু-তং, বাঁহী, গগনা আৰু গাভৰুসকলে বাঁহৰ টকা আৰু গগনা বাদ্যযন্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। বিহুপদ গোৱা পিছৰ পৰ্যায়ত ডেকা-গাভৰু উভয়ে পৰস্পৰে পৰস্পৰক বিহুগীত, যোৰানাম, বিভিন্ন জাত গাই গাই নচোৱাই ফূৰ্তি, ৰং-তামাচা কৰে। উল্লেখযোগ্য যে এই নাচ-বাগ পৰ্বত অন্য গাঁৱৰ পৰা অহা ডেকাসকলেও ভাগ লয়। ঢোলৰ গুমগুমনি, পেঁপা, বাঁহী সুতুলীৰ সুৰীয়া মাতে বিহুখোলা ৰজনজনাই যায়। ডেকা-গাভৰুৰ মন ইচাট-বিচাট কৰে। হিয়া উজাৰি গোৱা যোৰানাম, বিহুগীতত প্ৰেম-বিৰহৰ মূৰ্ত প্ৰকাশ ঘটে। হিয়া-দিয়া-নিয়া হয় এই বিহু খোলাতেই। আগন্তুক যুগ্ম জীৱনৰ লগৰী নিৰ্বাচন কৰা সুৱৰ্ণ সুযোগ আনি দিয়ে এই বিহু খোলাখনে। কুৰি শতিকাৰ সত্তৰ দশক পৰ্যন্ত এইদৰে সাত দিন, সাত ৰাতি একেলেথাৰিয়ে মৰাণ ডেকা-গাভৰুৱে বিহুঘৰত বিহু কৰিছিল। পিছে অঞ্চল বিশেষে দুই-এখন গাঁৱত নিয়ম মাফিক দুই-এনিশা ৰাতি বিহু পতাৰ বাহিৰে ৰাতি বিহু প্ৰচলন

নাইকিয়া হ'ল। অৱশ্যে দিনৰ ভাগত বিহু মৰা প্ৰথা এতিয়াও প্ৰচলিত যদিও পূৰ্বৰ তুলনাথ ৰং-ৰহইচ কমি অহা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে মৰাণসকলে বৈষ্ণৱ পন্থা গ্ৰহণ কৰা পিছত সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিয়ে ৫/৭/৯ অযুগ্ম সংখ্যক বছৰৰ মূৰে মূৰে এখন হুঁচৰি গোৱা প্ৰথা আছে। হুঁচৰিখন গোসাঁই ঘৰ অথবা নামঘৰৰ পৰা বিশেষ নীতি-নিয়মেৰে উলিয়াই অনা হয়। হুঁচৰিত ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত পৰিৱেশম কৰা হয়। অন্য প্ৰেম-প্ৰণয়মূলক বিহুগীত গোৱা নিষিদ্ধ। আনকি ঢোলৰ খোলাতো ঢোলৰ মাৰিয়ে টাক্ টাক্ মৰা নীতি বিৰুদ্ধ। সাজ-পাৰ, গায়নশৈলী, খোজ-কাটল আদি স্বকীয় বৈশিষ্ট্যপূৰ্ণ। হুঁচৰিত অংশগ্ৰহণকাৰীসকল অবিবাহিত হোৱা বাঞ্ছনীয়। অৱশ্যে বিবাহিত পুৰুষসকলে খুম দি সেৱা সন্মানেৰে হুঁচৰি দলত অন্তৰ্ভুক্ত হ'ব পাৰে যদিও উক্ত দিনকেইটাত পৰিবাৰৰ সৈতে একেখন বিছনাত শয়ন নিষিদ্ধ। কেনেবাকৈ শয়ন কৰিবলগাত পৰিলে হুঁচৰি দলত তামোলৰ খুম দি অৰিহণা ভৰি দায়-দোষ ভাঙিহে পুনৰ অন্তৰ্ভুক্ত হ'ব পাৰিব। এই হুঁচৰিখন বেছ গাম্ভীৰ্যপূৰ্ণ আৰু আধ্যাত্মিক ভাব প্ৰকাশক। সেয়েহে ইয়াক ধৰ্ম হুঁচৰিও বোলা হয়। হুঁচৰি গাবৰ দিনা গৃহস্থই পদূলি মুখত আদৰণী তোৰণ বনাই চোতাল-পদূলিত চাকি, মম জ্বলাই আলোকিত কৰাৰ উপৰিও বৰকাপোৰ পাৰি দি আদৰি আনে। হুঁচৰিৰ শেষত আশীৰ্বাদ পৰ্বত গৃহস্থই তামোলৰ খুম, শৰাই, হাঁহৰ ভাৰ, বস্ত্ৰৰ মান, অৰিহণাসহ হুঁচৰি দলক গৃহস্থৰ সৰ্বতোপ্ৰকাৰৰ পাৰ্থিৱ সাংসাৰিক মনোবাঞ্ছা পূৰণাৰ্থে অতি ভক্তিভাৱে কৰযোৰে সেৱা জনায়। যিখন নামঘৰৰ পৰা হুঁচৰি আৰম্ভ কৰা হয় সেই নামঘৰৰ অনুগামী প্ৰতিখন ঘৰত গায়।

হুঁচৰি গাই শেষ হ'লে সত্ৰ/নামঘৰত হুঁচৰিখন সেৱা সন্মানেৰে থৈ অহা নিয়ম।

আনহাতে ঘৰৰ অপায়-অমংগল নিৰাময়, বহুদিন ধৰি বিছনাত নৰিয়াত পৰি থকা ৰোগীৰ আশু আৰোগ্য কামনাৰে বিহুতলীৰ পৰা গৃহস্থই ডেকা-গাভৰুক খুম দি নিমন্ত্ৰণ কৰি আনি ঘৰৰ চোতালত যথাবিহিত পাণ-তামোলৰ শৰাই, ন-বস্ত্ৰ, হাঁহৰ ভাৰ উচৰ্গা কৰি বিহু গোৱাই বৰ মাগে। এনেদৰে বৰ মাগিলে গৃহস্থৰ মনোবাঞ্ছা পূৰ্ণ হয় বুলি এটি লোকবিশ্বাস আছে।

এই সাদিনীয়া ব'হাগ বিহুৰ প্ৰতিটো দিনেই তাৎপৰ্যপূৰ্ণ আৰু বৈশিষ্টপূৰ্ণ। উৰুকাৰ দিনা মাটি বিহু বা বসুমতী পূজা বিহু। উৰুকা দিনা মাটি খান্দিব নাপায়। গৰুবিহু দিনা লখিমী গো পূজা কৰা দিন। অৰ্থাৎ গৰু বিহু দিনা গৰু-ম'হ, হাতী আদি পোহনীয়া জন্তুক গা-পা ধোৱাই ন-পঘা দিয়া, পিঠা-পনা খুওৱা নিয়ম। সেইদিনা নাঙল-যুঁৱলি, কোৰ-কটাৰী, জবকা আদি খেতিৰ সঁজুলিসমূহক পিঠা খুওৱা নিয়ম। মানুহ বিহুৰ দিনা নতুন সাজ-পাৰ পৰিধান কৰি কনিষ্ঠই জ্যেষ্ঠজনক সেৱা-সন্মান কৰা, বোৱাৰীসকলে শহুৰ-শাহু, বৰজনাক আদি জ্যেষ্ঠ জনক বিহুৱানসহ তামোলৰ টোপোলা দি সেৱা ধৰি বছৰটোৰ বাবে আশীৰ্বাদ লয়। ভকত, আত্মীয়-কুটুমসকলক মাতি আনি সেৱা-সন্মানেৰে পিঠা-পনা, বিহুভোজ খুওৱা হয়। ঠিক সেইদৰে মানুহ বিহুৰ পিছৰ দিনা অৰ্থাৎ শুকুৰবাৰে জী-জোঁৱাই শহুৰেকৰ ঘৰলৈ যোৱা দিন। নৱবিবাহিতা জী-জোঁৱায়েকে একে দুইজনী বুঢ়া, দুই এজনী গাভৰু আৰু লগৰ লগৰীয়াৰ সৈতে 'বিহু ভাৰ' (হাঁহৰ ভাৰ) অনা দিন। জা-জোঁৱায়েকে মানসহ তামোল দি শহুৰ-শাহু তথা জ্যেষ্ঠসকলক সেৱা ধৰি আশীৰ্বাদ লয়। তদুপৰি আদহীয়া বুঢ়া-ডেকা সকলোৱে গোট-পিট খাই ইঘৰ-সিঘৰত নিমন্ত্ৰণক্ৰমে ঢাল-কড়ি মাৰি ৰং-ৰহইচ কৰে। এইদৰেই সাদিনীয়া ৰঙৰ উৎসৱ ব'হাগ বিহু হাততে মলগুঁি যায়। ডেকা-গাভৰুৱে নাচ-বাগ, ৰং-তামাচা কৰে। বিহুৰ অন্তিম দিনটোৱেই হৈছে বিহু উৰুৱা দিন। সেইদিনা ডেকা-গাভৰুৱে আন দিনাতকৈ বিহু খোলালৈ সোনকালে গৈ বিহুৰ পদ জোৰেগৈ। নাচ-বাগ কৰে। তাৰ পিছত ডেকাসকলে ডেকা ভাগে, গাভৰুসকলে গাভৰু ভাগে লানি পাতি বিহুৰ পদ গাই গাই হাত মেলি মেলি নাচ-বাগ কৰি সত্ৰ, নামঘৰলৈ বিহুখন নিয়ে। বিহুৰ পদসমূহ— "বিহু যায় ঐ বগলী ঐ, বিহু কেনে কৰি ৰাখিম না ঐ", "লাই লহ কলিয়াবৰ, বিহু গৈ পালেগৈ ভাটিনগৰ", "হাঁচতি ঐ লুইতৰ শিহু, আজি যে যাবলৈ ব'হাগৰ বিহু", "হাঁচতি ঐ ৰাইডাং বেঙেনাৰ পাত, বিহুগৈ পালেগৈ বাৰ মাহৰ বাট" ইত্যাদি। নামঘৰৰ চৌহদটো ডেকাই ডেকা ভাগে, গাভৰুৱে গাভৰু ভাগে চক্ৰাকাৰে কিছু সময় ঘূৰি বিহু পদ জোৰাৰ পিছত অলপ সময় নাচ-বাগ কৰিব। তাৰ পিছত মুকলি ঠাই অথবা খেলপথাৰত আন গাঁৱৰ ডেকাই গাভৰুসকলক নচুৱাব।

**হাল নমোৱা প্ৰথা ঃ**

ব'হাগ বিহুৰ শেষত শালি খেতিৰ বতৰ হয়। গাঁৱৰ ৰাইজে নামঘৰৰ হাল নমোৱা তিথিৰ পাছত সেই তিথিত আশীৰ্বাদ

লৈ ৰাইজে নিৰ্দ্ধাৰণ কৰা কোনো এক শুভদিনত নিজ নিজ খেতি-পথাৰত সমূহীয়াভাৱে হাল জোৰে। এই প্ৰথাক হাল নমোৱা পৰ্ব হিচাপে জনা যায়। এনেধৰণৰ মাংগলিক সকামৰ জৰিয়তে কৃষক ৰাইজে মিলি খেতিৰ শুভাৰম্ভ কৰে।

**গছা লোৱা ঃ**

মৰাণ সমাজত 'গছা লোৱা' প্ৰথা আদিৰে পৰা চলি আহিছে। খেতিয়কে মাটি চহ কৰি ৰোৱাৰ উপযুক্ত কৰি লোৱাৰ পিছত পাশি, দিন-বাৰ চাই ঘৰখনৰ যিকোনো এজনে 'গছা' লয়। সাধাৰণতে পৰিয়ালটোৰ বছৰটোৰ যিজনৰ ৰাশি ভাল তেওঁকে গছা ল'বলৈ দিয়া হয়। কঠীয়া ৰোৱা উপযুক্ত হ'লত এই গছা লোৱা পৰম্পৰাটো কৰা হয়। এটেপা কঠীয়া, এটা তৰা গজালি, এজোপা মেটেকা, এটা জেওৰা খুঁটি, এটা জাপি বা ছাতি লৈ তামোল-পাণৰ টোপোলা, গুড় বা চেনিসহ শিকিল পিঠাগুৰি লৈ পথাৰত নিৰ্দিষ্ট কৰি আওতাই থোৱা ঠাইত কঠীয়া টেপা ৰুব। তাৰ পাছত পিঠাগুৰিৰ ভাগ এটা ঈশ্বৰৰ নামত, এটা ভাগ ব্ৰহ্মাৰ নামত, আনটো ভাগ চৰাই-চিৰিকটি, পোক-পতংগৰ নামত ভাগ কৰি দিব লাগে। ঠিক তেনেদৰে খনিয়া তামোলৰো একোভাগ তেৰাসৰলৈ বুলি আগবঢ়াব। সেই অনুসৰি লওঁতাজনৰ বাবেও একোভাগ ল'ব। মেটেকা, তৰাৰ গজালিটো কঠীয়াৰ কাষতে ৰুব লাগে। আনহাতে জেওৰা খুঁটিটো গোজ মাৰি দিব লাগিব। তৰা যেন গছ-পাত, মেটেকা যেন ফল-ফুল ধৰি নদন-বদন হোৱাৰ আশাৰে জেওৰা খুঁটিটোৱে ৰখীয়া-পলীয়া হৈ থকা আদি প্ৰতীকাত্মক অৰ্থত ব্যৱহাৰ কৰা হয়। কঠীয়াৰ গোজ মাৰোতে ঈশ্বৰলৈ এভাগ, ব্ৰহ্মালৈ এভাগ, চৰাই-চিৰিকটি, পশু-পক্ষীৰে এভাগ, গৃহস্থলৈ এভাগ, আই লখিমীয়ে দিব লাগে বুলি তুতি-প্ৰাৰ্থনা কৰা হয়। তাৰ পিছত পিঠাৰ নিজৰ ভাগটো আৰু তামোল খাই ঘৰমুৱা হ'ব লাগে। গছা লোৱাজনে শুব নালাগে। শুলে ধান পৰে বুলি বিশ্বাস কৰে। সেইদিনা ঘৰত হাঁহ মাৰি 'গছা ভোজ' খোৱাৰ নিয়ম। ওচৰ-চুবুৰীয়া দুই চাৰিজনক উক্ত দিনা ভোজ খাবলৈ নিমন্ত্ৰণ কৰে। গৃহিণীয়ে তামোলৰ খুম লৈ পৰিয়ালৰ জ্যেষ্ঠজনক সেৱা কৰি আশীৰ্বাদ বিচাৰে যাতে খেতি-বাতি নদন-বদন হৈ পৰিয়ালটি সুকলমে পোহপাল দিব পাৰে। প্ৰথম গছা লৈ শুভাৰম্ভ কৰাৰ পিছতে ৰোৱা-তোলা আৰম্ভ হয়, খেতি ভৰপক দিয়ে। আনহাতে বামধান বা আহুধানৰ ক্ষেত্ৰতো প্ৰথম শুভাৰম্ভ কৰা প্ৰথাক ধান 'যটোৱা' বোলে। আহুধানৰ বেলিকাও কৃষকজনে সিদিনাই ৰীতি-নীতিৰে ধান সিঁচা পৰ্ব আৰম্ভ কৰে। তাক ধান যটোৱা মাংগলিক প্ৰথাৰে আহুধান সিঁচা পৰ্ব আৰম্ভ হয়।

**নাঙল পিঠা বা নাঙলধোৱা পিঠা ঃ**

শালি খেতি উঠোৱাৰ পিছত ঘৰে ঘৰে নাঙলধোৱা পিঠা খায়। অৰ্থাৎ শালি খেতি সামৰি নাঙল ধুই তৰাপাত বান্ধি সিজাই খোৱা বৰা বা লাহি চাউলৰ পিঠাক নাঙলধোৱা পিঠা বোলে। তৰাপাতত এটা ঔষধ গুণ আছে। তৰা পাতত বন্ধা পিঠা খালে অৰ্থাৎ নাঙল পিঠা খালে কঠোৰ পৰিশ্ৰম কৰা দেহৰ বিষ নাইকিয়া হয় আৰু ভাগৰ আঁতৰে বুলি মৰাণ-মটক সমাজত এটি লোকবিশ্বাস চলি আহিছে। তদুপৰি প্ৰায় তিনিমাহ ধৰি খেতিত ব্যস্ত থকাৰ অন্তত ইঘৰ-সিঘৰলৈ গৈ নাঙলধোৱা পিঠা খোৱাৰ ছলেৰে মনৰ ভাব বিনিময় কৰাৰ এটা সুন্দৰ সুযোগ আনি দিয়ে। ইমান দিনে খেতিত ব্যস্ত থকা হেতু কোনেও কাৰো খবৰ ল'বলৈ সময় নাছিল বাবে নাঙলধোৱা এই পৰ্বই মন আৰু দেহৰ জড়তা দূৰ কৰাৰ লগতে সমাজৰো প্ৰীতিৰ এনাজৰীডাল কটকটীয়া কৰে।

**কাঁচি লোৱা আৰু ন-শোধোৱা প্ৰথা ঃ**

দিন যায়, মাহ বাগৰে, আহি পায় আঘোন। সেউজী পথাৰখন সোণালী হয়। সোণ যেন জিলিকি উঠে ধানৰ থোক। ৰাইজে মিলি এটা শুভ দিন ধাৰ্য কৰে কাঁচি ল'বলৈ। উক্ত নিৰ্দ্ধাৰিত দিনা দাৱনীসকলে নিজ নিজ পথাৰত গৈ কাঁচি মাৰে। ইয়াকে কাঁচি লোৱা বোলা হয়। সেইদিনাই দাৱনীগৰাকীয়ে এবোকোচা ধান দাই আনে। ধানখিনি মাৰি-মানি সাজু কৰি থয় গোসাঁই ঘৰত ন দিবলৈ। ৰাইজে সমূহীয়াভাৱে এদিন মাছ মাৰে। নিৰ্দিষ্ট দিন এটাত গৈ ৰাইজে একেদিনাই গোসাঁই ঘৰত মাছ, ন দিয়েগৈ। তাৰ পিছতে ৰাইজে নিজ নিজ ঘৰত হাঁহ মাৰি ন-ভাত খায়। মৰাণ সমাজত গুৰুক সদায় আগস্থান দি আহিছে। এইদৰে ৰাইজে প্ৰতিঘৰৰ পৰা তামোল-পাণ, এফেৰা অৰিহণাসহ একেলগে ন-শোধোৱা প্ৰথাকে ন-দিয়া বা ন-শোধোৱা প্ৰথা বোলে।

**ন-খোৱা পৰ্ব ঃ**

অতীতত মৰাণ সমাজত এই ন-খোৱা উৎসৱটি অতি উলহ-মালহেৰে উদ্‌যাপন কৰিছিল। পিছে বৰ্তমান মানুহৰ ব্যস্ততা আৰু অভাৱ-অনাটনৰ বাবে এই উৎসৱ স্তিমিত হৈ পৰিছে। সি যি কি নহওক, ন-খোৱা উৎসৱ মৰাণ সমাজত আজিও জনপ্ৰিয়তা কমি যোৱা নাই। পিছে এই উৎসৱ সমূহীয়াভাৱে নাপাতি ঘৰে ঘৰে উদ্‌যাপন কৰা দেখা যায়। কিন্তু উৎসৱলৈ নিমন্ত্ৰণ কৰা হয়— গাঁওখনৰ বুঢ়া-মেথা, ভকত, জ্ঞাতি, আত্মীয়-কুটুম আদি সকলোকে। ন-খোৱা উৎসৱত হাঁহ মাৰি ভাত ৰন্ধা চিৰাচৰিত নিয়ম। সেইদিনা কেইবাখনো ব্যঞ্জন ৰন্ধা হয়। কোমোৰা-হাঁহ মাংস, শুকান মাছৰ স'তে মাটি মাহৰ আঞ্জা, লগতে অন্যান্য বতৰৰ শাক-পাচলিৰে এখন তৰকাৰী আৰু কচু-জালুক দি অন্য এখন আঞ্জা তৈয়াৰ কৰা হয়।

ভাত ৰান্ধি তৈয়াৰ হোৱা পিছত ৰান্ধনীসকলে বুঢ়া ভকতৰ ওচৰত 'খুম' দি সাষ্টাঙ্গে আশীৰ্বাদ গ্ৰহণ কৰে আৰু চাউল ল'বলৈ বুলি জান দিয়ে। এইদৰে বুঢ়া-মেথাসকলে প্ৰথম পৰ্যায়ত ভোজন কৰাৰ পিচত দিনজোৱা কাৰ্যসূচীৰে ন-খোৱা পৰ্ব চলি থাকে। এনে উৎসকে গঞা-জ্ঞাতি, আত্মীয়-কুটুমৰ মাজত থকা এনাজৰীডাল অধিক সুদৃঢ় কৰাৰ লগতে গৃহস্থই গভীৰ মানসিক প্ৰশান্তি লাভ কৰে। ন-খোৱা পৰ্ব হ'ল এক কৃষিভিত্তিক লোকউৎসৱ। পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰি অহা এনে উৎসৱে সংস্কৃতিৰ পথাৰখন জীপাল কৰি তোলে। পথাৰ ভৰা সোণালী ধানে স্বাভাৱিকতে চহাৰ সৰল প্ৰাণত আনন্দৰ জোৱাৰ তোলে আৰু সেই আনন্দৰ মূৰ্ত প্ৰকাশ ঘটে ন-খোৱা লোকউৎসৱৰ মাধ্যমেৰে। কৃষি আৰম্ভণিৰ গছা লোৱা পৰ্বত কোৱা হয়— 'লক্ষীলৈ বুলি এভাগ, চৰাই-চিৰিকটিলৈ এভাগ, ভকতলৈ এভাগ আৰু গৃহস্থলৈ এভাগ'। অতিথিপৰায়ণ হোজা সহজ-সৰল খেতিয়কে ন-খোৱা পৰ্বৰ জৰিয়তে এনেদৰেই ভকতলৈ এভাগ আগবঢ়াই বিমল তৃপ্তি লাভ কৰি আহিছে।

**লখিমী সবাহ ঃ**

মৰাণ সমাজত ধন-ধানৰ অধিষ্ঠাত্ৰী লোকদেৱী আই লখিমীক তুতি কৰি তুষ্ট কৰিবৰ বাবে পুৰুষ আৰু মহিলাই পৃথকে পৃথকে লখিমী সবাহ পাতে। শাওন-ভাদ মাহত ৰোৱা শালিডৰা সজাল ধৰি যেতিয়া লহপহকৈ বাঢ়ি আহে ঠিক সেই সময়ত অৰ্থাৎ আহিন মাহৰ কোনোবা সুবিধাজনক শুভ দিন-বাৰ চাই এই লখিমী সবাহ অনুষ্ঠানটি আয়োজন কৰে। এটি আনটিৰ পৰিপূৰক অনুষ্ঠান যদিও মহিলা বা বুঢ়া-মেথিসকলৰ লখিমী সবাহখনৰ প্ৰাধান্য বেছি যেন লাগে। কিয়নো মহিলাসকলে সজালধৰা ধাননিডৰাৰ কাষৰ কোনো এক সুবিধাজনক ঠাইত খোৱা-চকুৱা দি এই সকামভাগ আয়োজন কৰে। প্ৰথমে চুবুৰী বা গাঁওখনৰ ঘৰমূৰি চাউল, পাণ-তামোল, গুৰ, কল, গাখীৰ, পাত আদি সংগ্ৰহ কৰে। যথা—

থুই পোক মেলিলি সতাহী মেলিলি
নৰৰ কি গতি হ'ব,
পো-জী সকলে কৰে তুতি বাণী
কলা পিঠাগুৰি লৈ
গোপিনীসকলে খাতে তামোল কাটি
শনাহী ভটিয়াই যাব।

আই অ... লখিমী কৰিছো কাকুতি
দুহাতে ছিঙিছো চুলি,
একেটি খুন্দুৰে সৰহটি কৰিবি
পতানো কৰিবি গুটি।
পাচিৰ গুটিধান পাচিতে বঢ়াবি
ভঁৰালত বঢ়াবি মুঠি,
আই অ... লখিমী বিমানত বঢ়াবি
এলাখত দিবহি ভৰি।

লক্ষ্মী আই ভোজনি গুণে পিঠাগুৰি
আমাকো অৰতা দিয়া,
গোপিনীসকলে খায়ে পিঠাগুৰি
লক্ষ্মী আই আদেশত থাকে।

এইদৰে লেহেতীয়া আৰু সুললিত সুৰেৰে গোপিনীসকলে খেৰি পৰিৱেশন কৰি লখিমীক তুতি-তুষ্ট কৰে। লখিমী সবাহ বা লখিমী বুঢ়া-মেধি সকামত লখিমী খেৰি পৰিৱেশন কৰাটো বাধ্যতামূলক। খেৰি অবিহনে যেন অনুষ্ঠানটি আধৰুৱা। আচলতে ধান সজাল ধৰা সময়তে থুই পোক, চেলেকা, শনাহী আদি নানান বেমাৰ-আজাৰে ধাননিডৰাক আক্ৰমণ কৰিব বিচাৰে। এইবোৰ সকলো আই লখিমীৰে মায়া বুলি বিশ্বাস কৰি লখিমীক তুতি কৰি তুষ্ট কৰিব পাৰিলে তেনে মায়া বিঘিনিৰ পৰা পৰিত্ৰাণ পায় বুলি বিশ্বাসৰ ফলশ্ৰুতিতেই এনে লোকউৎসৱৰ জন্ম হৈছে।

শেষত, তামুলী সেৱা কৰা পিছত সকলোৱে লখিমীক স্মৰণ কৰি পিঠা, তামোল-পাণ খাই ঘৰমুৱা হয়। উল্লেখযোগ্য যে, বৰ্তমান বৈজ্ঞানিক যুগতো পূৰ্বৰ এই পৰম্পৰা মৰাণ সমাজত অবিকৃত ৰূপত চলি আছে। আৰু কেনেবাকৈ ধাননিত ঔষধ 'স্প্ৰে' কৰিবলগা হ'লেও লখিমীলৈ তামোল এখন আগ কৰিহে দৰৱ-ঔষধ প্ৰয়োগ কৰা নিয়ম।

**বিবাহঃ**

মৰাণ সমাজত বিবাহৰ পদ্ধতি কেইবা প্ৰকাৰৰ আছে। শান্তি বিয়া, তোলনীয়া বিয়া, সৰু বিয়া, চোৰ বিয়া, বৰলা বিয়া, বিধৱা বিয়া, ঘৰজোঁৱাই বিয়া ইত্যাদি। তাৰ ভিতৰত কন্যা প্ৰথম ঋতুমতী হ'লে নোওৱা-ধুওৱা কৰি পতা বিয়াখনক শান্তি বিয়া বোলে। এই বিয়াখনক প্ৰকৃততে বিবাহ বুলি ক'ব নোৱাৰি। কন্যা পুষ্পিতা হ'লে যিকোনো পৰিস্থিতিত নিৰ্দিষ্ট নীতি-নিয়মেৰে মাহ-হালধিৰে নোওৱা-ধুওৱা কৰি সাজ পাতি ভকতক সেৱা কৰি শুচি হ'বই লাগিব। শুচিতাৰ ওপৰত গুৰুত্ব দি পতাৰ বাবে এই বিয়াক চুৱা বিয়া বুলিও কয়।

**সৰু বিয়া ঃ**

দৰা-কইনাৰ মাক-দেউতাকে ইতিপূৰ্বে বন্দোবস্ত কৰি থোৱা মৰ্মে কইনাই প্ৰথম ঋতুমতী হোৱা গম পালে দৰাঘৰীয়াই তামোলৰ টোপোলা দি কইনা খুজেগৈ। কইনাঘৰীয়াৰ সন্মতি সাপেক্ষে দৰাঘৰীয়াই দোলনী, টেকেলীসহ নোওৱা-ধুওৱা কৰা সমুদায় খৰচ বহন কৰিব লাগে। নোওৱা-ধুওৱাৰ শেষত কইনা উলিয়াবৰ দিনা ভকতি, গাঁৱৰ জ্ঞাতি, মিতিৰ-কুটুমক আমন্ত্ৰণ কৰি ভাগৰত বহোৱাই সাজপাতি খোলাত কৰা সমাজত দৰা-কইনা দুয়োকে সজাই ভকতক আঁঠু লোৱাই আশীৰ্বাদ লয়। এই বিয়াত দৰাই কইনাক দৰাঘৰলৈ নিব নোৱাৰে। কোনো কোনো অঞ্চলত সেইদিনা দৰাঘৰলৈ এনিশাৰ বাবে লৈ যোৱা হয়। পিছদিনা খোৱাই-বোৱাই পুনৰ ঘৰত থৈ যোৱা নিয়ম। দৰা-কইনাৰ উপযুক্ত বয়স হ'লে বৰ বিয়া পাতি বা চোৰত কইনাক দৰাঘৰলৈ লৈ যোৱা হয়। এই বিয়াখনকে মৰাণ সমাজত সৰু বিয়া বোলা হয়। প্ৰকাৰান্তৰে উভয়পক্ষৰ মত সাপেক্ষে দৰাপক্ষৰ বৰঘৰৰ পৰা পূৰ্বে আলচ কৰা দৰে বহন কৰি কইনাক দৰাঘৰলৈ নিয়াৰ ব্যৱস্থা নকৰিলে তোলনীয়া বিয়া বোলে। সাম্প্ৰতিক কালত এই দুয়োবিধ বিয়া লুপ্তপ্ৰায়।

**বৰ বিয়া ঃ**

সম্পূৰ্ণ ধৰ্মীয় আৰু সামাজিক ৰীতি-নীতিৰে অতি উলহ-মালহেৰে পতা বিয়াখনকে বৰ বিয়া বোলা হয়। বিয়াত দৰা-কইনা উভয়কে নিজ নিজ অভিভাৱকে সংশ্লিষ্ট গোসাঁইক যথাবিহিত সেৱা কৰাই দৰা-কইনাক যুগলবন্দী কৰি নিজ নিজ ঘৰত ঢোলে-দগৰে নোওৱা-ধুওৱা কৰা হয়। টেকেলী দিয়া, আলহী যোৱা, ঘাই বিয়া আদি বিবাহৰ মূল অনুষ্ঠান। কুলাবুঢ়ী নাচ নচা, গাঁথিয়ন খুন্দা, ডেকা-গাভৰুৱে নাচ-বাগ কৰা, ভোজভাত খোৱা আদি পৰ্বসমূহে বিয়া ৰভাতলীলৈ উৎসৱৰ আনন্দ কঢ়িয়াই আনে। ঢোলে-দগৰে, গায়নে-বায়নে, দৰাই কইনা আনিবলৈ যোৱা বাটভেটা আদি ৰীতি-নীতি মানিবলগীয়া। সকলোবোৰ নীতি-নিয়মৰ সম্বন্ধে ইয়াত লিখা সম্ভৱ নহ'ব। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন হ'ব যে ওপৰত উল্লেখিত সকলো প্ৰকাৰৰ বিয়াত খেৰী পৰিৱেশন কৰা অপৰিহাৰ্য।

**চোৰ বিয়া ঃ**

ডেকা-গাভৰুৰ মনৰ মিল হ'লে কইনা ঘৰৰ কোনেও গম নোপোৱাকৈ দৰাপক্ষই কইনা চুৰ কৰি ঘৰলৈ লৈ যায়। এনেধৰণে পতা গন্ধৰ্ব বিবাহক চোৰ বিয়া বোলা হয়। কাৰণ পিছদিনা দৰাপক্ষৰ তৰফৰ পৰা কইনাৰ দেউতাকক খুম দি ছোৱালী নিয়াৰ জাননী দিয়ে। ইয়াকে চোৰ ওলোৱা বুলি কোৱা হয়। সম্ভৱ স্থলত ওচৰ-চুবুৰীয়া আৰু পৰিয়ালৰ দুই-চাৰিগৰাকী ব্যক্তি গোটাই সেইদিনা 'মিতু পতা'ৰ 'কৰজা' কৰে। সেইদিনাই সম্ভৱ নহ'লে আন এদিনা দুয়োপক্ষৰ মানুহ কইনা ঘৰত গোট খাই 'কৰজা' কৰে।

**মিতু পতা ঃ**

'মিতু পতা' দিনা কইনা ঘৰৰ বাহিৰত দিয়া খোলা এখনত গৃহস্থৰ আমন্ত্ৰণক্ৰমে ভকত, গঞা-জ্ঞাতি, মিতিৰ-কুটুম বহি থাকিব। আনহাতে দৰাঘৰতো দৰাপক্ষৰ আমন্ত্ৰণক্ৰমে ভকত, গঞা, জ্ঞাতি, আত্মীয়-কুটুম গোট-পিট খাই বাঁহৰ শৰাই, হাঁহৰ ভাৰ-ভেটি বান্ধি, 'কৰজা' কৰামতে তামোল-পাণ, বয়-বস্তু ইত্যাদি লৈ কইনা ঘৰলৈ ৰাওনা হ'ব। ৰাওনা হোৱা প্ৰাক্ মুহূৰ্তত দৰা-কইনাই ভকতসৱৰ ওচৰত আঁঠু ল'ব। এই অনুষ্ঠানত দৰা-কইনা কইনাগৃহলৈ নাযায়। দৰাপক্ষ গৈ পোৱা লগে লগেই দৰাঘৰৰ পৰা নিয়া তামোল-পাণ, পাত, বয়-বস্তু, মোমাই তামোল আদি সাজ পাতিবলৈ চমজাই দিব আৰু কইনাৰ মাকৰ বাবে নিয়া পেটপূৰা ভাৰ আৰু জেঙামৰা (দুয়োখন হাঁহৰ ভাৰ) ভাৰখন ঢেঁকীশালত থব। সাজৰ তামোল, গুড় আদি ভকতসকলক 'তামুলী', বিলনীয়াই বিলাই দিয়াৰ পিছত দৰা-কইনা দুয়োপক্ষৰ তৰফৰ পৰা ভকতক আঁঠু লৈ কোন বংশৰ ডেকাই কাৰ বংশৰ ছোৱালী বিয়া পাতিলে জাননী দিয়ে। ভকতসকলেও 'মহা মিতু' শিলৰ সেতু হৈ কাললৈকে দুয়োপক্ষই ওলাই-সোমাই, আহ-যাহ কৰি খাব লাগে বুলি আশীৰ্বাদ দিয়ে। এক প্ৰকাৰে ক'বলৈ গ'লে উক্তদিনাৰ পৰাই নৱ-দম্পতীহালক সামাজিকভাৱে স্বীকৃতি দিয়ে। মিতু পতা দিনাই দুয়োপক্ষৰ মাজত আলোচনা কৰি ঘৰ উঠাৰ দিনটো স্থিৰ কৰে।

**ঘৰ উঠা ঃ**

দৰা মাক বা মাতৃ স্থানীয় এক-দুইগৰাকী, ডেকা ল'ৰা দুই-এজন, গাভৰু দুই-এগৰাকী, মাইকী ল'ৰা অৰ্থাৎ অপুষ্পিতা পাঁচগাভৰু এজনী অযুগ্ম সংখ্যাৰে সেইদিনা নৱ-দম্পতীহাল (এখন মাইকী হাঁহৰ ভাৰ) ঘৰ উঠা ভাৰ এখন লৈ নিশা থকাকৈ আহিব। দৰাপক্ষৰ মহিলাকেইগৰাকীয়ে কইনা পক্ষৰ সকলো মান্য সম্বন্ধীয়সকলক নিজৰ চালিগামোচাত নিয়া তামোল-পাণহে খাবলৈ দি ন-মিতুৰ সম্বন্ধ সুদৃঢ় কৰে। ইপিনে দৰাৰ মাক অথবা মাতৃস্থানীয় তিৰোতাগৰাকীয়ে 'খুম' মান কাপোৰ দি শহুৰ-শাহুৰেকক পৃথকে পৃথকে দৰা-কইনাহালক আঁঠু লোৱাই আশীৰ্বাদ বিচাৰিব। তাৰ পিছত পৰ্যায়ক্ৰমে কইনাৰ বৰপাই-বৰমা, দদাই-খুড়ী, ককায়েক আদি আত্মীয় জ্যেষ্ঠসকলক তামোলৰ টোপোলা-মান দি সেৱা ধৰি আশীৰ্বাদ ল'ব। ইয়াকে জোঁৱাই দেখুওৱা বোলা হয়। এনিশা থকাৰ পিছত ৰাতিপুৱা ঘৰ উঠা দলটিসহ কইনা গৃহস্থৰ আত্মীয়সকলক মাতি ঘৰ উঠা ভাৰখনেৰে ৰন্ধা ভোজ খুৱাব। খাই-বৈ ঘৰ উঠা দলটি আপোন ঘৰলৈ ৰাওনা হ'ব। ইয়াৰ পাছৰ পৰ্যায়ত দুয়োজনে পিতৃ-মাতৃক তামোল দি সেৱা কৰাৰ উপৰিও পৰিয়ালৰ জ্যেষ্ঠসকলক আঁঠু লোৱা নিয়ম।

**আঠ মঙলা ঃ**

আঠমঙলা পৰ্বৰ পিছৰ পৰ্যায়ত দৰাৰ মাক-দেউতাকে দুই-এজন আত্মীয় অথবা গঞা-জ্ঞাতিলৈ কইনা ঘৰলৈ কোনো দিন এটাত মিতুৰ খাবলৈ অহা নিয়ম। নিশা থকাকৈ 'মিতু' খাবলৈ আহোঁতেও বিয়ৈ-বিয়নীয়েকক প্ৰমুখ্য কৰি কইনা পৰিয়ালৰ আন আন সম্বন্ধীয়সকলক নিজে নিয়া 'চালিগেমেচা' বা হাঁচতিৰ পৰা তামোল কাটি দিয়া নিয়ম। আনকি তামোলৰ বাকলি পৰ্যন্ত ঘৰলৈ ঘূৰাই অনাৰ পৰম্পৰা আছে। দৰাপক্ষই 'মিতু' খোৱা পিছতেই কইনা পক্ষয়ো দৰাৰ ঘৰত 'মিতু' আদি খাই দুটা পৰিয়ালৰ বৈবাহিক সূত্ৰে হোৱা 'মিতুৰ সম্বন্ধ' কটকটীয়া কৰে।

মৰাণ সমাজত বিধবা বিবাহ, বৰলাৰ বিবাহৰ প্ৰচলনো আছে। ককায়েকৰ অবিহনে বৌৱেকক দেওৰেকে চপাই বৈবাহিক জীৱন কটাব পাৰে। গোসাঁই শিষ্যৰ মাজতো বৈবাহিক সম্বন্ধ ঘটোৱা পথ প্ৰশস্ত। সৰ্বোপৰি মৰাণ সমাজত ঘৰজোঁৱাই ৰখাৰ প্ৰথাও সামাজিকভাৱে স্বীকৃত। পিছে মৰাণ সমাজত বাল্য বিবাহ অথবা একেটা বংশ অথবা খেলৰ মাজত বিবাহ নিষিদ্ধ।

**মৰাণ বংশীয় খেল ব্যৱস্থা ঃ**

মৰাণসকলে খেলেই বংশ, বংশই বংশ। অৰ্থাৎ খেলেই বংশৰ পৰিচয় দিয়ে। এই খেলসমূহৰ উৎপত্তি হোৱা মূলতেই স্থানসূচক, বৃত্তিসূচক, জাতিসূচক আৰু মানসূচক। উদাহৰণস্বৰূপে— টেঙাপনীয়া, শিলিখাঘটীয়া, স্থানসূচক, ৰংযোগনীয়া, হাতীচুঙী ইত্যাদি বৃত্তিসমূচক, আহোম গঞা, কছাৰী গছা আদি জাতসূচক, দানীগঞা, খাটোৱাল ইত্যাদি মানসূচৰ খেল। খেল বৰ্তমানলৈকে প্ৰায় ৮০ টা মান হ'ব। খেলসমূহৰ উৎপত্তিৰ অন্তৰালত কেতবোৰ ঐতিহাসিক আখ্যান, কিংবদন্তি জড়িত হৈ আছে।

বিভিন্ন সা-সঁজুলিৰ ভিতৰত—

**হাতীৰ সঁজুলি ঃ** মৰাণসকলক সৌমাৰ খণ্ডত হাতীগিৰি, মাটিগিৰি বোলা হয়। আহোম ৰাজত্ব কালত আহোম সৈন্যৰ মূল হস্তী বাহিনী মৰাণৰ অধীনত আছিল। নাহৰখুৰা শইকীয়া আৰু আৰু ৰাঘৰ মৰাণক খুঁত থকা হাতী যোগান ধৰাৰ ভুৱা অপৰাধত কীৰ্তিচন্দ্ৰ বৰবৰুৱাই চমতাৰে কোবোৱা কথা সৰ্বজনবিদিত। মৰাণসকল বৰ্তমানেও গঁড় চিকাৰ আৰু মেলা চিকাৰ কৰি বনৰীয়া হাতী ধৰি ঘৰচীয়া কৰা বিদ্যাত সিদ্ধহস্ত। সেয়েহে, এইখিনিতে মৰাণ ভাষাৰ হাতীৰ সঁজুলিসমূহ থোৰতে উল্লেখ কৰা হ'ল— হাতীসাৰি, হাতীখাটাং, জুলটি, কাচ, কমৰ, আগাৰী, গাৰু গাদী, টকীয়া গাদী বা গেদেলাই, কলটিকা, ফাঁকৰ সৈতে মিত দা, খান্দ, চৈ বা চু, লাংচিং যাঠি, আনতুল, কেনাই, দেগী বা হালুকী, ঠুটীয়া লেকাট, লোহাৰ লংক, শিকলি ইত্যাদি হাতী চলাওঁতে প্ৰয়োগ কৰা কেইটামান শব্দ হ'ল— আগেট, ধাত, পিছু, বিৰি, বট, মাইল, খোল ছেই, ইত্যাদি।

**মাছ ধৰা সঁজুলি ঃ** জাকৈ, খালৈ, চেপা, ডিঙৰা, পচা, লাহনি, ঠুহা, চৰহা, বৰখোকা, খোকা, দুহটি, হেৰেপী, পলুটনা, সুকুমা, উংদুং, টঙীজাল ইত্যাদি।

**বাদ্যযন্ত্ৰ ঃ** টোম, দোণ, (ৰূপ দোণ, মণি দোণ), ডলা, চালনী, ঠেঁকী, গাঁইশালী, ঢেঁকী কটৰা, ঢেঁকী আকৰশলা, ঢেঁকী থোৰা বা ঢেঁকী পোৱালি, বাঢ়নীমাৰি, খেৰশোটা, হলঙা, জুলিয়া, পাচি, বিড়িয়া, ভঁৰাল (ধৰণী, মনদান, গাঁন্ধে, লটিকা, দেওনা) ইত্যাদি।

**ৰান্ধনি ঘৰৰ সঁজুলি ঃ** চৰু ঢকা, চৰু বহুওৱা বিড়িয়া, বাঁহৰ ফণী, বাঁহৰ তাওমাৰি, কাঠৰ হেতা, নিমখৰ চুঙা, শুকতি চুঙা বা চাংসুন্দৰী, হাতনি বাটি, বানকাঁহী, হাতীখুজীয়া বাটি, চাহপাতৰ চুঙা, লাউখোলা, পানী চুঙা, গৰং, কেং, উধান ইত্যাদি।

**অন্যান্য ঘৰ-বাঁহ-বেত-কাঠ ধাতুৰ সঁজুলি ঃ** অধয়া দা, দৰীকা মেলা দা, মিট দা, ফলি কুঠাৰ, জপা, ভাৰপাচি, নেওঠনি, পেৰা, তুলাঝু, কৈয়া, বেতৰ ফানটি, খৰম, বেতৰ বেটেৰী, জপাচাং, কাঁড় ধেনু, ফাঁক ধেনু, বাতলু গুটি ধেনু, খেৰৰ জুমুঠি, লেঠেং, খৰাহী, সেৰেপী, পীৰা, চামৰা পীৰা (দৰা-কইনা নোওৱা), ডকলাই, চিটিকা, গৰকা, জবকা, ডোল, ৰাঙি, বাঁহৰ শৰাই, চন্দুক, জলয়া, মৰিয়ল, দুণৰি, টেকেলী, পেটাহি, লোটা, পাটী, সুতলাহী, চিপকাঠী (কলম), সাঁচিপাত, কপৌ চিটিকা, ডাল চিটিকা, চকৰী পেৰা, হাতনি কলহ, টুকুৰী, ঢৰা, তুলাচনী, পাগুৰি বন্ধা টুকুৰী ইত্যাদি।

**তাঁতশালৰ সঁজুলি ঃ** উঘা, চেৰেকী, মাকো, দোপতি, টোলোঠা, কাণমাৰি, টোলোঠা জৰী, চালিমাৰি, পুতল, ব-চুঙা, ব, বশাল, হালিমাৰি, ৰাঁচ, ৰাঁচ ভৰোৱা, দোপতি জৰী, গেৰেলী কাঠি, মহুৰা, গৰকা, ফুটিমাৰি, পোৱালি খুঁটি, বান্দৰী আৰু নাচনী, তলধৰা, ছাগলী খুঁটি, তাঁতৰ খুঁটা, চিউৰি, চিপকাঠি, ডঙৰজৰী, ফুলকাঠি ইত্যাদি।

**যঁতৰৰ অংশ ঃ** ডিলা, হলৌহাত, চাটনী, ভকলী, ছাগলী খুঁটি, শলা, হাত ইত্যাদি।

**খেতিৰ সঁজুলি ঃ** নাঙল (বাঁহৰ ফাল), যুৱলি, মৈ, বিন্ধা, কোৰ, দা, কুঠাৰ, জবকা, দাকু ইত্যাদি।

**উপসংহাৰ ঃ** মৰাণৰ জীৱন যাত্ৰা প্ৰণালীলৈ লক্ষ্য কৰিলে অনেক জনজাতীয় বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। পৰম্পৰাগতভাৱে চলি অহা লোকবিশ্বাস, কিংবদন্তি, লোকাচাৰে সমাজখনক প্ৰভাৱান্বিত কৰি ৰাখিছে।

*****

- লেখক ঃ তিনিচুকীয়া জিলাৰ বৰডুমচা অঞ্চলৰ এগৰাকী গৱেষক, সাহিত্যিক আৰু অসম সাহিত্য সভাৰ বৰডুমচা অধিৱেশনৰ আদৰণি সমিতিৰ সম্পাদক।

# মটক জনগোষ্ঠীৰ সমাজ আৰু সংস্কৃতি

**ফটিক নেওগ**

বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ অৱদানেৰে পৰিপূৰ্ণ এক অপূৰ্ব মিলনক্ষেত্ৰ হ'ল অসমভূমি। এই দিশৰ পৰা অসমক এক নৃতাত্ত্বিক সংগ্ৰাহালয় আখ্যা দিব পৰা যায়। প্ৰাপ্ত তথ্য অনুসাৰে বৰ অসমৰ প্ৰায় তিনিশটামান সৰু-বৰ নৃগোষ্ঠী আছে সেয়েহে হয়তো ৰেভাৰেণ্ড এণ্ডেলে (১৮৪), মোলান চাহাব (১৯৪১) গৰ্ডন আদিৰ পৰা আজি একবিংশ শতিকালৈকে ভাষাবিদ্, নৃতত্ত্ববিদ আৰু লোকসংস্কৃতিৰ গৱেষকসকলৰ বাবে বৰ অসমখন নৃতাত্ত্বিক বিষয়ৰ এক প্ৰাকৃতিক গৱেষণাগাৰ হিচাপে বিবেচিত হৈ আহিছে। প্ৰাগ্ঐতিহাসিক কালতে অসমলৈ আৰম্ভ হোৱা প্ৰব্ৰজন বৰ্তমানো কম-বেছি পৰিমাণে চলি আছে। এই জনগোষ্ঠীসমূহে প্ৰব্ৰজন কৰি আহি আজিৰ অসমভূমিত মিলিত হৈ ইয়াকে সমূহীয়া গৃহভূমি হিচাপে গ্ৰহণ কৰে। সময়ৰ সোঁতত জনগোষ্ঠীসমূহৰ মাজত স্বতঃস্ফূৰ্তভাৱে সামাজিক, সাংস্কৃতিক আৰু জৈৱিক সংমিশ্ৰণৰ যোগে এক আত্মীকৰণ প্ৰক্ৰিয়াই গঢ় লয়। আত্মীকৰণ প্ৰক্ৰিয়াই কালক্ৰমত এক সন্মিলিত জাতিসত্তা গঢ় তোলে। এই সন্মিলিত জাতিসত্তাই হ'ল অসমীয়া জাতি সত্তা আৰু সন্মিলিত জাতিসত্তাৰ উমৈহতীয়া বাসভূমিয়েই হ'ল অসমভূমি। আনহাতে জনগোষ্ঠীসমূহৰ চহকী সমাজ আৰু সংস্কৃতিয়েই হ'ল বাৰেৰহণীয়া অসমীয়া সমাজ আৰু সংস্কৃতি। এই মিলনতীৰ্থ অসমভূমিলৈ প্ৰব্ৰজন কৰা বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত মটকসকল হ'ল এটা উল্লেখযোগ্য জনগোষ্ঠী। ত্ৰয়োদশ শতিকাত টাই আহোমসকলে অসমত প্ৰৱেশ কৰাৰ পূৰ্বৰে পৰা উজনিৰ সৌমাৰখণ্ডত টাই মঙ্গোলীয় মূলৰ মটকসকলে বসবাস কৰি থকাৰ তথ্য পোৱা যায়। অসমৰ আন বহু খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ দৰে মটক জনগোষ্ঠী সাংস্কৃতিকভাৱে এটা চহকী জনগোষ্ঠী। একোটা জনগোষ্ঠীৰ সকলোবিলাক সাংস্কৃতিক বৈশিষ্ট্য খৰচি মাৰি আলোচনা কৰিবলৈ গ'লে আলোচনাৰ পৰিসৰ বিশাল হয়। সেয়েহে এই সীমিত প্ৰবন্ধটিত মটক জনগোষ্ঠীৰ সাংস্কৃতিক দিশৰ কিছু ৰেঙনিহে দাঙি ধৰিবলৈ যত্ন কৰা হৈছে।

**মটক জনগোষ্ঠীৰ বৈশিষ্ট্যপূৰ্ণ ব'হাগ বিহু**

অসমৰ অন্যান্য ৰাজ্যৰ দৰে মটক জনগোষ্ঠীৰ ৰাইজেও ব'হাগ বিহু এক ব'হাগৰ পৰা পৰম্পৰাগতভাৱে পালন কৰে। ব'হাগ বিহুৰ প্ৰায় বিশ দিনমানৰ পূৰ্বেই গাঁৱৰ ডেকাসকলে বিহুৰ প্ৰস্তুতি তথা পালনৰ বিষয়ে আলোচনা কৰি প্ৰয়োজনীয় সিদ্ধান্ত লয়। এই সংগঠনক গৰখীয়া ল'ৰা বোলা হয়। তাৰ পাছত গৰখীয়া ল'ৰাই বিহুৰ বাবে প্ৰায় ১৫ দিনমান বিহুৰ আখৰা চলায়। ইয়াক বিহু নমোৱা বোলা হয়। এই আখৰা সাধাৰণতে গাঁৱৰ নিৰ্বাচিত ঠাইত বিহুৰ পূৰ্বে প্ৰতিদিনে সন্ধিয়াৰ পৰা নিশালৈকে চলে। শৃংখলাবদ্ধ এই কাৰ্যসূচীত গাঁৱৰ প্ৰতিঘৰৰ একোজনকৈ ডেকাই ভাগ লোৱাটো একপ্ৰকাৰ বাধ্যতামূলক। এই আখৰা কাৰ্যসূচী গৰু বিহুৰ আগদিনা পৰ্যন্ত চলে। আনহাতে গৰু বিহুৰ দিনা পুৱাতে গৰু-গাইক মাহ-হালধীৰে নোৱাই মাখিয়তি, দীঘলতি আদিৰে কোবাই নদী বা জান-জুৰিৰ পাৰলৈ নি লগত নিয়া চাতৰ পৰা

লাও, বেঙেনা, ঠেকেৰা আদি মাৰি সমূহীয়াভাৱে আৰু আনন্দ-উলাহৰ মাজৰে গা-ধুওৱা হয়। গৰুৰ গাত চাতৰ পৰা লাউ, বেঙেনা আদি মাৰি বাকী ৰৈ যোৱা অংশ সাল-সলনি কৰি ঘৰলৈ আনি গোহালিৰ ছালত গুজি ৰখা হ.য়। লগতে গৰুক গা ধুৱাই ঘৰলৈ উভতি আহোঁতে টুতনি বন নামেৰে এবিধ বিশেষ বন লৈ আনি ঘৰৰ ছালত তুলি ৰখা হয়। তাৰ পাছত গাঁৱৰ প্ৰায়ভাগ লোকেই কম-বেছি পৰিমাণে কণীযুঁজত অংশগ্ৰহণ কৰে। আনহাতে একাংশই আমৰলি পৰুৱাৰ বাঁহ বিচাৰি ভাঙি টোপ সংগ্ৰহ কৰাত ব্যস্ত হৈ পৰে। মটক সমাজৰ এটা জনবিশ্বাস যে আমৰলি পৰুৱাটো খালে বিভিন্ন বেমাৰৰ পৰা ৰক্ষা পোৱা যায়। আনহাতে গৰু বিহুৰ দিনা ভাতসাজ এশ এবিধ শাক-পাচলিৰে খোৱাটো এক পৰম্পৰা। গৰু বিহুৰ দিনা ঘৰৰ চাৰিওফালে এচপৰাকৈ চাৰি চপৰা মাটি বাৰান্দাত দিয়াটোও আন এক পৰম্পৰা। এইদৰে চপৰা মাটি দিলে ঘৰলৈ কোনো অশুভ চক্ৰ নাহে বুলি সমাজত বিশ্বাস কৰে। লগতে বছগছৰ আলু আৰু নহৰু খুন্দি পানীৰ সৈতে মিহলাই মিশ্ৰণ তৈয়াৰ কৰি ঘৰৰ বাহিৰে ভিতৰে ছটিওৱা হয়। তাৰ পাছত আবেলি গৰু-গাই ঘৰলৈ আনি জাক দিওঁতে তুঁহ, মাখিয়তী, খেৰ, কেচা ভাং আদি দিয়া হয়। এইদৰে জুই ধৰি জাক দি মহ-ডাঁহ আদি খেদোৱা হয়। উক্ত দিনা সন্ধিয়াৰে পৰা গৰখীয়া ল'ৰাই গাঁৱৰ মূল গাঁওবুঢ়াৰ ঘৰত নিৰ্বাচিত পদেৰে হুঁচৰি গায়। মূল গাঁওবুঢ়াৰ ঘৰত হুঁচৰি গোৱাৰ পাছত একাদিক্ৰমে গাঁৱৰ সকলোৰে ঘৰত গৰখীয়া ল'ৰাই হুঁচৰি গাই আশীৰ্বাদ দিয়ে। সময়ৰ প্ৰতি লক্ষ্য ৰাখি হুঁচৰিৰ দলটো কেইবাটাও ভাগত ভাগ কৰি হুঁচৰি গোৱাও দেখা যায়। বিহু সাধাৰণতে ৯ দিনীয়া বা ১১ দিনীয়াকৈ পতা হয়। এঘাৰ দিনতো গাঁৱত হুঁচৰি গাই শেষ নহ'লে বিহু ১৩ দিনীয়া কৰা হয়। বিহুৰ শেষৰ দিনা গাঁৱৰ সকলো ডেকা-গাভৰু মিলি পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰি নামঘৰলৈ গৈ নামঘৰ প্ৰাঙ্গনত উলহ-মালহেৰে গাই-বাই মাহ-প্ৰসাদ খাই সেৱা জনাই বিহু উৰুৱায়। এই বিহু উৰুৱা অনুষ্ঠানটি এক বিশে আকৰ্ষণীয় অনুষ্ঠান। এই অনুষ্ঠানটিত মটক জনগোষ্ঠীৰ বিহু সংস্কৃতিৰ এক নিভাঁজ ৰূপৰ প্ৰতিফলন দেখা যায়। অনুষ্ঠানটি উপভোগ কৰিবৰ বাবে বিভিন্ন অঞ্চলৰ বিহুপ্ৰেমী ৰাইজৰো সমাগম হয়।

**মটক জনগোষ্ঠীৰ গছতলৰ বিহু**

মটকসকলৰ মাজত প্ৰচলিত গছতলৰ বিহু হৈছে জনগোষ্ঠীটোৰ গাভৰুসকলে ব'হাগ বিহুত উদ্‌যাপন কৰা এক বিশেষ আকৰ্ষণীয় আৰু বৈশিষ্ট্যপূৰ্ণ লোক-সংস্কৃতি। সাধাৰণতে গাঁৱৰ কাষতে লাগি থকা পথাৰৰ নিৰ্দ্ধাৰিত বৰ গছ, আঁহত গছ বা আম গছ আদিৰ তলত এটা ওখ হাফলু সদৃশ স্থানৰ প্ৰাকৃতিক মঞ্চত গাভৰুসকলে বিহু কৰে। গাভৰুসকলে এই বিহু এক ব'হাঘৰ পৰা বিহু উৰুৱা দিনলৈকে কৰে। এই বিহু শৃংখলাৱদ্ধ আৰু মাৰ্জিত। গাঁৱৰ ডেকাসকলে সাধাৰণতে নিজৰ গাঁৱৰ গছতলৰ বিহু নাচায়। অন্য গাঁৱৰ পৰা বিহু চাবলৈ অহা ডেকাসকলে নিৰ্দ্ধাৰিত দূৰত্বৰ পৰা গাভৰুসকলৰ বিহু চাব পাৰে। বিহু চাবলৈ অহা ডেকাসকলে কিছু আঁতৰৰ পৰা গীত পৰিৱেশন কৰি গাভৰুসকলৰ সৈতে বিহুত ভাগ ল'ব পাৰে। কিন্তু ডেকাসকলে মঞ্চত উঠিব নোৱাৰে। অন্য কথাত ডেকাসকলে গাভৰুসকলৰ সৈতে মিহলি হৈ গছতলৰ বিহু কৰাৰ পৰম্পৰা নাই। ডেকাসকলক গাভৰুসকলে টকা (বাঁহেৰে তৈয়াৰী বিহুৰ বাদ্যযন্ত্ৰ) যাঁচি বিহুগীত পৰিৱেশন কৰিবলৈ আহ্বান জনায়। গাভৰুসকলৰ আহ্বানক্ৰমে ডেকাসকলে নিৰ্দ্ধাৰিত দূৰত্বৰ পৰা বাঁহী-পেঁপা বজাই বিহুগীত পৰিৱেশন কৰি গাভৰুসকলক নচুৱায়। এই অনবদ্য লোকসংস্কৃতি মটক-মৰাণ জনগোষ্ঠীৰ বাদে অসমৰ আন জনগোষ্ঠীৰ মাজত বিৰল। কিছু ডেকা-গাভৰুৱে গছতলৰ বিহুৰ আলমতে জীৱনৰ লগৰীও নিৰ্বাচন কৰি লোৱা দেখা যায়। মটক জনগোষ্ঠীৰ ডেকা-গাভৰুসকলে আনুষ্ঠানিক প্ৰশিক্ষণ অবিহনে পৰম্পৰাগতভাৱেই একোগৰাকী নিপুণ বিহু সংস্কৃতিৰ শিল্পী হৈ উঠে। বিহুৰ শেষৰ দিনা গাভৰুসকলে সোনকালে বিহু গাই গছতলৰ পৰা গৈ নামঘৰৰ প্ৰাঙ্গনত বিহু উৰুৱা কাৰ্যসূচীত ভাগ লৈ নাচি-বাগি গাই বাই শেষত সেৱা জনাই বিহু উৰুৱায়। এই বিহু উৰোৱা কাৰ্যসূচীত অঞ্চলটোৰ বহুকেইখন বিহুখোলাৰ গাভৰুসকলে অংশগ্ৰহণ কৰে।

**মটক জনগোষ্ঠীৰ শান্তি বিয়া বা তোলনী বিয়া**

মটক জনগোষ্ঠীৰ এক বৈশিষ্ট্যপূৰ্ণ সংস্কৃতি হ'ল শান্তি বিয়া বা তোলনী বিয়া পালন। সমাজত এগৰাকী কন্যা পুষ্পিতা হোৱাক শান্তি হোৱা বা জীয়ৰী হোৱা বুলি অভিহিত কৰা হয়। শান্তি হোৱাৰ মুহূৰ্তৰ পৰা কন্যাগৰাকীক এটা

কোঠাত পুৰুষৰ চকুৰ পৰা আঁতৰত ৰাখি আংশিক উপবাসেৰে ৰাখি নিৰ্দ্ধাৰিত নিয়ম-নীতিৰে শান্তি বিয়া পতা হয়। সাত দিন বা ন দিন পৰ্যন্ত পালন কৰা এই বিয়া সম্পূৰ্ণভাৱে মহিলাৰ দ্বাৰা পৰিচালিত হয়। শান্তি হোৱাৰ পৰা চতুৰ্থ দিনা কন্যাগৰাকীক নিয়ম-নীতিৰ মাজৰে গা-ধুওৱা হয়। শান্তি বিয়া চোতালৰ একোনত এটা মাটিৰ ঢিপ তৈয়াৰ কৰা হয় আৰু তাত এটা কণী আৰু এখন কাঁচি পৰম্পৰাগতভাৱে পোতা হয়। সেই ঢিপটোত গৰখীয়া ল'ৰাসকলে বেই (অস্থায়ী গা ধোৱা ঘৰ) সাজে। বেই সাজিবৰ বাবে প্ৰয়োজনীয় খুটাসমূহ বাঁহ আৰু বেইখন শুৱনি কৰিবৰ বাবে আঠিয়া কলৰ কলপটুৱা ব্যৱহাৰ কৰা হয়। বেইৰ চাৰিওফালে চাৰিডাল কুঁহিয়াৰ আৰু চাৰিজোপা কলপুলি পোতা হয়। লগতে এডাল দীঘল বাঁহ সজ্জিত কৰি ওচৰত ধেনুৰ প্ৰতীক সজাই এটা কলডিল লগোৱা নিয়ম আছে। গৰখীয়া ল'ৰাৰ কাম শান্তি বিয়াক কেৱল বেই আৰু ৰভা তৈয়াৰ কৰাতেই সীমাবদ্ধ। সামৰণিৰ দিনা কন্যাগৰাকী পুনৰ নোৱাই গা ধুৱাই নতুন সাজেৰে সজ্জিত কৰি তোলা হয়। ইয়াৰ লগে লগে গাঁৱৰ জীয়াৰী বোৱাৰীসকলে বিয়ানামৰ আলমেৰে কন্যাগৰাকীক অনেক আচৰণমূলক শিক্ষা প্ৰদান কৰে। বিয়াৰ আৰম্ভণি দিনাৰ পৰা উৰুৱাৰ দিনালৈকে গাঁৱৰ গাভৰুসকলে কইনাগৰাকীক সংগ দিয়ে আৰু গাভৰুসকলে বিয়া নাম গাই ঘৰখন উৎসৱমুখৰ কৰি ৰাখে। সামৰণিৰ দিনা গাঁৱৰ ৰাইজৰ লগত সা-সম্বন্ধীসকলক আমন্ত্ৰণ জনাই ভোজ-ভাত খুওৱাৰ ৰীতি আছে। শান্তি বিয়াৰ অন্তৰ্নিহিত অৰ্থ বিচাৰ কৰিবলৈ গ'লে দেখা যায় ইয়াৰ যোগেদি কন্যাগৰাকী পুষ্পিতা হোৱাৰ পাছত বিয়াৰ উপযোগী হোৱা বুলি ৰাইজক জনোৱা হয়। আনহাতে পুষ্পিতা হোৱাৰ পাছৰ সময়ছোৱাত এগৰাকী গাভৰুৱে ল'বলগীয়া অনেক যতন তথা ব্যৱস্থাৰ বিষয়েও গাভৰুগৰাকীক শিক্ষা প্ৰদান কৰা হয়।

**চোৰ বিয়া**

মটক জনগোষ্ঠীৰ মাজত প্ৰচলিত এক আদিম সাংস্কৃতিক চানেকি হ'ল চোৰ বিয়া বা পলুৱাই নিয়া বিয়া। চোৰ বিয়া গন্ধৰ্ব বিবাহৰ এক অন্য ৰূপ বুলি ক'ব পাৰি। ডেকা-গাভৰুৱে গোপনে প্ৰেম নিবেদন কৰি এজনে আনজনক জীৱনৰ সংগী হিচাপে আঁকোৱালি লয়। সাধাৰণতে ডেকাসকলে ব'হাগ মাহত অন্য গাঁৱলৈ গছতলৰ বিহু চাবলৈ গৈ বিহু মাৰি মন পচন্দৰ গাভৰুৰ সৈতে চিনাকি হয়। মনৰ পচন্দৰ চিনাকিৰ সৈতে বিহুৰ পৰৱৰ্তী সময়ছোৱাতো দুয়োপক্ষৰ মাজত প্ৰেম প্ৰণয় চলি থাকে। এইদৰে এদিন দুয়ো দুয়োৰে জীৱনৰ স্থায়ী সংগী হোৱাৰ মানসেৰে ডেকাজনে গাভৰুগৰাকীক পলুৱাই লৈ যায়। চোৰ বিয়া পতাৰ পাছত দৰা ঘৰৰ পৰা নিৰ্বাচিত ব্যক্তিক কইনাঘৰলৈ খবৰ দিবলৈ তামোল-পাণৰ টোপোলাসহ পঠোৱা হয়। এইদৰে কইনাৰ ঘৰলৈ পৰম্পৰাগতভাৱে তামোল-পাণৰ টোপোলাসহ খবৰ দিবলৈ যোৱা কাৰ্যক 'চোৰ ওলাবলৈ যোৱা' বুলি কোৱা হয়। চোৰ ওলাবলৈ নিয়া তামোল-পাণৰ টোপোলা কইনাপক্ষৰ প্ৰতিবেশী জ্যেষ্ঠ ভকতসকলে দৰাপক্ষৰ পৰা গ্ৰহণ কৰে। ইয়াৰ পাছত দুয়োপক্ষৰ সন্মতিক্ৰমে চোৰ কৰি কইনা নিয়াৰ বাবে যি জগৰ লগাই সেই জগৰ ৰাজহুৱাকৈ মাৰিবৰ বাবে এটা দিন নিৰ্দ্ধাৰণ কৰা হয়। জগৰ মৰা সকামত দৰা পক্ষই চোৰকৈ কইনা নিয়া জগৰ মাৰিবৰ বাবে জৰিমনা বহন কৰাৰ লগতে জা-জলপানেৰে আপ্যায়ন কৰি তামোল-পাণৰ শৰাই দি সেৱা কৰায়। চোৰ বিয়াৰ পৰম্পৰা মটক জনগোষ্ঠীৰ মাজত পূৰ্বৰে পৰাই প্ৰচলিত হৈ আহিছে। ই হ'ল জনগোষ্ঠীটোৰ এক অন্যতম জনজাতীয় লক্ষণ। মটক জনগোষ্ঠীৰ মাজত দৰা-কইনা দুয়োপক্ষৰ সন্মতিক্ৰমে নোৱাই ধুৱাই তিনিদিনীয়া বা পাঁচদিনীয়াকৈ আয়োজন কৰা বিয়াক বৰবিয়া বোলা হয়। বৰবিয়াৰ নীতি-নিয়মসমূহ দীঘলীয়া আৰু ব্যয়বহুল হোৱাৰ বাবে আজিকালি এই বিয়াৰ প্ৰচলন কমি আহিছে। বিধবাৰ পুনৰ্বিবাহ আৰু বৰলাৰ পুনৰ্বিবাহ প্ৰথাও মটক জনগোষ্ঠীৰ এক জনজাতীয় বৈশিষ্ট্য।

**ভেকুলী বিয়া**

ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা মটকসকল মূলতে কৃষিৰ ওপৰত নিৰ্ভৰশীল আৰু এই কৃষি ব্যৱস্থাটোৰ ঘাইকৈ বতৰৰ ওপৰত নিৰ্ভৰশীল। খৰাং বতৰত কৃষিকাৰ্য সম্ভৱ নহয়। মটক সমাজত প্ৰচলিত এক আদিন জনবিশ্বাস অনুসৰি খৰাং বতৰত ভেকুলী বিয়াৰ আয়োজন কৰিলে বৰষুণ আহে। ভেকুলীৰ বিয়াৰ বাবে ভেকুলীৰ দৰা-কইনা নিৰ্বাচন কৰি বিয়াৰ দিনা নোৱাই-ধুৱাই সম্পূৰ্ণ আনুষ্ঠানিকতাৰ মাজেৰে বিয়া আয়োজন কৰা হয়।

**গৰখীয়া ল'ৰা**

মটক জনগোষ্ঠীৰ সামাজিক জীৱনৰ এক অবিচ্ছেদ্য অংগ হ'ল গৰখীয়া ল'ৰা। গৰখীয়া ল'ৰা হ'ল ডেকাসকলৰ এটা সংগঠন। গৰখীয়া ল'ৰাই মটক জনগোষ্ঠীৰ গাঁওসমূহত সামাজিক আৰু সাংস্কৃতিক কাম-কাজত উল্লেখযোগ্য ভূমিকা পালন কৰা দেখা যায়। গৰখীয়া ল'ৰা সংগঠনে বিহু নমোৱাৰ বাবে প্ৰয়োজনীয় সিদ্ধান্ত লয়। লগতে হুঁচৰি গাবৰ বাবে প্ৰয়োজন হোৱা ঢোল, তাল, পেঁপা, গগনা, বাঁহীকে ধৰি সকলোবিলাক বাদ্যযন্ত্ৰ মেৰামতি বা নতুনকৈ তৈয়াৰ কৰাৰ ব্যৱস্থা কৰে। হুঁচৰি গোৱাৰ সময়ত হ'বলগীয়া খৰচ সাধাৰণতে গাঁৱৰ প্ৰতিঘৰৰ পৰা ন্যূনতম পৰিমাণৰ বৰঙণিৰে জোৰা মৰা দেখা যায়। হুঁচৰিৰ সময়ত অভিভাৱকৰ অনুৰোধ ৰাখি গৰখীয়া ল'ৰাই নতুন সন্তানৰ নামো প্ৰদান কৰা দেখা যায়। গৰখীয়া ল'ৰাই বিহু নমোৱা, হুঁচৰি গোৱা, মাঘৰ গৰখীয়া ভোজ খোৱা আদিৰ দৰে সাংস্কৃতিক দায়িত্ব পালন কৰাৰ উপৰিও গাঁৱৰ উন্নয়নৰ বাবেও বহু কাম-কাজ কৰা দেখা যায়। গাঁৱৰ নামঘৰ, বিদ্যালয়, পুথিভঁৰাল, খেলপথাৰ, খেতি-বাতি আৰু ৰাস্তা-ঘাট নিৰ্মাণৰ দৰে কামত গৰখীয়া ল'ৰাৰ সংগঠনৰ অৱদান মনকৰিবলগীয়া। তদুপৰি গৰখীয়া ল'ৰাই গাঁৱৰ নিয়ম-শৃংখলা বজাই ৰখাতো গুৰুত্ব প্ৰদান কৰি আহিছে। গাঁৱৰ সামাজিক নিয়ম-শৃংখলা ভংগ কৰা ব্যক্তি বা পৰিয়ালক গৰখীয়া ল'ৰাই ৰাইজমেল আয়োজন কৰি বয়োজ্যেষ্ঠসকলৰ মনত অনুসাৰে শাস্তি বিধান ঘোষণা কৰাও দেখা যায়। ৰাইজমেলত দোষী সাব্যস্ত হোৱা ব্যক্তিক বা পৰিয়ালক বহু সময়ত গাঁৱৰ পৰা এঘৰীয়া কৰা দেখা যায়। আৰ্থিকভাৱে দুৰ্বল বা কাম কৰিবৰ বাবে উপযুক্ত ব্যক্তি নথকা পৰিয়ালৰ অনুৰোধত গৰখীয়া ল'ৰাই তেনে পৰিয়ালক শ্ৰমদান কৰি দিয়াৰ উপৰিও নিজৰ পুঁজিৰ পৰা আৰ্থিকভাৱেও সহযোগিতা আগবঢ়োৱা দেখা যায়।

**বসবাসৰ ধৰণ-কৰণ**

মটক জনগোষ্ঠীৰ লোকসকল সাধাৰণতে গ্ৰাম্য অঞ্চলত বসবাস কৰে। একেটা বংশ বা খেল একোখন ঠাইতে ওচৰা-ওচৰিকৈ থাকি ভাল পায়। সেইদৰে একোটা চুক বা চুবুৰী গঢ় লৈ উঠে। বংশ বা খেলৰ নাম অনুসাৰে চুক বা চুবুৰীটো পৰিচিত হৈ উঠে। যেনে ঃ গঢ়গঞা চুক, চকলীভৰীয়া চুক, মুদৈগঞা চুক, কাঁড়ীগঞা চুক, কাপ্তান চুক, ৰাজখোৱা চুক, গোহাঁই চুক ইত্যাদি। মটকসকলৰ মাজত গোত্ৰৰ পৰম্পৰা দেখা নাযায়। কেইবাটাও বংশ বা খেল লগলাগি একোখন গাঁৱৰ সৃষ্টি হয়। গাঁওসমূহৰ নামকৰণৰ কোনো নিৰ্দিষ্টি নিয়ম শৃংখলা নাই। বহু সময়ত কোনো ঐতিহাসিক ঘটনা, ঐতিহাসিক সম্পদ, ঐতিহাসিক বৃত্তি বা গছ-গছনি আদিৰ আলমত গাঁওসমূহৰ নামসমূহ হোৱা দেখা যায়।

বৃত্তিৰ পৰা হোৱা গাঁৱৰ নাম যেনে; হিলৈধাৰী, খেলৰ পৰা হোৱা গাঁৱৰ নাম যেনে গড়গঞা, চকলিভৰীয়া। ঐতিহাসিক ঘটনাৰ পৰা হোৱা নাই যেনে; বৰগুৰি, পানীতোলা (ঐতিহাসিক বেংমৰা ৰাজ্যৰ ৰূপহী কুঁৱৰীক বৰ্তমানৰ পানীতোলাৰ পৰা পানী তুলি মানৰজালৈ বিয়া দিয়া হৈছিল।), চাউলখোৱা, ৰংচোৱাল ইত্যাদি।

গাঁওসমূহৰ ঘৰসমূহ শৃংখলাবদ্ধ নহয়। গাঁওসমূহ মূলতে খেতি-বাতিৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি গঢ়ি উঠা দেখা যায়। ঘৰসমূহ সাধাৰণতে বাঁহ, কাঠ, বেত আৰু খেৰেৰে তৈয়াৰ কৰা। বৈঠকখানা, শোৱাকোঠা একেলগে থাকে যদিও ভঁৰাল ঘৰ, গোহালি, ঢেকী শাল আদি প্ৰায় পৃথকে ৰখা দেখা যায়। ভঁৰাল ঘৰটো সাধাৰণতে জুহালৰ পৰা আঁতৰত নিৰ্মাণ কৰাৰ মূলতেই হ'ল যাতে কেনেবাকৈ জুহাল থকা ঘৰত জুই লাগিলেও ভঁৰালঘৰটো নিৰাপদে থাকে। সেই একেই নিৰ্মাণশৈলী টাইমূলীয় দেশসমূহতো দেখা যায়। ভঁৰাল ঘৰত সাধাৰণতে ধান-মাহ-সৰিয়হ আদিৰ উপৰিও পকা ৰঙালাউ, পকা কোমোৰা আদি সংৰক্ষণ কৰি ৰখা হয়। গাঁৱৰ সমৃদ্ধিশালী কৃষকসকলে নাটনিৰ দিনত নিজৰ ভঁৰালৰ পৰা শস্য প্ৰদান কৰি দৰিদ্ৰ কৃষকসকলক সঁকাহ দিয়ে।

মটকসকল সহজ-সৰল আৰু মুকলিমুৰীয়া। তেওঁলোকে জঞ্জালবিহীন মুকলি জীৱন কটাই ভাল পায়। সেয়েহে হয়তো পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে খাপ খুৱাই উদ্যোগ বাণিজ্য আদি বৃত্তি বাচি নোলোৱাৰ বাবে আজিও অধিকাংশ মটৰ ৰাইজ পিছপৰি আছে। মটকসকলৰ পৰিয়াল ব্যৱস্থা পিতৃপ্ৰধান। পিতৃগৰাকী পৰিয়ালৰ মুৰব্বী। তেওঁৰ দিহা-পৰামৰ্শ অনুসৰি পৰিয়ালৰ আন সদস্যসকল চলে। পৰিয়ালৰ কৰ্মঠ সকলো সদস্যই পিতৃ-মাতৃক কাম-কাজত সহযোগিতা আগবঢ়ায়। আধুনিকতাৰ ধামখুমীয়াই মটক জনগোষ্ঠীৰ লোকসকলক আকৃষ্ট কৰিবলৈ সক্ষম হোৱা নাই। তেওঁলোকে পৰম্পৰাগত

অভ্যস্ত জীৱনশৈলীক খামুচি ধৰি ৰাখিব বিচাৰে। নিজৰ জনজাতীয় বৈশিষ্ট্য পৰিত্যাগ কৰিবলৈ তেওঁলোক আগ্ৰহী নহয়।

সংস্কৃতিৰ পৰিসৰ বৰ বিশাল। সংস্কৃতিৰ অনেক উপাদান আছে। আৰু এই উপাদানসমূহৰ উৎপত্তি আৰু বিকাশৰ কাৰণো অনেক। সংস্কৃতি সদায় পৰিৱৰ্তনশীল। সংস্কৃতিৰ পৰিৱৰ্তনক বিভিন্ন পৰিৱেশ পৰিস্থিতিয়ে প্ৰভাৱিত কৰা দেখা যায়। এই সংস্কৃতিয়েই হৈছে এটা জাতি বা জনগোষ্ঠীৰ পৰিচয়। সেয়েহে অসমৰ থলুৱা জনগোষ্ঠীসমূহৰ পৰিচয় তথা অস্তিত্ব অক্ষুণ্ন ৰখাৰ স্বাৰ্থতে থলুৱা জনগোষ্ঠীয় ৰাইজৰ সংস্কৃতিসমূহৰ উপযুক্তভাৱে সংৰক্ষণ তথা সুৰক্ষা প্ৰদান কৰাৰ সময় সমাগত।

*****

- লেখক ঃ তিনিচুকীয়া নিবাসী এগৰাকী বিশিষ্ট গৱেষক-সাহিত্যিক।

# অসমৰ জনগোষ্ঠী চিংফৌসকল

**ৰাজীৱ নিংখী**

অসমৰ এক প্ৰাচীন জনগোষ্ঠীসকলৰ ভিতৰত চিংফৌসকলো অন্যতম। এই জনগোষ্ঠীটোৰ ইতিহাস তথা তেওঁলোকৰ জীৱন-শৈলী ফঁহিয়াই চাবলৈ এইয়া আমাৰ এক প্ৰয়াস। চিংফৌ শব্দৰ অৰ্থ হৈছে— মানুহ। চিংফৌসকলৰ ইতিহাস অনুসৰি খ্ৰীষ্টপূৰ্ব ৮০০ ৰ পৰা ৭০০ চনৰ ভিতৰত মংগোলীয়ৰ পৰা প্ৰব্ৰজন হৈ আহি তিব্বতৰ মালভূমিত কেইবাশ বছৰ বসবাস কৰি পিছত খ্ৰীষ্টপূৰ্ব প্ৰায় ১০০ বছৰ পূৰ্বে চাম্পো নৈয়েদি ভটিয়াই ব্ৰহ্মপুত্ৰ হৈ সৌমাৰৰ উত্তৰ-পূব খণ্ডত চিংফৌ লোকসকল প্ৰৱেশ কৰা বিষয়ে চীনদেশৰ চিংফৌ বুৰঞ্জীত উল্লেখ আছে (চিদু লাবাউ*, পৃষ্ঠা- ১) (*চিদু লাবাউ হৈছে— চীনদেশৰ চিংফৌ বুৰঞ্জী)। চিংফৌসকলৰ ইতিহাস বিচাৰি গ'লে 'মজইচিংৰা বুম' নামৰ তিব্বতৰ এক অচিন মালভূমিত তেওঁলোকৰ ইতিহাস আৰম্ভণি হোৱা বুলি বিশ্বাস কৰে। তিব্বতবৰ্মী ভাষা গোষ্ঠীৰ মংগোলীয় মূলৰ এই লোকসকল পাচৰ পৰ্যায়ত বিশ্বৰ বিভিন্ন প্ৰান্তত বিয়পি পৰে। চিংফৌ কিংবদন্তি বা 'জইৱা'সকলৰ সাধু কথাসমূহতো 'মজইচিংৰা বুম'ৰ সম্ভেদ পোৱা যায়। বিশ্ব বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা চিংফৌসকলক দেশ ভেদে বিভিন্ন নামেৰে পৰিচিত।

অসমত তেওঁলোক চিংফৌ বুলি জনা যায়, ম্যানমাৰত কাচিন আৰু চীনত একেই জনগোষ্ঠীৰ লোকসকলক 'জিংফৌ' নামেৰে পৰিচিত। ভৌগোলিক সীমাৰে তিনিখন ৰাষ্ট্ৰত বিভক্ত যদিও তেওঁলোকৰ ভাষা-সংস্কৃতিৰ ঐক্যতা আজিও জীয়াই আছে।

অসমৰ চিংফৌসকলৰ ইতিহাসৰ বিষয়ে বহুকেইগৰাকী বৰেণ্য ব্যক্তিয়ে অভিমত প্ৰকাশ কৰি গৈছে যদিও অসমৰ পূৰ্বপ্ৰান্তৰ প্ৰহৰী স্বৰূপ চিংফৌসকলৰ ইতিহাস এই বৰেণ্য ব্যক্তিসকলে লিখি যোৱা ইতিহাসত পূৰ্ণতা লাভ কৰা নাই। অসম বুৰঞ্জীত আহোম ৰজা গৌৰীনাথ সিংহৰ দিনত চিংফৌসকল অসমত প্ৰৱেশ কৰাৰ তথ্য পোৱা যায়। কিন্তু পাটকাইবাসী হিচাপে পাটকাইৰ দুয়োপাৰ চিংফৌসকলৰ বিচৰণ ভূমি। এই যুক্তিত গৌৰীনাথ সিংহৰ দিনতে অসম মুলুকত প্ৰৱেশ কৰাৰ তথ্য কিমান যুক্তিপূৰ্ণ সেয়া বিচাৰ্য্যৰ বিষয়। মেকেজতী চাহাবে ১৮২৫ চনত প্ৰথমবাৰৰ বাবে এদল চিংফৌক পাটকাই পৰ্বতৰ পশ্চিম ভাগত দেখিবলৈ পাইছিল বুলি তেওঁৰ টোকাত উল্লেখ কৰিছিল। জাপানৰ পৰা প্ৰকাশিত এখন আলোচনীত 'আগুখেন' নামৰ লেখকজনে উল্লেখ কৰিছিল চিংফৌসকল দ্বাদশ শতিকাতে অসমত প্ৰৱেশ কৰিছিল। (Pratap Ningshawing, পৃষ্ঠা- ৭৫)। ড° সূৰ্য্য কুমাৰ ভূঞাই সম্পাদনা কৰা 'দেওধাই অসম বুৰঞ্জী'ত উল্লেখ কৰা চুকাফাৰ লগত সৌমাৰলৈ প্ৰৱেশ কৰা কেইবাগৰাকী ব্যক্তি চিংফৌ নেতা আছিল। প্ৰায় দশম শতিকাৰ পিছত চিংফৌ নেতাসকলে (ডু-মাগাম) জনসাধাৰণৰ ওপৰত চলোৱা শোষণ নীতিৰ ফলত 'পৰিৱৰ্তনৰ বিপ্লৱ' (Gumlow Majan)ৰ বাবে গৃহযুদ্ধ সূচনা হৈছিল বুলি চিংফৌ ইতিহাসে স্পষ্ট ইংগিত দিয়ে। ঠিক সেই দীঘলীয়া বিপ্লৱ চলি থকাৰ সময়তে টাই

যুৱৰাজ চুকাফাই সৌমাৰলৈ প্ৰৱেশ কৰিছিল। তেওঁ লগতে চিংফৌ নেতা মিৰিপ ব্ৰাং, খাখমং, লিচু ব্ৰাং, লাখেপ, টাংখুল লা আৰু কানং সৌমাৰৰ ফালে আগবাঢ়ি আহে। চিংফৌসকলৰ মাজত প্ৰচলিত মৌখিক বুৰঞ্জীয়ে অৱশ্যে বহু প্ৰাচীন ইতিহাসৰ কথা উল্লেখ পোৱা যায়। ১৬৭৯-৮১ চনৰ কথা। এই সময়ত ল'ৰা ৰজা আৰু লালুকখোলা বৰফুকনৰ ভয়ত দিহিঙে-দিপাঙে ঘূৰিবলগীয়া হৈছিল গদাপাণি। ছদ্মবেশী গদাপাণিয়ে এসময়ত আশ্ৰয় লৈছিল চিংফৌ নেতা বিছা ৰজা ঘৰত। এই বিছা ৰজা আশ্ৰয়ত থকাৰ সময়তে গদাপাণিয়ে এডোখৰ বিশাল হাবি মুকলি কৰিছিল অকলশৰে— অৰুণাচল প্ৰদেশ এই অঞ্চলটি বৰ্তমানে 'গদাপথাৰ' বুলি জনাজাত। গদাপাণিৰ অসাধাৰণ কিছু গুণ দেখি বিছা ৰজাই জানিব বিচৰাত গদাপাণিয়ে নিজৰ আত্মগোপনৰ কথা বিৱৰি ক'লে। গদাপাণিয়ে আত্মগোপন কৰা সময়ত ডিব্ৰুগড়, শিৱসাগৰ আৰু যোৰহাট জিলাৰ সীমান্তৰ নগাভূমি আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন বস্তিত আত্মগোপন কৰিছিল। "জনশ্ৰুতি মতে গদাপাণিয়ে নগাভূমিৰ বাৰটা বস্তিত (ৰাকচিং, টনহাই, পংকং, ৱানচিং কংগন, বৰজান, মাওচিং (বৰ্তমানৰ নাগিনীমৰা), নামচাং, মংনিউ, চাটংগিয়া, চাংফি আৰু মেৰিনক্‌পু) আৰু অৰুণাচল প্ৰদেশৰ দুটা বস্তিত [ৰুজেন (বানফেৰা) আৰু চকজেন (ৰুচা)] আত্মগোপন কৰিছিল।"

যতিন কোঁৱৰৰ 'ৰহদৈ ক'ৰ আছিল? শীৰ্ষক আলোচনাৰ দ্ৰষ্টব্য, প্ৰান্তিক ১৬-৩১ জুলাই, ২০০২, পৃষ্ঠা- ১৪। উল্লেখিত অৰুণাচলৰ দুই বস্তিৰ ভিতৰত (ৰুচা) 'বিচা' (বৰ্তমান অৰুণাচল প্ৰদেশৰ বৰডুমচাৰ কাষৰীয়া য'ত বৰ্তমানে বিচা ৰজাৰ বংশধৰসকলে বসবাস কৰি আছে) গাঁও বুলি আমাৰ হাতত তথ্য আছে।

অৰুণোদয়ৰ পাতত 'চিংফৌ বিৱৰণ'ত চিংফৌ ৰাজ্য চাৰিসীমা উত্তৰ সীমাত ব্ৰহ্মপুত্ৰ, পূৰ্বে মিচিমি পৰ্বত, দক্ষিণে পাটকাই পৰ্বত আৰু পশ্চিমে ন-দিহিংমুখৰ পৰা পোনে পোনে বঢ়িদিহিং নদীৰ দক্ষিণলৈকে' (অৰুণোদয়, Vol - III, Sibsagar, Assam, August 1846, No. 8)। এই বিৱৰণত উল্লেখ থকা তথ্যসমূহ এনেধৰণৰ— "প্ৰতি জাতি চিংফৌৰ ওপৰতে একোটা গাম নামে ৰজা। সিহঁতে প্ৰায় যি ইচ্ছা তাকে কৰিব পাৰে। আটাইবোৰ চিংফৌৰ অভিমতেৰে নিশ্চয় নচলে। কিন্তু চিংফৌ ৰজাবোৰৰ ভিতৰত যি গুণবান, তাৰ কথাৰে গোটেই দেশৰ বিশেষ কাৰ্যসম্পন্ন হয়। যেতিয়া চিংফৌহঁতে ইংৰাজৰ সৈতে সন্ধি পত্ৰত চহী কৰিছিল, তেতিয়া বিচা গাম নামে এজন ৰজা 'দোৱাই' (মুখীয়াল) নিয়ম-নীতি কৰি আটায়ে চলিছিল। যেতিয়া মানে দেশ আক্ৰমণ কৰিছিল তেতিয়া চিংফৌহঁতে সিহঁতক লগত লৈ অসমত নানা দুৰ্গতি কৰিছিল আৰু পূৰ্বত অনেক অসমীয়া মানুহক গোলাম কৰিছিল।" এই সমগ্ৰ এলেকা হাবি জঙ্গলেৰে ভৰা। মানুহবোৰ নিৰ্ভীক। বন্দুক আৰু বাৰুদৰ স'তে সহবাস কৰি তুমুল যুদ্ধ বিগ্ৰহত অৱতীৰ্ণ হৈছিল। চিংফৌ ৰাজ্যত কোনো নিৰ্দিষ্ট শাসক নাছিল। ক্ষমতাসম্পন্ন নেতাসকল নিজ নিজ অঞ্চলত শাসন কৰিছিল। বিচা, নিংৰু, দুপা, লুঃথ আদি বহু ক্ষমতাসম্পন্ন নেতাই সেই সময়ত চিংফৌ ৰাজ্যত গুৰুত্ব লাভ কৰিছিল।

ইংৰাজৰ শাসনৰ লগে লগে এই নেতাসকলৰ মাজত ব্যাপক অসন্তুষ্টিৰ ভাব গঢ়ি উঠে। পৰাধীনতা গ্লানিক স্বীকাৰ কৰিব নিবিচৰা স্বাধীনচিতীয়াভাৱে জীৱন নিৰ্বাহ কৰা চিংফৌসকল ইংৰাজৰ দৰে বহিঃশক্তিক সমৰ্থন নকৰাটো স্বাভাৱিক। ইংৰাজসকল যদিও উজনি অসমত খোপনি পুতি লৈছিল তথাপি চিংফৌ এলেকাত প্ৰৱেশ কৰি যুদ্ধ কৰিবলৈ ভয় কৰিছিল। নিৰ্ভীক আৰু দুৰ্দান্ত চিংফৌসকলক ভয় কৰি তেওঁলোকৰ সাম্ৰাজ্যবাদী নীতিত কিছু সময়ৰ বাবে হ'লেও শিথিলতা আনিবলগীয়া হৈছিল। আহোম ৰাজ্য পতনৰ সময়ত প্ৰায় ৭,৫০০ জনীয়া বৃহৎ চিংফৌ দল এটিয়ে খামতি আৰু মটক ৰাজ্যত উৎপীড়ন কৰাৰ ইতিহাস আছে। "মায়ামৰীয়া মৰাণৰ অত্যাচাৰত অতিষ্ঠ হোৱা বহু অসমীয়াই সেই সময়ত চিংফৌসকলক উদ্ধাৰ কৰ্তাৰূপে অভ্যৰ্থনা জনাইছিল। চিংফৌ গাম গখেনঠুৱে (Gakhenthu) মটক ৰাজ্যৰ পূব খণ্ডত শান্তি স্থাপন কৰিবলৈ সক্ষম হৈছিল।" (সৰ্বানন্দ ৰাজকুমাৰ, চিংফৌ জনগোষ্ঠী, পৃষ্ঠা- ৫১)

চিংফৌসকল এটা সময়ত ইংৰাজৰ কুটনৈতিক অভিসন্ধিৰ বলি হ'বলগীয়া হয়। ফলত ১৮২৬ চনৰ ঐতিহাসিক ইয়াণ্ডাবু সন্ধিৰ পাছতো চিংফৌসকলক নিয়ন্ত্ৰণ কৰিব পৰা নাছিল। সেইবাবে ১৮২৬ চনৰ ৫ মে' তাৰিখে ইংৰাজ চিংফৌসকলৰ লগত সন্ধি কৰি ঐতিহাসিক 'বৃটিছ চিংফৌ চুক্তি' সম্পাদিত কৰিবলগীয়া হৈছিল। ইয়াত ইংৰাজৰ বৈশ্যতা স্বীকাৰ কৰিব নিবিচাৰি 'দফা গাম' ব্ৰহ্মদেশলৈ বুলি ৰাওনা হয়। প্ৰায় ১৮৩৫ চনত পুনৰ উভতি আহি নৱৈজন মানুহক

হত্যা কৰি বৃটিছক মুকলিভাৱে প্ৰত্যাহ্বান জনালে। এক চৰমপন্থী লুঃথ গামে প্ৰায় ১৮৩৭ চনৰ ফেব্ৰুৱাৰী মাহত ইংৰাজৰ বৈশ্যতা স্বীকাৰ কৰিলে। ইফালে বম চিংফৌই বৃটিছ চিংফৌ চুক্তিৰ স্বাক্ষৰ কৰিও বৃটিছ বিৰোধী শিবিৰত যোগদান কৰি আন্দোলনত জঁপিয়াই পৰিল। বং চিংফৌ আগতেই চিংফৌ অন্য এগৰাকী স্বাধীনতাকামী নেতা নিংৰু থুমুঙে ১৮২৮ ইংৰাজ বিৰোধী স্থিতি গ্ৰহণ কৰে।

এটা সময়ত অসমত ইংৰাজে চাহখেতি আৰম্ভ কৰে। ইংৰাজে চাহখেতিৰ বাবে ভূমি দখল কাৰ্যও ক্ৰমে বৃদ্ধি হ'বলৈ ধৰিলে। এনে কাৰ্যৰ প্ৰতি স্থানীয় লোকসকল অসন্তুষ্ট হৈ পৰে। সেইবাবে বিছা গামে নিজৰ আক্ৰোশ প্ৰকাশ কৰি বৃটিছ কোম্পানীলৈ চিঠি লিখিছিল— "with respect to lands these from Namisang Mookh, Noa Dihing Mookh and Patkai are singpho lands, but you of the company have forgotten what was said to scott salib and Neufville sahib and after this major (white) Sahib said, the land is ours. Now it is said that where the tea grows that is yours, but when we made secrifice we require tea for our funeral; We therefore preceive that you have taken all the country, and if we, the old and respectable, can't get tea to drink to drink, we are not well satisfied" (H.K. Borpujari, The comprehensive History of Assam, Volume- IV, chapter five page- 145)। বুঢ়ীদিহিঙৰ পাৰৰ 'নিংৰু'ৰ আশে-পাশে সেই সময়ত প্ৰচুৰ বনৰীয়া চাহগছ পোৱা গৈছিল বাবে অঞ্চলটোতে চাহখেতিৰ প্ৰচুৰ সম্ভাৱনা আছিল। নিংৰুৰ নেতা 'নিংৰুলা' আছিল চাহখেতিৰ লগত জড়িত লোক। নিংৰুলা হৈছে মণিৰাম দেৱানৰো পূৰ্বে চাহখেতি আৰু ব্যৱসায় কৰা অসমৰ প্ৰথমগৰাকী ব্যক্তি। ড° অমলেন্দু গুহৰ মতে— "পোন প্ৰথমবাৰৰ বাবে যি ৯৫ টা চাহৰ বাকচ অসমৰ বাহিৰলৈ চালান দিছিল। তাৰে ৩৫ টা নিংৰুলাই তৈয়াৰ কৰিছিল।" নিংৰুলাই চাহ ব্যৱসায়ৰ পাতনি মেলি পোন প্ৰথমবাৰতে ৪৮০ পাউণ্ড মূল্য লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু পৰিতাপৰ বিষয় এই যে নিংৰুলাই প্ৰথম চাহখেতিয়ক হিচাপে পাবলগীয়া স্বীকৃতিৰ পৰা বঞ্চিত হ'ল। নিংৰুলাৰ এই ঠাইখিনিতে বৃটিছ শক্তি আৰু চিংফৌসকলৰ মাজত এক ভয়ঙ্কৰ যুদ্ধ সংগঠিত হৈছিল ১৮৪৩ চনৰ ১০ জানুৱাৰী তাৰিখে।

বিক্ৰান্ত জাতিৰ এই লোকসকল এটা সময়ত বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি শান্ত আৰু বুদ্ধৰ মুক্তিৰ মাৰ্গ অনুসৰণ কৰিবলৈ ধৰে। বৌদ্ধ ধৰ্ম গ্ৰহণৰ আগতে তেওঁলোকে প্ৰকৃতিৰ উপাসক আছিল। 'নাট' (দেৱতা) ধাৰণা বিৰাজমান। এই নাটৰ সন্তোষ্টি কৰিবলৈ বিভিন্ন সময়ত বলি বিধান, মদ-পানীয় আদি ব্যৱহাৰ কৰি দেৱতাক পূজা-অৰ্চনা কৰাৰ পৰম্পৰা আছিল। এই পূজা-অৰ্চনা 'দুমছা' নামৰ এক শ্ৰেণীৰ পুৰোহিতে সম্পাদন কৰে। এইদৰে সমাজ ব্যৱস্থা চলি থকা পাছত চিংফৌসকল এগৰাকী বৌদ্ধ ভিক্ষুৰ সান্নিধ্যলৈ আহে। ব্ৰহ্মদেশী বৌদ্ধ সন্ন্যাসী গৰাকী পাটকাই অতিক্ৰম কৰি আহি উজনি অসমত বসবাস কৰি থকা চিংফৌসকলৰ মাজত আহি উপস্থিত হয়। প্ৰায় ১৮৮০-৮২ চনত সীমান্ত চিংফৌসকল বৌদ্ধধৰ্ম গ্ৰহণ কৰে। বৌদ্ধ ধৰ্ম গ্ৰহণৰ পাছত পঞ্চশীল, অষ্টশীল লৈ প্ৰাণী হত্যা, মদ-পানীয় আদি ত্যাগ কৰি মুক্তিমাৰ্গ লোৱাত একালৰ যুদ্ধপ্ৰিয় চিংফৌসকলৰ স্বভাৱ নমনীয় হৈ পৰে। ধৰ্ম উপাসনাৰ বাবে গাঁৱে গাঁৱে বিহাৰ নিৰ্মাণ কৰি ধৰ্ম চৰ্চাত মনোনিৱেশ কৰে।ব্ৰহ্মদেশীয় মহাগুৰু 'পিয়েন ডুৱেন চিৰাদ'ৰ পাছত বৌদ্ধ ধৰ্মীয় ধ্বজা বহন কৰা মহান কেইবাগৰাকী চিংফৌ মহাগুৰু হৈছে—

উ° বিৰিয়া মহাস্থবিৰ (১৮৬০-১৯৩৬),
উ° মহিন্দ মহাস্থবিৰ (১৯১০-১৯৮৪),
উ° বিশুদ্ধাচাৰ মহাস্থবিৰ (১৮৮৭-১৯৬৭),
উ° সিৰিন্দা মহাস্থবিৰ (১৯১২-১৯৫৫),
উ° ৰ্ণাসাৰ মহাথেৰ (১৯৩৬-২০)

উল্লেখযোগ্য যে ৰনাসাৰ মহাথেৰ হৈছে এগৰাকী উচ্চ শিক্ষিত ব্যক্তিৰ উপৰিও সাহিত্য কৰ্মৰ ক্ষেত্ৰতো বিশেষ অৰিহণা আছিল। তেখেতে ৰচনা কৰা কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে— "পিয়েন-ডুইন-চাও-চিৰাদৰ জীৱনী, বৌদ্ধ চৰ্য্যা বিধি, Buddhist Cult আদি। ধৰ্মৰ প্ৰতি চিংফৌসকলৰ যিদৰে টান আছে। সেইদৰে নিজস্ব সংস্কৃতিৰ প্ৰতিও সজাগ।

তেওঁলোকে বৌদ্ধ ধৰ্মীয় উৎসৱসমূহ অতি শ্ৰদ্ধা চিত্তে পালন কৰাৰ দৰে চিংফৌ জাতীয় উৎসৱ 'স্বপংয়'ও মানাও পয়' অতি উলহ-মালহেৰে পালন কৰে। ১৪ ফেব্ৰুৱাৰীৰ দিনটো প্ৰতি বছৰে এই উৎসৱ পালন কৰে। বিশ্বাস অনুসৰি— টিংলিয়ঙৰ পিতা আছিল স্বপংযুং। পুত্ৰ টিংলিয়ঙে পিতা স্বয়ং য়ং আৰু বিশ্বৰ সৃষ্টি কৰ্তা পৰম পিতা 'মাঠুম মাঠাৰ' পৰা আশীৰ লাভাৰ্থে 'চিকন গুংন্দন পয়' (গুণানুকীৰ্তন উৎসৱ) পালন কৰিছিল। কিন্তু কালক্ৰমত এই উৎসৱ পূৰ্বপুৰুষ স্বপংয়'ঙৰ স্মৃতি ৰক্ষাৰ্থে পালন কৰা উৎসৱৰূপে জনাজাত হয়।

চিংফৌ ভাষাত 'মানাও' শব্দৰ অৰ্থ হৈছে নৃত্য আৰু 'পয়' হৈছে উৎসৱ। এই উৎসৱৰ প্ৰতীক স্বৰূপ 'স্বাদুং'ৰ আগত গীত আৰু নৃত্যৰ জৰিয়তে পূৰ্বপুৰুষ গৰাকীক স্মৰণ কৰি পৰম পিতা 'মাঠুম মাঠা'ৰ আশীষ বিচাৰে। এক বিশ্বাস অনুসৰি পক্ষীকূলে এই পৃথিৱীত সৃষ্টি হোৱা বিভিন্ন ধৰণৰ গছ-গছনিৰ ফল-ফুলৰ স্বাদ গ্ৰহণ কৰি আনন্দত আত্মহাৰা হোৱাৰ ক্ষণত পক্ষীৰাজ ধনেশৰ নেতৃত্বত পক্ষীকুলে মাঠুম মাঠাৰ গুণানুকীৰ্ত্তন কৰি এক নৃত্য উৎসৱ আয়োজন কৰিছিল। পক্ষীকুলে আয়োজন কৰা এই আনন্দৰ উৎসৱত 'মাংদিয়াউ' নামৰ এজন মানৱ সন্তানে অংশ লোৱাৰ সৌভাগ্য লাভ কৰিছিল। সেই মানৱ সন্তানে পক্ষীকুলৰ পৰা শিকি অহা নৃত্য পাছত চিংফৌসকলে আয়ত্ব কৰে।

চিংফৌসকলৰ মাজত কেইবাবিধ লোক নৃত্যৰ প্ৰচলন আছে। "Traditionaly there are eight type of 'Manau', while the general dance pattern is similar, the meaning, mood and message are quite distinct one from others" Pan Kachins News Letter, Vol- II, Issue- 2, July 1998, Temecular, USA.

চি মানাও— মৃত্যুৰ পাছত চিংফৌসকলে মৃতকৰ সৎকাৰ কৰাৰ আগতে এক নৃত্য কৰে। এইয়াই চি মানাও। চিংফৌ পৰম্পৰা মতে মৃত্যুৰ পাছত মৃতকক গীত-নৃত্যৰ মাধ্যমেৰে শেষ বিদায় জনায়।

পাদাং মানাও— চিংফৌসকল যুদ্ধপ্ৰিয়। যুদ্ধ জয় হোৱাৰ পাছত এই নৃত্য কৰে। এই নৃত্যক বিজয়ৰ প্ৰতীকৰূপে ধৰা হয়।

চ্যুত মানাও— যেতিয়া কোনোবা লোকে ধন সম্পত্তিৰ গৰাকী হয় তেতিয়া ধন লাভ কৰাৰ আনন্দত বিভিন্নজনক আমন্ত্ৰণ জনাই মহা উলাহেৰে চ্যুত মানাও কৰে।

ডুম মানাও— স্বভাৱগতভাৱে চিংফৌসকল অতিথিপৰায়ণ। সেয়েহে অতিথিৰ আগমনত আনন্দিত হৈ আনুষ্ঠানিক অভ্যৰ্থনা জনাবলৈ ডুম মানাও নৃত্য কৰে।

কোমৰাল মানাও—বহু দিন বিৰতিৰ পাছত কোনোবা সতীৰ্থক লগ পোৱাৰ আনন্দত কোমৰাল মানাও কৰে।

জু মানাও— চিংফৌসকলৰ মাজত দেৱতা (নাট) উপাসনা কৰা প্ৰথা অতি প্ৰাচীন কালৰ পৰা চলি আহিছে। দেৱতাক সন্তুষ্ট কৰাৰ বাবে জু-মানাও নৃত্য কৰে।

কোমৰান মানাও— আনুষ্ঠানিক বিদায় জনোৱাটো চিংফৌসকলৰ এক ৰীতি। বিদায়বেলাত সমূহীয়া নৃত্যৰ জৰিয়তে বিদায় জনোৱাৰ পৰম্পৰাক কোমৰান মানাও নৃত্য বুলি কোৱা হয়।

থংকা মানাও— কৃষি কৰ্মৰ লগত এই নৃত্য জড়িত। কৃষিজীৱি চিংফৌসকলে কৃষি কৰ্মৰ অন্তত পথাৰ শস্য চপোৱাৰ পাছত থংকা নৃত্য কৰে।

পক্ষীকুলৰ পৰা আয়ত্ব কৰা নৃত্যই বৰ্তমান তেওঁলোকৰ সাংস্কৃতিক জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। এই লোকনৃত্যৰ লগত লোকগীতৰ সম্পৰ্কও অতি নিবিড়। সাধাৰণতে চিংফৌ সমাজত প্ৰচলিত বহুকেইবিধ লোকগীতৰ ভিতৰত— মামথু চয়ৰা, চিয়গ'ই নিংকিন, খায়ং নিংকিন আদি অন্যতম। কৃষিজীৱি চিংফৌসকল কৃষি কৰ্মত ব্যস্ত থাকিলেও আজৰি পৰত গীতৰ চৰ্চা কৰাটো লক্ষণীয়। যেতিয়া ধান খুন্দাৰ সময় আহে তেতিয়া মহিলাসকলে দীঘলীয়া চাংঘৰৰ কাষত ধান খুন্দা আৰম্ভ কৰে। হাতত খুন্দুনা লৈ ধান খুন্দা আৰম্ভ কৰে তেতিয়া এটি লয়ৰ সৃষ্টি হয়। এই লয়ৰ তালে তালে ধান খুন্দে আৰু অজানিতে এটি সুৰ নিগৰি আহে— এই সুৰত গীত গাই ধান খুন্দাত ব্যস্ত হয়। এইয়ে মামথু চয়ৰা গীত। অৰ্থাৎ ধান খুন্দা গীত।

**মামথু চয়ৰা**
য়চা........... য়চা...........
আমি মহিলাসকলে খুন্দো 'ইস্ফং ধান'
ঘৰলৈ এতিয়া অতিথি আহিছে
অতিথিক খুৱাবলৈ
আমি খুন্দো 'চালা' গছৰ খুন্দুনাত
আমি খুন্দো চাউল, আমি খুন্দো ইস্ফং চাউল
আমি গাওঁ ধান খুন্দা গীত
খুন্দা বান্ধৱী খুন্দা........... চাউল খুন্দা
চাউল খুন্দা খুন্দুনাটো হৈছে নাহৰ গছৰ থুৰা।
(ইস্ফং ধান — চিংফৌ মাজত প্ৰচলিত বিশেষ প্ৰজাতি ধান)
(চালা গছ— শাল লছ)

চিয়গ'ই গীতত প্ৰণয়, ট্ৰেজেদি, প্ৰকৃতি, বস্তু বা ব্যক্তিৰ বৰ্ণনা আদি থাকে। যিদৰে প্ৰেম ভালপোৱাবোৰ এই গীতৰ জৰিয়তে প্ৰকাশ পায়। সেইদৰে প্ৰকৃতিৰ অতুলনীয় সৌন্দৰ্যও চিয়গ'ই গীতৰ উৎস হ'ব পাৰে। একোজন ব্যক্তিৰ জীৱন বৃত্তান্ত সামৰিও চিয়গ'ই গীত গোৱাৰ পৰম্পৰা আছে। গীত গাই যাওঁতে যিখিনি মনলৈ আহে সেইখিনিকে এক কাব্যিক ৰূপ দি গায়।

**চিয়গ'ই গীত**
দেখাত ধুনীয়া আৰু শুৱনী
'চিচেন' এলেকা।
চিয়গ'ই গীতে অধিক মনোমোহা কৰি তোলে
মই গাব নাজানো চিয়গ'ই গীত
কিন্তু গীত ৰচিছোঁ।
'ডুবাম' পাহাৰৰ মানুহৰ গীত
পূৰ্ণিমাৰ জোনে পোহৰাই তুলিলে
পোহৰাই তুলিছে চৌদিশ
সৌন্দৰ্য্যৰ নতুন সমাহাৰ।
ঐ ডুবাম পাহাৰ মানুহ........ ঐ ডুবাম পাহাৰৰ মানুহ
গ্ৰহ-নক্ষত্ৰবোৰ তিৰবিৰাই আছে
আলোকিত কৰিছে চৌদিশ
ধুনীয়া সম্ভ্ৰান্ত ঘৰৰ ছোৱালীজনী যৌৱনা হয়
ডুবাম পাহাৰৰ বুকুত
এটি সুন্দৰ উপহাৰ
শুৱনী আৰু ভাললগাবোৰৰ
মই এটি গীত কলি শুনিছোঁ
বহু দিনৰ স্মৃতি মনলৈ ঘূৰি আহিছে
ছোৱালনীজনীয়ে আগবঢ়াইছিল এবাতি ৰাগী

তাইক দেখাত ধুনীয়া লাগিছিল
পিন্ধিছিল গহনা
নেঘেৰী খোপা গহনাৰে সজাই তুলিছিল
যাৰ মূল্য এশটা মুদ্ৰাৰ সমান।।

(চিচেন— চিংফৌসকলৰ এটি গোত্ৰ।)
(ডুবাম পাহাৰ— চিংফৌসকলৰ কাষৰ পাহাৰৰ এটি নাম।)

চিংফৌসকলৰ নদীৰ লগতো এক সম্পৰ্ক আছে। যাতায়তৰ এক নিৰ্ভৰযোগ্য পথ হৈছে নদীসমূহ। নাৱেদি গৈ থাকোঁতে স্বতঃস্ফূৰ্তভাৱে গীত ওলাই আহে। এইয়ে খায়ং নিংকিন। এই গীতসমূহ দীঘলীয়া ধৰণৰ। নাৱেৰে ভটিয়াই গৈ থাকিলে যেতিয়ালৈকে গন্তব্যস্থান নাপায় তেতিয়ালৈকে এই গীত গাই যায়। খায়ং নিংকিন কাহিনী দৰে। চিংফৌসকলৰ বহু ইতিহাস এই খায়ং নিংকিন গীতৰ মাজত পোৱা যায়। এই কাহিনীবোৰ কোনো নিৰ্দিষ্ট বিষয়বস্তুৰ এটা দিশৰ সম্পূৰ্ণ বৰ্ণনা আগবঢ়ায়। এই বিষয়বস্তু প্ৰেম-ট্ৰেজেদি যিকোনো বিষয় হ'ব পাৰে।

চিংফৌসকলৰ উৎসৱ-গীত-নৃত্যত যিদৰে নিজস্বতা আছে সেইদৰে তেওঁলোক চহকী বয়নশিল্প চালে চকুত লগা ধৰণৰ। প্ৰতিগৰাকী চিংফৌ মহিলা বোৱা-কটা কামত পাকৈত। ছোৱালী এজনী প্ৰাপ্তবয়স্ক হোৱাৰ লগে লগে যাতে বোৱা-কটাতো পাকৈত হৈ উঠে তাৰ প্ৰতি দৃষ্টি ৰখা হয়। এই ক্ষেত্ৰত মাতৃৰ ভূমিকা মনকৰিবলগীয়া। চিংফৌ সমাজত বয়ন শিল্পৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি কন্যা বিয়াৰ সময়ত তাঁতশাল যৌতুকৰূপে দিয়া দেখা যায়।

"কোলা বাৰান্দাতে ধান বানে আৰু তিৰোতাই তাঁতো বয়। ধান উৰালত বানে। তাঁতবোৱা প্ৰণালী অতি পুৰণি ধৰণৰ। তাঁতশাল নাই, নিজৰ কঁকালতে এছটা চামৰা লগাই ৰচিৰ সৈতে তাঁতখন কঁকালত বান্ধি লৈ তাঁত বয়।" (চিংফৌ জনগোষ্ঠী, সৰ্বানন্দ ৰাজকুমাৰ, পৃষ্ঠা- ৪৩)

মহিলাসকলে পৰিধান কৰা মেখেলা, ৰিহা আদিৰ উপৰিও পুৰুষৰ প্ৰয়োজনীয় লুঙী, পাগুৰী, মোনা আদি শিপিনীসকলে বৈ উলিয়ায়। কোনো ৰাসায়নিক দ্ৰব্য সংমিশ্ৰণ নকৰাকৈ সম্পূৰ্ণ প্ৰাকৃতিক উৎসৰ পৰা পোৱা সামগ্ৰীৰ সংমিশ্ৰণেৰে ৰং দি লয়। চিংফৌ মহিলাসকল সৌন্দৰ্য্য প্ৰিয়। সেয়েহে তেওঁলোকে বোৱা কাপোৰত (বিশেষ মহিলাৰ) ফুলৰ চানেকিৰে উপচাই তোলে। তেওঁলোকৰ ফুলৰ চানেকীবোৰৰ আকৌ এক বিশেষ বৈশিষ্ট্য আছে। ই সাধাৰণতে ৰেখা, ত্ৰিভূজ, কোণ, চতুৰ্ভুজ আদিৰ সমাহাৰ অধিক।

সাজপাৰ বুলিলে চিংফৌ মহিলাসকলে খাখুখ্ৰিং আৰু মানমৌ খ্ৰিং নামৰ দুবিধ সাজ পৰিধান কৰে। মানমৌ খ্ৰিং ঠাণ্ডা জলবায়ুৰ বাবে বেছি উপযোগী। আমাৰ ইয়াত খাখুখ্ৰিং অধিন জনপ্ৰিয়। ইয়াত আছে বুকাং (মেখেলা) নুৱাত (মেঠনিজ্ঞ, চিংকেত (কাপোৰৰ পেটি)। বিভিন্ন ৰঙৰ সংমিশ্ৰণৰ বুকাং পিন্ধাৰ ওপৰত বুকুত মেঠনি মাৰে। কঁকালত পেটি মাৰে। বিবাহিত তিৰোতাৰ পিন্ধন উৰণৰ ধৰণ বেলেগ। এই পিন্ধন-উৰণৰ ওপৰত ভিত্তি কৰিয়ে বিবাহিত হয় নে নহয় তাক নিৰ্ণয় কৰিব পৰা যায়। পুৰুষসকলে বোপা বা বাকা (লুঙী) পিন্ধে। এই লুঙী বিভিন্ন ৰঙৰ সুতাৰে আটক ধুনীয়াকৈ বৈ উলিয়ায়। মূৰত পাগুৰী মাৰে। ঠেক আৰু দীঘলীয়া আকৃতিৰ এই পাগুৰী মূৰত দুই-তিনি পাক মাৰি কপালৰ আগত গাঁঠি দি থয়। তাৰে এটা মূৰ সোঁফালে কিছু অংশ উলিয়াই ওলোমাই থোৱাৰ নিয়ম। "মিঃ জৰ্জৰ মতে— ব্ৰহ্মদেশৰ উত্তৰ ফালৰ চিংফৌ (কাচিন) পুৰুষে তালুত বন্ধা খোপাটো ওলাই থকাকৈ ঠেক পাগুৰী মাৰে।" (সৰ্বানন্দ ৰাজকুমাৰ, চিংফৌ জনগোষ্ঠী, পৃষ্ঠা- ১১) পুৰুষসকলে দীঘল হাতৰ চোলা পিন্ধে। "For dress they wear a closefitting blue or black jacket and checked lion cloth in Barmise fashion" (The tribes of the Brahmaputra Valley, L A Waddll, Page- 40)

চিংফৌ মুখিয়ালসকলে 'য়াফুলং' নাম এক বিশেষ সাজ পৰিধান কৰে। ৰঙা মোনা আৰু দীঘল তৰোৱাল লোৱাটো চিংফৌসকলৰ সংস্কৃতিৰ অন্যতম বৈশিষ্ট্য।

জাতিটো খাদ্যশৈলীৰ বিশেষ আকৰ্ষণ আছে। তেওঁলোকে সাধাৰণতে প্ৰাকৃতিকভাৱে পোৱা বিভিন্ন শাক-পাচলি, বনৰীয়া মা-মছলাৰে নিজৰ ব্যঞ্জন প্ৰস্তুত কৰি খায়। মাছ-মাংসও তেওঁলোকৰ প্ৰধান খাদ্য তালিকাত পৰে। তেওঁলোকে মাছ-মাংসসমূহ চুপুঙ (চুঙাত দি), কি'ই (পাতত দি), পিং (খৰিকাত দি), গুবং (উহোৱাই) খায়। নিৰামিষ খাদ্য তালিকাৰ ভিতৰত— ৰিচি(বেতগাজ), ঙুজচি (ক'লডিল), কুৱামুকু (বাঁহগাজ), ডিংগচি (টকৌ), নাদং চি (লেছেৰা), না'ই (কচু), জিংখাং (লাইজাতীয় শস্য) আদি বিভিন্ন শাক-পাচলি খায়। তেওঁলোকৰ খাদ্যত তেল ব্যৱহাৰ নকৰাকৈ ৰন্ধন প্ৰকৰণ কৰা হয়। য'ত মা-মছলা হিচাপে হালধি-মছলাৰ বিপৰীতে ঘৰুৱাভাৱে ৰোপণ কৰি লোৱা সেউজীয়া পাত মছলা ব্যৱহাৰ কৰে। কাঠফুলা ও তেওঁলোকে অন্যতম জনপ্ৰিয় খাদ্য। টোপোলা ভাত তেওঁলোকৰ প্ৰিয় খাদ্য।

পানীয় হিচাপে 'চাপুপ' (লাউপানী) তৃপ্তিৰে পান কৰে। সেইদৰে 'ফানাপ' চাহ খোৱাটো তেওঁলোকৰ অতি প্ৰাচীন পৰম্পৰা। ভাত খোৱাৰ পাছত একাপ ফানাপ জুতি ল'লে সজম শক্তি বৃদ্ধি হোৱাৰ লগতে এই চাহ নিয়মিত ব্যৱহাৰ কৰিলে কেঞ্চাৰ বা অন্যান্য বহু বেমাৰৰ পৰা পৰিত্ৰাণ পায় বুলি তেওঁলোকে বিশ্বাস কৰে। চিংফৌসকলৰ খাদ্য সম্ভাৰত ব্যৱহাৰ কৰা বিভিন্ন মা-মছলা নিশ্চিতভাৱে ঔষধি গুণ বিশিষ্ট। ইয়াৰ লগতে এই খাদ্যসমূহ এশ শতাংশই জৈৱিক গুণবিশিষ্ট।

অসমৰ বিভিন্ন জনগোষ্ঠীৰ দৰে চিংফৌসকলৰ বাসস্থান হৈছে চাংঘৰ। এক কৃষি উপযোগী ঠাইত তেওঁলোক চাংঘৰ সাজি বসবাস কৰে। প্ৰকৃতিৰ বুকুত জীৱন অতিবাহিত কৰোঁতে নিৰাপত্তাৰ খাতিৰত চাংঘৰ সাজি লোৱাটো বৰ প্ৰয়োজনীয় কথা আছিল। যিহেতু যিকোনো সময়তে হিংস্ৰ জন্তুৱে সহজে আক্ৰমণ কৰিব নোৱাৰিছিল। আনহাতেদি চাংঘৰ সাজিবলৈ প্ৰয়োজনীয় বাঁহ, কাঠ, পাত ইত্যাদি প্ৰচুৰ পৰিমাণে তেওঁলোকৰ বসতিপূৰ্ণ অঞ্চলত পোৱা গৈছিল। স্বাস্থ্যজনিত কাৰণতো চাংঘৰ বৰ উপযোগী. সাধাৰণতে তেওঁলোকৰ ঘৰৰ আৰ্হি দীঘলীয়া। এই ঘৰ প্ৰায় ৬০ ৰ পৰা ১০০ ফুট পৰ্যন্ত দীঘল হোৱা দেখা যায়। ''The houses of singphos are long sheds, sometime running to one hundred feet in length with one open belcony at the end when the women sit and spin, weave and embroider'' (P.T Nair, Tribe of Arunachal Pradesh, Page- 70) মূলত ঘৰবোৰ হাবিত পোৱা বাঁহ আৰু কাঠেৰে তৈয়াৰ কৰা হয়। ৰ'দ বৰষুণৰ পৰা ৰক্ষা পাবৰ কাৰণে টকৌ পাতৰ ব্যৱহাৰ কৰে। চাংঘৰ সাজিবলৈ বাঁহ-কাঠ-পাত আদি যোগাৰ কৰি লোৱাৰ পাছত কোনোবা নিৰ্দিষ্ট শুভ দিনত গাঁৱৰ মানুহক ঘৰ সাজিবৰ বাবে আমন্ত্ৰণ জনায়। প্ৰত্যেকজন ব্যক্তিয়ে গৃহ নিৰ্মাণৰ কামত সহযোগিতা কৰে। ইয়াৰ লগে লগে ভোজ-ভাতৰ আয়োজনো আড়ম্বৰপূৰ্ণভাৱে হয়। গৃহ নিৰ্মাণ দীঘলীয়া দিন ধৰি চলে। চিংফৌ চাংঘৰসমূহ মাটিৰ পৰা প্ৰায় চাৰি-পাঁচ ফুটমান উচ্চতাত চাংখন নিৰ্মাণ কৰে। চাংখনত বাঁহ ঠাহি চছাঁলি দিয়া হয়। চাৰিবেৰ সুন্দৰকৈ কামি কাঠিৰে বান্ধি লোৱা হয়। ঘৰৰ সন্মুখ ভাগত বাৰাণ্ডা সদৃশ খালী অংশ থাকে। সেইদৰে পিছ অংশটো মুকলি ঠাই থাকে। পূজা অৰ্চনাৰ নিৰ্দিষ্ট ঠাই থাকে। ঘৰৰ ওপৰতে জুই শালৰ সু-ব্যৱস্থা কৰি লয়।

বিবাহ হৈছে মানৱ জাতিৰ এবাৰ নোৱাৰা এটি অনুষ্ঠান। চিংফৌসমাজত 'একক পতি-পত্নী'ৰ বিবাহকে মূলত আদৰ্শ বিবাহ বুলি ধৰে যদিও বহু পত্নী ৰখাটো কোনো বাধা নাই। চিংফৌসমাজত একে ফৈদৰ মাজত বিবাহ নিষিদ্ধ। স্বামীৰ মৃত্যু হ'লে তেওঁৰ ভায়েকে পাণি গ্ৰহণ কৰিব পাৰে। কিন্তু এই ক্ষেত্ৰত দুয়োপক্ষৰ মতামত লোৱা হয়। যদি বিবাহ নহয়, তেন্তে পূৰ্বৰ পতিৰ ঘৰেই বিধবাৰ সকলো ভৰণ-পোষণৰ দায়িত্ব পালন কৰে। যি পৰিয়ালৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰা হয়, সেই পৰিয়ালৰ লগত পুৰুষাণুক্ৰমে বৈবাহিক সম্বন্ধ ৰখাৰ নিয়ম। মোমায়েকৰ জীয়েকক বিয়া কৰোৱাটো সমাজখন অন্যতম প্ৰথা। মেমায়েকৰ জীক বিয়া নকৰাই অন্যক বিয়া কৰাব বিচাৰিলে মোমায়েকৰ পৰা অনুমতি ল'ব লাগে।

বিবাহৰ প্ৰস্তাৱ আগবঢ়ায় 'খুংমাং' মধ্যস্থতাকাৰী বা কটকীৰ জৰিয়তে। বিবাহৰ আগত প্ৰথমে দৰাপক্ষই কটকীৰ জৰিয়তে কন্যা ঘৰলৈ বিবাহৰ প্ৰস্তাৱ লৈ যায়। কন্যাপক্ষই সন্মতি প্ৰকাশ কৰিলে বিবাহৰ প্ৰক্ৰিয়া আৰম্ভ হয়। এটা নিৰ্দিষ্ট দিনত দৰা-কন্যাপক্ষৰ মাজত কটকীক মধ্যস্থতাকাৰী হিচাবে লৈ বিবাহৰ আলোচনা হয়। পূৰ্বতে বৈবাহিক সম্পৰ্ক স্থাপন

নকৰা পৰিয়ালৰ লগত সম্বন্ধ স্থাপন কৰিবলৈ বিচাৰিলে 'খাওৰা গা' নামৰ মাননি টোপোলা আগবঢ়াব লাগে। এই টোপোলাত এক নিৰ্দিষ্ট পৰিমাণৰ মুদ্ৰা (টকা) থাকে। কন্যা প্ৰদান কৰা অনুমতি দিয়াৰ লগে লগে গা-ধন (ফু) সম্পৰ্কে আলোচনা চলে। উল্লেখযোগ্য চিংফৌ সমাজত কন্যা মূল্য অধিক গুৰুত্ব দিয়া হয়। সেয়েহে গা-ধন লোৱাটো অতীতৰে পৰা চলি অহা পৰম্পৰা। অৱশ্যে গা-ধন নোলোৱাকৈ কন্যা দান কৰা উদাহৰণো বিৰল নহয়। এই গা-ধন 'জয়' হিচাপে লোৱা হয়। এক জয় মূল্য হৈছে ১৪০ টা মুদ্ৰা বা বৰ্তমানে টকা। আৰ্থিক দিশৰ প্ৰতি লক্ষ্য কৰি গা-ধন লোৱা পৰিমাণ কম-বেছি হয়। গা-ধন হিচাবে মুদ্ৰা বা টকা দিয়াৰ উপৰিট্ট বৰকাহ, য়াংফুলং (এবিধ ৰাজকীয় চোলা), লিখিত ওস্বা (কাপোৰ), ঙা (মহ), চিনাত (বন্দুক), কিচি-কাইলিঃ (মিনি) আদি দিব লাগে। 'ফু' সম্পৰ্কে আলোচনাৰ অন্তত কন্যাঘৰীয়াক এসাজ ভাত খুওৱাৰ নিয়ম।

ইয়াৰ পাছত এটি শুভ দিনত বিবাহ কাৰ্য্য সম্পাদন কৰে। বৌদ্ধ ধৰ্মীয় চিংফৌ লোকে বৰ্ষাবাস তিথি ভিতৰত বিবাহ অনুষ্ঠানৰ পৰা বিৰত থাকে। বিবাহৰ দিনা দৰা কন্যাৰ ঘৰলৈ নাযায়। কন্যাক দৰা ঘৰত থৈ আহিবলৈ এগৰাকী দায়িত্বশীল মহিলাক (গুম্ৱাংৰেন জান) দায়িত্ব দিয়ে। তেওঁৱে কন্যাক দায়িত্ব সহকাৰে অন্যান্য লোকৰ লগত নি দৰা ঘৰত থৈ অহাৰ গুৰুদায়িত্ব পালন কৰে। গুংদন (যৌতুক) দিয়াৰ নিয়ম চিংফৌ সমাজত আছে। এই গুংদন কন্যাৰ যাৱতীয় সামগ্ৰী, সোণ, ৰূপ, কাপোৰ-কানি ইত্যাদিৰ উপৰিও ঘৰুৱা জীৱনত প্ৰয়োজনীয় সকলো সামগ্ৰী দিয়ে। আনকি গৰু, মহ, হাতী আদিও গুংদন ৰূপে দিয়া হয়।

দৰাঘৰত কন্যা উপস্থিত হোৱাৰ পাছত গুমবাং (নল-খাগৰি) পুতি তাৰ মাজেদি কন্যাৰ গৃহ প্ৰৱেশ হয়। ইয়াৰ পূৰ্বে 'ডুমৰা' (পুৰোহিত)ই 'লিঙি' (মন্ত্ৰ পাঠ) কৰে। বৌদ্ধ ধৰ্মীয় চিংফৌসকল বিবাহ পিছদিনা ধৰ্ম গুৰুক নিমন্ত্ৰণ কৰি সেৱা-সৎকাৰ কৰি আশীৰ্বাদ লয়।

চিংফৌ সমাজত জন্ম আৰু মৃত্যুৰ সময়ত পালন কৰা পৰম্পৰা মনকৰিবলগীয়া। এটি শিশু জন্ম সময়ত তাহানিতে বন্দুক ফুটুৱাই শিশু জন্মৰ বতৰা দিয়ে। শিশু এটিক সাত দিনৰ পাছত বাহিৰলৈ উলিওৱাৰ নিয়ম। প্ৰসৱৰ সময়ত থকা লোকসকলক এসাজ ভাত খোৱাই সেৱা-সৎকাৰ কৰে।

এগৰাকী লোকৰ মৃত্যুৰ সময়তো বন্দুক ফুটুৱাই মৃত্যুৰ বাৰ্তা দিয়া নিয়ম। ব্যক্তিৰ মৃত্যুৰ পাছত কফিনত ৰাখি আত্মীয় স্বজন অহালৈ অপেক্ষা কৰে। সকলো আত্মীয় লোক উপস্থিত হ'লেহে সৎকাৰ কৰে। সৎকাৰ দুই ধৰণেৰে কৰা হয়। মৃতকক দাহ কৰা হয় আৰু কবৰ দিয়াৰ পৰম্পৰাও আছে। সাতদিনত সকাম সমাপন কৰে। বৌদ্ধ ধৰ্মীয় চিংফৌসকলে এই সাতদিন দান-দক্ষিণা কৰি মৃতক নিৰ্বান প্ৰাপ্তিৰ বাবে প্ৰাৰ্থনা জনায়।

অসমৰ এক বৰ্ণাঢ্য জনগোষ্ঠী অসমৰ চাহ শিল্পৰ নেপথ্য এই চিংফৌসকলৰ সমাজ-সংস্কৃতিৰ বৃহৎ ভঁৰালখনক লৈ আজিও অধ্যয়ন হোৱা নাই। আমাৰ ধাৰণাত এই জনগোষ্ঠীৰ বাবে প্ৰয়োজন আছে প্ৰকৃত সংস্কৃতিক সংৰক্ষণ আৰু অৰ্থনৈতিক উন্নয়নৰ অৰ্থপূৰ্ণ কাৰ্যব্যৱস্থা।

*****

● লেখক ঃ মাৰ্ঘেৰিটা নিবাসী এগৰাকী বিশিষ্ট গৱেষক-সাহিত্যিক।

# ঝুমইৰ গীতত চাহ জনগোষ্ঠীৰ লোকজীৱনৰ প্ৰতিফলন

**দুলাল মানকি**

অসমত চাহৰ কৃষি-কৰ্মৰ লগতে চাহ উদ্যোগৰ বিভিন্ন স্তৰৰ শ্ৰমৰ বাবে ভাৰতৰ প্ৰান্তৰ ঠাই, যেনে— উৰিষ্যা, বিহাৰ, ঝাৰখণ্ড, উত্তৰাখণ্ড, ৰাঁচী, চোটনাগপুৰ, পশ্চিমবংগ আদিৰ পৰা অসমলৈ আহি প্ৰায় শতাধিক গোষ্ঠী-উপগোষ্ঠীৰ লোক অসমত চাহ জনজাতি হিচাপে জনাজাত হৈছে। এই লোকসকলে অৰ্থাৎ চাহ জনজাতিসকলে অসমলৈ আহিলেও নিজৰ বাচকবনীয়া কৃষ্টি-সংস্কৃতিক নিৰ্ভেজাল ৰূপত ধৰি ৰখাৰ উপৰিও বৰ্তমান অসমত অসমীয়া জাতিৰ এক অবিচ্ছেদ্য অংগৰূপে স্বীকৃতি লাভ কৰিছে আৰু অসমীয়া ভাষা-সংস্কৃতিকো বুকুৰ আপোন কৰি লৈছে।

জনা যায় যে আদিতে চাহ জনগোষ্ঠীৰ লোকসকল গভীৰ অৰণ্যত বসবাস কৰিছিল। শাৰীৰিক পৰিশ্ৰমত সিদ্ধহস্ত, কৰ্মপটু এই জনগোষ্ঠীৰ লোকসকলে খেতি কৰা উপৰিও আদিতে খৰি আৰু দাতোন (দাঁত ঘঁহিবৰ বাবে ব্যৱহাৰ কৰা কিছু নিৰ্বাচিত গছৰ ঠাৰি) আৰু গছৰ পাত বিক্ৰী কৰি নিজৰ পৰিয়াল পোহ-পাল কৰিছিল। সৰুৰে পৰা পিতৃ-মাতৃৰ লগত ডাঙৰ দীঘল হৈ সময় আৰু বয়সৰ হেতু পৰিয়াল ভৰণ-পোষণৰ দায়-দায়িত্ব মূৰ পাতি ল'বলগীয়া হোৱা আৰু তাৰ পাছতত সাংসাৰিক বান্ধোনত প্ৰৱেশ কৰি স্বতন্ত্ৰ পৰিয়ালেৰে দিন অতিবাহিত কৰিবলৈ আৰু পৰিয়াল পোহ-পালনৰ বাবে এই জনগোষ্ঠীটোৰ লোকসকলে অশেষ দুখ-কষ্ট স্বীকাৰ কৰি আহিছে। মূল পৰিয়ালৰ পৰা নিলগত আঁতৰি থকাৰ দুখ-বেদনাৰ উপৰিও কঠোৰ দৈহিক পৰিশ্ৰমেৰে জীৱন-জীৱিকা চলাই নিবলগীয়া হোৱা হা-হুমুনিয়াহৰ কথা নিম্নোলিখিত ঝুমুইৰ গীতটিত ফুটি উঠিছে এনেধৰণে—

"না-মহিনা দিন
    কোষ মে ৰাখলি
গো-মূত কইৰ বেটা
    তকে ত পুস্‌লি
বিছ্‌ৰালে লালু
    একদিনা গুণ নি গাৱলে।।
ভাৰি জঙ্গলমে
    ঝুপৰি বানালি
দাতোন পতইয়াঁ বেইচ
    তকে ত পুস্‌লি

বিছ্ৰালে লালু
এক দিনা গুণ নি গাৰলে।”

এই কথা সৰ্বজন বিদিত যে সংস্কৃতি হৈছে এটা জাতিৰ প্ৰথা, পৰম্পৰা, সুখ-দুখ, ঐতিহ্য, বেদনা, হা-হুমুনিয়াহ, ইতিহাস, আচাৰ, ৰীতি-নীতি, আদৰ-কায়দা আদিৰ মূৰ্ত প্ৰতিফলন। এটা জাতিৰ পৰিচয় সেই জাতিৰ সংস্কৃতিয়েই শুদ্ধভাৱে মূৰ্ত ৰূপত দাঙি ধৰে। বাৰে ৰহণীয়া সাংস্কৃতিক উপাদানেৰে সমৃদ্ধ চাহ জনগোষ্ঠীৰ লোক-সংস্কৃতিৰ অন্যতম উপাদান হৈছে ঝুমইৰ গীত। চাহ জনজাতিৰ লোককৃষ্টিত ঝুমইৰ গীতৰ এক সুকীয়া স্থান আছে। এই জনগোষ্ঠীৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত ঝুমইৰ গীতসমূহত আচলতে যুগ যুগ ধৰি লোকে মুখে স্বতঃস্ফূৰ্তভাৱে নিগৰি অহা জীৱনৰ দুখ-বেদনা, আশা-আকাংক্ষা, হা-হুতাশ, আনন্দ-বিষাদ, মান-অভিমান আৰু প্ৰেম-পিৰীতি আদি সকলো দিশৰ কথা প্ৰকাশ পায়।

ওপৰত উল্লিখিত অন্যতম পুৰণি ঝুমইৰ গীতটোত এজন ব্যক্তিৰ জন্মৰ পৰা বয়সস্থ হোৱালৈকে ডাঙৰ-দীঘল কৰি পোহপাল দিয়াৰ গধূৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছতো পিতৃ-মাতৃক শলাগ নোলোৱাৰ মানসিক যন্ত্ৰণাৰ কথা ফুটি উঠিছে। নিজ সন্তানক ন-মাহ গৰ্ভত ৰাখি জন্ম দিয়াৰ পিছত সি ডাঙৰ দীঘল হৈ শাৰীৰিক পৰিশ্ৰমৰ জোখাৰে হাত-ভৰি কৰ্মঠ হোৱাৰ পিছতেই সেই সন্তানে পিতৃ-মাতৃৰ পৰা আঁতৰি আহিছিল আৰু তাৰেই মৰ্মবেদনা উক্ত গীতটিত প্ৰকাশ কৰিছে।

পুনৰ দোহাৰিব বিচৰা হৈছে যে অন্যান্য জাতি-জনগোষ্ঠীৰ লোকসংগীতত তেওঁলোকৰ জীৱন কাহিনী, ইতিহাস আৰু কৃষ্টিৰ প্ৰতিফলন ঘটাৰ নিচিনাকৈ চাহ জনগোষ্ঠীৰ ঝুমইৰ গীতবোৰতো নিজ জনগোষ্ঠীৰ কলা-কৃষ্টি আৰু জীৱন কাহিনীৰ কথা প্ৰকাশ পায়। এই ঝুমইৰ গীতবোৰে চাহ জনগোষ্ঠীৰ জাতীয় জীৱনত উত্থান-পতন, ঘাত-প্ৰতিঘাত, ঐতিহ্য, পৰিঘটনা আদি কেনেদৰে প্ৰতিফলন ঘটাই আহিছে তাৰেই কিছু আভাস দিবলৈ কেইটিমান গীতসহ বৰ্ণনা কৰিবলৈ চেষ্টা কৰা হৈছে এনেদৰে—

বৃটিছ চাহ কোম্পানীবোৰে অসমত চাহ শিল্পৰ প্ৰসাৰৰ বাবে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা এইসকল লোকক অসমলৈ ৰে'লগাড়ী আৰু জাহাজেৰে চালান কৰি আনিছিল যদিও তাৰেই কিছুসংখ্যকে নিজৰ আদিভূমিৰ ভূমি, সা-সম্পত্তি, পৰিয়াল-পৰিজন এৰি অচিনা ঠাইলৈ যোৱাটো পছন্দ কৰা নাছিল। তেনে লোকক নানা প্ৰলোভন দেখুৱাই ৰে'লগাড়ী দেখুৱাবলৈ অনাৰ চলেৰে ৰে'লত উঠাই অসমলৈ পঠাই দিছিল। বিভিন্ন প্ৰান্তৰ পৰা এই চাহ বনুৱাসকলক অসমলৈ অনাৰ এই ঐতিহাসিক পৰিঘটনাৰ প্ৰতিফলন নিম্নোলিখিত ঝুমইৰ গীতটোত সুন্দৰ ৰূপত প্ৰতিফলন ঘটিছে।

“ৰে'ল গাড়ী বড়ৰে সুন্দৰ
চল দেখে যাব
ৰে'ল গাড়ী বড়ইৰে সুন্দৰ
ৰে'ল গাড়ী দশ চাকা
মটৰ গাড়ীৰ চাৰ চাকা
ৰে'ল গাড়ী দেখিতে সুন্দৰ
ভালা হায়ঁৰে হাঁয়
ৰে'ল গাড়ী বড়ইৰে সুন্দৰ...।”

এই বৃটিছ চাহ কোম্পানীয়ে চাহ জনগোষ্ঠী বা আদিবাসী লোকসকলক অসমলৈ অনাৰ পিছতে ঠায়ে ঠায়ে একোখন চাহ বাগিচা পাতি বাগিচাৰ মাজতে ঘৰ সাজি ৰখাৰ ব্যৱস্থা কৰিছিল। প্ৰথম অৱস্থাত বৃহৎ বৃহৎ ডিপু ঘৰত ৰাখিছিল আৰু দিনবোৰ অতিবাহিত হোৱাৰ লগে লগে সকলো ফালে ‘সোণৰ অসম’ গঢ়াৰ মানসেৰে পুৱাৰ পৰা গধূলিলৈকে ৰ'দ-বৰষুণ নিৰ্বিশেষে হাড়ভঙা পৰিশ্ৰম কৰিব লাগিছিল। এইদৰে দিনৰ দিনটো নিষ্ঠাৰে অশেষ পৰিশ্ৰমৰ অন্তত আবেলি ঘৰলৈ উভতি আহি দেহাৰ ক্লান্তি বা ভাগৰ দূৰ কৰিবলৈ পৰিয়ালৰ লগতে দুবাটি “লাউপানী” খাই আনন্দত আত্মহাৰা হৈ ঢোল, মাদলৰ তালে তালে ঝুমইৰ গীত আৰু নৃত্য কৰি মনৰ দুঃখ বেদনা লাঘৱ কৰিবলৈ চেষ্টা কৰিছিল। চাহ জনগোষ্ঠীৰ লোকসকলৰ অশেষ কষ্ট আৰু পৰিশ্ৰমৰ ফলত আজি অসমখন চাহ বাগিচাৰে সেউজী সুন্দৰ হৈ পৰিছে আৰু নদন-বদন

হৈ পৰি অসমৰ চাহ গছত যেন আজি টকা ফুলে। তেওঁলোকৰ এনে এটি মনৰ ভাব স্বৰচিত ঝুমইৰ গীতত প্ৰকাশ এনেদৰে ঘটিছে—

"কি বলিব বৃটিছেৰ কথা
বলিলে গ' লাগে ব্যেথা
মজদুৰ চালান কৰিলে আসামে
ৰে'ল গাড়ী গ চলে ঘনে ঘনে।।
দেশ চাড়ে আইলি আসাম
ভুলালি গ দেশেৰ নাম
আসাম দেশে খুললি বাগান
বানাই দেলি হাম্‌ৰা
সোণাৰ আসাম।
জগংল-ঝাড় কাটলি
ডুটু মুড়াগ টাড়লি
গাঢ়া টিপা কৰলি সামন
বানাই দেলি হাম্‌ৰা
সোণাৰ আসাম।"

চাহ জনগোষ্ঠীৰ লোকসকলক অসমলৈ ফুচুলাই অনাৰ পিছত দিনৰ দিনটো কঠিন পৰিশ্ৰম কৰি ৰ'দে-বৰষুণে হাড়ভঙা শ্ৰমৰ ফলত অসম আজি চাহ বাগিচাৰে নদন-বদন হৈছে। হাবিৰ অসম গুচি 'সোণৰ অসম' হৈ পৰিছে। বৰ্তমানে বিভিন্ন সমস্যাৰ দ্বাৰা জৰ্জৰিত এই জনগোষ্ঠীৰ লোকসকলে আজিৰ তাৰিখতো নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছে। হাড়ভঙা পৰিশ্ৰমৰ মৰ্যাদা আৰু যথোচিত পাৰিশ্ৰমিক আজিৰ তাৰিখতো চাহাব, বাবু বা বিভিন্ন পক্ষৰ দালালৰ দ্বাৰা আত্মসাৎ হয় আৰু তাৰ প্ৰতিফলন নিম্নোলিখিত ঝুমইৰ গীতটোত ঘটিছে—

দুহাজাৰ গাৰ সাল
    ভাদকে মহিনা
মাৰথে ইচন ধূপ
    চোটথে পচিনা
ৰে সাজন দেখ খেতি
    ৰূঠে সব ঠিনা।।
ৰূপাজে ৰূপালি
    সেই দুই দিনা
মাড়ৰা জৰাব দেল
    মকই কতি দিনা
ৰে সাজন দেখ খেতি
    ৰূঠে সব ঠিনা।।
একেলা মেহনতি মৰ
    খৰচা নাহি পুৰে
একেটা চট বেটি মৰ
    দেলি নদী পাৰে

ৰে সাজন দেশ খেতি
ৰুঠে সব ঠিনা।।

ঝুমইৰ গীতৰ জৰিয়তে চাহ জনগোষ্ঠীৰ জাতীয় জীৱনৰ ডেকা-গাভৰুৰ প্রেম-প্রীতি আৰু ইয়াৰ পৰিণতি স্বৰূপে হোৱা তেওঁলোকৰ মাজত বিৰহ-মিলনৰ এখন প্রস্ফুটিত প্রতিচ্ছবি দেখিবলৈ পোৱা যায়। প্রথম প্রেমৰ স্মৃতি চিৰ যুগমীয়া। ঝুমইৰ গীতত প্রেম-পিৰীতি অন্য নাম জীৱন। বিবাহ অবিহনে জীৱন সম্পূর্ণ নহয়। অসমৰ বিহুগীতৰ দৰে ঝুমইৰ গীতেও প্রেম-পিৰীতিৰ প্রণয়ৰ বহুখিনি ঠাই অধিকাৰ কৰি আছে। যৌৱনৰ দুৱাৰ ডলিত উপনীত হোৱা যি কোনো ডেকা-গাভৰুৰ মন পৰস্পৰে পৰস্পৰৰ প্রতি আকর্ষণ হোৱা স্বাভাৱিক কথা, নিম্নোক্ত ঝুমইৰ গীতটিত প্রেমিকে নিজৰ প্রেমিকাৰ অপেক্ষাত আছে। প্রেমাস্পদে নিজৰ প্রেমিকক আকাশৰ চন্দ্র লগত তুলনা কৰি আকৌ কেতিয়াবা লগ পোৱাৰ আশাৰে প্রেমিকৰ সৌন্দর্য বর্ণনা কৰিছে। এই সকলো কথাৰ সম্ভেদ পোৱা যায় এই ঝুমইৰ গীতটিত—

<u>ডাঁড়শালীয়া ঝুমইৰ</u>

চন্দ্রবদন মুখ
হেৰি মন বিয়াকুল
দয়ালীনি ৰে ধনী, কমলীনি ৰে
কতখনে ধনী হ'বই দেখা ৰে।।
তুমি আসিবে বলে
বড় আশা ছিল মনে
দয়ালীনি ৰে ধনী কমলিনী ৰে
কেন নাই আসিলে ধনী
দেখা দিতে ৰে।।
তুমি আসিবে বলে
ৰইলাম যমুনা তীৰে
দয়ালীনি ৰে ধনী কমলিনী ৰে
কবে আসিবে ধনী
দেখা দিতে ৰে
কেন নাই আসিলে ধনী
দেখা দিতে ৰে।।
অ গ সখী শ্রীমতী
স্বপ্নে দেখিলা ৰাতি
দয়ালিনী ৰে ধনী কমলীনিৰে
কেন নাই আসিলে ধনী
দেখা দিতে ৰে।

(মথুৰ চন্দ্র মানকি)

সংসাৰ ক্ষন্তেকীয়া, মানৱ জীৱনত অহংকাৰৰ কোনো মূল্য নাই। জীৱনটো কচু পাতৰ পানীৰ দৰে। এই আছে এই নাই। মৰিলে সকলো শেষ হৈ যায়। মাটিৰ দেহা মাটিতে মিলি যায়। ধন-জন, ঐশ্বর্য-বিভূতি সকলো যেন মিছা। সাংসাৰিক জীৱনত নানা সমস্যাত থাকি কাম, ক্রোধ, লোভ-মোহ ইত্যাহি ৰিপুক দমন কৰিব নোৱাৰি। কেতিয়াবা অজানিতে নানা দুখ-কর্মত লিপ্ত হ'বলগীয়া হয়। সেই দুখ কর্মৰ কথা বুকুত সাঁচি থ'ব নোৱাৰি ঝুমইৰ গীতত মনৰ ভাব ব্যক্ত কৰিছে

এনেধৰণে যে বুকুৰ মাজত উমি উমি জ্বলা জুইকুৰা কিদৰে নিৰ্বাপিত কৰিব। পৃথিৱীৰ মায়া-মোহে ঘেৰি পেলাইছে শৰীৰত। ভাই-বন্ধু-পৰিয়াল-পৰিজন, মা-দেউতা সকলোৱে কান্দিব মাত্ৰ দুদিন। সা-সম্পত্তি, টকা-পইচা, সকলোখিনি এৰি গুচি যাব লগা হয়। সেয়েহে জীৱিত কালত ভগৱানৰ লগত যুক্ত হৈ থকাই মানুহৰ জীৱনৰ লক্ষ্য হোৱা উচিত। এই ঝুমইৰ গীতটিত তাৰেই উমান পোৱা যায়।

দুঃযেৰি আগুন
দহিচে গ দুয়গুণ
কি দিলে কিসেতে নিভায়
মৰিলে ৰে দুঃখ
কে সঙ্গে যায়।
দুনীয়াৰ মোহ-মায়া
ঘেৰি লেলাই মৰ কায়া
ভাই বন্ধু গ কৰে হ্যায় হ্যায়
মৰিলেৰে দুখ
কে সঙ্গে যায়।।
ভাই বন্ধু দ্বাৰা-সূত্ৰ
কান্দবে তাৰা গ দুদিন মাত্ৰ
মা-বাপে গ কৰে হ্যায় হ্যায়
মৰিলেৰে দুখ
কে সঙ্গে যায়।।

ভাদ মাহত শুক্লা একাদশী তিথিৰ কৰম পৰৱত বিধিপূৰ্বকভাৱে ঝুমইৰ নৃত্য-গীত চাহ জনগোষ্ঠীৰ লোকসকলে উদ্‌যাপন কৰি আহিছে। পূজা-পাৰ্বণৰ পৰা আৰম্ভ কৰি আধ্যাত্মিক ভাব মানুহৰ দেহ আৰু মনৰ, আত্মাৰ লগত পৰমাত্মাৰ মাজত থকা সম্বন্ধৰ সংকেত আদি অনেক কথা ঝুমইৰ গীতসমূহত পোৱা যায়। সেই শ্ৰেণীৰ গীতসমূহত দেহতত্ত্বমূলক বা বৈঠাখানী ঝুমইৰ গীত বোলা হয়। তেনে এটি চাহ জনগোষ্ঠীৰ জীৱন কাহিনী তথা ইতিহাসৰ এক সৰল অধ্যায় বৈথাখানী ঝুমইৰ গীত ফাঁকিলৈ আঙুলিয়াই দিব পাৰি—

"আকাশে গাড়িলাম খুঁটা
পাতালে মুধুনা হ্যায় ৰে—
হটকি হটকি জাচ্ছেন চলিয়ে ভাই
মনে দেখ ভাৱিয়ে।।
এনেহ হৃদয়েৰ মাঝে
আৰ কি অৰক্ষিত আছে
আৰ আছে কাল নিন্দ্ৰা ঘন
শুন শুন শুন মন
প্ৰাণ গেলে ৰে সখী
প্ৰাণ গেলে
কেহ নাই আপন
শুন শুন মন
প্ৰাণ গেলে ৰে সখী কেহ নাই আপন।।"

ঝুমইৰ গীতৰ বিশ্লেষণ কৰিলে আৰম্ভণিতে পোৱা যায় যে, কাশ নদীৰ পৰা বহু আঁতৰত বৰ্তমানে গঙ্গা নদীৰ সৰু গাঁও এখনত সাতজন ভায়েক আৰু তেওঁবিলাকৰ সাতজনী ভনীয়েক আছিল। তেওঁবিলাক অবিবাহিত আৰু অবিবাহিতা আছিল। তেওঁবিলাকৰ মাজত যৌৱন পূৰ্ণ শৰীৰত কোনো ধৰণৰ প্ৰেমৰ জোঁৱাৰ নাছিল। তেওঁলোকৰ সেই কৌমাৰ্য দূৰীকৰণৰ বাবে গঙ্গা দেৱীৰ পৰা বৰ পাবলৈ প্ৰত্যেক পূৰ্ণিমা তিথিত গঙ্গা স্নান কৰিবলৈ গৈছিল। তেওঁলোকৰ দুৰ্দশা ভক্তি দেখি গঙ্গাদেৱী সন্তুষ্ট হৈ এদিন দেখা দি ক'লে— "তোমালোক মিছাকৈয়ে ইমানদূৰ আহি কষ্ট ভুগিছা।" নদীৰ পাৰত থকা গছ দুজোপাক দেখুৱাই দি ক'লে— "ওখ গছজোপা গুৰু আৰু সৰুজোপা গোসাঁনী। দুয়োজোপাক ভক্তি সহকাৰে তোমালোকৰ চোতালত থাপনা পাতি বিধিপূৰ্বকভাৱে পূজা কৰি নৃত্য-গীত কৰিলে তোমালোকৰ মনোবাঞ্ছা পূৰ্ণ হ'ব।"

তেওঁবিলাকৰ কামনা-বাসনা পূৰাবলৈ কাত্যায়নী ব্ৰত আৰম্ভ হ'ল। তেওঁবিলাকে গছ দুজোপাক চোতালত থাপনা পাতি পূজা-অৰ্চনাৰ আয়োজন কৰিলে। গাঁৱৰ ডেকা-গাভৰু সকলোৱে নৃত্য-গীতত অংশগ্ৰহণ কৰিলে। ঝুমইৰ নৃত্য-গীতৰ মাজেদি তেওঁবিলাকৰ বুকুত প্ৰেমৰ জোঁৱাৰ উঠিল। এতিয়া তেওঁবিলাকৰ আশা পূৰ্ণতাৰ পথত। তেওঁবিলাকে লগৰী আৰু লগ বিচাৰি পালে। গোটেই নিশাজুৰি নৃত্য-গীত কৰাৰ পিছত পিছদিনা ৰাতিপুৱা গুৰু-গোসাঁনীক বিসৰ্জন দিলে। যিদিনা পূজা আৰম্ভ হয় সেইদিনা নিশা ডেকা-গাভৰু সকলোৱে বৃত্তাকাৰে গীত-নৃত্য আৰম্ভ কৰে। ইয়েই ঝুমইৰ নৃত্য-গীতৰ প্ৰথম পৰ্ব। ইয়াকে ৰাস ঝুমইৰ বোলা হয়। এই ৰাস কৰমত পৰিৱেশন কৰা এটি ৰাস-ঝুমইৰ উল্লেখ কৰিলোঁ।

গলোৱাৰী ঝুমইৰ

আখড়াহি বাজে বংশী
চল সখী গ ৰাইচ দেখি
ৰাইচ দেখি উড়চিত মন
বাছা ধন ৰে
কি বলিব ৰাইচেৰি বৰণ।।
চাইৰ কনা চাইৰ বাতি
বিচেত ৰাইচ দেখি
ৰাইচ দেখি উড়চিত মন
বাচা ধন ৰে
কি বলিব ৰাইচেৰি বৰণ।।
শুন ৰাধা বিনন্দীয়া
কেইচে বান্ধৰ হিয়া
চহনায় কৰিছে মিলন
বাছা ধন ৰে
কি বলিব ৰাইচেৰি বৰণ।।

অসমৰ জাতীয় উৎসৱ বিহুত বিহুনাম গোৱাৰ প্ৰাক্‌মুহূৰ্তত বিহু নামেৰে সৰস্বতী বন্দনাৰ লগতে হৰি, গাঁৱৰ বুঢ়া-মেথাকো স্মৰণ কৰে। যথা—

প্ৰথমে প্ৰণামো আই সৰস্বতী
দ্বিতীয়ে প্ৰণামো হৰি,
তৃতীয়ে প্ৰণামো গাঁৱৰ বুঢ়া-মেথা
ধৰি যাওঁ নামৰে গুৰি।।"

ঠিক সেইদৰে ঝুমইৰ গীততো বিদ্যা, সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীক বন্দনা কৰাৰ লগতে 'আখৰা তলীত (ঝুমইৰ গীত পৰিৱেশন কৰা ঠাই) উপস্থিত বৰমূৰীয়াসকলক আখৰা বন্দনা কৰে। জ্যেষ্ঠ সন্মানীয়সকলক প্ৰণাম কৰি আশীৰ্বাদ গ্ৰহণ কৰে। 'কৰম পৰৱ'ত 'জাৱা জাগৰণ' নৃত্যত প্ৰথমে গোৱা গীতটি তলত দাঙি ধৰা হ'ল।

"আখড়া বন্দনা কৰি
সৰস্বতী মাই গ' বলি
তবেৰে বন্দনা ব্ৰজ নাৰী
মদৰে ঝুমইৰ লাগল ভাৰি।।
মূড়ে লেলাই গামচা
খান্ধে লেলাই মান্দাৰি
বহো বেটি সবে লেলাই ঘেৰি
মদনে ঝুমইৰ লাগল ভাৰি।।
ভাদকা একাদশী
কৰম গাড়াইল ৰাতি
গোপীন সবে (কৰমতী সবে) নাচেন হাচা-জড়ি
মদন ঝুমইৰ লাগৰ ভাৰি।"

উপৰিউক্ত ঝুমইৰ গীতফাঁকিত সৰস্বতী দেৱীৰ লগতে ব্ৰজ নাৰী বা ব্ৰজধামৰ গোপিনীসকলক উদ্দেশ্যি কোৱা হৈছে। দ্বাপৰ যুগত ভগৱান শ্ৰীকৃষ্ণই গকুল ধামত ব্ৰজগোপী বা গোপিনীসকলক লৈ অযোধ্যা নগৰত ঝুমইৰ নৃত্য-গীতৰ মাজেদি ৰাস নৃত্য কৰিছিল।

ঝুমইৰ গীতৰ ওপৰত যিকোনো স্তৰৰ গৱেষণালব্ধ প্ৰবন্ধ আজিকোপতি কোনো পণ্ডিতে প্ৰকাশ কৰি উলিওৱা নাই যদিও এটা কথা ক'ব পাৰি যে চাহ জনগোষ্ঠীৰ আদিভূমি, যেনে— ৰাঁচি আদি অঞ্চলত প্ৰচলন হৈ থকা ঝুমইৰ গীত আৰু বৰ্তমানে অসমত থিতাপি লোৱাৰ পিছত এই অসম মুলুকত বিকাশ লাভ কৰা ঝুমইৰ গীতবোৰৰ সুৰ, লয় আদিৰ মাজত কিছু পাৰ্থক্য দেখা যায়। যিকোনো এক জনজাতিৰ লোকসংগীতে যেনেদৰে সেই জনগোষ্ঠীৰ অতীত ঐতিহ্য, তথা চহা জীৱনৰ সকলো দিশ প্ৰতিফলন ঘটায় ঠিক তেনেদৰে ঝুমইৰ গীতবোৰতো চাহ জনগোষ্ঠীৰ জাতীয় জীৱনৰ সকলো দিশৰ প্ৰতিফলন ঘটিছে।

ঝুমইৰ গীতবোৰত সংগত কৰা মাদলৰ ছেও ভাৰতবিখ্যাত। নিৰ্জন নিৰিবিলি ভৰ দুপৰীয়া বাঁহীৰ মিঠা সুৰে যিদৰে যিকোনো লোকৰ অন্তৰ জুৰ পেলাব পাৰে, সুৰীয়া পেঁপাৰ লহৰে যিদৰে সকলো নাচনীৰে কঁকালত ছেও তুলিব পাৰে, ঠিক সেইদৰে মাদলৰ তীব্ৰ লহৰে যিকোনো লোকৰে দেহা হালি-জালি তুলিবলৈ সক্ষম হয়। মুঠতে ঝুমইৰ গীতেই হওক বা আন আন জনজাতিৰ লোকসংগীতেই হওক চৰকাৰ আৰু আন সাংস্কৃতিক বিকাশৰ অৰ্থে কাম কৰি থকা কৰ্তৃপক্ষসমূহে এনে লোকসংগীতসমূহক উপযুক্ত চৰ্চা, গৱেষণা, প্ৰসাৰ আৰু প্ৰচাৰৰ লগতে উপযুক্ত সংৰক্ষণ কৰাটো বৰ্তমান সময়ত অতীব প্ৰয়োজন হৈ পৰিছে, নহ'লে বিভিন্ন সময়ত অৰ্থলোভী, পেছাদাৰী, বজৰুৱা শিল্পী বা ব্যৱসায়িক গোষ্ঠীৰ পৃষ্ঠপোষকতাত অতি কম সময়ৰ ভিতৰতে এনে গীতসমূহ ভেজালকৃত কৰি পেলোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

*****

- লেখক ঃ তিনিচুকীয়াৰ বৰহাপজান নিবাসী এগৰাকী বিশিষ্ট কণ্ঠশিল্পী, গৱেষক-সাহিত্যিক ।

# কাৰ্বি নাৰীৰ সামাজিৰ মৰ্যাদা

ড° নয়নমণি মেধি

কাৰ্বিসকল অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম প্ৰাচীন অধিবাসী। এই জনগোষ্ঠাৰ লোকসকল বৰ্তমান সময়ত ঘাইকৈ কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং এইপাহাৰীয়া জিলা দুখনতেই বাস কৰে। অন্য এখন পাহাৰীয়া জিলা ডিমা হাচাও আৰু ভৈয়ামৰ কামৰূপ, নগাঁও, মৰিগাঁও, শোণিতপুৰ, গোলাঘাট আদি জিলাতো কিছু পৰিমাণে কাৰ্বিসকল সিঁচৰতি হৈ আছে। অসমৰ বাহিৰেও মেঘালয়, নগালেণ্ড আৰু অৰুণাচলতো এওঁলোকৰ অলপ অচৰপ বসতি থকাৰ কথা জনা যায়। নিজস্ব লিপি নাথাকিলেও মৌখিক সাহিত্যৰে সমৃদ্ধ ভাষা আৰু বৰ্ণিল সাংস্কৃতিক পৰম্পৰাৰে কাৰ্বি জনগোষ্ঠীৰ চহকী ঐতিহ্য আছে। ভৈয়ামত বসবাস কৰা কাৰ্বিসকলৰ সৈতে পাহাৰীয়া কাৰ্বিসকলৰ উভয়ে মূলতঃ একেটা জনগোষ্ঠীয় ঐতিহ্যৰে অংশীদাৰ আৰু তেওঁলোকৰ মাজত সংহতিও বিৰাজমান।

উত্তৰ-পূৰ্বাঞ্চলৰ এটি ঘাই মাতৃ প্ৰধান জনগোষ্ঠী খাছীয়াসকলৰ গভীৰ প্ৰভাৱ কাৰ্বিসকলৰ সমাজ-সংস্কৃতিত অনুভূত হ'লেও কাৰ্বি সমাজখন কিন্তু পিতৃ প্ৰধানহে। গতিকে স্বাভাৱিকভাৱেই কাৰ্বি সমাজত নাৰীৰ স্থান পুৰুষতকৈ নিম্ন আৰু পৰিয়ালৰো সকলো অধিকাৰ পিতৃ নাইবা পিতৃস্থানীয় কোনো পুৰুষৰ হাততেই ন্যস্ত। তথাপিও পুৰুষতান্ত্ৰিক সমাজ মানসিকতাই কাৰ্বি নাৰীক কি কি ক্ষেত্ৰত বাধা নিষেধ আৰোপ কৰি অৱদমন কৰিছে— এই কথাবোৰ চালি-জাৰি চালেহে কাৰ্বি নাৰীৰ সামাজিক মৰ্যাদা সম্পৰ্কীয় দিশটো স্পষ্ট হৈ উঠিব বুলি ধাৰণা কৰিব পাৰি।

কাৰ্বিসকল কৃষিজীৱী। আদিতে তেওঁলোকে ঝুম খেতি কৰিছিল। এতিয়া শালি খেতিয়েই মুল। কাৰ্বি নাৰীয়ে কৃষিকৰ্মত পুৰুষৰ সৈতে সমানে সমানে ভাগ লয়। তদুপৰি ঘৰুৱা কাম-বনবোৰো চম্ভালে। কাৰ্বি সমাজত সেয়ে নাৰীক শ্ৰমৰ আহিলা হিচাপেই গণ্য কৰি আহিছে। তেওঁলোকৰ লোকগীতৰ মাজতো এই কথাৰ উল্লেখ আছে।[১] সন্তান জন্ম দিয়াৰ কথা বাদ দিও ঘৰে বাহিৰে কামৰ লেঠা মাৰিবৰ বাবেই পৰিয়ালত বোৱাৰী বা পত্নীৰ আৱশ্যক হয়। লোক পৰম্পৰা অনুসৰি বিবাহযোগ্য ডেকাৰ বাবে নিজৰ মোমায়েকৰ জীয়েককেই কইনা হিচাপে অগ্ৰাধিকাৰ দিয় াহয়। এনে প্ৰথাই বিবাহৰ ক্ষেত্ৰত কাৰ্বি নাৰীৰ ব্যক্তি স্বাধীনতাক খৰ্ব কৰে বুলি ভবাৰ থল আছে। সমাজত নাৰী সদায়ে পুৰুষৰ অধীন বুলি কাৰ্বি নাৰীসকলেও মানি লয়। তেওঁলোকৰ উপাস্য দেৱতা হেমফুৰ ভনীয়েক ৰাছিনজাৰ সৈতে লং মুক্ৰাঙৰ বিয়াৰ বিষয়ে প্ৰচলিত থকা আখ্যানটোৰেও এই কথা সমৰ্থন কৰে। আখ্যান অনুসৰি ৰাং মুক্ৰাঙে পুত্ৰ লঙৰ বাবে ৰাছিনজাক কইনা হিচাপে মানস কৰি হেমফু দেৱতাৰ সমুখত হৰলাং পানীয় ভৰ্তি লাওৰ পাত্ৰটো আগবঢ়াই দিয়াত পৰম্পৰা অনুসৰি হেমফুৱে তাৰ কাৰণ জানিব বিচাৰে। তেতিয়া ৰাং মুক্ৰাঙে ৰাছিনজাক বোৱাৰী হিচাপে পোৱাৰ অভিপ্ৰায়ৰ কথা জনোৱাত হেমফুৱে লগে লগে ভনীয়েকৰ মত-অমত জানিব বিচাৰিলে। তাৰ প্ৰত্যুত্তৰত ৰাছিনজাই কোৱা কথাখিনিৰ সৰল অৰ্থটো আছিল এনেকুৱা— গাভৰুবোৰ মেৰিয়াই থোৱা কলপাত আৰু বনশাকৰ দৰে। অভিভাৱকে তেওঁলোকক হস্তান্তৰ কৰিব

পাৰে বা সলাব পাৰে। কিয়নো নাৰী পুৰুষৰে সম্পত্তি। আখ্যানটো দুটা দৃষ্টিকোণৰ পৰা চাব পাৰি— এক, নাৰীৰ কোনো নিজা ইচ্ছা-অভিলাষ থাকিব নোৱাৰে। তেওঁলোক পুৰুষৰে অধীন। গতিকে আত্মমৰ্যাদাহীন। দুই, অভিভাৱকে বিয়াৰ সন্মতি প্ৰদান কৰাৰ পূৰ্বে (লাওৰ পাত্ৰটো স্পৰ্শ বা গ্ৰহণ কৰা মানেই বিয়াখনত সন্মতি দিয়া) পাত্ৰীগৰাকীৰো মতামত লোৱা এক প্ৰাচীন পৰম্পৰা কাৰ্বি সমাজত আছে।[২] এই কথাটোৱে কিন্তু নাৰীক মৰ্যাদা প্ৰদান কৰে। আধুনিক কালত সেয়াই হৈছে। বৰ্তমান সময়ত মোমায়েকৰ জীয়েকক প্ৰথম পচন্দ কৰা পৰম্পৰা সমাজত লাহে লাহে লোপ পাবলৈ ধৰিছে। সেয়ে বিয়াৰ পূৰ্বে কাৰ্বি নাৰীয়ে নিজৰ মত-অমত প্ৰকাশ কৰাৰো সুবিধা পাইছে। উল্লেখযোগ্য যে বিয়াৰ পাছত কাৰ্বি নাৰীয়ে নিজৰ উপাধি সলনি নকৰে নাইবা স্বামীৰ উপাধিও নামৰ পাছত অতিৰিক্তভাৱে সংযোজন কৰি নলয়। নাৰীও যে এক স্বতন্ত্ৰ সত্বা এই কথাই তাকেই প্ৰমাণিত কৰে। গতিকে বিয়াত বহা কাৰ্য কাৰ্বি নাৰীৰ বাবে দাসত্বৰ প্ৰতীক নহয়। কাৰ্বি সমাজত বিধৱা বিবাহৰ প্ৰচলন আছে। স্বামীৰ মৃত্যু ঘটিলে নাৰীগৰাকীয়ে ইচ্ছা কৰিলে নিজৰ দেউৰেকৰ লগত বিবাহপাশত আৱদ্ধ হ'ব পাৰে। মনে মিলিলে আন পুৰুষৰ সৈতে বিয়াত বহাতো বাধা নাই। পৰিয়ালৰ মুৰব্বী নহ'লেও ঘৰখন পৰিচালনা কৰাত নাৰীৰেই ভূমিকা প্ৰধান। কাৰ্বি সমাজত একক পৰিয়ালৰে প্ৰাধান্য। সেইপিনৰ পৰাও কাৰ্বি নাৰী বহু স্বতন্ত্ৰ।

কাৰ্বি দম্পতি একেলগে ক'ৰবালৈ যাওঁতে স্ত্ৰীগৰাকী স্বামীৰ আগে আগে যায়। ই কিন্তু নাৰীগৰাকীয়ে আগস্থান পোৱাটো নুবুজায়। এনে প্ৰথা স্ত্ৰীগৰাকীৰ নিৰাপত্তাজনিত কাৰণতো সৃষ্টি হ'ব পাৰে। স্বামীৰ উচ্চ সামাজিক পদবীৰ বাবে সমাজত স্ত্ৰীগৰাকীয়ে উচ্চ আসন বা মান-সন্মান পাবলৈ সক্ষম হয়। উদাহৰণস্বৰূপে অতীজত মুখ্য প্ৰাদেশিক শাসনকৰ্তা বৰহাবেৰ পত্নীয়ে সমাজত এখন বিশিষ্ট আসন লাভ কৰিছিল। ছাৰ্থে বা গাঁওবুঢ়াৰ পত্নী বাচাপীয়ে এতিয়াও গাঁওবোৰৰ সামাজিক অনুষ্ঠানত উচ্চ আসন আৰু মান-মৰ্যাদা পায়। বিশেষকৈ চ'জুন পূজাত বাচাপী গুৰুত্ব আৰু প্ৰভাৱ অসীম। কিন্তু স্বামীৰ মৃত্যু হ'লে নাইবা স্বামী সেই পদবীৰ পৰা অৱনমিত হ'লে পত্নীয়েও পূৰ্বে লাভ কৰা মৰ্যাদা হেৰুৱাবলগীয়া হয়।

কাৰ্বিসকলে পৰম্পৰাগতভাৱে পালন কৰি অহা ধৰ্মটোক তেওঁলোকে হংহাৰী বুলি কয়। তেওঁলোকৰ একাংশই হিন্দু ধৰ্মৰ পিনে আগবাঢ়ি অহাৰ বিপৰীতে আন একাংশ খ্ৰীষ্টিয়ান ধৰ্মত দীক্ষিত হৈছে। কাৰ্বি সমাজৰ ধৰ্মীয় জীৱনলৈ লক্ষ্য কৰিলে দেখা যায় যে পৰম্পৰাগত পূজা-পাৰ্বণ আদিত নাৰীৰ কোনো স্থান নাই। কাঠাৰ হ'ল তেওঁলোকৰ পুৰোহিত আৰু তেওঁ পুৰুষ। গাঁৱৰ মংগলৰ অৰ্থে প্ৰতি বছৰে অনুষ্ঠিত কৰা 'ৰংকেৰ'ৰ পূজাস্থলীত নাৰীৰ প্ৰৱেশ নিষিদ্ধ। গাঁৱৰ পুৰুষসকলেই তাত ভাগ লয়। খ্ৰীষ্টিয়ান ধৰ্মত দীক্ষিত কাৰ্বি নাৰীসকলে অৱশ্যে পুৰুষৰ সৈতে একেলগে উপাসনা কৰাৰ অধিকাৰ পায়। ধৰ্মীয় আচাৰ-ৰীতিৰ পিনৰ পৰা কাৰ্বি সমাজত তিনিগৰাকী মহিলা বিশেষভাৱে মৰ্যাদাসম্পন্ন। তেওঁলোক হ'ল ক্ৰমে লডেপী, উচেপী আৰু লুনছেপী। লডেপী হ'ল কাৰ্বি সমাজৰ মংগলতী। লডেপীসকলক মৃত ব্যক্তিৰ আত্মাৰ লগত যোগাযোগ কৰিবলৈ সক্ষম বুলি সমাজে বিশ্বাস কৰে। 'পেল'ডেপ' নামৰ এক অনুষ্ঠানৰ যোগেদি লডেপীয়ে মৃত ব্যক্তিৰ আত্মা সৈতে সংযোগ কৰি মানুহৰ ভৱিষ্যৎ বাণী কৰে। লগতে অপায়-অমংগলৰো বিধান দিয়ে। সেয়ে সমাজে লডেপীসকলক যথেষ্ট সমীহ কৰি চলে।

কোনো ব্যক্তিৰ মৃত্যু হ'লে শ-শৎকাৰৰ সময়ত উচেপী আৰু লুনছেপীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কাৰ্বি সমাজত মৃতদেহটো আঢ়ৈ দিন পৰ্য্যন্ত ৰখা হয়। শৱদাহৰ পূৰ্বে উচেপীয়ে মৃতকৰ বাবে খাদ্যবস্তু প্ৰস্তুত কৰে আৰু হৰলাং-তামোলপাণ আদি নিৰ্দিষ্ট বিধি অনুসৰি আগবঢ়ায়। লুনছেপী বা চাৰ-হে-আবাঙে মৃতকক যমপুৰীলৈ যোৱাৰ প্ৰকৃত পথৰ সন্ধান দি কৰুণ সুৰৰ গীত গায়। উচেপীয়ে মৃতদেহটো সৎকাৰৰ বাবে নিয়া যাত্ৰাৰ নেতৃত্ব বহন কৰি বাট দেখুৱাই লৈ যায়। আনকি মৃতদেহত অগ্নিসংযোগো কৰে উচেপীয়েই। মৃতকৰ শ্ৰাদ্ধ অনুষ্ঠান চ'মাংকানত লুনছেপীয়ে বিননি গীত গোৱাটো কৰ্তব্য। এই তিনিগৰাকী নাৰীৰ ভূমিকা কাৰ্বি সমাজত যথেষ্ট গুৰুত্বপূৰ্ণ।

কাৰ্বি সমাজত বাল্যবিবাহ আৰু যৌতুকৰ দৰে কুসংস্কাৰ নাই। ছোৱালীৰ কন্যাকাল প্ৰাপ্তিৰ ক্ষেত্ৰতো কোনো ৰীতি-নীতি বা অনুষ্ঠান পালিত নহয়। মাহেকীয়া ঋতুস্ৰাৱৰ লগত জৰিতও কোনো সামাজিক বাধা-নিষেধ নাই। পূৰ্বতে ছোৱালী গাভৰু হোৱাৰ পাছতেই মুখমণ্ডল দুভাগ কৰি ডাঠ সেউজীয়া বা ক'লা ৰঙেৰে কপালৰ পৰা থুতৰিৰ তললৈকে বেজীপে খুছি 'টেটো' আঁকি দিয়াৰ নিয়ম আছিল। এই প্ৰথাৰ সৈতে এটা ঘটনা জড়িত হৈ আছিল। মানৰ আক্ৰমণৰ

সময়ত (কোনো কোনোৰ মতে কছাৰী ৰজাৰ দিনত) পুৰুষৰ দৃষ্টিৰ পৰা সুন্দৰী কাৰ্বি গাভৰুসকলক ৰক্ষা কৰিবৰ বাবেই তেনে অশুৱনী ৰূপ লবলৈ বাধ্য কৰোৱা হৈছিল। ইয়াক তেওঁলোকে 'ডুগ' বুলি কৈছিল। এতিয়া ই সম্পূর্ণৰূপে বিলুপ্ত। কিন্তু কাৰ্বি সমাজৰে হেমফু লখিমনৰ উপাসকসকলৰ নাৰীয়ে কপালত সৰুকৈ সেউজীয়া ৰঙৰ ফোট এটা স্থায়ীভাৱে খোদিত কৰি লয়। পুৰুষসকলৰ ক্ষেত্ৰত তেনে প্ৰতীক চিহ্ন দেখা নাযায়। সামাজিক ব্যৱহাৰ বা কথোপকথনৰ ক্ষেত্ৰত কাৰ্বি মহিলাই নিজৰ স্বামী আৰু দেউৰেকক 'নাং' (তই বা তুমি) বুলি সম্বোধন কৰিব পাৰে। কিন্তু বয়সত সৰু হ'লেও আন সকলো পুৰুষকে 'নাংলি' অৰ্থাৎ আপুনি বুলি সম্বোধন কৰাৰ নিয়ম।

কাৰ্বি নাৰী পৈতৃক সম্পত্তিৰ অধিকাৰ লাভৰ পৰা বঞ্চিত যদিও পৰিয়ালৰ অৰ্থনৈতিক উন্নয়নৰ বাবে তেওঁলোকেও অহোপুৰুষাৰ্থ কৰে। কৃষি কাৰ্যত পুৰুষৰ সৈতে সমানে সমানে কাম কৰাৰ লগতে উৎপাদিত ফচল বজাৰলৈ আনি বিক্ৰী কৰে। তদুপৰি নাৰীয়ে কাপোৰ বৈ, পলু পুহি, বনৰীয়া শাক-পাচলি বিচাৰি আনি বিক্ৰী কৰিও নিজাকৈ ধন অৰ্জন কৰে। প্ৰয়োজনত সেই ধনৰাশিও পৰিয়ালৰ বাবে ব্যয় হয়।

পৰম্পৰাগত কাৰ্বি শাসন প্ৰণালীত নাৰীৰ অংশ গ্ৰহণৰ অধিকাৰ নাছিল। গাঁৱৰ বিচাৰ সভাবোৰতো নাৰীৰ অংশগ্ৰহণ দেখিবলৈ পোৱা নগৈছিল। বৰ্তমান সময়ত ভাৰতীয় সংবিধানে দিয়া অধিকাৰ অনুসৰি কাৰ্বি নাৰীয়েও পুৰুষৰ সমানে ৰাজনৈতিক কাম-কাজত অংশ ল'ব পাৰে বা লৈছে। তেনেদৰে গাঁৱৰ বিচাৰ সভাতো নাৰীয়ে নিজৰ বক্তব্য দাঙি ধৰিব পাৰে। আধুনিক শিক্ষাৰ সম্প্ৰসাৰণ হোৱাৰ লগে লগে কাৰ্বি নাৰীৰ মাজতো সচেতনতা বৃদ্ধি পাইছে আৰু সমাজত তেওঁলোকৰ মৰ্যাদাও বাঢ়িছে। সমঅধিকাৰ আৰু নাৰীমুক্তিৰ চিন্তাও কাৰ্বি নাৰীৰ মাজত প্ৰসাৰিত হ'বলৈ ধৰিছে। একে সময়তে কিন্তু উত্তৰ ভাৰতীয় কিছুমান হিন্দুত্ববাদী কু-সংস্কাৰেও তেওঁলোকৰ মাজলৈ লাহে লাহে প্ৰৱেশ কৰিব ধৰিছে। এই ক্ষেত্ৰত কাৰ্বি নাৰী সমাজ সাৱধান হোৱা ভাল।

**পাদটীকা ঃ**

১। নে নাংছাংলিন পেন ক্লিৰ্মে।
ছাৰ আংহাং ফুহে!
বংছুক পাংফাৰ চে।
বই ফাৰাণ কাৰে।।
ৰি ছেলে কাৰে।
বই আখেন ল'নে।।
ছি থেলু আহুম্ মে।
ল' হুমৰি কামে।।

[থেলু আলুন গীত/পুথি ঃ আদাম-আছাৰ/সংগ্ৰাহক ঃ ৰংবং তেৰাং]

**ভাৱাৰ্থ ঃ** তোমাৰ ভিনিহি আৰু বায়েৰাৰ কপালত বয়সৰ চাব পৰিছেহি। বল-শক্তিও নাইকীয়া হৈ আহিছে। বন-বাৰী কৰোঁতা নাই। সেই বুলিয়েই মোমায়েকৰ ঘৰলৈ সহায় বিচাৰি আহিছোঁ।

২। বিবাহৰ ক্ষেত্ৰত পাত্ৰীৰ মতামত লোৱাৰ কথাটো ৰে লংবি আৰু হাৰ লংচিৰ আখ্যানতো পোৱা যায়। এই দুগৰাকী বীৰকেই কাৰ্বি সমাজত প্ৰচলিত বিবাহ-ৰীতিৰ প্ৰৱৰ্তক বুলি কথিত আছে। হাৰ লংবিৰ পুত্ৰৰ বাবে ৰে লংবিৰ জীয়েকক বিয়াৰ কইনা হিচাপে পচন্দ কৰাত ৰে লংবিয়েও জীয়েকৰ মতামত জানিব বিচাৰিছিল। ঘৰুৱা কাম-বনবোৰ ভালদৰে নজনাৰ বাবে তাই প্ৰথমতে বিয়াত বহিবলৈ অপাৰগতা প্ৰকাশ কৰিছিল যদিও পিতৃ-মাতৃয়ে ইচ্ছা কৰা ঘৰৰ লগত বিয়াত বহিলে জীৱনটো সুখৰ হয় বুলি দেউতাকে বুজনি দিয়াত মান্তি হ'ল। এই নাৰীগৰাকীয়েও নিজকে অভিভাৱকে দান দিব পৰা সম্পত্তি বুলি বিবেচনা কৰিলে। সেয়ে তাই পিতৃ-মাতৃৰ ইচ্ছাক বাধা দিছিল।

*****

● লেখক ঃ সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, দুলীয়াজান মহাবিদ্যালয়, দুলীয়াজান ।

# মিচিং জনগোষ্ঠীৰ সমাজ-সাহিত্য

ড° ৰঘুনাথ কাগ্যুং

**১.০ নৃ-তাত্ত্বিক-ভাষিক পৰিচয়**

পৃথিৱীৰ এক বৃহৎ মানৱ নৃ-গোষ্ঠী হৈছে মংগোলীয় প্ৰজাতি। নৃ-তাত্ত্বিক দৃষ্টিকোণৰ পৰা মিচিং জনগোষ্ঠী বৃহৎ মংগোলীয় প্ৰজাতিৰ অন্তৰ্গত।

পৃথিৱীৰ অন্যতম বৃহৎ ভাষা পৰিয়াল চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাক চাৰিটা উপ-শাখাত বিভক্ত কৰা হয়ঃ তিব্বতী শাখা, হিমালয়ী শাখা, অসমবৰ্মী আৰু উত্তৰ অসম শাখা। ভাষিক দৃষ্টিকোণৰ পৰা মিচিং ভাষা পৃথিৱীৰ অন্যতম বৃহৎ ভাষা পৰিয়াল চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ অন্যতম উপ-শাখা উত্তৰ অসম শাখাৰ এটা ঠাল।

**২.০ সাম্প্ৰতিক আৱস্থানিক আভাস**

বৰ্তমান মিচিং জনগোষ্ঠীৰ লোক অসম আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন ঠাইত বসবাস কৰি আছে। উজনি অসমৰ জিলা কেইখনেই সম্প্ৰতি মিচিংসকলৰ প্ৰধান বাসভূমি। জিলা কেইখন হ'ল— শোণিতপুৰ, বিশ্বনাথ, লখিমপুৰ, ধেমাজি, ডিব্ৰুগড়, তিনচুকীয়া, চৰাইদেউ, শিৱসাগৰ,যোৰহাট, গোলাঘাট, মাজুলী, এই জিলা কেইখনৰ নৈ-উপনৈসমূহৰ পাৰে পাৰে প্ৰধানতঃ মিচিংসকলে বসবাস কৰি আছে। তাৰ ভিতৰতো ব্ৰহ্মপুত্ৰ, সোৱণশিৰী, দিচাং, দিখৌ, দিহিং, জাঁজী, দিক্ৰং, খাবলু, ৰঙানদী, বগীনদী, চমৰাজান, টুনী, চাৰিকড়িয়া, চাম্‌পৰা, ওভতা চাম্‌পৰা, বেবেজীয়া, অৰনৰি, জীয়াঢল, মৰিঢল, খেৰকটা, ভোগদৈ আদি নৈ-উপনৈৰ নাম বিশেষভাবে উল্লেখযোগ্য। এই নৈ-উপনৈসমূহৰ পাৰে পাৰে বসবাস কৰাৰ উপৰিও আজি-কালি অসমৰ প্ৰায়কেইখন চহৰত, প্ৰধানকৈ উজনি অসমৰ জিলা কেইখনৰ সদৰ আৰু প্ৰধান চহৰসমূহত মিচিং জনগোষ্ঠীৰ লোক বসবাস কৰি আছে। ২০১১ বৰ্ষৰ লোক-পিয়লৰ পৰিসংখ্যা মতে, অসমত মিচিং জনসংখ্যা সৰ্বমুঠ ৬, ৮৭, ৩১০ জন। ইয়াৰে পুৰুষৰ সংখ্যা ৩,৯৫,৭৯০ আৰু মহিলাৰ সংখ্যা ২,৬৭,৫২০।

অৰুণাচল প্ৰদেশৰ তিনিখন জিলাতো মিচিং জনগোষ্ঠীৰ লোক বসবাস কৰি আছে। জিলাকেইখন হ'ল পূব চিয়াং জিলা, নামনি দিবাং উপত্যকা আৰু লোহিত জিলা। পূব চিয়াং জিলাৰ মিচিং বসতি প্ৰধান গাঁওসমূহ হ'ল- অয়ান দঃলুং, নাম্‌চিং দঃলুং, লেকু দঃলুং আৰু জেলাম দঃলুং। লোহিত জিলাৰ নাম্‌চাই গাঁৱতো অধিক মিচিং লোকৰ বসবাস দেখা যায়।

**৩.০ আদিম বাসস্থানিক ক্ষেত্ৰ**

'আঃবাং' গীতবিলাক মিচিঙৰ অলিখিত বুৰঞ্জীৰ নিচিনা। আঃবাঙত মিচিংসকলে বিভিন্ন সময়ত বিভিন্ন ঠাই বা

অঞ্চলত বসবাস কৰিছিল বুলি উল্লেখ কৰিছে। আঃবাং গীতত মিচিংসকলে আদিম অৱস্থাত বাস কৰা পাঁচখন ঠাইৰ নাম পোৱা যায়। মিচিং কিংবদন্তি, জনশ্ৰুতি আৰু লোকসাধুতো এই ঠাইকেইখনৰ উল্লেখ আছে। 'আঃবাং' গীতত বৰ্ণনা কৰা ঠাইকেইখন হ'ল- কঃজী পাঃতাং, কিঃলিং-কাংগে, তাঃপাম-দুম্বৃন বা তাঃচৃগ-দুম্বৃন, চিৰ্‌কি পাঃতাং আৰু ৰীগৃ-ৰীগাম।

সুনীতি কুমাৰ চেটাৰ্জীয়ে কৈছে যে, 'The area of characterisation for the primitive Sino-Tibetan speech appears to have been Nort-western China between the head-waters of the Huang Ho and the Yang-tsze Kiang rivers.'[S. K. Chatterji, 'Kirata Jana-Krti, p.21]। অৰ্থৎ, চীন-তিব্বতীয় মঙ্গোলীয় প্ৰজাতিৰ আদি বাসভূমি হৈছে উত্তৰ-পশ্চিম চীনৰ হোৱাং-হু আৰু য়াং-চি-কিয়াং নদীৰ অৱবাহিকা।

মিচিংসকলৰ প্ৰব্ৰজনৰ সম্পৰ্কে A. H. Dani-য়ে তাৎপৰ্যপূৰ্ণ মতামত আগবঢ়াইছে। A. H. Dani-ৰ মতামত দি ড° ডি. দলেই স্থানান্তৰত উল্লেখ কৰিছে, 'The 'late origin of the neolithic cultural materials, as concluded by A.H.Dani, suggests that the North-Assam tribes have lately migrated from the Chinese province of Yunnan etc. and settled in their present habitates.' [Dimbeswar Doley, 'History of Origin of the Tanis or the Amis', The Mishings : Their History and Culture, ed., Jawarhar Jyoti Kuli, p.16]। অৰ্থাৎ, A. H. Dani-ৰ মতে, উত্তৰ অসমৰ জনজাতীয় লোকসকল চীনৰ পৰাই প্ৰব্ৰজন কৰিছিল। মিচিংসকল চীন-তিব্বতীয় মঙ্গোলীয় প্ৰজাতিৰে এটি শাখা, সেইয়ে এই দিশৰ পৰা চালে মিচিংসকলৰো আদিম বাসস্থান হোৱাং-হু আৰু য়াং-চি-কিয়াং নদীৰ অৱবাহিকাই আছিল বুলি ক'ব পৰা যায়।

**৪.০ সমাজ-জীৱন**

মিচিং সমাজ-জীৱন কিছুমান উপাদানেৰে নিৰ্মিত। এই উপাদানসমূহ মিচিং সমাজ-জীৱনৰ একো একোটা এৰাব নোৱাৰা অংগ স্বৰূপ - যিবিলাকৰ আধাৰত মিচিং সমাজ-জীৱন গঢ় লৈ উঠিছে। তলত এই উপাদানসমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

**৪.১ গাম আৰু কৌবাং**

মিচিং সমাজ-জীৱনৰ প্ৰধান উপাদানসমূহৰ ভিতৰত গাম আৰু কৌবাং অন্যতম। মিচিং সমাজ-জীৱনত গামৰ প্ৰভাৱ অপৰিসীম। গাম হৈছে গাঁও এখনৰ মুৰব্বী। দৰাচলতে গাম বা গাঁওবুঢ়াৰ নেতৃত্বতে মিচিং গাঁও বা সমাজখন পৰিচালিত হয়।

মিচিং সমাজখন পৰিচালনা কৰিবৰ বাবে 'কৌবাং' গঠন কৰা হয়। ই মিচিং সমাজৰ এক পৰম্পৰাগত সামাজিক অনুষ্ঠান। গাম হৈছে কৌবাঙৰ মুৰব্বী। অতীজত মিচিং সমাজত তিনি তৰপীয়া কৌবাং আছিল— কৌবাং, বাঃনী কৌবাং আৰু বাংগ কৌবাং। এখন গাঁও পৰিচালনা কৰিবৰ বাবে এখন 'কৌবাং' গঠন কৰিছিল। কেইবাখনো 'কৌবাঙ'ক লৈ এখন 'বাঃনী কৌবাং' আৰু কেইবাখনো বাঃনী কৌবাঙক লৈ এখন 'বাংগ কৌবাং' গঠন কৰা হৈছিল।

গাঁৱৰ ডেকা-গাভৰু আৰু বয়োঃজ্যেষ্ঠ পুৰুষ-মহিলাক লৈ 'কৌবাং'বোৰ গঠন কৰা হয়। উপযুক্ত আৰু নেতৃত্ব দিব পৰা গুণ-সম্পন্ন লোকক কৌবাঙৰ মূল দায়িত্ববোৰ অৰ্পণ কৰে।

উল্লেখ্য যে, অতীজৰ পৰা পৰম্পৰাগতভাৱে প্ৰচলিত হৈ থকা গাম আৰু কৌবাঙৰ বিধি-ব্যৱস্থাৰ সামান্য সাল-সলনি হৈছে যদিও সাম্প্ৰতিক কালতো মিচিং সমাজত গাম আৰু কৌবাঙৰ গুৰুত্ব অপৰিসীম।

**৪.২ মুৰংঘৰ**

মুৰংঘৰ মিচিংসকলৰ পৰম্পৰাগত সাংস্কৃতিক কেন্দ্ৰ বা গৃহ। 'মঃৰং' শব্দৰ পৰা 'মুৰং' শব্দটো আহিছে। মঃৰং মানে মুকলি।

মুৰংঘৰ গাঁৱৰ সোঁ-মাজতে নিৰ্মাণ কৰা হয়। গাঁৱৰ যিকোনো বিষয়ৰ আলাপ-আলোচনা গামৰ নেতৃত্বত মুৰংঘৰতে সম্পন্ন কৰা হয়। উৎসৱ-অনুষ্ঠান উদযাপন কৰিবলৈ হ'লে, মাংগলিক পূজা-পাৰ্বণ পাতিবলৈ হ'লে, পৰম্পৰাগত লোক-বিশ্বাসজনিত কৰ্মাদি কৰিবলৈ হ'লে, কোনো অপৰাধীৰ বিচাৰাদি কৰিবলৈ হ'লে মুৰংঘৰতে গাঁৱৰ ৰাইজে গোট-পিট খাই 'কৌবাং (সভা) অনুষ্ঠিতকৰে।

মুৰংঘৰত মিচিং ডেকা-গাভৰুৱে সাংস্কৃতিক চৰ্চা কৰে। এনে দিশৰ পৰা মুৰংঘৰক সংস্কৃতিৰ আখৰা গৃহ বা প্ৰশিক্ষণ কেন্দ্ৰ বুলিব পৰা যায়।

মিচিং ডেকা-গাভৰুৱে মুৰংঘৰতে লোকগীত-লোক নৃত্য-লোক বাদ্যৰ চৰ্চা আৰু অনুশীলন, লোক-সাহিত্যৰ চৰ্চা আৰু পৰম্পৰাগত খেল-ধেমালি অনুষ্ঠিত কৰি আহিছে।

তদুপৰি মুৰংঘৰক যাদুঘৰ (Museum) বুলিও ক'ব পৰা যায়। কাৰণ, মুৰংঘৰত মিচিং সমাজৰ পৰম্পৰাগত সা-সঁজুলি, বাদ্য-যন্ত্ৰ আৰু খেলা-ধূলাৰ সামগ্ৰীবোৰ সংৰক্ষণ কৰি থৈছিল।

**৪.৩ লোক-উৎসৱ**

মিচিংসকলৰ প্ৰধান লোক-উৎসৱ তিনিটাঃ পঃৰাগ, আলি-আঃয়ে-লৃগাং আৰু দবুৰ। অৱশ্যে পৰিৱৰ্তিত সময়ত ব'হাগ, মাঘ আৰু কাতি বিহুৰ প্ৰভাৱো অনস্বীকাৰ্য।

৪.৩.১ **পঃৰাগ উৎসৱ**

অসমৰ অন্যতম প্ৰধান জনজাতি মিচিংসকলৰ এটা উল্লেখযোগ্য লোক-উৎসৱ হ'ল পঃৰাগ উৎসৱ।

কৃষিয়েই মিচিংসকলৰ মুখ্যতম জীৱন নিৰ্বাহৰ সম্বল। অধিকাংশ লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষিক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে মিচিং সংস্কৃতিৰ ভেটি। পঃৰাগ উৎসৱৰ জন্মৰ অন্তৰালতো সেয়ে জড়িত হৈ আছে কৃষি, কৃষক আৰু পথাৰৰ ইতিহাস।

পঃৰাগ শব্দটো উদ্ভৱ হৈছে দুটা শব্দৰ যোগফলত; শব্দ দুটা হ'ল আপং আৰু ৰাগ্। মিচিং ভাষাত 'আপং' মানে পানীয় বা মদ আৰু 'ৰাগ্' মানে উৎসৱ বা বিশেষ ধ্বনি বা ছেও। অৰ্থাৎ পানীয় বা মদ্যপানক কেন্দ্ৰ কৰি উদ্‌যাপন কৰা বিশেষ উৎসৱ। মিচিংসকলৰ দৰেই তিব্বত-বৰ্মীৰ তানি গোষ্ঠীৰ গালংসকলেও আপঙক 'অপ' বুলি কোৱা দেখা যায়। সেয়ে ক'ব পাৰি, আপঙৰ 'প' (দীৰ্ঘস্বৰ হৈ'পঃ')ৰ লগত 'ৰাগ্' যোগ হৈ 'পঃৰাগ' শব্দৰ উদ্ভৱ হব পাৰে; অৰ্থাৎ আপং >অপ>পঃ+ৰাগ=পঃৰাগ। মন কৰিবলগীয়া যে - পঃৰাগ উৎসৱৰ প্ৰধান প্ৰধান খাদ্যসম্ভাৰৰ ভিতৰত পঃৰ' আপং (ছাই মদ)ৰ স্থান সকলোতকৈ ওপৰত। আনকি পঃৰ' আপং অৰ্থাৎ ছাই মদৰ তৈয়াৰৰ লগত জড়িত বহুকেইটা সামগ্ৰী যেনে- পঃবৰ[২১], পঃদন[২২] আদি শব্দৰ আদি অক্ষৰো 'প'; যিদৰে পঃৰাগৰো আদ্যাক্ষৰ 'প'।

**পঃৰাগ পৰিচালনা পদ্ধতি**

পঃৰাগ উৎসৱ উদ্‌যাপন কৰিবৰ বাবে এখনি পৰিচালনা সমিতি উদ্‌যাপনৰ এবছৰ পূৰ্বে গঠন কৰা হয়। কৰ্ম-পটুতা, ব্যক্তিত্ব আৰু সামাজিক সন্মানবোধৰ প্ৰতি লক্ষ্য ৰাখি সমাজৰ মাজৰ পৰাই নিৰ্ব্বাচন কৰে বিষয়ববীয়া আৰু তেনেদৰেই এবছৰৰ পূৰ্বেই গঠন কৰে পঃৰাগ উদ্‌যাপন সমিতি। মুৰংঘৰত অনুষ্ঠিত কৰা ৰাজহুৱা সভাৰ পৰাই গণতান্ত্ৰিকভাৱে নিৰ্ব্বাচন কৰে এই বিষয়ববীয়াসকলক। বিষয়ববীয়াসকল হ'ল-

| | | | |
|---|---|---|---|
| (১) মিগম্ বৰা | (৪) ঢুলীয়া বৰা | (৭) উদৰ বৰা | (১০) বৰ পোৱাৰী |
| (২) ডেকা বৰা | (৫) বাৰিক | (৮) তামূলী | (১১) পাটগিৰি |
| (৩) তিৰি বৰা | (৬) টেকেলা | (৯) উদানী | (১২) বৰাণী |

পঃৰাগ উদ্‌যাপনৰ বেলিকা মিগম্ বৰাই আটাইতকৈ সন্মানীয় বিষয়ববীয়া। মিগম্ মানে ৰজা। সকলো ধৰণৰ অপৰাধৰ দণ্ড দিয়াৰ অধিকাৰীগৰাকীয়েই হ'ল মিগম্ বৰা। মিগম্ বৰাই দোষ অনুপাতে উদাৰুৰ যোগেদি শাস্তি বিহিব পাৰে। তেওঁৰ তলতে থাকে ডেকা বৰা। ডেকা বৰাই ডেকা সমাজক পৰিচালনা কৰে। গাভৰুসকলক পৰিচালনা কৰিবৰ কাৰণে তিৰি বৰা এগৰাকী পতা হয়। ডেকাসকলৰ ডেকা বৰা আৰু তিৰিসকলৰ তিৰি বৰাই কৰ্তৃত্বশীল বিষয়ববীয়া। আনহাতে ঢুলীয়াসকলক পৰিচালনা কৰিবৰ কাৰণে ঢুলীয়া বৰা নিয়োগ কৰে। গাঁওখনৰ সংক্ৰান্তত গ্ৰহণ কৰা যিকোনো সিদ্ধান্ত প্ৰচাৰ কৰিবৰ কাৰণে "বাৰিক"ক দায়িত্ব দিয়ে। ইয়াৰোপৰি গাওঁখনক পৰিচালনাৰ সুবিধাৰ্থে নিৰ্দিষ্ট কিছুমান চুক বা খণ্ডত বিভক্ত কৰি প্ৰতিটো খণ্ডতে একোজন বিষয়ববীয়া নিযুক্তি দিয়ে, তেওঁকে কোৱা হয় 'টেকেলা'। ভৌগোলিক আন্তঃগাঁথনিৰ ওপৰত ভিত্তি কৰি টেকেলাৰ সংখ্যা একাধিক। কিছু অঞ্চলত চট্ বৰা আৰু শইকীয়া বুলি দুটা বিষয়বাব

দেখা যায়। আনহাতে পঃৰাগৰ দিনা প্ৰয়োজনবোধে মিনম্ বা অতিথিক আদৰিবৰ বাবে নিৰ্দিষ্ট বিষয়ববীয়া এজন নিৰ্বাচন কৰে, তেওঁকে মিনম্ বৰা বা অতিথি বৰা বোলে। গাভৰুসকলক সুকলমে পৰিচালনা কৰিবৰ কাৰণে গাভৰুবিলাকৰ মাজৰ পৰাই আটাইতকৈ সন্মানীয় গাভৰুগৰাকীক 'বৰপোৱাৰী' পাতে। গাভৰুবিলাকৰ মাজত বৰপোৱাৰীৰ স্থান প্ৰায় মিগম্ বৰাৰ সমান। বৰপোৱাৰীক গাভৰুবিলাকে সন্মান আৰু সমীহ কৰে। বৰপোৱাৰীৰ তলতে থাকে পাটগিৰি, বৰাণী আৰু উদানী। কিছু কিছু অঞ্চলত তামূলী আৰু বৰবৰাণীও নিয়োগ কৰা দেখা যায়। এইসকলৰ উপৰিও কোনো এখন গাঁৱত গাম বা গাঁওবুঢ়া, সাতোলা-সাতোলানী আৰু বাপ বা সদাচাৰ থাকে। পৰৱৰ্তী কালত 'নামঘৰীয়া' বুলি নামঘৰধৰ্মী বিষয়ববীয়া এজন নিযুক্তি দিবলৈ ধৰে।

অতীজত তিনিদিন বা পাঁচ দিন ধৰি অঞ্চলভেদে পঃৰাগ উদ্‌যাপন কৰিছিল যদিও কালক্ৰমত তিনিদিন ধৰিহে উদ্‌যাপন কৰিবলৈ ল'লে।

৪.৩.২ **আলি-আঃয়ে-লৃগাং**

মিচিংসকলৰ লোক-উৎসৱসমূহৰ ভিতৰত আলি-আঃয়ে-লৃগাং অন্যতম প্ৰধান কৃষিভিত্তিক লোক-উৎসৱ। আলি-আঃয়ে-লৃগাং মিচিং সমাজত অতিকে জনপ্ৰিয় লোক-উৎসৱ। মিচিংসকলে প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰ দিনটোত এই উৎসৱটো পালন কৰি আহিছে। এই দিনটোতে তেওঁলোকে খেতি-কৰ্মৰ পাতনি মেলে। মিচিংসকল যে কৃষি-কৰ্মৰ লগত অতীজৰে পৰা ওতঃপ্ৰোতঃভাৱে জড়িত হৈ আহিছে ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি।

আলি-আঃয়ে-লৃগাং উৎসটি কৃষি কৰ্মৰ সৈতে বিশেষভাৱে জড়িত। আলি-আঃয়ে-লৃগাঙৰ প্ৰধান উদ্দেশ্য হ'ল ভূমিৰ উৰ্বৰতা বৃদ্ধি আৰু পৃথিৱীক শস্য শ্যামলা কৰি তুলিবৰ বাবে পৰমেশ্বৰৰ প্ৰতি প্ৰাৰ্থনা জনোৱা। বসন্ত ঋতুৰ আগমনত গোটেই পৃথিৱীতে এক সজীৱতাই দেখা দিয়ে। সেই কাৰণে এই উৎসৱটি ফাগুন মাহৰ প্ৰথম বুধবাৰত পালন কৰি অহা হৈছে। বুধবাৰৰ দিনটোক মিচিংসকলে পৱিত্ৰ বা মংগলময় দিন হিচাপে বিশ্বাস কৰি আহিছে।

আলি-আঃয়ে-লৃগাঙৰ শব্দগত অৰ্থ ব্যাখ্যা কৰিলে এনেধৰণৰ হয়- 'আলি' মানে-- মাটিৰ তলত হোৱা আলু জাতীয় ফচল বা বীজ - যেনে- আলু, কাঠ আলু, মিঠা আলু; 'আঃয়ে' মানে-- গছৰ গুটি বা ফল আৰু 'লৃগাং' মানে-- সিঁচিবলৈ বা ৰুবলৈ আৰম্ভ কৰা কাৰ্য; অৰ্থাৎ, এই উৎসৱটি বীজ সিঁচা বা ৰোপন কাৰ্যৰ আৰম্ভণিৰ দিন বা উৎসৱ। আলি-আঃয়ে-লৃগাং উৎসৱটি চমুকৈ 'লৃগাং' বুলিও পৰিচিত; অৰ্থাৎ- শস্য সিঁচাৰ প্ৰথম দিন। তদুপৰি, আলি-আঃয়ে-লৃগাং উৎসৱটিক 'আলি-লৃগাং' বা 'আলি-আঃয়ে' বুলিও জনা যায়।

দৰাচলতে, আলি-আঃয়ে-লৃগাঙত আহু ধানৰ বীজ সিঁচি খেতিৰ কাম আৰম্ভ কৰা হয়। আহু ধানৰ উপৰিও তাকেঃ (আদা), এঙে (কচু), তাপা (কোমোৰা), মৃব্‌চি (জলকীয়া), আলিঃ (কাঠ আলু) ইত্যাদি শস্যৰ গুটি ৰোৱা আৰম্ভ কৰা হয়।

আলি-আঃয়ে-লৃগাঙৰ দিনা পুৱাৰ ভাগত শস্য সিঁচিবৰ বাবে মাটি ডৰাৰ পূব কোণত মাটিডোখৰ পিঃৰ' (মেগেলা) গছেৰে চাৰিসীমা বান্ধি সীমাটো নিৰ্ধাৰণ কৰা হয়। মাটিডোখৰ কোৰ মাৰি জাবৰ-জোঁথৰ আঁতৰাই মাটিবোৰ গুড়ি কৰি সাজু কৰি ৰাখে। 'লৃগ্‌গদ' বা বীজ সিঁচাৰ মাংগলিক কাম কৰিবৰ কাৰণে ঘৰৰ গৃহিণীয়ে যতনাই দিয়া সামগ্ৰীখিনি লৈ পথাৰৰ সেই নিৰ্দিষ্ট ঠাইত পৰম্পৰাগত ৰীতি-নীতিৰে আহুধানৰ বীজ সিঁচিবলৈ আৰম্ভ কৰে। ইয়াকে 'লৃগ্‌গদ' বোলে।

তাৰ পিছত চন্দ্ৰ, সূৰ্য, বতাহ, বৰষুণ, বিজুলী, ঢেৰেকণি, লক্ষ্মীদেৱী তথা পূৰ্বপুৰুষসকলক ভক্তি ভাৱেৰে স্মৰণ কৰে। পথাৰত শুভ-কামটো সম্পন্ন কৰাৰ পিছত মুখীয়ালজনে ঘৰলৈ আহি হাত-মুখ ধুই জুহালৰ চাৰি চুকত আপং (মদ) এবাতি ঢালি পূৰ্ব-পুৰুষসকলক স্মৰণ কৰে আৰু তেওঁলোকৰ পৰা ঘৰখনৰ কুশল-মংগলাৰ্থে আশীৰ্বাদ বিচাৰে। কঠিয়া সিঁচা বা ৰোপন কৰা সময়ত গৃহস্থই চেঃদি-মেঃল'(উপৰি-পুৰুষ) আৰু দঃঞিঃ-পঃল'(চন্দ্ৰ-সূৰ্য)ক সাক্ষী কৰি প্ৰাৰ্থনা কৰে।

মৃত আত্মা আৰু পূৰ্ব-পুৰুষসকলকো ধান-শস্যবোৰ ৰখি থাকিবৰ বাবে গৃহস্থই প্ৰাৰ্থনা জনায়। বংশ বা পৰিয়ালৰ সাতপুৰুষৰ নাম সভক্তিৰে স্মৰণ কৰি আশীৰ্বাদ কামনা কৰে। 'লৃগ্‌গদ' বা বীজ সিঁচাৰ দিনৰে পৰা কোনো কোনো ঠাইত

পাঁচ দিনলৈ পথাৰত হাল নাবায়; কিয়নো, সেইখিনি সময়ত ধৰিত্ৰী মাতৃৰ গেনা (অশুচি) লাগি থাকে বুলি মিচিংসকলে বিশ্বাস কৰে।

লৃগ্‌গদ বা মাংগলিক কাৰ্য সমাপন কৰি গৃহস্থই ঘৰলৈ ঘূৰি আহে আৰু ভোজ-ভাত আৰু আপং (পৰম্পৰাগত পানীয়) আদি খাদ্য সামগ্ৰীৰে আপ্যায়ন পৰ্ব আৰম্ভ কৰা হয়। সেই দিনা প্ৰতি ঘৰতে পুৰাং আপিন (তৰাপাতত বৰা চাউল বান্ধি সিজোৱা ভাত), পঃৰ' আপং (ছাই মদ), নাম্‌চিং (শুকুৰা মাছ) আৰু মাংস (আদৃন)ৰে ভোজ খোৱা হয়।

লৃগাঙৰ দিনা দুপৰীয়া ঘৰতে 'উৰম আপিন' (প্ৰেতাত্মালৈ আগ কৰা জলপিণ্ড) দিয়া কাম ঘৰৰ মুখীয়ালজনে কৰে। উৰম আপিনৰ অৰ্থ হৈছে- উৰম মানে দেও বা প্ৰেতাত্মা আৰু আপিন মানে ভাত। সৰু সৰুকৈ পাতত আৰু বাতিত পঃৰ' আপং ঢালি প্ৰেতাত্মা বা উপৰিপুৰুষসকলৰ নামত দিয়া হয় বা উৎসৰ্গা কৰা হয়। তাৰ পিছতে আনসকলে খোৱা-বোৱা কৰে। এই কৰ্মভাগিও আৰম্ভ কৰে এক বিশেষ প্ৰক্ৰিয়াৰে। গাম বা গাঁৱৰ মুৰব্বীজনে 'লৌনং বাৰ্‌বাং' (এবিধ থালৰ আকৃতিৰ বাদ্য যন্ত্ৰ) বজাই খোৱা কাৰ্য আৰম্ভ নকৰালৈকে কোনেও ভোজন নকৰে। এই বাদ্যবিধ বজোৱাৰ পিছতহে ভোজন কাৰ্য আৰম্ভ কৰে।

সন্ধিয়াৰ পৰা আৰম্ভ হয় 'গুম্‌ৰাগ্ চঃমান' বা 'লৃগাং চঃমান' অৰ্থাৎ, গীত-নৃত্যৰ বৰ্ণাঢ্য কাৰ্যসূচী। গুম্‌ৰাগ্ চঃমান মানেই ঢোল, তাল, নৃত্য আৰু অই নিঃতমৰ অপূৰ্ব সমাহাৰ। ডেকা গাভৰুৱে একেলগে মিলি প্ৰতিঘৰতে গুম্‌ৰাগ্ গোৱাটো এক পৰম্পৰাগত নিয়ম। সেইদৰে গৃহস্থইয়ো ৰাইজৰ পৰা আশীৰ্বাদ বিচাৰে।

লৃগাং উৎসৱৰ পঞ্চম দিনা 'চাগ্‌লেন'। ইয়াৰ অৰ্থ হ'ল গেনা ভঙা কাৰ্য। শেষত ঘৰৰ মুখীয়ালসকলে আপং, পুৰাং আদি আগবঢ়াই শেষ হোৱাৰ জাননী পূৰ্ব-পুৰুষসকলক দিয়ে। ইয়াৰ পাছত গাঁৱৰ সকলোৱে কৃষি-কৰ্ম তথা জীৱিকাৰ বিভিন্ন কৰ্মত উদ্যমেৰে আত্মনিয়োগ কৰে।

**৪.৪ ধৰ্ম-দৰ্শন আৰু পূজা-পাৰ্বণ**

মিচিংসকলৰ ধৰ্মীয় বিশ্বাস বা দৰ্শনৰ বিকাশক দুটা স্তৰত দেখুৱাব পৰা যায়—

**প্ৰথম স্তৰ** ঃ 'নেফা'ত বসবাস কৰাৰ সময়লৈকে

**দ্বিতীয় স্তৰ** ঃ 'নেফা' এৰাৰ সময়ৰ পৰা বৰ্তমানলৈকে

**ক) প্ৰথম স্তৰঃ**

মিচিংসকলৰ প্ৰাচীন ধৰ্ম হৈছে 'দঃঞিঃ-পঃলঃ ধৰ্ম'। প্ৰকৃতিৰ উপাসনাই এই ধৰ্মৰ মূলবস্তু। 'নেফা'(North East Frontier Agency)ত বসবাস কৰাৰ সময়লৈকে তেওঁলোকে একমাত্ৰ প্ৰকৃতিক উপাসনা কৰিছিল। প্ৰকৃতিক কেন্দ্ৰ কৰিয়ে মিচিং ধৰ্ম বিশ্বাস গঢ়ি উঠিছিল। অটব্য অৰণ্য, হিংস্ৰ জীৱ-জন্তুৰ সৈতে অনবৰতে তেওঁলোকে সহাৱস্থান কৰিবলগীয়া হৈছিল। ৰোগ-ব্যাধি, বিপদ-আপদ তেওঁলোকৰ বাবে হৈ পৰিছিল চিৰ লগৰী। সেইবিলাকৰ মূলতে দৈৱিক কাৰণ আছে বুলি তেওঁলোকে ভাবি লৈছিল। প্ৰতিটো বিপদ, ব্যাধি, ঘটনা-দুৰ্ঘটনাত একোজন অপদেৱতা জড়িত হৈ থাকে বুলি তেওঁলোকৰ বিশ্বাস উপজিছিল। 'উৰম' (উপৰিপুৰুষ বা গোত্ৰ দেৱতা) অপদেৱতাৰ কু-দৃষ্টি পৰিলে দুৰ্ঘটনা আৰু অপঘাত হয়, 'মুগ্‌লৃং মিৰীম' (অপদেৱতা) বা 'তালীং উই' (থল দেৱতা) অপদেৱতাৰ কু-দৃষ্টি পৰিলে কুষ্ঠৰোগ আৰু বজ্ৰপাত হয় বুলি তেওঁলোকে ভাবি লৈছিল। এই অপদেৱতাসকলক সন্তুষ্ট কৰিব পাৰিলে তেনে বিপদৰ পৰা পৰিত্ৰাণ পাব পাৰে বুলিও তেওঁলোকে বিশ্বাস কৰিছিল। সেইয়ে এই অপদেৱতাসকলক সন্তুষ্ট কৰিবৰ বাবে উৰম্ আপিন উই আৰু তালীং উই পূজা পাতিছিল। তালীং উই হৈছে ওপৰ দেৱতা। আঃচি উই বা পৌজাব উই হৈছে জল দেৱতা। ওপৰ দেৱতাক ৰঙা-বগা কুকুৰাৰে, জলদেৱতাক হাঁহেৰে পূজা দিয়া নিয়ম। গাঁৱৰ পৰা দেও-ভূত আঁতৰ কৰিবৰ বাবে চাং কোবাই দবুৰ পূজা দিয়া হয়। প্ৰজনন শক্তিৰ প্ৰতীক মাইকী গাহৰি বধ কৰি শস্য বৃদ্ধিৰ মানসেৰেও দবুৰ পূজা পতা হয়।

মিচিংসকলৰ অন্যান্য উয়ু অৰ্থাৎ পূজা-পাৰ্বণ, সকাম-নিকাম বা লোকাচাৰসমূহ হৈছে- উৰম-পঃচুম(উপৰিপুৰুষ বা গোত্ৰ পূজা), গুঃমৃন-চঃয়িন(ইন্দ্ৰ পূজা), ৰগুম্ বা বাঃমুদ উয়ু(আত্মাৰ পুনৰানয়ন পূজা-পাৰ্বণ), ৰৃষ্টং উয়ু(শনি পূজা), কুমচু বাঃমুদ(লখিমী পূজা), কাঃনি পান্(গো-পূজা), পৃদেঃ (শুচি ভঙা পাৰ্বণ), পুচ্‌কৰ(পুহকৰ সকাম) ইত্যাদি। আন

কেইটামান লোকাচাৰ বা পূজা-পাৰ্বণ হৈছে- জংচাগ্ বা কচাগ(ভগবান বা দেৱতাৰ নামত ভক্তিভাবে আগ কৰা নৈবেদ্য), তাগিৰ কাংনাম্(মংগল চোৱা), দদ্গাং(কাজ) ইত্যাদি।

**খ) দ্বিতীয় স্তৰ**

'নেফা'ৰ পৰা আহি অসমত বসবাস কৰিবলৈ লোৱা সময়ৰ পৰা বৰ্তমানলৈকে প্ৰচলিত হৈ থকা ধৰ্মীয় ধাৰাটিক মিচিং ধৰ্ম-বিশ্বাসৰ দ্বিতীয় স্তৰ আখ্যা দিব পৰি। এই স্তৰত দুই প্ৰকাৰৰ ধৰ্মীয় ধাৰা পোৱা যায়—

ক) প্ৰাচীন ধৰ্ম ধাৰা

খ) হিন্দু ধৰ্ম ধাৰা

মিচিংসকলৰ প্ৰাচীন ধৰ্ম-বিশ্বাসৰ ধাৰাটি এই সময়ছোৱাটো পূৰ্বৰ দৰেই বৰ্তি থাকিল। (এই সম্পৰ্কে ইতিপূৰ্বে (ক) প্ৰথম স্তৰত আলোচনা কৰা হৈছে)

দ্বিতীয় ধাৰাটো হৈছে হিন্দু ধৰ্ম আধাৰিত। অসমলৈ প্ৰব্ৰজন কৰাৰ পিছত তেওঁলোকে এই ধৰ্মীয় বিশ্বাসৰ প্ৰতি আগ্ৰহান্বিত হয়। মিচিং সমাজত হিন্দু ধৰ্মৰ তিনিটা পন্থৰ আচাৰ-ৰীতিয়ে প্ৰভাৱ বিস্তাৰ কৰে ঃ ব্ৰাহ্মণ্যবাদী(বলি-বিধান আৰু পূজা-পাৰ্বণ আদিত বিশ্বাস), বৈষ্ণৱবাদী (নাম-প্ৰসংগ, কীৰ্তন-ভাগৱ পাঠ আদিত বিশ্বাস) আৰু ভকতীয়া বা কেৱলীয়া আচাৰ-ৰীতি। ভকতীয়া আচাৰ-ৰীতিক ভকতীয়া সকাম বা পকা সকাম বা পকা উই বুলিও কোৱা হয়। এই ধাৰাত প্ৰাচীন মিচিং ধৰ্মৰ উপাদান থাকিলেও মূলতঃ ই হিন্দুধৰ্ম-আধাৰিত।

আনহাতে, যিবোৰ সকাম-নিকাম বা মাংগলিক-কৰ্ম প্ৰাচীন মিচিং ধৰ্মৰ নীতি-নিয়মৰ মতে সমাপন কৰা হয় সেইবোৰক 'কেঁচা সকাম' বা 'কেন্চা উই' আৰু যিবোৰ ভকতীয়া পন্থাৰে সমাপন কৰা হয় সেইবোৰক 'পকা সকাম' বা 'পকা উই' বুলি সম্প্ৰতি মিচিং সমাজত কোৱা দেখা যায়।

তদুপৰি, ভকতীয়া সকাম বা আচৰণ পদ্ধতিত দুটা ৰূপ দেখা যায় ঃ এটা অগুপ্ত বা প্ৰকাশ্য আচৰণ আৰু আনটো গুপ্ত আচাৰ পদ্ধতি। ভকতীয়া আচাৰ-ৰীতিৰে সমাপন কৰা সকাম-নিকামটোৱেই অগুপ্ত বা প্ৰকাশ্য আচাৰ পদ্ধতি। কিন্তু গুপ্ত আচাৰ পদ্ধতি ৰাতিহে সমাপন কৰা হয়। এয়াও লোক-চক্ষুৰ অলক্ষিতে। সেয়ে, এই পদ্ধতিক ৰাতি খোৱা বা ৰাতি সেৱা প্ৰথা বুলিও কোৱা হয়। ইয়াক গুপুত ধৰ্ম, কেৱল বা কেৱলীয়া ধৰ্ম, অৰীতিয়া, অময়া ভকতি ধৰ্ম নামেৰেও জনা যায়।

মিচিং সমাজত প্ৰচলিত হৈ থকা পূজা-পাৰ্বণসমূহ তেওঁলোকৰ লোক-বিশ্বাস আধাৰিত। কিছুমান পূজা-পাৰ্বণ গাঁও ভিত্তিত পালন কৰা হয় যদিও বেছিভাগ পূজা-পাৰ্বণেই পৰিয়াল ভিত্তিত পালন কৰা হয়।

৪.৫ **বিবাহ-ৰীতি**

বিবাহক মিচিংসকলে 'মিদাং' বোলে। সামগ্ৰিকভাৱে মিচিং বিবাহ-ৰীতিক চাৰি প্ৰকাৰত বিভক্ত কৰিব পাৰি- দুগ্চুল লাংনাম, কাংদেপ লাংনাম, মিদাংপ লাংনাম আৰু চলা লাংনাম।

গান্ধৰ্ব বিবাহেই মিচিঙৰ 'দুগ্চুল লাংনাম' বিবাহ। দুগ্চু মানে লুকাই-চুৰকৈ। কাংদে মানে দেখা-দেখিকৈ। দুয়োপক্ষৰ মতত অনুষ্ঠিত বিবাহেই কাংদেপ লাংনাম বিবাহ। সচৰাচৰ হিন্দু বা আন সমাজৰ বিয়াৰ দৰে সমূহ ৰাইজৰ উপস্থিতিত অনুষ্ঠিত বিবাহকে মিংদাপ লাংনাম বিবাহ বুলিব পাৰি। 'কাংদে' বিয়াত ঘৰৰ বা পৰিয়ালৰ মানুহেহে অংশগ্ৰহণ কৰে, কিন্তু 'মিদাং' বিয়াত যিকোনো মানুহেই অংশগ্ৰহণ কৰিব পাৰে। কেতিয়াবা কইনাৰ অমততো বিয়া পাতে ; ইয়াকে 'চলা লাংনাম' বিয়া বোলে। চলা বা চনাম মানে টনা; সেয়ে, 'চলা লাংনাম' মানে কন্যাৰ অমত সত্বেও জোৰ কৰি কন্যাক টনা-টনি কৰি হ'লেও অনুষ্ঠিত কৰা বিবাহ।

৪.৬ **সমাজ-সাংস্কৃতিক দিশ**

৪.৬.১ **সাজ-পাৰ**

মিচিং জনগোষ্ঠীৰ পুৰুষসকলে পৰিধান কৰা সাজ-পাৰসমূহৰ ভিতৰত গালুক, লুগ্ৰ', মিবু গালুক, দুমীৰ, জিন্ৰীগ, উগন, গন্ৰ' বা গন্ৰ' উগন, গন্য়াপ্ (ধূতিৰ ফলা অংশৰে ব্যৱহাৰ কৰা কাপোৰ), গন্ক'(পুৰণি ধূতি) আৰু ঔৰ্তৌগ

উল্লেখযোগ্য। ‘গালুক’ হৈছে পুৰুষসকলে সচৰাচৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা চোলা। ‘লুগ্‌ৰ’ও এবিধ চোলা; কিন্তু ইয়াক পৰম্পৰাগত উৎসৱ-পাৰ্বণতহে পুৰুষসকলে পৰিধান কৰে। ‘আঁৰ্‌তাঁগ’ মাফ্‌লাৰৰ ৰূপত ব্যৱহাৰ কৰে। মূৰত পাগুৰি হিচাপে ‘দুমাঁৰ’ ব্যৱহাৰ কৰাৰ উপৰিও অসমীয়া গামোচাৰ দৰে ইয়াক অনেক কামতো ব্যৱহাৰ কৰা হয়। ‘মিবু গালুক’ মাংগলিক কৰ্মত পুৰোহিতে পৰিধান কৰা এবিধ চোলা। ‘জিন্‌ৰাঁগ’ পুৰুষসকলে কঁকালৰ টঙালি হিচাপে ব্যৱহাৰ কৰে। ‘উগন’ হৈছে ঘৰুৱা আৰু সামাজিক জীৱনত পুৰুষসকলে পৰিধান কৰা ধুতি। গন্‌ৰ’ উগন বা গন্‌ৰ’ও এবিধ ধুতি; কিন্তু পৰম্পৰাগত উৎসৱ-পাৰ্বণতহে এই সাজবিধ পৰিধান কৰা হয়।

মিচিং সমাজৰ মহিলাসকলে পৰিধান কৰা সাজ-পাৰসমূহৰ ভিতৰত এগেঃ, গাচৰ, ৰিঃবি, গেৰঃ বা চাঁগ্‌ৰাঁংগ বা পতালি, আত্‌তুং আৰু কঃ নাঁচাগ বিশেষভাৱে উল্লেখযোগ্য। ‘এগেঃ’ হৈছে মহিলাসকলে সচৰাচৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ‘মেখেলা’। ‘গাচৰ’ চাদৰৰ দৰে মহিলাসকলে ব্যৱহাৰ কৰে। ‘ৰিঃবি’ বুকুত মেৰিওৱা এবিধ চাদৰ। কঁকালৰ পথালি হিচাপে ‘গেৰঃ’ ব্যৱহাৰ কৰা হয়। ‘কঃ নাঁচাগ’ হৈছে ধাই বা মাকে কেঁচুৱাক বোকোচাত ল’বৰ বাবে ব্যৱহাৰ কৰা এবিধ কাপোৰ। ‘আত্‌তুং’ হৈছে এবিধ উকা টুকুৰা কাপোৰ, ইয়াক মহিলাসকলে ঘৰুৱা কাম-বন কৰোঁতে কঁকালত মাৰি লয়।

মিচিংসকলৰ এবিধ অতি প্ৰাচীন পৰম্পৰাগত সাজ-পাৰ হৈছে ‘গাদু’। এইবিধ কাপোৰক ‘মিৰি জিম’ বুলিয়ে বহুতে জানে। ইয়াক কপাহৰ পৰা তৈয়াৰ কৰা হয়।

৪.৬.২ **আ-অলংকাৰ**

মিচিংসকলে অতীজৰে পৰাই বিবিধ আ-অলংকাৰ পৰিধান কৰি আহিছে। তেওঁলোকৰ বেছি সংখ্যক অলংকাৰেই ৰূপেৰে নিৰ্মিত। তদুপৰি সোণ আৰু কাঠেৰে নিৰ্মিত অলংকাৰো পৰম্পৰাগতভাৱে পৰিধান কৰি আহিছে।

মিচিং পুৰুষে পৰিধান কৰা অলংকাৰসমূহৰ ভিতৰত দগ্‌নী, তাদগ্‌, অন্‌চাৰ্‌মৰা বা গামখাৰু আৰু কংগেৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

‘তাক্‌পৰ’- অতি প্ৰাচীন কালৰে পৰা কাণত ব্যৱহাৰ কৰি অহা এবিধ পৰম্পৰাগত কাঠৰ ফুলি। দুবছৰীয়া ল’ৰা-ছোৱালীৰ কাণ বিন্ধোৱা প্ৰথা মিচিংসকলৰ পুৰণি ৰীতি-নীতি। দুবছৰ হ’লেই তেওঁলোকক এই ফুলিটো পিন্ধোৱা হয়। ঠাই ভেদে ডাঙৰ বয়সৰ লোকেও পিন্ধে। পাতলীয়া কাঠ বা মেগেলা গছৰ ঠাৰি কাটি এই অলংকাৰবিধ তৈয়াৰ কৰা হয়।

মহিলাসকলে ব্যৱহাৰ কৰা অলংকাৰসমূহৰ ভিতৰত কেইটামান হ’ল ঃ তাক্‌পৰ, চন্দৰং, বাৰ্‌তাপ, দক্‌চিৰি, ইকলি, গলপতা, মাদলি, অন্‌চাৰ মৰা, ‘কংগে’, ‘কৰ্‌দনি’ আৰু ‘গামখাৰু।’

৪.৬.৩ **লোক-নৃত্য**

মিচিং লোক-নৃত্যক কেইবাটিও ভাগত বিভক্ত কৰিব পৰা যায়- ক) পাক্‌চ’ চঃনাম, খ) মিবু চুম্‌নাম, গ) লত্তা চঃমান, ঘ) নিঃতম চঃমান, ঙ) য়াপা চঃমান, চ) পেম্পা চঃমান, ছ) আঁজুক তাপুং চঃমান, জ) দৃৰ্‌বৃ চঃনাম ঝ) দাঁম্‌য়াৰ চঃনাম আৰু ঞ) উন্‌চৰি চঃনাম

‘লত্তা চঃমান’ হৈছে চোতালত সচৰাচৰ সমূহীয়াকৈ প্ৰদৰ্শন কৰা মিচিং লোকনৃত্য। এই নৃত্যৰ বিভিন্ন প্ৰকাৰ পোৱা যায়। অই নিঃতম গাই পৰিৱেশন কৰা নৃত্যৰ নামেই ‘নিঃতম চঃমান।’

পেঁপা বজাই পৰিৱেশন কৰা নৃত্যই ‘পেম্পা চঃমান।’ এই নৃত্যত পেঁপুৱাই পেঁপাটো ঘূৰি ঘূৰি বজায় আৰু নাচনীয়ে তেওঁৰ লগত ঘূৰি ঘূৰি নাচে। চোতালত বা চাঙৰ ওপৰত বা মুকলি ঠাইত কৰা লোকনৃত্যই ‘য়াপা নৃত্য।’ হাত চাপৰিক বাদ্য হিচাপে অৱলম্বন কৰি এই নৃত্য প্ৰদৰ্শন কৰা হয়। আঁজুক তাপুং নামৰ বাদ্যৰ সহায়ত কৰা নৃত্যই ‘আঁজুক তাপুং’ নৃত্য।

‘দৃৰ্‌বৃ চঃনাম’ বা ‘কৃষ্টি চঃনাম’ নৃত্যত প্ৰকৃতিৰ অপূৰ্ব ৰূপটো তুলি ধৰা হয়। লোকজীৱনে দৈনিক সম্পন্ন কৰা কাম-কাজক এই নৃত্যত উপস্থাপন কৰা হয়। ‘দাঁম্‌য়াৰ’ নৃত্যত নৃত্য সঞ্চালনৰ অনেক প্ৰকাৰ আছে। এই নৃত্যটি প্ৰদৰ্শন কৰোঁতে যথেষ্ট সময়ৰ প্ৰয়োজন হোৱাৰ বাবে ইয়াক ‘বৰ ধেমালি’ নৃত্য বোলা হয়।

অসমত প্ৰৱেশ কৰাৰ পিছত মিচিং সমাজত আৰু দুবিধ নৃত্যৰ পৰিৱেশন-প্ৰচলন হ’বলৈ ধৰে- ‘উন্‌চৰি’ আৰু

'ৰই্লা' নৃত্য। অসমীয়া বিহু-হুঁচৰিৰ আৰ্হিত মিচিং সমাজত 'উন্‌চৰি' নৃত্যই জন্ম লাভ কৰে। আনহাতে, অসমীয়া-মিচিং মিশ্ৰিত 'ৰই্লা' গীতক কেন্দ্ৰ কৰি পৰিৱেশন কৰা নৃত্যই 'ৰই্লা চঃনাম' নৃত্য। এই নৃত্যৰ লয়ৰ আৰম্ভণি গম্ভীৰ যদিও সামৰণিৰ লয় দ্ৰুত।

দেহভংগীমাৰ কোমলতা মিচিং নৃত্যৰ প্ৰধান বৈশিষ্ট্য।

৪.৬.৪ **লোক-বাদ্য**

প্ৰাচীন কালত মিচিং সমাজত বিভিন্ন প্ৰকাৰৰ লোক-বাদ্যৰ প্ৰচলন আছিল। সেইবোৰ হ'ল- লৌঃনং, মাৰ্‌বাং, দেন্‌দুন, দেন্‌তুক, দীৰকি তাপুং, য়ক্‌চা ইত্যাদি।

মিচিংসকলৰ পুৰণি বাদ্যসমূহৰ ভিতৰত 'দেন্‌দুন' অন্যতম। ইয়াৰ মাত মিঠা আৰু শুৱলা। অই নিঃতম, লেকে নিঃতম আদি গাওঁতে 'দেন্‌দুন' ব্যৱহাৰ কৰা হয়। কেঁচা আগলি বাঁহৰ পাব কাটি নিৰ্মাণ কৰা এবিধ বাদ্য হৈছে 'দুম্‌পাক।' ইয়াক 'দেন্‌তুক' বুলিও কোৱা হয়। ইয়াৰ দীঘ প্ৰায় এফুট।

তাপুং, পেম্পা আৰু তুঃতগ প্ৰাচীন লোকবাদ্যসমূহৰ ভিতৰত অন্যতম। ফুঁ দি এই বাদ্যসমূহ বজোৱা হয়।

ইয়াৰ বাদেও পিঃলি, কেঃকু, বিনয় আৰু দুলুকী আদি কেইবাবিধো লোকবাদ্য মিচিংসকলে বিভিন্ন লোকগীতত ব্যৱহাৰ কৰা দেখা যায়। দুম্‌দুম্( ঢোল), লুঃপি(তাল) আৰু তাক্‌তাক্(টকা) তেওঁলোকৰ লোকবাদ্যসমূহৰ ভিতৰত অন্যতম।

৫.০ **মিচিং লোক-সাহিত্য**

মিচিং লোক-সাহিত্য হৈছে মিচিং সমাজত মুখে মুখে চলি অহা মৌখিক সাহিত্য। যুগ যুগ ধৰি এই সাহিত্য মিচিং সমাজৰ মাজত মৌখিক ৰূপতে প্ৰচলিত হৈ আছে। মিচিং লোক-সাহিত্য ৰচনাৰ প্ৰধান উৎস হৈছে মিচিং লোকজীৱন। মিচিং লোকজীৱনৰ ভাৱ-অনুভূতি, বিশ্বাস-অবিশ্বাস, প্ৰেম-প্ৰণয়, হাঁহি-অশ্ৰু, আনন্দ-বিষাদ, সুখ-দুখ আৰু জ্ঞান-অভিজ্ঞতাৰ প্ৰকাশেই মিচিং লোক-সাহিত্য।

মিচিং লোক-সাহিত্যক চাৰিটা বহল ভাগত বিভক্ত কৰিব পৰা যায়—১) লোক-বৃত্তান্ত ঃ লেকে দঃয়িং (Folk narratives), ২) প্ৰবাদ-প্ৰবচন ঃ গম্‌য়িৰ বা লুচে-লুকৰ (Proverbs), ৩) সাঁথৰ ঃ চ'লক বা লুকৃত' চা' (Riddles) আৰু ৪) লোকগীত ঃ নিঃতম (Folk songs)

৫.১ **মিচিং লোক-বৃত্তান্ত বা সাধুকথা ঃ লেকে দঃয়িং** (Folk narratives)

লোক-সাহিত্যৰ এক উল্লেখযোগ্য বিভাগ হৈছে লোক-বৃত্তান্ত বা সাধুকথা।

সাধুকথাৰ দুটা বিশিষ্ট লক্ষণ দেখা পোৱা যায় - পৰম্পৰামুখিতা আৰু মুখ নিৰ্ভৰতা। সাধুকথাৰ কোনো লিখিত ৰূপ নাই। মুখেই সাধু কথাৰ একমাত্ৰ বাহন। সেয়ে সাধুকথা মুখ নিৰ্ভৰ লোক-সাহিত্য। আনহাতে, চহা, নিৰক্ষৰ লোকেই সাধুকথাৰ নিৰ্মাতা। কালৰ পৰিসীমা অতিক্ৰম কৰি সাধুকথা মানুহৰ মুখে মুখে চলি আহিছে পৰম্পৰাগতভাৱে। শিশুমনৰ কৌতুহল জাগ্ৰত কৰাই সাধুকথাৰ প্ৰধান উদ্দেশ্য।

যুগ যুগ ধৰি মিচিং সমাজত কাহিনী নিৰ্ভৰ এক শ্ৰেণী লোক সাহিত্য মৌখিক ৰূপত প্ৰচলিত হৈ আছে। পৰম্পৰাগতভাৱে মানুহৰ মুখে মুখে প্ৰচলিত হৈ থকা এই শ্ৰেণীৰ লোক সাহিত্যক মিচিং ভাষাত 'আগেঃলক দঃয়িং' বা 'লেকে দঃয়িং' বুলি কোৱা হয়। মিচিং 'লেকে দঃয়িং' অসমীয়া 'সাধুকথা'ৰ সমাৰ্থক। ইংৰাজী 'Tale' বা অসমীয়া 'সাধুকথা'ই বহন কৰা অৰ্থই মিচিং 'আগেঃলক দঃয়িং' বা 'লেকে দঃয়িং' শব্দই বহন কৰে।

মিচিংসকলৰ লোক-বৃত্তান্ত বা লেকে দঃয়িঙত এই লোক-সাহিত্য কেইবিধক অন্তৰ্ভুক্ত কৰিব পৰা যায়-

ক) পুৰা-কথাঃ দঃয়িং(myth)

খ) জনশ্ৰুতিমূলক কাহিনী ঃ ৰাঁঙাম দঃয়িং(legend) আৰু

গ) সাধুকথাঃ লেকে দঃয়িং বা আগেঃলক দঃয়িং(tale)

**পুৰাকথাঃ দঃয়িং** (Myth)

পুৰাকথাক 'পুৰাণ কথা', 'পুৰাবৃত্ত' আৰু 'অতিকথা' বুলিও কোৱা হয়। ইংৰাজী 'মিথ'(myth) শব্দটো লেটিন

'মিথাজ' (mithas), গ্ৰীক 'মিথজ' (mithos) আদি শব্দৰ পৰা উদ্ভৱ হৈছে। 'মিথজ' শব্দৰ গূঢ়াৰ্থ কাহিনী বা কথা। মিথৰ কাহিনীবোৰ প্ৰাচীন, পৌৰাণিক।

মিথ বা পুৰাকথা শ্ৰেণীৰ সাধুক মিচিংসকলে 'দঃয়িং' বা 'দঃযৃং'[৩৩] বোলে। মিচিং পুৰাকথা বা 'দঃয়িং'বোৰত বৰ্ণনা কৰা কাহিনীবোৰ কোনোবা দূৰ অতীতত সংঘটিত সঁচা কাহিনী বুলিয়ে মিচিং সমাজত বিশ্বাস কৰে। এইবিলাক কাহিনী মৌখিক ৰূপত মিচিং সমাজত পৰম্পৰাগতভাৱে যুগে যুগে প্ৰচলিত হৈ আছে। জীৱজগত, দেৱতা-অপদেৱতা, দেৱী-অপদেৱী আদিৰ সৃষ্টি, বিজুলী-ঢেৰেকনি, ধান, চৰাই-চিৰিকতিৰ জন্ম কাহিনী 'দঃয়িং'ৰ মূল বিষয়বস্তু। দেৱতা আৰু মানুহৰ মাজত কাজিয়া, মিগো মিমাত ভূতৰ জন্ম-কাহিনী, জলদেৱতা-থলদেৱতাৰ কাহিনী, উৎসৱ অনুষ্ঠানৰ জন্ম-কাহিনী, ধৰ্মীয়-পূজা উপাসনাৰ কাহিনী দঃয়িংবোৰত বৰ্ণিত হয়। দঃয়িংবোৰত বৰ্ণিত কাহিনীৰ প্ৰতি মিচিং লোকৰ অগাধ শ্ৰদ্ধাভাৱ আৰু গভীৰ ভক্তিভাৱ দেখা যায়। 'মিগো মিমাত্কৌ দঃয়িং' নামৰ সাধুত দেও-ভূতৰ জন্ম বৃত্তান্ত পোৱা যায়। একেদৰে, 'মিবু কাপী ইকান' নামৰ সাধুত মিচিং পুৰোহিত 'মিবু'ৰ জন্ম কাহিনী পোৱা যায়।

**জনশ্ৰুতিমূলক সাধুঃ ৰৌঙাম দঃয়িং** (Legend)

'ব্যক্তিবিশেষ বা ঠাই বিশেষৰ উৎপত্তিৰ বিষয়ে বৰ্ণনা থকা পৰম্পৰাগত কাহিনীয়ে লেজেণ্ড(legend)।'[৩৬] জনশ্ৰুতিমূলক কাহিনীত বৰ্ণিত ঘটনাৰ সত্যতা নাথাকিবও পাৰে, কিন্তু কওঁতা আৰু শুনোঁতা দুয়োপক্ষই বৰ্ণিত ঘটনাবোৰ সঁচাৰ ওপৰত প্ৰতিষ্ঠিত বুলি ভাবে। ইয়াৰ মূলতে হ'ল অতীতৰ প্ৰতি থকা শ্ৰদ্ধাশীল মনোভাৱ।

জনশ্ৰুতিমূলক কাহিনীত বৰ্ণিত বিষয়বস্তুসমূহ এনেদৰে চিহ্নিত কৰিব পৰা যায়ঃ ৰজা-মহাৰজাৰ কাহিনী, অতীতৰ বীৰ পুৰুষৰ কীৰ্তি-কাহিনী, ইতিহাস, অঞ্চল বা ঠাইৰ উৎপত্তিৰ ইতিহাস, জন-প্ৰব্ৰজন, আঞ্চলিক বা স্থানীয় ইতিহাস, লোক পৰম্পৰাগত কাহিনী, যুদ্ধ-বিগ্ৰহ, ভূত-প্ৰেত, দেৱ-দেৱী, অপদেৱতাৰ কাহিনী ইত্যাদি।

জনশ্ৰুতিমূলক কাহিনীক মিচিং ভাষাত কোৱা হয় 'ৰৌঙাম দঃয়িং'। মিচিং ভাষাৰ লিপি কেনেকৈ হেৰাল, চিয়াং নদীৰ নামকৰণ কি দৰে হ'ল, সোণ-ৰূপৰ জখলা বগাই কেনেকৈ মিচিংসকল প্ৰব্ৰজিত হ'ল - এইজাতীয় সাধুবোৰ ৰৌঙাম দঃয়িংৰ অন্তৰ্ভুক্ত কৰিব পৰা যায়। মিচিং জাতিৰ প্ৰব্ৰজনৰ লগত জড়িত অনেক জনশ্ৰুতি মিচিং সমাজত প্ৰচলিত হৈ আছে। য়াকা মিৰৌমৰ কাহিনী, কাগ্য়ুং বংশৰ প্ৰব্ৰজনৰ জনশ্ৰুতি, পেগু-দলে বংশৰ সম্বন্ধ বিষয়ক বহু জনশ্ৰুতি মিচিং সমাজত বিদ্যমান। 'দলে আৰু পেগু বংশৰ ঘৰ-নিৰ্মাণ পদ্ধতি কিয় বেলেগ হ'ল' (দলেঔলা পেগু উকুম কাপী আঙুমৃন্চুকান?) জনশ্ৰুতিমূলক সাধু বা ৰৌঙাম দঃয়িঙৰ উৎকৃষ্ট উদাহৰণ।

**সাধুকথাঃ লেকে দঃয়িং** (Tales)

সাধুকথা মানে সজ কথা বা সন্ত সাধুৰ উপদেশ বাক্য। সাধুকথাক মিচিঙত 'লেকে দঃয়িং' বোলা হয়।

মিচিং সমাজৰ জাতীয় আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চিন্তা-কল্পনা, লোক-বিশ্বাস, ধৰ্ম-বিশ্বাস, কৃষ্টি-সংস্কৃতিৰ মনোৰম বৰ্ণনা পোৱা যায় লেকে দঃয়িঙত। এইবিলাকৰ ভেটিতে লেকে দঃয়িঙৰ প্ৰকৃত স্বৰূপ নিৰ্ণয় কৰিব পৰা যায়। শিষ্টাচাৰ, সৎ-উপদেশ আৰু নীতি শিক্ষা দিয়াই সাধুকথা ৰচনাৰ মূল উদ্দেশ্য।

দঃয়িং বা মিচিং সাধুবোৰ ঠাইভেদে অলপ বেলেগ বেলেগ ধৰণেও কয়। সম্ভৱতঃ সাধুবোৰ লিখিত ৰূপত নথকা বাবে মুখে মুখে চলি অহা কাহিনীবোৰ ইকাণ-সিকাণকৈ মুখ বাগৰি আহি এনে হয়; যাৰ ফলত একেটা সাধুৰে ভিন্ন ৰূপ দেখা যায়।

ইংৰাজী 'Folktale'ৰ পটভূমি আৰু অসমীয়া 'সাধুকথা'ৰ পটভূমি যিদৰে পৃথক- দুয়োটাৰ পৰা 'মিচিং লেকে দঃয়িং' বা 'আগেঃল'ক দঃয়িং'ৰ পটভূমিও পৃথক। মিচিং সাধুকথাৰ পটভূমি মিচিং লোক-সমাজ। মিচিং সমাজ পাহাৰ, অৰণ্য, নদী পাৰ আৰু সমভূমিত বসবাস কৰাৰ বিচিত্ৰ অভিজ্ঞতাৰে পৰিপুষ্ট। সেইদৰে চিকাৰভিত্তিক জীৱন আৰু কৃষিভিত্তিক জীৱন প্ৰণালীৰ লগতো তেওঁলোকৰ সম্পৰ্ক নিবিড়। মিচিং লোকজীৱনৰ অভিজ্ঞতা, চিন্তা-দৰ্শন, আবেগ-অনুভূতি, বিশ্বাস- অন্ধবিশ্বাসৰ আধাৰতে তেওঁলোকৰ সাধুকথাবোৰৰ জন্ম। চিকাৰ প্ৰাপ্তিৰ আনন্দত চিকাৰৰ অভিজ্ঞতাৰ বৰ্ণনা হয়তো কোনো এজন লোকে প্ৰথমে বৰ্ণনা কৰিছিল আৰু ইয়ে ইমুখৰ পৰা সিমুখলৈ বাগৰি আহি বৰ্তমানৰ ৰূপ

লাভ কৰে। মিচিং সাধুকথাবোৰ মিচিং জাতীয় চিন্তাৰ প্ৰতিফলন। মিচিং সামাজিক ইতিহাস, লোক-জীৱনৰ আবেগ, লোক জীৱনৰ বিশ্বাস মিচিং সাধুকথাত পোৱা যায়।

মিচিং সমাজত প্ৰচলিত অতি জনপ্ৰিয় কেইটামান সাধু হ'ল- 'উই তানিক দঃয়িং' (যখ আৰু মানুহ), 'হলৌ বান্দৰৰ জন্ম কেনেকৈ হ'ল' (চিবেঅী কাপী ইকান), 'চিবেল'ক্কী ইই্যাপুক কাপিল কাতীকুমান' (বান্দৰৰ ধনুকাঁড় নোহোৱা হ'ল কিয়), 'ইকিকীলা চুম্য়কী দঃয়িঙী' (কুকুৰ আৰু বাঘ), 'মিগ্‌লুকীলা পৃগৃত্‌কী দঃয়িং' (কণা আৰু কুঁজাৰ সাধু) আৰু 'চিবেকীলা ৰাংকব্‌কী দঃয়িং'(বান্দৰ আৰু দুৰাকাছ)। সামগ্ৰিকভাবে বিচাৰ কৰিলে দেখা যায় যে মিচিংসকলৰ জাতীয় জীৱনৰ চিন্তা-দৰ্শনৰ প্ৰতিচ্ছবিৰ প্ৰতিফলনেৰে তেওঁলোকৰ লোক বৃত্তান্ত বা সাধুবোৰ সমৃদ্ধ।

**৫.২ প্ৰবাদ-প্ৰবচন (ফকৰা-যোজনা-পটন্তৰ) ঃ গম্‌য়িৰ বা লুপঃ-লুজাৰ** (Proverbs)

ফকৰা, যোজনা, পটন্তৰ আৰু লোকবচন- এই আটাইবোৰক একেলগে বহল অৰ্থত প্ৰবাদ-প্ৰবচন বুলি ক'ব পৰা যায়। ইংৰাজী Proverb শব্দৰ অসমীয়া প্ৰতিশব্দ হৈছে প্ৰবাদ বা প্ৰবচন। Proverb শব্দটো আহিছে লেটিন ভাষাৰ Proverbium শব্দৰ পৰা। ই এক পৰম্পৰাগত যুক্তিপূৰ্ণ উক্তি। উক্তিবোৰ সংক্ষিপ্ত আৰু বুদ্ধিনিষ্ঠ।

প্ৰবাদ-প্ৰবচনৰ মিচিং প্ৰতিশব্দ 'গম্‌য়িৰ'। 'গম্‌য়িৰ'ৰ কেইবাটিও ক্ষুদ্ৰ ক্ষুদ্ৰ ভাগ পোৱা যায়। সেইবোৰ হ'ল— লুচক(ফকৰা), আগম-লীতৃগ(যোজনা) আৰু লুপ'-লুজাৰ(পটন্তৰ) ইত্যাদি। এই ক্ষুদ্ৰ বিভাগবোৰৰ মাজত বাস্তৱ ক্ষেত্ৰত বৈসাদৃশ্য পৰিলক্ষিত নহয়। সেইয়ে, সামগ্ৰিক ৰূপত এইবোৰক 'গম্‌য়িৰ' বা প্ৰবাদ-প্ৰবচন বুলি নামকৰণ কৰিব পৰা যায়। কাৰণ, এই আটাইবোৰ সাহিত্যৰ সৃষ্টিৰ উৎস, অৰ্থ আৰু উদ্দেশ্য একেই। গম্‌য়িৰ ৰচনাৰ মূলতে জ্ঞান প্ৰদান। সেয়ে, লোক-প্ৰজ্ঞাৰ সূক্ষ্ম সমষ্টিয়ে হৈছে 'গম্‌য়িৰ'বোৰ। 'গম্‌য়িৰ'ৰ অন্তৰালত যুগ-যুগান্তৰৰ সঞ্চিত জ্ঞান আৰু অভিজ্ঞতাৰ ইতিহাস নিহিত হৈ আছে। 'গম্‌য়িৰ' শব্দটো 'আগম' আৰু 'লুয়িৰ' শব্দৰ সংযুতি। আগম মানে কথা, বচন বা বাণী; লুয়িৰ মানে উপদেশ, দিহা, পৰামৰ্শ, জ্ঞান। সেইয়ে, গম্‌য়িৰ মানে উপদেশ, জ্ঞানপূৰ্ণ কথা বা বাণী। এইবিলাকৰ ৰচয়িতাৰ নাম নাথাকে। 'বাস্তৱ জীৱনৰ পৰা অনেকজনে সংগ্ৰহ কৰা অভিজ্ঞতা আৰু প্ৰজ্ঞাক এজনৰ যোগেদি প্ৰকাশ কৰা সাৰ কথাই প্ৰবাদবাক্য বা 'গম্‌য়িৰ'।' গম্‌য়িৰৰ যোগেদি কেতিয়াবা ভাল-বেয়া কামৰ তুলনা কৰা হয়। গম্‌য়িৰবোৰ নীতি-বচন আৰু উপদেশমূলক। সংক্ষিপ্ত আৰু ৰূপকধৰ্মিতা 'গম্‌য়িৰ'ৰ অন্যতম লক্ষণ। 'গম্‌য়িৰ' বা মিচিং প্ৰবাদবোৰ চুটি চুটি বাক্যৰে নিৰ্মিত; কিন্তু কথাবোৰ তত্ত্বগধুৰ। 'গম্‌য়িৰ'বোৰ লোক-প্ৰজ্ঞাৰ ভঁৰাল। মিচিং লোক-সাহিত্যৰ এইবোৰ একো একোটা অমূল্য সম্পদ।

মিচিং প্ৰবাদবোৰ একো একোটা সাৰগৰ্ভ মতামতৰ নিচিনা। প্ৰবাদবোৰত বিভিন্ন বিষয় আৰু দিশ সম্পৰ্কে মন্তব্য পোৱা যায়। এই মন্তব্যবোৰ হ'ল- স্বভাৱ-চৰিত্ৰ সম্পৰ্কে, আচাৰ-আচৰণ সম্পৰ্কে, শাসন বা অনুশাসন সম্পৰ্কে, কপাল-দুৰ্কপাল-ভাগ্য-দুৰ্ভাগ্য সম্পৰ্কে, প্ৰলোভন সম্পৰ্কে, ভুল সিদ্ধান্তৰ পৰিণাম সম্পৰ্কে, সৰু-বৰ মানুহৰ আচৰণ আৰু স্বভাৱ সম্পৰ্কে, লক্ষ্যহীন জীৱনৰ ফল সম্পৰ্কে, উচ্চাকাংক্ষা-দুৰাকাংক্ষা সম্পৰ্কে ইত্যাদি। তদুপৰি, মিচিং চহা কবিয়ে যিকোনো বিষয়, যিকোনো কামৰ কুফল-সুফল সম্পৰ্কে ফকৰাৰ যোগেদি প্ৰকাশ কৰে। তেনে কেইটামান বিষয় হ'লঃ অপৰিকল্পনাৰে কৰা কামৰ কুফল, অধিক আসৈ দিয়াৰ কুফল, কথা চহকী মানুহৰ স্বভাৱ, অন্ধ অনুকৰণৰ কুফল, অসতৰ্কতাৰ কুফল, অপযশ ৰচনাৰ আঁৰৰ কথা, জ্ঞানশূন্যতাৰ অক্ষমতা, হীনভাৱৰ মূল্যহীনতা, কৃত্ৰিম আচৰণৰ অন্তঃসাৰশূন্যতা ইত্যাদি।

ন-চহকীৰ সন্দৰ্ভত 'গম্‌য়িৰ'ত পোৱা যায়-

'পিল্লাম ইচ্‌ঙীম লত্তাল লেয়' / আনু মিৰীমীম আজন জন্‌য়'।'

(চোতালত বগৰী নুৰুবা, ন-চহকীৰ সংগ নল'বা।)

ইয়াৰ অৰ্থ হ'ল কাঁইটীয়া বগৰী গছ চোতালত ৰুব নালাগে। কিবা কামত যাত্ৰাৰ সময়তে গিৰিহঁতকে বগৰী গছৰ কাঁইটে আলাই-আথানি লগাব পাৰে। একেদৰে, নতুনকৈ চহকী হোৱা মানুহৰ লগতো কোনো ধৰণৰ লেন-দেন কৰিব নালাগে। যিহেতু, ন-ধনী মানুহে যিকোনো সময়তে ইতিকিং কৰিব পাৰে বা লাজ বা অস্বস্তিত পেলাব পাৰে। সেয়ে, চোতালত বগৰী ৰুৱা আৰু ন-ধনীৰ সৈতে বন্ধুত্ব স্থাপন কৰা একে কথা; দুয়োটাতে বিপদ আছে।

আন এটা প্ৰবচনত কথা-চহকী সন্দৰ্ভত কৈছে-

'লুপীমানীম লুন্‌নী /পিয়্যাঃ গগাঃচুন্‌নী।'

(অকথ্য কওঁতা, জগৰ গোটাই লওঁতা।)

স্থান-কাল-পাত্ৰভেদে কথা ক'ব নজনা মানুহ আৰু শনি লগা মানুহ একেই। এই দুইবিধ মানুহেই নিজৰ বিপদ নিজে চপাই আনে। সেয়ে, দুয়োবিধ মানুহৰ কোনো দিনাই বিপদ-আপদ নুগুচে।

মিচিং প্ৰবাদ-প্ৰবচনবোৰ অভিজ্ঞতালব্ধ জ্ঞানৰ সাৰগৰ্ভ প্ৰকাশ। দীৰ্ঘদিনৰ সঞ্চিত অভিজ্ঞতাক প্ৰবাদ-প্ৰবচনৰ ৰূপত প্ৰকাশ কৰা কাৰণে এই শ্ৰেণী মিচিং লোক-সাহিত্যৰ বিষয়বস্তুৰ পৰিধি বিস্তৃত। যিকোনো পৰিৱেশ-পৰিস্থিতিৰ অভিজ্ঞতাৰ ভেটিত মিচিং প্ৰবাদ-প্ৰবচনবোৰ ৰচিত হোৱা কাৰণে মানৱ জীৱনৰ সৈতে জড়িত যিকোনো বিষয়েই ইয়াৰ বিষয়বস্তু হ'ব পাৰে।

**৫.৩ সাঁথৰঃ য়েন্নী আগম** (Riddle)

মিচিং সাঁথৰ বা য়েন্নী আগমবিলাকক এক ধৰণৰ ফকৰা বুলিয়ে ক'ব পৰা যায়। দুয়ো শ্ৰেণী সাহিত্যৰ এটা সাদৃশ্য হ'ল সমাধান সূত্ৰৰ সন্ধান। পাৰ্থক্য এইখিনিতে যে ফকৰাৰ অৰ্থ ভকতীয়া আৰু সাঁথৰৰ অৰ্থ বা সমাধান ঐহিক আৰু সাধাৰণ। ফকৰাই পাৰমাৰ্থিক অৰ্থক প্ৰাধান্য দিয়ে আৰু সাঁথৰে লৌকিক আৰু সাধাৰণ বিষয়ক প্ৰাধান্য দিয়ে।

মিচিং সাঁথৰ বা য়েন্নী আগমবিলাক একোটাহঁত বুদ্ধিৰ ধেমালিৰ নিচিনা। উদাহৰণ হিচাপে এই সাঁথৰটো ল'ব পাৰি-

'চুম্‌য়ম্‌পী চুম্‌দাগ ইকিয়েম্‌পী দুঃদাগ,

ইলৃঙীম্‌পী জৃঙাঃদাগ গিন্‌মুৰীম্‌পী পুঃচাঃদাগ।' -তাতৃগ

(বাঘৰ দৰে জপিয়াই কুকুৰৰ দৰে বহে, শিলৰ দৰে ডুবি যায় তুলাৰ দৰে উৰে - ভেকুলী)

শব্দৰ মায়াজালেৰে সাঁথৰ বা য়েন্নী আগমবিলাক প্ৰস্তুত কৰা হয়। উত্তৰদাতাক বিবুধিত পেলোৱাই ইয়াৰ মূল উদ্দেশ্য। সেয়ে, য়েন্নী আগমৰ বিষয়বস্তু আধা আলো আধা ছাঁৰ ৰূপত উপস্থাপন কৰা হয়। অস্পষ্ট কথাবস্তু য়েন্নী আগমৰ অন্যতম দিশ। মিচিং সাঁথৰত উপস্থাপিত বিষয়বোৰ বিভিন্ন ধৰণৰ হ'ব পাৰেঃ নদ-নদী, জীৱ-জন্তু, গছ-গছনি, চৰাই-চিৰিকতি, পোক-পৰুৱা, ফুল-ফল, ডাল-পাত, বাদ্যযন্ত্ৰ, বাচন-বৰ্তন, সাঁ-সঁজুলি, আকাশ, তাৰকামণ্ডলী, দেও-ভূত ইত্যাদি।

য়েন্নী আগমে সমসাময়িক ঘটনাবোৰ ধৰি ৰাখে। এই ঘটনাবোৰৰ আঁৰত মিচিংসকলৰ ইতিহাস জড়িত হৈ আছে। অন্যাৰ্থত মিচিংসকলৰ ইতিহাস য়েন্নী আগমৰ মাজেদিও পাব পৰা যায়। য়েন্নী আগমৰ ইয়ো এক প্ৰধান বৈশিষ্ট্য।

**৫.৪ মিচিং লোকগীত**

মিচিং লোক-সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰা এটা বিশাল বিভাগ হ'ল মিচিং লোক-গীত। লোক-গীতিবিলাক মিচিং সমাজৰ অমূল্য সম্পদ। লোকগীতবিলাক চহা লোকজীৱন আৰু তেওঁলোকৰ জীৱন, জগত, প্ৰেম, ভালপোৱা সম্পৰ্কীয় ধাৰণাৰ বাংময় ৰূপ। ব্যক্তি জীৱনৰ কল্পনাৰ আঁৰতে নিহিত হৈ থাকে সমাজ জীৱন আৰু সমাজ সম্পৰ্কীয় চিন্তাৰ প্ৰতিচ্ছবি। সমাজ আন একো নহয় - ব্যক্তি জীৱনৰ সমষ্টি মাথোঁ। মিচিং লোকগীতবিলাকত ব্যক্তি বিশেষৰ কল্পনাৰ স্ফূৰণ থাকিলেও সি সমাজৰ উমৈহতীয়া ভাষা আৰু উমৈহতীয়া চিন্তা-দৰ্শনৰ প্ৰকাশ মাথোন। এই উমৈহতীয়া চিন্তা-দৰ্শনৰ অন্তৰ্ভাগতে লুকাই আছে মিচিং লোক-সাহিত্যৰ প্ৰকৃত স্বৰূপ।

মিচিং লোক-গীতক গঠন আৰু বিষয়বস্তুৰ আধাৰত বহলভাৱে ৫ টা শ্ৰেণীত ভাগ কৰিব পৰা যায়—

১) মিচিং অনুষ্ঠান-আধাৰিত লোকগীত

২) মিচিং কথোপকথন-আধাৰিত লোকগীত

৩) মিচিং বিননি-আধাৰিত লোকগীত

৪) মিচিং প্ৰেম আৰু আসক্তি-আধাৰিত লোকগীত

৫) মিচিং বিবিধ বিষয়-আধাৰিত লোকগীত

আনহাতে, এই পাঁচোটা বিভাগৰ প্ৰতিটো বিভাগৰে কেইবাটিও উপ-বিভাগ পোৱা যায়। প্ৰতিটো উপ-বিভাগৰে বিষয়ৰ ভিন্নতা আৰু উপস্থাপন ৰীতিৰ বিশিষ্টতা সুস্পষ্ট।

**৫.৪.১ মিচিং অনুষ্ঠান-আধাৰিত লোকগীত**

মিচিং অনুষ্ঠান-আধাৰিত লোকগীতবোৰ সামাজিক পৰিৱেশত সমূহীয়াভাৱে পৰিৱেশন কৰা হয়। উৎসৱ-পাৰ্বণ, ধৰ্মীয় অনুষ্ঠান, বিয়া-সবাহ আদি সামাজিক পৰিৱেশত এই গীতবিলাক যুগ যুগ ধৰি পৰিবেশন কৰি আহিছে। সেইয়ে এই গীতবিলাকক মিচিং উৎসৱ-পাৰ্বণানুষ্ঠান-আধাৰিত গীত বুলিও ক'ব পৰা যায়।

মিচিং অনুষ্ঠান-আধাৰিত লোকগীতক ৩ টা উপ-বিভাগত বিভক্ত কৰিব পৰা যায়—

(ক) আধ্যাত্মিক বা ধৰ্মমূলক

(খ) উৎসৱ বা ঋতুমূলক

(গ) বিবাহমূলক

আঃবাংবোৰ আধ্যাত্মিক বা ধৰ্মমূলক লোকগীত। মিবু আৰু মিবৃয়ে গোৱা গীতবোৰক আঃবাং নিঃতম বোলা হয়। মিবুৱে গোৱা আঃবাঙক কোৱা হয় 'মিবু আঃবাং' আৰু মিবৃয়ে গোৱা আঃবাঙক কোৱা হয় 'মিবৃ আঃবাং'। সেয়ে আঃবাং দুবিধ - মিবু আঃবাং আৰু মিবৃ আঃবাং।

মিবু-মিবৃ আঃবাংবোৰ মিচিংসকলৰ জীৱন-দৰ্শনৰ বাংময় ৰূপ। জীৱ জগতৰ সৃষ্টি-ৰহস্যৰ কাহিনী আঃবাংবোৰত বৰ্ণনা কৰিছে। ধৰ্ম আৰু আধ্যাত্মিক ধ্যান-ধাৰণাৰ একোটাহঁত আভাস আঃবাঙৰ মাজত পাব পাৰি।

উৎসৱ বা ঋতুমূলক গীতবিলাকৰ বিষয়বস্তু ঋতু-আধাৰিত বা প্ৰকৃতি-আধাৰিত। মিচিংসকলে তেওঁলোকৰ লোক-উৎসৱত কিছুমান গীত পৰিৱেশন কৰে। এই লোক-উৎসৱসমূহ হ'ল পঃৰাগ বা গুম্‌ৰাগ, আম্‌ৰাগ, আলি-আঃয়ে-লৃগাং ইত্যাদি। এই গীতবিলাক কেৱল লোক-উৎসৱতহে গোৱা হয়, অন্য উপলক্ষত গীতবিলাক গোৱা নহয়। উৎসৱ বা ঋতু-আধাৰিত এই লোকগীতবোৰক মিচিং ভাষাত 'বৃঃবৃগ নিঃতম'(বৃঃবৃগ মানে প্ৰকৃতি) বোলা হয়। বৃঃবৃগ বা 'বিৰ্‌দুগ' নিঃতমত প্ৰকৃতিৰ অপৰূপ-ৰূপ আৰু নান্দনিক সৌন্দৰ্য বৰ্ণনা কৰা হয়। মিচিং উৎসৱমূলক বা বৃঃবৃগ নিঃতমবোৰ হ'ল- ৰইলা নিঃতম, লঃলে নিঃতম তথা বিবিধ বৃঃবৃগ নিঃতম।

বিবাহ অনুষ্ঠানক কেন্দ্ৰ কৰি মিচিং সমাজত প্ৰাচীন কালৰে পৰা কিছুমান লোকগীত প্ৰচলিত হৈ আছে। এই গীতবিলাকক 'মিদাং নিঃতম' বোলা হয়।

মিদাং নিঃতমৰ ক্ষেত্ৰত মিচিং সমাজ যথেষ্ট চহকী আছিল। বিয়া-উৎসৱত মিদাং নিঃতমৰ পৰিৱেশন এক পৰম্পৰা আছিল। মিচিং বিয়া নাম বা মিদাং নিঃতমৰ বিষয়বস্তুবোৰ হ'লঃ কইনাক আদৰাৰ প্ৰস্তুতিৰ বৰ্ণনা, দৰাক আদৰাৰ প্ৰস্তুতিৰ বৰ্ণনা, দৰা-কইনাৰ ৰাহি-জোৰাৰ বৰ্ণনা, কইনাক সাজ-পাৰ পিন্ধোৱাৰ বৰ্ণনা, কইনাই চাঙলৈ কিদৰে জখলা বগাই উঠিব লাগিব তাৰ বৰ্ণনা, কইনাই নৈত পানী তোলাৰ বৰ্ণনা, কইনাৰ ৰূপ-লাৱণ্যৰ বৰ্ণনা আৰু কইনাক জোঁকাৰি বা ধেমালি কৰি গোৱা নাম।

মন কৰিবলগীয়া যে হিন্দু (অসমীয়া)ৰ বিয়াত দৰা-কইনাক আদৰি বিয়ানাম গোৱা হয়। কিন্তু মিচিং মিদাং নিঃতমত দৰা-কইনাক কিদৰে আদৰিব তাৰ প্ৰস্তুতি সম্পৰ্কেহে বৰ্ণনা কৰা হয়।

**৫.৪.২ মিচিং কথোপকথন-আধাৰিত লোকগীত**

মিচিং লোক-গীতৰ দ্বিতীয় গুৰুত্বপূৰ্ণ বিভাগটো হৈছে মিচিং কথোপকথন-আধাৰিত লোকগীত বা 'লুপঃ নিঃতম'। মিচিং সমাজৰ অতি জনপ্ৰিয় পুৰণি গীতসমূহৰ ভিতৰত লুপঃ নিঃতমো অন্যতম। 'লুপঃ' মানে কথোপকথন, কথা-বাৰ্তা, মত বিনিময়, আলাপ বা আলাপন। এই গীতবিলাক কথোপকথনৰ মাধ্যমেদি পৰিবেশন কৰা হয়। অৱশ্যে পৰিৱেশনৰ দিশৰ পৰা এই গীত শ্ৰেণীক কথোপকথনমূলক বোলাতকৈ প্ৰশ্নোত্তৰমূলক বোলাই সমীচীন হ'ব। এজনে গীতৰ মাধ্যমেৰে প্ৰশ্ন কৰে আন এজনে গীতেৰেই উত্তৰ দিয়ে। পৰিবেশন ৰীতিৰ দিশেৰে এই গীতবোৰ কথা-বাৰ্তা বা প্ৰশ্নোত্তৰ-আধাৰিত; যাৰ ফলত এই শ্ৰেণী গীতক 'লুপঃ নিঃতম' বোলা হয়।

বিষয়বস্তু অনুসৰি লুপঃ নিঃতমক দুটা ভাগত ভাগ কৰিব পৰা যায়ঃ

ক) য়াঃমে-মৃম্বৃৰ লুপঃ গীত

খ) দঃয়ি-দঃমঃ লুপঃ গীত

'য়ামে-মৃম্বৃৰ লুপঃ নিঃতম'বোৰ মূলতঃ যুৱক-যুৱতীৰ প্ৰেম-প্ৰণয় আধাৰিত। কৈশোৰৰ খেলৰ লগৰীয়াই যৌৱন কালত প্ৰেমিকলৈ ৰূপান্তৰিত হয়। এই সম্পৰ্ক পৰৱৰ্তী কালত আৰু আগবাঢ়ি বিবাহৰ ৰূপ লয়। এনেকুৱা বিষয়বস্তুৰ আধাৰতে 'য়াঃমে-মৃম্বৃৰ লুপঃ' গীতবোৰ ৰচিত। এই গীতবিলাক প্ৰশ্নোত্তৰমূলক। বিষয়বস্তুৰ কেন্দ্ৰবিন্দু হৈছে প্ৰেম। 'য়াঃমে মৃম্বৃৰ লুপঃ নিঃতম'ৰ এটি উৎকৃষ্ট উদাহৰণ হৈছে 'তৌব'-তৌকাং দঃয়িং'। 'তৌব'-তৌকাং দঃয়িং'টো মূলতঃ প্ৰণয়মূলক। তৌব' নামৰ এজন যুৱক আৰু তৌকাং নামৰ এজনী যুৱতীৰ মাজত গঢ়ি উঠা প্ৰেম কাহিনীকে এই গীতটোত বৰ্ণনা কৰা হৈছে।

লুপঃ গীতৰ দ্বিতীয় বিভাগটো হৈছে 'দঃয়ি-দঃমঃ লুপঃগীত'। দঃয়ি-দঃমঃ লুপঃ গীতৰ বিষয়বস্তু সাধাৰণ বিষয়-আধাৰিত। কাহিনীৰ আকাৰত গীতৰ বিষয় নিৰ্মিত। মনৰ অবুজ প্ৰেমৰ ভাবৰ প্ৰকাশ গীতসমূহৰ এক মন কৰিবলগীয়া দিশ। কেইটামান জনপ্ৰিয় দঃয়ি-দঃমঃ লুপঃ গীত হ'ল- ক) লৌৱৌলি, খ) চৌল্‌লৌয়া, গ) দা-দাম আৰু ঘ) পৌকৃ মাৰি নিঃতম ইত্যাদি।

৫.৪.৩ **মিচিং বিননি-আধাৰিত লোকগীত**

মিচিং সমাজত কাৰুণ্য-প্ৰধান এক বিশেষ শ্ৰেণীৰ গীত প্ৰচলিত হৈ আছে; ইয়াকে মিচিং বিননি-আধাৰিত লোক-গীত বা কাবান বোলা হয়। জীৱনৰ কৰুণতম মুহূৰ্তৰ প্ৰকাশেই মিচিং বিননি-আধাৰিত লোক-গীতৰ প্ৰধান বিষয়বস্তু।

**কাবানৰ উৎপত্তি**

লোকজীৱনৰ কাৰুণ্যৰ পৰাই 'কাবান'ৰ উৎপত্তি হৈছে। দুখ আৰু বিষাদ মানুহৰ চিৰ লগৰী। দুখ প্ৰকাশৰ মাধ্যম ৰূপে মিচিং লোকে কাবানৰ আশ্ৰয় ল'লে। কোনোবা আত্মীয়ৰ পৰলোকপ্ৰাপ্তি হ'লে, প্ৰিয়জনক হেৰুৱালে মানুহে কান্দে। এই কান্দোনেই কালক্ৰমত 'কাবান' হ'ল। কাবানবোৰ আদিৰে পৰা মৌখিক ৰূপতে বৰ্তি আছে। ইজনৰ পৰা সিজনলৈ মুখ বাগৰি আহি বৰ্তমান অৱস্থাত উপস্থিত হোৱা কাবানবোৰৰ ৰূপ সময়ৰ পৰিৱৰ্তনৰ লগে লগে কিছু সলনি হৈছে যদিও এতিয়াও কেন্দ্ৰস্থ ভাৱৰ পৰিৱৰ্তন হোৱা নাই।

ৰূপতাত্ত্বিক দিশৰ পৰা চালেও 'কাবান' শব্দটো উৎপত্তি হৈছে 'কাব্' ধাতুৰ পৰা। 'কাব্' মানে মিচিঙত কন্দা। 'কাব্ + আন্', অৰ্থাৎ 'কাব্' (কান্দ্) ধাতুৰ লগত 'আন্' প্ৰত্যয় যোগ হৈ 'কাবান' শব্দ সাধিত হৈছে। কাবান গীতৰ যোগেদি মিচিং লোক জীৱনৰ বেদনা-কাতৰ দুখ আৰু বিষাদৰ ছবি অংকন কৰা হয়।

**কাবানৰ বিষয়বস্তু**

কাবানৰ প্ৰধান বিষয়বস্তু হ'ল দুখময় জীৱনৰ কৰুণতম প্ৰকাশ। মানুহ এজনৰ জীৱনলৈ কেইবাটিও দিশৰ পৰা দুখ নামি আহিব পাৰে - অদৃষ্টৰ কোপদৃষ্টি বা ভাগ্যৰ বিড়ম্বনাত, নিজৰ কৃতকৰ্মৰ বাবে, পিতৃ-মাতৃৰ অনিচ্ছাকৃত ভুল বা অসচেতনাত, স্বপ্ন ভংগৰ বেদনাত, সপোনৰ লক্ষ্যস্থলৰ পৰা কিবা কাৰণত বিচ্যুতি হ'বলগীয়া হোৱাত, প্ৰিয়জনক হেৰুৱাৰ বেদনাত তথা কোনো আত্মীয়ৰ মৃত্যুত ইত্যাদি। তদুপৰি, ভবা মতে জীৱনটো গঢ়িব নোৱাৰিলেও মানুহৰ জীৱনলৈ দুখ নামি আহে। এইবোৰেই কাবান নিঃতমৰ মূল বিষয়বস্তু। ইয়াৰে কোনোবা এটা বিষয় কোনোবা এটা কাবানত প্ৰধান বিষয় হিচাপে প্ৰকাশ লাভ কৰে।

বিষয়বস্তুৰ আধাৰত কাবানৰ শ্ৰেণী বিভাজন এইদৰে কৰিব পৰা যায়- প্ৰেমমূলক, স্মৃতি জাগৰণমূলক, বিচ্ছেদাত্মক, কৰুণ ৰসাত্মক, মৃত্যু বিষয়ক ইত্যাদি। প্ৰকাশৰীতিৰ আধাৰত কাবানক বহল ভিত্তিত দুটা শ্ৰেণীত ভাগ কৰিব পৰা যায়—

(ক) কাহিনীমূলক আৰু

(খ) বৰ্ণনামূলক

**কাহিনীমূলক কাবান ঃ** দঃয়িং কাবানবোৰেই মিচিং কাহিনীমূলক বিননিগীত। এই কাবানবোৰৰ কথাবস্তু কাহিনী

আকাৰে উপস্থাপন কৰা হয়। দঃয়িং কাবানত বৰ্ণিত কাহিনীটো তিনিটা স্তৰত বিকাশ লাভ কৰে - আদি, মধ্য আৰু সমাপ্তি। সমাপ্তিৰ স্তৰত কাহিনীয়ে করুণতাৰ শীৰ্ষ বিন্দুত উপনীত হয় আৰু যিকোনো লোকৰে হৃদয় বেদনাসিক্ত কৰি তোলে। মিচিং গ্ৰাম্য সমাজত অসংখ্য কাহিনীমূলক কাবান মৌখিক ৰূপত প্ৰচলিত হৈ আছে। অতি জনপ্ৰিয় কেইটামান কাহিনীমূলক কাবান হ'ল— (ক) গেলা গামৰ গীত, (খ) বিনোদ-পিপলিৰ গীত, (গ) তেব'-তেকাং গীত, (ঘ) দেওবৰ-দেন্তালিৰ গীত আৰু (ঙ) পদ্মীৰ গীত।

**বৰ্ণনামূলক কাবান ঃ** কাবানৰ আনটো ভাগ হ'ল বৰ্ণনামূলক কাবান। এই কাবানবিলাকৰ বিষয়বস্তু বৰ্ণনাৰ মাধ্যমেৰে উপস্থাপন কৰা হয়। গীতবিলাক প্ৰায়ে বিক্ষিপ্তৰূপত উপস্থাপন কৰা দেখা যায়। সু-সংহত আৰু সু-সৃংখলিত কথাবস্তুৰ উপস্থাপন প্ৰায়ে অনুপস্থিত। টুকুৰা-টুকুৰ স্মৃতিৰ ৰোমন্থন হৈছে এই গীতবিলাকৰ আটাইতকৈ মন কৰিবলগীয়া বিশেষত্ব। গীতবিলাকৰ সুৰ হৃদয়বিদাৰক আৰু মৰ্মস্পৰ্শী।

বৰ্ণনামূলক কাবানক বহলভিত্তিত পাঁচ ভাগত ভাগ কৰিব পৰা যায়—(ক) দঃব কাবান, (খ) মেঃব কাবান, (গ) য়াবান কাবান, (ঘ) য়াম্‌নী কাবান আৰু (ঙ) মেঃপা কাবান

দুখ, কাৰুণ্য আৰু চকুলো- কাবান নিঃতমত ত্ৰিভূজৰ তিনিটা কোণৰ নিচিনা। এটা কোণকো আন এটা কোণৰ পৰা আঁতৰ কৰিব নোৱাৰি; যদিহে আঁতৰ কৰা হয়- ই ত্ৰিভূজ হৈ নাথাকিব। দুখ, কাৰুণ্য আৰু চকুলো - কোনো এটাক কাবানৰ পৰা আঁতৰ কৰা মানেই কাবান অকাবান হৈ পৰিব। কাবানৰ বিষয়গত চালিকা শক্তিও নিহিত হৈ থাকে দুখ, চকুলো আৰু কাৰুণ্যতে। তিনিওটা বস্তুৰেই কাবানত একাত্ম হৈ পৰে। মাথো হুমুনিয়াহ আৰু হতাশাই তাতে উবুৰি খাই পৰি কাবানক প্ৰদান কৰে অন্য এক অনন্য মাত্ৰা।

৫.৪.৪ **প্ৰেম আৰু আসক্তি-আধাৰিত লোকগীত**

মিচিং লোক-সাহিত্যৰ এটা উল্লেখযোগ্য বিভাগ হৈছে প্ৰেম আৰু আসক্তি-আধাৰিত গীত। এইশ্ৰেণী গীতক মিচিঙত কোৱা হয় 'অই নিঃতম'।

**অই নিঃতমৰ পটভূমি**

মিচিং লোক-সাহিত্যৰ অধিক সমৃদ্ধিশালী বিভাগটোৱে হৈছে অই নিঃতম। ই অতি চহকী, ঐশ্বৰ্যশালী আৰু বিষয়-বৈচিত্ৰ্যৰে পৰিপূৰ্ণ। ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয়েই অই নিঃতম সৃষ্টিৰ পটভূমি।

ডেকা-গাভৰুৱে পৰস্পৰে পৰস্পৰৰ প্ৰতি অনুভৱ কৰা আকৰ্ষণৰ ভাৱ প্ৰকাশ কৰিবলৈ যোৱাৰ ফলতে সৃষ্টি হ'ল অই নিঃতমৰ। কেতিয়াবা প্ৰেম নিবেদন, কেতিয়াবা প্ৰেমৰ ব্যৰ্থতাৰ প্ৰকাশ— এনে ভাবৰ গীতিময় প্ৰকাশৰ আঁৰতে লুকাই আছে অই নিঃতমৰ পটভূমি।

**অই নিঃতমৰ অৰ্থ**

'অই' শব্দটো কেইবাটাও অৰ্থত ব্যৱহাৰ কৰা দেখা যায়- মৰম বা মৰমী, আপোনজন বা প্ৰিয়জন, নুমলীয়া কন্যা বা পুত্ৰ আৰু প্ৰেমিক বা প্ৰেমিকা । 'অই' শব্দটোৱে গীত অৰ্থও বহন কৰে। মিচিং লোক-গীত বুজাবৰ বাবেও 'অই' শব্দটো ব্যৱহাৰ কৰা হয়। 'নিঃতম' শব্দটো দুটা আখৰৰ সংযুতি। 'নি' মানে নিচুকুৱা, ভুলোৱা, ফচুলুৱা বা সান্ত্বনা দিয়া। ('নিঃযুম্‌ত' মানে নিচুকুৱা, সান্ত্বনা দিয়া)। 'তম' মানে উদ্দেশ্য। ('চুত্‌তম্‌লা' মানে উদ্দেশ্য কৰি, উচৰ্গা কৰি বা সাক্ষী কৰি)। এনে দৃষ্টিকোণৰ পৰা অই নিঃতমৰ অৰ্থ এনেদৰে ক'ব পৰা যায়- যাক উদ্দেশ্য কৰি নিচুকাই বা ফচুলাই গীত গোৱা হয়, অথবা কাৰোবাক নিচুকাবৰ বাবে, ফচুলাবৰ বাবে গোৱা গীত। অৱশ্যে অই নিঃতমৰ পৰিধি ইমানতে সীমাবদ্ধ নহয়; অই নিঃতম ইয়াতকৈয়ো অধিক বিশাল, ব্যাপ্ত, গভীৰ আৰু অৰ্থবহ।

**অই নিঃতমৰ বিষয়বস্তু**

অই নিঃতম আৰু মিচিং সমাজ-জীৱন - এটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। মিচিং লোক-জীৱনৰ গীতিময় ৰূপেই হ'ল অই নিঃতম। যথাৰ্থ ক'বলৈ হ'লে - মিচিং সমাজ-জীৱনৰ সকলো দিশৰ কলাসুলভ প্ৰতিফলনেই হ'ল অই নিঃতম।

কৃষিয়েই মিচিংসকলৰ জীৱন, জীৱিকা আৰু সপোন। তেওঁলোকৰ জীৱন-চৰ্যা গঢ়ি উঠে কৃষিক কেন্দ্ৰ কৰিয়ে।

কৃষিক কেন্দ্ৰ কৰি গঢ়ি উঠা এই লোক-জীৱনৰ বাংময় ৰূপেই হ'ল অই নিঃতম। খেতি, খেতিয়ক, ৰোৱণী, দাৱণী, হাল, কোঁৰ, দা, মৈ, নাঙল, যুৱঁলি, এছাৰি, পঘা, জোঁট-জৰী, আহঁতজৰী, শ'লমাৰি, পাল, ঘিলা, পাং ফাল, পথালি পাল, বৰ', এচাহ, সমাৰ, বিন্ধা, বিনয়, দ'ল, হাউৰীয়া, ন-ভাত, ন-ভুঁই, লখিমী, পথাৰ, পানী যুঁৱলী, লাঢ়নী, গৰু, ম'হ, ধান, মাহ, হালধি, কচু, জলকীয়া, বিৰিয়া, টঙাল, কঠিয়া, 'এটা কঠিয়া', এঠৰ, গোহালি, ভঁৰাল, গাধৈ আদি কৃষি কেন্দ্ৰিক বিভিন্ন ছবি আৰু এইবোৰৰ লগত লোক-জীৱনৰ সম্পৰ্কৰ প্ৰতিফলন অই নিঃতমত পোৱা যায়।

অই নিঃতমৰ চালিকা শক্তিয়ে হৈছে ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয়। ডেকা-গাভৰুৰ প্ৰেমৰ ভাব প্ৰকাশক গীত ৰূপেই এই গীত সৰ্বসমাদৃত। ডেকা-গাভৰুৱে পৰস্পৰে পৰস্পৰক ভালপোৱাৰ মনৰ ভাৱ, অপূৰ্ণ যৌৱনৰ যৌনক্ষুধা আৰু দুটি প্ৰাণৰ মিলনাকাংক্ষাৰে সংসাৰ পতাৰ ইচ্ছা অই নিঃতমত সুন্দৰ ৰূপত প্ৰকাশ কৰে। ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয়জনিত হৰ্ষ-বিষাদ, সুখ-আনন্দ, ভাব-অনুভূতি, স্বপ্ন-দুঃস্বপ্নৰ গীতিময় প্ৰকাশেই যথাৰ্থ ক'বলৈ হ'লে অই নিঃতমৰ প্ৰাণ।

৫.৪.৫ **বিবিধ বিষয়-আধাৰিত মিচিং লোকগীত**

ওপৰত আলোচিত গীতসমূহৰ বাদেও আৰু কিছু গীত মিচিং সমাজত পূৰ্বৰে পৰা প্ৰচলিত হৈ আছে; এই গীতসমূহক বিবিধ বিষয়-আধাৰিত মিচিং লোকগীতত অন্তৰ্ভুক্ত কৰা হৈছে। এই গীতসমূহ হৈছে—

ক) ল'ৰা ওমলা গীতঃ বৃনিঃ নিঃতম

খ) খেল-ধেমালি গীতঃ চঃমান-মমান নিঃতম

**ল'ৰা ওমলা গীত বা বৃনিঃ নিঃতম**

মিচিং লোকগীতৰ এটি সমৃদ্ধিশালী বিভাগ হৈছে ল'ৰা ওমলা গীত। ইয়াক মিচিংসকলে বৃনিঃ নিঃতম বোলে। ল'ৰা ওমলাই গোৱা গীতকে বৃনিঃ নিঃতম বোলা হয়। বৃনিঃ নিঃতমক কঃ নিঃনাম গীত বুলিও কোৱা হয়। 'কঃ' মানে ল'ৰা; 'নিঃনাম' মানে নিচুকুৱা বা নিচুকণি। সেয়ে, কঃ নিঃনাম নিঃতম মানে ল'ৰা ওমলোৱা গীত। কেঁচুৱা ওমলাবৰ বাবে বা কেঁচুৱা চোৱা-চিতা কৰিবৰ বাবে কম বয়সৰ ছোৱালী ৰখা প্ৰথা মিচিং সমাজত প্ৰাচীন কালৰ পৰা প্ৰচলিত হৈ আছে। ল'ৰা ৰখীয়া ৰূপে ৰখা এই ধৰণৰ ছোৱালীক কোৱা হয় 'নৌবৃং'। 'নৌবৃং'-ৰ পৰা 'বৃনিঃ' শব্দটো আহিছে। বৃ + নি = বৃনিঃ। মিচিঙত 'বৃ' মানে পিঠিত লোৱা, বোকোচাত লোৱা আৰু 'নিঃ' মানে নিচুকুৱা, ফুচুলুৱা, ভুলোৱা বা সান্ত্বনা দিয়া। 'নৌবৃঙে' কেঁচুৱা ল'ৰাক পিঠিত লৈ নিচুকাবৰ বাবে বৃনিঃ নিঃতম সুৰীয়া কণ্ঠত যুৰে। অসমীয়া সমাজ ব্যৱস্থাত 'ধাই মাক'ৰ ভূমিকা মিচিং সমাজত 'নৌবৃঙে' পালন কৰে। সেয়ে অসমীয়া লোকগীতৰ 'ধাই নাম'ৰ আৰ্হিত এই গীতক 'নৌবৃং নিঃতম' বা নৌবৃং গীত' আখ্যা দিব পৰা যায়।

মিচিং সমাজত পিতৃৰ সমানে মাতৃয়ে ঘৰৰ দায়িত্ব মূৰ পাতি লয়। খেতি কৰা, খৰি লুৱা, সূতা কটা, কোঁৰ মৰা, জাকৈ মৰা, খৰি ফলা ইত্যাদি এখন ঘৰৰ নৈমিত্তিক কামবোৰ পুৰুষলৈ বাট নাচাই মহিলাই নিজে সম্পাদন কৰে। যাৰ ফলত নিজৰ কেঁচুৱাৰ যত্ন ল'বলৈ মাকৰ সময়ৰ নাটনি হয়। কেঁচুৱাক চোৱা-চিতা কৰিবৰ বাবে সেয়ে নৌবৃং (কম বয়সৰ ছোৱালী) ৰখা হয়। নৌবৃঙে কেঁচুৱাই কান্দিলে বা কেঁচুৱাক টোপনি নিওৱাবৰ বাবে একশ্ৰেণী গীত গায়- ইয়াকে বৃনিঃ নিঃতম বোলে। শিশুক আশ্বাস, প্ৰতিশ্ৰুতি আৰু আশা দিয়া বা জাগ্ৰত কৰাই বৃনিঃ নিঃতমৰ মূল আধাৰ। মাকে কামৰ পৰা ঘূৰি আহিয়ে গাখীৰ খুউৱাৰ আশ্বাস, কেঁচুৱাটোক যিয়ে কন্দোৱাই- তেওঁক প্ৰতিশোধ ল'বলৈ মাক-দেউতাকক কৈ দিয়াৰ আশ্বাস, কপৌ চৰাই ধৰি দিয়াৰ প্ৰতিশ্ৰুতি, চিকাৰলৈ যোৱা দেউতাকক ফুল-ফল আনি দিবলৈ কৈ দিয়াৰ প্ৰতিশ্ৰুতি, আম-জাম পাৰি দিয়াৰ আশা দিয়া, বন নহৰু আনি দিয়াৰ প্ৰতিশ্ৰুতি ইত্যাদিয়ে বৃনিঃ নিঃতমৰ প্ৰধান বিষয়বস্তু।

**খেল-ধেমালি গীত বা চঃমান-মমান নিঃতম**

মিচিং সমাজত শিশুৰ খেল-ধেমালিৰ লগত জড়িত কিছুমান গীত প্ৰাচীন কালৰে পৰাই প্ৰচলিত হৈ আছে। এই গীতবোৰক মিচিং ভাষাত 'চঃমান-মমান' নিঃতম বোলা হয়। এই গীতবোৰত শিশুৰ কল্পনা-ভাৱনাৰ প্ৰকাশ পাব পাৰি। শিশুৰ মন স্বাভাৱিকতে কল্পনাৰে ভৰা। চঃমান-মমান গীতত শিশু মনৰ এনে অসীম কল্পনাই বিচৰণ কৰে।

ৰহস্যময়তা শিশু মনৰ এক বৈশিষ্ট্য। কেনেকৈ হ'ল, কিয় হ'ল, কি হ'ব আদি অনেক প্ৰশ্ন এজন শিশুৰ মনত স্বাভাৱিকতে লাগিয়ে থাকে। পৃথিবীৰ সকলো বস্তুৱে তেওঁলোকৰ দৃষ্টিত ৰহস্যৰে ভৰা। চঃমান-মমান গীতত এই ধৰণৰ ৰহস্যৰ ভাবৰ প্ৰকাশ পাব পাৰি।

চঃমান-মমান গীতৰ বিষয়বস্তু ভিন ভিন বিষয়ক হ'ব পাৰে। ভিন ভিন বিষয়বস্তু আৰু পটভূমিত চঃমান-মমান গীতবোৰ ৰচিত। গীতবোৰৰ ভাষা সৰল আৰু সহজবোধ্য।

চঃমান-মমান বা খেল-ধেমালি গীতক দুটা শ্ৰেণীত ভাগ কৰিব পাৰি—

১) খেলগীত বা চঃমান নিঃতম

২) ধেমালিগীত বা ধেমেলীয়া গীত বা মমান নিঃতম।

খেলগীতবোৰ কেৱল খেল-ধেমালিৰ লগত জড়িত। মিচিং সমাজৰ পৰম্পৰাগত খেল খেলাৰ সময়ত খেলৰ পৰিপূৰক বা সহায়ক হিচাপে এই গীতবোৰ গোৱা হয়। বিষয়বস্তুতকৈ সুৰহে এই গীতৰ মূলবস্তু। খেলৰ সময়ত গীতবোৰ গোৱা বাধ্যতামূলক। অৰ্থাৎ, গীতবোৰৰ অবিহনে এই খেলবোৰ খেলা অসম্ভৱ। 'তাকাৰ আক' আন্‌ঞ্ৰি' নামৰ গীতটি উদাহৰণ হিচাপে দিয়া হ'ল-

'তাকাৰ আক' আন্‌ঞ্ৰি
তাকাৰ আউম আপ্পি
        এলাপি জেলাপি গেলাপি
তাকাৰ আঙ্‌ঙৗ আক্কীং
তাকাৰ কৃন্দ পিঃনি
        এলাপি জেলাপি য়েলাপি
তাকাৰ কনাং উয়িং
        এলাপি জেলাপি আৰ্‌ৰ' ৰুং।'

(এটি তৰা দুটি তৰা, তিনিটি তৰা চাৰিটি তৰা, হয় হয় হয়; পাঁচটি তৰা ছয়টি তৰা, সাতটি তৰা আঠটি তৰা, হয় হয় হয়; নটি তৰা দহটি তৰা, হয় হয় হয়েই।)

এই গীতটি একেটা উশহতে গাব লাগে। গীতটি এক, দুই বুলি গোৱাৰ লগে লগে হাতেৰেও তৰাবোৰ গণনা কৰিব লাগে। এটা উশাহত শেষ কৰিব পাৰিলে বিজয়ৰ স্বীকৃতি পায় আৰু শেষ কৰিব নোৱাৰিলে পৰাজয় স্বীকাৰ কৰিবলগীয়া হয়। এই গীতটি তৰা গণনা কৰা খেল হিচাপে গোৱা হয়। মূল ঘৰটোৰ পিছফালে মুকলি চাঙত (কাৰৗ)ত সৰু ল'ৰা-ছোৱালীবোৰ ৰাতি দীঘল দি পৰি থাকি গীত গাই গাই তৰাবোৰ গণি থাকে।

মিচিং সমাজত কিছুমান ধেমালি গীত বা ধেমেলীয়া গীতো প্ৰচলিত হৈ আছে, এই গীতবোৰক চঃমান-মমান গীত হিচাপে গণ্য কৰিব পাৰি। এজনে আন এজন ল'ৰা বা ছোৱালীক ধেমালি বা মুখ-চুপতি কৰাৰ মানসেৰে এই গীতবোৰ গোৱা হয়। হাস্য ৰসেই এই গীতবিলাকৰ আকৰ্ষণীয় দিশ। তেনে এটা গীত তলত তুলি দিয়া হ'ল—

**দন্‌চিৰি দন্‌বৰা**

'দন্‌চিৰি দন্‌বৰা বেন্‌নৗ চাতি নৃক্‌বৰা
নাপ্‌পাঃদৗঃচিন নাব্‌বৰা য়েবুঃদৗঃচিন তাম্‌বৰা
আমিগ্‌দৗঃচিন মিক্‌বৰা য়েবুঃদৗঃচিন তাঃবৰাঃ।'

(ধনশিৰিৰ ধনবৰে ফটা ছাটি মেলিছে, মুখখনো বহল কান দুখনো মেল খোৱা, চকুযুৰিও ডাঙৰ নাকটিও চেপেটা।'

ধনবৰক উদাহৰণ হিচাপে লৈ বাটেদি গৈ থকা ল'ৰাক ছোৱালীয়ে এই গীতটো গাই ধেমালি কৰি ৰং-আনন্দ প্ৰকাশ কৰে।

সামগ্ৰিক আলোচনাৰ অন্তত ক'ব পৰা যায় যে - মিচিং চঃমান-মমান বা খেল-ধেমালিৰ গীতবোৰৰ ৰচক সৰু ল'ৰা-ছোৱালী বা গৰখীয়া ল'ৰা। খেলৰ তাল-লয় সন্তুলিত ৰখাৰ উদ্দেশ্যে এই গীতবোৰ গোৱা হয়। গীতবোৰৰ বিষয়বস্তু বিবিধ বিষয়ক আৰু ভাষা সহজ-সৰল। 'খেল-ধেমালি' (চঃমান-মমান) গীতত বিষয়বস্তুতকৈ সুৰ বা ছন্দতহে অধিক গুৰুত্ব দিয়া হয়। কিছুমান বাক্য বা শব্দ বা কথাবস্তুৰ অৰ্থ নাথাকে। তদুপৰি পুনৰুক্তিৰ পায়োভৰ চঃমান-মমান গীতৰ মন কৰিবলগীয়া বৈশিষ্ট্য।

'ধেমালিগীত' (মমান)ত সুৰ-ছন্দৰ সমানে বিষয়বস্তুৰ গুৰুত্ব অসীম। বিষয়বস্তুৰ মাজেদি হাস্য ৰস সৃষ্টি কৰা হয়। মিচিংসকলৰ পৰম্পৰাগত খেল-ধেমালিসমূহ জীয়াই ৰখা আৰু জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত মমান নিঃতমবিলাকৰ অৱদান অপৰিসীম। বাহ্যিক দৃষ্টিত স্থুল যেন লাগিলেও চঃমান মমান গীতবোৰৰ যোগেদিও মানৱ জীৱনৰ ছবি সামান্যভাবে হ'লেও অংকন কৰা দেখা যায়।

মিচিং লোক-সাহিত্যত মিচিং সমাজৰ জীৱন-দৰ্শনৰ প্ৰকাশ মন কৰিবলগীয়া বৈশিষ্ট্য। মিচিং লোক-সাহিত্যৰ ৰচকসকলৰ জীৱন-দৰ্শন সম্পৰ্কীয় গভীৰ তাত্বিক জ্ঞান নাথাকিলেও জীৱনৰ প্ৰতি এক দৃষ্টিভংগী নথকা নহয়। আঃবাং, লৌৰৌলি, চৌল্লঃয়া, লঃলে আদি গীতত জীৱন-দৰ্শনৰ প্ৰকাশ অনুপম। এনে জীৱন-দৰ্শনৰ প্ৰকাশে মিচিং লোক-সাহিত্যৰ স্বতন্ত্ৰ ৰূপ প্ৰতিষ্ঠা কৰিছে।

মিচিং লোক-সাহিত্যৰ আন এক বৈশিষ্ট্য হৈছে স্বতঃস্ফূৰ্ত ভাবৰ প্ৰকাশ। লোকজীৱনৰ সুখ-দুখ, আনন্দ-বিষাদৰ ছবি অতি সৰল ভাষাৰে মিচিং লোক-সাহিত্যত চিত্ৰিত কৰিছে। বৃহৎ বিষয় একোটাক সহজ ভাষাত তেনেই কম কথাৰ জৰিয়তে প্ৰকাশ কৰিব পৰাটো মিচিং লোক-সাহিত্যৰ এক উল্লেখযোগ্য বিশেষত্ব।

*****

● লেখক ঃ মুৰব্বী আৰু সহযোগী অধ্যাপক, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়, চৰাইদেউ।

# কোচ ৰাজবংশীসকলৰ লোক উৎসৱ ঃ এক সংক্ষিপ্ত অৱলোকন

**দিব্যজ্যোতি ডেকা**

আমাৰ মিলনভূমি অসমত অতীজৰে পৰা নানা জাতি-জনগোষ্ঠীয়ে বসবাস কৰি আছে । বিভিন্ন নদী-উপনদী সমূহ বৈ গৈ বিশাল ব্ৰহ্মপুত্ৰত মিলিত হৈ এক বৃহৎ জলৰাশিৰ গতিমাত্ৰা প্ৰদান কৰাৰ লেখীয়াকৈ বিভিন্ন জাতি-জনগোষ্ঠী সমূহেও অসমত নিজৰ নিজৰ কৃষ্টি-সংস্কৃতি সমূহ বৰ্তাই ৰাখি এক বৃহৎ সংস্কৃতি গঢ় দি তুলিছে । এই ক্ষেত্ৰত কোচ ৰাজবংশী সকলৰ ভূমিকা অন্যতম । বুৰঞ্জীত বহুল ভাৱে প্ৰচাৰ নহলেও যি সামান্য কথা প্ৰকাশ পাইছে তাৰ পৰাই অসমীয়া জাতি গঠনত কোচ ৰাজবংশী সকলৰ বৃহৎ অৱদানৰ কথা প্ৰকাশ পাইছে। ইতিহাসে প্ৰমাণ কৰি দিছে যে কোচ ৰাজবংশী ৰজাসকলৰ দিনতেই বৃহত্তৰ অসমীয়া জাতি গঠন হৈছে । বিশেষকৈ মহাৰাজ নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰচেষ্টাত অসমত শিক্ষা-সংস্কৃতি, ভাষা, ধৰ্ম আদিৰ বহুল প্ৰসাৰ আৰু প্ৰচাৰ হৈছিল । এই লিখনিটোৰ যোগেদি গোটেইবোৰ দিশ উল্লেখ নকৰি কেৱল মাত্ৰ কেইটামান লোক-উৎসৱৰ বিষয়েহে চমু অৱলোকন দাঙি ধৰা হ'ল।

**বিযুৱা উৎসৱ ঃ** কোচসকলৰ এক অন্যতম উৎসৱ হৈছে বিযুৱা উৎসৱ । চ'ত মাহৰ সংক্ৰান্তিৰ পৰা বহাগ মাহৰ ৬ দিন ধৰি অসমত সাত বিহুৰ পৰম্পৰাৰে যি বহাগ বিহু পালন কৰা হয়, সেই সাত বিহুকেই কোচ ৰাজবংশীসকলৰ লোক-সংস্কৃতিত বিযুৱা উৎসৱ বুলি কোৱা হয় । সেই সাত বিযুৱা সমূহ হ'ল- ১) গৰু বিযুৱা, ২) মানসি বিযুৱা, ৩) গুটি বিযুৱা, ৪) সাতশাকী বিযুৱা, ৫) বাহো বিযুৱা, ৬) শিকাৰ বিযুৱা আৰু ৭) দেও বিযুৱা ।

চ'তৰ সংক্ৰান্তিৰ দিনা গৃহস্থই পুৱাতে উঠি মুখ হাত নোধোৱাকৈ আগদিনাতে আনি থোৱা বিহলঙনি, বেতৰ পাত, কাতুৰিৰ ফুল, দীঘলতি, তৰাপাত, কাণ সিচাৰ পাত, বিষ ঢেঁকীয়া, ভেট মালিৰ পাত আৰু ফুল আদি একেলগ কৰি প্ৰত্যেকটো ঘৰৰ মাৰল, পদূলিমুখ, তাঁতশাল আদিত গুজি দিয়া হয় । তাৰ লগে লগে ঘৰৰ খাল, নৈ, বিল আদিত গৰুক গা ধুৱাই আনি লাউ বেঙেনাৰ মালা পিন্ধাই খুৱা আৰু মূৰত মিঠাতেল, সেন্দূৰ আদি সানি গো-লক্ষ্মী জ্ঞান কৰি গৰুক শ্ৰদ্ধা ভাৱ প্ৰদৰ্শন কৰা হয় । সন্ধিয়া গোহালিত তৰা পাতেৰে প্ৰস্তুত কৰা নতুন পঘাৰে গৰুক বন্ধা হয় । গৰুক গা ধুওৱা সময়ত গৰখীয়াসকলে কোচ ৰাজবংশী ভাষাত এনেদৰে গায়-

"লাউ খা বাইগন খা
বছৰি বছৰি বাঢ়িয়া যা
বাপ বৰো মাৰ বৰো
তুই হইছ মোটা তাজো ।"

ঠিক সেইদৰে মহিলা সকলে বিভিন্ন শাক গোটাই আনি সাত বিযুৱাৰ ভিতৰতে ব্যঞ্জন কৰি সাতশাকী ৰান্ধি খোৱাৰ

নিয়মো আছে। জনবিশ্বাস মতে এই সাতশাকী খোৱাৰ ফলত বছৰটোৰ বাবে বিভিন্ন ৰোগৰ বীজাণু আদিৰ পৰা পৰিত্ৰাণ পাব পৰা যায় ।

**হুদুম দেওঁৰ পূজা ঃ** যেতিয়া পথাৰত চিৰাল ফাঁট দিয়া খৰাং হয় তেতিয়াই বৰষুণ কামনা কৰি মহিলা সকলে হুদুম দেওঁৰ পূজাৰ আয়োজন কৰে । এই পূজাত পুৰুষ সকলৰ প্ৰৱেশ নাথাকে । এই পূজাত প্ৰয়োজন হয় এটা হুদুম চৰাই বা কল গছৰ পুলি এটা । আঁউসীৰ নিশা পথাৰৰ মাজত বা নৈৰ পাৰত এডাল খুঁটিত চৰাই বা কলপুলিটো বান্ধি সম্পূৰ্ণ বিবস্ত্ৰ হৈ চাৰিওফালে ঘূৰি ঘূৰি গোটেই নিশা নৃত্য গীত কৰে। এনে কৰাৰ ফলস্বৰূপে বৰষুণ হয় আৰু প্ৰকৃতিৰ উৰ্বৰা শক্তি বৃদ্ধি হয় বুলি জনশ্ৰুতি আছে ।

**বাঁশ পূজা ঃ** কোচ ৰাজবংশী সকলৰ আন এক বৈশিষ্ট্যপূৰ্ণ লোক-উৎসৱ হৈছে বাঁশ পূজা । এই উৎসৱ চ'ত মাহৰ মদন চতুৰ্দশী তিথিৰ দিনা অনুষ্ঠিত কৰা হয় । বাঁশ পূজাত মদন আৰু গোপালৰ প্ৰতীকৰূপে তিনি ডাল বাঁহ চাফ-চিকুণ কৰি প্ৰথম ডালত বগা কাপোৰ, দ্বিতীয় ডালত ৰঙা কাপোৰ মেৰিয়াই লোৱা হয় । বাঁহ দুডালৰ আগলিত দুটা চোঁৰৰ বান্ধি ওচৰা-ওচৰিকৈ পোতা হয় । বাঁহ কেইডালৰ গুৰিত তিনিদিন ধৰি পূজা তথা বিভিন্ন ধৰণৰ প্ৰসাদ আগবঢ়োৱা হয় । চতুৰ্থ দিনা ভাসানী পূজা অৰ্থাৎ পূজাৰ সকলোবোৰ বস্তু নদীত বিসৰ্জন দিয়া হয় । সিদিনা কলগছৰ ভুঁৰ সাজি তাত এজোৰ পাৰ চৰাই আৰু এটা পঠা ছাগলী নৈত উটুৱাই দিয়া হয় । লোক বিশ্বাস মতে এনে কৰিলে অপায়-অমংগল দূৰ হয় ।

**কাৰ্তিকা পূজা ঃ** কাৰ্তিকা পূজা কাতি মাহত কোচ ৰাজবংশীসকলে পালন কৰে । হুদুম দেওঁৰ পূজাৰ দৰে এই পূজাতো পুৰুষৰ প্ৰৱেশ নিষেধ । মহিলাসকলে কাৰ্তিকা দেৱতাৰ মূৰ্তি স্থাপন কৰে আৰু পূজা অৰ্চনা কৰে । মূলতঃ সতি-সন্তান নথকা তিৰোতা সকলে সন্তান কামনা কৰি এই পূজা কৰে । তদুপৰি শস্য আৰু ছোৱালীসকলে সু-পাত্ৰ লাভ কৰাৰ বাবেও এই পূজা কৰে বুলি জনবিশ্বাস আছে ।

**সোণাৰায় পূজা বা বাঘ পূজা ঃ** এই পূজা পুহ মাহৰ সংক্ৰান্তিৰ দিনাৰ পৰাই আৰম্ভ হয় আৰু গোটেই পুহ মাহটো কৰাৰ প্ৰচলন আছে । কথিত আছে যে পূৰ্বতে হাবি-জংঘল যেতিয়া বেছি আছিল তেতিয়া বাঘবোৰে হাবিৰ পৰা ওলাই আহি গৰু-ম'হৰ লগতে মানুহৰো বিস্তাৰ ক্ষতি সাধন কৰিছিল । এনে বিপদৰ পৰা হাত সাৰিবৰ বাবেই বাঘ বা সোণাৰায় পূজা পালন কৰা হয় । সোণাৰায়ৰ প্ৰতীক ডোৰ এডাল গোটেই পুহ মাহটো লগত ৰাখি ঘৰে ঘৰে মাগি ফুৰে আৰু শেষত কোনো এক মুকলি ঠাইত এজন অভিজ্ঞ ব্যক্তিৰ দ্বাৰা পূজা কৰা হয় ।

**আগ আনা ঃ** আগ আনা হৈছে কোচ ৰাজবংশীসকলৰ কৃষিৰ লগত জড়িত থকা উৎসৱ । এই আগ অনাৰ পৰাই পথাৰৰ শইচ অনাৰ পৰ্ব আৰম্ভ হয় । এই উৎসৱ আঘোণ মাহৰ ভাল দিন বাৰ এটা চাই পতা হয় । এই পূজাৰ দিনা গৃহস্থই ঘৰখন সাৰি-মচি শুদ্ধ কৰাৰ পিছত পাত্ৰত পূজাৰ বাবে বিভিন্ন সামগ্ৰী যেনে- তামোল-পাণ, চাউলৰ গুৰি, সেন্দূৰ, থুৰি কলৰ পাত, কাঁচি আদি পথাৰলৈ লৈ যায় । পথাৰলৈ গৈ পোৱাৰ পিছতে লৈ যোৱা বস্তুবোৰ কিছুমান নীতি-নিয়মৰ মাজেৰে আগবঢ়োৱা হয় । তাৰপিছতে কলৰ পাতেৰে তিনি গছি ধান মেৰিয়াই কাঁচিৰে কাটি পাত্ৰত তুলি ঘৰলৈ অনা হয় । এই পূজা কৰিবলৈ যাওতে বা ঘূৰি আহোতে বাটত কাৰো লগত কথা পাতিব নাপায় বা পিছফালে ঘূৰি চোৱা নিষেধ ।

**লাখোল ঠাকুৰ ঃ** লাখোল ঠাকুৰ পূজা অন্য এক উল্লেখনীয় লোককৃষ্টি । লাখোল-ঠাকুৰ হ'ল গৰখীয়াসকলৰ ৰজা । এই পূজা মূলতে ঘৰৰ গাই জনীৰ পোৱালী জাগিলে আয়োজন কৰা হয় । নৱজাত পোৱালিটোৱে মাকৰ প্ৰথম দুগ্ধ পান কৰাৰ পিছত গৃহস্থই গাখীৰ খীৰাই সেইখিনি পগাই ফেচু নামৰ এবিধ খাদ্য প্ৰস্তুত কৰে । গৃহস্থই সন্ধিয়া এই ফেচু প্ৰসাদ খিনি চোতালত থকা হৰি মন্দিৰত লাখোল ঠাকুৰলৈ আগবঢ়ায় । লোকবিশ্বাস মতে এনে পূজা নকৰিলে কেতিয়াবা এৰাল ছিঙি গাই হেৰায় নতুবা লাখোল ৰজাই গাইজনীক লুকুৱাই ৰাখে ।

**পুষুণা উৎসৱ ঃ** মাঘৰ দোমাহীক কোচ ৰাজবংশী সকলে পুষুণা বুলি কয় । ভেলাঘৰ জ্বলোৱা দিনটোত কোচ ৰাজবংশীসকলে "গৰুৰ দোমাচী বা পিতামৰ দোমাচী" বুলি কয় আৰু তাৰ পিছদিনা অৰ্থাৎ মাঘৰ ১ তাৰিখে "মানুষ

দোমাচী” বুলি কয় । মাঘৰ দোমাচীত দৈ, চিৰা, চুঙাপিঠা আদি খোৱাৰ উপৰিও ৰাজবংশীসকলে টোপোলা ভাত, কৰাই চিৰা আদিও খায় ।

ইয়াৰ বাহিৰেও বিভিন্ন লোক-সংস্কৃতি যেনে- কুশান নৃত্য, ভাওৱাইয়া গীত নৃত্য, গোৱালিনী নৃত্য, কাৰ্তিকা নৃত্য, বাঁশী পুৰাণ, কাতি গাছা, নৱান্ন, ৰাখাল ভাত আদিয়েও কোচ ৰাজবংশী সংস্কৃতিৰ ভঁৰাল চহকী কৰি ৰখাৰ লগতে সংস্কৃতিৰ মহাসেতু গঢ়াত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে ।

*****

● লেখক ঃ নলবাৰী, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ ছাত্ৰ।

# অসমৰ সাংস্কৃতিক জগতলৈ শৰণীয়া কছাৰীসকলৰ অৱদান

**সোণবৰ বৰুৱা**

অসমৰ সাংস্কৃতিক জগতলৈ শৰণীয়া কছাৰীসকলৰ সাংস্কৃতিক অৱদানৰ বিষয়ে লিখিবলৈ যোৱাৰ আগতে 'সংস্কৃতি' আৰু ''শৰণীয়া কছাৰী জনগোষ্ঠী''টোক বিহঙ্গম দৃষ্টিৰে কিছু অৱলোকন কৰাটো যুগুত হ'ব বুলি অনুভৱ কৰিছোঁ।

অসমীয়া ভাষাৰ 'সংস্কৃতি' শব্দটোৰ অৰ্থ অতি ব্যাপক। ইয়াক ইংৰাজী ভাষাৰ ''CULTURE'' শব্দটোৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে ''CULTURE'' শব্দটোৰ মূল (ROOT) লেটিন ভাষাৰ ''CULTURA''-ইয়াৰ অৰ্থ কৰ্ষণ কৰা। সেয়ে কৰ্ষণৰ লগত কৃষ্টিৰ ওতঃপ্ৰোত সম্পৰ্ক। মানুহে যুগ যুগ ধৰি কৃষ্টি আচৰণ বা অনুশীলন কৰিলে ই ৰুচিকৰ পৰিসংশোধিত আৰু পৰিমাৰ্জিত ৰূপ পৰিগ্ৰহ কৰি সমাজত স্থায়িত্ব লাভ কৰে। সেয়েহে সংস্কৃতিক কৃষ্টিৰ সংস্কাৰ ৰূপ বুলি ক'ব পাৰি। (CULTURE) শব্দটোৰ অৰ্থ বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে ব্যাখ্যা আগবঢ়াই গৈছে। কিছুমান পণ্ডিতৰ মতে মানৰ সমাজৰ নান্দনিক, নৈতিক, আধ্যাত্মিক, বৌদ্ধিক উৎকৰ্ষ সাধন কিম্বা বিকাশেই সংস্কৃতি; কিছুমান পণ্ডিতৰ মতে বিভিন্ন ভৌগোলিক অৱস্থানত প্ৰকৃতি আৰু মানৱৰ উৎকৰ্ষ সাধানেই সংস্কৃতি; কিছুমান পণ্ডিতৰ মতে বিভিন্ন সময়ত, বিভিন্ন পৰিৱেশত মানুহে আহৰণ কৰা জ্ঞান-বিশ্বাস, ৰীতি-নীতি, আচাৰ-শিষ্টাচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ, শিল্প-কলা, পিন্ধা-উৰা, থকা-মেলা, খোৱা-লোৱা, পূজা-পাতল, ধৰ্মীয় বিশ্বাস আদিৰ সংমিশ্ৰিত যৌগিক ৰূপেই সংস্কৃতি।

এই ক্ষেত্ৰত সমাজ বিজ্ঞানী, নৃতত্ববিদ, গৱেষক মৰিছ ব্লুমফিল্ড, ফ্ৰেন্স বোৱাছ, আৰ্ণে, ষ্টিথ থমছন, ৰবাৰ্ট মৰিছন মেকলভাৰ, আৰ্ণেষ্টি কছিৰাৰ, মিথিউ আৰ্ণল্ড, পিটিৰম্ আলেকজেন্দ্ৰভিক্ ছ'ৰ'কিন, ডেভিড বিণ্ডি, এডৱাৰ্ড বৰ্ণেট টেইলাৰ, ব্ৰনিশ্লাভ মালিন্‌ৱাস্কি, ৰবাৰ্ট ৰানল্‌ফ মৰেট, ৰবাৰ্ট ৰেডফিল্ড, ৰেডক্লিফ ব্ৰাউন, ৰুথ বেনেদি'', জন-জে-হানিংমেন, ক্লাইড ক্লুকখহন, জৰ্জ উইলহেম ফেড্ৰিখ্ হেগেল, কাৰ্লমাৰ্ক্স আদি মহা মহা পণ্ডিতৰ বিভিন্ন ব্যাখ্যা অনুধাৱন কৰিলে উপলব্ধি বা ধাৰণা কৰিব পৰা যায় যে মানুহৰ জীৱন-ধাৰণ প্ৰকৃতি বা উপলব্ধিয়েই সংস্কৃতি। অৰ্থাৎ মানুহৰ দ্বাৰা সৃষ্ট, মানুহৰ দ্বাৰাই বিকশিত বা অভিব্যঞ্জিত ক্ৰিয়া-কলাপ আৰু মানুহৰ আদৰ্শ অনুভূতিকেই সংস্কৃতি বুলি ক'ব পাৰি। 'সংস্কৃতি' শব্দটো যিহেতু অতি ব্যাপক অৰ্থবহ, সেয়েহে সংস্কৃতি বুলি ক'লে আমাৰ মনলৈ সাধাৰণতে যি ধাৰণা আহে সেই ধাৰণাখিনিহে ইয়াত উল্লেখ কৰিব বিচৰা হৈছে।

শণ্যা কছাৰী। অসমীয়া সাধু ভাষাত এওঁলোকৰ 'শৰণীয়া কছাৰী' বুলি কোৱা হয়। সেয়ে শৰণ লোৱা 'কছাৰী' মানেই 'শৰণীয়া কছাৰী' বুলি বেছিভাগ লোকৰে এটা ভ্ৰান্ত ধাৰণা আছে। দৰাচলতে শৰণীয়া কছাৰীসকল অসমৰ এক আদিম জনজাতি-জনগোষ্ঠী (AUTOCHTHONOUS)। নৃতাত্বিক (ETHNOLOGICAL) আৰু ভাষিক (PHILOLOGICAL) সমলৰ আধাৰত এওঁলোকক বৃহত্তৰ মংগোলীয় জনগোষ্ঠীৰ লোক হিচাপে গণ্য কৰা হৈছে।

কছাৰী জাতিৰ ইতিহাস, ঐতিহাসিক দৃষ্টিকোণৰ পৰা অৱলোকন কৰিলেই শৰণীয়া কছাৰীসকলৰ বিষয়ে জানিব পৰা যায়। বড়ো কছাৰী, ৰাভা কছাৰী, ডিমাছা কছাৰী, বৰ্মণ কছাৰী, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, হাজং কছাৰী আদিৰ দৰেই শৰণীয়া কছাৰীসকলো বৃহৎ কছাৰী জাতিৰ এটা ঠাল। অসমৰ বাক্সা, ওদালগুৰি, কামৰূপ (গ্ৰাম্য-মহানগৰ), নলবাৰী, দৰং, বৰপেটা, বঙাইগাঁও আদি জিলাত সিঁচৰতি হৈ থকা শৰণীয়া কছাৰীসকলৰ জনসংখ্যা প্ৰায় পাঁচ লাখ। অসম তথা ভাৰত চৰকাৰৰ দস্তাবেজ, REVEREND SYDNEY ENDLE ৰ 'THE KACHARI' LAWRENCE AUGUSTINE WADDEL ৰ 'THE REIBES OF THE BRAHMAPUTRA VALLEY', WILLIAM WILSON HUNTER ৰ 'A STATISTICAL ACCOUNT OF ASSAM', EDWARD TUITE DALTON ৰ 'ETHNOLOGY OF BENGAL' RAJMOHAN NATH ৰ 'THE BACKGROUND OF ASSAMESE CULTURE' আদি অনেক ঐতিহাসক গ্ৰন্থত শৰণীয়া কছাৰীসকলক কছাৰী জাতিৰ এটা উপজাতি হিচাপে গণ্য কৰা হৈছে। সাধাৰণতে ভবা যায় যে শৰণীয়া কছাৰীসকল বড়ো কছাৰী, ৰাভা কছাৰী, সোণোৱাল কছাৰী, হাজং কছাৰী আদি জনগোষ্ঠীৰ পৰা 'শৰণ' লৈহে শৰণীয়া কছাৰী হৈছে। এই ধাৰণা শুদ্ধ নহয়. কাৰণ প্ৰাক্-ঐতিহাসিক (MYTHOLOGICAL) কালৰ পৰা নৱ-বৈষ্ণৱবাদ (NEO-VAISHNAVISM) লৈকে কছাৰী জাতিৰ অনেকে ঐতিহাসিক কাৰণত হিন্দু-সংস্কৃতিৰ প্ৰতি আকৃষ্ট হৈ কোনো গুৰুৰ ওচৰত 'শৰণ' লৈ 'শৰণীয়া' হৈছে। এয়া ঐতিহাসিক সত্য। কছাৰী জাতিৰ বড়ো কছাৰী, ৰাভা কছাৰী, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, ডিমাছা কছাৰী, বৰ্মণ কছাৰী আদি জনগোষ্ঠীৰ অনেক লোকে হিন্দু ধৰ্ম বা হিন্দু ধৰ্মৰ অভিব্যঞ্জিত ৰূপ বৈষ্ণৱ ধৰ্মত শৰণ লৈছে যদিও তেওঁলোকৰ শৰণীয়া কছাৰী বুলি কোৱা নহয়। কাৰণ 'শৰণ লোৱা লোক' মানেই শৰণীয়া। কিন্তু শৰণীয়া কছাৰীসকল কছাৰী জাতিৰ এটা ফৈদ। এওঁলোকৰ মাজতো শৰণ লোৱা লোক আছে। এওঁলোকৰ পৰম্পৰাগত নিজস্ব সাজ-পাৰ, আ-অলংকাৰ, নৃত্য-গীত, উৎসৱ-পাৰ্বণ, দেৱ-দেৱী-ঈশ্বৰ উপাসনা, খাদ্যাভাষ, বিবাহ পদ্ধতি, জন্ম-মৃত্যু সংপৃক্ত ৰীতি-নীতি, লোক-বিশ্বাস, সাংস্কৃতিক পৰম্পৰা আদি সমৃদ্ধ। এওঁলোকে অসমীয়া ভাষা কয়। প্ৰকৃতাৰ্থত এওঁলোকে প্ৰাচীন কামৰূপী ভাষা কয় আৰু কথনশৈলীত জনজাতীয় উচ্চাৰণৰ ছাপ প্ৰকট; সেয়া ধ্বনিগত (PHONETIC) বা ৰূপগত (MORPHOLOGICAL) ই হওক, নাইবা শব্দগত (LEXICAL) বা অৰ্থগত (SEMANTIC) বা বাক্য বিন্যাসগত (SYNTATIC) ই হওক।

এতিয়া আহিছোঁ 'অসমৰ সাংস্কৃতিক জগতলৈ শৰণীয়া কছাৰীসকলৰ অৱদান' শীৰ্ষক আমাৰ নিৱন্ধৰ বিষয়বস্তুলৈ। অতি পুৰাতন কালৰে পৰা শৰণীয়া কছাৰীসকলে অসমৰ সাংস্কৃতিক জগতলৈ আগবঢ়াই অহা কিছু সাংস্কৃতিক অৱদান ইয়াত চমুকৈ উল্লেখ কৰাৰ প্ৰয়াস কৰা হৈছে।

**বাঁহ-গোসাঁই উৎসৱ ঃ** শৰণীয়া কছাৰীসকলে বাঁহক বুঢ়াডাঙৰীয়া বা শিৱজ্ঞান কৰে। বাঁহ-পূজা কৰিলে বুঢ়াডাঙৰীয়া বা শিৱ সন্তুষ্ট হয় বুলি তেওঁলোকৰ বিশ্বাস। শিৱ গোসাঁই সন্তুষ্ট হ'ল শস্য-মৎস্য, ধন-জন বৃদ্ধি হোৱাৰ লগতে, সকলোৰে অপায়-অমঙ্গল দূৰ হয় বুলি তেওঁলোকে গভীৰ আন্তৰিকতাৰে বিশ্বাস কৰে। সেয়েহে বছৰটোৰ আৰম্ভণিতে বাঁহ-গোসাঁই পূজা কৰি শস্য-মৎস্য, ধন-ধান-জন বৃদ্ধিৰ কামনাৰে সকলোকে মাৰি-মৰকৰ পৰা ৰক্ষা কৰি ভালে কুশলে ৰখাৰ প্ৰাৰ্থনাৰে বাঁহ-গোসাঁই উৎসৱ পালন কৰা হয়।

শৰণীয়া কছাৰীসকলৰ প্ৰতিখন গাঁও বা প্ৰতিটো চুবুৰীত একোটা গোসাঁইঘৰ থাকে। এই গোসাঁইঘৰত একোজনকৈ দেউৰী নিয়োগ কৰা হয়। দেউৰীজন শৰণীয়া কছাৰী সম্প্ৰদায়ৰ হ'ব লাগিব। গাঁওখনৰ প্ৰায়বোৰ সামাজিক, ধৰ্মীয় আদি কাম-কাজ এই গোসাঁইঘৰৰ পৰাই পৰিচালনা কৰা হয়। এই গোসাঁইঘৰতে বাঁহ-গোসাঁই বান্ধা বা সজোৱা হয়। ইয়াৰ পৰাই বাঁহ-গোসাঁই সৰি ফুৰাবলৈ নিয়া হয় আৰু ইয়াতে বাঁহ-গোসাঁই খহোৱা বা সামৰণি উৎসৱো উদ্‌যাপন কৰা হয়।

**বাঁহ-গোসাঁই বন্ধা বা সজোৱা পৰ্ব ঃ** চ'ত সংক্ৰান্ত অৰ্থাৎ গৰু বিহুৰ দিনা দেউৰীয়ে গা-মূৰ ধুই শুদ্ধচিত্তে গোসাঁইঘৰৰ মণিকূটত তিনি গছি বন্তি আৰু বাটচ'ৰাৰ ভেটিত এগছি বন্তি জ্বলাই সমবেত ভক্তপ্ৰাণ ৰাইজসহ পূজা-অৰ্চনা কৰি সহস্ৰবাতিৰ থাল এখন লৈ শঙ্খ, ঘণ্টা, বৰকাহ, কালিয়া, ঢোল-তাল বজাই জাতিবাঁহ কাটিবলৈ যায়। বাঁহ কাটি অনাৰ পাছত সেইডাল

দেউৰীৰ নিজ হাতেৰে ৯ (নও) হাত ৫ (পাঁচ) আঙুলি জোখত কাটি চাচি-চুচি পৰিস্কাৰ কৰি লয়। তাৰ পাছত দেউৰীয়ে সেই ৰঙীণ ৰুমাল আদি পিন্ধায়। তাৰ পাছত দেউৰীয়ে বাঁহ-গোসাঁইৰ শিৰত পিতলৰ মুকুট এটা পিন্ধাই; তাত তেল, সেন্দূৰ সানি ফুলৰ মালা পিন্ধাই দিয়ে। গোসাঁই সজোৱা হোৱাৰ পাছত ফুলেৰে সজ্জিত বঁটা বা শৰাই এখনত উপৰেশন কৰোৱা হয়। বাঁহ-গোসাঁই উপৰেশন কৰোৱা হোৱাৰ পাছত ভক্তপ্ৰাণ ৰাইজে নাম-কীৰ্তন গাই, মাহ-প্ৰসাদ খাই গোসাঁই বন্ধা বা সজোৱা উৎসৱৰ সামৰণি মাৰে।

**বাঁহ-গোসাঁই সৰি ফুৰোৱা বা পৰিভ্ৰমণ পৰ্ব ঃ** এক ব'হাগৰ পুৱা ভক্তপ্ৰাণ ৰাইজে গোসাঁইঘৰলৈ আহি দেউৰীৰ নিৰ্দেশত বাঁহ-গোসাঁইক পূজা-অৰ্চনা কৰি ঢোল-তাল, শঙ্খ-ঘণ্টা, বৰকাঁহ, কালিয়া আদি বজাই বাঁহ-গোসাঁইক গোসাঁইঘৰটোৰ চাৰিওফালে সাত পাক ঘূৰাই গাঁও সৰি ফুৰাবলৈ লৈ যায়। গাঁওখনৰ সকলো গৃহস্থই নিজৰ নিজৰ ঘৰলৈ বাঁহ-গোসাঁইক আদৰণি জনায়। সৰি ফুৰোৱা বা পৰিভ্ৰমণৰ শেষত বাঁহ-গোসাঁইক যথাস্থানত উপৰেশন কৰাই সেইদিনাৰ বাবে সৰি ফুৰোৱা উৎসৱৰ সামৰণি মৰা হয়। এইদৰে ছয় ব'হাগলৈ সৰি ফুৰাই বাঁহ-গোসাঁই সৰি ফুৰোৱা উৎসৱৰ সামৰণি মৰা হয়।

**বাঁহ-গোসাঁই খহোৱা বা সামৰণি পৰ্ব ঃ** সাত ব'হাগৰ দিনা বাঁহ-গোসাঁই খহোৱা উৎসৱ পালন কৰা হয়। সেইদিনা পুৱাৰে পৰা গোসাঁইৰ প্ৰাঙ্গন এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। ভক্তপ্ৰাণ ৰাইজে হাঁহ, পাৰ ছাগলী আদ সৈ থোৱা মানসবোৰৰ লগত ঠগি, নৈবেদ্য আদি বাঁহ-গোসাঁইৰ আগত নিবেদন কৰি তেওঁলোকৰ মনস্কামনা পুৰণৰ বাবে প্ৰাৰ্থনা জনায়। ভক্তৰ সৈ থোৱা জীৱ-মানসবোৰ বলি দিয়া নহয়। বুঢ়াডাঙৰীয়াৰ নামত এৰি দিয়া হয়। এই সময়ছোৱাত ৰাইজে ঢোল-তাল, শঙ্খ-ঘণ্টাষ বৰকাঁহ, কালিয়া আদি বজাই নামকীৰ্তন কৰি থাকে। পূজা শেষ হোৱাৰ পাছত বাঁহ-গোসাঁইক শেষ শ্ৰদ্ধা নিবেদন জনাই নিৰ্মালি লয়। তাৰ পাছত বাঁহ-গোসাঁইক গোসাঁইঘৰৰ চৌপাশে সাত পাক ঘূৰাই গোসাঁইঘৰত সোমাই বাঁহ-গোসাঁইৰ চঙাৰ, মুক্চা, গামোচা, ৰুমাল আদি পৰিধৃত ভূষণসমূহ খহাই সযত্নে ৰখা হয়। তাৰ পাত বাঁহ-গোসাঁইক গোসাঁইঘৰৰ আটালত নাইবা গোসাঁইঘৰৰ খুঁটাত সংলগ্ন কৰি থোৱা হয়। বাঁহ-গোসাঁইক যথাস্থানত ৰখাৰ পাছত ভক্তপ্ৰাণ ৰাইজে মাহ-প্ৰসাদ, ভোগ আদি গ্ৰহণ কৰে। এইদৰে বাঁহ-গোসাঁই খহোৱা উৎসৱৰ সামৰিণ মৰা হয়।

বাঁহ-গোসাঁই উৎসৱৰ লগতে ব'হাগৰ দোমাহী আনুষংগিক ৰীতি-নীতি, পৰ্বসমূহো শৰণীয়া কছাৰীসকলে নিষ্ঠাৰে পালন কৰি আহিছে।

**বুঢ়াডাঙৰীয়া পূজা ঃ** বুঢ়াডাঙৰীয়া পূজাৰ উদ্দেশ্য জন কল্যাণমুখী। এই পূজা কৰিলে বুঢ়াডাঙৰীয়া বা শিৱই ভকতক জৰা-মৃত্যু ভয়ৰ পৰা ৰক্ষা কৰে, সুখে-শান্তিৰে জীৱন নিৰ্বাহ কৰাত অভয় প্ৰদান কৰে বুলি ভকতসকলে বিশ্বাস কৰে। পাৰমাৰ্থিক অৰ্থত য'তে জীৱ, ত'তে শিৱ। শিৱই পৰম গুৰু। এই পৰম গুৰুৰ সংগ লাভ কৰিবলৈ হ'লে সৎ ভাবনা, সৎ চিন্তা, সৎ আচৰণ আদিৰ পৰমজ্ঞান লৈ সৎ-সংগত বসতি স্থাপন কৰিব লাগে। এয়ে বুঢ়াডাঙৰীয়া পূজাৰ উদ্দেশ্য আৰু তাৎপৰ্য। এই পূজাক 'ভকত-সেৱা' বুলিও কোৱা হয়।

এই পূজা ৰাতিহে কৰা হয় কিন্তু বিশেষ পৰিস্থিতি সাপেক্ষে দিনতো কৰা দেখা যায়। এই পূজাৰ কোনো নিৰ্দিষ্ট দিন, বাৰ, মাহ, তিথি আদি নাই।

বুঢ়াডাঙৰীয়া পূজা ৰাজহুৱা নহয়। পৰিয়ালকেন্দ্ৰিক। গৃহস্থই অইন লোককো পূজালৈ আমন্ত্ৰণ জনাব পাৰে। আমন্ত্ৰিতজনে পূজালৈ আহোঁতে মদৰ হাড়ি বা চেৰাপৰ বটল লৈ পূজাত নিবেদন কৰে। যিকোনো গৃহস্থই ভকতক আমন্ত্ৰণ জনাই এই পূজা কৰিব পাৰে। গৃহস্থৰ যিকোনো এটা সুবিধাজনক ঘৰৰ ভিতৰত এই পূজা কৰা হয়। পূজা কৰা ঘৰটোক 'সচং' বুলি কোৱা হয়। সাধাৰণতে মহন্ত আৰু ভকতসকলৰ নিজা নিজা ঘৰত 'সচং' থাকে। এই সচঙত তেওঁলোকৰ বিধি-বিধানৰ পুথি, বাদ্য আদি পূজাৰ সা-সামগ্ৰী ৰাখে। সচংবিলাক সাধাৰণতে দুটা শাৰীকৈ প্ৰতিটো শাৰীতে মহন্ত সমন্বিতে চাৰি-পাঁচজন ভকত-ভকতনী বহিব পৰাকৈ আৰু শাৰী দুটাৰ মাজত দুজনী ভকতনীয়ে ভোগ, মাহ-প্ৰসাদ আদি ৰাখি নৈবেদ্য পাতি পূজা কৰিব পৰা হোৱা জোখৰ দেখা যায়।

এই পূজাত ১৪ যোৰ তামোল-পাণ, ৯ যোৰ ডিমা, ৰঙা আৰু ক'লা বৰণৰ দুটা মতা কুকুৰা, বগা বৰণৰ এটা মাতী কুকুৰা, মদসহ মদৰ হাড়ি, চেৰাপসহ চেৰাপৰ বটল বা চুঙা, আখৈ, চাউলৰ গুৰা, উহা চাউলৰ কাৰেই, মাটি মাহ, শালি

তিল, বন্তি, প্ৰচুৰ পৰিমাণে ৰঙা, বগা ফুল আদি লাগে। তুলসী আৰু বেলপাত এই পূজাত নিষিদ্ধ। বাদ্য হিচাপে ডম্বৰু, শংখ, টিলিঙা, ম'হৰ শিঙা আদি ব্যৱহাৰ কৰে।

শৰণীয়া কছাৰী সম্প্ৰদায়ৰ মহন্ত, চতিয়া, ভকত আৰু ভকতনীসকলৰ দ্বাৰা এই পূজা সম্পাদনা কৰা হয়। ভকতনী নোহোৱাকৈ অকল মহন্ত, চতিয়া বা ভকতৰ দ্বাৰা এই পূজা সম্পাদনা কৰা নহয়। কোনো নিৰ্দিষ্ট সংখ্যা নাথাকিলেও মহন্ত, চতিয়া সমন্বিতে ৮/১০ জন ভকত-ভকতনীয়ে এই পূজা সম্পাদনা কৰা দেখা যায়। এই পূজা পাঁচটা পৰ্যায়ত অনুষ্ঠিত কৰা হয়।

১। ভকত আদৰণি ঃ এই পৰ্যায়ত অৰিহণাসহ পূজাৰ সম্পূৰ্ণ যা-যোগাৰ কৰি মহন্ত আৰু ভকত-ভকতনীসকলক গৃহস্থৰ পদূলিৰ পৰা যথাৰীতি আদৰি নি চোতালত বহুৱাই পূজাৰ সা-সামগ্ৰী যোগান ধৰিব লাগে।

২। ভকত শুচিকৰণ ঃ এই পৰ্যায়ত ভকত-ভকতনীসকলে মন্ত্ৰপূত চেপাৰ সেৱন কৰি নিজে শুচি হৈ লোৱাৰ পাছত পূজা আৰু ভোগৰ সামগ্ৰীসমূহো শুদ্ধি কৰাই লয়।

৩। পূজা সম্পাদনা ঃ শুচি হোৱাৰ পাছত মহন্ত, ভকত-ভকতনীসকলে সচঙত প্ৰৱেশ কৰি মূল মহন্তই উত্তৰৰ আসনত, থূল মহন্তই দক্ষিণৰ আসনত আৰু ভকত-ভকতনীসকলে পশ্চিমৰ আসনত দুটা শাৰীত উপৱেশন কৰি পূজাৰ কাম আৰম্ভ কৰে। এই পূজা অতি দীঘলীয়া-প্ৰায় এনিশা ধৰি চলে। পূজাৰ পৰ্যায়ক্ৰমে ভকত-ভকতনীসকলে বীজমন্ত্ৰ, বিচাৰ বা সদাচাৰ আৰু বাক্য কয়। পূজাৰ সময়ত পৰ্যায়ক্ৰমে মদ আৰু চেৰাপ সেৱন কৰে।

৪। ভোগ গ্ৰহণ ঃ পূজা শেষ হোৱাৰ পাছত মূল আৰু থূল মহন্তই 'প্ৰেমৰ জোল'সহ ভোগ গ্ৰহণ কৰাৰ পাছতহে ভকত-ভকতনী আৰু আমন্ত্ৰিত আলহী-অতিথিসকলে ভোগ গ্ৰহণ কৰে।

৫। ভকত বিদায় ঃ ভোগ গ্ৰহণৰ শেষত গৃহস্থই সাধ্যানুসাৰে মহন্ত-ভকতনীসকলক অৰ্থ, বস্ত্ৰ আদি অৰিহণাৰে সেৱা-সৎকাৰ কৰি বিদায় দিয়ে।

বুঢ়াডাঙৰীয়া পূজাৰ বীজমন্ত্ৰ, সদাচাৰ আৰু বাক্যসমূহ অতি পূৰাতন আৰু শ্ৰুতিমধুৰ। ইয়াক পাৰমাৰ্থিক গীত হিচাপেও গোৱা শুনা যায়।

**বাটৰ পূজা ঃ** বাটৰপূজা কৰিলে অপায়-অমঙ্গল দূৰ হয় বুলি শৰণীয়া কছাৰীসকলে বিশ্বাস কৰে. সেয়ে তেওঁলোকৰ উপাস্য দেৱ-দেৱী বুঢ়াডাঙৰীয়া, ভগৱতী, কাহুৰী, মীৰু গোসাঁই বা মনসা আৰু জলৰ গোসাঁইক পূজা-অৰ্চনা কৰি মাৰি-মৰকৰ পৰা ৰক্ষা পাবলৈ এই পূজা কৰে।

এই পূজা সাধাৰণতে ব'হাগ মাহত বেছিকৈ কৰা দেখা যায় যদিও মাঘ, ফাগুন আৰু চ'ত মাহতো কেতিয়াবা কৰা দেখা যায়। এই কেইটামাহৰ খৰৱাৰ অৰ্থাৎ শনি আৰু মঙ্গলবাৰে এই পূজা বেছিকৈ কৰা দেখা যায়। এই পূজা দিনতে সম্পাদনা কৰা হয়, ৰাতি কৰা নহয়। অকল মহিলাসকলেহে এই পূজা কৰে। পুৰুষে পূজা সংপৃক্ত কাম-কাজত সহায় কৰে। অৱশ্যে পূজাৰ শেষত-মহিলা, ডেকা-বুঢ়া, ল'ৰা-ছোৱালী সকলোৱে পূজাথলিত মাহ-প্ৰসাদ, ভোগ আদি গ্ৰহণ কৰে।

এই পূজাৰ বাবে নও যোৰ তামোল-পাণ, এযোৰ এটা পাৰ চৰাই, নওযোৰ ডিমা, তাংখু, আফিং, ভাংখোৱা আৰু তাংখুখোৱা চিলিম একোটা, দুইযোৰ খৰম, পাতসহ চাৰিডাল কেঁচা চেকনি, কচুগছ এডাল, ঢেঁকীয়া গছ এডাল, সৰু কলপুলি এটা, শিহ থকা ডাব নাৰিকল এটা, পকা বা কেঁচা আঠীয়া কল তিনিটা, কঠালৰ মুচি এটা, লেতুক এটা, বেল এটা, আম এটা, কলপুল এটা, কুঁহিয়াৰ, কল, নাৰিকল, মচুৰ, মুগ, বুট, মাটিমাহ, তিল, জহা চাউল, মৌ, ঘিউ, চেনি, মিঠাই, ৰঙা আৰু বগা ৰঙৰ প্ৰচুৰ পৰিমাণৰ ফুল, বেলপাত, তুলসীপাত ইত্যাদি প্ৰচুৰ সামগ্ৰী লাগে।

বাটৰ পূজাৰ দুই বা তিনিজনী দেউৰী থাকে। ইয়াৰে এজনীক মূল দেউৰী বোলে। মূল দেউৰীয়ে পূজা সম্পাদনা কৰে। এই পূজাত কোনো বাদ্য বজোৱা নহয়। হাত চাপৰি মাৰি নামধৰা হয়। নামধৰা কাৰণে এই পূজাত ওঝানীদলৰ ভূমিকা অপৰিহাৰ্য। পূজাৰ গোটেই সময়খিনিতে হাত চাপৰি মাৰি নামধৰি এওঁলোকে এক বিশেষ ভূমিকা গ্ৰহণ কৰে।

গাঁও বা চুবুৰী যিকোনো তিনি-আলিৰ সংগমস্থানত অনুষ্ঠিত কৰা এই পূজা পাঁচটা পৰ্যায়ত অনুষ্ঠিত কৰা দেখা যায়।

১। আহান পতা ঃ এই পূজাত সাধাৰণতে পাঁচখন আহান পতা হয়। যেনে— ভগৱতীৰ আহান, কাহুৰীৰ আহান, মীৰু গোসাঁই বা মনসাৰ আহান, বুঢ়াডাঙ্গৰীয়া বা শিৱৰ আহান আৰু জলৰ আহান।

২। ভোগ বৰোৱা ঃ আহান পতা শেষ হোৱাৰ পাছত ভোগৰ সামগ্ৰীসমূহ আহানৰ ওচৰলৈ আনি মূল দেউৰীৰ হতুৱাই শুচি কৰি লয়। তাৰ পাছত বিশেষভাৱে নিয়োগ কৰা কেইজনীমান ৰান্ধনীয়ে ভোগ ৰান্ধে।

৩। পূজা সম্পাদনা ঃ আহান পতা শেষ হোৱাৰ পাছত ভোগ বৰাই পূজা আৰম্ভ কৰে। দেউৰীয়ে পূজা কৰি থকা সময়ত ওঝানীৰ দলটোৱে হাত চাপৰি বজাই 'বটকনাম' ধৰে। পূজা শেষ হোৱাৰ পাছত সকলোৱে সেৱা লয়। তেতিয়া ওঝানীৰ দলটোৱে নাম গোৱাৰ পৰিৱৰ্তে প্ৰাৰ্থনা গায়।

৪। আহাৰ বিসৰ্জন ঃ প্ৰাৰ্থকক নিৰ্মালি দিয়া শেষ হোৱাৰ পাছত পূজাৰ সামগ্ৰীসমূহ এখন সজ্জিত কলৰ ভেলত তোলা হয়। তাৰ পাছত ভেলখন দুজনী দেউৰীৰ মূৰত তুলি লৈ ওচৰত থকা জলাশয়ত বিসৰ্জন দিয়ে। বিসৰ্জন দিবলৈ যাওঁতে আৰু বিসৰ্জন দি উভতি আহোঁতে তেওঁলোকে পিছুলৈ উভতি নাচায়।

৫। ভোগ গ্ৰহণ বা সামৰণি ঃ আহানত দিয়া কোনো সামগ্ৰীকে ভক্তই গ্ৰহণ নকৰে। সেইবোৰ বিসৰ্জন দিয়া হয়। বিসৰ্জন দিবলৈ যোৱাসকল উভতি আহি প্ৰথমতে মাহ-প্ৰসাদ, ভোগ আদি গ্ৰহণ কৰা পাছতহে বাকীবোৰে গ্ৰহণ কৰে। ভোগ গ্ৰহণৰ পাছত চকা-ডুবাৰ অৰ্থাৎ বেলি ডুব যোৱাৰ আগে আগে সকলোৱে ঘৰাঘৰি হয়।

বাটৰ পূজাৰ নাম আৰু প্ৰাৰ্থনাবোৰ অতি পুৰাতন। এইবোৰ শ্ৰুতিমধুৰ। ইয়াক পাৰমাৰ্থিক গীত হিচাপেও গোৱা শুনা যায়।

**চোৰপূজা ঃ** চোৰপূজা কৰিলে অপায়-অমঙ্গল দূৰ হয় বুলি শৰণীয়া কছাৰীসকলে বিশ্বাস কৰে। সেই উদ্দেশ্য আগত ৰাখি ব'হাগ মাহৰ কৃষ্ণপক্ষৰ যিটো খৰবাৰ অৰ্থাৎ শনি বা মঙ্গলবাৰৰ গভীৰ নিশা এই পূজা বেছিকৈ কৰা দেখা যায়। অৱশ্যে মাঘ, ফাগুন আৰু চ'ত মাহতো এই পূজা কৰা হয়।

লোকাশ্ৰয়ৰ নিলগত আছুতীয়া ঠাইত নাইবা গোসাঁইঘৰৰ বাহিৰত অৰ্থাৎ গোসাঁইঘৰ প্ৰাঙ্গনত এই পূজা অনুষ্ঠিত কৰা হয়। এই পূজাৰ সা-সামগ্ৰী, বাটৰ পূজা আৰু বুঢ়াডাঙ্গৰীয়া পূজাৰ সা-সামগ্ৰীৰ স'তে প্ৰায় একে। এই পূজাতো কলৰ ভেল এখন অপৰিহাৰ্য। এই ভেলখন বাটৰ পূজাৰ ভেলৰ দৰে নহয়। প্ৰায় ৩ × ৪ হাত জোখৰ কলগছৰ টুকুৰাৰে এই ভেল সাজি, সেই ভেলখনৰ উত্তৰ, পূব, দক্ষিণ আৰু ওপৰৰ পিনে কলৰ দোনাৰে ঘেৰি চৈ দিয়া গৰু গাড়ীৰ দৰে সজোৱা হয়। এই ঘৰটোৰ পশ্চিম দিশটো খোলা ৰখা হয়। ভেলখনৰ ঘৰটোৰ ভিতৰত আহানবোৰ পতা হয়।

বাটৰ পূজাৰ দৰে এই পূজাও পাঁচটা পৰ্যায়ত অনুষ্ঠিত কৰা দেখা যায়। যেনে- আহান পাতা, ভোগ বৰোৱা, পূজা সম্পাদনা, আহান বিসৰ্জন আৰু ভোগ গ্ৰহণ বা সামৰণি।

এই পূজা অকল বিবাহিত পুৰুষসকলেহে কৰে। মহিলা বা ছলিৰ বাবে এই পূজাত অংশগ্ৰহণ কটকটীয়াভাৱে নিষিদ্ধ। নিশাৰ ভিতৰতে আৰম্ভ কৰি নিশাৰ ভিতৰতে শেষ কৰিবলগীয়া এই পূজাৰ মাহ-প্ৰসাদ-ভোগ আদি পূজাত অংশগ্ৰহণ কৰা লোকৰ বাহিৰে অইনে গ্ৰহণ কৰাটো নাইবা কোনো সামগ্ৰী ঘৰলৈ অনাটো কটকটীয়াভাৱে নিষিদ্ধ। এই পূজাত কোনো সদাচাৰ বা নাম গোৱা নহয়। কিন্তু পূজাৰ সময়ত দেউৰীয়ে বাক্য কয়।

**বাম্বোলপিটা উৎসৱ ঃ** অতীজৰে পৰা শৰণীয়া কছাৰীসকলৰ মাজত বাম্বোলপিটা উৎসৱ নামৰ এক লোক-উৎসৱৰ প্ৰচলন দেখা যায়। এই উৎসৱক 'হেপৰিপিটা উৎসৱ' নামেৰেও জনা যায়। ভাদ মাহৰ একাদশী তিথিৰ পৰা পূৰ্ণিমা তিথিলৈ, ঠাই বিশেষে পূৰ্ণিমা তিথিৰ পৰা পাঁচ ৰাতি ধৰি এই উৎসৱ পালন কৰা হয়। বাম্বোলপিটাৰ বাবে শৰণীয়া কছাৰীসকলৰ গাঁও বা চুবুৰীৰ দহ-পোন্ধৰজনীয়া পুৰুষৰ, বিশেষকৈ ডেকাসকলৰ দল একোটাই তেওঁলোকৰ জাতীয় সাজ-পাৰ পিন্ধি প্ৰত্যেকেই একোখন হাতত একোডাল উখনি বা চাৰিহাতমান দীঘল বাঁহৰ টোকোন আৰু আনখন হাতত এহাতমান দীঘল বাঁহৰ টুকুৰা মাৰি একোডাল লৈ, সেই মাৰিডালেৰে উখনি বা টোকোনত আঘাত কৰি অৰ্থাৎ কোবাই কোবাই এক ছন্দময় বোল সঞ্চাৰ কৰি সেই ছন্দময় বোলৰ তালে তালে গীত গাই গাই বৃত্তাকাৰে ঘূৰি ঘূৰি নৃত্য পৰিৱেশন কৰে। দলবিলাকে চকা-ডুবাৰ পৰা দোভাগ ৰাতিলৈকে নিজৰ নিজৰ গাঁওবিলাকৰ উপৰিও ওচৰৰ গাঁওবিলাকৰ গিৰিহঁতৰ

ঘৰলৈ গৈ চোতালত বাম্বোলপিটা নৃত্য-গীত পৰিৱেশন কৰে। তেওঁলোকে কেইটামান গীত গাই নৃত্য পৰিৱেশন কৰি অনুষ্ঠান সামৰে। তেতিয়া গৃহস্থই নিজৰ সামৰ্থ অনুযীয়া চাউল, টক-পইচা আদি পায়, সেইবোৰেৰে তেওঁলোকে লগ-ভাত খাই ৰং-ধেমালি কৰে।

অদ্যপি প্ৰচলন হৈ থকা বাম্বোলপিটা গীতবোৰৰ মাজেদি শৰণীয়া কছাৰীসকলৰ মাজত প্ৰচলিত ভাষাৰ ধ্বনিতাত্ত্বিক (PHONETIC) দিশটো মনকৰিবলগীয়া। লগতে, গীতবোৰত সন্নিৱিষ্ট হৈ থকা শব্দভাণ্ডাৰ; যিবোৰত কৃষিজীৱীলোকৰ নিভাঁজ মনৰ সৰল অভিব্যক্তি প্ৰকাশ পাইছে। প্ৰকৃতিৰ বিভিন্ন গছ-গছনি, পশু-পক্ষী, মৎস্য-মগৰ আদিৰ লগতে শৰণীয়া কছাৰীসকলৰ জনজীৱন, তেওঁলোকৰ পাৰিবাৰিক সম্বোধন, অতীতৰ ৰজা-ডা-ডাঙৰীয়া, গোসাঁইঘৰ, খেতি-বাতি, বোঁৱা-কটাৰ সা-সজুঁলি আদিৰে এই গীতবোৰ সমৃদ্ধ।

**মহৌখেদা উৎসৱ ঃ** অতি পুৰণি কালৰে পৰা শৰণীয়া কছাৰীসকলৰ মাজত মহৌখেদা উৎসৱ প্ৰচলিত। এই উৎসৱ বাম্বোলপিটা উৎসৱৰ লেখিয়া এক লোকউৎসৱ। আঘোন মাহৰ একাদশী তিথিৰ পৰা পাঁচ নিশা ধৰি এই উৎসৱ পালন কৰা হয়। বাম্বোলপিটাৰ দৰে মহৌখেদাতো কোনো গাঁও বা চুবুৰীৰ আঠ-দহজনীয়া পুৰুষ দল, বিশেষকৈ ডেকাসকলৰ দল একোটাই জাতীয় সাজ-পোছাকত হাতত একোডাল চাৰিহাতমান দীঘল, টোকোন লৈ সন্ধিয়াৰ পৰা দোভাগ ৰাতিলৈ ঘৰে ঘৰে গৈ গৃহস্থৰ চোতালত বৃত্তাকাৰে নাচি নাচি, গীত গাই মহৌখেদে। বাম্বোলপিটাত দলবোৰে টোকোন, ওকনি আৰু মাৰি লয়। কিন্তু মহৌখেদাত মাৰি নলয়। অকল টোকোনহে লয়। টোকোনডালেৰে মাটিত ধুমুচ মাৰি থাকে। বাকীবোৰে সেইডাল কোবাই কোবাই ছন্দময় বোল তোলে। কেতিয়াবা আকৌ সকলোৱে অকল ধুমুচ মাৰি মাৰি গীত গায়। প্ৰত্যেকটো দলৰে কোনো এজনক কল-চোঁচনি পিন্ধাই 'ভালুক' সজায়। তেওঁ গীতৰ সুৰে সুৰে, ধুমুচৰ ছন্দে ছন্দে নাচ নাচি পৰিৱেশ বেচ মনোগ্ৰাহী কৰি তোলে। নৃত্য-গীত শেষ হোৱাৰ পাছত গৃহস্থই দলটোক চাউল, টকা-পইচা দিয়ে আৰু দলটোৱে গৃহস্থক আশীৰ্বাদ দিয়ে। দলটোৰ সংগৃহীত ধনেৰে সকলোৱে লগ-ভাত খায়।

বাম্বোলপিতা গীতৰ দৰে মহৌখেদা গীতবোৰো এক অমূল্য সম্পদ।

**কাতিগাছা ঃ** শৰণীয়া কছাৰীসকলে কাতি বিহুক কাতিগাছা বোলে। 'কাতি' মানে কাতিমাহ আৰু 'গাছা' মানে গছা অৰ্থাৎ শলা-বন্তি জ্বলোৱা এক প্ৰকাৰ যতন বা আহিলা। কাতিগাছাৰ দিনা সন্ধিয়াৰ আগে আগে শৰণীয়া কছাৰী খেতিয়কসকলে নিজৰ নিজৰ ধাননি পথাৰলৈ যায়। কাতিগাছা জলোৱাজনে সেইদিনা লঘোন খাটিব লাগে। কাতিগাছা জলোৱাৰ পাছতহে তেওঁ গুৰু আহাৰ গ্ৰহণ কৰিব পাৰে। কাতিগাছা জলাবলৈ যোৱাসকলে তেওঁলোকৰ লগত প্ৰায় এবুকু দীঘল জোখৰ বিজুলী বাঁহৰ চৰহা লৈ যায়। বিকল্প হিচাপে সমান জোখৰ বাঁহৰ খুঁটি, সেই খুটিৰ এমূৰে এক জলৈমান দীঘল জোখৰ কলদাহী একোটুকুৰা সালি লৈ যায়। তেওঁলোকে চৰহা বা খুঁটিবিলাক নিজৰ নিজৰ খেতি পথাৰত পুতি আগলতি কলপাত এখনত তামোল-পাণ এযোৰ, মুদ্ৰা এটা, মাহ-প্ৰসাদ কিছু লৈ চৰহাত ভৰাই বা কলদাহীৰ ওপৰত ৰাখি তাৰ ওপৰত ঔ টেঙাৰ খোল নাইবা কলৰ দোনাৰে সজা চাকি ৰাখি তাত মিঠাতেল, আঁৰাসূতাৰ শলিতা আৰু চানখেৰৰ খোঁচনি কেইডালমান নাইবা কলডিলৰ পিপা এটা দি সেৱা জনাই শলা-বন্তি জ্বলায়। তাৰ পাছত "বুঢ়াডাঙৰীয়া দয়া কৰা- হৰিবোল হৰিবোল হৰিবোল, আই ভগৱতী দয়া কৰা- হৰিবোল হৰিবোল হৰিবোল, আই মহালক্ষী দয়া কৰা- হৰিবোল হৰিবোল হৰিবোল" বুলি প্ৰতিটো হৰিধ্বনিৰ অন্তৰে অন্তৰে হাত চাপৰি বজায়। তাৰ পিছত তেওঁলোকে পাছলৈ ফিৰি নোচোৱাকৈ ঘৰলৈ উভতি আহে। তেওঁলোকে ঘৰলৈ আহি নিজৰ নিজৰ চোতালৰ পূব দিশত একোখন নৈবেদ্য পাতি শলা-বন্তি জ্বলায়। এই নৈবেদ্যত শলা-বন্তি জ্বলোৱাৰ পাছতহে ভাঁখেৰী, গোহালি, নঙলামুখ আদিত অকল চাকি জ্বলায়। তাৰ পাছত পৰিয়ালৰ সকলোৱে চোতালৰ নৈবেদ্যৰ ওচৰত সেৱা লৈ আগৰ দৰে হৰিধ্বনি দি সামৰণি মৰাৰ পাছতহে মাহ-প্ৰসাদ গ্ৰহণ কৰে। উল্লেখ্য যে কাতিগাছাত শৰণীয়া কছাৰীসকলে মাটিৰ চাকি ব্যৱহাৰ নকৰে। তাৰ পৰিৱৰ্তে ঔ-টেঙাৰ খোল নাইবা কলৰ দোনাৰে সজা চাকিহে ব্যৱহাৰ কৰে। তদুপৰি কাতিগাছা নোযোৱালৈকে শৰণীয়া কছাৰীসকলে ঔ-টেঙা নাখায়। খালে শস্যৰ অপৰাৰ হোৱাৰ লগতে খাওঁতাজনক 'কাক্ৰা বাঘ' নামৰ এক অপদেৱতাই ধৰে বুলি তেওঁলোকে বিশ্বাস কৰে।

**কাতি মাহৰ নাম ঃ** আমতিৰ চুৱা নোযোৱালৈকে মাছৰ পোনা ডাঙৰ নহয়। সেয়েহে আমতিৰ চুৱা যোৱাৰ

পাছতহে শৰণীয়া কছাৰীসকলে জাকপাতি মাছ মাৰে। জাকৈ, কালৈ, পল আদি লৈ বাৰিষাৰ বাঢ়নী পানী আৰু বাৰিষা যোৱাৰ পাছত জান, জুৰি, খাল, ডোং, বিল, চাৰণ, কুৰ, হলা, চেঁচা আদিতো শৰণীয়া কছাৰীসকলে জাকপাতি মাছ মাৰে। জাকপাতি সমূহীয়াভাৱে মাছ মাৰিবলৈ যাওঁতে আৰু মাছ মাৰোতে যি উলহ-মালহ, উৎসৰমুখৰ পৰিৱেশৰ সৃষ্টি হয় আৰু সেই উৎসৰমুখৰ পৰিৱেশত স্বতঃস্ফূৰ্তভাৱে যি নাচ-গানৰ সৃষ্টি হয় তাৰ আদাৰত যি নৃত্য-গীত পৰিৱেশ্য কলা হিচাপে প্ৰদৰ্শন কৰা হয়, তাকে মাছমৰীয়া নৃত্য বুলি কোৱা হয়। মাছমৰীয়া নৃত্য তিনিপ্ৰকাৰত ভাগ কৰিব পাৰি। যেনে— ক) জাকৈ নৃত্য খ) পল নৃত্য আৰু গ) জাকৈ-পল নৃত্য।

১। জাকৈ নৃত্য ঃ কোনো গাঁও বা চুবুৰীৰ শৰণীয়া কছাৰী মহিলাই জাতীয় সাজ-পাৰত জাকৈ-খালৈ লৈ মাছ মাৰিবলৈ যাওঁতে আৰু মাছ মাৰোতে যি লয়লাস সংগীতময় পৰিৱেশৰ সৃষ্টি হয় তাকে নৃত্যৰ আকাৰত ৰূপ দিয়াকে জাকৈ নৃত্য বোলা হয়। এই নৃত্যত মেটেকা নাইবা দল ছেলোৱা, চাবিয়াই জাকৈ মাৰা, গচকা, জাকৈৰ কোণাপাতি মাছ ধৰা আদি মনোগ্ৰাহী। জাকৈ নৃত্যত অকল মহিলাইহে অংশগ্ৰহণ কৰে। পুৰুষে বাদ্য সংগত কৰে।

২। পল নৃত্য ঃ শৰণীয়া কছাৰীসকলৰ কোনো গাঁও বা চুবুৰিৰ পুৰুষে জাতীয় সাজপাৰত পল, বৰখালৈ আদি লৈ মাছ মাৰিবলৈ যাওতে আৰু মাছ মাৰোতে যি উৎসৰমুখৰ পৰিৱেশ সৃষ্টি হয় তাকে নৃত্যৰ আকাৰত ৰূপ দিয়াকে পল নৃত্য বুলি কোৱা হয়। এই নৃত্যত মহিলাই অংশগ্ৰহণ নকৰে। পুৰুষে বাদ্য সংগত কৰে।

৩। জাকৈ-পল নৃত্য ঃ শৰণীয়া কছাৰীসকলৰ গাঁও বা চুবুৰীৰ পুৰুষে পল, জাকৈ, বৰখালৈ আৰু মহিলাই জাকৈ-খালৈ লৈ মাছ মাৰিবলৈ যাওঁতে আৰু মাছ মাৰোতে যি উৎসৰমুখৰ পৰিৱেশৰ সৃষ্টি হয় তাকে নৃত্যৰ আকাৰত ৰূপ দিয়াকে জাকৈ-পল নৃত্য বোলে। এই নৃত্যত পুৰুষ, মহিলা উভয়ে অংশগ্ৰহণ কৰে। পুৰুষে বাদ্য সংগত কৰে।

**চিকাৰ নৃত্য ঃ** চিকাৰেই মানুহৰ আদিমতম জীৱন-জীৱিকা। কৃষিক জীৱিকা হিচাপে লোৱাৰ বহু যুগ আগৰে পৰাই মানুহে চিকাৰ কৰি জীৱন নিৰ্বাহ কৰিছিল। মানৱ সভ্যতাৰ ক্ৰমবিকাশত চিকাৰৰ এক বিশেষ উল্লেখযোগ্য স্থান আছে। অইন জনগোষ্ঠীৰ দৰে শৰণীয়া কছাৰীসকলেও এসময়ত চিকাৰ কৰিছিল। চিকাৰ মানেই অৰণ্য, চিকাৰ মানেই জীৱ-জন্তু। চিকাৰ কৰিবলৈ যাওঁতে বাঘ, ভালুক আদি বন্য হিংস্ৰ জন্তুৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকৰ ইষ্টদেৱতাক স্মৰণ কৰি পূজা-পালন, তন্ত্ৰ-মন্ত্ৰ আদিৰ ব্যৱহাৰ অপৰিহাৰ্য বুলি শৰণীয়া কছাৰীসকলে বিশ্বাস কৰিছিল। সেয়ে জাল, জৰি, ঢাল, বল্লম আদি লৈ পূজা-পাতল কৰি চিকাৰ কৰিবলৈ যাওতে, চিকাৰত ভয়-শঙ্কাৰ মাজতো যি শংকাবিহীন অংগ সঞ্চালন কিম্বা চিকাৰ পৰিলে যি বিজয় উল্লাহ হৈছিল সেইবোৰৰ আধাৰত পৰিৱেশ্য কলা হিচাপে যি নৃত্য-গীত পৰিৱেশন কৰা হয় তাকে চিকাৰ নৃত্য বোলে।

চিকাৰ নৃত্যৰ তিনিটা পৰ্যায় লক্ষ্য কৰা যায়। যেনে—

১। আৰম্ভণি পৰ্ব ঃ চিকাৰ কৰিবলৈ যোৱাৰ প্ৰাক্‌মুহূৰ্তত ইষ্ট দেৱতাক স্মৰণ কৰি পূজা-পাতল কৰি মহিলাসকলে চিকাৰলৈ যোৱা পুৰুষসকলক বিজয় তিলৰ পিন্ধাই নাচ-গান কৰে। এইদৰে নাচ-গান কৰা কাৰ্যক পৰিৱেশ্য কলা হিচাপে প্ৰদৰ্শন কৰাটোৱেই চিকাৰ নৃত্যৰ আৰম্ভণি পৰ্ব। এই পৰ্বত পুৰুষ-মহিলা উভয়ে অংশগ্ৰহণ কৰে।

২। চিকাৰ পৰ্ব ঃ জাল-জৰি, বল্লম আদি লৈ হাবিত প্ৰৱেশ কৰি কৰা চিকাৰ কাৰ্য এই পৰ্বত দেখা যায়। এই পৰ্বত অকল পুৰুষসকলেহে অংশগ্ৰহণ কৰে। চিকাৰৰ আৰম্ভণিৰ পৰা ঘৰলৈ উভতি অহালৈকে এই পৰ্বত লক্ষ্য কৰা যায়।

৩। সামৰণি পৰ্ব ঃ চিকাৰ কৰি ঘৰলৈ আহি পালে মহিলাসকলে তেওঁলোকক আদৰি নিয়ে, শুশ্ৰূষা কৰে। ইয়াত পুৰুষ-মহিলা উভয়ে অংশগ্ৰহণ কৰা দেখা যায়।

**গোসাঁনী নৃত্য ঃ** মাৰৈ, মজু আদি গোসাঁনীক সন্তুষ্ট কৰি আশি, ল'বলৈ শৰণীয়া কছাৰীসকলে গোসাঁনী পূজা কৰে। সাধাৰণতে আঘোন মাহৰ ন' তাৰিখৰ দিনা শৰণীয়া কছাৰীসকলে নৱান খায়। সেইদিনা সকলোৱে গোসাঁনী পূজা কৰে যদিও বছৰৰ যিকোনো দিনতে এই পূজা কৰা দেখা যায়। এই পূজা উপলক্ষে গোসাঁনী নৃত্য পৰিৱেশন কৰা হয়। এই নৃত্যত অকল মহিলাসকলেহে অংশগ্ৰহণ কৰে। তদুপৰি এই নৃত্যত কোনো ধৰণৰ গীত পৰিৱেশন কৰা নহয়। অকল বাদ্যহে সংগত কৰা দেখা যায়। এই নৃত্যত শৰণীয়া কছাৰীৰ জাতীয় সাজপাৰৰ পৰিৱৰ্তে ৰঙা ৰঙৰ বস্ত্ৰ পৰিধান কৰা দেখা যায়।

**গাছালোৱা নৃত্য ঃ** আহু আৰু শালি— এই দুয়োকালীন ধানৰ খেতিতে গোছালোৱা প্ৰথা শৰণীয়া কছাৰীসকলৰ মাজত প্ৰচলিত। মঙ্গল বা শনিবাৰে আহুৰ আৰু ৰবি বা বৃহস্পতিবাৰে শালিধান গোছা লোৱা হয়। কলপুলি তুলসীপুলি, কচুগছ, ঢেকীয়াগছ, বৃন্দাবন, চাওপাত, ফুলৰ মালা, তামোল-পাণ, শলা-বন্তি, মাহ-প্ৰসাদ আদি কিছুমান বিশেষ সামগ্ৰী গোছালোৱাত প্ৰয়োজন হয়। গোছালোৱা প্ৰথা পৰিয়ালকেন্দ্ৰিক। সাধাৰণতে গোছালোৱাত সাউৰী মতা হয়। অকল মহিলাৰ দ্বাৰাহে গোছালোৱা হয়। গৃহস্থৰ মহিলাই গোছালোৱা পথাৰৰ মাজৰ আলিত নৈবেদ্য পাতি, শলা-বন্তি জ্বলাই প্ৰথমতে নিজৰ বাওহাতেৰে তিনি বা পাঁচ বা সাত গোছ বোকাত গুজাৰ পাছতহে বাকীবোৰ ৰোৱনীয়ে ৰোৱে। গোছালোৱা শেষ হোৱাৰ পাছত ৰোৱনীবোৰে বোকা খেলে। তাৰ পাছত নৈবেদ্যৰ আগৰ পৰা সকলোৱে বোকা লৈ কোঁচত ভৰাই ঘৰলৈ আনি সেই বোকা গৃহস্থৰ ভাঁখেৰীত লেপি দিয়ে। তাৰ পাছত সকলোৱে হাঁহে-মাহে ভালদৰে এসাঁজ খায়। গোছালোৱাত বন্নিমেৰা এক প্ৰকাৰ অপৰিহাৰ্য নিচাজাতীয় জলপান।

গোছা ল'বলৈ যাওঁতে আৰু গোছা লৈ উভতি আহোতে ৰোৱনীসকলৰ মাজত স্বতঃস্ফূৰ্তভাৱে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়, সেই পৰিৱেশত সৃষ্টি হোৱা নৃত্য-গীতকে পৰিৱেশ্য কলা হিচাপে গোছালোৱা নৃত্য বুলি কোৱা হয়। এই নৃত্যত অকল মহিলাইহে অংশগ্ৰহণ কৰে। পুৰুষে বাদ্য সংগত কৰে।

**ঢুলীয়া ঃ** যুৰ বিৱৰ্তনৰ ফলত শৰণীয়া কছাৰীসকলৰ মাজত ঢুলীয়া কৃষ্টি লোপ পাই আহিলেও এসময়ত তেওঁলোকৰ মাজত বহুল পৰিসৰত বৰঢুলীয়া, ঢেঁপা ঢুলীয়া, চুঙা-ঢুলীয়া আদি ঢুলীয়াদলৰ ঢোলবাদন, নাচ-গান-অভিনয় আদিৰ প্ৰচলন আছিল। তেওঁলোকে বিয়া-সৱাহ, উৎসৱ-পাৰ্বণ আদিত তেওঁলোকৰ ঢুলীয়া কৃষ্টি প্ৰদৰ্শন কৰিছিল। সম্প্ৰতি দুই এখন গাঁৱতহে ঢুলীয়া দল দেখিবলৈ পোৱা যায়। শৰণীয়া কছাৰীসকলৰ এই লোক-কৃষ্টি পুনৰুৎজীৱিতকৰণৰ বাবে কৃষ্টিপ্ৰাণ সদাশয় ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**ওজাপালি ঃ** সম্প্ৰতি বিলুপ্তপ্ৰায় যেন লাগিলেও শৰণীয়া কছাৰীসকলৰ মাজত 'সুকন্নানী' আৰু 'ব্যাস' দুয়োবিধ ওজাপালিৰেই সীমিত পৰিসৰৰ মাজত প্ৰচলন দেখা যায়। ওজাপালিৰ দলবিলাকে বিয়া-সবাহ, উৎসৱ-পাৰ্বণ আদিত অভিনয়সুলভ গীত-নাচেৰে দৰ্শকক আমোদৰ খোৰাক যোগায়। শৰণীয়া কছাৰীসকলক অধুনা মৃতপ্ৰায় এই লোককৃষ্টি পুনৰ সজীৱকৰণৰ বাবে কৃষ্টিপ্ৰাণ সদাশয় ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**বিয়া, বিয়ানাম, ওঝা আৰু ওঝানীৰ দল ঃ** শৰণীয়া কছাৰীসকল পিতৃ-তান্ত্ৰিক। তেওঁলোকে পিতৃৰ গোত্ৰ আৰু উপাধি গ্ৰহণ কৰে। অবিবাহিত ছোৱালীয়ে বিয়া নোহোৱালৈকে পিতৃ-গোত্ৰ আৰু উপাধি গ্ৰহণ কৰে। কিন্তু বিয়াৰ পাছত তেওঁলোকে নিজ নিজ স্বামীৰ গোত্ৰ আৰু উপাধি গ্ৰহণ কৰে। শৰণীয়া কছাৰীসকলৰ মাজত ঘৰজীয়া বিয়া, গন্ধৰ্ব বিয়া, গা-যাচা বিয়া, ঢকাৰাখা বিয়া আদি বিয়াৰ প্ৰচলন থাকিলেও তেওঁলোকৰ মাজত 'ৰৰবিয়া বা সামাজিক বিয়া'হে বহুল আৰু জনপ্ৰিয়ভাৱে প্ৰচলন দেখা যায়। শৰণীয়া কছাৰী দেউৰী নাইবা ব্ৰাহ্মণৰ দ্বাৰা সম্পাদন কৰা এই ৰৰবিয়া, প্ৰজাপত্য বিয়াৰ স'তে যথেষ্ট সামঞ্জস্য দেখা যায়। বিয়াৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰা বিয়ালৈ বাটজোৰা ভাৰ, আঙঠি পিন্ধোৱা, খাতিৰা ভাৰ, ভোটা দিয়া, তেলৰ ভাৰ নিয়া আদি বিভিন্ন পৰ্ব অনুষ্ঠিত কৰে। বিয়াৰ দিনা গোসাঁই পূজা, বসুন্ধৰা পূজা, তেল ভোজনি, শ্ৰাদ্ধ, পানীতোলা, নখ কমোৱা, দৰা-কইনা গা ধুৱাৱা, শুৱাগজাৰা আদি বিভিন্ন পৰ্ব অনুষ্ঠিত কৰা দেখা যায়। শৰণীয়া কছাৰীসকলৰ বিয়াত ঢুলীয়াৰ দল সম্প্ৰতি দুষ্প্ৰাপ্যপ্ৰায় হ'লে ওঝা আৰু ওঝানীৰ দলৰ ভূমিকা অপৰিহাৰ্য। বিয়াত কোনো অপায়-অমঙ্গল-অথন্তৰ আদি নঘটিবলৈ তন্ত্ৰ-মন্ত্ৰৰে ওঝাই বিয়াখন নিয়ন্ত্ৰণ কৰাত এক বিশেষ ভূমিকা গ্ৰহণ কৰে। তদুপৰি এজনী ঘাই ওঝানীসহ আঠ-দহজনীয়া ওঝানীৰ দল একোটাই বিয়াৰ দিনা পুৱাৰে পৰা পিছদিনা ৰাতিপুৱালৈ বিয়াৰ বিভিন্ন পৰ্যায়ত বিয়ানাম গাই বিয়াৰ গাম্ভীৰ্য বঢ়ায়। ওজানীসকলৰ বিয়ানামবোৰ বিয়াৰ একোখনি বিধি বুলিয়েই ক'ব পাৰি। শৰণীয়া কছাৰীসকলৰ মাজত প্ৰচলিত বিয়ানাম আৰু বিয়াৰ ৰীতি-নীতিসমূহে তেওঁলোকৰ এক উচ্চমান বিশিষ্ট সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰি আহিছে। ৰৰবিয়াৰ দৰে ধুৱানি বিয়াতো ওঝানীৰ দল অপৰিহাৰ্য।

শৰণীয়া কছাৰীসকলৰ ছোৱালী প্ৰথম ঋতুমতী হ'লে নাৰীকেন্দ্ৰিক এক বিশেষ ধৰণৰ বিয়া অনুষ্ঠিত কৰা দেখা যায়। ইয়াকে ধুৱানি বিয়া বোলে। ছোৱালী প্ৰথম ঋতুমতী হ'লে অলক্ষিতে এক আছুতীয়া ঘৰত ৰাখি দেউৰী বা গণকৰ

হতুৱাই গণনা চাই কেইজনীমান অপুষ্পিতা ছোৱালীৰ তত্বাৱধানত পুষ্পিতা গৃহত শান্তিপানী ছটিয়াই ধূপ-ধুনা জ্বলাই সাত দিনলৈ পুষ্পিতাক অসূৰ্যস্পৰ্শা কৰি ৰখা হয়। তাৰ পাছত আয়তীৰ হতুৱাই পানী তুলি গা-ধুৱাৰা পৰ্ব শেষ কৰি বিবাহ অনুষ্ঠিত কৰা হয়। সেইকেইদিন পুষ্পিতাই ফলাহাৰ আৰু হৰিষ্যান্নহে গ্ৰহণ কৰিব পাৰ। তিনিদিনৰ দিনা পুষ্পিতাই সূৰ্যোদয়ৰ আগতে চুৰা-গা ধোৱে। তাৰ পাছত পুষ্পিতাৰ মোমায়েকৰ ঘৰত 'কানাই' নিয়া হয়। সাতদিনৰ দিনা মোমায়েকৰ ঘৰৰ পৰা কানাই আনি পুষ্পিতাৰ ঘৰত বিয়া পতা হয়। এই বিয়াত পুৰুষৰ অংশগ্ৰহণ কটকটীয়াভাৱে নিষিদ্ধ। ধুৱানি বিয়াত অপুষ্পিতা সখীয়েক অপৰিহাৰ্য। বিয়াৰ পাছত, প্ৰায়চিত্ত হোৱাৰ পাছতহে পুষ্পিতাই স্বাভাৱিক জীৱন-যাপন কৰিব পাৰে।

শৰণীয়া কছাৰীসকলৰ প্ৰায়বোৰ অঞ্চলতে কৃষ্টিদল সক্ৰিয় হৈ থকা দেখা যায়। তেওঁলোকৰ মাছমৰীয়া নৃত্য-চিকাৰ নৃত্য, গোসাঁনী নৃত্য, গোছালোৱা নৃত্য, বাম্বোলপিটা নৃত্যৰ উপৰিও নৱানখাৱা, পলুপোহা, মহৌখেদা, বহুৰঙী আদি সংশ্লিষ্ট বিষয়ক আশ্ৰয় কৰি নৃত্য-গীত প্ৰদৰ্শন কৰা দেখা যায়। তদুপৰি শৰণীয়া কছাৰীসকলে পৰিৱেশন কৰা বিহুনাম, বিহুনাচ, হুঁচৰি আদিত তেওঁলোকৰ নিজস্ব ঠাচ অৰ্থাৎ কলা-শৈলী প্ৰকাশ পায়।

**শৰণীয়া কছাৰীসকলে ব্যৱহাৰ কৰা কিছুমান বাদ্য ঃ** ভৰতৰ নাট্যশাস্ত্ৰত বাদ্যসমূহক চাৰিটা প্ৰধান ভাগত ভাগ কৰা হৈছে। যেনে— অৱনদ্ধ বাদ্য, ঘন বাদ্য, তত বাদ্য আৰু সুষিৰ বাদ্য। এই বাদ্যসমূহক আধাৰ হিচাপে শৰণীয়া কছাৰীসকলে ব্যৱহাৰ কৰা কিছুমান বাদ্যৰ নাম—

১। অৱনদ্ধ বাদ্য ঃ জয়ঢোল, ঢেপাঢোল, চুঙাঢোল, বিহুঢোল, নাগাৰা, দবা, দগৰ, ডম্বৰু আদি।

২। তত বাদ্য ঃ দোতোৰা, চেৰেণ্ডা, গগনা আদি।

৩। ঘন বাদ্য ঃ খুটিতাল, পাতিতাল, ৰামতাল, ভোৰতাল, কেৰেটবাৰী, থৰকা, বৰকাঁহ ঘণ্টা আদি।

৪। সুষিৰ বাদ্য ঃ বাঁহা, সুতুলি, কালিয়া, শঙ্খ, শিঙা আদি।

**প্ৰসঙ্গ পুথি ঃ**

১। অসমীয়া লোকগীতি সঞ্চয়ন- ড° হেমন্ত কুমাৰ শৰ্মা
২। অসমীয়া লোকসংস্কৃতিৰ আভাস- ড° নবীন চন্দ্ৰ শৰ্মা
৩। অসমৰ জনজাতি- ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য
৪। অসমৰ লোক-সংস্কৃতি- ড° নিৰ্মলপ্ৰভা বৰদলৈ
৫। দেৱী- ড° নিৰ্মলপ্ৰভা বৰদলৈ
৬। অসমৰ লোক-সংস্কৃতি- ড° বিৰিঞ্চি কুমাৰ বৰুৱা
৭। অসমৰ জনজাতীয় সংস্কৃতি- ড° উপেন ৰাভা হাকাচাম
৮। অসমৰ সাংস্কৃতিক ইতিহাস- যতীন্দ্ৰ কুমাৰ বৰগোহাঞি
৯। বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি- ভবেন নাৰ্জী
১০। অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী- যতীন্দ্ৰ নাথ গোস্বামী
১১। পূৰ্বাঞ্চলৰ ভাষা-সাহিত্য আৰু সংস্কৃতি- ড° জগদীশ পাটগিৰি
১২। অসমৰ বিভিন্ন জনগোষ্ঠীৰ বিবাহ পদ্ধতি- পুতুলী কায়স্থ
১৩। উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় সাজপাৰ আৰু আ-অলংকাৰ- অজন্তা ৰাজখোৱা
১৪। অসমৰ জনগোষ্ঠীয় উৎসৱ-পাৰ্বণ- ড° অংশুমান দাস
১৫। নৃত্যকলা প্ৰসঙ্গ আৰু সত্ৰীয়া নৃত্য- ড° মল্লিকা কণ্ডলী
১৬। নাম মালা- উমেশ্বৰী গোস্বামী
১৭। দৰঙী উপভাষা অধ্যয়ন- ড° জীৱন চন্দ্ৰ পাঠক
১৮। শৰণীয়া কছাৰী সমাজ আৰু সংস্কৃতি- নলিনী ডেকা

১৯। শৰণীয়া কছাৰীৰ বাম্বোলপিটা গীত- সোণবৰ বৰুৱা
২০। সোণবৰ কছাৰীৰ বিবাহ পদ্ধতি- সোণবৰ বৰুৱা
২১। শৰণীয়া কছাৰীৰ কৃষ্টি-সংস্কৃতি- সোণবৰ বৰুৱা
২২। শৰণীয়া কছাৰীৰ খাদ্য সংস্কৃতি আৰু নাৰীৰ জীৱন গাঁথা- ধনেশ্বৰী হুজুৰী
২৩। Tribes of Assam, Vol-1 -B.N. Bordolo, G.C. Sharma Thakur, M.C. Saikia
২৪। Tribes of Assam, Vol- II -B.N. Bordolo
২৫। Tribes of Assam, Vol- III -B.N. Bordolo, G.C. Sharma Thakur
২৬। Assamese Its Formation and Development- Dr. Banikanta Kakati
২৭। The Kacharis- Rev. Sidney Endle
২৮। A History of Assam- Sir Edward Gait
২৯। Tribes of North East India - Sarthak Sengupta

**প্ৰসঙ্গ স্মৃতিগ্ৰন্থ ঃ**
৩০। সোণজুৰি - স্মৃতিগ্ৰন্থ, ৫৮ তম গোৰেশ্বৰ অধিৱেশন, অসম সাহিত্য সভা, ১৯৯২ চন।
৩১। স্মৃতিগ্ৰন্থ - নৱম দ্বি-বাৰ্ষিক অধিৱেশন, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থা, ২০০৯ চন, খৈৰাবাৰী, ওদালগুৰি।
৩২। স্মৃতিগ্ৰন্থ - দশম দ্বি-বাৰ্ষিক অধিৱেশন, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থা, ২০০৭ চন, বৰিমাখা, বাক্সা।
৩৩। স্মৃতিগ্ৰন্থ - একাদশ দ্বি-বাৰ্ষিক অধিৱেশন, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থা, ২০০৯ চন খৈৰাবাৰী, ওদালগুৰি।
৩৪। স্মৃতিগ্ৰন্থ - দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশন আৰু ৰূপালী জয়ন্তী বৰ্ষ, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থা, ২০১১ চন, গোৰেশ্বৰ, বাক্সা।
৩৫। স্মৃতিগ্ৰন্থ - ত্ৰয়োদশ দ্বি-বাৰ্ষিক অধিৱেশন সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থা, ২০১২ চন, বৰমা, বাক্সা।
৩৬। কেঁচাইখাতী, স্মৃতিগ্ৰন্থ - কেন্দ্ৰীয় বাঁহ-গোসাঁই উৎসৱ, ২০১২ চন, বৰিমাখা, বাক্সা।
৩৭। কেঁচাইখাতী, স্মৃতিগ্ৰন্থ - কেন্দ্ৰীয় বাঁহ-গোসাঁই উৎসৱ, ২০১৩ চন, ধমধমা, বাক্সা।
৩৮। কেঁচাইখাতী, স্মৃতিগ্ৰন্থ - কেন্দ্ৰীয় বাঁহ-গোসাঁই উৎসৱ, ২০১৪ চন, ঝাৰগাঁও, ওদালগুৰি।
৩৯। কেঁচাইখাতী, স্মৃতিগ্ৰন্থ - কেন্দ্ৰীয় বাঁহ-গোসাঁই উৎসৱ, ২০১৫ চন, টংলা, ওদালগুৰি।
৪০। বাঁহ গোসাঁই, স্মৃতিগ্ৰন্থ - কেন্দ্ৰীয় বাঁহ-গোসাঁই উৎসৱ, ২০১৬ চন, গোৰেশ্বৰ, বাক্সা।
৪১। স্মৃতিগ্ৰন্থ - তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন, বাক্সা জিলা শৰণীয়া কছাৰী ছাত্ৰ সন্থা, ২০১৪ চন, মহৰিপাৰা, বাক্সা।
৪২। স্মৃতিগ্ৰন্থ - তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন, কলাইগাঁও আঞ্চলিক শৰণীয়া কছাৰী ছাত্ৰ সন্থা আৰু দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশন, কলাইগাঁও আঞ্চলিক শৰণীয়া কছাৰী গণতান্ত্ৰিক নাৰী মঞ্চ, ২০১৫ চন, কলাইগাঁও, ওদালগুৰি।
৪৩। গামখাৰু, স্মৃতিগ্ৰন্থ - সোণালী জয়ন্তী বৰ্ষ, গোৰেশ্বৰ কেন্দ্ৰীয় ৰঙালী বিহু, ২০১৫ চন, গোৰেশ্বৰ বাক্সা।

*****

- লেখক ঃ এগৰাকী বিশিষ্ট সাহিত্যিক, শৰণীয়া কছাৰী সাহিত্য সভাৰ সভাপতি।

# হাজং জনগোষ্ঠীৰ ভাষা আৰু সংস্কৃতি ঃ এক চমু অৱলোকন

ড° কান্তা চক্ৰৱৰ্তী

**হাজং জনজাতিৰ পৰিচয় ঃ** অসমৰ পশ্চিমাঞ্চল বিশেষকৈ গোৱালপাৰা জিলা, মেঘালয়ৰ গাৰো পাহাৰ জিলা আৰু বাংলাদেশৰ মৈমনসিং জিলাৰ এটা অপেক্ষাকৃতভাৱে অধ্যয়ন নোহোৱাকৈ অথচ বিক্ষিপ্ত হৈ থকা কম সংখ্যক জনগোষ্ঠীয়ে হ'ল হাজং জনগোষ্ঠী। সংখ্যাত তাকৰীয়া হ'লেও এওঁলোকৰ নিজস্ব সংস্কৃতি আছে, কথিত ভাষাও নিজস্ব বৈশিষ্ট্যৰে চলি আহিছে। কিন্তু সময়ত সেই ভাষাৰ ব্যৱহাৰ মিশ্ৰিত তথা বিক্ষিপ্ত যেন হৈ পৰিছে। ১৮৮১ চনৰ মেকেঞ্জী চাহাবৰ অসম লোক পিলয়ৰ প্ৰতিবেদন মতে ৩৭৮৯ জন হাজং গোষ্ঠীৰ লোকৰ ভিতৰত ৫৮১ জন হাজং ভাষাত কথা কয় বুলি পোৱা গৈছে। কিন্তু সেই ভাষাটোৰ নমুনা পাবলৈ নাই। অৰ্থাৎ হাজংসকলৰ সুকীয়া দোৱানৰ কোনো তথ্য পাতি বৰ্তমানে পাবলৈ নাই আনকি হাজংসকলে তেওঁলোকৰ নিজস্ব দোৱান সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিছে। সম্ভৱ ক্ষুদ্ৰ জনগোষ্ঠী হোৱা কাৰণে আৰু চাৰিওফালে আৱৰি থকা বৃহৎ হিন্দু গোষ্ঠীৰ কবলত পৰি তেওঁলোক সংস্কৃতিৰ লগতে ভাষাও পৰিত্যাগ কৰে। দ্বিতীয়তে নিজৰ দোৱানৰ প্ৰতি থকা অৱজ্ঞাৰ কাৰেণও বৃহৎ গোষ্ঠীৰ ভাষা গ্ৰহণ কৰাৰ আন এটা কাৰণ।

এই হাজং ভাষা কোন বৃহৎ ভাষাগোষ্ঠীৰ অন্তৰ্গত এই সম্পৰ্কে অনুসন্ধান কৰি তলত উল্লেখ কৰা তথ্যসমূহ পোহৰলৈ আহিছে।

1. The Boro group of speech community is scattered at present all over Assam, NEFA, Nagaland, Manipur, Tripura, West Bangle and adjoin areas of Bangladesh. In this context, The boro group of speech community includes Boro or Boro Kachari, Dimasa, Koch, Rabha, Lalung, Tipra, Chutia, Garo, Hajong and number allied tribes and sub-tribes.

হাজংসকলৰ বৰ্তমানৰ কথিত ভাষাটো এটা সংমিশ্ৰিত ৰূপ। অসমীয়া, বাংলা আৰু বড়ো ভাষাৰ উপাদান বৰ্তমান তেওঁলোকৰ কথিত ভাষাটোত পোৱা যায়। Linguistic survey of India গ্ৰন্থত গ্ৰীয়াৰ্চন চাহাবে কৈ গৈছে—

"Throughout shurma velly and in Mymonshing we also find a mongral dialect spoken by some of the less civilised tribes, called hajong or hajong, which is a mixture of Bengoli and Tibeto-Burman languages."

তেওঁ আকৌ কৈ গৈছে— "We may also mutton a mention trade language, which has dveloped at the foot of garo hills under the named of Jharua. It is pigeon mixture of Bengoli, Garo and Assamese."

গ্ৰীয়াৰ্চন চাহাবে হাজংসকলৰ কথিত ভাষাটোক ঝাৰুৱা বুলি এইদৰে উল্লেখ কৰি গৈছে। মেঘালয়ৰ পশ্চিম গাৰো পাহাৰৰ কাষৰীয়া মেচপাৰা অঞ্চলৰ ৰাজবংশীসকল আৰু হাজংসকল এই ঝাৰুৱা ভাষাকে ব্যৱহাৰ কৰে। হাজংসকলৰ

কথনভংগী বিশেষ কিছুমান শব্দাৱলী আৰু ধ্বনিগত উচ্চাৰণৰ ভংগীৰ পৰাও অনুমান কৰিব পাৰি পিছৰ কালত হাজংসকলে যিদৰে বৃহত্তৰ হিন্দু ধৰ্মৰ সংস্পৰ্শলৈ আহি নিজকে শুদ্ধ বুলি উন্নীত হৈছিল, তেতিয়াৰ পৰাই তেওঁলোকে নিজস্ব দোৱানৰ প্ৰতিও হীনমন্যতাত ভুগি হিন্দুসকলৰ ভাষাৰ প্ৰতি অধিক আকৰ্ষিত হৈ নিজৰ হাজং দোৱান এৰি দিয়ে। কিন্তু কথা কোৱাৰ ঠাঁচত নিজস্ব ভংগী আজিও অপৰিৱৰ্তিত হৈ ৰৈছে।

গ্ৰীয়াৰ্চনৰ মতেও— "Hajong has higher to beed descrbed a Tibeto-Burman languages, but the tribe has long abandoned its original form of speech.

ডঃ বাণীকান্ত কাকতিদেৱে হাজংসকলৰ ভাষাটোক বাংলা ভাষাৰ এটা উপভাষা বুলি (Sub-Dialect) বুলি বৰ্ণনা কৰিছে। তেওঁ আকৌ কৈ গৈছে— "The Hajong are a Tibeto-Burman clan settled at the foot of the Garo-Hills, and even though they have long abandoned their tribal speech, Tibeto Burman idioms linger on here and there in certain formation."

হাজংসকলৰ ভাষাৰ এই পৰিৱৰ্তন সম্পৰ্কে Dr. B.N. Bordoloi দেৱে কৈ গৈছে— "If they become "Hindu and adjure roust pork and ricebeer usually adopt the use of the Aryan tongue as after their sole language, but even before this radical change is effected, Aryan influences after theur mode of speaking the philological interest of the group of language consists largely in the fact that they are agglutiuative tongue which have inflexion by coming in to contact with the speech of Aryan peoples."

S. Endle এ হাজংসকলৰ বৰ্তমানৰ কথিত ভাষাটোক "Medly of Assame and Bengoli" বুলি কৈছে।

**বৰ্তমানৰ জনবসতি অঞ্চল ঃ** বৰ্তমানে প্ৰধানকৈ হাজংসকল অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ উপৰিও কিছু সংখ্যকে খাচীয়া জয়ন্তীয়া পাহাৰ জিলাতো বসবাস কৰি আছে। গোৱালপাৰা জিলা আৰু গাৰোপাহাৰ জিলাত হাজংসকল অতীজৰে পৰা বসবাস কৰি আহিছে আৰু বৰ্তমানেও বসবাস কৰি আছে। ইয়াৰ উপৰিও পশ্চিমবংগৰ কোচবিহাৰ আৰু জলপাইগুড়ি জিলাতো হাজংসকল বসতি স্থাপন কৰি আছে। ১৯৬১ চনৰআগলৈকে গোৱালপাৰা জিলাতহে (অসমৰ) হাজংসকলৰ বসতিৰ উল্লেখ পোৱা যায়। (১৯৬১ চনৰ লোকপিয়ল তথ্য অনুসৰি)। ১৯৬৪ চনৰ পৰা তেতিয়াৰ পূৰ্ব পাকিস্তানৰ পৰা যথেষ্ট সংখ্যক হাজং শৰণাৰ্থী হিচাপে অসমলৈ আহে আৰু ভাৰত চৰকাৰৰ সংস্থাপন অনুসৰি অসমৰ বিভিন্ন অঞ্চল আৰু অৰুণাচল প্ৰদেশত বসতি স্থাপন কৰিবলৈ লয়। কৃষি ভূমিৰ সন্ধানতো বহুতো হাজং পৰিয়ালে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰব্ৰৰ্জন কৰি বৰ্তমানে সেই অঞ্চলৰ স্থায়ী বাসিন্দা হৈ পৰিছে। গোৱালপাৰা জিলাৰ লক্ষীপুৰ থানাৰ অন্তৰ্গত শুৱাৰকোনা গাঁৰৰ পৰা পশ্চিম গাৰোপাহাৰ জিলা আৰু বাংলাদেশৰ জামকোনালৈকে এই সুবিস্তীৰ্ণ অঞ্চলত যথেষ্ট সংখ্যক হাজং গাঁও থকাৰ পৰা অনুমান কৰিব পাৰি যে শৰণাৰ্থী নহয়, বহু অতীতৰ পৰাই হাজং অধ্যুষিত এলেকা আছিল। গাৰোসকলৰ অত্যাচাৰত এটা সময়ত বহুতো হাজং পৰিয়াল বৰ্তমানৰ বাংলাদেশলৈ পলাই গৈছিল আৰু পিছত কালত পুনৰ সাম্প্ৰদায়িক অত্যাচাৰত ভগনীয়া হিচাপে অসমত আশ্ৰয় লয়। যদিও গোটেই অসমতেই হাজংসকল বসবাস কৰি আছে। তথাপি তেওঁলোকৰ মূল গৃহভূমি হিচাপে মেঘালয়ৰ গাৰোপাহাৰ জিলাকেই উল্লেখ কৰিব পাৰি। পশ্চিম গাৰোপাহাৰ জিলাত প্ৰাচীন হাজং গাঁওসমূহ এতিয়াও বিদ্যমান। অঞ্চলৰ হাজংসকলৰ অঞ্চল বিশেষে কিছুমান গোট আছে। এই গোটসমূহ হ'ল— ক) দশকাহনীয়া পৰগনা, খ) কৰাইবাৰী পৰগণা, গ) সুসুং পৰগণা, ঘ) বাৰোহাজাৰী পৰগণা, ঙ) মেচপাৰা অঞ্চল।

উক্ত গোটসমূহৰ কিছু অংশ বৰ্তমানৰ বাংলাদেশৰ অধীনত—

এই পাচোঁটা অঞ্চলৰ বাহিৰেও লাহুৰ আৰু বশী কোন্দা বুলি দুটা অঞ্চল পোৱা গৈছে।

**প্ৰজাতি ঃ** হাজংসকল মূলতঃ মঙ্গোলীয় প্ৰজাতিৰ অন্তৰ্গত। হাজংসকলৰ শাৰিৰীক গঠনৰ দিশৰ পৰাই এই কথাৰ সত্যতা নুই কৰিব নোৱাৰি। ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে তিব্বত বড়োভাষীসকলক ইণ্ডো-মংগোলীয় বা কিৰাত বুলি নামকৰণ কৰি গৈছে। কালিকা পুৰাণত থকা কিৰাত জাতিৰ সামাজিক আৰু ভাষানৈতিক ব্যৱস্থাৰ বিৱৰণৰ ভেঁটিত

ৰাজমোহন নাথ ডাঙৰীয়াই মত প্ৰকাশ কৰি গৈছে যে, "আমাৰ দেশৰ কছাৰী, কোচ, হাজং, ৰাভা, ত্ৰিপুৰী আদি জাতিয়েই কিৰাত জাতি বুলি অনুমান হয়।" পণ্ডিতসকলে চীন-তিব্বতীয় ভাষিক গোষ্ঠীৰ উত্তৰ অসম শাখাৰ হাজংসকলক মঙ্গোলীয় কিৰাতসকলৰ প্ৰজাতিৰ অন্তৰ্গত বুলি বৰ্ণনা কৰি গৈছে। এই সন্দৰ্ভত বিভিন্ন গৱেষকৰ বৰ্ণনা—

Dalton- "The Rabha and Hajongs of the Goalpara are Branches of the Kachari race and connected with the Garos."

Dalton স্পষ্ট ভাষাত হাজংসকলক বড়ো কছাৰী প্ৰজাতিৰ অন্তৰ্গত বুলি কৈ গৈছে L.A. Waddel চাহাবেও কৈ গৈছে— "The Hajongs as the Primitive Kacheri of the Hilly Tracts."

গ্ৰীয়াৰছনৰ মতে— "Hajong tribe, Tibeto Burman clan settled in the district of Mymanshingh and syllet, Principally in the Cauntary at the foot of Garohills.

ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যদেৱে হাজংসকলক "ক'লাবৰণৰ মঙ্গোলীয় লোক, গাৰো আৰু বড়ো কছাৰীৰ লগত শাৰীৰিক গঠন তথা মাত-কথাৰ সাদৃশ্য আছে"— এইবুলি বৰ্ণনা কৰি গৈছে।

Sidney Endle ও হাজংসকলক— "They are a Branch of the Eidly spread Bara race" বুলি কৈ গৈছে।

উপৰোক্ত সকলোবিলাক মতামত চালি জাৰি চাই হাজংবিলাকক মঙ্গোলীয় বড়ো গোষ্ঠীৰেই এটি ভাগি অহা ঠাল বুলি সিদ্ধান্ত দিব পাৰি।

হাজংসকলৰ বহুতেই নিজকে আৰ্যগোষ্ঠীৰ এটি ঠাল বুলি ক'ব খোজে আৰু ক্ষত্ৰিয় বংশদ্ভূত বুলি বৰ্ণনা কৰে। কিন্তু এই মতামতৰ যুক্তি যুক্ততা নাই। পিছৰ কালতহে হাজংসকল আৰ্য হিন্দুসকলৰ সংস্পৰ্শলৈ আহে আৰু বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি নিজকে শুদ্ধ হিন্দু হিচাপে আৰু অন্যান্য জনগোষ্ঠীতকৈ উন্নত সংস্কৃতিৰ বুলি পৰিচয় দিবলৈ ধৰে। কিন্তু, তেওঁলোকৰ মূল সংস্কৃতিত মঙ্গোলীয় প্ৰভাৱ প্ৰচুৰ পৰিমাণে এতিয়াও বিদ্যমান। W.C. Smith-এ মঙ্গোলীয়সকলৰ কিছুমান সাংস্কৃতিক কথা উল্লেখ কৰি গৈছে। সেই দৃষ্টিকোণৰ পৰা চালে হাজংসকলৰ মাজত নিম্নলিখিত উপাদানসমূহ লক্ষ্য কৰিব পাৰি।

১। হাজংসকল প্ৰচুৰ পৰিমাণে তামোল-পাণ খোৱাত অভ্যস্ত আৰু ই মঙ্গোলীয় সংস্কৃতিৰ এক অংগ।

২। হাজংসকলে প্ৰতি ঘৰে ঘৰে নিজস্ব তাত শালত কাপোৰ হৈ উলিয়ায়।

৩। এটা সময়ত হাজংসকলে ঘৰতে মদ (Rice Beer) প্ৰস্তুত কৰিছিল। মাছ, মাংস আদি পুৰি খাবলৈ তেওঁলোকে বেছি ভাল পায় আৰু শুকান মাছ, হিদল তেওঁলোকৰ প্ৰিয় খাদ্য।

৪। নিত্য প্ৰয়োজনীয় সামগ্ৰীসমূহ সুন্দৰকৈ বাঁহেৰেঁজোৰা। লক্ষণীয় যে হাজং পুৰুষসকল বাঁহৰ কামত অত্যন্ত পাকৈত।

এইবোৰ উমৈহতীয়া লক্ষণেই তেওঁলোকক মঙ্গোলীয় প্ৰজাতিৰ অন্তৰ্গত বুলি সিদ্ধান্ত লোৱাত অৰিহণা যোগায়।

১৮৯১ চনৰ লোকপিয়লৰ ৰিপোৰ্ট অনুসৰি হাজংসকল পৰ্বতীয়া জনজাতি। তেওঁলোকৰ মুখমণ্ডল গোলাকাৰ, চকু উত্তৰ-পূৰ্বাঞ্চলৰ আন জনজাতিসকলৰ দৰে সৰু নহয়। এই শাৰীৰিক বৈশিষ্ট্যসমূহলৈ চাই নৃতাত্বিক দৃষ্টিকোণৰ পৰাও হাজংসকলক আৰ্য ক্ষত্ৰিয় বুলি ঠাৱৰ কৰিব নোৱাৰি বৰং কিৰাত মঙ্গোলীয় প্ৰজাতিৰ অন্তৰ্গত কৰাটোহে বেছি বৈজ্ঞানিক যুক্তিসংগত।

**ভাষাটোৰ ধ্বনিতাত্বিক বিশ্লেষণ ঃ** হাজংসকলৰ কথিত ভাষাটোত ছটা বিশিষ্ট স্বৰধ্বনি পোৱা গৈছে। লিখোতে 'ও' ধ্বনিটো ব্যৱহাৰ হয় যদিও ইয়াৰ উচ্চাৰণ নাই।

আটাইকেইটা স্বৰধ্বনিয়েই হ্ৰস্ব হিচাপে উচ্চাৰিত হয়। মান্য অসমীয়াৰ দৰে হাজং ভাষাতো হ্ৰস্ব আৰু দীৰ্ঘ স্বৰধ্বনিৰ পাৰ্থক্য নাই। অৱশ্যে একাক্ষৰী স্বৰধ্বনি দীৰ্ঘ হিচাপে কেতিয়াবা উচ্চাৰিত হয়। তিব্বতবৰ্মী ভাষাগোষ্ঠীৰ প্ৰায়বিলাক ভাষাৰেই বিশেষকৈ বড়োগোষ্ঠীৰ ভাষাবিলাকৰ স্বৰধ্বনিৰ এটা প্ৰধান ধ্বনি গুণ হ'ল— কেন্দ্ৰীয়, অৰ্দ্ধ বিবৃতৌষ্ঠ, মধ্য স্বৰধ্বনি 'আঁ' ধ্বনিৰ উচ্চাৰণ। হাজংশকলৰ স্বৰধ্বনিতো এই ধ্বনিটোৰ ব্যৱহাৰ আছে।

হাজংসকলৰ কথিত ভাষাটোত ২০ বিশিষ্ট ব্যঞ্জন ধ্বনি পোৱা গৈছে। কেতবোৰ ধ্বনি লিখোঁতে ব্যৱহাৰ হয় যদিও সুকীয়া উচ্চাৰণ নাই। যেনে, চ, ছ, শ, স। আটাইকেইটা ধ্বনিয়েই দন্তমূলীয় 'ছ' হিচাপে উচ্চাৰণ হয়। মূৰ্দ্ধন্য ধ্বনি হাজং ভাষাত নাই। ইয়াৰউচ্চাৰণ দন্ত্যমূলীয় হয়। অনুনাসিক 'ঙ' ধ্বনিটোৰ প্ৰয়োগ বেছি। উল্লেখযোগ্য যে, হাজংসকলে অনুনাসিক উচ্চাৰণ নকৰে। কেতবোৰ অসমীয়া শব্দ পোনে পোনে হাজং ভাষাত সোমাই পৰিলেও অনুনাসিক চন্দ্ৰবিন্দুৰ ঠাইত 'ং' ধ্বনি উচ্চাৰণ হয়। উদাহৰণস্বৰূপে— হাঁহ - হাঙছ, বড়ো হানছিং, হাজংসকলে শিশ্ ধ্বনিকেইটাৰ ঠাইত 'হ' উচ্চাৰণ কৰে।

শামুক-হামুক

শ্লোক-হিলক

মান্য অসমীয়াৰ কিছুমান শব্দ পোনে পোনে হাজং ভাষাত সোমাইছে যদিও এই শব্দবিলাকত ধ্বনিগত পাৰ্থক্য পৰিলক্ষিত হয়।

উদাহৰণস্বৰূপে ঃ

এ > ই ঃ দেউৰী > দিউৰী<br>
বেঙী > বিঙি<br>
বেটি > বিটি<br>
নেযাব > নিযাব, নিপাব, নিখাব।

অ > উ ঃ যদি > যুদি<br>
কোনোবা > কুনবা<br>
গৰু > গুৰু<br>
পখী > পুখী<br>
শগুণ > ছিগুন<br>
বন > বুন<br>
ভনী > বুইনী।

অ > ঔ ঃ তিতা > তিতৌ<br>
মিঠা > মিঠৌ<br>
চাউল > চৌল<br>
ডাইল > দৌল

ঐ > আয় ঃ খালৈ > খালায়<br>
বৌ > বাও<br>
মৌ > মাও

ঁ > ঙ ঃ সেঁৰা > হেঙা<br>
ধোঁৱা > ধুঙী<br>
জীয়াঁ > জীঙী ইত্যাদি।

দেখা গৈছে যে শব্দসমূহ বিভিন্ন মূলৰ পৰা আহিলেও ধ্বনিগত উচ্চাৰণত তেওঁলোকৰ নিজস্ব বৈশিষ্ট ৰক্ষিত হৈছে।

হাজং ভাষাটো বড়ো শব্দ, ৰাভা শব্দ, গোৱালপৰীয়া দেশী শব্দ আৰু বিদেশী ভাষাৰ শব্দৰে গঠিত হোৱা এটি সংমিশ্ৰিত ৰূপ। ইয়াত সংক্ষেপতে শব্দসমূহৰ দুই এটা উদাহৰণ দাঙি ধৰা হ'ল—

**হাজঙৰ মৌলিক শব্দ ঃ**

আমুৰা — আমৰলি পৰুৱা

কেকেন — পৰুৱা
কুলুকনি — কুলি
কাকাইঠছা — তুৰিমাছ
কাক্ৰা হিপী — বিছা
কাকী কুমাৰ — ঘৰিয়াল

হাজং জনজাতিটো যদিও বড়ো, কছাৰী, ৰাভা, গাৰো আদি জনজাতিৰ দ্বাৰা পৰিৱেষ্টিত, তথাপি গাৰো ভাষাৰ শব্দৰ প্ৰভাৱ বিশেষকৈ পৰিলক্ষিত হোৱা নাই। বড়ো শব্দৰ নমুনা।

আজাংগাজাং — বুৰ্বক
আলছিঅী — এলেহুৱা
আখ্‌লা — ধোৱা
খুপৰা — সৰু কোঠালি
খিজলায় — ঠাট্টা কৰা।
আন্দা মান্দা — অৰ্থহীন। ইত্যাদি

দেশী ভাষাৰ শব্দও পোৱা যায়
ওখুন — উকুন
উছুং — উশুম
আস্তে — আস্তে ইত্যাদি।

**ধৰ্ম ঃ** হাজংসকলে বৰ্তমানে শুদ্ধ হিন্দু বুলি পৰিচয় দিয়ে। সমাজতত্ত্ববিদসকলৰ মতে "জনজাতিসকলৰ মাজত আন সভ্য জাতিক অনুকৰণ কৰি চলা স্বভাৱ বেছিকৈ দেখা যায়। তেওঁলোকৰ নিজৰ জাতিত উচ্চমান সম্পন্ন সংস্কৃতিৰ প্ৰবাহ থাকিলেও তাক প্ৰয়োজনৰ প্ৰভাৱত বিকাশ নকৰি অইন জাতিৰ সংস্কৃতি অনুকৰণ কৰে। জনজাতিৰ এই স্বভাৱৰ সুযোগ গ্ৰহণ কৰি বুদ্ধিমান অইন জাতিসমূহে নিজৰ ধৰ্মৰ মত সাজপাৰ, গীত-পদ, খোৱা-বোৱা আদি সাংস্কৃতিক নিয়মবোৰ তেওঁলোকৰ ওপৰত জাপি দিয়ে। তাৰ দ্বাৰাই সেই জাতিৰ জাতীয় জীৱন পঙ্গু হৈ কালক্ৰমে লোপ পাই যায়, পতন ঘটে।"

এই ধৰণেই হাজংসকলে নিজস্ব ধৰ্ম এৰি ক্ৰমাগতভাৱে হিন্দু ধৰ্ম আচাৰ-নীতিসমূহ পালন কৰাটো পৰিলক্ষিত হৈছে। অৱশ্যে তেওঁলোক সম্পূৰ্ণৰূপে হিন্দু নহয়। এটা শ্ৰেণীয়ে আজিও প্ৰাচীন পৰম্পৰাগত ধৰ্মীয় বিশ্বাসসমূহ মানি আছে।

কোন সময়ৰ পৰা হাজংসকলে নিজকে হিন্দু সংস্কাৰলৈ উত্তৰণ ঘটালে তাৰ নিৰ্ভুল চন তাৰিখ উলিয়াব পৰা নগ'লেও হাডং ইতিহাসবিদ শ্ৰী প্ৰফুল্ল ৰঞ্জন সৰকাৰৰ মতে প্ৰথমে গয়াত পিণ্ড দান কৰে বাংলা ১১০৭ চনত। আৰু ১৮৯৯ খৃঃৰ পৰা হাজংসকলৰ মাজত দুৰ্গা পূজাৰ প্ৰচলন হয়।

অসমত মহাপুৰুষ শ্ৰীশংকৰদেৱে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ পিছত সত্ৰ আৰু নামঘৰসমূহে গুৰুসকলৰ জৰিয়তে শৰণ দিয়াই জনজাতিসমূহক হিন্দু সমাজলৈ উত্তৰণ ঘটাইছিল। একে প্ৰক্ৰিয়া পিছৰ কালৰ বংগৰ বৈষ্ণৱবাদৰ প্ৰৱৰ্তক শ্ৰীচৈতন্য দেৱৰ বিভিন্ন মঠ-মন্দিৰৰ গুৰুসকলৰ জৰিয়তে শৰণ ভজন দি বিভিন্ন ক্ষুদ্ৰ জনগোষ্ঠীক শৰণীয়া হিন্দু সমাজলৈ পৰিৱৰ্তিত কৰিছিল। ব্ৰাহ্মণ্য ধৰ্মী আৰ্য্যগোষ্ঠীৰ ৰীতি-নীতিৰ প্ৰভাৱৰ দ্বাৰা তেওঁলোক প্ৰভাৱান্বিত হয় আৰু ক্ৰমাগতভাৱে নিজকে শুদ্ধাচাৰপন্থী বুলি ভাবিবলৈ ধৰে।

চৈতন্য দেৱৰ গৌড়ীয় বৈষ্ণৱ পন্থাৰ দ্বাৰা ঘাইকৈ হাজংসকল প্ৰভাৱান্বিত। তেওঁলোকৰ বৈষ্ণৱ—পন্থীসকলৰ ত্ৰিসন্ধ্যা নাম কীৰ্তন, ডিঙিত তুলসীৰ মালা, চন্দন ফোঁট আদি আৰু ৰাধা-কৃষ্ণৰ আধাৰত বিভিন্ন বাংলা গীত পদ আদিৰ সৰহ প্ৰচলনেই উক্ত কথাৰ সত্যতা প্ৰমাণ কৰে।

হাজংসকলৰ মাজত শুদ্ধাচাৰ বৈষ্ণৱ পন্থী আৰু প্ৰাচীন শাক্তপন্থী দুয়োটাই বিদ্যমান থকাৰ পৰা এইটোৱে প্ৰতীয়মান হয় যে, পিছৰ কালত বৈষ্ণৱবাদৰ পৰা তেওঁলোক শৰণীয়া হৈ হিন্দু হয় যদিও নিজস্ব প্ৰাচীন ধৰ্মীয় পন্থাও তেওঁলোকে এৰি নিদি মিশ্ৰিত সমাজ ধৰ্মীয় ব্যৱস্থাৰ দ্বাৰা তেওঁলোক পৰিচালিত হৈছে।

বৈষ্ণৱ হোৱাৰ পিছত তেওঁলোক সু-সংগঠিত হয় আৰু নিজকে এক উচ্চ আৰু শুদ্ধ সংস্কৃতিৰ লগত খাপ খুৱাই চলিবলৈ চেষ্টা কৰে। নিজকে কাষৰীয়া অইন জনজাতিৰ সম্প্ৰদায়তকৈ শুদ্ধ বুলি পৰিচয় দিয়ে আৰু মদ খোৱা, গাহৰি, কুকুৰা আদি খোৱা আৰু পোহাক ধৰ্মীয় নীতি বিৰুদ্ধ বুলি মানিবলৈ চেষ্টা কৰে।

হাজং সমাজৰ এইদৰে হিন্দু সমাজৰ সৈতে চামিলকৰণৰ প্ৰক্ৰিয়াটোক ড. ডি, এন মজুমদাৰেও বৰ্ণনা কৰি গৈছে— "They are in the Procesds of transformation to a Hindu Caste."

ধৰ্মীয় ভিত্তিত হাজং সমাজক তিনি ভাগত ভাগ কৰিব পাৰি— ক) শাক্ত খ) খাটাল বা বৈষ্ণৱ গ) অধিকাৰী।

শাক্তসকলৰ ব্যৱহাৰী আৰু বৈষ্ণৱ খাটালসকলক পাৰমাৰ্থী বুলি কয়।

১৮৯১ চনৰ লোকপিয়লৰ প্ৰতিবেদনতো হাজংসকলক ব্যৱহাৰী আৰু পাৰমাৰ্থী— এই দুই ভাগত বিভক্ত কৰিছে। ব্যৱহাৰী হাজংসকল প্ৰাচীন জনজাতীয় পন্থাৰ আৰু পাৰমাৰ্থীসকল বৈষ্ণৱ ধৰ্মত দীক্ষিত হোৱা শুদ্ধাচাৰী পন্থাৰ হাজং।

শাক্ত পন্থাৰ পূজা-পাতল, ক্ৰিয়া-কৰ্মসমূহ তেওঁলোক তেওঁলোকৰ পুৰোহিত 'দেউচী'য়ে সমাধা কৰে আৰু বৈষ্ণৱ বা খাটালপন্থীসকলৰ যাজানিক কৰা জনক অধিকাৰী বুলি কয়। ইয়াৰ বাহিৰেও হাজং সমাজৰ 'দেৰকীয়া' বুলি এটা শ্ৰেণী পূৰ্বতে আছিল।

নিজকে শাক্ত বুলি বৰ্ণনা কৰিলেও প্ৰকৃত শাক্ত উপাদান হাজং সমাজত দেখিবলৈ পোৱা নাযায়। শাক্ত সমাজৰ নিয়মৰ ভিতৰত মাত্ৰ মদ উচৰ্গা আৰু বলি বিধানতে আছে।

Dr. D.N. Majumder ৰ বৰ্ণনা—

"The form of Hinduism which has been adopt by Hajongs doesn't belong to any particular cuit: it can be described as a mixture tribal belives mixed with some elements the sakti cult. However the essential elements of true Sakticult are absent from Hajong religion.

শাক্তসকল হ'ল পুৰণিপন্থী হাজং। তেওঁলোকৰ পূজা-পাতল আদিৰ নীতি-নিয়ম, সময় আৰু নৈবেদ্য আদিয়ে কোনো হিন্দু পঞ্জিকাৰ নিয়ম আৰু সময় মানি নচলে আনকি হিন্দু পুৰোহিতো তাত অনুপস্থিত। বড়ো কছাৰীসকলৰ 'ওজা' নাইবা 'দেউৰী'ৰ দৰে হাজংসকলৰ নিজস্ব পুৰোহিতক দেউচী বোলে। দেউচীয়ে পূজাত কোনো বৈদিক মন্ত্ৰ পাঠ নকৰে। তেওঁলোকৰ নিজস্ব মন্ত্ৰ মাতে।

কেৱল শাক্ত পন্থীসকলেই দেৱদেৱীৰ পূজাৰ সময়ত কাছ বলি দিয়ে আৰু ঘৰুৱা মদ (Rice Beer) ৰ উছৰ্গা কৰে। এই পূজা পদ্ধতি পৰম্পৰাগত। এই পূজা হোৱা ঠাইখিনিক 'দেও থান' বুলি কোৱা হয়।

বৈষ্ণৱপন্থীসকল নিয়ম নিষ্ঠাৰ মাজেৰে চলে। তেওঁলোকে হৰি মন্দিৰ স্থাপন কৰে আৰু তাত ত্ৰিসন্ধ্যা উপাসনা কৰে। ডিঙিত তুলসীৰ মালা পিন্ধে, মূৰত টিকনি ৰাখে আৰু কপালত চন্দনৰ তিলক অংকণ কৰে। বিভিন্ন তিমিসমূহত ব্ৰত, উপবাস আদি পালন কৰে। তেওঁলোকে কুকুৰা, গাহৰি আদিৰ মাংস অস্পৃশ্য বুলি বৰ্জন কৰে।

ৰাজহুৱাভাৱে মদ স্পৰ্শ নকৰে। বৈষ্ণৱপন্থীসকলে ঠাকুৰ সেৱা, ত্ৰিনাথ, হৰিলুট, নাম-কীৰ্তন, অষ্টপ্ৰহৰ নাম, দৌলযাত্ৰা, কৃষ্ণলীলা আদি উৎসৱ পালন কৰে। বৈষ্ণৱপন্থীসকলৰ বেশ-ভূষা আৰু কৃতকৰ্মাদি চাই তেওঁলোকক সম্পূৰ্ণভাৱে নহ'লেও চৈতন্যপন্থী অনুগামী বুলিব পাৰি।

বৈষ্ণৱসকলৰ ভিতৰত যিসকলে সামাজিক কৰ্ম বা দীক্ষা দিয়া কৰ্মৰ সৈতে জড়িত তেওঁলোক অধিকাৰী শ্ৰেণীৰ। এওঁলোক হাজং সমাজত কুলগুৰুৰ দৰে। বিবাহ আদি সামাজিক সকামত অধিকাৰী সম্প্ৰদায়ে পৌৰোহিত্য কৰে।

সিহঁতৰ মাজত আকৌ 'ভেকলোৱা' আৰু 'ভেক নোলোৱা' এই দুই শ্ৰেণী আছে। কেৱল ভেকধাৰীসকলেহে দীক্ষা দিব পাৰে।

**পৰিসমাপ্তি ঃ** পৰিসমাপ্তিত এইখিনি ক'ব পৰা যায় যে প্ৰজাতিত কালৰ পৰা হাজংসকল মঙ্গোলীয়। তেওঁলোকৰ সংস্কৃতিত মঙ্গোলীয় আৰু আৰ্যমূলীয় এই দুয়ো সংস্কৃতিৰ সানমিহলি ৰূপ এটা পোৱা গৈছে। হাজংসকল এক সুকীয়া জনগোষ্ঠী। পূৰ্বৰ ভাষা হেৰুৱাই পেলোৱা কোচ জনজাতি নহয়। বৃহত্তৰ তিব্বতবৰ্মী ভাষিক পৰিয়ালৰ এটি ক্ষুদ্ৰ গোষ্ঠী মাথোন। বাংলা ভাষাৰ প্ৰভাৰ ব্যাকৰণিক গাঁথনিত নাই। কেৱল দুই এটা শাব্দিক মিল আছে। সেয়েহে হাজংসকলৰ বৰ্তমানৰ ভাষা বাংলা মিশ্ৰিত বুলি কৰা মন্তব্য সঠিক নহয়।

হাজংসকলৰ বৰ্তমানৰ কথিত ভাষাটো অসমীয়া ভাষাৰ এক উপভাষাহে মাথোন বুলি ক'ব পৰা যায়।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


1. Bhattacharya, P : A Descriptive analysis of the Boro language.
2. Bordoloi, B.N. : Tribes of Assam part. iii.
3. Delton, E.T. : Tribal history of eastern India, 1978.
4. Grierson, G. : Linguistic Survey of India. Vol- v. Vol- iii.
5. Majumder, D.N. : Anthropological survey of India.
6. Majumder, D.N. : Men is India. Vol. 50.
7. Nath Rajmohon : The background of Assamese culture.
8. Sidney Endle : The tribes of the Brahmaputra Valley.
9. নাৰ্জী, ভবেন ঃ বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি, ১৯৮৫।
10. ভট্টাচাৰ্য্য, প্ৰমোদ চন্দ্ৰ ঃ অসমৰ জনজাতি।
11. চক্ৰৱৰ্তী, ডঃ কান্তা ঃ হাজং জনগোষ্ঠী আৰু তেওঁলোকৰ ভাষা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন, গৱেষণা গ্ৰন্থ।


*****


● লেখক ঃ সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, ৱেষ্ট গোৱালপাৰা মহাবিদ্যালয়।

# জনজাতিসকলৰ সামাজিক-সাংস্কৃতিক জীৱনত যুৱগৃহ বা ডেকাচাং

**ড° অজিত শইকীয়া**

জনজাতিসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ এক তাৎপৰ্যপূৰ্ণ সংগঠন হৈছে যুৱগৃহ বা ডেকাচাং। ডেকা-গাভৰু আৰু উঠি অহা ল'ৰা-ছোৱালীক বিভিন্ন আৱশ্যকীয় শিক্ষা প্ৰদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা এই ডেকাচাঙত সাধাৰণতে শিকাৰুৱে সামাজিক ৰীতি-নীতি আৰু ধৰ্মীয় আচৰণ-বিধিৰ জ্ঞান লাভ কৰিব পাৰে। মূলতঃ উদ্দেশ্য একেটা যদিও জনজাতি ভেদে এই সংগঠনৰ নাম কিন্তু সুকীয়া সুকীয়া। উদাহৰণ স্বৰূপে -

| **জনজাতিৰ নাম** | **যুৱগৃহৰ নাম** |
|---|---|
| কাৰবি | ফাৰলা (Farla or Jirkedam) |
| গাৰো | নোক্‌পানটে (Nokpante) |
| কন্যাক নগা, মিচিং আৰু নক্টে | মুৰং বা মৰং (Murong) |
| মিজো | জৱলবাক (Zawlbuk) |
| আংগামী নগা | কিন্‌চুকি (Kinchuki) |
| ডিমাছা কছাৰী | নদ্ৰাং (Nodrang) |
| আও, জেমি নগা, দেউৰী | মোৰাংঘৰ (Morung ghar) |
| তিৱা (লালুং) | চামাদি (Samadi) |
| হো আৰু মুণ্ডা | গিতিয়ৰা (Gitiora) |
| ওৰাং | ধুমকুৰিয়া (Dhoomkuriya) |
| ভূইয়া | ধনগাৰবাচ্চা (Dhangarbassa) |
| মুৰীয়া আৰু গোণ্ড | ঘটুল (Gotul) |
| আদি, পাদাম | মুচুপ বা দেৰে (Masup or Dere) |
| মিঞং | ডেৰে (Dere) |
| মিলাং | ঙাপটেক (Ynaptek) |
| টাংচা | লুপ্‌-পং (Lup-pong) |
| ৱাঞ্চো | টুখ্ৰুং (Tukhrung) |
| ৰেংমা নগা | ৰেন্‌চি (Rensi) ইত্যাদি। |

জনজাতীয় জীৱনৰ অন্যতম বৈশিষ্ট্য স্বৰূপ এই যুৱগৃহ বা ডেকাচাঙবোৰ তেওঁলোকৰ শিক্ষা, নৃত্য-গীত সংস্কৃতিৰ

প্ৰাণকেন্দ্ৰ। নৃতত্ত্ববিদ ডঃ মজুমদাৰ, বৰকটকী, ডঃ বৰদলৈৰ মত অনুসৰণ কৰি ক'ব পাৰি যে, জনজাতীয় সমাজ আৰু সংস্কৃতিৰ ধাৰক আৰু বাহক স্বৰূপ ডেকাচাঙৰ প্ৰধান উদ্দেশ্য হৈছে নতুন চামক তেওঁলোকৰ সামাজিক ৰীতি-নীতি, ধৰ্মীয় বিশ্বাস-পৰম্পৰা, সমাজ সংগঠন, অৰ্থনৈতিক জীৱন আদিৰ বিষয়ে জ্ঞান দিয়া। এই প্ৰসংগত এচ. বৰকটকীৰ মন্তব্য প্ৰণিধানযোগ্য। তেওঁৰ মতে -

> "Deka-changs are an excellent institution and a distinctive feature of every tribal village. These clubs where young boys have to serve and obey the older boys, besides being associated with agricultural, social and almost all other activities of the village community, instilled into the youth descipline, respect for the obedience to elders, a spirit of service to the community and a member of other admirable qualities."[১]

নৃতত্ত্ববিদ ডঃ ভুবনমোহন দাসৰ মতেও -

> "মুখ্যতঃ ডেকাচাঙবোৰ শিক্ষাকেন্দ্ৰ। লগতে আমোদ-প্ৰমোদৰো স্থান। জনজাতিৰ কৌটিকলীয়া ৰীতি-নীতিৰে গাঁৱৰ ডেকাবোৰক শিক্ষা দিয়া হয় এই ডেকাচাঙৰ জৰিয়তেই।"[২]

বাস্তৱিকতে নিজা নিজা সংস্কৃতি, নিয়ম-পৰম্পৰা আৰু শিক্ষাৰ জৰিয়তে নতুন চাম ডেকা-গাভৰুক স্বজাতি আৰু স্বকৃষ্টিৰ প্ৰতি সচেতন আৰু সজাগ কৰি ৰখাৰ উদ্দেশ্যৰ মূলতে হয়তো জনজাতীয় সমাজত এনে যুৱগৃহৰ দৰে পৰম্পৰাগত অনুষ্ঠানৰ জন্ম হয়। উঠি অহা নতুন চামক নিজা জাতীয় চিন্তা-চেতনাৰে উদ্বুদ্ধ কৰাৰ লগতে পাৰিপাৰ্শ্বিক জগতখনত জীৱন-যুদ্ধত অৱতীৰ্ণ হ'বৰ বাবে তেওঁলোকক উপযুক্ত কৰি তোলাত ডেকাচাঙবিলাকৰ ভূমিকা মন কৰিবলগীয়া। জীৱন-যুদ্ধৰ প্ৰায়োগিক দিশবোৰৰ শিক্ষা দিয়াৰ লগতে আত্মৰক্ষা, নিজা জনজাতিৰ প্ৰতিৰক্ষা, চিকাৰ আৰু যুদ্ধাদিৰ লগতে কলাত্মক দিশবোৰৰ ইয়াত অনুশীলন কৰোৱা হয়। এই প্ৰসংগত নৃতাত্ত্বিক পণ্ডিতসকলে বিভিন্ন জনজাতীয় ডেকাচাঙবিলাকৰ ভূমিকাৰ বিষয়ে কোৱা কথাবোৰ বিশেষভাৱে উল্লেখযোগ্য। কাৰবি ডেকাচাঙৰ প্ৰসংগত ডঃ বি. এন. বৰদলৈয়ে কৈছে -

> "The Terang (Farla) can be regarded as an institution of social work. It performs all sorts of social services for the village in general and families in perticular as and when such occasions arise."[৩]

জেমি নগাসকলৰ ডেকাচাঙৰ বিষয়ে পৰমেশ দত্তই কৈছে -

> "Lessons relating to the arts of fighting, wrestling, hunting, dencing, singing, handicrafts etc. are imported to the members of each Morung under the able guidance of an owner-cum-caretaker of the Morung house who stays with his family in a spacious room at the end of the Morung."[৪]

ডঃ বি. এন. বৰদলৈয়ে গাৰোসকলৰ যুৱগৃহ 'নোক্‌পানটে'ৰ বিষয়ে লিখিছে -

> "The Nokpante serves as an institution of formal education in the sense that the members of the dormitary are trained in different traditional arts and crafts of tha Garo society. Trainings were imparted to them in singing, dancing, playing of musical instrument, use of weapons etc."[৫]

ডিমাছাসকলৰ ডেকাচাং 'নদ্ৰাঙ'ত দূৰণিবটীয়া আলহী থাকিবৰ বাবে ব্যৱস্থা থাকে। নদ্ৰাঙৰ চোতালত পেলাই থোৱা প্ৰকাণ্ড আকাৰৰ কাঠৰ কুণ্ডাৰ ওপৰত বহিয়েই বয়োজ্যেষ্ঠসকলে মেল পাতে আৰু বিহুনাচ উপভোগ কৰে। ডিমাছা কছাৰীৰ ডেকাচাং 'নদ্ৰাঙ'ৰ বিষয়ে ডঃ বৰদলৈৰ মত প্ৰণিধানযোগ্য। তেওঁ কৈছে যে,

> "Protection of the village from outside attack and also from the attack of wild animals, learning of dance and music, accommodation of guests not belonging to the Dimasa community, learning of traditional art and crafts are the primary purposes of the institution of Nodrang."[৬]

তিৰাসকলৰ ডেকাচাং ‘চামাদি’ৰ যোগেদি তাৰ সদস্য (পাস্থাই)সকলে নৃত্য-গীত, গাৰ্হস্থ্য জীৱন যাপন, হস্তবিদ্যা, কৃষি-কৰ্ম আদিৰ শিক্ষা পায়। চাও লোকেশ্বৰ গগৈয়ে কৈছে -

“তিৰাৰ চামাদিত আদিৰ লেখীয়া কেবাং বহে, যিকোনো বিষয়ৰ আলোচনা সভা পাতে আৰু ইয়াতেই দোষী-নিৰ্দোষী বিচাৰি শাস্তি বিহা হয়। ..... গাঁৱৰ প্ৰতিৰক্ষা কৰা, জুম খেতি কৰা আৰু সূতা কটা আৰু গাঁৱৰ সামূহিক কামবোৰ চামাদিৰ পাস্থাইসকলে কৰে, গতিকে ইয়াক বৰ্তমান সমবায় প্ৰথাৰ লগত ৰিজনি দিব পাৰি।”[৭]

সেইদৰে, ৰেংমা নগাৰ ডেকাচাং ‘ৰেন্‌চি’ আৰু আও নগাৰ ডেকাচাং ‘মোৰাঙ’ক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠে তেওঁলোকৰ সামাজিক জীৱন। এই ঘৰতেই ডেকাসকলে যুদ্ধবিদ্যা, কৃষি-কৰ্ম আদি সকলো শিকে। লগতে সমূহীয়া শিক্ষা পাই তেওঁলোকে বুজিব পাৰে কেনেকৈ উমৈহতীয়া সামাজিক জীৱন এটা গঢ়ি তুলিব পাৰি। মোৰাঙৰ খুটাবোৰ জীৱ-জন্তুৰ হাড়-মূৰ, নখ-ছাল, শিং আদিৰে এনেদৰে সজোৱা হয় যেন সেইবোৰ একো একোটা যাদুঘৰহে। হস্তবিদ্যা, নৃত্য-গীত, যুদ্ধ আদিৰ শিক্ষাৰ ব্যৱস্থা থকা ৰেন্‌চিবিলাকৰ যোগেদিয়েই গাঁৱৰ ডেকাহঁতে চৰিত্ৰ গঠনৰ বিষয়েও শিক্ষা পায়। ডেকাদলৰ জ্যেষ্ঠ আৰু অভিজ্ঞজনেই সাধাৰণতে ৰেন্‌চিৰ দলপতি হয়। কনিষ্ঠসকলক প্ৰশিক্ষণ দিয়াই এই দলপতিজনৰ প্ৰধান দায়িত্ব। ৰেন্‌চিৰ সদস্যসকলে দলীয়ভাৱে সকলো ৰাজহুৱা কামতে আগভাগ লয়। সেইদৰে, মোৰাঙতে বয়োবৃদ্ধসকলে নতুন চামক সমাজৰ নিয়ম, ৰীতি-নীতি আদি পালনৰো শিক্ষা দিয়ে। গাঁৱৰ নিৰাপত্তা, ধৰ্মাচাৰৰ পবিত্ৰতা, সামাজিক জীৱন-প্ৰবাহৰ সকলোবোৰ গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় শিক্ষা নগা যুৱকে মোৰাঙৰ দৈনন্দিন জীৱন-যাত্ৰাৰ মাজতেই লাভ কৰে। মোৰাঙতেই আমোদ-আনন্দ, নৃত্য-গীতৰ ব্যৱস্থা কৰা হয়। ইয়াতে সমাজ বহে, আলহীক অভ্যৰ্থনা জনায়।[৮] উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জনজাতিৰ মাজত থকা যুৱগৃহবোৰৰ এনেবোৰ দিশলৈ লক্ষ্য কৰি ক’ব পাৰি যে, প্ৰকৃতপক্ষে জনজাতীয় সমাজত শিক্ষা-দীক্ষা আৰু সংগঠনৰ বাবে কোনো বিশেষ অনুষ্ঠান নথকা বাবে যুৱগৃহ বা ডেকাচাঙবোৰে সমাজ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা লয়।

ডেকাচাঙবোৰ সাধাৰণতে গাঁৱৰ মাজত বা এমূৰত কাঠ, বাঁহ, ধানখেৰ, শৰণ খেৰ আদিৰে সজা হয়। জনজাতিসকলে তেওঁলোকৰ কলাত্মক চেতনাৰে কাঠৰ খুটাবোৰত মানুহ, বাঘ, গাহৰি আদি নানান জীৱ-জন্তুৰ মূৰ্তি কটাৰ উপৰিও চাংঘৰটোৰ ভিতৰখন বিভিন্ন সা-সৰঞ্জামেৰে ভৰাই তোলে। জন্তু-জানোৱাৰৰ হাড়-মূৰেৰেও মোৰাংঘৰ সজোৱা হয়। ডঃ বৰদলৈয়ে জেমি নগাৰ মোৰাংঘৰৰ ভিতৰখনৰ বৰ্ণনা দিছে এনেদৰে ,

“The gigantic timber posts are decorated with the heads of mithuns, buffaloes, deer, boars etc. There are fixed places for keeping the weapons of war and hunting implements of the Zeme bucks.”[৯]

চাংঘৰৰ মজিয়াৰ মাজভাগতে এখন জুহাল ৰখা হয়, জাৰকালি যিখনৰ কাষত চাৰিওফালে ডেকাচাঙৰ সদস্যসকলে বহি গল্পগুজব কৰে। ল’ৰা আৰু ছোৱালীৰ বাবে কিছুমান জনজাতিৰ মাজত পৃথকে পৃথকে চাংঘৰৰ ব্যৱস্থা থাকে। তেনেবোৰ ক্ষেত্ৰত চাংঘৰবোৰত পৃথকে পৃথকে একোজন বয়স্ক লোকৰ তত্ত্বাৱধানত অবিবাহিত ডেকা-গাভৰুবিলাকে নিশা অতিবাহিত কৰে। অৱশ্যে উত্তৰ-পূৰ্বাঞ্চলৰ সকলোবোৰ জনজাতিৰ মাজত গাভৰুচাঙৰ ব্যৱস্থা নাই। উদাহৰণ স্বৰূপে, ৰেংমা নগা, কাৰবি, ডিমাছা কছাৰী আদি জনজাতিৰ মাজত গাভৰুচাঙৰ ব্যৱস্থা নাই। মুণ্ডাসকলৰ সমাজত ছোৱালীবিলাকৰ বাবে পৃথক চাংঘৰৰ ব্যৱস্থা নাথাকিলে তেওঁলোকে এগৰাকী বৃদ্ধা নাৰীৰ তত্ত্বাৱধানত একেলগে কটায়। উত্তৰ-পূৰ্বাঞ্চলৰ মিয়ামী জনজাতিৰ ডেকা-গাভৰুৱে আকৌ দুই খলপীয়া একেটা চাংঘৰতে নিশা অতিবাহিত কৰে। এই বিষয়ে আৰ. এন. শৰ্মা আৰু আৰ. কে. শৰ্মাৰ মন্তব্য প্ৰণিধানযোগ্য। তেওঁলোকৰ মতে -

“Among the Miami tribals of Assam both boys and girls sleep in the same dormitory. While the girls sleep on the ground floor, the boys sleep on the first floor. Similar is the custom in the Muria tribe of Bastar. Their dormitories are situated outside the village. The unmarried boys and girls gather here at night, sing and dance and participate in other social activities and finally pass the night.”[১০]

মিয়ামীসকলৰ দৰে ৰাঞ্চো গাভৰুসকলো গাঁৱৰ এগৰাকী অভিজ্ঞ আৰু বয়োজ্যেষ্ঠা মহিলাৰ তত্বাৱধানত পৰিচালিত হয়। 'নাওচাজুপহাম' নামৰ এই গাভৰুচাঙত ডেকাৰ প্ৰবেশত বাধা নাথাকে যদিও ব্যভিচাৰে তাত ঠাই নাপায়। সেইদৰে, জেমি নগাবিলাকৰ গাভৰুচাং 'লিঅ'চুকি' (Leoseuki)ত গাভৰুবিলাকে নিশা অতিবাহিত কৰে। ডঃ বৰদলৈৰ মতে -

> "The girls may select any house of any person for their dormitory. The girls gererally select an old couple for this purpose. While the big front room is used by them as their Morung, the old couple and their family members live in the back portion of the hut. Like the boys Morung the girls' Morung is also a training ground for singing, dancing, spinning and weaving."[১১]

'লিঅ'চুকি'ৰ ছোৱালীহঁতে গাঁৱৰ কোনোবা মৰিলে মৃতকৰ ঘৰত পানী অনা, উৰালত ধান বনা, খৰি লুৰা আদি কামত সহায় কৰি দিয়েগৈ। একেদৰে খামতি, আদি, ৰাঞ্চো ইত্যাদি জনজাতিৰ মাজতো গাভৰুচাং আৰু ডেকাচাঙৰ প্ৰচলন থকাৰ কথা পোৱা যায়। গাঁৱৰ আকস্মিক দুৰ্ঘটনা, শত্ৰুৰ বিপক্ষে হ'ব লগা যুদ্ধ, জুই লগা ইত্যাদিৰ বাবে সদা প্ৰস্তুত হ'ব পৰাকৈ ডেকা-গাভৰুসকলে পৃথকে পৃথকে একো একোটা উমৈহতীয়া ঘৰত থকাৰ ব্যৱস্থা স্বৰূপ এই ডেকাচাঙতে জনজাতিসকলে তেওঁলোকৰ বীৰত্বৰ চিন স্বৰূপে চাংঘৰটোৰ বেৰত শত্ৰু মানুহৰ কটা মূৰ, চিকাৰত পোৱা নানান জন্তুৰ কটা মূৰ আৰু ঢোল, বাঁহী আদি জাতীয় বাদ্য ওলোমাই ৰাখে।

ডেকাচাঙৰ আৰ্হি আৰু গুণগত বৈশিষ্ট্যৰ লগত অসমৰ বৈষ্ণৱ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নামঘৰৰ সাদৃশ্য মন কৰিবলগীয়া। ডঃ প্ৰহ্লাদ কুমাৰ বৰুৱাৰ মতে নামঘৰৰ গঠন পদ্ধতিয়ে ইয়াৰ আৰ্হি বৌদ্ধ বিহাৰৰ পৰা গ্ৰহণ কৰাৰহে ধাৰণা দিব খোজে।[১২] এই বৌদ্ধ ধৰ্ম চীন, তিব্বত, মংগোলীয়, জাপান, ব্ৰহ্মদেশ আৰু উত্তৰ-পূব ভাৰতৰ জনজাতিসকলৰ মাজত ঘাইকৈ আৰু ব্যাপকভাৱে প্ৰচলিত।[১৩] আকৌ গুণগত বৈশিষ্ট্যৰ ক্ষেত্ৰত শঙ্কৰদেৱৰ নামঘৰ জনজাতিসকলৰ মৰংঘৰ বা ডেকাচাঙৰ তেনেই ওচৰ চপা বুলি ডঃ বৰুৱাই অভিমত দাঙি ধৰিছে। কিয়নো, মৰংঘৰত অভিজ্ঞতাসম্পন্ন গাঁৱৰ বৃদ্ধসকলেই ডেকাসকলক জীৱন অভিজ্ঞতাৰ উপৰিও বংশগত প্ৰাচীন ঐতিহ্যৰ বিষয়ে ব্যাখ্যা দিয়ে, যিবিলাকে স্বাভাৱিকতে নীতি শিক্ষাৰ ঠাই দখল কৰিছিল। শঙ্কৰদেৱৰ নামঘৰত এই বৈশিষ্ট্যই শাস্ত্ৰীয় চৰ্চালৈ উন্নীত হ'ল। তদুপৰি, মৰংঘৰৰ ডেকা-গাভৰুৰ নৃত্য-গীতৰ মনোৰঞ্জনৰ আৰ্হিতে নামঘৰত ভাওনা আৰু অন্যান্য নৃত্য-গীতৰ চৰ্চাৰ ব্যৱস্থা হৈছিল। সেয়ে নামঘৰক থলুৱা জনজীৱনৰ পৰা বুটলি অনা এক নতুন সাংস্কৃতিক কেন্দ্ৰ বুলিব পাৰি।[১৪] ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰ মতেও, "জনজাতীয় গাঁৱৰ গাঁথনি আৰু জনজাতীয় ডেকাচাং, গাভৰুচাঙৰ প্ৰভাৱ বৈষ্ণৱ যুগৰ সমাজত পৰিছিল।"[১৫]

জনজাতীয় গাঁওবিলাকত থকা ডেকাচাঙবিলাকৰ কেইটামান সাধাৰণ বৈশিষ্ট্য তলত দিয়াৰ দৰে আঙুলিয়াব পাৰি। যেনে -

১। ডেকাচাঙৰ জীৱনত কিছুমান ৰীতি-নীতি আৰু পৰম্পৰা আছে যিবোৰ তাৰ সদস্যসকলে চামে চামে পালন কৰিবলৈ বাধ্য।

২। কিছুমান জনজাতিৰ ল'ৰা আৰু ছোৱালীৰ বাবে পৃথক পৃথক যুৱগৃহ থাকে যদিও বাষ্টাৰৰ মুৰীয়া আৰু অসমৰ মিয়ামী জনজাতিৰ লোকসকলৰ ল'ৰা আৰু ছোৱালীৰ ডেকাচাং একে। উদাহৰণ স্বৰূপে, কন্যাক নগাৰ ডেকাৰ বাবে মুৰংঘৰ আৰু গাভৰুৰ বাবে 'ও' (yo)ৰ ব্যৱস্থা আছে, কিন্তু মুৰীয়াবিলাকৰ ডেকাচাং 'ঘটুল'তে ডেকা-গাভৰু একেলগে দুটা মহলাত পৃথক পৃথককৈ থাকে।[১৬]

৩। ডেকা-গাভৰুবিলাক নিজৰ নিজৰ বিয়া পৰ্যন্তহে যুৱগৃহৰ সদস্য বা সদস্যা হৈ থাকিব পাৰে। বৈবাহিক জীৱন আৰম্ভ হোৱাৰ লগে লগে তেওঁলোকৰ সদস্য পদো তাৰ পৰা আপোনা-আপুনি নাইকিয়া হয়। কিন্তু বিবাহৰ পাছত কোনো ছোৱালী বিধৱা হ'লে তেওঁ পুনৰ ইয়াৰ সদস্যা হ'ব পাৰে।[১৭]

৪। ডেকাচাঙত অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত জনজাতিভেদে বয়সৰ সীমা বেলেগ বেলেগ। সাধাৰণ নিয়ম মতে বেছিভাগ জনজাতিৰে চাৰি বা পাঁচ বছৰ বয়সতে ল'ৰাই ডেকাচাঙৰ জীৱন আৰম্ভ কৰিব পাৰে যদিও কাৰ্বিসকলৰ ক্ষেত্ৰত এই বয়সৰ সীমা দহ বছৰ।[১৮] সেইদৰে, জেমি নগাসকলৰ ক্ষেত্ৰত এই বয়সৰ সীমা আঠ বা ন বছৰ।[১৯] বয়স অনুযায়ী ডেকাচাঙৰ সদস্যসকলক সাবালক আৰু নাবালক এই দুটা ভাগত ভগোৱা হয়।

৫। বয়স অনুসৰি দুটা দলত ভাগ কৰা ডেকাচাঙৰ সাবালকসকলৰ মাজৰ পৰা নিৰ্বাচন কৰা দলপতিজনৰ প্ৰধান কাম হৈছে সদস্যসকলৰ যত্ন লোৱা আৰু তেওঁলোকৰ মাজত নিয়ম-শৃংখলা অটুট ৰখা। নাবালকসকলে সাবালকসকলৰ নিৰ্দেশ পালন কৰাৰ উপৰিও তেওঁলোকৰ পৰা বিভিন্ন দিশৰ শিক্ষা আয়ত্ব কৰে।

৬। ডেকাচাঙবিলাকত ল'ৰাৰ কাৰণে এজন বয়স্ক পুৰুষ আৰু ছোৱালীৰ তত্ত্বাৱধানৰ কাৰণে এগৰাকী বয়স্কা মহিলা থাকে। সাধাৰণতে ডেকাচাঙবিলাকত থকা বিভিন্ন জ্ঞানেৰে পুষ্ট আৰু অভিজ্ঞ তত্ত্বাৱধায়কজনেই এই ভূমিকা পালন কৰে আৰু গাভৰুবিলাকে গাভৰুচাঙৰ বাবে যিটো পৰিয়াল বাছি লয় সেই পৰিয়ালৰ গৃহিণীয়েই গাভৰুচাঙৰ তত্ত্বাৱধায়িকাৰ ভূমিকা পালন কৰে। সদস্য-সদস্যাসকলে এই তত্ত্বাৱধায়কসকলৰ উপদেশ-পৰামৰ্শ মানি চলাটো নিয়ম।

৭। সাধাৰণতে ডেকাচাঙবিলাক গাঁৱৰ বাহিৰত হাবিৰ দাঁতিত অৱস্থিত যদিও নগাবিলাকৰ ক্ষেত্ৰত ডেকাচাং খেতিপথাৰৰ কাষতে থকা দেখা যায়। আনহাতে, ওৰাওঁবিলাকৰ ডেকাচাঙবোৰ গাঁৱৰ মাজভাগতে অৱস্থিত। সেইদৰে, কাৰবিসকলৰ ডেকাচাঙো গাঁৱৰ সোঁমাজতে সজা হয়।

৮। গাঁৱৰ কৃষিকাৰ্যত সদলবলে সহায় কৰা, বিয়া-বাৰুত দেহে কেহে লাগি দিয়া, প্ৰয়োজন সাপেক্ষে গাঁৱৰ কাৰোবাৰ ঘৰ-দুৱাৰ সাজি দিয়া আদি সামাজিক কাম-কাজ একেলগে কৰাটো ডেকাচাঙৰ সদস্যসকলৰ যেন সামূহিক দায়িত্ব।

৯। সন্ধ্যা সদস্যসকলে নিজ নিজ ঘৰত নিশাৰ আহাৰ খাই সকলো ডেকাচাঙত সমবেত হয় আৰু চাংঘৰৰ মাজতে একুৰা জুই ধৰি তাৰ চাৰিওকাষে বহি তেওঁলোকে গল্প-গুজব অথবা নাচ-গান কৰে, ৰং-ধেমালিত মগন হয় আৰু শেষত নিশাটো তাতে অতিবাহিত কৰে।

১০। ডেকাচাঙবিলাকৰ বাহিৰত কিছুমান প্ৰতীক-চিহ্ন (Totemic Symbol) থকা দেখা যায়। সাধাৰণতে জনজাতিসকলৰ নিজ নিজ দেৱ-দেৱী বা গছ-গছনি বা জীৱ-জন্তু বিভিন্ন চিহ্নৰে এই ডেকাচাঙবোৰ চিহ্নিত কৰা হয়।

১১। ডেকাচাঙবিলাকৰ সকলো কথা গোপনীয়কৈ ৰখাটো ইয়াৰ সদস্যসকলৰ প্ৰধান দায়িত্ব।[২০]

আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক দিশৰ উপৰিও ধৰ্মীয় আৰু নিৰাপত্তাৰ দিশত গুৰুত্বপূৰ্ণ দায়িত্ব সম্পাদন কৰা এই যুৱ অনুষ্ঠানটি সম্প্ৰতি জনজাতীয় সমাজৰ পৰা নাইকিয়া হৈ যোৱাৰ উপক্ৰম হৈছে। যুৱগৃহৰ ভাঙোন জনজাতীয় সমাজৰ ঐক্য-সংহতিৰ বিনাশ, গ্ৰাম্য অনুশাসনহীনতা, গ্ৰামোন্নয়নৰ প্ৰতি উদাসীনতা আৰু যুৱ-উচ্ছৃংখলতাৰ অন্যতম প্ৰধান কাৰণ বুলিব পাৰি। ডেকাচাঙবিলাক ভাগি যোৱাৰ দুটা প্ৰধান কাৰণ নাগৰিক সভ্যতাৰ আৰম্ভণি আৰু খ্ৰীষ্টান মিচনেৰিৰ প্ৰভাৱ বুলি অধ্যাপক আৰ. এন. শৰ্মাই মতপোষণ কৰিছে।[২১] কিন্তু ভৈয়াম অঞ্চলৰ জনজাতিবিলাকৰ মাজত যুৱগৃহৰ বিলোপ হোৱাৰ আন কেইটামান কাৰণো দৃষ্টিগোচৰ হয়। প্ৰথমতে, ভৈয়ামত বসবাস কৰা কাৰণে তেওঁলোকক অন্য চুবুৰীয়া জনজাতীয় সম্প্ৰদায় বা বনৰীয়া জীৱ-জন্তুৱে সহজতে আক্ৰমণ কৰাৰ ভয় নাথাকে, যিটো পাহাৰীয়া লোকৰ বাবে অতি সহজাত চিন্তা। দ্বিতীয়তে, হিন্দুৰ ব্ৰাহ্মণ্য ধৰ্মৰ লগতে শঙ্কৰদেৱৰ ধৰ্মমতৰ প্ৰভাৱতো বহু সংখ্যক জনজাতিয়ে তেওঁলোকৰ পৰম্পৰাগত সামাজিক আনুষ্ঠানিকতা পৰিহাৰ কৰিলে। তৃতীয়তে, আধুনিক শিক্ষা পদ্ধতিৰ প্ৰসাৰৰ ফলত শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে দৈনিক পঢ়া-শুনাৰ পৰিৱৰ্তে ডেকাচাঙত নিশা অতিবাহিত কৰিব নোৱাৰা হ'ল। এনে বহুবোৰ কাৰণত উত্তৰ-পূৰ্বাঞ্চলৰ বহুবোৰ জনজাতিৰ মাজত যুৱগৃহ ব্যৱস্থাৰ বিলোপ সাধন হৈছে যদিও জনজাতীয় সংস্কৃতি জীয়াই ৰখা আৰু বিকাশৰ কেন্দ্ৰ স্বৰূপ এই যুৱগৃহ বা ডেকাচাঙবিলাকৰ অৱস্থাৰ ওপৰতে একালত তেওঁলোকৰ সামাজিক মান নিৰ্ণীত হৈছিল। সেয়ে, এনে ধৰণৰ সামাজিক অনুষ্ঠানবিলাকক আধুনিক সভ্যতাৰ লগত খাপ খুৱাই আৰু, কিছু পৰিমাণে সংস্কাৰ সাধন কৰি জনজীৱনৰ উপযোগীকৈ গাঁও পঞ্চায়তৰ দৰে পুনৰ প্ৰতিষ্ঠা কৰাটো নিশ্চয় অযুগুত নহ'ব।

**পাদটীকা**

১. Borkataki, S.ঃ **Tribes of Assam**, p.p. 14-15

২. দাস, ভুবনমোহন ঃ 'অসমৰ জনজাতীয় সংস্কৃতি', নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা (সম্পাদিত) ঃ **অসমীয়া সংস্কৃতি**, পৃষ্ঠা ঃ ২৫৬

৩. Bordoloi, B.N. ঃ 'Traditional Institutions of the Karbis'

"     " ঃ **BULLETIN** of Tribal Research Institute, Guwahati, (Vol.I, No.III) p. 42

৪. Dutta, Paramesh ঃ **The Zeme Nagas of Assam Hills, A Short Profile**, p. 7

৫. Bordoloi, B.N. ঃ **Tribes of Assam, Part-III,** p. 16

৬. Bordoloi, B.N. ঃ 'The Dimasa Kacharies'
Bordoloi, B.N., S. Thakur, G.C. & Saikia, M.C. (Ed.) ঃ **Tribes of Assam, Part-I**, p. 42

৭. গগৈ, চাও লোকেশ্বৰ ঃ **অসমৰ লোক-সংস্কৃতি-১**,
পৃষ্ঠা ঃ ৫৭১

৮. নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা (সম্পাদিত) ঃ উল্লিখিত গ্ৰন্থৰ উল্লিখিত প্ৰবন্ধ,
পৃষ্ঠা ঃ ২৫৭

৯. Bordoloi, B.N. ঃ 'The Zeme Nagas of N.C. Hills', Bordoloi, B.N., S. Thakur, G.C. (Ed.) ঃ **Tribes of Assam, Part-II**, p. 101

১০. Sharma, R.N. & Sharma, R.K. ঃ **Social Anthropology and Indian Tribes**, p. 239

১১. Bordoloi, B.N. ঃ 'The Zeme Nagas of N.C. Hills', Bordoloi, B.N., S. Thakur, G.C. (Ed.) ঃ op. cit. p. 240

১২. বৰুৱা, প্ৰহ্লাদকুমাৰ ঃ **চিন্তাৰ আভাস**, পৃষ্ঠা ঃ ২৭

১৩. নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা (সম্পাদিত) ঃ উল্লিখিত গ্ৰন্থৰ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যৰপ্ৰবন্ধ 'অসমীয়া সংস্কৃতিত জনজাতীয় বৰঙণি', পৃষ্ঠা ঃ ১০৬

১৪. বৰুৱা, প্ৰহ্লাদকুমাৰ ঃ উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ঃ ২৭-২৮

১৫. নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা (সম্পাদিত) ঃ উল্লিখিত গ্ৰন্থৰ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যৰ উল্লিখিত প্ৰবন্ধ, পৃষ্ঠা ঃ ১০৬

১৬. Sharma, R.N. & Sharma, R.K. ঃ op. cit, p. 240

১৭. ibid, p. 240

১৮. Bordoloi, B.N. ঃ 'Traditional Institutions of the Karbis'
"   "   ঃ op. cit, p. 45

১৯. Dutta, Paramesh ঃ op. cit, p. 7

২০. Sharma, R.N. & Sharma, R.K. ঃ op. cit, p. 240

২১. ibid, p. 242

**সহায়ক উৎসসমূহ ঃ**


১। গগৈ, চাও লোকেশ্বৰ ঃ **অসমৰ লোক-সংস্কৃতি-১**, ক্ৰান্তিকাল প্ৰকাশন, এম.জি. ৰোড, নগাঁও, সংশোধিত সংস্কৰণ, নৱেম্বৰ, ২০১৩ চন

২। Dutta, Paramesh ঃ **The Zeme Nagas of Assam Hills, A Short Profile**, Assam Institute of Research for Tribals and Scheduled Castes, Guwahati-22, 1993

৩। নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা (সম্পাদিত) ঃ **অসমীয়া সংস্কৃতি**, অসম সাহিত্য সভা, যোৰহাট, অসম তৃতীয় প্ৰকাশ, ১৯৮৯ চন

৪। Bordoloi, B.N. ঃ **BULLETIN** of Tribal Research Institute, Guwahati, (Vol.I, No.III)

৫। Bordoloi, B.N., S. Thakur, G.C. (Ed.) ঃ **Tribes of Assam, Part-II**, Tribal Research Institute, Guwahati-28, 1st Edition, 1988

৬। Bordoloi, B.N. ঃ **Tribes of Assam, Part-III**, Assam Institute of Research for Tribals and Scheduled Castes, Guwahati-28, 1st Edition, 1991
৭। Bordoloi, B.N., S. Thakur, G.C. & Saikia, M.C. (Ed.) ঃ **Tribes of Assam, Part-I**, Tribal Research Institute, Guwahati-28, 1st Edition, 1987
৮। Borkataki, S. ঃ **Tribes of Assam**, National Book Trust, India, A-5, Green Park, New Delhi-16, Revised Edition, 1984
৯। বৰুৱা, প্ৰহলাদকুমাৰ ঃ **চিন্তাৰ আভাস**, শ্ৰীমাখন হাজৰিকা, নতুন বজাৰ, ডিব্ৰুগড়, অসম, পৰিৱৰ্ধিত সংস্কৰণ, ১৯৮৭
১০। Sharma, R.N. & Sharma, R.K. ঃ **Social Anthropology and Indian Tribes**, Media Promoters & Publishers Pvt. Ltd., Bombay-07, Reprinted, 1987.

*****

● লেখক ঃ দুলীয়াজান নিবাসী এগৰাকী গৱেষক-সাহিত্যিক।

# ‘কোচ-কমতাৰ ইতিকথা’ৰ এটি চমু পৰ্যালোচনা

**বসন্ত শইকীয়া**

জাতীয় সংস্কৃতি আৰু সামাজিক বৈশিষ্ট্যৰ ক্ষেত্ৰত বৈচিত্ৰতাৰে ভৰা অসম ভূমিত প্ৰাচীন কালৰ পৰাই বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা নৃগোষ্ঠীয় গোট সমূহৰ পৃথকে পৃথকে প্ৰব্ৰজন ঘটিছিল। পৰৱৰ্তী সময়ত সেই গোটসমূহৰ ঠাল-ঠেঙুলি সম্প্ৰসাৰণৰ যোগেদি স্বকীয় সংস্কৃতি আৰু পৰম্পৰা অক্ষুন্ন ৰাখি একত্ৰভাৱে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পন্ন হৈ আহিছে। ত্ৰয়োদশ শতিকাৰ আগভাগত ব্ৰহ্মদেশৰ মাওলাং ৰাজ্যৰ ৰাজকোঁৱৰ চুকাফাৰ নেতৃত্বত কিছু সংখ্যক স্ব-গোষ্ঠীয় লোকেৰে গঠিত এটি দল পাটকাই পাৰ হৈ প্ৰাচীন কামৰূপত খোপনি পিটি আহোম সম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। সেই আহোম সকলেই ১২২৮ খ্ৰীষ্টাব্দত প্ৰাচীন কামৰূপৰ নাম ‘অচম’ বা ‘আসম’ ৰাখিলে। সন্দেহৰ উৰ্দ্ধত নহয় যদিও অসম নামৰ উৎপত্তিও ইয়াৰ পৰাই হোৱা বুলি অনুমান কৰা হয়। পৌৰাণিক আখ্যান অনুসৰি ইয়াৰ পূৰ্বে দেৱাদিদেৱ মহাদেৱৰ ক্ৰোধবহ্নিত ভস্ম হোৱা কামদেৱে তেওঁৰ পত্নি ৰতি দেৱীৰ কাতৰ প্ৰাৰ্থনাত সন্তুষ্ট হোৱা মহাদেৱৰ কৃপাত পুনৰ্জীৱন বা পুনৰ ৰূপ ঘুৰাই পোৱা এই ভূমিৰ নাম কামৰূপ নামেৰে জনাজাত আছিল। চুকাফাই প্ৰতিষ্ঠা কৰা আহোম ৰাজ্যত পৰৱৰ্তী সময়ত ১৩ ৰ পৰা ১৯ শতিকাৰ সময়চোৱাত বহুতো উপজাতীয় সম্প্ৰদায় অসমলৈ আহিল। সেইসকলৰ ভিতৰত কোচ, কছাৰি, আৰু চুতীয়া সম্প্ৰদায় আছিল অন্যতম। আহোম সকলৰ ছশ বছৰীয়া সম্ৰাজ্যবাদ বাৰ্মী আক্ৰমন পৰ্যন্ত অসমত বৰ্তী আছিল।




দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰদেৱে ৰচনা কৰা ‘কোচ-কমতাৰ ইতিকথা’ শীৰ্ষক গ্ৰন্থখনৰ পৰ্য্যলোচনা কালত অসমৰ এই সামগ্ৰীক ইতিহাস সম্পৰ্কীয় আলোচনা আমাৰ বিষয়বস্তু নহয় যদিও প্ৰাসঙ্গিকভাৱে এইখিনি উল্লেখ কৰি লোৱাটো অৰধাৰিত বুলি ভবা হৈছে। অতীজৰে পৰা অসমত বসবাস কৰি থকা সকলোবোৰ জাতি-জনগোষ্ঠী মিলি বৃহত্তৰ অসমীয়া জাতি গঠন হৈছে। গোষ্ঠীগত সংস্কৃতি আৰু সামাজিক পৰম্পৰা সমূহৰ স্বকীয়তা নেহেৰুৱাকৈ বৃহত্তৰ অসমীয়া জাতিয়ে যাতে ঐক্য আৰু সংহতি ৰক্ষা কৰি বৃহত্তৰ অসমীয়া জাতিক ভৌগোলিক, ৰাজনৈতিক আৰু সামাজিকভাৱে আগুৱাই লৈ যাব পাৰে সেই চিন্তা অতীত অসমৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী চাৰ চৈয়দ মহম্মদ ছাদুল্লা, গোপীনাথ বৰদলৈ আদি ব্যক্তিসকলৰ পৃষ্ঠপোষকতাতে আৰম্ভ হৈছিল। কিন্তু স্বাধীনতা লাভ কৰাৰ পিচৰে পৰা অসমত ছেগা-ছোৰোকাকৈ সুত্ৰপাত ঘটা গোষ্ঠী সংঘৰ্ষই বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত আঘাত হানিব ধৰিছিল। প্ৰতিটো জাতি-জনগোষ্ঠীৰ আবেগ আৰু অনুভূতিক সম মৰ্যাদা

প্ৰদান কৰি গঢ় লৈ উঠা বৃহত্তৰ অসমীয়া জাতীয়তাবাদৰ ধাৰাটো যেন নিষ্প্ৰাণ হৈ আহিব ধৰিছিল। তেনে এক জটিল প্ৰেক্ষাপটত অসমৰ জাতীয়তাবাদী ধাৰাটোক পুনৰ শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে ১৯৭৮ চনৰ ১২ মাৰ্চত অসমত সংগঠিত হৈছিল অসম জাতিয়তাবাদী যুৱ ছাত্ৰ পৰিষদ নামৰ এটি জাতীয়তাবাদী সংগঠনৰ। সেই সময়তে অসমত জাতীয়তাবাদক সবল ৰূপত প্ৰতিষ্ঠা কৰাৰ প্ৰৱল আকাংক্ষা থকা সকলৰ মাজত অন্যতম এগৰাকী ব্যক্তি দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ এই সংগঠনৰ সৈতে জড়িত হৈ পৰিছিল। অসমত জাতীয়তাবাদক পুনৰ প্ৰতিষ্ঠা কৰাৰ এই সংগ্ৰাম অব্যাহত থকাৰ মাজতে অতীজৰে পৰা অসমত বসবাস কৰি থকা জাতি-জনগোষ্ঠিসমূহৰ ইতিহাস অধ্যয়ন সম্পৰ্কে দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ প্ৰবল আগ্ৰহী হৈ উঠিছিল। অসমৰ জনগোষ্ঠীয় ইতিহাস বিশ্লেষণ কৰি কোঁৱৰদেৱে অনুভৱ কৰিছিল যে অসমত জাতীয়তাবাদক সবল ৰূপত প্ৰতিষ্ঠা কৰিব বিচাৰিলে প্ৰতিটো জনগোষ্ঠীৰে সূক্ষ্মাতিসূক্ষ্ম ঐতিহাসিক আলোচনাক অসমৰ জনসাধাৰণৰ মাজলৈ বিয়পাই দিয়াটো বাঞ্চনীয়। কোঁৱৰৰ এই ধাৰণাটোক সাকাৰ্ কৰাৰ বাবে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অন্যতম ভূমিকা পালন কৰি অহা কোচ ৰাজবংশী জনগোষ্ঠীৰ ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত কোঁৱৰে লিখি গৈছিল অনেক প্ৰবন্ধ। এই প্ৰবন্ধ সমূহ কুৰি শতিকাৰ শেষভাগ আৰু একবিংশ শতিকাৰ প্ৰথমভাগত বিভিন্ন বাতৰি কাকত আদিত ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। কোচ ৰাজবংশী জনগোষ্ঠীৰ তথ্যভিত্তিক ইতিহাস সম্বন্ধীয় এই প্ৰবন্ধ লানি পাঠক তথা সমাজ সচেতক মহলত যথেষ্ট সমাদৰ পাইছিল।

ঐতিহাসিক তথ্যৰে সমৃদ্ধ কোচ ৰাজবংশীৰ ইতিহাস সম্পৰ্কে যথেষ্ট গুৰুত্বপূৰ্ণ সমল যোগান ধৰিব সক্ষম হোৱা দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰৰ এই লেখাসমূহক একত্ৰিত কৰি অসমৰ এটি আগশাৰীৰ গ্ৰন্থ প্ৰকাশক গোষ্ঠী 'অসম বুক ট্ৰাষ্টে' ২০১৬ চনত প্ৰকাশ কৰি উলিয়ালে 'কোচ কমতাৰ ইতিকথা'। 'স্বায়ত্ব শাসন'(১৯৭৯), 'পূৰ্ণ স্বায়ত্ব শাসনৰ প্ৰস্তাৱ'(২০০১), 'জাতীয়তাবাদৰ ভিত্তিত সাম্যবাদ'(২০০৬), 'দ্বিনাগৰিকত্ব আৰু অসমৰ বিদেশী সমস্যা'(২০০৯), আদি উগ্ৰ জাতীয়তাবাদৰ ভাৱধাৰাৰে সমৃদ্ধ গ্ৰন্থ সমূহৰ স্ৰষ্টা দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰৰ গ্ৰন্থ 'কোচ-কমতাৰ ইতিকথা' শীৰ্ষক গ্ৰন্থখনে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত কোচ ৰাজবংশী জনগোষ্ঠীৰ ঐতিহাসিক ভূমিকাৰ এখন স্পষ্ট ছবি ডাঙি ধৰিবলৈ সক্ষম হৈছে।

'কোচ-কমতাৰ ইতিকথা' গ্ৰন্থ খনত দুটা মূল অধ্যায়ৰ মাজত দুকুৰি ওঠৰটা প্ৰবন্ধ সন্নিৰিষ্ট কৰি কোঁৱৰে অসম ভূমিত বসবাস কৰি থকা প্ৰতিটো জাতি-জনগোষ্ঠীৰে ইতিহাসৰ প্ৰয়োজনীয় প্ৰাসঙ্গিকতাৰ যথোচিত মৰ্যাদা হানি নোহোৱাকৈ কোচ ৰাজবংশী জনগোষ্ঠীটোৰ ইতিবৃত্ত আৰু পৰৱৰ্তী কালত অসম ভূমিৰ শাসনভাৰ হস্তগত কৰি জনগোষ্ঠীটোৰ প্ৰভুত্ব বিস্তাৰ সম্পৰ্কীয় তথ্যসমূহ সুনিপুণ লিখন শৈলীৰে প্ৰকাশ কৰাত এশ শতাংশই সফল হৈছে বুলি কব পাৰি। আহোম সকলৰ ৰাজত্ব কালৰ পূৰ্বে প্ৰাচীন কামৰূপ ৰাজ্যৰ মূল চাৰিটা ভাগ - সৌমাৰপীঠ, স্বৰ্ণপীঠ, কামপীঠ, আৰু ৰত্নপীঠৰ ভৌগোলিক সীমা - যথা - দিক্ৰাই বা দিক্ৰং নদীৰ পৰা ভৰলী নৈলৈকে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ সামৰি 'সৌমাৰপীঠ', ভৰলীৰ পৰা বৰনদীলৈকে 'স্বৰ্ণপীঠ', বৰনদীৰ পৰা সোনকোষলৈ 'কামপীঠ' আৰু সোণকোষৰ পৰা কৰতোৱালৈকে 'ৰত্নপীঠ'ৰ প্ৰসঙ্গয়ো এই গ্ৰন্থখনত স্থান পাইছে। প্ৰাচীন কামৰূপৰ অথবা প্ৰাগজ্যোতিষপুৰৰ বৰ্ণনা থকা কালিকা পুৰাণ, যোগিনীতন্ত্ৰ আদি গ্ৰন্থৰ উদ্ধৃতিৰে নৃগোষ্ঠীয় বিৱৰ্তন আৰু সেই সকলৰ শাৰীৰিক অবয়ৱ আদিৰ বিশ্লেষণো গ্ৰন্থখনত সময়ে সময়ে দাঙি ধৰিব যত্ন কৰা হৈছে।

মুঠ ৩২৭ পৃষ্ঠা জোৰা বৃহৎ কলেবৰৰ 'কোচ-কমতাৰ ইতিকথা' গ্ৰন্থখনত প্ৰাসঙ্গিকভাৱে কোচ ৰাজপৰিয়াল, কোচ ৰাজ্যৰ ৰজা-মহাৰজা, কোচ ৰজাৰ প্ৰচলিত মুদ্ৰা(কাৰেন্সি), কোচ ৰাজবংশীয় পৰম্পৰাগত অলংকাৰ, পৰম্পৰাগত সাজ-পাৰ, কোচবিহাৰৰ ৰাজ দৰবাৰ আদিৰ কিছু সংখ্যক আপুৰুগীয়া ফটোও সন্নিৰিষ্ট কৰি বিষয়বস্তুৰ প্ৰতি পাঠকৰ মনযোগ আকৰ্ষণ কৰাত লেখক গৰাকী সক্ষম হৈছে। কোচ ৰাজবংশী জনগোষ্ঠীৰ ইতিহাস পৰ্য্যালোচনা কালত প্ৰাসঙ্গিক ভাৱেই কোচ ৰাজবংশৰ ইতিহাসত নাৰী চৰিত্ৰৰ অবদান আৰু ত্যাগৰ বিস্তৃত বিৱৰণ, কোচ কমতা ৰাজ্যত ইছলাম ধৰ্মীয় লোকসকলৰ সুৰক্ষা, কোচ ৰজাৰ পৃষ্ঠপোষকতাত অসমীয়া সাহিত্য সৃষ্টিৰ বৰ্ণনা, অসমৰ সাংস্কৃতিক বিকাশ আদি সকলো দিশতে 'কোচ-কমতাৰ ইতিকথা' গ্ৰন্থখনৰ জৰিয়তে জনগোষ্ঠীটোৰ তথ্যগত ইতিহাস পৃষ্ঠাই পৃষ্ঠাই সন্নিৰিষ্ট কৰা হৈছে।

'কোচ কমতা' ৰাজ্যৰ ইতিহাসত শ্ৰীমন্ত শঙ্কৰদেৱৰ আবিৰ্ভাৱ, মহাপুৰুষ জনাৰ সৃষ্টি, জীৱন পৰিক্ৰমাৰ উত্থান-পতন আদি দিশৰ ওপৰতো এই গ্ৰন্থখনত আলোকপাত কৰাৰ লগতে কোচ ৰাজ্যৰ প্ৰাৰম্ভৰ পৰাই শাসনভাৰ পৰিচালনা কৰা প্ৰতিগৰাকী ৰজা-মহাৰজাৰ উত্থান-পতনৰ ইতিহাসো 'কোচ-কমতাৰ ইতিকথা' গ্ৰন্থখনত ক্ৰম অনুসাৰে সন্নিৱিষ্ট কৰা হৈছে।

সৰ্বোপৰি সংক্ষেপে কবলৈ গলে বৃহত্তৰ অসমীয়া জাতি গঠনত কোচ ৰাজবংশী জনগোষ্ঠীৰ অৱদান, ৰাজবংশীয় তথ্যসমূহৰ ক্ৰমবিৱৰণ, সাহিত্য-সংস্কৃতি, সামাজিক পৰম্পৰা, পুৰুষ-নাৰী উভয়ৰে ভূমিকা বিস্তৃতভাৱে বৰ্ণনা কৰি প্ৰস্তুত কৰা গ্ৰন্থখনে নিশ্চিতভাৱে ইতিহাসৰ গৱেষক সকলৰ উপৰিও ঔৎসুক সাধাৰণ পাঠক সমাজক যথেষ্ট সমল যোগান ধৰিব সক্ষম হৈছে।

প্ৰবল জাতীয়তাবাদী ধ্যান-ধাৰণাৰে সমৃদ্ধ, এগৰাকী মননশীল লেখক, অসম সাহিত্য সভাৰ এগৰাকী অপ্ৰতিৰোধ্য নিষ্ঠাবান কৰ্মী দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰৰ বহুসংখ্যক মৌলিক সৃষ্টিৰাজিৰ ভিতৰতে 'কোচ-কমতাৰ ইতিকথা' গ্ৰন্থখনে ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন আপুৰুগীয়া ইতিহাস গ্ৰন্থ হিচাপে প্ৰতিষ্ঠা লাভ কৰিব বুলি নিশ্চিত ভাৱে ভাবিব পাৰি।

*****

● লেখক ঃ দৰং জিলাৰ এগৰাকী বিশিষ্ট লেখক, বিষয় শিক্ষক, কবিৰ আলী উচ্চতৰ মাধ্যমিক বিদ্যালয়।